ডুমডুমা ডুমডুমা

চন্দ্ৰ প্ৰকাশ
পানবজাৰ : গুৱাহাটী

Dumduma Dumduma : An autobiographical accounts of renowned romantic writer Sri Nirode Choudhury, Published by *Rajendra Mohan Sarma, on behalf of Chandra Prakash, Panbazar,* Guwahati, First Edition, December, 2000, Price Rs. 80.00 Only. Phone 511946

প্ৰকাশক

ৰাজেন্দ্ৰমোহন শৰ্মা

চন্দ্ৰ প্ৰকাশ

পানবজাৰ, গুৱাহাটী-১

দূৰভাষ ঃ ৫১১৯৪৬

প্ৰথম প্ৰকাশ

ডিচেম্বৰ, ২০০০

মূল্য ঃ ৮০.০০ (আশী) টকা মাত্ৰ

বেটুপাত ঃ প্ৰদীপ নাথ

ডি.টি.পি. ঃ বাজু কম্পিউটাৰ ছিষ্টেম
পল্টন বজাৰ, গুৱাহাটী-৮

মুদ্ৰক ঃ বি. ডি. এণ্ড কোং
ছাত্ৰীবাৰী, গুৱাহাটী - ৮

আগকথা

ৰামধেনু যুগৰ শেহৰফালে আত্মপ্ৰকাশ কৰি এক নিজস্ব শৈলীৰ প্ৰবৰ্তনেৰে প্ৰধানকৈ ৰোমাণ্টিক প্ৰেমৰ গল্প-উপন্যাসেৰে অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰা জনপ্ৰিয় তথা প্ৰেমাৰাছ সাহিত্যিক নিৰোদ চৌধুৰী অসমীয়া সাহিত্যৰ এগৰাকী অতি জনপ্ৰিয় আৰু বিশেষভাৱে সমাদৃত কথাশিল্পী। গল্প-উপন্যাসৰ উপৰিও এক বিশেষ আংগিকেৰে লিখা কেইবাখনো জীৱনী, বিবিধ বিষয়ক প্ৰবন্ধ তথা সুখপাঠ্য ৰচনাৰে পঞ্চাছতকৈও অধিক গ্ৰন্থৰ ৰচয়িতা, আজীৱন সাহিত্য সাধনাকে জীৱনৰ ব্ৰত কৰি লোৱা নিৰোদ চৌধুৰী আজি পৰ্যন্ত ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক পৰ্য্যায়ৰ সাহিত্যিক সন্মানেৰে সন্মানিত নহ'লেও তেওঁৰ প্ৰায়বোৰ গ্ৰন্থৰেই দ্বিতীয় তৃতীয় সংস্কৰণ হোৱা ঘটনাই পঢ়ুৱৈ সমাজক বিশেষভাৱে আনন্দিত কৰিছিল। নিৰোদ চৌধুৰীৰ কাহিনীৰ আধাৰতেই এতিয়ালৈকে সৰ্বাধিক অসমীয়া ছবি নিৰ্মিত হৈছে আৰু 'চামেলি মেমচা'ব'ৰ জৰিয়তে সংগীতত ৰাষ্ট্ৰীয় বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

সেইগৰাকী প্ৰসিদ্ধ লেখক বৰ্তমান দীৰ্ঘদিন ধৰি চিকিৎসাধীন হৈ থকা সময়তে আমি তেওঁৰ এসময়ৰ অতি জনপ্ৰিয় গল্প-উপন্যাসসমূহ পুনৰ মুদ্ৰণ কৰি পঢ়ুৱৈসমাজৰ মাজলৈ লেখকগৰাকীক ওভতাই অনাৰ প্ৰচেষ্টা চলাবলৈ আগ্ৰহ প্ৰকাশ কৰি লেখকগৰাকীক লগ ধৰাত লেখকগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰি আমাৰ শলাগ লয় আৰু সেইমৰ্মে কেইবাখনো গ্ৰন্থৰ পুনৰ প্ৰকাশৰ ব্যৱস্থা হাতত লোৱা হয়। তাৰেই ফলশ্ৰুতি হিচাপে লেখকগৰাকীৰ সৰ্বজনপ্ৰিয় গল্প-উপন্যাসসমূহৰ ভিতৰত 'মোৰ গল্প', 'অংগে অংগে শোভা', 'চামেলি মেমচা'ব', 'মেঘৰ ছাঁ' আদি পঞ্চদশ গুৱাহাটী গ্ৰন্থমেলাৰ সময়ত ৰাইজৰ হাতত তুলি দিব পৰাকৈ প্ৰকাশ কৰি উলিয়াবলৈ প্ৰসিদ্ধ গ্ৰন্থপ্ৰকাশক লয়াৰ্ছ বুক ষ্টল আৰু চন্দ্ৰ প্ৰকাশ আগবাঢ়ি আহি আমাক অভিভূত কৰে।

সেইগৰাকী প্ৰথিতযশা লেখকেই কেইবছৰমান পূৰ্বে ধাৰাবাহিকভাৱে লিখিবলৈ আৰম্ভ কৰা আত্মজীৱনীমূলক ৰচনা 'ডুমডুমা ডুমডুমা' দৈনিক জনমভূমি কাকতত প্ৰকাশ হৈ ওলায়। দীৰ্ঘদিন ধৰি চিকিৎসাধীন হৈ থকা লেখকগৰাকীৰ মানসিক শান্তি আৰু মনোবল সুদৃঢ় কৰাৰ মানসেৰে বাতৰিকাকতত ছোৱা ছোৱাকৈ প্ৰকাশ পাই থকা লেখকগৰাকীৰ বৰ্ণাঢ্য জীৱনৰ ৰোমাঞ্চকৰ ৰচনা 'ডুমডুমা ডুমডুমা' গ্ৰন্থাকাৰে প্ৰকাশ কৰি উলিওৱাৰ সিদ্ধান্তৰ কথা জনোৱাত তেখেতে অতি আনন্দেৰে সন্মতি প্ৰদান কৰাৰ পাছত 'দৈনিক জনমভূমি'ৰ পাতৰপৰা প্ৰকাশিত 'ডুমডুমা ডুমডুমা' অতি কষ্টেৰে সংগ্ৰহ কৰি 'চন্দ্ৰ প্ৰকাশ'ৰ ওচৰ চপাত স্বত্বাধিকাৰী ৰাজেন্দ্ৰমোহন শৰ্মাই আগ্ৰহেৰে গ্ৰন্থখন প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰে।

আত্মজীৱনীমূলক হ'লেও 'ডুমডুমা ডুমডুমা' কেৱল নিৰোদ চৌধুৰীৰ জীৱন, বংশ-পৰিয়াল অথবা আত্মীয়-স্বজনৰ কাহিনী নহয়, 'ডুমডুমা ডুমডুমা'ত নিৰোদ চৌধুৰীৰ

ব্যক্তিগত জীৱন অথবা বংশ-পৰিয়াল আৰু আত্মীয়-স্বজনৰ বিষয়ে বিশেষ একো কথাই নাই; বৰং আত্মকথা সৌৰৱণৰ ছলেৰে 'ডুমডুমা ডুমডুমা'ত তেওঁ নিজস্ব আংগিকেৰে অতি আকৰ্ষণীয়কৈ দাঙি ধৰিছে অসমৰ পূব প্ৰান্তৰ চৌদিশ চাহবাগিচাৰে পৰিবেষ্টিত এখনি অতি অখ্যাত আৰু চাহ-মজদুৰৰ মাজত জন্মগ্ৰহণ কৰিও জীৱন পৰিক্ৰমাত অৱলীলাক্ৰমে সান্নিধ্যলৈ অহা অসমৰ নাট্যজগতৰ প্ৰবাদপুৰুষ ব্ৰজনাথ শৰ্মা, ফণী শৰ্মা ৰাধাগোবিন্দ বৰুৱা, ড° ভূপেন হাজৰিকা, আব্দুল মজিদ, প্ৰফুল্ল শইকীয়া, সতীশ কাকতি, নিপ বৰুৱা, হেমেন হাজৰিকা; পশ্চিমবংগৰ সলিল চৌধুৰী, শ্যামল মিত্ৰ, অজিত লাহিড়ী, নেপাল ৰায়চৌধুৰী; মুম্বাইৰ লতা মংগেশকাৰ, উষা মংগেশকাৰ, অনিল মুহলে, হৰিপ্ৰসাদ চৌৰাচিয়া প্ৰভৃতি স্ব-প্ৰতিভাৰে মহিমামণ্ডিত বহুতোৰ প্ৰতিভাৰ সংস্পৰ্শত নিজৰ বিভিন্ন সৃষ্টিৰ আঁৰৰ কাহিনী।

এক কথাত 'ডুমডুমা ডুমডুমা' অসমৰ সাহিত্য-সংস্কৃতি-নাট-সংগীত-চলচ্চিত্ৰ আৰু চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত নিজে ওতপ্ৰোতভাৱে জড়িত হৈ পৰাৰ সময়ত সান্নিধ্যলৈ অহা অসম, বংগ তথা ভাৰতৰ বহুতোৰ বিখ্যাত আৰু স্বনামধন্য শিল্পীৰপৰা লাভ কৰা অকপট সহায় আৰু প্ৰভাৱৰ কহিনী; চাহপাতৰ ইতিকথাৰ লগতে দ্বিতীয় মহাসমৰে কোবাই যোৱা আৰু সৰু চহৰ ডুমডুমাৰ ওপৰত পৰা প্ৰত্যক্ষ প্ৰভাৱৰ ফলস্বৰূপে সৃষ্টি হোৱা কালজয়ী সাহিত্যৰ নেপথ্য কাহিনী; বহু বাস্তৱ ঘটনাক নিজস্ব আংগিক আৰু দৃষ্টিভংগীৰে নিজৰ সৃষ্টিৰ উপজীব্য কৰি গল্প-উপন্যাসৰ সৃষ্টিৰে আলোড়ন সৃষ্টিৰ কাহিনী; চাহবাগিচাৰ পটভূমিত ৰচিত সঁচা কাহিনী 'চামেলি মেমচাব'ৰ জৰিয়তে খলক লগোৱা আৰু উক্ত কাহিনীৰে অসমীয়া চলচ্চিত্ৰ ৰূপে অসমলৈ সংগীতত সৰ্বভাৰতীয় সন্মান আঁজুৰি আনি অসমক গৌৰৱান্বিত কৰাৰ সুযোগ দিয়াৰ কাহিনী; আনকি একেটি কাহিনী 'চামেলি মেমচা'ব' অসমীয়া, বাংলা আৰু হিন্দী ভাষাত চলচ্চিত্ৰ ৰূপ দি অসমীয়া তথা ভাৰতীয় চলচ্চিত্ৰজগততে অভিলেখ সৃষ্টি কৰাৰ কাহিনী।

পঢ়ুৱৈসমাজে 'ডুমডুমা ডুমডুমা'ক আদৰি লৈ চিকিৎসাধীন লেখকগৰাকীক জীয়াই থকাৰ প্ৰেৰণা, সাহস আৰু মনোবল যোগাব বুলিয়েই আমাৰ দৃঢ় বিশ্বাস।

'ডুমডুমা ডুমডুমা' গ্ৰন্থাকাৰে প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায় আগবঢ়োৱা লেখক-সাংবাদিক ৰিপুঞ্জয় গগৈ, বন্ধুবৰ দুলাল শৰ্মা, হেমন্ত বৰ্মন, শ্ৰদ্ধেয় নিত্যানন্দ তামূলী আৰু চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰী ৰাজেন্দ্ৰমোহন শৰ্মালৈ ৰ'ল আমাৰ বিশেষ কৃতজ্ঞতা।

'ডুমডুমা ডুমডুমা'ই নিৰোদ চৌধুৰীৰ শেষ সৃষ্টি হোৱাটো আমাৰ কাম্য নহয়। নিৰোদ চৌধুৰীৰ কাপ-নিসৃত আৰু বহু সৃষ্টিয়ে অসমীয়া সাহিত্য সমৃদ্ধ কৰিবলৈ বাকী আছে। শীঘ্ৰেই হৃত স্বাস্থ্য পুনৰ লাভ কৰি নিৰোদ চৌধুৰীয়ে পুনৰ ন ন সৃষ্টিৰে অসমীয়া সাহিত্যৰ বিভিন্ন দিশ টনকিয়াল কৰকহি, সেই আশা আমাৰ সকলোৰে।

বীৰেন্দ্ৰকুমাৰ লহকৰ

উৎসৰ্গা

ডুমডুমা ডুমডুমা

ডুমডুমাকেই

নি. চৌ.

২৬ নবেম্বৰ, ২০০০

ডুমডুমা ডুমডুমা

ডুমডুমা।

সুস্বাদু এটি মিঠা লজেন্সৰ দৰে মোৰ জিভাত উজুটি খাই বাৰে বাৰে লুটি বাগৰ খোৱা এটি নাম হ'ল ডুমডুমা।

এই নামৰ স'তে যেনেদৰে জড়িত আছে মোৰ সাধাৰণ জীৱনৰ বহু সৰু ডাঙৰ স্মৃতি, তেনেদৰেই নিহিত আছে বোধহয় মোৰ জীৱনৰ পৰিপূৰ্ণ বয়সৰ বহু তিতা-কেঁহা তথা মিঠা স্মৃতি, সোঁৱৰণী সমলয়। সেয়েহে এই ৰোমন্থন। আত্মৰোমন্থনৰ ছলেৰে ক'ব খুজিছো মোৰ অতি সাধাৰণ সংগ্ৰামবহুল, স্তৰে স্তৰে ক্ৰমাগত গোটখোৱা স্তুপীকৃত আত্মজীৱনী।

ডুমডুমা নে ডমডমা! কোৱাত কোৱা হয় ডুমডুমা। ষ্টেচনৰ ক'লা হালধীয়া ৰঙৰ 'নেমপ্লেট'ত কিন্তু ইংৰাজী ভাষাত বানানটো আছে ঃ DUMDUMA TOWN। টাউনৰ এক নিৰ্দিষ্ট বৈশিষ্ট্য থাকে। সেয়ে পিছৰ শব্দটো হাঁহি উঠা।

ডুমডুমাৰ আছেনে?

প্ৰশ্নটো বিতৰ্কমূলক। তথাপি টাউন, বিভূষিত ডুমডুমা টাউন নামেৰে।

সৰু মৰম লগা এখন টাউন।

উজনিৰ প্ৰায় সীমান্তৰ এখন ঠাই। চাহবাগিচাৰে পৰিবেষ্টিত। উত্তৰে চাহ বাগিচা, দক্ষিণে চাহবাগিচা, পূবে চাহবাগিচা, পশ্চিমে চাহবাগিচা। মাথোন বাগিচা। সেউজ কুঁহিপাতৰ এক চকু জুৰ পৰা সেউজ সাগৰ। মাথোন সেউজ।

চাহবাগিচাৰ সীমাহীন সেউজৰ ৰূপ যে এনে মনোমুগ্ধকৰ হ'ব পাৰে, সেয়া ডুমডুমা নেদেখিলে অনুভৱ কৰিব নোৱাৰি। আচলতে সেইখন ঠাইৰ অৱস্থিতিয়েই বহু বাগিচাক কেন্দ্ৰ কৰি।

মাথোন চাহবাগিচা বুলিয়ে ডুমডুমাৰ বৈশিষ্ট্য নাই, ডুমডুমাই উজনি অসমৰ একমাত্ৰ চহৰ য'ত কামৰূপৰ মানুহখিনিয়ে বহু বহু বছৰ আগতে গৈ বসতি তথা বিভিন্ন ব্যৱসায় কৰি বিশেষ কামৰূপীয়া গোষ্ঠ থকা কলনি গঢ়ি তুলিছিল।

বহুদিন আগতে ডুমডুমা সাহিত্য সভাৰ অধিবেশনলৈ ৰাজনীতিবিদ, সাহিত্যিক, অধ্যক্ষ প্ৰয়াত হেম বৰুৱাই সেইচাম মানুহ আৰু তেওঁলোকৰ কাৰ্য্যকলাপ দেখি কৈছিল ঃ এইয়াতো কামৰূপীয়া উপনিবেশ। উপনিবেশ হয় নে নহয় নেজানো, কিন্তু এই কথাৰ কোনো ভুল নাই যে নামনি অসমৰ গোন্ধ থকা উজনিৰ এক বিশেষ চহৰ ডুমডুমা আৰু সেই মানুহখিনিয়ে নিজৰ বৈশিষ্ট্যেৰে তাত বিভিন্ন ক্ষেত্ৰত দপদপাই থকা সবল ইংগিতো বহন কৰে। সেয়া ব্যৱসায়ত হওক বা সামাজিক জীৱনৰ বিভিন্ন ক্ষেত্ৰতে হওক, নাইবা কলা-সংস্কৃতিৰ ক্ষেত্ৰতে হওক। শেষৰটো অতি ভয়াবহভাবে সজীৱ। বিশ্বাস কৰিব পাৰিনে, অসমৰ নাট জগতৰ সহ-অভিনয়ৰ পাতনি মেলা হৈছিল ডুমডুমাতে। সেয়া কোন চনৰ কথা নাজানো। পাতনি মেলা মানুহজন আছিল নাট জগতৰ প্ৰবাদপুৰুষ, সৈনিক-শিল্পী প্ৰয়াত ব্ৰজনাথ শৰ্মা। সেই বিষয়ে ক'ম। তাৰ আগতে ডুমডুমাৰ নাট অভিনয়ৰ অবদানৰ ক্ষেত্ৰৰ কথা কৈ লওঁ।

ডুমডুমাত এটা অসমীয়া নাট্যমন্দিৰ আছে। আগতে কোৱা হৈছে যে ডুমডুমাখন চাহবাগিচাৰে আবৃত। গতিকে স্বাভাৱিকতে চাহ মজদুৰৰ সংখ্যাৰে সেই ঠাইৰ জনবসতি ভৰপূৰ, কিন্তু তাত বসবাস কৰা মানুহখিনিৰ স্বাভাৱিক নাট অভিনয়ৰ বীজ চিৰদিনেই বিভিন্ন ধৰণে প্ৰবাহিত আছিল। আৰু বিভিন্ন ব্যৱসায়-বাণিজ্যত লিপ্ত থকা তাৰ স্থানীয় মানুহখিনিৰ অভিনয় ৰীতিৰ নমুনা বিভিন্ন দিশত ফুটি ওলাইছিল।

স্বাভাৱিকতে ডুমডুমাত প্ৰকাশ পোৱা সেই কলা-সংস্কৃতিৰ মাজত অসমীয়াৰ বাহিৰেও চাহ জনগোষ্ঠীৰ সংস্কৃতি প্ৰতিফলনৰ উপৰি কাষৰে-পাজৰে বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ, যেনে মটক, মৰাণ, কছাৰী, সোণোৱাল আদিৰ বিভিন্ন সাংস্কৃতিক ৰূপৰেখা উদ্ভাসিত হৈও ওলাইছিল, যিটো প্ৰকৃত অৰ্থত বিভিন্ন দিশৰপৰা অৰ্থপূৰ্ণ আৰু অভিনৱ আছিল।

ডুমডুমাত উল্লেখিত নাট্যমন্দিৰটো এতিয়াও আছে। আহল-বহল, বৰ বৰ খুঁটাৰে আবৃত আসাম টাইপৰ সেই নাট্যগৃহটো বহু বছৰৰ সোণসেৰীয়া ঐতিহ্য বহন কৰি এতিয়াও বিদ্যমান। মাজতে নাট্যমন্দিৰটো কোনো এক চিত্ৰগৃহৰ মালিকক এনেয়ে পৰি থাকে বাবে নাট্য সমিতিয়ে ভাৰা দিছিল, চলিছিলো। লেডিজৰ বাবে বিশেষ ব্যৱস্থাও আছিল। সেইটোৰ প্ৰয়োজন আছিল, কাৰণ বাগিচাৰ মেমচাহাবসকল আহিছিল।

ক'লা মেম।

চামেলি মেমচা'বহঁত।

সেইটোৰ বাবেও সুকীয়া ব্যৱস্থা। চাহপানীৰ বেলেগ যা-যোগাৰ। সম্মুখৰ

দর্জাত ডাঠ ক'লা পৰ্দা। সেই বিশেষ দুৱাৰত থকা গেটকীপাৰৰ বাবে বিশেষ বানচ। বিশেষ ব্যৱস্থা।

আমি পঢ়ি থাকোঁতে সেই গেটত, গেটকীপাৰৰ চাকৰি পাইছিল লক্ষ্মী দত্ত নামৰ আমাৰ লগৰ ল'ৰাজনে। লক্ষ্মী ডুমডুমাতে জনাজাত আছিল, গেটকীপাৰ হিচাপে নহয়, ফুটবল খেলুৱৈ হিচাপে। ফৰোৱাৰ্ড লাইনত ইন পজিশ্যনত লক্ষ্মীৰ খেলৰ চমৎকাৰিত্ব মোৰ মানস পটত এতিয়াও উজ্জ্বল হৈ আছে। ঠিক ইষ্ট বেংগলৰ তেতিয়াৰ আপ্পা ৰাওৰ লেখীয়া। কিন্তু পিলিকদাৰ প্ৰভাবো আছিল। পিলিকদা অৰ্থাৎ বিখ্যাত ফুটবল, ক্ৰিকেট খেলুৱৈ প্ৰয়াত নলিনী চৌধুৰী। যাৰ নামেৰে গুৱাহাটী ষ্টেডিয়ামত 'পিলিক চৌধুৰী পেভেলিয়ন'ৰ নামকৰণ কৰা হৈছে।

সেয়া বহু বছৰ আগৰ কথা। ফুটবল খেল তেতিয়া তাত অতি জনপ্ৰিয় খেল। ডুমডুমাৰ দুজন বিশিষ্ট ব্যক্তি হ'ল স্বৰ্গীয় দেবেন বৰুৱা আৰু সেই অনন্য খেলুৱৈ তথা ক্ৰীড়া-সংগঠক মুহিবুৰ ৰহমান। ডুমডুমাত জনাজাত 'সৰু' নামেৰে, আমি মাতিছিলো 'সৰু কাইটি' বুলি। তেওঁৰ বিষয়েও ক'ম। নহ'লে যে ডুমডুমাৰ ইতিহাসেই সম্পূৰ্ণ নহ'ব।

এই সৰু কাইটিইতৰ আমন্ত্ৰণতে এবাৰ গুৱাহাটীৰ তেতিয়া বিশিষ্ট ক্লাব মহাৰাণা ডুমডুমালৈ খেলিবলৈ গৈছিল, যাই আকৰ্ষণ আছিল পিলিক চৌধুৰী। তেতিয়াৰ জুই খেলুৱৈ। ফুটবল, ক্ৰিকেট, দুয়োটাতে এনে অভিনৱ, ভিন্নসুৰী খেলুৱৈ অসমৰ খেল ইতিহাসত বোধহয় আবিৰ্ভাৱ ঘটাই নাই।

বৰ নম্ৰ খেলুৱৈ। খেলৰ প্ৰতিভা তেওঁৰ নিজস্ব প্ৰতিভা। শিকা নাই কোনো ঠাইত। কিন্তু ফুটবলত তেওঁ ড্ৰিবলিং উলিয়াই দিয়া সুন্দৰ বলৰ পৰিৱেশন পাহৰিব নোৱাৰি। সুযোগ পায়ো নিজে খুব কম গ'ল কৰিছিল। সেই সুযোগ তেওঁ সদায় অন্য খেলুৱৈকহে দিছিল। সেইটো পিলিক চৌধুৰীৰ খেলৰ এক স্বকীয়া বৈশিষ্ট্য আছিল।

ক্ৰিকেট খেলতো তেওঁৰ মিডিয়াম পেচৰ সাধাৰণ অফ্ ব্ৰেকবল মাৰাত্মক আছিল। তেতিয়া অসমত ক্ৰিকেট খেলত উইকেটৰ, টাফ উইকেটৰ প্ৰচলন, তাৰেই পিলিক চৌধুৰীয়ে যি লাইফ পাইছিল, সেয়া ভাবিব নোৱাৰি।

তেওঁৰ বিশ্বাস আছিল অটল। সেয়া তেওঁ কোনোদিনে ক্ষুণ্ণ হ'ব দিয়া নাছিল। সেইটো আমি নিজে প্ৰত্যক্ষ কৰিছো। পিলিক চৌধুৰীৰ আছিল অসাধাৰণ আত্মবিশ্বাস। সেইটো তেওঁ নিজাকৈ আয়ত্ত কৰিছিল। এবাৰৰ কথা। পিলিকদা অসম দলৰ কেপ্টেইন। খেল যোৰহাট ষ্টেডিয়ামত, শক্তিশালী হোলকাৰৰ বিৰুদ্ধে। হোলকাৰৰ

হৈ তেতিয়া খেলে ভাৰতখ্যাত ভাৰতীয় ষ্টেট খেলুৱৈ, সেই অসামান্য বেটছমেন মুস্তাক আলিয়ে। মুস্তাক তেতিয়া ভাৰতীয় দলৰো অ'পেনাৰ। আমি উৎসাহেৰে অসম ক্ৰিকেট দলটো গুৱাহাটী ৰেলষ্টেচনত বিদায় দিবলৈ গৈছিলো, তাৰ মাজত গায়ক, প্ৰয়াত হেমেন হাজৰিকাও আছিল। হেমেনদা নিজস্ব মুডত। তেওঁ ঢোল এটা বজাই বজাই কৈছিল ঃ এই পিলিক, তই মুস্তাক আলিক গোল্লাত, মানে "জিৰো"ত যদি আউট কৰিব নোৱাৰ, তোক গুৱাহাটীত সোমাব নিদিওঁ। সেয়া সকীয়নিহে আছিল। কিন্তু আচৰিতভাৱে মুস্তাক আলিক সেই খেলত শূন্যতে আউট কৰিছিল পিলিকদাই। কলিকতাৰ কাকতেও বৰ বৰ হৰফেৰে সেই বলিঙৰ কথা লিখিছিল।

আৰু এবাৰৰ কথা। অসম আৰু বংগৰ ৰঞ্জী ট্ৰফীৰ খেল। জৰ্জ খেল পথাৰত। স্বাভাৱিকতে অসমৰ বলিং পিলিকদাৰ ওপৰত নিৰ্ভৰশীল। কিন্তু বংগই অসাধাৰণ বেটিং প্ৰদৰ্শন কৰিছিল। ৰাণ স্কোৰো সাংঘাতিক হৈছিল। অ'পেনাৰ দুজনৰ বাহিৰে তেওঁলোকৰ থাৰ্ড বেটছমেন নিৰ্মল চেটাৰ্জীয়ে মাৰমুখী বেটিং কৰিছিল। প্ৰথম ইনিংছৰ খেলতে তেওঁ চেঞ্চুৰি কোবাবলৈ সক্ষম হৈছিল। আউট নহয়হে নহয়, পিলিকদাই বিভিন্ন কৌশলৰ বল কৰি ভাগৰি গৈছিল। ধীৰ গতিৰে, (নাম পাহৰিলো, খুব থুইৰে বলটো তিয়াইছিল, টেলিগ্ৰাফ অফিচৰ চাকৰিয়াল আছিল) এটা নে দুটা বল বিৰাট ছয় কোবাই হাইকোৰ্টৰ সেই ঠাইত পেলাইছিল।

পিছদিনা ভীষণ উত্তেজনা। যথা ৰূপত হেমেন হাজৰিকা ঢোল লৈ জৰ্জ ফিল্ডৰ খেজুৰী গছৰ তলত।

এন চি. চেটাৰ্জীক আউট কৰিবই লাগিব। প্ৰথম অভাৰৰে দ্বিতীয় নে তৃতীয় বলত এন. চি. চেটাৰ্জী আউট। পিলিকদাৰ ইন কাটাৰ বেটছমেন বলাৰক ক্ৰেডিট দি পিটছৰপৰা ধীৰ গতিত ওলাই গৈছিল। পিলিকদাৰ সেই লাজুকীয়া হাঁহি। যেন অসাধাৰণ একো কৰা নাই। সেইজন পিলিকদাৰ ক্ৰিকেট-ফুটবল দুয়োটাতে অসাধাৰণ প্ৰতিভা।

লক্ষ্মী দত্তও প্ৰভাৱান্বিত হৈছিল। পাছত মোক কৈছিল ঃ ভৰিত যাদু আছে যেন পাইছো। এইটো ডুমডুমাৰ লক্ষ্মীৰে কথা নহয়। পিলিকদাৰ খেল যেয়ে দেখিছে, তেওঁৰে সেই অভিমত। নহ'লেনো কোনো কাহানিও খেল অনুৰাগী বুলি অপৰিচিত সেইগৰাকী কথা-সাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়ায়ো পিলিকদাৰ অপৰূপ ক্ৰীড়া- কৌশল দেখি তাহানিৰ ৰামধেনুত প্ৰবন্ধই লিখি পেলায়নে নলিনী চৌধুৰী ওৰফে পিলিকদাৰ খেলৰ ওপৰত।

পিলিকদাৰ কথা কোৱা হ'ল। কাৰণ, নকৈ উপায় নাই। লক্ষ্মী সেই ক'লা মেম

বহা বিশেষ মহিলা শ্ৰেণীৰ গেটকীপাৰ আছিল।

লক্ষ্মী দত্ত চিনেমা হলৰ গেটকীপাৰ।

আৰু এজন মোৰ স্কুলীয়া বন্ধু দুলাল গুৱাহাটী অনুৰাধা চিনেমা হলৰ আপাৰ ক্লাছৰ গেটকীপাৰ আছিল। উজান বজাৰৰ ল'ৰা। আমি তেতিয়া কলেজিয়েট স্কুলত পঢ়িছিলো। সেই সময়তে একেলগে পঢ়া। অতি ধুনীয়া কণ্ঠ আছিল। সেই সময়ত ৰাজকাপুৰৰ বৰসাত ছবি আহিছিল। তাৰ গীতসমূহ বৰ জনপ্ৰিয় হৈছিল। "হাউৱা যে উড়তা যায়ে"ৰ পৰা 'বৰসাত মে' আদি গীতলৈ দুলালে বৰ ধুনীয়াকৈ সেই গীত আমাক শুনাইছিল। আমাৰ এ ছেক্সনত তেতিয়া সহপাঠী আছিল এতিয়াৰ মুখ্য সচিব হৰেন্দ্ৰ নাথ দাস (বাপু), সেইবাৰ মেট্ৰিকত প্ৰথম ষ্টাৰ লভা হৰেন বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° ইন্দু মোহন দাস আদি।

তথাপি ডুমডুমাৰ স্মৃতি চিৰসেউজ।

কৈছিলো নাট্যমন্দিৰৰ কথা। আগতেই কৈছো, নাটবলিয়া ডুমডুমাৰ সেইজাক মানুহৰ নাট মেলাৰ প্ৰক্ৰিয়াও বেলেগ ধৰণৰ। সৰহভাগ মানুহেই কাৰবাৰী। চাইকেলৰ পিছফালে এবোজা বয়বস্তু লৈ বাগিচাই বাগিচাই বিভিন্ন সপ্তাহ বাৰত বহা বিশেষ বজাৰবোৰত ফেৰী কৰি ফুৰি, পেটৰ ভাত মোকোলাই তাৰ পাছত থিয়েটাৰ। আজি যদি বিচাখুপি, কাইলৈ হাঁহচৰাত, পৰহি নামদাং বাগিচাৰ এমূৰে বহা শনিবৰীয়া হাটত।

চামেলি, বুধুহঁতৰ বজাৰ।

ডুমডুমাত সেই চেনেহৰ হাটবোৰৰ প্ৰতিধ্বনি উঠে। কাৰণ, কাৰণ দেওবাৰৰ দিনা ডাঙৰকৈ বজাৰ বহে ডুমডুমাত, বিভিন্ন বয়বস্তুৰ বজাৰ। তৰী-তৰকাৰীৰপৰা আৰম্ভ কৰি কাপোৰ-কানি তথা বিভিন্ন গেলামালৰ বজাৰ। ডুমডুমাৰ দেওবৰীয়া বজাৰৰ সেই দিশৰপৰা বিশেষত্বও আছিল। প্ৰত্যেক বাগিচাৰে মজদুৰসকলৰ চখ দেওবৰীয়া ডুমডুমা বজাৰলৈ। টাউন কমিটিয়ে শাৰী শাৰীকৈ সজাই দিয়া দোকান ঘৰ, তাৰ মাজে মাজে আকৌ অৰ্ধছত্ৰাকাৰ চালি থকা সাধাৰণ দোকান বহা দোকানৰ দৰে।

মোৰ দেউতাৰো তাত দোকান আছিল। মূল দোকান যদিও বাগিচাত আছিল, দোকানীৰ ল'ৰা মই, সেই কথাও পাছত ক'ম।

ডুমডুমাৰ দেওবৰীয়া হাটৰ আকৰ্ষণো কম নহয়, বিচিত্ৰ মানুহ। ৰং-বিৰঙৰ কাপোৰেৰে সেয়া এক আচৰিতৰূপে মুক্ত বিহংগৰ দৰে মজদুৰসবৰ সেই দিনটোত মহলবোৰৰপৰা হাৰিয়া খোৱাৰ প্ৰবাহো কম নহয়। পৰিবেশ উত্তপ্ত হৈ থাকে সকলো

দিশত। নেদেখিলে সেই কথা অনুভব কৰিব নোৱাৰি। পৰিবহন মন্ত্ৰী শিৱশম্ভু এনে মহলৰ স'তে জড়িত আছিল। সেয়া এক অন্য কাহিনী। অন্য পৰিবেশ। মন্ত্ৰী ওজাৰ বাবে সেই কাহিনী নিশ্চয় মনোগ্ৰাহী হ'ব। মই জানো। ওপৰত উল্লেখ কৰা বিভিন্ন সংগঠনৰ কামত ব্যস্ত থকা ব্যক্তিসকলেই ডুমডুমাৰ সঁচা অৰ্থত সাংস্কৃতিক বনুৱা বা বনুৱা। পেটৰ ভাত মোকলোৱাৰ কথা চিন্তা কৰিও যিকণ আজৰি পাইছিল, সেইকণ বিনিয়োগ কৰিছিল থিয়েটাৰ আদি আনন্দোৎসৱত।

তেনেকৈয়ে ডুমডুমাত নাট উৎসৱৰ পাতনি মেলা হৈছিল। সেইচাম শিল্পীয়েই দপদপাই আছিল ডুমডুমা। সেই কথা অতি সুন্দৰভাৱে নটসূৰ্য ফণী শৰ্মাই বৰ্ণনা কৰি গৈছে। তেওঁ লিখি গৈছে-কেনেদৰে ডুমডুমাৰ নাট অনুৰাগীয়ে তেওঁক আমন্ত্ৰণ কৰি নি পূজাৰ তিনিওদিনে অনুষ্ঠিত হোৱা নাট পৰিবেশনৰ বাবে দায়িত্ব দিছিল। নানান মিঠা-কেঁহা অভিজ্ঞতাৰ স্তূপ। ফণী শৰ্মাৰ বৰ্ণনাত ঃ আগতেই কোৱা হৈছে ডুমডুমাৰ নাট্যপ্ৰবাহৰ গতি প্ৰকৃত অৰ্থত নিৰৱচ্ছিন্ন আছিল। এটিচাম আহিছিল, কিছুদিন ডুমডুমাৰ নাট্যমন্দিৰ তল-ওপৰ কৰি ৰাখিছিল। আকৌ নোহোৱা হৈছিল। ইয়াৰ মাজত স্থানীয় মানুহৰ বাহিৰেও চাকৰিৰ সম্পৰ্কত অহা বেংকৰ চাকৰিয়াল, পোষ্ট অফিচৰ চাকৰিয়াল, স্কুল শিক্ষকো আছিল। নিঃসন্দেহে এইবোৰ মানুহৰ মাজত সু-অভিনেতা তথা নাটৰ কাৰিকৰী দিশ বুজা বহু অভিজ্ঞ লোকো আছিল। মই নিজে তেনেবোৰ মানুহক লগ পাইছো। তেওঁলোকৰ সুপ্ত প্ৰতিভাৰ উম পাই নিজে আচৰিত হৈছোঁ।

বহু মানুহেই ডুমডুমা নাট্য আন্দোলনৰ স'তে জড়িত হ'লেও এজন বিশেষ মানুহৰ নাম সুঁৱৰিবই লাগিব।

নাম উমা মেধি।

ব্যৱসায়ী মানুহ। অভিনয় কৰাতে ক্ষান্ত নাথাকে, নাটক লিখে, মঞ্চসজ্জা কৰে, মেক-আপ কৰে, প্ৰম্প্‌ট কৰে। নাটক অভিনয়ৰ ক্ষেত্ৰত এনে এটা দিশ নাছিল, যিটো তেওঁ পৰশি পোৱা নাই। অতি নিৰীহ, সজ, নম্ৰ মানুহ। কোনো ধৰণৰ আত্ম অভিমান নাই। বলীনদাই (ফণী শৰ্মাই) ব্যক্তিগতভাৱে উমা মেধিৰ কথা মোক প্ৰশংসা কৰি কোৱা মনত আছে।

তেতিয়া আছিল দলংঘাটৰ ফালে। তেওঁৰ সেই ভেৰোণীয়া ঘৰটি নাট গৱেষণাৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল। মেধিয়ে তেনেকুৱা কিবা এটা কৰাৰ কথাই ভাবিছিল। হয়তো উৎসাহ আৰু সীমিত সুবিধাৰ বাবে সেইটো হৈ নুঠিল।

মনত পৰিছে কলিকতাৰ কথা।

চন পাহৰিলো।

তেতিয়া কৌতুক অভিনেতা জহৰ ৰায় মঞ্চৰ স'তে জড়িত। তেওঁৰ এজন পুতেক সেই সময়ত ঢুকাইছিল। মই ভূপেনদাৰ তাত আছিলো। টালিগঞ্জত। ভূপেনদাই ক'লে, এবাৰ জহৰদাৰ তাৰপৰা আহোঁগে ব'লা। সেই সময়ত 'চিকমিক বিজুলী'ৰ কাম চলি আছিল। জহৰদায়ো সেই ছবিত এটি ভাও সজাই গৈছিল।

শোকৰ সমবেদনা জনাবলৈ যোৱা হৈছিল। কিন্তু ঘৰত জহৰদাৰ বৌৰ জগত অন্য কথা। সৰহ কথা তেওঁৰে পাতিলে। আগদিনা কলিকতা কেন্দ্ৰৰপৰা কৰা ভূপেনদাৰ বঙালী গীতৰ প্ৰগ্ৰেমৰ বিষয়ে। জহৰদা ক'ত? ক'লে ঃ 'ওখানে'।

অৰ্থাৎ জহৰদাৰ এটি হোটেলত নিজৰ কোঠা আছে। পৰিপাটী, পাটী পাৰি থোৱা। সাধাৰণ আলমাৰি দুটা। কিতাপ ভৰ্তি। সৰহভাগেই নাট সম্পৰ্কীয় গ্ৰন্থ। নিকলৰ 'থিঅ'ৰি অব ড্ৰামা'ও সেই তাতেই প্ৰথম দেখো।

কিন্তু ভূপেনদাৰপৰা গম পাইছিলো যে নাট সম্পৰ্কীয় আলোচনা, আখৰা, নাট নিৰ্বাচন আদি সেইটো কোঠালিতে হয়। জহৰদাই ভাৰা দি কোঠালি থৈ দিছে। মোৰ অবাক হোৱাৰ পাল। এনে আনুগত্যই আছিল নাট সম্পৰ্কে তেওঁলোকৰ। দুৰ্ভাগ্যৰ কথা, সেই হোটেলৰ নামটো মই পাহৰিলো। ডুমডুমাৰ সাধাৰণ নাট্যপ্ৰেমী উমা মেধিৰো নিশ্চয় তেনে স্বপ্নই আছিল।

কিন্তু সুবিধা ক'ত? উৎসাহ ক'ত?

উমা মেধিৰ সেই সপোন সফল নহ'ল।

আগতেই কৈছো, ডুমডুমাৰ অসমীয়া মঞ্চটি আজাদ ৰোডত। বৰ বৰ খুঁটাৰে আহল-বহল। মঞ্চটিও আটকধুনীয়া আছিল। পিছলৈ নঁ-কৈ সজাই-পৰাই উলিওৱা হৈছিল। তেতিয়া ইয়াৰ দৃশ্যপটসমূহ আঁকিছিল ডিব্ৰুগড়ৰ বিখ্যাত শিল্পী মুক্তিনাথ বৰদলৈয়ে, যি অসমৰ চতুৰ্থখন বোলছবি, চাহখেতিয়ক ৰোহিণী কুমাৰ বৰুৱাৰ 'মনোমতী' ছবিত কেহোঁৰামৰ চৰিত্ৰত অপূৰ্ব অভিনয় কৰিছিল। মঞ্চত এনে নিখুঁত দৃশ্যপট অঁকা মানুহ দ্বিতীয় এজন বোধহয় নাছিল। মুক্তা বৰদলৈ আসাম ট্ৰিবিউন প্ৰেছৰ স্বত্বাধিকাৰী ৰাধাগোবিন্দ বৰুৱাৰ ঘৰৰ ওচৰৰ মানুহ আছিল। ৰাধাগোবিন্দ বৰুৱা আৰু বৰদলৈৰ বহু হাস্যমধুৰ ঘটনা সেই সময়ত ঘটিছিল, যিবোৰৰ উল্লেখ মই স্বৰ্গীয় বৰুৱাৰ একমাত্ৰ জীৱনীগ্ৰন্থ ৰাধাগোবিন্দ বৰুৱাত সন্নিবিষ্ট কৰিছোঁ।

মুক্তা বৰদলৈৰ দৰে দৃশ্যপট অঁকা দ্বিতীয় কোনোৱা আছিল, সেয়া মোৰ জ্ঞাত নাছিল। শেহতীয়াভাৱে ডুমডুমা নাট্যমন্দিৰত একেবাৰে নতুন ড্ৰপছিন আঁকিছিল। ব্ৰহ্মপুত্ৰৰ বুকুত উমানন্দ। বোধহয় সেইখন এতিয়াও আছে। দাতা আছিল, মই যদি

ভুল কৰা নাই, অমৃত ডেকা।

অকল সেয়াই নহয়। স্বৰ্গীয় বৰদলৈয়ে ডিব্ৰুগড় আমোলাপটি মঞ্চ, আসাম ট্ৰিবিউন আদিৰ বাবেও দৃশ্যপট আঁকিছিল। ৰাধাগোবিন্দ বৰুৱা কলাসুলভ মনোবৃত্তিৰ মানুহ আছিল। গতিকে আসাম ট্ৰিবিউন চৌহদতে তেওঁ এটা স্থায়ী মঞ্চৰ ৰূপ দিছিল। বছৰেকত অনুষ্ঠিত হোৱা বিশ্বকৰ্মা পূজাৰ থিয়েটাৰসমূহ সেই মঞ্চতে অনুষ্ঠিত হৈছিল। এতিয়া ট্ৰিবিউনৰ য'ত জেনেৰেল অফিচ, তাৰে কোনো এটা অংশত সেই মঞ্চ আছিল। ট্ৰিবিউন কৰ্মীয়ে সেই নাটবোৰত অংশগ্ৰহণ কৰিছিল। ঘাই হোতাজনেই আছিল স্বয়ং ৰাধাগোবিন্দ বৰুৱা। কাৰ্যসূচী অনুযায়ী নিৰ্দিষ্ট নাটৰ পোহাৰ মেলা হৈছিল। এক ছেকেণ্ডো হেৰফেৰ নাই। সেইটোৰ প্ৰতি আৰ. জি. ৰ সজাগ দৃষ্টি। সেই ঐতিহ্য এতিয়া আৰু নাই। সোঁৱৰণীৰ হুমুনিয়াহ কঢ়াৰ বাহিৰে উপায় নাই।

সেইজনা মুক্তা বৰদলৈ। যি চিৰসজীৱ, অন্ততঃ ডুমডুমা নাট্যমন্দিৰৰ মাজেৰে। সেই স্মৃতি তেখেতে জীয়াই ৰাখিছে। এতিয়াও। ইতিমধ্যে কোৱা হৈছে, ডুমডুমা চাহবাগিচাৰে চৌদিশ পৰিবেষ্টিত, গতিকে দৰ্শকমণ্ডলীও স্থানীয় মানুহখিনিৰ বাহিৰে বাকীবোৰ চাহ মজদুৰ। অসমীয়া নাটক কি বুজে? অভিনয়েবা কি বুজে? তথাপি নাট লিখাৰ উৎসাহ কোনেও কমাব পৰা নাছিল। কি নাটক? উল্লেখ কৰা ভাল হ'ব যে যিবোৰ নাটক মঞ্চস্থ কৰা হৈছিল তাৰ সৰহভাগেই বঙালী নাটৰ অনুবাদ আছিল। সেই ক্ষেত্ৰত কোনো বাধাও নাছিল। তাৰ ঘাই কাৰণ, বঙালী নাটৰপৰা অনুবাদ কৰা অতি সহজ আছিল আৰু নাটকীয় আংগিক তথা উপাদানেৰে সেই নাটবোৰ এনেদৰে পৰিপুষ্ট আছিল যে যিকোনো সময় আৰু পৰিবেশত সেই নাটবোৰ মঞ্চস্থ কৰা অতি সহজ আছিল।

মঞ্চস্থ হোৱা নাটবোৰৰ ভিতৰত আছিল 'হিন্দু বীৰ', 'মেৱাৰ সন্ধ্যা', 'ছত্ৰপতি শিৱাজী' আদি। নাটবোৰৰ অনুবাদ তেওঁলোকৰ কোনোবাই কৰিছিল। অনুবাদ আক্ষৰিক আছিল। গতিকে প্ৰকাশ আছিল অকাব্যিক আৰু ঠৰঙা। তথাপি চলি গৈছিল। এই ক্ষেত্ৰত আকৌ আগভাগ লৈছিল উমা মেধিয়ে। তেওঁ অনুবাদো কৰিছিল, পৰিচালনা আৰু অভিনয় কৰাৰ বাহিৰেও, কিন্তু সেই সমূহ নাটৰ অভিনয়, দৰ্শক ৰাইজে গো-গ্ৰাসে গিলিছিল। উমা মেধি এই সমূহৰ প্ৰাণশক্তি আছিল। সকলো দিশ নিয়াৰিকৈ চোৱাৰ উপৰি তেওঁ অভিনয়ও কৰিছিল। মেৱাৰ সন্ধ্যাত মূল চৰিত্ৰ পদ্মিনীৰ। নাট্য মন্দিৰৰ কাষৰ মুকলি ঠাইত শেষবাৰৰ বাবে ডাড়ি খুৰাই পদ্মিনীৰ মেকআপ লোৱা দৃশ্য আমি নিজে দেখিছো। ক'বলগীয়া সংলাপ সলসলীয়াকৈ মুখস্থ। প্ৰয়োজনীয় মুদ্ৰা, সেয়াতো থিতাতে অহা।

এই ঐতিহ্য কম নহয়। দোষ আছিল। নিখুঁত নিশ্চয় নহয়। কিন্তু এই প্ৰচেষ্টাৰ ধাৰাবাহিকতা ৰখাটো সহজ কথা নহয়। উমা মেধি ডুমডুমাৰ নাট জগতত সেয়েহে অবিস্মৰণীয় নাম। বংগদেশৰ মঞ্চ ইতিহাস লৈ 'কত অজানাৰে'ৰ লেখক শংকৰে যেনেদৰে নাট ইতিহাস লৈ অমূল্য গ্ৰন্থ লিখি গৈছে (যাৰ অসমীয়া অনুবাদ মই কৰিছোঁ) বা ইন্দিৰা মিত্ৰৰ 'সাজঘৰ' যি এক ইতিহাস সম্বলিত গ্ৰন্থ, তেনে এক নাট ইতিহাস ৰচনাৰ সমল হয়তো ডুমডুমা নাট্যমন্দিৰত নিহিত আছিল। এতিয়াও আছে।

কিন্তু লিখিব কোনে?

তেনে অনুসন্ধিৎসু মনোভাবেৰে উজ্জীবিত কেইজন? আমাৰ দৰে সাধাৰণ লেখকৰ আক্ষেপ কৰাৰ বাহিৰে আন উপায় নাথাকে। ক'ত সেই ইতিহাস? ক'ত? আক্ষেপ হয় এই কাৰণেই যে সেইবোৰ সৰু সৰু ঠাইৰো নিজস্ব ধৰণে একো একোটিইত বিষয়ত অবদান আছে, যিটো কোনোপধ্যে উলাই কৰিব নোৱাৰি।

ডুমডুমাৰ ইতিহাস কেৱল নাট্য জগতৰে ইতিহাস নহয়। যিহেতু নাট ইতিহাসৰ ক্ষেত্ৰত এক বিশিষ্ট অৱদান আছে, সেয়েহে এই ৰোমন্থন।

ডুমডুমাৰ অন্য বৈশিষ্ট্যও আছে।

যিহেতু বাগিচাকেন্দ্ৰিক, সেয়ে চাহবাগিচাৰ স'তে এই ঠাইৰ বৰ ওচৰ সম্পৰ্ক। নিবিড় সম্পৰ্ক।

এয়া যিহেতু সচেতনতাৰ যুগ সকলো দিশত, তেতিয়া, তেতিয়াই ডুমডুমাত গঢ়ি উঠিছিল মজদুৰ সচেতনতা। যিটোক আজি নামাংকিত কৰা হৈছে মজদুৰ সংঘ আদি বিশেষণেৰে। কিন্তু কোনে বিশ্বাস কৰিব যে ডুমডুমাত এই মজদুৰ সংঘ গঢ়ি তুলিছিল এজন অসমীয়া মানুহে।

নাম তেওঁৰ যোগেন্দ্ৰ নাথ ৰাজমেধি। বৃত্তিত কবিৰাজ। যজমানী নকৰিছিল, কিন্তু সাংঘাতিক সাংগঠনিক গুণ থকা মানুহ। তেওঁৱে প্ৰথম উপলব্ধি কৰিছিল যে নিস্পেষিত এই বনুৱাশ্ৰেণীৰ নিজস্ব আত্মসচেতনতা আৰু স্বকীয়ত্বৰ বাবে এটি আলমৰ দৰকাৰ। সেয়েহে জন্ম দিছিল চাহ মজদুৰ সংঘৰ। যিটি অনুষ্ঠান আজি আই. এন. টি. ইউ. চি ৰ অন্তৰ্ভুক্ত হৈ শাখাই-প্ৰশাখাই বৃহৎ অনুষ্ঠানৰূপে গজগজীয়া হৈছে। ই কিয়, কিহৰ বাবে ৰাজমেধিৰ এই মনোবৃত্তিয়ে ধীৰে ধীৰে পল্লবিত হৈছিল, জনা নাযায়। কিন্তু অতি আন্তৰিকতাৰে তেওঁ এই কাম কৰিছিল আৰু তাৰ সুফল আজি বিভিন্ন ক্ষেত্ৰত দেখা গৈছে।

মই তেতিয়া কলেজত পঢ়োঁ। গৰমৰ বন্ধবিলাকত ডুমডুমালৈ যাওঁ। কাম একো নাথাকে। ঘূৰি ফুৰা আৰু কেতিয়াবা কিতাপ-আলোচনী পঢ়া। ৰাজমেধি

তেতিয়া ভাড়া ঘৰত থাকে। বোধহয় ডা° দ্বিজেন পাটোৱাৰীহঁতৰ পুৰণি ঘৰ। তাতেই মজদুৰ সংঘৰ অফিচে আমাৰ ডুমডুমাৰ স্থায়ী ঘৰৰ একেশাৰীত পৰে।

মোৰ হাতৰ আখৰ বেয়া নাছিল। প্ৰয়াত যোগেন ৰাজমেধিয়ে সেইটোকে কৌশলেৰে কামত খটুৱাইছিল। সংঘৰ বিভিন্ন গোহাৰি, আবেদন আদিৰ ড্ৰাফট্ তেওঁ মোৰ হতুৱাই কৰাই সেইবোৰ ষ্টেনচিল মোৰ হতুৱাই লিখাইছিল। ময়ো সেই কাম অতি উৎসাহেৰে কৰিছিলোঁ। এনেয়ে। কিন্তু তাৰদ্বাৰা মোৰ উপকাৰ হৈছিল। চাহ মজদুৰ সংঘৰ সৈতে মোৰ এক অজান আত্মীয়তা গঢ়ি উঠিছিল। পিছলৈ সেইটো কামত আহিছিল।

এই মজদুৰ সংঘৰ জৰিয়তে ভালেকেইজন বিশিষ্ট মজদুৰ তথা আই. এন. টি.ইউ. চি.ৰ নেতাসকলৰ সংস্পৰ্শত বহু অভিজ্ঞতাও সঞ্চয় হৈছিল। উপকৃতও হৈছিলো নানান দিশত। সেইসকলৰ ভিতৰত আছে ছত্ৰগোপাল কৰ্মকাৰ, হৰি শৰ্মা, বিশিষ্ট সাংবাদিক, কলাবিদ ভৰত বৰপূজাৰী, লিলি সেনগুপ্তা, দলবীৰ সিং লোহাৰ, পবন সিং ঘাটোৱাৰ, দিলেশ্বৰ তাঁতী, নীৰেন বৰুৱা, মলিনা তাঁতী, ৰুচি তাঁতী আদি। এতিয়াও ডুমডুমা শাখা চাহ-মজদুৰ সংঘৰ সম্পাদক মোৰ ঘনিষ্ঠ বন্ধু। আমি এই সংঘৰ বহু তিতা-কেঁহা অভিজ্ঞতাত একেলগে অংশগ্ৰহণ কৰিছোঁ। সেই স্মৃতিও লেখত ল'বলগীয়া। এই চাহ-মজদুৰ সংঘই অসমীয়া বোলছবি প্ৰযোজনাতো হাত দিছিল। মজদুৰ সংঘ প্ৰযোজিত প্ৰথম ছবি আছিল – 'কেঁচা সোণ'। এই ছবিৰ পৰিচালক আছিল নটসূৰ্য ফণী শৰ্মা। সংগীত আছিল ড° ভূপেন হাজৰিকাৰ। চিত্ৰগ্ৰহণ নলীন দুৱৰাৰ। ছবিখন ব্যৱসায়িক দিশত একেবাৰে অসফল বুলি ক'ব নোৱাৰি।

তাৰ পিছতেই চাহ-মজদুৰ সংঘই বহুবছৰ বিৰতিত দ্বিতীয়খন ছবি নিৰ্মাণত হাত দিয়ে। এই ছবিৰ স'তে মই আবেগিকভাৱে জড়িত আছিলো। অসম চাহ মজদুৰ সংঘৰ ডিব্ৰুগড় মূল অফিচৰ এজন কৰ্মকৰ্তা হ'ল ভৰত বৰপূজাৰী। আগতেই উল্লেখ কৰিছোঁ, বৰপূজাৰী অসমীয়া কলা-সংস্কৃতিৰ স'তে নিবিড় সম্পৰ্ক থকা মানুহ। বহুতেই নেজানিব যে ভৰত বৰপূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ বৰ ওচৰৰ মানুহ। ৰূপকোঁৱৰৰ শাৰীৰিক অসুস্থতাৰ বাবে এক সুদীৰ্ঘ কাল তেওঁ ডিব্ৰুগড়ৰ তামোলবাৰী চাহবাগিচাত কটাইছিল। মই যদি ভুল কৰা নাই, সেই সময়ছোৱাত চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিষ্ঠিত এখন অসমীয়া দৈনিক কাকতৰ স'তে জড়িত হৈছিল আৰু সেই কাকতৰ শিশু চ'ৰাটি জ্যোতিপ্ৰসাদে 'পখীটি' ছদ্মনামেৰে ডিব্ৰুগড়ৰপৰাই পৰিচালনা কৰিছিল। অসমত বাতৰি কাকতত নিয়মিত শিশু শিতানৰ পোন প্ৰথম জ্যোতিপ্ৰসাদেই প্ৰবৰ্তন কৰিছিল। নাম আছিল 'অকণিৰ চ'ৰা'।

ক'বলৈ লাজ নাই, মোৰ ব্যক্তিগত লিখাৰ জীৱন পল্লৱিত হৈ উঠিছিল সেই শিশু শিতানৰ পৃষ্ঠপোষকতা তথা ছত্ৰছায়াত।

কৈছিলো ভৰত বৰপূজাৰীৰ কথা। জ্যোতিপ্ৰসাদৰ বহু কথা তথা লিখনিৰ স'তে বৰ ওচৰ সম্পৰ্ক বৰপূজাৰীৰ। দুই-এঠাইত তেখেতে এৰাধৰাকৈ সেই বিষয়ে লিখিছে, কিন্তু সেয়া সম্পূৰ্ণ নহয়। তেখেতৰ কোনো শুভাকাংক্ষীয়ে তেওঁক ধৰি বান্ধি সেইবোৰ লিপিবদ্ধ কৰোৱা উচিত। নহ'লে বহু সমল নষ্ট হৈ যাব অকালতে। এই ভৰত বৰপূজাৰীয়ে তাহানি এখন অতি সুখপাঠ্য 'জ্ঞানদীপ' নামৰ আলোচনী সম্পাদনা কৰিছিল। ডিমাই ছাইজৰ অসমীয়া আলোচনী তেতিয়া নিলগৰ তৰা। সৌন্দৰ্য্যবোধ থকা বৰপূজাৰীয়ে সেইটোকে কৰিছিল। আঁৰৰ মানুহ আছিল জ্যোতিপ্ৰসাদ। উক্ত আলোচনীৰ কোনো কপি মোৰ হাতত নাই। কাৰোবাৰ যদি আছে, তেন্তে সেয়া লাখটকীয়া সম্পত্তি। কাৰণ, তাতেই প্ৰথম প্ৰকাশ হৈছিল জ্যোতিপ্ৰসাদৰ সেই অভিনৱ প্ৰবন্ধ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থাপত্য সম্পৰ্কীয় প্ৰবন্ধটি। মাথোন স্থূল বৰ্ণনাই নহয়, জ্যোতিপ্ৰসাদৰ অভিনৱ ৰেখাচিত্ৰ সম্বলিত, যিটো তেতিয়াৰ দিনত আশা কৰাই বৃথা আছিল। পিছলৈ সেই বিশ্ববিদ্যালয়ৰ অভিনৱ ৰেখাচিত্ৰ আৰু সেই আটকধুনীয়া প্ৰবন্ধ 'অসমীয়া স্থাপত্য' প্ৰকাশন পৰিষদৰদ্বাৰা প্ৰকাশিত জ্যোতিপ্ৰসাদ গ্ৰন্থাৱলীতো সন্নিবিষ্ট হৈছিল। কিন্তু এই তথ্যৰ উল্লেখ এইবাবেই প্ৰয়োজন যে পোন প্ৰথমে মই উল্লেখ কৰা জ্ঞানদীপ আলোচনীৰ পাতত সেয়া ছপা হৈছিল। সকলো কৃতিত্ব ভৰত বৰপূজাৰীৰ।

বৰপূজাৰী মানুহজন ছটফটীয়া। যি ভাবে তাকে কৰে। খাটেও নিঃস্বাৰ্থভাৱেই। হঠাৎ বৰপূজাৰীৰ মন গ'ল যে চাহ-মজদুৰ সংঘৰপৰা দ্বিতীয় এখন ছবি কৰিব লাগে। ভবামতেই কাম। আহিল গুৱাহাটীলৈ। মোক লগ ধৰিলে। তেতিয়া মই চামেলি মেমচাব'ৰ সাফল্যৰ গৌৰৱত গজগজীয়া।

মোক ক'লে, গল্প এটা লাগে- বাগিচাৰ পটভূমিত। কিন্তু যিহেতু ছবিখন মজদুৰ সংঘৰ, গতিকে উদ্দেশ্যধৰ্মী হ'ব লাগিব, অৰ্থাৎ ফৰমাচী গল্প। কথাটো মোৰ বাবে হজম কৰা কিছু কঠিন হ'ল। নাম ক'লো মোৰ অগ্ৰজ কথা-সাহিত্যিক, আমাৰ ডুমডুমাৰ যোগেশ দাসৰ। বৰপূজাৰী মান্তি হ'ল। বোধহয় পল্টন বজাৰৰ জনতা হোটেললৈ যোগেশ দাসক লৈ গৈছিলগৈ। কথা-বতৰা হ'ল। লিখিবলৈ সম্মত হ'ল। চিত্ৰনাট্য বৰপূজাৰীয়ে লিখিব। খাটাং হ'ল যে সংলাপ মই লিখিম।

কাম সেইমতেই আগবাঢ়িল।

যোগেশদাই গল্প দিলে। নাম 'ৰতনলাল'। ছবিৰ উপযোগী গল্প। অকণমান

চাৰিত্ৰিক সংঘাত আছে। ইমানেই। চিত্ৰনাট্য ৰচিলে ৰৰপূজাৰীয়ে। সংগীত পৰিচালনাৰ দায়িত্ব দিয়া হ'ল একেবাৰে এজন নতুন মানুহক। তেখেত ডিব্ৰুগড়ৰ পুৰণি সংগীতপ্ৰেমী মানুহ। নাম নিৰ্মল চক্ৰৱৰ্তী। যদি মই ভুল কৰা নাই, তেওঁ তেতিয়া স্থানীয় সংগীত স্কুল এখনৰ বোধহয় অধ্যক্ষও আছিল। এই নিৰ্মল চক্ৰৱৰ্তী অলপতে ঢুকাইছে। নিৰ্মল চক্ৰৱৰ্তীৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ লগতো ঘনিষ্ঠ সম্পৰ্ক আছিল। জ্যোতি সংগীত সম্পৰ্কে প্ৰয়াত চক্ৰৱৰ্তীৰ জ্ঞান আছিল অপৰিসীম।

সমস্যা হ'ল, ছবিখন কোনে পৰিচালনা কৰিব। নলীন দুৱৰাক কেমেৰামেন হিচাপে লোৱা হৈছিল। তেতিয়ালৈ দুৱৰাই এখন ছবিয়ে পৰিচালনা কৰিছিল, গোলাঘাটৰ পৰা উলিওৱা 'মমতা', সেয়ে ৰৰপূজাৰীক ক'লো, নলীন দুৱৰাক দিলে কেনে হয়? ক'বলৈহে পালো, গ্ৰহণ কৰিলেই। স্থিৰ হ'ল যে চিত্ৰগ্ৰহণকাৰী নলীন দুৱৰাই 'ৰতনলাল' পৰিচালনাও কৰিব। ব⁻পূজাৰীৰ চিত্ৰনাট্য কিছু ধুই-মেলি নিজৰ মতে সজাই ললে দুৱৰাই। এই কামত তেওঁক সহায় কৰিছিল নুৰুল হকে। প্ৰকৃততে নুৰুলে সেই ছবিৰ সহকাৰী পৰিচালক হিচাপেই কাম কৰিছিল। নুৰুল হকে প্ৰয়াত যশস্বী কণ্ঠশিল্পী ম. ৰফিয়ে কণ্ঠদান কৰা 'অসমীৰে চোতালত' গীতটি ৰচনা কৰিছিল। গীতত সংগীত আছিল জীতু-তপনৰ। এটা বিশিষ্ট ভাও তথা মূল চৰিত্ৰৰ বাবে নিৰ্বাচিত কৰা হৈছিল নগাৱঁৰ সুদৰ্শন অভিনেতা, শকুন্তলাৰ দুষ্যন্তৰূপী প্ৰয়াত পবিত্ৰ বৰকাকতিক। কিন্তু এই ছবিৰ লেখত ল'বলগীয়া আবিষ্কাৰ হ'ল নাম ভূমিকাত বিশ্বজিৎ। ডিব্ৰুগড় বাটা কোম্পানীত তেতিয়া তেওঁ চাকৰি কৰিছিল। আমাৰ চকুত পৰিছিল। বিশ্বজিতকে নায়ক কৰা হৈছিল। ছবিৰ নায়িকা হৈছিল নবাগতা ঝৰ্ণা শইকীয়া। ৰতনলালৰ পাছত বিশ্বজিৎ একাধিক অসমীয়া ছবিৰ গ্ৰহণযোগ্য নায়ক হৈছিল। মাৰ্জিত ৰুচিৰ নম্ৰ শিল্পী। বিশ্বজিতে মাজতে কেইখনমান বঙালী ছবিতো অভিনয় কৰিছিল। প্ৰতিযোগিতামূলক কলিকতাৰ অভিনয় জগতত অৱশ্যে তেওঁ টিকিব নোৱাৰিলে। মই জড়িত থকা 'বনজুই', 'অংগীকাৰ' আদি ছবিতো তেওঁ মূল চৰিত্ৰত অভিনয় কৰিছিল।

মোক ছত্ৰগোপাল কৰ্মকাৰ, ৰৰপূজাৰীহঁতে ৰজাৰ সুখত ৰাখিছিল। সেই কথা মই কেতিয়াও নাপাহৰো। কৰ্মকাৰ ডাঙৰীয়া বৰ দিলদাৰ মানুহ আছিল। সেই সময়ত তেওঁ বিশিষ্ট মজদুৰ নেতা। থাকে জালান কলনিত চৌকিডিঙিৰ ওচৰত। মই সংলাপ লিখিব লাগে বাবে তেওঁ নিজৰ ৰুমকে এৰি দিছিল। চৌধুৰী, থাই-বৈ ইয়াত থাকি লিখিব। লিখিছিলোও। সংলাপ যিদিনা লিখা শেষ কৰিছিলো সেইদিনা বিশেষ কামত মই মোৰ 'চামেলি মেমচাবৰ' পৰিচালক আব্দুল মজিদক লগ পাব

লাগে। কৰ্মকাৰে নিজৰ গাড়ীৰে মোক লৈ গৈছিল শিৱসাগৰলৈ। স্কটছ হুইস্কি খুৱাইছিল। জোনাক নিশা ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদ পাওঁতেই সেই পানীয় খুৱাইছিল মোৰ সন্মানাৰ্থে। এনে সূক্ষ্ম অনুভূতিসম্পন্ন মানুহ আছিল।

ৰতনলাল নিৰ্মাণৰ সময়ত সকলো ইলাহী কাৰবাৰ। মেডিকেল কলেজৰ ফালে অৱস্থিত দুৱৰা হোটেল বোধহয় শিল্পী-কাৰিকৰী দিশৰ স'তে জড়িত ব্যক্তিসকলৰ বাসস্থান আছিল। সেই হোটেল তেতিয়া একেবাৰে নতুন হোটেল। স্বত্বাধিকাৰী দুৱৰা বৰ সুন্দৰ মানুহ। আমাৰ সা-সুবিধাৰ বাবে সততে তেওঁৰ দৃষ্টি। যথাসময়ত ছবি শেষ হৈছিল। মজলীয়া ব্যৱসায় কৰিছিল 'ৰতনলালে'। তাৰ পাছত মজদুৰ সংঘই ছবি আৰু কৰা নাই এতিয়ালৈ। বৰপূজাৰীৰ মন আছে, দেখা হ'লেই সেই বিষয়ে কয়। চাহ বনুৱা সম্প্ৰদায়ৰ আৰ্থিক অনুদানেৰে নিৰ্মিত সেই ছবিৰ অৰিহণা পাহৰিব নোৱাৰি। আৰু এটা চকুত নপৰা অথচ পৰিবেশ অনুযায়ী আহি পৰা সংস্কৃতি আছিল, যিটোক সহজভাৱে কোৱা হৈছিল বাবু কালচাৰ। বাগিচাবোৰক কেন্দ্ৰ কৰি যেনেদৰে সেই বাগিচাত কাম কৰা বাবুসকলক লৈ এক সুকীয়া সংস্কৃতিৰ জন্ম হৈছিল, তেনেদৰেই জন্ম হৈছিল বিভিন্ন বাগিচাত থকা ইউৰোপিয়ান চাহাবসকলক লৈ গঢ়ি উঠা চাহাব কালচাৰ। বাবু কালচাৰ আৰু পিছত উল্লেখিত শ্ৰেণী লৈ এক সুকীয়া ব্যৱধান গঢ়ি উঠিছিল। স্বাভাৱিকতে 'চাহাব' কালচাৰৰ চাৰিবেৰৰ মাজত বাবুসকলৰ প্ৰবেশ নাছিল। তেওঁলোক সম্পূৰ্ণ বিচ্ছিন্ন আছিল। ইউৰোপিয়ান চাহাবসকলৰ এংলো-কালচাৰ গঢ়ি উঠিছিল ক্লাবক কেন্দ্ৰ কৰি। এই ক্ষেত্ৰত সেই অঞ্চলত ডুমডুমা ইউৰোপিয়ান ক্লাবৰ নাম আছিল। সুদীৰ্ঘ এলেকা জুৰি এতিয়াৰ ডুমডুমা হুনলাল উচ্চ মাধ্যমিক স্কুলৰ সন্মুখতে ক্লাবঘৰ আছিল। ক্লাবেই নহয়, তাত এখন অতি মনোমোহা আহল-বহল খেলপথাৰো আছিল। এতিয়া যিখনৰ নামকৰণ ডুমডুমা টাউনফিল্ড নামেৰে। তাৰে কিছু কাষত আছিল এক অপৰূপ ল'ন টেনিচ কৰ্ট, চৌদিশে কৃষ্ণচূড়াৰ গছ। খলপে খলপে সেউজীয়া ঘাঁহনিৰ মনোৰম কৰ্ট। ক্ৰমান্বয়ে ওপৰৰপৰা তললৈ নামি যোৱা। পৃথিৱীৰ কোনো ঠাইতে এনে মনোমোহা ল'ন টেনিচ কৰ্ট আছে বুলি মোৰ জ্ঞাত নহয়। এসময়ত সেই অপৰূপ টেনিচ কৰ্ট ভগা-ছিগা মটৰৰ বয়-বস্তু পেলোৱা থলী হৈছিল, যেতিয়া সময়ৰ পৰিবৰ্তিত ৰূপত সেই ইউৰোপিয়ান ক্লাব অতি কম পইচাত মাৰোৱাৰী ব্যৱসায়ীৰ হাতত বিক্ৰী কৰিবলগীয়া হৈছিল। সেই বিক্ৰীৰ বিষয়ে আক্ষেপ কৰি লাভ নাই। কাৰণ, সেইটো কালৰ বিধান। এতিয়া সেই হাবি হৈ যোৱা ল'নৰ মাজেদি মই কেতিয়াবা স্মৃতি নিৰ্ভৰশীল হৈ খোজ কাঢ়ো নিৰবে। যৌৱনপ্ৰাপ্ত ফুটন্ত গাভৰুৰ গাৰ লেখীয়াকৈ থিয় হৈ থকা

গছবোৰ, ৰঙা হৈ সৰি পৰা পাপৰিবে কেৱল ৰঙীন, ক'ত সেই দিন? হুমুনিয়াহ কঢ়াৰ বাহিৰে উপায় নাই।

আগতেই উল্লেখ কৰিছোঁ যে ডুমডুমা ইউৰোপিয়ান ক্লাবৰ এক নিজস্ব ঐতিহ্য আছিল। চাহবাগিচাৰ ক্ষেত্ৰ স্থানত এনে সুপৰিচালিত আৰু সুপৰিকল্পিত ক্লাবৰ কথা ভাবিবই নোৱাৰি। পাছলৈ এই ক্লাব চাহাবসকলৰ নিজস্ব সুবিধাৰ বাবে চামদাঙলৈ তুলি নিয়া হৈছিল। আধুনিক হ'লেও ডুমডুমা ক্লাবৰ দৰে ঐতিহ্যৰ গোন্ধ থকা ক্লাব সেয়া নাছিল। কাৰ দিনত স্থানান্তৰিত হৈছিল মই ক'ব নোৱাৰিম, কিন্তু ডুমডুমা ক্লাবৰ যাই শক্তি আছিল সুপৰিচিত পিটাৰ জেমছ। গ'ল্‌ফ খেলি থাকোতেই যাৰ এদিন শোকাবহ মৃত্যু হৈছিল।

তেওঁ জনজাতীয় ছোৱালী বিয়া কৰাইছিল। জেমছে অসমীয়াও ক'ব পাৰিছিল। তেওঁৰ লাইব্ৰেৰীত মই ড° মহেশ্বৰ নেওগৰ কিতাপ দেখিছিলো।

ডুমডুমাৰ ক্লাবৰ স'তে এখন আটকধুনীয়া প্লেণ্টাৰ্ছ ষ্টোৰছো আছিল। হৰেক বিবিধ বস্তু পোৱা গৈছিল। সাধাৰণ মানুহৰ বাবে সেই দোকান বন্ধ, এনে নহয়, কিন্তু বাগিচাৰ চাহাবসকলৰ বাহিৰে অন্য মানুহ তালৈ নগৈছিল।

আমি যি সময়ৰ কথা কৈছো, তেতিয়া ক্লাবৰ ওচৰতে আহল-বহল ঘৰ এটাত সেই দোকান আছিল। দীঘল দীঘল চিৰিৰে বৰ বৰ আলমাৰিসহ প্লেণ্টাৰ্ছ ষ্টোৰৰ সৌন্দৰ্যই সুকীয়া। মেনেজাৰ আছিল তেতিয়া ইউনুছ আলি, উম্মেকুচুম বেগম, পাছলৈ ৰহমানৰ দেউতাক। এওঁ যোৰহাট কলেজৰ শিক্ষা বিভাগৰ অধ্যাপিকা। আমাৰ স'তে একেলগে পঢ়া।

প্লেণ্টাৰ্ছ ষ্টোৰৰ মেনেজাৰ বুলি ক'লে সকলোৱে জানিছিল। ধৰ্মভীৰু মানুহ। বৰ সৎ আৰু ভাল মানুহ আছিল।

ষ্টোৰ্ছৰ কাষতে ক্লাব ঘৰ।

ক্লাবটো কাঠৰ চাংবঙলাজাতীয়। আসাম টাইপৰ। চৌকাষে কাঠৰ ৰেলিং দিয়া। কোনো এটা নিৰ্দিষ্ট দিনত ক্লাব ডে হৈছিল।

সেইদিনা ৰং-বিৰঙৰ গাড়ীয়ে গাড়ী। ফিল্ডত নানান মডেলৰ গাড়ী। ভিন ভিন জাতৰ পোহনীয়া কুকুৰ। আৰু বিভিন্ন ৰুচিৰ কাপোৰ পিন্ধা নানান আয়া। কোনোবা খাচীয়া, কোনোবা কেৰালাৰ। কোনোবা নেপালৰ।

জুম বান্ধি বান্ধি তাঁহাতৰ ফুচুৰি মেল। দৌৰি ফুৰা কুকুৰ। তাকো গাড়ীৰপৰা নেনামেই। ভি. আই. পি. কাৰবাৰ কুকুৰৰ।

নিজস্ব ভংগীত কেৱল জিভা উলিয়াই নেজ জোকাৰি বহি থাকে। চকুত

হেজাৰ প্ৰশ্ন। গিৰিহঁত দেখিলে কেৱল স্বস্তিৰ নিশ্বাস। কিছু আস্ফালন, কিছু চিঞৰ।

ডুমডুমাৰ কাঠৰ চাংবঙলাজাতীয় ক্লাব ঘৰৰ নিৰ্দিষ্ট দিনত বহা ক্লাব ডে'ৰ দিনা ক্লাবত বহা বজাৰৰ আয়োজন কৰিছিল দলংঘাটৰ ফালে থকা ইৰ্ছাদ কাইটিহঁতে। চাবলগীয়া বজাৰ। মিনি গাজৰৰ ৰঙচুৱা, পকা বিলাহীৰ পাহাৰ। চাহাববোৰে সেইবোৰ কেঁচাই খোৱা দেখিছিলো। তাকে দেখি আমিও খাইছিলো।

চাহাব আমিহে। মুখ বিকটাই দিওঁ। কেঁচাই খোৱাৰ অভ্যাস যে নাই! এই ইৰ্ছাদ কাইটিৰ দেউতাকেও ক্লাবত বজাৰ পতাৰ দৃষ্টান্ত আছে। ডুমডুমাত তেতিয়া খেল-ধেমালিৰ বয়বস্তুৰ ৰিপেয়াৰ কৰাৰ কোনো দোকানেই নাছিল। ইৰ্ছাদ কাইটিয়ে কায়দা কৰি টেনিচ ৰেকেট তথা বেডমিণ্টন ৰেকেট ভাল কৰা বিদ্যাকণো আয়ত্ত কৰিছিল। সেইটো ওপৰঞ্চি ব্যৱসায় আছিল।

ইৰ্ছাদ কাইটিৰ এজন ভায়েক আছিল। আমাৰ লগত পঢ়িছিল। নাম আছিল মফিজুল হুছেইন। খুব কথা কৈছিল। খুব ভাল কেৰম খেলিছিল। তেতিয়াৰ দিনত ৰঙাগুটি কনফাৰ্ম কৰাত মফি আছিল পটু। কথা কওঁতে মুখেৰে থু ছিটিকি পৰিছিল। আমি সাৱধানে কথা পাতিছিলো।

ডুমডুমা ক্লাবত আৰু এটা বস্তু আছিল। সেইটো হ'ল ক্লাবৰ নিজস্ব চিনেমা প্ৰজেকশ্যন ৰুম। ডে'ত দেখুৱাবলগীয়া ছবিৰ পষ্টাৰ আঁৰি থৈছিল। প'ষ্টাৰত ক'ৰবাত জেমছ মেছন, ক'ৰবাত গ্ৰেটা গাৰ্বো, ক'ৰবাত ৰীতা হেৱাৰ্থ ইত্যাদি। আমি অবাক চকুৰে চাওঁ। কিন্তু কেনেকৈ?

এটা কথা মনত আছিল। শ্বো ৰুমৰ বন্ধ দুৱাৰবোৰৰ তলৰ ফালে সৰু সৰু ঘূৰণীয়া ভেন্টিলেটৰ আছিল। অৰ্থাৎ বতাহ আৰু পোহৰ প্ৰবেশ কৰা একোটিহঁত সুৰুঙা। সেই বৃত্তাকাৰ ভেন্টিলেটৰৰ ফুটাৰে কেতিয়াবা ভিতৰখন চাবলৈ যত্ন কৰিছিলো। চকামকাকৈ দেখিছিলো। স্কীন কালাৰৰ মোজা পিন্ধি দীঘল সুগঠিত ভৰি নচুৱাই মেমনীবোৰ বহি থাকে। মেমবোৰকেই চিনেমা বুলি ভাবিছিলো। পাছত জানিছিলো, প্ৰকৃততে চিনেমা নহয়।

তেনেদৰে এদিন চাই থাকোতে কোনোবাই কাণত ধৰিলে। স্বপ্ন ভংগ হ'ল। উভতি চাওঁ, দেউতা। একেদৌৰে ঘৰ। তাৰ পাছত দৰ্জাৰ আঁৰত।

ডুমডুমা ক্লাবৰ সতে জড়িত থকা কিছু নাম বা তেওঁলোকৰ বৃত্তি মোৰ মনৰ মাজত চিৰসেউজীয়া হৈ থাকিব। এজন হ'ল বহু পুৰণি আৰু অভিজ্ঞ, ক্লাবৰ ছুপাৰিণ্টেণ্ডেণ্ট তালুকদাৰ। ক্ষীণ-মীন এজন ইলেক্ট্ৰিচিয়ান, যাক বিদ্যুতৰ সতে জড়িত বাবে বিজুলী বাবু বুলি কোৱা হৈছিল। চকিদাৰ চেনিমল আদি।

ক্লাব ডে'ত খেলা-ধূলা, মদ-পানী গ্ৰহণ আদি কৰিব আৰু পৰিবেশনৰ বাবে স্থানীয় মানুহৰ কিছু উচপিচনি। কিন্তু চাহাবসকলে সেইবোৰত কাণ দিয়ে ক'ত?

এটা কথা কৈ থোৱা ভাল হ'ব যে এই সময়ত ডুমডুমাৰ ইউৰোপিয়ান চাহাবসকলে চৌদিশে টিঘিলঘিলালেও, তেওঁলোকৰ কোনো অহমিকা ভাব নাছিল। বৰং স্থানীয় কোনো অনুষ্ঠান, সভা-সমিতিত তেওঁলোকে পাৰ্য্যমানে সহায়-সহযোগ কৰিছিল। আমি কলেজ-স্কুলৰ সাধাৰণ সৰস্বতী পূজাৰ চান্দা বহীতো শীৰ্ষ স্থান দিছিলো চাহবাগিচাৰ স'তে জড়িত চাহাবক। মোৰ মনত আছে, ডুমডুমা টি কোম্পানীৰ ছুপাৰিণ্টেণ্ডেণ্ট পি. কেচবৰ্ণৰ কথা। ছুপাৰিণ্টেণ্ডেণ্ট কেচবৰ্ণ থকা সেই ধুনীয়া বাংলোটি গুৱনি গাভৰুৰ গালৰ দৰে সেউজ মিহি ৰঙেৰে এতিয়াও আছে। হানচৰা বা হাঁহচৰাৰ ওচৰত। খেৰৰ বাংলা, কিন্তু এনে ধুনীয়া যে চকু নিদি উপায় নাই। কিমান মোজাইক বা ৰং-বিৰঙৰ টাইলছ ওলাল, কিন্তু পুৰণি সেই চাংবাংলো নিজস্ব বৈশিষ্ট্যেৰে আজিও বিদ্যমান। এই কেচবৰ্ণেই সৰস্বতী পূজাৰ চান্দা বহীত প্ৰথম চান্দা দিছিল আমাৰ দিনত। তেওঁৰ চান্দা সংগ্ৰহ কৰিহে অইনবোৰৰ চান্দা গ্ৰহণ কৰা হয়। এইটো প্ৰায় নিয়মৰ দৰে হৈছিল। বিমুখ নকৰিছিল। বুজন চান্দাই দিছিল।

যোৰহাটৰ ষ্টেডিয়াম। ডুমডুমাৰ কথা কওঁতে অইন কথাও আহে।

জনাজাত সৰু নামেৰে।

সৰু কাইটি। খেলৰ বাবে উৎসৰ্গীকৃত প্ৰাণ। খেলবলিয়া মানুহ। ডুমডুমাৰ খেলা-ধূলাৰ উন্নতিৰ বাবে তেওঁৰ প্ৰশংসা নকৰি নোৱাৰি। প্ৰকৃততে তেওঁ ফুটবলাৰ আছিল। কিন্তু খেলৰ বিভিন্ন দিশত তেওঁ যোগোৱা অৱদান ডুমডুমাই পাহৰা উচিত নহয়। ডুমডুমালৈ গ'লে প্ৰায়েই খেল-ধেমালিৰ বিষয়ে আলোচনা হৈছিল আমাৰ সমাজত।

এতিয়া বহু ৰংচঙীয়া ক্ৰীড়ালোচনী। সীমা-সংখ্যা নাই। আমাৰ দিনত এখনেই মাত্ৰ সুখপাঠ্য খেল-ধেমালিৰ আলোচনী আছিল। স্পৰ্টছ এণ্ড পাষ্ট টাইম। অসমবাণী ছাইজৰ। প্ৰকাশক আছিল দক্ষিণৰ বিখ্যাত দৈনিক কাকত 'হিন্দু'ৰ প্ৰকাশন প্ৰতিষ্ঠান কস্তুৰী পাব্লিছাৰ্ছ। বৰ সুন্দৰ তথ্যবহুল আলোচনী আছিল।

আমাৰ গুৱাহাটীৰ বা-বাতৰিৰে অসমৰো নিউজ লেটাৰ এখন ওলাইছিল। লিখিছিল সাংবাদিক স্বৰ্গীয় নীৰেন বৰুৱাই। যাক আমি 'নীলমণিদা' বুলি মাতিছিলো। খেলাৰ বিষয়ে ইংৰাজীৰ উপৰি অসমীয়া ভাষাতো তেওঁ সলসলীয়াকৈ লিখিছিল। সৰু কাইটিয়ে মোৰপৰানি সেই আলোচনী দেখি পঢ়ি মুগ্ধ হৈছিল। মোৰেপৰা

ঠিকনা সংগ্ৰহ কৰি তেওঁ সেই আলোচনীৰ নিয়মিত গ্ৰাহক হৈছিল।

এতিয়াৰ দিনত তেনে আগ্ৰহ দেখা যায় কেইটাৰ? যিকোনো বিদেশী ক্ৰিকেট দল ভাৰত ভ্ৰমণলৈ আহিলে ইডেনত সেই টেষ্ট চোৱা তেওঁৰ অভ্যাসত পৰিণত হৈছিল। টিকট। সেয়া স্বাভাৱিকতে মূৰৰ বিষ আছিল। টেষ্টৰ আগে আগে টিকট এটা সংগ্ৰহৰ বাবে ফৰমাচ দি সক কাইটিয়ে প্ৰায়ে মোলৈ চিঠি লিখিছিল। এনে আগ্ৰহ আজিৰ ডেকাচামৰো মাজত খুব কম চকুত পৰে। গতিকেই তেওঁলোকলৈ শ্ৰদ্ধা হয়।

এটা কথাত ডুমডুমাৰ খেলৰ ইতিহাস সক কাইটি বা প্ৰয়াত মুহিবুৰ ৰহমানৰ ইতিহাস। আগতেই কৈছোঁ যে সক কাইটিৰ ঘাই ইন্টাৰেষ্ট আছিল ফুটবল। ডুমডুমাত তেতিয়া যি দুই-এজন ফুটবলাৰ গঢ়ি উঠিছিল, সেইসমূহ সক কাইটিক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছিল। তাৰে লক্ষ্মী দত্তৰ নাম আগতেই কৈছো। আছিল চীনৰ প্ৰাচীৰসদৃশ গ'লকীপাৰ ভদ্ৰেশ্বৰ দাস। এওঁ সুপৰিচিত কথা-সাহিত্যিক যোগেশ দাসৰ ককায়েক। আছিল বিপিন বৰুৱা, কানাই দত্ত, প্ৰফুল্ল বৰুৱা আদি। আচলতে সক কাইটিৰ নেতৃত্বত এটি ফুটবল ক্লাব গঢ়ি উঠিছিল। নাম আছিল ফ্ৰেণ্ডছ ইউনিয়ন। মূলতঃ দুটা বিৰোধী ক্লাবৰ দক্ষতা প্ৰদান কৰিবলৈ যাওঁতেই ডুমডুমাত ফুটবলৰ ইতিহাস ৰচনা হৈছিল। ইটো ক্লাব আছিল ডুমডুমা টাউন ক্লাব। এই ক্লাবৰ পৃষ্ঠপোষক বা মুৰব্বীজনো খেলবলিয়া মানুহ। নাম দেবেন বৰুৱা। ভলভলীয়া মানুহ। খেল, সেয়াও ফুটবলৰ বাহিৰে তেওঁৰ মুখত অইন কথা নাছিল।

ডুমডুমা টাউন ক্লাবৰ জন্মদাতা দেবেন বৰুৱা ব্যৱসায়ত কাঠৰ কনট্ৰেক্টৰ আছিল। ব্যৱসায় পিছৰ কথা। প্ৰথম কথা ফুটবল। টাউন ক্লাব গুৱাহাটীৰ অনিমেষদা (গাংগুলী) বা মহাৰাণা টাউন ক্লাবৰ স'তে ওতপ্ৰোতভাৱে জড়িত ৰাধাগোবিন্দ বৰুৱাকো মই ওচৰৰপৰা দেখিছো, পাইছো, কিন্তু ডুমডুমাৰ দৰে ফুটবলৰ নামত উৎসৰ্গীকৃত দেবেন বৰুৱাৰ দৰে মানুহ মই দেখা পোৱা নাই। দেশী দুই-এটুপি চলিছিল, কিন্তু তাৰে ৰাগীত টাউন ক্লাব জীয়াই আছিল বহু বছৰলৈ শিৰ ওখ কৰি। ষ্টেচনৰ ফালে, এতিয়াৰ বাটা কোম্পানীৰ কাষত দেবেন বৰুৱাৰ তেতিয়াৰ ভাড়া ঘৰ আছিল। সেইটোৱে ক্লাব আছিল। টাউন ক্লাবৰ প্ৰায় ওচৰৰ বাগিচাবোৰৰ ফুটবল দলৰ স'তে প্ৰদৰ্শনীমূলক খেল হৈছিল। আজি যদি হিলিখাত, কাইলৈ তালাপত, মাজতে বকপাৰা বা চামদাং।

ট্ৰাকত উঠি ডুমডুমাৰপৰা হৈ-চৈ কৰি যাত্ৰা। ক্লাবৰ নামত জয়ধ্বনি। সক থাকোতে আমাৰো ট্ৰাকত উঠি যোৱাৰ ইচ্ছা। কোন ক্লাবৰ সমৰ্থক, সেইটো ডাঙৰ

কথা নহয়। পুৰী-তৰকাৰী-চাহ আমাৰ ফ্ৰী। কিমান চিঞৰিব পৰা যায় সেইটোহে ডাঙৰ কথা। দেৱেন বৰুৱা বুধিয়ক মানুহ আছিল। তেওঁ কেইঅনামান নগদ পইচা দিয়াৰো ব্যৱস্থা কৰিছিল। অমাক পায় কোনে?

বহু সম্ভাৱনাময় ভাল খেলুৱৈ সেইবোৰ অঞ্চলত বিয়পি আছিল, কিন্তু গঢ়ি উঠাৰ মানসিকতা ক'ত? বা সুবিধাইবা ক'ত?

আৰু এটা কথা গুৰুত্বপূৰ্ণ আছিল।

ডুমডুমা অঞ্চলৰ সৰহ ভাগ মানুহেই আছিল ভৈয়ামৰ জনজাতীয় লোক।

স্বাস্থ্য-পাতি বৰ ভাল আছিল। ওখ-পাখ। হৃষ্ট-পুষ্ট।

পঞ্চাছ-ষাঠিৰ দশকত সৰ্বভাৰতীয় খ্যাত যিকেইজন ৰেডিঅ'কমেণ্টেটৰ আছিল, তাৰে ভিতৰত এজন বিখ্যাত আছিল পিয়েৰছন চুৰিটা। বিশেষকৈ ফুটবলৰ কমেণ্টেৰী দিয়াত তেওঁৰ দৰে পটু সেই সময়ত কোনো নাছিল। ক্ৰিকেট কমেণ্টেটৰ হিচাপে সেই সময়ত বিখ্যাত নাম ভিজ্জী, বেৰী, সৰ্বাধিকাৰী আদি। এতিয়াৰ চামে সেইবোৰ নাম বোধহয় শুনাই নাই। কিবা অফিচিয়েল কামত আহিছিল চুৰিটা। চুৰিটা সেই সময়ত কোনো এক বিখ্যাত চাহ কোম্পানীৰ জনসংযোগ বিষয়া আছিল। মই কিবা এটা বন্ধত ডুমডুমালৈ গৈছিলো। মোৰ বন্ধু সত্যনাৰায়ণ বুধীয়াৰ (জনাজাত চেতীয়া নামেৰে) গাদীত গম পালো যে সেইদিনাই ডুমডুমা কলেজত কোনো এটা বিদেশী কোম্পানীয়ে দান কৰিবলগীয়া এটি বিল্ডিং সন্দৰ্ভত কোনোবা এজন আহিছে। নামটো সুধি গম পালো চুৰিটা। কিয় জানো মোৰ অনুভৱ হৈছিল যে সেইজন চুৰিটা মই ভবাজনৰ বাহিৰে অইন কোনো নহয়। কোনো বাগিচাৰ মেনেজাৰৰ বাংলোত তেওঁ অতিথি হৈছিল। কৰা হ'ল ফোন। ভবা মতেই অংক মিলিল। সেইজন পিয়েৰছন চুৰিটাই হয়। উইলিয়ামছন মেগৰ কোম্পানীৰ তেওঁ তেতিয়া পি. আৰ. অ'.।

লগ পালো চুৰিটাক। নানান কথা। বিশ্ব ফুটবলৰপৰা ভাৰতীয় ফুটবললৈ। মাৰাডোনাৰপৰা চুনী গোস্বামীলৈ।

বৰ সুন্দৰ মানুহ। ফুটবলৰ অ আ ক খ মুখস্থ।

এই পিয়েৰছনেই সেই কথাটো কৈছিল। তেওঁ মোক কৈছিল যে এইফালৰ খেলুৱৈসকলৰ স্বাস্থ্য আৰু শৰীৰৰ অংগ-প্ৰত্যংগৰ গঠন দেখি তেওঁ মুগ্ধ। তেতিয়াই তেওঁ মোক এটা কথা কৈছিল, হাৰিয়ানাৰ কপিলদেৱৰ দৰে ফাষ্টবলাৰ তেওঁ এই অঞ্চলৰপৰা ওলোৱাটো কামনা কৰে। কাৰণ, হাৰিয়ানাৰ দৰে ফিজিক অইন কোনো অঞ্চলতে দেখা মনত নপৰে।

তেওঁ কৈছিল তেতিয়া। আজি কপিল হয়তো বিশ্বৰ শীৰ্ষত, যাৰ বাবে আমি

গৌৰবান্বিত, কিন্তু আমাৰ হৈছে কি? য'ত আছো তাতেই আছো।

পিয়াৰছন চুৰিটাক লগ পাই তেতিয়াই মই অসমবাণীত এটি আলোচনা লিখিছিলো। নাম দিছিলো অভাৰ টু ডেলহি। সেই আলোচনাত মই এই কথাৰ ওপৰতে গুৰুত্ব দিছিলো যে ডুমডুমা বা উজনিৰ সেইবোৰ অঞ্চলৰ কিছু বহা বহা সুন্দৰ স্বাস্থ্যৰ ল'ৰা বাছি লৈ যদি অসমৰ বাবে ফুটবল বা ক্রিকেট প্ৰশিক্ষণ দিব পৰা যায়, তেনেবোৰ খেলুৱৈৰ মাজৰপৰাই হয়তো ভাৰতীয় ক্রিকেট বা ফুটবলৰ বহু সম্ভাৱনাময় খেলুৱৈৰ জন্ম পালেহেঁতেন। কিন্তু মন কৰে কোনে? সকলো অৰণ্যৰোদন হ'ল। আজিও সেইবোৰ বিষয়ত চকু দিয়ে কোনে? আত্মপ্ৰচাৰৰ জয়ঢোল বজোৱাত সকলোৱে ব্যস্ত।

চুৰিটাৰ সেই কথাৰ সাৰ্থকতা মই আজিও উপলব্ধি কৰো।

গতিকেই দেবেন বৰুৱা, সৰু কাইটিহঁতৰ দৰে প্ৰচাৰবিমুখ তথা প্ৰচাৰৰ আওভাও নোপোৱা মানুহক সংগঠকৰ সীমিত সা-সুবিধাই কিন্তু সুযোগ আনি দিছিল। ক্লাবৰ বৰশীৰ টোপ আদি বোধহয় সময়ত পেলাব নোৱাৰিলে বা প্ৰকাৰন্তৰে আজিও পৰা নাই।

ডুমডুমাৰ খেল-ধেমালিৰ স'তে এওঁলোক দুয়ো সদায়েই স্মৰণীয়। সৰু কাইটি প্ৰকৃত অৰ্থত এথলেট আছিল। এনে কোনো খেল নাছিল যিটোত তেওঁ পাৰ্গত নাছিল।

বৰ ফিটফাট মানুহ আছিল। সেউজীয়া ৰঙৰ ৰেলী চাইকেলখন তেওঁৰ সংগী আছিল। পিছলৈ টেক্সী এখন ভাৰাত চলাইছিল। এনে ফিটফাট যে ধৰিব নোৱাৰি। চাহৰ বাকচ এটা ধুনীয়াকৈ খবৰ কাগজ মাৰি দি বিধে বিধে জোতা। এদিনত দ্বিতীয়বাৰ নিপিন্ধে। ডুমডুমাত কুমুদ মহন্ত ছাৰহঁতৰ উদ্যোগত পতা প্ৰথম ৰঙালী বিহু সন্মিলনত আয়োজন কৰা খেল-ধেমালিত সৰু কাইটি বেষ্ট এথলীট হৈছিল। সকলো খেলতে আশাতীত সাফল্য। তেওঁৰ ককায়েক বাবু কাইটি ডিব্ৰুগড়ৰ। তেওঁৰে দুটি ল'ৰা প্ৰিন্স আৰু জুবেল। বৰ ভাল যন্ত্ৰসংগীতবাদক। উজনি অসমত তেওঁলোকৰ জনপ্ৰিয়তা অসীম। দলটিক 'কুইভাৰ্ছ' নামেৰে জানিছিল। এওঁলোকে বোধকৰো প্ৰয়াত নিপ বৰুৱা পৰিচালিত 'বৰুৱাৰ সংসাৰ' ছবিত এটি দৃশ্যত দেখা দিছিল। উপযুক্ত সুযোগ নোপোৱা বাবে তেনে সম্ভাৱনাময় প্ৰতিভাৰ অকালতে মৃত্যু হৈছিল।

এই সৰু কাইটিৰে অৱশেষত কেন্সাৰ হৈ মৃত্যু হৈছিল।

এদিন মই গুৱাহাটীলৈ বুলি তিনিচুকীয়া হৈ বাছত উঠিবলৈ আহিছো। এনেতে তেতিয়াৰ ডুমডুমাৰ চিকিৎসক ডা° জয় শইকীয়াই মোক সুধিলে যে এবাৰ সৰু

কাইটিক দেখা কৰি যাম নেকি? মই আপোনাক থৈ যাম।

তেওঁৰ গাড়ী আছিল। সেই সুন্দৰ চেহেৰাৰ সৰু কাইটিৰ অৱস্থাই নাই। বিব এখন উিঙ্কিত বাম্ভি দি বৰ জীয়েকে চুপ খুবাই আছিল। ৰাইট ইন পজিশ্যনত খেলা তজবল্পীয়া সৰু কাইটিক সেই অৱস্থাত দেখিম, সেয়া মোৰ কল্পনাৰ অগোচৰ আছিল। তেনে ভয়াবহ চেহেৰা কল্পনাই কৰিব নোৱাৰো। এদিন সৰু কাইটি ঢুকাই থাকিল। যদিও মই কাগজত কাম কৰিছিলো, দুদিনৰ পাছতহে মৃত্যুৰ বাতৰি ছপা কৰাটো সম্ভৱ হৈছিল। সৰু কাইটিৰ মৃত্যুৰ লগে লগে বোধহয় ডুমডুমাৰ সংগ্ৰামময় ক্ৰীড়া ইতিহাসৰ সামৰণি পৰে। ডুমডুমাৰ ক্ৰীড়া ইতিহাস যদি কোনোবাই লিখে, তেতিয়াহ'লে সৰু কাইটিহঁতৰ কথা নিশ্চয় উল্লেখ কৰিবই লাগিব, নহ'লে সেই ইতিহাস কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে।

'হাচনাহানা'। সৰু কাইটিৰ ভনীয়েকৰ নাম। নামটোৰ মই প্ৰেমত পৰিছিলো।

সেইটো নামেৰে মই এখন উপন্যাসেই লিখিছিলো। যদিও বিষয়বস্তুৰ স'তে নামৰ কোনো সম্পৰ্কই নাছিল। পুনৰ মুদ্ৰিত হোৱা উপন্যাসৰ নাম দিছিলো 'মেঘৰ্ ছাঁ'। হাচনা মোৰ স্বগত পঢ়িছিল। তাইৰ মহা স্ফূৰ্তি। যিহেতু তাইৰ নামত মই কিবা লিখিছোঁ।

এইবোৰ ৰোমন্থনো ভাল লাগে। কাৰণ, মোৰ স'তে এইবোৰ ওতপ্ৰোতভাৱে জড়িত।

ডুমডুমা ক্লাবৰ কথা কওঁতে আৰু এটা কথা মনত পৰে। সেইটো সৃষ্টিৰ সৈতে জড়িত।

উল্লেখ কৰা ডুমডুমা ক্লাবৰ পটভূমিত মই উপন্যাস এখনো লিখিছো। সম্পূৰ্ণ ক্লাবভিত্তিক নহ'লেও, মূল চৰিত্ৰ এটাক মই ক্লাবৰ পৰিবেশত জীপ দিছিলো। উপন্যাসৰ নাম 'স্মৃতিগন্ধা'।

প্ৰকৃততে এটা গল্পক মই পিছলৈ ডাঙৰ কৰি উপন্যাস কৰিছিলো। গল্পটোৰ নাম আছিল, দীঘল নাম, 'তুষাৰপাত ৰোধ কৰিবলৈ সি যেন অকাল গ্ৰীষ্ম'। ইমান দীঘল গল্পৰ নাম আছেনে নাই মই নাজানো।

কিন্তু সেইটোৱে নাম।

নামটো দিছিল কবি হীৰেন ভট্টাচাৰ্য্যই।

হীৰু ভট্ট বৰ গুণী মানুহ। এনে সৰহ কথা কোৱা মানুহ খুব কমেই আছে। তেতিয়া মই পানবজাৰত (এতিয়া য'ত কল্পতৰু)। তাত বিখ্যাত ৰেষ্টুৰেণ্ট ডিলাইট আছিল। বিশেষ কোনো জাকজমকতা নাছিল। অতি সাধাৰণ। বোধহয় দীঘলী

পুখুৰীৰ পাৰত অকাঠী কাঠৰ বিক্ৰী হোৱা সস্তীয়া টেবুল-চেয়াৰ, তাৰ ওপৰত প্লাষ্টিকৰ টেবুল ক্লথ আৰু সস্তীয়া কেইটামান ছুন্ট, পীপাৰ পট আৰু প্ৰতি টেবুলতে সাধাৰণ এছট্ৰেৰে ৰেষ্টুৰেন্ট সম্পূৰ্ণ। প্ৰকৃততে এগৰাকী বঙালী বিধবা ভদ্ৰ মহিলাই সেইখন চলাইছিল।

'শিৰীষ তলে ধৰবি পাহি,
পাতা লম্বা পাবি বলি' ....

শিৰীষ গছৰ তলত লাইন কৰে, সেউজ দীঘল পাত পাব বুলি .....। সেইবোৰ চামেলিহঁতৰ লাইন, চম্পাহঁতৰ লাইন।

লক্ষ্য একেটাই, দীঘল দীঘল পাত পাব বুলি। এটি ক'লি দুটি পাত।

সেউজ ৰঙৰ। সেয়াই চামেলিহঁতৰ জীৱন। অভিলাষ। ক'ৰপৰা কেনেকৈ সেই অভিলাষে হৃদয় জুৰি থিতাপি ল'লে, নেজানে। কিন্তু এটি ক'লি দুটি পাতৰ মোহে তাহাঁতক কোনো অচিন মুলুকৰপৰা অসম পোৱালেহি। 'ফাকি দিয়া আন্‌লি আসাম'। ফাকি দিছিল নে নাই, সেয়া অজ্ঞাত। কিন্তু এটি ক'লি দুটি পাতেই তাহাঁতৰ জীৱনধাৰাৰ এসময়ত মাপকাঠী হ'লগৈ।

সেই এটি ক'লি দুটি পাত ৰতনপুৰ বাগিচাৰ হ'ব পাৰে, হ'ব পাৰে বিচাকুপি বাগিচাৰ, হ'ব পাৰে নংচোৱাল বাগিচাৰ, হ'ব পাৰে তাৰা বাগিচাৰ।

ডুমডুমা নামেৰে চিহ্নিত সেইখন সৰু ঠাইৰ, আগতে কৈছো, চৌদিশে বাগিচা। সেউজ আৰু সেউজ। যেন সেউজ ৰঙৰ মিহি কাৰ্পেট এখনহে মেলি থোৱা হৈছে। চকু জুৰ পৰি যায় সেই নয়নাভিৰাম দৃশ্যত। মুগ্ধ হোৱাৰ বাহিৰে আন উপায় নাই। মোৰতো সদায় ভাব হৈছিল, যেন সেই বাগিচাৰ ওপৰত বাগৰি দিম নিজকে পাহৰি। বিভিন্ন লিখাত মই সেই আগ্ৰহৰ কথা প্ৰকাশ কৰিছো।

কিন্তু ৰ'ব, এই যে চাহ গছ, এইবোৰ আহিল কেনেকৈ? ডুমডুমা চাহ নগৰী হিচাপে জনাজাত, স্বাভাৱিক। কাৰণ, সেই সৰু ঠাইবোৰৰ চৌদিশে বাগিচা। এখন নহয় দুখন নহয়, সীমা-সংখ্যাহীন বাগিচা। ৰাতিপুৱা উঠি নাকত লাগে কোনো সুগন্ধি ফুলৰ গন্ধ নহয়, চাহপাতৰ গোন্ধহে নাকত লাগে। সেই আচৰিত সুকীয়া গন্ধই মনটো উৰুৱাই নিয়ে অন্য এক জগতলৈ। চামেলি-চম্পাহঁতৰ স'তে তেতিয়া একীভূত হোৱাৰ হেঁপাহ হয়।

বাগিচা আৰু বাগিচা।

কোনোবাখন দীঘলতৰং, কোনোবাখন ফিলোবাৰী, কোনোবাখন হানচাৰা।

যাই ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে শাৰী শাৰী শিৰীষ গছেৰে আবৰা দেখনিয়াৰ বাগিচা। যৌবন পোৱা ফুটন্ত গাভৰুৰ দৰে নিমজ ৰূপ। চিনাকি কেটলব্ৰীজ। পাত জোখা ঘৰ। তাৰ যেন অন্ত নাই।

বহুতক বহুতভাৱে আকৰ্ষণ কৰিছে। মোকেই নহয়, আৰু বহুতকে। বিখ্যাত ভাৰতীয় কথা-সাহিত্যিক ডঃ মূলৰাজ আনন্দকো। তেওঁ লিখিছিল চাহবাগিচাৰ পটভূমিতে সেই অনবদ্য উপন্যাস 'টু লিভছ, এণ্ড এ বাড'।

যিখনৰ পটভূমিত নৱকেতনৰ বেনাৰত ছবিৰ নাম আছিল 'ৰাহী'।

ময়ো গল্প এটা লিখিছিলো, নাম দিছিলো 'চামেলি মেমচাব'। যিখন কেৱল সেই গল্পৰ পটভূমিতে অসমীয়া ভাষাতে নহয়, বঙালী আৰু হিন্দী ভাষাতো চিত্ৰৰূপ হৈছিল। যিখন একমাত্ৰ অসমীয়া ছবি, যাক ৰাষ্ট্ৰপতি ভৱনত দেখুওৱা হৈছিল। উপভোগ কৰিছিল তেতিয়াৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদে। লগত বেগম আবিদা আহমেদ। তেতিয়াৰ ইন্দিৰা গান্ধী মন্ত্ৰীসভাৰ তথ্য আৰু অনাতাঁৰ মন্ত্ৰী বিদ্যাচৰণ শুক্লাই। বহিঃপৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিপিনপাল দাসে।

ৰাষ্ট্ৰপতিয়ে সেইদিনা দুখন ছবি চোৱাৰ কথা – এখন ইংৰাজী ছবি, নাম 'অ'ডেছা ফাইল'। বিখ্যাত ছবি। কিন্তু ৰাষ্ট্ৰপতিয়ে প্ৰথম চাইছিল চামেলি। কৈছিল ঃ চামেলি মোৰ অসমৰ ছোৱালী। মই প্ৰথমে চাম।

চাইছিল।

বাগিচাৰ মজদুৰ ছোৱালী চামেলিৰ জীৱনকাহিনী সাৰ্থকভাৱে চিত্ৰায়িত হৈছিল আব্দুল মজিদৰ পৰিচালনাত। মোৰ গৰ্বত বুকু ফুলি উঠিছিল। সেই চাহবাগিচা। ডুমডুমাৰপৰা যি কাহিনীৰ মই সমল গোটোৱা। অসম দেশৰ বাগিচাৰ ঝুমুৰ তুমুৰ গাই ধেমালি কৰা চামেলিয়ে এদিন সৰ্বভাৰতীয় সন্মানো পাইছিল।

সেয়া অন্য কহিনী। সেই কাহিনীও ক'ম।

কিন্তু তাৰ আগতে ডুমডুমা অঞ্চলতো চাহগছৰ খেতি কেনেকৈ আৰম্ভ হ'ল সেই বিষয়ে কওঁ।

কাৰণ, এই কথা নক'লেও ডুমডুমাৰ কাহিনী আধৰুৱা হৈ ৰ'ব। অকল ডুমডুমাই নহয়, ময়ো আধৰুৱা হৈ ৰ'ম।

এটি ক'লি দুটি পাতৰ সেই কাহিনী বৰ ৰোমাঞ্চকৰ, উপন্যাসৰ দৰে চাঞ্চল্যকৰ।

চীনৰ হোৱাংহো পাৰৰ চাহ গছ অসমলৈ কেনেকৈ আহিল?

অতীত ৰোমন্থন অ'ৰ ত'ৰপৰা গোটোৱা সমলেৰে। ভুল যদি হয়, শুধৰোৱাৰ বাট মুকলি।

এটা কথা কোৱা ভাল হ'ব যে ডুমডুমালৈ চাহ খেতি কেনেকৈ আহিল সেয়া মাথোন ডুমডুমাৰে কাহিনী নহয়, অসমৰ অতীত কাহিনী।

চাহ খেতিৰ অতীত।

উপন্যাসৰ দৰে ৰোমাঞ্চকৰ। মধুৰ। 'দুটা পাত'ৰ কাহিনী। কেৱল ৰোমন্থন।

এক্ষো একোটি উদ্যোগৰ জৰিয়তে কোনো এখন ঠাইৰ গুৰুত্ব তথা ইয়াৰ অৰ্থনৈতিক দিশত বুনিয়াদ গঢ়ি উঠে। অসমৰ ক্ষেত্ৰত এই বুনিয়াদ নিঃসন্দেহে গঢ়ি উঠে চাহ উদ্যোগৰ জৰিয়তে। ইয়াৰ বিকাশ আৰু ব্যুৎপত্তিৰ বুৰঞ্জী যদিও অতি লাগতিয়াল, সেই বিষয়ে আগতে কৈছো যে চাহৰ প্ৰথম আবিষ্কাৰক কোন, সেই বিষয়ে মতভেদ আছে। আজি ইমান বছৰ অতিবাহিত হোৱাৰ পাছতো সেই বিষয়ে খাটাং একো এটা নিৰ্ণয় নোহোৱাটো আমাৰ বাবেই লাজৰ কথা। অসমত বিভিন্ন বিষয়ত গৱেষণা কৰা বিভিন্নজন গুণী ব্যক্তি ওলাইছে, কিন্তু চাহ খেতিৰ আদি ব্যৱস্থা সম্পৰ্কে গৱেষণা কৰা, প্ৰামাণ্য গ্ৰন্থ লিখা এজন লেখকো আগবাঢ়ি নহাটো দুখৰ কথা। গতিকে আবিষ্কাৰকজনৰ নাম সঠিক নিৰ্ণয় কৰিব নোৱাৰি। উল্লেখ কৰিব পাৰি যে ১৮৩৪ চনত ৰবাৰ্ট বুছ নামৰ চাহাব এজনক অসমত চাহ খেতিৰ ভৱিষ্যৎ অধ্যয়ন কৰিবলৈ পঠিয়াই দিয়া হয়। তেতিয়া ভাৰতৰ গৱৰ্ণৰ আছিল উইলিয়াম বেণ্টিঙ্ক। বেণ্টিঙ্কে অসমত চাহ খেতিৰ ভৱিষ্যৎ সম্পৰ্কে গৱেষণা কৰিবলৈ এখন চাহ কমিটি গঠন কৰি দিয়ে।

শিক্ষিত ইংৰাজ জাতিয়ে চাহ উদ্যোগৰ ভৱিষ্যৎ সম্পৰ্কে বাৰুকৈয়ে গম পাইছিল, গতিকেই এই ব্যৱস্থা।

সংগৃহীত তথ্যমতে জনা যায় যে উক্ত কমিটিৰ সদস্যবৃন্দৰ উপৰি উজনি অসমৰ উৎসাহী দুই-এক ব্যৱসায়ীয়েও চাহ খেতি কৰাৰ সন্দৰ্ভত আগবাঢ়ি আহে। উক্ত সমিতিৰ প্ৰতিবেদন ইংৰাজসকলে আগ্ৰহেৰে গ্ৰহণ কৰে বুলি জনা যায়।

ৰবাৰ্ট বুছ আছিল এজন সামৰিক বিষয়া।

ইংৰাজ শাসকসকলে চাহ খেতি সম্পৰ্কে সম্ভেদ ল'বলৈ বুছক যেতিয়া পঠাইছিল, তেতিয়া বুছে বৰ কষ্ট কৰি উজনি অসমৰ ডুমডুমা অঞ্চলত চাহৰ সন্ধান পায়। বহুতে আকৌ এই কথা ক'ব খোজে যে ৰবাৰ্ট বুছৰ ভাতৃ আলেকজেণ্ডাৰ বুছহে অসমত চাহ খেতিৰ প্ৰথম প্ৰবৰ্তক। এটা কথা ঠিক যে কিছু বছৰ পিছত ইংৰাজ শাসকসৱে আলেকজেণ্ডাৰ বুছকহে অধীক্ষক হিচাপে নিযুক্তি দিয়ে। গতিকে তেতিয়াৰপৰাই পৰীক্ষামূলকভাৱে অসমত চাহ খেতিৰ আৰম্ভণী হয় বুলি বহুতে ক'ব খোজে।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে বৰ্তমান অৱস্থাত চাহ উৎপাদনকাৰী দেশ হিচাপে ভাৰতে শীৰ্ষস্থান লাভ কৰি আছে। চাহ ৰপ্তানি আৰু ব্যৱহাৰৰ ক্ষেত্ৰতো ভাৰতৰ স্থান শীৰ্ষত। বৈদেশিক মুদ্ৰা অৰ্জনৰ ক্ষেত্ৰত অসমৰ চাহশিল্পৰ ভূমিকা গুৰুত্বপূৰ্ণ।

এটা কথা স্পষ্টভাৱে কোৱা ভাল হ'ব যে মণিৰাম দেৱানকে অসমৰ প্ৰথম চাহৰ আৱিষ্কাৰক বুলি কোৱা হয়। মণিৰাম দেৱানে পাতি যোৱা বাগিচা যোৰহাটৰ ওচৰৰ চিনামৰা বাগিচা। এইখন অসমৰ সবাতোকৈ পুৰণি বাগিচা।

মই গৌৰৱেৰে ক'ব পাৰোঁ যে মোৰ ৰোলছবি 'চামেলি মেমচাব'ৰ সৰহভাগ দৃশ্যগ্ৰহণেই হৈছিল সেই বাগিচাত। বাগিচাখন আওপুৰণি। আধুনিকতাৰ কোনো প্ৰতিচ্ছাপেই নাই। চামেলিৰ কাহিনীৰ পটভূমি অনুযায়ী সেইটোৰ প্ৰয়োজন আছিল। তাত এটা তেতিয়াই সজা প্ৰকাণ্ড বাংলো আছে। মোৰ ছবিৰ পৰিচালক আব্দুল মজিদে কৌশলেৰে সেইটো ব্যৱহাৰ কৰিছিল। সেইবোৰ অতীত ইতিহাসো নিশ্চয় বৰ আমোদজনক। কোনোবাই লিখাহেঁতেন! ভাবিলে আক্ষেপ হয়, অতীতক আমি চাগৈ এনেদৰেই মৰহি যাবলৈ দিওঁ। যিয়ে নহওক, অসমত প্ৰথম চাহৰ আৱিষ্কাৰক কোন, সেইটো কুঁৱলীৰে ঢকা।

উল্লেখ কৰিব পাৰি যে ইংলিছ ছ'ছাইটি অব আৰ্টছে এই বিতৰ্কমূলক বিষয়টোৰ ওপৰত কোনো টিপ্পনী নিদি বহু বছৰ আগতে যেতিয়া পুৰস্কাৰ দিছিল, তেতিয়া দুই বুছ ভাতৃকে পুৰস্কৃত কৰিছিল। অসমত চাহ আৱিষ্কাৰৰ বাবে দুই ভাতৃকে ছ'ছাইটিয়ে সোণৰ পদক দান কৰে। ১৯৩৬ চনত বুছৰ ভাতৃ চাৰ্লছ আলেকজেণ্ডাৰ বুছক যেতিয়া বনাঞ্চলৰ অধীক্ষকৰূপে নিযুক্তি দিয়ে, তেতিয়াই পৰীক্ষামূলকভাৱে অসমত চাহশিল্পৰ উদঘাটন হয় বুলি ক'ব পাৰি। এইবোৰ ইতিহাসো চাহ খেতিৰ দৰেই আওপুৰণি।

ডুমডুমা কলেজৰ জনপ্ৰিয় অধ্যক্ষ তথা সাহিত্যিক ৰবীন চৌধুৰীয়ে ক'ৰবাত লিখিছে এনেদৰে, 'কথা-গুৰুচৰিত'ত অনিৰুদ্ধদেৱে উজনিলৈ আহি অজাত্তিমূলুকত সত্ৰ পতাৰ কথা উল্লেখ আছে। অজাত্তিমূলুকৰ ঠাইডোখৰ চাবুৱাৰ ওচৰৰ দিনজয় সত্ৰ। দিনজয় তিনিচুকীয়াৰপৰা পোন্ধৰ মাইল। তিনিচুকীয়াৰপৰা ডুমডুমালৈ আকৌ পোন্ধৰ মাইল। মুঠতে ত্ৰিশ মাইল। অজাত্তিমূলুকৰপৰা ত্ৰিশ মাইল— ডুমডুমালৈ।

চাবুৱা পাৰ হ'লে দুটা কথা মনলৈ আহে। প্ৰথমটো হ'ল, চাহ পুলি প্ৰথম লগাইছিলে, ইয়াতে। ইয়াৰ লগত চাহ গছৰ প্ৰসাৰ হ'ল ডুমডুমালৈ। অনিৰুদ্ধদেৱে প্ৰথম সত্ৰ পাতিলে ইয়াৰ সমীপতে, প্ৰসাৰ হ'লগৈ ডুমডুমাৰ সমীপত। টিপুক সত্ৰ,

উবল সত্ৰ আদি প্ৰায় সাতখন সত্ৰ তাৰেই নিদৰ্শন। ইয়াৰ ওচৰতে ডিগবৈ হ'ল তেল নগৰী আৰু ডুমডুমা হ'ল চাহ নগৰী।

আগতেই উল্লেখ কৰা হৈছে যে ৰবাৰ্ট বুছ ডুমডুমাৰ চাহখেতিৰ প্ৰধান পৃষ্ঠপোষক হয় নে নহয়, এই লৈ দ্বিধা থাকিলেও, এটা কথা নিশ্চিতভাৱে ঠিক যে বুছে উজনিৰ সেই ডুমডুমা চহৰখনত প্ৰথম চাহখেতি আৰম্ভ কৰে।

ৰবাৰ্ট বুছে আকৌ চাহ গছৰ সম্ভেদ কেনেকৈ পায়? সেই কাহিনীও আমোদজনক। সংগৃহীত তথ্যমতে ৰবাৰ্ট বুছে চাহ গছৰ সম্ভেদ পায় এজন চিংফৌ মুৰব্বীৰপৰা। হোৱাংহো নৈৰ পাৰৰ সেই ঐতিহ্যময় চীন দেশৰপৰা।

কৌতূহলবশতঃ তেওঁ সেই পুলি আনিছিল আলফুলে। তেতিয়া ৰবাৰ্ট বুছ আছিল শদিয়াত। চাহ পুলিটোৰ প্ৰতি বুছৰ এনে মৰম সোমাইছিল যে তেওঁ পুলিটোক বিচ্ছিন্ন কৰিব নুখুজিলে। সেই মোহ তেতিয়াই এটি ক'লি দুটি পাতৰ।

বুছে তেওঁৰ বঙলাৰ সম্মুখতে প্ৰথমটো পুলি ৰোৱে। নিজ হাতে। ইতিহাসৰ কি বিৱৰ্তন। যি বণিকৰ ৰাজদণ্ড এদিন মানদণ্ড হৈ দেখা দিছিল, তেনেদৰেই চখত ৰোৱা সামান্য গছৰ পুলি এটাই সময়ত মহীৰুহ হিচাপে বিস্তাৰ লভি গোটেইখন অসম ছানি পেলাইছিল। বগা চামৰাৰ ইংৰাজে ভৱিষ্যত বুজি লোৱাত ভুল কৰা নাছিল। তাৰ ফলত কি হৈছে আমি আজি নিজেই দেখিছোঁ। কোৱা হৈছে যে বুছে চিংফৌ মুৰব্বীৰপৰা চাহ গছৰ সম্ভেদ পাইছিল। ডুমডুমাৰ নিচেই কাষত শদিয়া। ব্ৰহ্মপুত্ৰ পাৰ হ'লেই হ'ল। পঞ্চাছৰ বৰ ভূইকঁপত সেই শদিয়াৰ বহু বিৱৰ্তন হয়।

শদিয়া পোৱাৰ আগে আগে আৰু এখন ঠাই আছিল। নাম চৈখোৱা। নদী ঘাট পাৰ হৈহে যিহেতু শদিয়া পোৱা যায়, সেই ঠাইৰ নাম আছিল চৈখোৱা ঘাট।

ডুমডুমাৰ মাজেদি এতিয়াও যিটো বিখ্যাত মিটাৰগজ ৰেলপথ আছে, যিখন ৰেলক কোৱা হয় ডিব্ৰু-শদিয়া ৰেল, এই ৰেলখনৰ প্ৰচলন আজি কিছুদিন আগতে বন্ধ হৈ গৈছে। মই সেই ৰেলগাড়ীখন বন্ধ হোৱাৰ পটভূমিত এটা নিবন্ধই লিখি পেলাইছিলোঁ। 'দৈনিক অসম' কাকতৰ দেওবৰীয়া চ'ৰাত প্ৰকাশিত উক্ত প্ৰবন্ধৰ নাম আছিল 'এখন ৰেলৰ মৃত্যুত'।

সেই চৈখোৱা ঘাট এতিয়া নাই।

ডিব্ৰু-শদিয়া ৰেলখনো তাৰ আগৰটো ষ্টেচনলৈহে চলাচল কৰে, যাৰ নাম ঢলা। অৰ্থাৎ তিনিচুকীয়াৰপৰা মাকুম-ডুমডুমা হৈ সেই ৰেল চলে ঢলালৈ। ৰাষ্ট্ৰীয় ঘাইপথেদি বাছ আদিও চলে ঢলালৈ।

বিধবাৰ দৰে শুদা বুকু লৈ এখন ঠাই বৈয়ে গ'ল। নাম ডাঙৰী। পুৰণি ঠাই।

কিন্তু সময়ৰ নিষ্ঠুৰ হাত বুলনিত একেদৰে থাকি গ'ল। মোৰ সেই ঠাইৰ স'তেও সম্পৰ্ক আছিল। গভীৰ সম্পৰ্ক। সেই কথাও ক'ম।

ব্ৰহ্মদেশ-আৰাকান হৈ সামৰিক প্ৰয়োজনত যাওঁতে চিংফৌসকলক পাইছিল বুছে বৰ ওচৰৰপৰা।

শদিয়াৰ ওপৰৰ ফালে চিংফৌসকল থাকে। চিংফৌ অঞ্চলত ঘুৰি ফুৰোতে বুছে লক্ষ্য কৰিছিল যে চিংফৌসকলে পনীয়া এবিধ কিবা বস্তু খায়, নাম কি আছিল জনা নাছিল। কিন্তু সেয়া তেওঁলোকৰ নিজস্ব 'লিকাৰ' বুলি জানিছিল। তেতিয়া - যেতিয়া পৃথিৱীৰ মানুহে চাহকাপৰ কথা শুনাই নাছিল, তেতিয়াই।

বুছে বুজিছিল সেই স্থানীয় লিকাৰৰ মাহাত্ম্য।

বাংলোৰ সম্মুখত বোৱা গুটি টোৱে যে ভবিষ্যৎ সাফল্যৰ ইংগিত বহন কৰিছিল, সেয়া বুছে বুজা নাছিল।

এজনে লিখিছে : ইয়াৰপৰা সুন্দৰকৈ ধৰিব পাৰোঁ যে এই চাহ গছ অসমৰ জাতীয় জীৱনৰ আওপুৰণি। ইয়াৰ ব্যৱহাৰ আৰু বিকাশ হয় উনৈশ শ শতিকাত। চীন দেশৰপৰা অনা চাহ গুটিৰে। দিশে দিশে ঘূৰি ফুৰা সুযোগসন্ধানী ব্ৰিটিছে এই খেতি প্ৰসাৰিত কৰে। চীন হৈ অথবা ব্ৰহ্মদেশ হৈ উত্তৰ সাগৰীয় বতাহে দোকমোকালিতে আমাৰ অসমত তথা ভাৰতত ৰোমাঞ্চিত কৰি যায়। হোৱাংহো, ইৰাৱতী পাৰৰ মলয়াৰ গোন্ধও আহি যায়।' বুছৰ সপোন সফল হয়। চাহ গুটিৰ সুদূৰপ্ৰসাৰী প্ৰভাব বুজি পাবলৈ তেওঁৰ সৰহ পৰ নালাগিল।

স্মৃতিৰ এলবামত বহু স্মৃতিয়ে ছবি হৈ জিলিকি আছে। চীনৰপৰা চাহ গছৰ গুটিয়ে নহয়, চীনা মানুহেও চাহ খেতি কৰাৰ উদাহৰণ আছে। ডুমডুমাৰপৰা অলপ দূৰৈত মাকুম জংচন। ইয়াৰেপৰা ডিগবৈলৈ ৰেল আছে। ৰাষ্ট্ৰীয় ঘাইপথেৰে আহিলে ইয়াৰপৰা ফালৰি কাটি অইন বাটেৰে তেল নগৰীলৈ যাব পাৰি। আমাৰ বোধহয় কোনো ঠাই নাই, যিমান আছিল চীনা মানুহ মাকুমত। আচৰিত লাগে যে অতি সৰু ঠাইখনত সুদূৰ চীনৰপৰা আহি কিহৰ বাবে বসবাসৰ স্থান হিচাপে নিৰ্ণয় কৰি লৈছিল। ১৯৬২ চনৰ চীনৰ ভাৰত আক্ৰমণৰ আগলৈ সেই ঠাই চীনা মানুহ তথা দোকান-পোহাৰ আদিৰে ভৰপূৰ আছিল। আচৰিতভাৱে তাত এখন চীনা স্কুলো প্ৰতিষ্ঠা হৈছিল। ঘূৰণীয়াকৈ সজা চীনা মিস্ত্ৰিৰ অপূৰ্ব কাৰুকাৰ্য্যৰে নিৰ্মিত সেই স্কুল ঘৰটি এতিয়াও আছে।

তেওঁলোকৰ বহু অতীত এতিয়াও জাগ্ৰত হৈ আছে। মাকুমত এতিয়াও আছে বিখ্যাত সেই চি. এম হো নামৰ উদ্যোগ প্ৰতিষ্ঠান। তিনচুকীয়ালৈ যাওঁতে চোন, তাত

পুলিচ বজাৰত পাব বিখ্যাত ৰেষ্টুৰেণ্ট। নাম অৰিয়েণ্ট। তাৰ স্বত্বাধিকাৰীজন চীনা মানুহ। তেওঁ মাকুমৰ। তিনিচুকীয়াত আন এখন ৰেষ্টুৰেণ্ট আছে। নাম হংকং। তাৰ মালিকো চীনা মানুহ। গোটেই পৰিয়ালটিয়ে এই ৰেষ্টুৰেণ্টখন চলায়। চীনা ভাষাৰ কাগজ ৰাখে। চীনা গান শুনে। ৰেডিঅ' শুনে। সেইখন এক আচৰিত জগত।

যেতিয়াৰ কথা কৈছোঁ, তেতিয়া চীনা মানুহে মাকুম খদমদমাই আছিল। আপোনাক যদি চকুত কাপোৰ বান্ধি নি তাত এৰি দিয়া হয়,আপুনি ক'ব নোৱাৰিব, আপুনি চীনৰ কোনো এক চহৰত আছে নে উজনিৰ মাকুম ৰেল জংচনত আছে। সেই চেহেৰা এতিয়া আৰু নাই। কেৱল আছে স্মৃতিৰ হুমুনিয়াহ।

চীনা কাঠমিস্ত্ৰিসকলৰ কাম অতি নিপুণ আৰু মজবুত আছিল। জনা যায় যে ঐতিহ্যবাহী কটন কলেজৰ প্ৰশাসনীয় হলটি হেনো চীনা মিস্ত্ৰিয়ে সজা। এতিয়া যিটো আধুনিক বিল্ডিং সজা হৈছে, সেইটো নহয়। অইন নেলাগে, ছিলঙৰ অৰিয়েণ্ট নামৰ সৰু ৰেষ্টুৰেণ্টখনত সোমালেও তাত থকা সৰু সৰু কাঠৰ পাৰ্টিশ্যন তথা চকী-মেজৰ চাক-চিক্য আৰু ডিজাইন দেখিলে তবধ মানিব লাগে।

মই কলেজত পঢ়ি থকাৰ সময়তে মাকুমৰ এনেদৰে প্ৰেমত পৰিছিলোঁ যে মোৰ ইচ্ছা হৈছিল, তাৰে পটভূমিত উপন্যাস এখন লিখি পেলোৱাৰ। গৰমৰ বন্ধত বন্ধ কটাবলৈ ডুমডুমালৈ যাওঁতে এবাৰ নে দুবাৰ মাকুমলৈ গৈ কিছু সময়ো গোটাইছিলোঁ। ভাবিছিলোঁ, পৰিবেশ আৰু পটভূমি তথা চৰিত্ৰসমূহ নতুন লাগিব। কিন্তু কিয় জানো, লিখা নহ'ল। সেই বেজাৰে মোক এতিয়াও দহে। আমাৰ অসমৰ্থতাই নিজকে লাজ দিয়ে।

এইসকল চীনা লোকৰ দুই-একে চাহ ব্যবসায়তো মন দিছিল।

তেনে এজন বিখ্যাত ব্যক্তিৰ নাম হ'ল এ মং।

সংগৃহীত তথ্যমতে জনা যায় যে এই চীনা লোক এ মঙেই শদিয়াত প্ৰথম চাহ পুলি ৰোৱে।

কিন্তু জনা যায় যে শদিয়াৰ ভয়ংকৰ বানপানীয়ে সেই চাহনি উটুৱাই নিয়ে। গতিকে মঙৰ সপোন বাস্তৱত পৰিণত নহ'ল। কিন্তু তাৰ পাছতো হেনো এ মঙৰ পৰিচালনাতে চাবুৱা অঞ্চলত চাহ পুলি ৰুই খেতি কৰা হৈছিল।

জনা যায় যে চাহ পুলি গজালিৰ কাৰণে দিয়া হয় ১৮৩৭ চনত। আৰু চাহ পুলি ৰুই চাহনি কৰি এই চাহপাতৰ ব্যবসায় আৰম্ভ কৰা হয় ১৯৪৯-৫০ চনত। গতিকে চাহৰ ইতিহাস থাওকতে সামৰি থোৱা বিধৰ নহয়। তাৰো এক বিস্তৃত ইতিহাস আছে। এই সন্দৰ্ভত কোনোবাই গবেষণা কৰিলে নিশ্চয় আৰু বহু সময়

ওলাব। যিবোৰ অসমৰ চাহ গছৰ এক অবিস্মৰণীয় ইতিহাস হ'ব।

বন্ধ দুৱাৰ খোলাৰ আগতে আকৌ কিছু থমকি ৰ'বলগীয়া হ'ল। কাৰণ, ডুমডুমাৰ সম্পূৰ্ণ ইতিহাস কেইজনমান মানুহক পৰিহাৰ কৰি কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে।

সেইসকল ব্যক্তিৰ ডুমডুমা চহৰখনৰ গুৰি শিপাড়াল ভালকৈ জীপ দিবলৈ কৰাৰ চেষ্টা অবিস্মৰণীয়েই নহয়, সেই সৰু চহৰখনৰ বিকাশত এক বৃজন পৰিমাণৰ অৰিহণাও আছে। নিজৰ কথা ক'বলৈ যোৱাৰ আগতে স্মৰণীয় এইসকল লোকক এবাৰ সুঁৱৰি চোৱা আমাৰ নৈতিক কৰ্তব্য।

কোননো সেইসকল?

প্ৰথমতে নাম ল'ব লাগিব স্বৰ্গীয় হৰিহৰ চৌধুৰীৰ। এসময়ত ডুমডুমা মানেই হৰিহৰ চৌধুৰী। আচৰিত এক ব্যক্তিত্বৰে প্ৰতিভাত আছিল হৰিহৰ চৌধুৰী।

অতি সাধাৰণ সাজ-পোছাকেৰে উদ্ভাসিত স্বৰ্গীয় চৌধুৰীৰ এনে এক প্ৰাণৱন্ত সম্মোহিনী ব্যক্তিত্ব আছিল যে অতি সহজেই যিকোনো মানুহক তেওঁ নিজৰ কৰি ল'ব পাৰিছিল।

তেওঁৰ স্বভাৱসুলভ উদাৰ ব্যক্তিত্বৰ বাবেই তেওঁ সকলোৰে মাজত জনপ্ৰিয় হৈ পৰিছিল। এনে কোনো ৰাজনৈতিক নেতা বা সমাজকৰ্মী বা সংস্কৃতিবান মানুহ নাছিল যি হৰিহৰ চৌধুৰীৰ বাসভৱনত সোমাই এষাৰ মাত দিয়াৰ বা দেখা কৰাৰ পৰা বিৰত আছিল। গতিকেই কোৱা হৈছিল যে ডুমডুমা মানেই হৰিহৰ চৌধুৰী। কোৱা হয় যে ডুমডুমাৰ সৈতে হৰিহৰ চৌধুৰীৰ অংগাংগী সম্পৰ্ক। ডুমডুমাৰ সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক গতিপথৰ এনে এটা দিশ নাই, যিটো তেওঁৰ ব্যক্তিত্বই স্পৰ্শ কৰা নাছিল।

অতি অনাড়ম্বৰ মানুহ। কিন্তু অত্যন্ত দূৰদৃষ্টিসম্পন্ন। আৰু আছিল অতি ক্ষিপ্ৰ এক গতিসম্পন্ন বুদ্ধিবৃত্তি।

বোকাত ফুলা পদুমৰ দৰে তেওঁ আছিল সকলো দিশতে নিস্পৃহ। অথচ তেওঁ জানিছিল যে উজনিত সেইখন সৰু চাহবাগিচাৰে আবৃত ঠাইত কিছু যত্নপৰ হ'লেই ব্যৱসায়ৰ প্ৰভূত দিশ মুকলি হৈ আছে আৰু সেইটোকে অনুধাৱন কৰি তেওঁ ব্যৱসায়ৰ বহল জালখন পেলাইছিল। আৰু সেইদিশত বোধহয় সফলতাও অৰ্জন কৰিছিল। আগতেই কৈছো যে ডুমডুমাখন নামনিৰ মানুহেৰে ভৰপূৰ আছিল। হৰিহৰ চৌধুৰীও

নামনিৰ। বৰপেটাৰ ওচৰৰ ভবানীপুৰ নামৰ গাঁৱৰ। বেছি পঢ়া-শুনা কৰিব নোৱাৰি সৰুতে পিতৃ দুতিৰাম চৌধুৰীক হেৰুৱাই হৰিহৰ চৌধুৰীয়ে কোনোমতে ৰেলভাৰাটো যোগাৰ কৰি ডুমডুমা ওলাইছিলগৈ। কিন্তু ডুমডুমাত ভৰি দিয়ে চতুৰ হৰিহৰ চৌধুৰীয়ে বুজিছিল যে মাটি বৰ জীপাল। লাগিব নিষ্ঠা আৰু ঐকান্তিকতা, কোনোটোৰে অভাব নাছিল তেওঁৰ।

প্ৰথমতেই জীৱন আৰম্ভ কৰে সৰু-সুৰা ঠিকা-ঠুকলিৰে। জনা যায় যে এটা পায়খানা ঘৰ সজা কামেৰেই তেওঁৰ জীৱন আৰম্ভ হ'ল। কিন্তু তাৰ পাছতেই ব্যৱসায়ৰ বিভিন্ন দিশত তেওঁ খোজ পেলায়। ঘাইকৈ কাঠৰ ব্যৱসায়েৰে তেওঁৰ জীৱন আৰম্ভ কৰে। কিছুদিনৰ ভিতৰতে এই ব্যৱসায়ৰ ভিতৰুৱা দিশবোৰ তেওঁ তন্ন তন্নকৈ বুজি উঠে। তাৰ পাছত পিছলৈ আৰু উভতি চোৱা নাই।

এনেতে আহে প্ৰলয়ংকৰী দ্বিতীয় মহাসমৰ।

এই মহাসমৰৰ প্ৰধান ঘাটি আছিল ডুমডুমা আৰু ইয়াৰ চৌদিশৰ বিভিন্ন ঠাই। মহাসমৰৰ সময়ৰ সহজলভ্য টকা-পইচাৰ উজান-ভাটিত তেওঁৰ ব্যৱসায়ৰ নাওখনো ঠিকেই চলে। এচাম নিষ্ঠাবান কৰ্মীৰ সহায়ত হৰিহৰ চৌধুৰীৰ ব্যৱসায়েও গজগজীয়াৰূপে প্ৰতিষ্ঠা লাভ কৰে, যিটো সেই সময়ত বহুজনৰ বাবে ঈৰ্ষাৰ কাৰণ হৈ উঠিছিল। প্ৰচলিত ভাষাত তেতিয়াৰ মিলিটেৰি কণ্ট্ৰেক্টৰৰ সহায়ত তেওঁৰ ধনৰ ভঁৰাল টনকিয়াল হৈ উঠে।

ব্যৱসায়ত প্ৰচুৰ উন্নতি কৰিছিল, ধন ঘটিছিল ঠিকেই, কিন্তু হৰিহৰ চৌধুৰীয়ে পাহৰি যোৱা নাছিল বসবাস কৰা সেই ঠাই ডুমডুমাৰ বিভিন্ন সামাজিক দায়িত্বৰ কথা।

প্ৰথম কথাই হ'ল, তেতিয়াৰ ডুমডুমা চহৰখন শিক্ষা-দীক্ষাত বৰ অনুন্নত আছিল। বিশেষকৈ শিক্ষা প্ৰতিষ্ঠান খুলিবলৈ একোৱে নাছিল। হৰিহৰ চৌধুৰীয়ে প্ৰথম জীৱনেই আৰম্ভ কৰিছিল শিক্ষকতা কৰি। তেওঁ গোৱালপাৰা জিলাৰ অভয়েশ্বৰী উচ্চ বিদ্যালয়ত শিক্ষক হিচাপে জীৱন আৰম্ভ কৰিছিল। স্বাভাৱিকতে অভাৱ-অনাটনৰ বাবে তেনেদৰে উচ্চ শিক্ষা লাভ কৰিব নোৱৰা হৰিহৰ চৌধুৰীৰ বাবে শিক্ষা আছিল উন্নতিৰ প্ৰথম জখলা। সেয়েহে তেওঁ ডুমডুমাত বিভিন্ন স্কুল আদি প্ৰতিষ্ঠাত আগভাগ লৈছিল আৰু তেওঁৰ যত্নতে ডুমডুমাত এম. ই. স্কুল, হাইস্কুল, ছোৱালী হাইস্কুল আদি শিক্ষানুষ্ঠান ক্ৰমাগত গঢ়ি উঠিছিল। বহু বছৰ এইবোৰ প্ৰতিষ্ঠানৰ বাবে তেওঁ ঘাই হোতাস্বৰূপে কাম-কাজো চলাইছিল। এই প্ৰতিষ্ঠানবোৰৰ তেওঁ পিতৃস্বৰূপ আছিল। স্কুল চলোৱাৰ উপৰিও তেওঁ স্কুলসমূহত শিক্ষক নিয়োগকে

ধৰি বিভিন্ন কামবোৰো তেওঁৰ ব্যক্তিগত কাম হিচাপে গণ্য কৰিছিল। শিক্ষাৰ প্ৰতি থকা এই মনোভাবেই তেওঁক অন্যান্য কাম-কাজতো উৎসাহ যোগাইছিল।

সেয়েহে তেওঁৰ স্বৰ্গীয়া মাতৃ মোহিনী দেবীৰ নামত কিছু টকা অনুদান দি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মোহিনী দেবী মেম'ৰিয়েল লেকচাৰ শীৰ্ষক বক্তৃতামালাৰ ব্যৱস্থা কৰি দিছিল আৰু এইলানি বক্তৃতাৰ প্ৰথমটো বক্তৃতা দিছিল প্ৰখ্যাত শিক্ষাবিদ তেতিয়াৰ শিক্ষামন্ত্ৰী হুমায়ুন কবীৰে।

আচৰিতভাৱে কিন্তু সেই বক্তৃতামালাৰ কি হ'ল জনা নাযায়। তেওঁলোকৰ পৰিয়ালৰ নিস্পৃহতাৰ বাবেই হওক বা যিকোনো কাৰণতে নহওক, মোহিনী দেবী স্মৃতি বক্তৃতামালা এতিয়া বন্ধ হৈ গৈছে। আমি বিচাৰো, বিশ্ববিদ্যালয়ৰ দিশৰপৰা এই বিষয়ে জনালে ভাল হয়।

কেৱল এয়ে নহয়, স্বৰ্গীয় চৌধুৰীয়ে সেই সময়তে অন্য এক মহৎ কামৰ প্ৰতি আগ্ৰহী হৈছিল আৰু সেই আদৰ্শত ব্ৰতী হৈয়ে তেওঁ তেতিয়াৰ হোতা নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ নামে জনাজাত আৰু এতিয়া অৰুণাচল নামেৰে অলংকৃত সেই অঞ্চলৰ উচ্চ শিক্ষান্ত পৰীক্ষাত যিজন ছাত্ৰই অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ পাইছিল, তেওঁক এটি বৃত্তি দিয়াৰ ব্যৱস্থা কৰিছিল। স্বৰ্গীয় চৌধুৰীৰ উদ্দেশ্য আছিল, জনজাতীয় সেইবোৰ অঞ্চলত অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা আৰু সেই দিশত জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ মাজত অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আগ্ৰহ বঢ়াই তোলাটো। উল্লেখযোগ্য যে এইবোৰ সভা আৰু নতুন প্ৰচেষ্টাৰ কাম-কাজত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত কোনো দ্বিতীয় এজনে তেওঁক দিহা-পৰামৰ্শ দিয়া বা সহায় কৰোতা নাছিল। হয়তো উপযুক্ত দিহা-পৰামৰ্শ দিয়া বা আলোচনা কৰাৰ বাবে কেতিয়াবা ডুমডুমা চহৰত কোনোবা থকাহেঁতেন আমি আৰু বহুতো সামাজিক কামত হৰিহৰ চৌধুৰীক বান্ধি পেলাব পাৰিলোহেঁতেন। সেই দিশত কোনো নথকাটো ডুমডুমাৰে দুৰ্ভাগ্য।

শিক্ষাৰ প্ৰসাৰৰ প্ৰতি তেওঁৰ একাণপতীয়া চেষ্টাৰ উপৰি ডুমডুমা চহৰখনৰ ৰাজহুৱা জীৱনৰ ক্ষেত্ৰতো তেওঁ আছিল হোতাস্বৰূপ। তেতিয়াৰ ডুমডুমা চহৰৰ টাউন কমিটিখনেই আছিল নগৰৰ একমাত্ৰ ৰাজহুৱা কল্যাণ আৰু চোৱাচিতাৰ অনুষ্ঠান। স্বৰ্গীয় চৌধুৰীয়ে এই টাউন কমিটিৰো কেইবাবছৰো ধৰি চেয়াৰমেন পদ শোভা কৰিছিল। ডুমডুমা টাউন কমিটিৰ প্ৰথম চেয়াৰমেন বোধহয় আছিল এজন চাহাব। নাম তেওঁৰ মি০ উড। দ্বিতীয় চেয়াৰমেন আন এজন ইংৰাজ। তেওঁৰ পাছতহে ভাৰতীয় লোক চেয়াৰমেন হৈছিল। উল্লেখযোগ্য যে ডুমডুমা চহৰখন বাগিচাকেন্দ্ৰিক হোৱা বাবে সেই চহৰখন নানা ভাষা-ভাষীৰ মানুহেৰে ভৰপূৰ আছিল। টাউন

কমিটিৰ চেয়াৰমেন হিচাপে তেওঁৰ ডাঙৰ কৃতিত্ব হ'ল — থলুৱা মানুহখিনিক সকলো ক্ষেত্ৰতে অগ্ৰাধিকাৰ দিয়া।

হৰিহৰ চৌধুৰীৰ যাদুকৰী ব্যক্তিত্বৰ বাবেই তেওঁ বহু বছৰ ধৰি ডুমডুমাৰপৰা এম. এল. এ. হিচাপে নিৰ্বাচিত হৈ কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৮৯ চনত অসম সাহিত্য সভাৰ ৫৫ তম অধিবেশন ডুমডুমা চহৰত মহাসমাৰোহেৰে অনুষ্ঠিত হৈ যায়। কিন্তু বহুতে হয়তো নেজানিব, অসম সাহিত্য সভাৰ ডুমডুমা শাখা প্ৰতিষ্ঠা কৰাত স্বৰ্গীয় চৌধুৰীয়ে ঘাই প্ৰেৰণা আৰু আঁৰৰ মানুহ আছিল। দুখৰ কথা, ডুমডুমাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ৫৫ তম অধিবেশন চাই যাবলৈ হৰিহৰ চৌধুৰী জীয়াই নাছিল। আমি জাতিটোও এনে অকৃতজ্ঞ যে উল্লেখিত সাহিত্য সভাৰ অধিবেশনত স্বৰ্গীয় হৰিহৰ চৌধুৰীৰ নামত স্মৃতি তোৰণ এখন দিবলৈকো সাহিত্য সভা কৰ্তৃপক্ষক জয়দেউ কাকুতি কৰিবলগীয়া হৈছিল।

হৰিহৰ চৌধুৰী আজীৱন কংগ্ৰেছী আছিল। তেওঁ সেই সময়ত ঘাই সুঁতিৰ স'তে সুৰ মিলাই স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। গতিকে বহু সৰ্বভাৰতীয় কংগ্ৰেছী তথা অসমৰ ৰাজনৈতিক সংগ্ৰামী নেতাৰ ডুমডুমাত তেওঁৰ বাসভৱনলৈ আগমন হৈছিল।

স্বৰ্গীয় চৌধুৰীৰ গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো এক উল্লেখযোগ্য বৰঙণি আছে। যি সময়ত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ সপোন লৈ এচাম নিষ্ঠাবান ব্যক্তিয়ে ৰাজ্যৰ ইমূৰ-সিমূৰ ঘূৰি দান-বৰঙণি সংগ্ৰহ কৰিছিল, সেই সময়ত হৰিহৰ চৌধুৰীয়ে আগভাগ লৈ ডুমডুমা অঞ্চলৰ পুঁজি সংগ্ৰহত অভাৱনীয় সহায় কৰি দিছিল। এইক্ষেত্ৰত তেওঁৰ ব্যক্তিগত দানৰো এটি উল্লেখযোগ্য অৱদান আছে। টকা পইচা থকা মানুহ বুলিলে যি বুজায় সেইটোৰ তেওঁ ব্যতিক্ৰম নাছিল। কিন্তু ব্যক্তিত্বৰ উদাৰতাই সেই পৰিসৰক বহল কৰি তুলিছিল। বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহৰ বাবে যোৱা লোককো তেওঁ নিজে লগত লৈ ফুৰিছিল আৰু পুঁজি সংগ্ৰহত সহায় কৰিছিল।

অসম সাহিত্য সভাৰ তেওঁ আজীৱন সভ্য আছিল। ডুমডুমা শাখা সাহিত্য সভা গঠনত তেওঁৰ বিশেষ ভূমিকা আছিল বুলি আগতে উল্লেখ কৰা হৈছে। যদিও সাহিত্য সভাৰ প্ৰাণ প্ৰতিষ্ঠা কৰাত আৰু সজীৱ কৰি তোলাৰ গুৰিতেই স্বৰ্গীয় ধৰ্মকান্ত গোহাঁইৰ নাম স্মৰণ কৰিবই লাগিব।

স্বৰ্গীয় গোহাঁই আছিল এজন কাঠ ব্যৱসায়ী। কিন্তু সাহিত্যৰ প্ৰতি তেওঁৰ প্ৰীতি আৰু আকৰ্ষণে সাহিত্য সভাৰ প্ৰতিও আকৰ্ষণ কৰিছিল। অত্যন্ত অনাড়ম্বৰ লোক আছিল গোহাঁইদেউ। এবাৰ ডুমডুমা সাহিত্য সভাৰ অধিবেশন তেওঁ জাকজমকতাৰে

অনুষ্ঠিত কৰিছিল। মই যদি ভুল কৰা নাই, সেই অধিবেশনলৈ তেওঁ আমন্ত্ৰণ কৰি নিছিল বিখ্যাত সাহিত্যিক-ৰাজনীতিবিদ হেম বৰুৱাক। স্বৰ্গীয় গোহাঁইদেৱে মিচিং ভাষাৰ ওপৰত সৰু কিতাপ এখনো লিখিছিল। স্বৰ্গীয় গোহাঁই অবিহনে ডুমডুমা সাহিত্য সভাৰ অঁকাটোহে বৰ্তমান।

স্বৰ্গীয় হৰিহৰ চৌধুৰীৰ অন্য এক উল্লেখযোগ্য দিশ হ'ল ব্যৱসায়ৰ ক্ষেত্ৰত তেওঁৰ দূৰদৃষ্টি আৰু ব্যৱসায়ৰ স'তে প্ৰয়োজনীয় তীক্ষ্ণ বুদ্ধিবৃত্তি। তেতিয়া দ্বিতীয় মহাসমৰৰ টৌৱে বাৰুকৈয়ে ছুই গৈছিল উজনিৰ সেই চাহনগৰী ডুমডুমাক। মহাসমৰৰ স'তে জড়িত বিভিন্ন ঠিকা-ঠুকলি আদি কাৰ্য্যত ব্ৰতী হৈছিল হৰিহৰ চৌধুৰী। আৰু নিজৰ কৰ্মপদ্ধতি আৰু পৰিশ্ৰমেৰে তেওঁ প্ৰভূত উন্নতিও কৰিছিল। কণ্ট্ৰেক্টৰ হিচাপে তেওঁৰ নাম জনপ্ৰিয় হৈ উঠিছিল। 'চৌধুৰী ব্ৰাদাৰ্ছ'ৰ কৃতিত্ব তেতিয়া জাকত-জিলিকা। কিছু কৰ্মঠ মানুহক তেওঁ তেওঁৰ কাৰ্য প্ৰতিষ্ঠাত জড়িত কৰিছিল। তাৰে দুটি উল্লেখযোগ্য নাম হ'ল স্বৰ্গীয় যোগেন্দ্ৰ নাথ ডেকা আৰু নগেন্দ্ৰ নাথ ডেকা। পিছলৈ এওঁলোক দুয়ো মিলি স্বাধীনভাৱে ব্যৱসায় কৰি খ্যাতি অৰ্জন কৰিছিল।

বিশেষকৈ যোগেন্দ্ৰ নাথ ডেকাৰ নামো ডুমডুমাৰ সৈতে চিৰদিন জিলিকি থাকিব। ভলভলীয়া, সাহসী, সকলো ক্ষেত্ৰতে আগভাগ লওঁতা যোগেন ডেকা বিশেষকৈ স্মৰণীয় হৈ ৰ'ব উচ্চ শিক্ষাৰ বাবে প্ৰতিষ্ঠিত ডুমডুমা কলেজৰ আদৰ্শ খনিকৰ হিচাপে। ডুমডুমা কলেজ তেওঁৰ অক্লান্ত শ্ৰম আৰু চেষ্টাৰ গুণতেই প্ৰতিষ্ঠিত হোৱা বুলি ক'লে অত্যুক্তি কৰা নহয়। অকল কলেজতে নহয়, ডুমডুমাৰ এনে এটি সামাজিক কাম নাছিল, যিহত তেওঁ আগভাগ লোৱা নাছিল। অত্যুৎসাহী যোগেন ডেকা অবিহনে পিছলৈ চহৰখনৰ কোনো কামেই অগ্ৰগতি লভিব নোৱাৰিছিল। অসমীয়া আৰু বিশেষকৈ কামৰূপীয়া মানুহখিনিৰ স্বকীয়ত্ব জীয়াই ৰাখিবলৈ তেওঁৰ চেষ্টাৰ কোনো ত্ৰুটি নাছিল। বহুদিন ধৰি তেওঁ ডুমডুমা নগৰ কমিটিৰ চেয়াৰমেন পদো শোভা কৰিছিল। তেতিয়াই তেওঁ হাতত লোৱা কিছু বৈপ্লৱিক আঁচনিয়ে চহৰখনৰ বুকুলৈ এটি নতুন পৰিৱৰ্তনৰ পথ সূচনা কৰিছিল। ডুমডুমা কলেজ প্ৰতিষ্ঠাৰ উপৰিও যোগেন ডেকা আছিল ডুমডুমা চাহ নগৰৰ ধাৰবাহিকতা ৰক্ষা কৰা এজন নিষ্ঠাবান ব্যক্তি।

আগতেই উল্লেখ কৰিছো যে বহু ভাষা-ভাষী লোকৰ বসতি আছিল ডুমডুমা। তাৰে কিছু কিছু অনা-অসমীয়া মানুহ নিজস্ব ব্যক্তিত্বৰদ্বাৰা সেই ঠাইৰ মানুহৰ স'তে একেবাৰে মিলি গৈছিল। তেনে এজন মানুহ আছিল ৰামবচন সিং। বিহাৰী মানুহ। প্ৰকাণ্ড একোছা মোছেৰে তেওঁ ডুমডুমাৰ এক পৰিচিত সৰবৰহী ব্যক্তি আছিল।

কেইবাবছৰো ধৰি তেওঁ ডুমডুমা টাউন কমিটিৰ ভাইচ চেয়াৰমেন আছিল। আছিল মদিন খাঁ। লুণ্ডি পৰিহিত তেবোঁ ডুমডুমা চহৰৰ চিনাকি মানুহ আছিল। আছিল মহিম চন্দ্ৰ গগৈ। 'গগৈ ব্ৰাদাৰ্ছ' নামৰ জাকতজিলিকা ডিপাৰ্টমেণ্টেল ষ্টোৰ্ছ এখনৰ স্বত্বাধিকাৰী আছিল। তেবোঁ ডুমডুমা নগৰ সমিতিৰ ভাইচ চেয়াৰমেন আছিল। গগৈদেউৰ ইংৰাজী চহীটো বৰ দেখনিয়াৰ আছিল। ডুমডুমাৰ ডুমডুমা ষ্টোৰ্ছ বৰ দেখনিয়াৰ দোকান। সেই দোকান এতিয়াও বিদ্যমান। তাৰ মূল মানুহ আছিল তৰিৎ বাবু। এই ডুমডুমা ষ্টোৰ্ছৰ শাখা দোকান এখন এতিয়াও ডিব্ৰুগড় চহৰত আছে। অনা-অসমীয়া কিছু ব্যক্তিও ডুমডুমাৰ স'তে মনে-প্ৰাণে মিলি গৈছিল। তেওঁলোকৰো নিজ নিজ ক্ষেত্ৰত বৰঙণি কম নহয়। সেই নিবাৰণ গুহ, ভব দত্ত আৰু বহুতো। উল্লিখিত সকলো ব্যক্তিৰ ডুমডুমাৰ ৰাজহুৱা জীৱনত বিশিষ্ট অৱদান আছে।

বহু এৰাধৰা স্মৃতিৰে ভৰপূৰ ডুমডুমা। আগতেই কৈছো, দ্বিতীয় মহাসমৰৰ এক প্ৰধান ঘাটি আছিল ডুমডুমা। যুদ্ধৰ সময়ত ইয়াৰে ডুমডুমাৰ ওচৰৰ চুকৰেটিং এয়াৰ ফিল্ড আৰু চাবুৱা বিমানকোঠ বৰ বিখ্যাত আছিল। এই চাবুৱা বিমানকোঠেই পিছলৈ সামৰিক বিকানকোঠ হিচাপে পৰিগণিত হৈছে। উল্লেখ কৰা ভাল হ'ব যে এই চুকৰেটিং বিমানকোঠৰ অভিজ্ঞতাৰে যশস্বী কথাশিল্পী যোগেশ দাসে তেওঁৰ বিখ্যাত অসমীয়া 'ডাৱৰ আৰু নাই' উপন্যাস লিখিছিল।

মই যুদ্ধৰ ভৰপক দেখিছোঁ। তেতিয়া মই সৰু। স্কুলত পঢ়ো। ছাইৰেণ বাজিলে মই দৌৰি মাটিৰ তলত খান্দি উলিওৱা গাঁতত সোমাইছিলো। আমাৰ ঘৰৰ পিছফালে থকা ডুমডুমা টাউন ফিল্ডত দেখিছিলো বিৰাট বিৰাট এণ্টি এয়াৰক্ৰাফ্‌ট মেশ্বিনগান। দেখিছিলো ট্ৰাক ভৰ্তি বিয়াগোম বিয়াগোম চেহেৰাৰে এণ্ডাৰ ক'লা আমেৰিকান নিগ্ৰো সৈনিকবোৰ। চুটি চুটি কেঁকোৰা চুলিৰ চুইংগাম চোবোৱা সেই সৈনিকবোৰে ঠাট্টা-মস্কৰাৰে ডুমডুমা উত্তাল কৰি ৰাখিছিল এসময়ত। ক'বলৈ ভাল লাগিছে যে আমি সেইবোৰৰ অংশীদাৰ আছিলো।

মোৰ দুখ মাত্ৰ একেটাই। মই ইমান অপৈণত বয়সৰ আছিলো, অভিজ্ঞতা এনেদৰে সীমিত আছিল যে মই মোৰ চকুৰ আগত উদ্বেলিত দ্বিতীয় মহাসমৰক হৃদয়েৰে উপলব্ধি কৰিব নোৱাৰিলো। পৰা হ'লে কিজানি এখন চাঞ্চল্যকৰ উপন্যাসই লিখিব পাৰিলোহেঁতেন। সেই বেজাৰে মোক এতিয়াও বিন্ধে। এটা সোণালী সুযোগৰ পৰা মই কৰুণভাৱে বঞ্চিত হ'লো।

দেখিছিলো সেই সময়ৰ উত্তেজনাসূচক পৰিবেশ।

অবাক হৈ চাইছিলো। চুইংগামৰ আশাত ঘৰৰ আগফালে থকা গুলঞ্চ ফুলৰ

তলত সকলোৱে অলক্ষিতে অপেক্ষা কৰিছিলো। দহচকীয়া বা ছয়চকীয়া মিলিটেৰী ট্ৰাকবপৰা কেতিয়াবা দলিয়াই দিছিল, কেতিয়াবা নিদিছিল।

আমাৰ ঘৰৰ ওচৰতে এখন দোকান আছিল। নাম আইভৰী ষ্টোৰ্চ। স্বত্বাধিকাৰী আছিল অজিৎ বৰুৱা। সেই দোকানখন খুব চলিছিল। তাৰ এটি প্ৰধান কাৰণ আছিল, দোকানখনৰ স্বত্বাধিকাৰী শ্ৰীবৰুৱাই ইংৰাজী ক'ব পাৰিছিল।

মই উক্ত দোকানখনৰে দীঘলীয়া কাঠৰ বেঞ্চত বহি ৰৈছিলো। চুইংগামৰ আশাত। কেতিয়াবা পাইছিলো। কেতিয়াবা নাই। লক্ষ্য কৰিছিলো মিলিটেৰিবোৰক। শুনিছিলো তেওঁলোকৰ কথোপকথন। কিন্তু সেই বিষয়ে যে একো লিখা নহ'ল, আগতে কৈছো।

তথাপি ডুমডুমাক লৈ অন্য লিখা লিখিছিলো। কিছু গল্প, দুই-এখন উপন্যাস। 'জুড দি অবস্কিউৰ', 'দি মেয়ৰ অব কেষ্টাৰব্ৰীজ', 'আণ্ডাৰ দি গ্ৰীণ ট্ৰি' আদি উপন্যাসৰ বিখ্যাত ইংৰাজ লেখক টমাছ হাৰ্ডিৰ উপন্যাসত যেনেকৈ বেছেক্স চহৰখন জীৱন্ত হৈ উঠিছিল, ময়ো সাধাৰণভাৱে চেষ্টা কৰিছিলো ডুমডুমাক জীৱন্ত কৰি তুলিবলৈ। সফল হৈছিলো নে নাই, সেয়া মোৰ লক্ষ্য নাছিল, কেৱল লিখিছিলো।

এতিয়াও লিখি আছো। কি লিখিছো ডুমডুমাক লৈ? লিখিছিলো এটি স্বাভাৱিক মনস্তাত্বিক গল্প-'অংগে অংগে শোভা'। ডুমডুমাৰ সঁচা কহিনী।

য'ত এজনী ছোৱালীক ল'ৰাৰ দৰে সাজপাৰ পিন্ধাই ল'ৰাৰ দৰে ৰাখি থোৱা হৈছিল। ড° মহেন্দ্ৰ বৰা সম্পাদিত অধুনামৃত 'মণিদীপ' আলোচনীত প্ৰকাশ পোৱা গল্প। পাছত সেইটো নামত মই গল্প সংকলন এখনেই উলিয়াইছিলো। গল্পটো হিন্দী ভাষালৈও অনূদিত হৈছিল। প্ৰকাশ পাইছিল ধৰ্মবীৰ ভাৰতী সম্পাদিত তেতিয়াৰ বিখ্যাত 'ধৰ্মযুগ' আলোচনীত।

গল্পটো সঁচা বুলি কোৱাৰ মোৰ সাহস আছে। গল্পৰ পটভূমি সুকীয়া। সেইটো মোৰ। কিন্তু আন সকলো একেবাৰে সঁচা। সৰু নগৰখনত সেইটো আলোচনাৰ হৈছিল

ডুমডুমা নগৰৰ এটা চিত্ৰগৃহ। নাম অৰোৰা। ডিব্ৰুগড় অৰোৰা চিনেমাৰ এটা অংশ। বিখ্যাত আশু বাবুৰ চিত্ৰগৃহ। এই চিত্ৰগৃহৰে মেনেজাৰ। কিন্তু সকলোৱে মাতিছিল পাল্টু বাবু বুলি। বঙালী ভদ্ৰলোক। তেওঁৰে ছোৱালী। মই এবাৰ কলেজৰ বন্ধত ঘৰলৈ যাওঁতে ছোৱালীজনী দেখিলো। তাইৰ বিষয়ে শুনিলো, কিয় জানো গোটেই ঘটনাটো মোৰ অস্বাভাৱিক লাগিল। মনতে ভাবিলো, ভাল বিষয়বস্তু। লিখি পেলালো। সৃষ্টি হ'ল এক অসাধাৰণ গল্প। কেৱল পৰিণতি মই গল্পৰ খাতিৰত নিজস্ব

ধৰণে কৰিছিলো। ডুমডুমাৰ তেতিয়া ৰাজ্যিক চিকিৎসালয়ত এজন ডাক্তৰ আছিল, ডা° ডিম্বেশ্বৰ দুৱৰা। এওঁ এতিয়া যোৰহাটত স্থানীয়ভাৱে থাকে। এওঁৰ যোৰহাটত এখন বিখ্যাত এক্সৰে ক্লিনিক আছে। ডা° দুৱৰাৰ মুখত শুনিছিলো এগৰাকী মানুহৰ কথা, পাগলী। কিন্তু ডাক্তৰ দুৱৰাৰ মুখত শুনি মই বুজিছিলো যে, ইয়াৰ আঁৰত নিশ্চয় অন্য কাৰণ আছে। মনস্তাত্ত্বিক। সেই ধৰণেই মই ফঁহিয়াইছিলো। নাম দিছিলো 'বৈজয়ন্তী'। সেয়াও ডুমডুমাৰ গল্প। ইংৰাজবোৰে চাহবাগিচা এৰি যোৱাৰ পাছত বহু বাগিচাত আমাৰ ভাৰতীয়বোৰ বাগিচাৰ চাকৰিত সোমাইছিল। সেইটো মই ওচৰৰপৰা লক্ষ্য কৰিছিলো। ডুমডুমাৰ আশে-পাশে বহু বাগিচাতে বাগিচাৰ প্ৰশাসনীয় কামত আমাৰ ভাৰতীয় সোমাইছিল।

তথাকথিত বাগিচাৰ ইণ্ডিয়ান মেনেজাৰ আদিৰ অন্তৰ্দ্বন্দ্ব মই লক্ষ্য কৰিছিলো। তাৰেই পটভূমিত এখন উপন্যাস 'নাম ৰাখিলো বাসবী'। সেয়াও ডুমডুমাৰে কোনো বাগিচাৰ কাহিনী। দূৰৈৰপৰা বৰ সুন্দৰ আৰু ৰঙীন যেন জীৱনবোধৰ অন্তঃসাৰশূন্যতা আৰু উকা ৰূপ উদঙাই দেখুওৱা এই উপন্যাসৰ উপজীব্য। বাগিচাৰ জীৱনবোধৰ এই উপন্যাস এক চোকা বিশ্লেষণ। শেষত মই মোৰ বাবে ডুমডুমাৰ পটভূমিত লিখা গল্প-উপন্যাসৰ কোনো এক ড্ৰাইভাৰৰ সংঘাটময় জীৱনক লৈ সঁচা কাহিনীৰ পটভূমিত লিখা মোৰ উপন্যাস 'দেহদেউল'। কিছু চৰিত্ৰ সঁচা পৰিবেশৰপৰা বুটলি লোৱা, কাহিনীৰ পটভূমিও ডুমডুমাৰ। এই উপন্যাসৰে বেটুপাত আঁকিছিল ভাৰত বিখ্যাত শিল্পী ও. চি. গাংগুলীয়ে।

আৰু আছে।

মোৰ মানসকন্যা 'চামেলি মেমচাব'ও ডুমডুমাৰ। সেইটোও সঁচা কাহিনী।

কেনেকৈ আৰু কি পৰিবেশত মই বাৰ্কলে চাহাবক লগ পাইছিলো, সেয়াও গল্পৰ দৰেই ৰোমাঞ্চকৰ।

ক'ম, সেই কথাও ক'ম। নহ'লে যে ডুমডুমাৰ কাহিনী তথা মোৰ জীৱনকথাই অসম্পূৰ্ণ হৈ ৰ'ব। চামেলিৰ কথাও ক'ম।

সঁচাকৈয়ে ডুমডুমাৰ কাহিনী অসম্পূৰ্ণ হৈ ৰ'ব, যদিহে মই চামেলিজনীৰ কথা নকওঁ। কাৰণ, চামেলি ডুমডুমাৰে। 'চামেলি মেমচাব' ডুমডুমাৰ। এই কাহিনী সাৰ্বজনীনৰূপত সকলোৱে প্ৰত্যক্ষ কৰিছে। ছবি হৈছে, যাত্ৰা হৈছে আৰু অনাতাঁৰ ৰূপ।

ইয়াৰ সৃষ্টিৰ কাহিনীও আচৰিত। তেতিয়া বোধহয় কলেজৰ গৰম বন্ধ। মই গৈছিলো ডুমডুমালৈ। বন্ধৰ সেইকেইটা দিন জনবহুল ব্যস্ত গুৱাহাটী মহানগৰীৰ

পৰা আঁতৰত থাকি সেই চাহবাগিচাৰে ঘেৰা সেউজ পটভূমিত কিছু অৱসৰ মুহূৰ্ত নিৰিবিলিভাৱে কটোৱাৰ মানসেৰে। আন কথাত 'ফাৰ ফ্ৰম দি মেডিং ক্ৰাউড'।

আমাৰ ঘৰৰ সম্মুখেৰে বজাৰৰ মাজেদি যিটো সৰু-আলিবাট গৈছে সেইটোক এতিয়া নামকৰণ কৰা হৈছে 'নেহৰু ৰোড' নামেৰে। নেহৰুৰ কিবা স্মৃতি সেই আলিবাটটোৰ আছে নে নাই মই নাজানো। কিন্তু মহান নেতাগৰাকীৰ নাম বিজড়িত সেই আলিবাটটোৰে বহু নোকোৱা কথা কয়। সেই আলিবাটটোৱেদি প্ৰায়ে খোজ কাঢ়িছিল এজন ইউৰোপিয়ান চাহাবে। পিন্ধনত বগা ছুট-পেণ্ট, মূৰত 'ফ্লেট হেট'। মুখত দীঘল পাইপ। আমাৰ মাইতে বাটেৰে সেই চাহাবক খোজ কঢ়া দেখি মূৰত ওৰণি লৈ ভিতৰলৈ লৰ মৰা লক্ষ্য কৰিছিলো। মুখত মাত্ৰ এটা শব্দ উচ্চাৰিত হৈছিল 'পাগলা চাহাব' বুলি।

কোন পাগলা চাহাব? মই মাক সুধিছিলো। কোনো সদুত্তৰ দিব পৰা নাছিল। উপেক্ষিত আৰু আচহুৱা ঘটনা বুলিয়েই কথাষাৰ উলাই কৰিব খুজিছিলো। কিন্তু ঘটনাই সেই সুযোগ নিদিলে।

মই লক্ষ্য কৰিছিলো যে মাথোন মোৰ মায়েই নহয়, চহৰখনৰ প্ৰায়ভাগেই সেই মানুহজনক লৈ বেছ কৌতূহলী। সকলোৱে তেওঁক 'পাগলা চাহেব' বুলিয়ে জানে।

ঘটনাটোৱে মোক কেৱল আগ্ৰহী কৰি তুলিছিল। দুই-একক সুধিও ঠিক বিচৰা উত্তৰটো নাপালো। কেৱল গম পালো যে সেই চাহাবজনে ঠিক একেদৰে মুখত পাইপ লৈ অলৌ-টলৌকৈ ঘূৰি ফুৰে, কাৰো সতে বিশেষ কথা নাপাতে। আৰু এটা সময়ত আকৌ নোহোৱা হৈ যায়।

সেইটোৱে আচৰিত।

মই গম পালো যে সেই চাহাবজনে কিছু আঁতৰত এখন বাগিচাৰ এটা বঙলালৈ যায়। আন কথাত বঙলাটোৰ তেৱেঁই স্বত্বাধিকাৰী।

এটা ৰঙা টিনপাতৰ বঙলা। আঁতৰৰপৰাই ধুনীয়াকৈ চকুত পৰে। বাগিচাখনৰ নাম মই নকওঁ। কিন্তু সেইখন ডুমডুমাৰ ওচৰৰ এখন জাকতজিলিকা বাগিচা। বোধহয় মই মূল গল্পটো আৰম্ভ কৰিছিলো ৰঙা টিনপাতৰ বঙলাটোৰ বৰ্ণনাৰে। তাৰ পাছতে আহিছিলো মূল কাহিনীলৈ। গম পালো, সেই ৰঙা টিনপাতৰ চাংবঙলাটো সেই অঞ্চলত জনাজাত এটি অভিশপ্ত বঙলা বুলি। অভিশপ্ত অকল বঙলাটোৱে নহয়, অভিশপ্ত সেই বঙলাৰ অধিকাৰী পাগলা চাহাবো। কিহৰ বাবে?

জনা যায় যে ৰঙা টিনপাতৰ (চাং দিয়া) বঙলাটোত এগৰাকী মজদুৰ ছোৱালীয়ে, যি কাৰণতেই নহওক, এসময়ত আত্মহত্যা কৰিছিল। কিয় আৰু কিহৰ বাবে, সেই

কথা তেতিয়ালৈ ৰহস্য হৈয়ে আছিল।

ৰহস্যৰ মেৰপাক খুলিবলৈ মোৰ অদম্য হেঁপাহ হৈছিল। বহুতকে সুধিছিলো। বহুতে বহু কথা ক'লে। কিন্তু আচল কথা কোনেও নজনা বুলি, কিয় জানো মোৰ ধাৰণা হ'ল। মই সন্তৰ্পণে কেইদিনমান ধৰি পাগলা চাহাবক লক্ষ্য কৰিছিলো। তেওঁৰ গতি লক্ষ্য কৰিছিলো। কাৰ স'তে কি কথা পাতে, সেই কথা জনাৰ চেষ্টা কৰিলো। কিন্তু মই সফল নহ'লো।

তেতিয়াই মই এক আচৰিত সিদ্ধান্ত ল'লো যে পাগলা চাহাবক মই লগ ধৰিমেই। মোৰ বয়সৰ ল'ৰাৰ বাবে আৰু সীমিত অভিজ্ঞতাৰে পুষ্ট মোৰ মানসিকতাৰ বাবে সেয়া প্ৰায় দুঃসাধ্যই আছিল। দুঃসাধ্য নহয়, দুঃসাহসেই আছিল।

কিন্তু মই দৃঢ়প্ৰতিজ্ঞ হ'লো। এদিন মই তেনেদৰে চহৰৰ মাজেৰে খোজকঢ়া পাগলা চাহাবক অনুসৰণ কৰিলো। নিৰাপদ দূৰত্ব ৰাখি সেই অনুসৰণত কিছু নোপোৱা আমেজো পালো। কিন্তু কিয় জানো মোৰ ভাব হৈছিল যে ইয়াৰ ফলাফল নিশ্চয় কিবা ওলাবই। ওলালো।

পাগলা চাহাবৰ আচল নাম লুকুৱাই মই ছদ্মনাম দিছিলো 'বাৰ্কলে চাহাব'। চামেলি মেমচা'ব লিখাৰ পাছত সেই নামেৰেই তেওঁ বিখ্যাত হৈ পৰিছিল। বোধহয় আচল নাম তেওঁৰ সকলোৱে পাহৰি গৈছিল। বাৰ্কলে চাহাব বুলিয়ে মাতিছিল।

দেখনিয়াৰ, বৰ সুশ্ৰী আছিল বাৰ্কলে চাহাব। ধেনুভিৰীয়া নাকেৰে, সুউজ্জ্বল চকুৰে, 'ফ্লেট হেট' পৰিহিত বাৰ্কলে চাহাবক মুখত পাইপ লৈ কোনো হলিউডৰ ছবিৰ নায়ক যেনেই লাগিছিল। অসমীয়া চামেলি মেমচা'ব ছবিখনত এই ভাৱত অভিনয় কৰিছিল একেবাৰে নবাগত এজন এংলোইণ্ডিয়ান শিল্পী জৰ্জ বেকাৰে। অকল অসমীয়া ছবিখনতে নহয়, সেই ছবিৰ বঙালী ৰূপান্তৰতো তেৱেঁই আছিল। তেতিয়াৰ বঙালী ছবিৰ জনপ্ৰিয় নায়ক উত্তম কুমাৰক সেই ভাও লোৱাৰ ক্ষেত্ৰত এক তুমুল কাণ্ড হৈছিল প্ৰযোজক-পৰিচালক আৰু মোৰ মাজত। কিন্তু অৱশেষত জৰ্জ বেকাৰেই জয়ী হৈছিল। উল্লেখ কৰা ভাল হ'ব যে হিন্দীখনত এই ভাওত অভিনয় কৰে সুখ্যাত শিল্পী টম অলটাৰে। বঙালীখনত চামেলিৰ ভাওত অভিনয় কৰিছিল হিন্দী ছবিৰ বিখ্যাত ৰাখী গুলজাৰে আৰু হিন্দীখনত নাম ভূমিকাত অভিনয় কৰিছিল আভা ঢুলীয়াই। হিন্দীখনত জনপ্ৰিয় অভিনেতা মিঠুন চক্ৰৱৰ্তীও আছিল। এই তিনিওখন ছবিৰ সংগীত পৰিচালনা আছিল ড° ভূপেন হাজৰিকাৰ, যিটো ছবিৰ ইতিহাসত এক স্মৰণীয় ঘটনা।

হ'ব, বাৰ্কলে চাহাবক ক'ত এৰিলো? পাইপ হুপি হুপি আপোনমনে খোজকঢ়া

বাৰ্কলে চাহাবক এদিন মই অনুসৰণ কৰা বুলি আগতে কৈছো। মোৰ হাতত এখন চাইকেল আছে। স্বাভাৱিকতে চাইকেলখন লৈ মই অসুবিধাত পৰিছিলো। কোনো এঠাইত বাগিচাত কেটল খ্ৰীজ এখন পায়। মই কিছু থমকি ৰওঁতেই বাৰ্কলে চাহাবে উভতি চালে। সেয়ে প্ৰথম মোলৈ চালে। সামান্য হাঁহি ক'লে, 'কাম মাই বয়'। মই গৈছিলো। বাৰ্কলে চাহাব আগবাঢ়িছিল। চৌদিশে কেৱল বাগিচা। সেউজ বঙৰ দলিচা। ওখ ওখ শিৰীষ গছ। নাম নজনা চৰাইৰ কিৰিলিনি। নিৰ্জন সেই নিমাত নিতাল পৰিবেশত মোৰ চাইকেলখনৰ টুংটাং শব্দৰ বাহিৰে আন একো শব্দ নাছিল। বহু আঁতৰৰপৰাই ভাহি আহিছিল কলঘৰৰ মেচিনৰ শব্দ।

কেটলব্ৰীজ পাৰ হৈ গৈ কিছু আঁতৰত চকুত পৰিছিল বঙচুৱা টিনপাতৰ সেই চাংবঙলাটো। সকলো মানুহৰ বাবে ৰহস্যৰে ঘেৰা ডুমডুমাৰ চিনাকি চৰিত্ৰ পাগলা চাহাবৰ বঙলা।

বাৰ্কলে চাহাবে এবাৰ পিছলৈ ঘূৰি চাই কিছু থমকি ৰ'ল। স্বাভাৱিকতে ময়ো কিছু থমকি ৰ'বলগীয়া হৈছিল। তেওঁ আকৌ আগবাঢ়িছিল। চাংবঙলাৰ চিৰি বগাই বাৰ্কলে চাহাব উঠিছিল।

ইফালে-সিফালে চাইছিল। চকুত কিছু বিস্ময় ভাব। মানুহজনে যেন ঠিক কি কৰিব, সেইটো স্থিৰ কৰিব পৰা নাছিল।

এটা সময়ত তেওঁ পৰ্দা ঠেলি ভিতৰলৈ সোমাই গৈছিল। মই বাহিৰৰ পাৰ্কতে বৈছিলো। ময়ো যেন অলপ অসহায় হৈ পৰিছিলো। বাৰাণ্ডাৰ ৰেলিঙত ভেজা দি বৈ থাকোঁতে থুং-থাং চুৰীৰ শব্দ মোৰ কাণত পৰিল। কাৰ শব্দ হ'ব পাৰে মই ভাবি পোৱা নাছিলো। মই পৰ্দাৰ ফাঁকেৰে ভিতৰলৈ চাবলৈ যত্ন কৰিছিলো। একো চকুত নপৰিল। ভিতৰত কিন্তু একে ধৰণেই চুৰীৰ থুং-থাং শব্দ মোৰ কাণত পৰিল। মই নিশ্চিত হ'লো যে সেই চুৰীৰ শব্দ 'আয়া'ৰ আছিল।

আয়া বাহিৰলৈ ওলাই আহিছিল। মোক বহিবলৈ কৈছিল। অবাক হৈ মই বহিছিলো। টেবুলত কেইদিনমান আগৰ ইংৰাজী বাতৰিকাকত এখন। এটা বহল এছট্ৰে। আয়া আকৌ সোমাই আহিছিল। মোলৈ চাই সুধিছিল, চাহ নে কফি?

সোমাই আহিছিল বাৰ্কলে চাহাব। সুধিছিল 'ড্ৰিংকছ'? মই মূৰ জোকাৰি দিলো।

বাৰ্কলে চাহাবে আকৌ সুধিছিল 'বীয়েৰ'? এইবাৰো মূৰ জোকাৰিছিলো। বাৰ্কলে চাহাব হনহনাই ভিতৰলৈ সোমাই গৈছিল। জোতাৰ মৃদু শব্দ মোৰ কাণত পৰিছিল। আকৌ বাৰ্কলে চাহাব ওলাই আহিছিল। মোক মাতিছিল, 'কাম, মাই

বয়।' মই ঠিক ধৰিব পৰা নাছিলো। অমান্য কৰাৰ প্ৰশ্নই নুঠে। বাৰ্কলে চাহাবক মই অনুসৰণ কৰিছিলো। দুখনমান পৰ্দা থকা দুৱাৰ পাৰ হৈ এটা আহল-বহল কোঠালিত প্ৰৱেশ কৰিছিলো।

বুজিছিলো, সেইটো বেডৰুম। কিন্তু কাৰ? চকুত পৰিছিল এখন সুন্দৰকৈ, পৰিপাটীকৈ পাৰি থোৱা বিছনাত লেতুসেতু খাই শুই থকা এটা কেঁচুৱা। বয়স কিমান মই অনুমান কৰিব পৰা নাছিলো।

নিৰ্বাক চাৱনিৰে কেঁচুৱাটো বিছনাত পৰি আছিল। মুখত অস্ফুট এক শব্দ। যেন কিবা ক'বলৈ যত্ন কৰিছিল। কিন্তু ক'ব পৰা নাই। মই বিছনাৰ ওচৰ চাপিছিলো।

কেঁচুৱাটোলৈ মই অবাক হৈ চাইছিলো। কোন সেয়া? চকুত মোৰ হেজাৰ প্ৰশ্নবোধক চাৱনি।

বাৰ্কলে চাহাবে ক'লে 'হেভ ইউ চীন হাব'? মোৰ প্ৰশ্নৰ উত্তৰলৈ বাট নাচালে। সামান্য হাঁহিলে। এইবাৰ ক'লে। 'আই এম বেইটিং ফৰ হাব ডেথ'।

এইবাৰ মোৰ অবাক হোৱাৰ পাল। 'ডেথ'? কাৰ ডেথ? কেঁচুৱাটিৰ? মই ভাবিলো, সেইটো বাৰ্কলে চাহাবৰ সন্তান। তাৰ মানে?

তাৰমানে নিজৰ সন্তানৰ মৃত্যুৰ বাবে অপেক্ষা কৰিছে বাৰ্কলে চাহাবে?

সমগ্ৰ ডুমডুমা অঞ্চলত একেলগে পাগলা চাহাব নামে জনাজাত বাৰ্কলে চাহাবৰ ৰহস্যৰ সাঁচাৰকাঠী যেন এইবাৰহে মোৰ চকুৰ আগত খোল খালে।

ৰঙা টিনপাতেৰে আবৰা বাগিচাৰ সেই চাংবঙলাৰ পাগলা চাহাবৰ অকথিত কাহিনীৰ যেন মই সম্ভেদ পালো।

কিন্তু কিয়? কিহৰ বাবে?

এই কথাও বাৰ্কলে চাহাবে মোক কৈছিল।

কৈছিল যে, তেওঁৰ মেমচাহাবৰ সেই সন্তানে কোনোদিনে কেতিয়াও সুস্থ জীৱন যাপন কৰিব নোৱাৰিব। জন্মতে বিকলাংগ সেই কেঁচুৱাৰ মৃত্যুৰ অপেক্ষাত দিনৰ পাছত দিন কটাইছে বাৰ্কলে চাহাবে।

আৰু তেতিয়া মোক নিজে কৈছিল কেনেদৰে এই অন্তহীন অপেক্ষাৰ বাবে নানাজনৰপৰা নানান বদনাম শুনিবলগীয়া হৈছে। যাৰ কৈফিয়ৎ তেওঁৰ ওচৰত কোনো দিনে নাই।

অশেষ যন্ত্ৰণা আৰু কষ্টৰ মাজেদি দিনবোৰ তেওঁ অতিবাহিত কৰিবলগীয়া হৈছিল।

বাৰ্কলে চাহাবৰ ঘটনাই মোক হয়তো অভিভূত কৰিছিল। মোৰ অনুভূতিৰ কোনোবা এডাল তাঁৰত হয়তো আঘাত কৰিছিল। কিন্তু আটাইতকৈ যিটো কথাই মোৰ মনোজগতত তোলপাৰ লগাইছিল, সেইটো হৈছে, এক পিতৃয়ে তেওঁৰ সন্তানৰ মৃত্যুৰ অপেক্ষাত দিনৰ পাছত দিন কেনেদৰে অতিবাহিত কৰিব পাৰে?

আৰু বোধহয় চামেলি মেমচা'ব সৃষ্টিৰ আঁৰত সুপ্ত হৈ অনুভূতিয়ে যি ক্ৰিয়া কৰিছিল সেইটো এইটোৱে আছিল, মোৰ দৃষ্টিভংগীত চামেলি মেমচা'ব কেনে আছিল বা কোন আছিল, সেইটো খুব ডাঙৰ কথা নাছিল। ডাঙৰ কথা আছিল নিজৰ সন্তানৰ মৃত্যুৰ অপেক্ষাত বৈ থকা এজন পিতৃৰ মৰ্মবেদনা। আৰু সেই দৃষ্টিভংগীৰেই বোধহয় চামেলি মেমচা'ব কাহিনী মই ফঁহিয়াইছিলো। চামেলিৰ দুৰ্ভাগ্যবশতঃ কুষ্ঠৰোগ হৈছিল। তেতিয়া সেই ৰোগৰ নিৰাময়ৰ চিকিৎসাও ওলোৱা নাছিল। কিহৰ বাবে, কিয় চামেলিৰ সন্তান বিকলাংগ হ'ল, সেইটো মোৰ বাবে ডাঙৰ কথা নাছিল, ডাঙৰ কথা আছিল, কোনো পিতৃৰ সন্তানৰ মৃত্যুৰ বাবে বৈ থকা সেই অন্তহীন অপেক্ষা। চামেলি মেমচা'বৰ তাৎপৰ্যও সেইখিনিতে। ডুমডুমাৰ পটভূমিত এনেদৰে এই কাহিনী মই সৃষ্টি কৰিছিলো। জীৱন্ত এই সঁচা কাহিনীয়ে এসময়ত নিশ্চয় তোলপাৰ লগাইছিল। বাৰ্কলে চাহাবৰ এই ঘটনাৰ পাছত মই তেওঁক কেতিয়াও দেখা নাছিলো। বহু দিনৰ পাছত ডুমডুমাৰ চাহ উদ্যোগৰ জনপ্ৰিয় নাম পিটাৰ জেমছে মোক কৈছিল যে লণ্ডনত বাৰ্কলে চাহাবৰ মৃত্যু হৈছে। পিটাৰ জেমছে চামদাং ক্লাবত গ'ল্‌ফ খেলি থাকোতে এই কথা মোক কৈছিল। জেমছে গম পাইছিল যে বাৰ্কলে চাহাবৰ সম্পৰ্কত মই এটি কাহিনী লিখিছো। গতিকে তেওঁ মোক মাতি নি সেই দুখৰ খবৰটো জনাইছিল।

মই নাজানো, তাৰ পাছতবা বাৰ্কলে চাহাবৰ কি হ'ল? নাজানো, চামেলি মেমচা'বৰ বা কি হ'ল। নাজানো পিটাৰ জেমছৰ বা কি হ'ল।

কিন্তু মোৰ মানসপটত চিৰসেউজ হৈ থাকিল এগৰাকী নাৰী, যাৰ নাম চামেলি মেমচাব।

আগতেই কৈছো, ডুমডুমা এখন সৰু চহৰ। এঘণ্টাতে পাক মাৰি ঘূৰি শেষ কৰিব পৰা তাৰ চাৰিসীমা। মাজেদি বৈ গৈছে অতি সৰু এখন নৈ, নাম ডুমডুমা নৈ। বাৰিষাকালত কিছু পানীৰে হয়তো ভৰপূৰ হয়। কিন্তু খৰালি কালত নৈখন কেৱল বালিৰ স্তূপ। এখন অতি সাধাৰণ দলং সেই নৈৰ ওপৰেদি আছে। সিফালে সেই ঠাইখিনি আছে, তাৰ নামকৰণ কৰা হৈছে দলংঘাট। দলংঘাট ডুমডুমা চহৰৰ এটি জনপ্ৰিয় অঞ্চল। সেইফালেদিয়ে পাৰ হৈ পোৱা হয় বিখ্যাত সেই চুকৰেটিং এয়াৰ

ফিল্ড। এই বিমানকোঠখন দ্বিতীয় মহাসমৰৰ সময়ত সাজি উলিওৱা হৈছিল। দ্বিতীয় মহাসমৰৰ সময়ত সেই ঠাইখিনিয়ে খদমদমাই আছিল। বিখ্যাত কথা-সাহিত্যিক যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাসৰ পটভূমি আছিল সেইটো অঞ্চল। বোধহয় দ্বিতীয় মহাসমৰৰ সম্পৰ্কত অসমীয়া ভাষাত দ্বিতীয় এখন উপন্যাস লিখা হোৱা নাছিল বা আজিও নাই।

মই এবাৰ যোগেশদাক এই বিষয়ে সুধিছিলো, তেওঁ পুনৰবাৰ সেই বিষয়ে লিখাৰ অক্ষমতা প্ৰকাশ কৰে। কিহৰ বাবে মই নেজানিলো। কিন্তু মোৰ ধাৰণা যে সেই মহাসমৰৰপৰা পোৱা বা প্ৰত্যক্ষ কৰা কোনোবা এজনে লিখাৰ প্ৰচুৰ সমল হয়তো আছে। দ্বিতীয় মহাসমৰ যেতিয়া হৈছিল বা ডুমডুমা অঞ্চলক কেন্দ্ৰ কৰি মহাসমৰৰ লেলিহান শিখা চৌদিশে যেতিয়া বিয়পি পৰিছিল, তেতিয়া আমি নিচেই সৰু। কেৱল মনত আছে আমেৰিকান সৈনিক তথা আমেৰিকান নিগ্ৰো সৈন্যৰ দপদপনি, মিলিটেৰি ট্ৰাকত তেওঁলোকৰ দল বান্ধি আহ-যাহ। চুইংগামৰ আশাত গুলঞ্চ ফুলৰ তলত বৈ থকা আমিবোৰ, মিলিটেৰি সৈন্যৰ অশ্ৰাব্য চিঞৰ-বাখৰ, দীঘলীয়া সুছৰি, আৰু সিহঁতে আমাক জোকাই চকু টিপিওৱা দৃশ্যবোৰ। ছোৱালী দেখিলে তাঁহাতৰ চিঞৰ পঞ্চমত পায়গৈ। তাৰ মাজত সুন্দৰ ব্যৱহাৰৰ দুই-এক মিলিটেৰিও দেখা গৈছিল।

আৰু মনত আছে আত্মৰক্ষাৰ বাবে তেতিয়া সাজি উলিওৱা ইংৰাজী জেদ টাইপৰ ট্ৰেন্সবোৰ। ছাইৰেণ বাজিলেই আমি দৌৰ মাৰি সেই ট্ৰেন্সবোৰত সোমাইছিলো। অকল আমিয়েই নহয়, সকলোৱে। ঠিক আমাৰ ঘৰৰ পিছফালে ডুমডুমাৰ খেলপথাৰখন। যুদ্ধৰ সময়ত সেই খেলপথাৰত বহুওৱা হৈছিল বিৰাট বিৰাট এণ্টি এয়াৰক্ৰাফট গান। সেই এণ্টি এয়াৰক্ৰাফট গানৰ শব্দ আছিল ভয়ংকৰ। যেতিয়া ফুটাইছিল তেতিয়া সমগ্ৰ অঞ্চলেই ভীষণভাৱে কঁপি উঠিছিল। আমি তেতিয়া ভয়াৰ্ত হৈ ট্ৰেন্সত সোমাই নিজকে বচাবলৈ চেষ্টা কৰিছিলো, বোধহয় কাণত গুজি লৈছিলো ফাষ্ট এইড বক্সত থকা কপাহ। যুদ্ধ চলি থকা সময়ত এইটো এটা পৰিচিত নিয়ম আছিল।

ডুমডুমাৰ সমগ্ৰ অঞ্চলতেই মহাসমৰৰ প্ৰভাৱ বাৰুকৈয়ে প্ৰভাৱান্বিত হৈছিল। মহাসমৰৰ সময়ত বহু ভিকহু বিভিন্ন কাম-কাজৰদ্বাৰা ৰজা হোৱাৰ উদাহৰণ আছে। যুদ্ধৰ দিনৰ মিলিটেৰি ঠিকা আৰু বিভিন্ন অৰ্ডাৰ ছাপ্লাই কাম আছিল বৰ লাভজনক। আমাৰ চকুৰ আগতে আমি দেখিছিলো, বহু সাধাৰণ ঠিকা আদি কাম কৰা মানুহো যুদ্ধৰ কৃপাত লাখপতি হোৱা। নাম উল্লেখ নকৰাকৈ সেই বিষয়ে ক'ব পৰা যায় যে

তেওঁলোকে খুউব সৎ উপায়েৰে যে অৰ্থ উপাৰ্জ্জন কৰিছিল সেইটো নহয়। কিন্তু অতি সহজে অহা ধন তেওঁলোকে দুহাতেৰে আলফুলে বুটলিছিল। ডুমডুমা অঞ্চলত এনে বহু ব্যক্তি আছে, যিসকলক এনে নামেৰে সহজে নামাঙ্কিত কৰিব পৰা যায়।

ব্যৱসায়-বাণিজ্য, স্বাভাৱিক জীৱনধাৰা, এই সকলোবোৰতে যুদ্ধৰ এক ভয়ংকৰ প্ৰভাৱ পৰিছিল। সহজে অহা অৰ্থ এই সময়ৰ সকলো কাম-কাজৰ মূলমন্ত্ৰ আছিল। চকুত পৰিছিল পোনপ্ৰথমবাৰৰ বাবে সেই ভয়াল ভয়াল দহচকীয়া ট্ৰাকবোৰ। অতি সাধাৰণ অৱস্থাৰপৰা হঠাতে ধনী হোৱা লোকৰ অভাৱ একেবাৰে নাছিল। সমগ্ৰ ডুমডুমা অঞ্চলতে যুদ্ধই ধনী কৰোৱা বহু ব্যক্তিৰ উদাহৰণ আছে। সেইসকল ব্যক্তি এতিয়া হয়তো সামাজিকভাৱে সুপ্ৰতিষ্ঠিত, কিন্তু তেওঁলোকৰ এক অতীত আছে। সেই অতীতৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। আগতে উল্লেখ কৰা স্বনামধন্য ব্যৱসায়ী স্বৰ্গীয় হৰিহৰ চৌধুৰী যুদ্ধৰ সময়তে প্ৰতিষ্ঠা লাভ কৰা এজন সন্মানীয় ঠিকাদাৰ হিচাপে পৰিচিত আছিল। এই কথা ঠিক যে প্ৰভাৱশীল ব্যক্তিত্বৰ স্বৰ্গীয় চৌধুৰীয়ে আপোন সাম্ৰাজ্য যেনেদৰে গঢ়ি তুলিছিল, ঠিক তেনেদৰে তেওঁৰ অধীনত কাম কৰা বিভিন্ন ব্যক্তিক ব্যৱসায়ৰ যোগেদি আত্মপ্ৰকাশৰ সুবিধা দি নিজস্ব ব্যক্তিত্বৰ মহিমা প্ৰকাশ কৰি গৈছে।

যুদ্ধই পৰশি যোৱা ডুমডুমা চহৰৰ সেয়েহে এক পাহৰিব নোৱৰা ঐতিহ্য আছে।

এই ডুমডুমাৰে কিছু চকুত পৰা ব্যক্তিৰ মই থূলমূলকৈ ৰেখাচিত্ৰ এটি আগতে তুলি ধৰিছো আৰু বহু ব্যক্তি আছে যাৰ ডুমডুমা চহৰৰ স'তে এৰাব নোৱৰা সম্পৰ্ক আছে। তেওঁলোক হয়তো স্বকীয় কৰ্মপদ্ধতিৰে সুকীয়াভাৱে সুপ্ৰতিষ্ঠিত, কিন্তু চহৰ ডুমডুমাৰ স'তে তেওঁলোকৰ সম্পৰ্ক আছিল অতি নিবিড়।

ডুমডুমাৰ তেনে এজন ব্যক্তি হ'ল ৰামবচন সিং। চমুকৈ আৰ. বি. সিং নামে জনাজাত। ব্যৱসায়ত আছিল ঠিকাদাৰ। এওঁকো মহাসমৰৰ জুয়ে বাৰুকৈয়ে ছুই গৈছিল। ডুমডুমা নগৰ কমিটিৰ এটা সময়ত তেওঁ ভাইচ চেয়াৰমেন আছিল।

বিহাৰী মানুহ, কিন্তু সলসলীয়াকৈ অসমীয়া ক'ব পাৰিছিল। পিন্ধনত আছিল লংপেন্ট আৰু এটা জেকেট। বৰ দেখনিয়াৰ একোছা প্ৰকাণ্ড গোঁফ আছিল। ডুমডুমাৰ হিন্দী হাইস্কুল আদি প্ৰতিষ্ঠাত তেওঁৰ অৰিহণা যথেষ্ট। পিছলৈ এটা চিনেমাৰ প্ৰেক্ষাগৃহ নিৰ্মাণ কৰিছিল। নাম আছিল 'অনন্ত'। বোধহয় সেই ছবিঘৰ এতিয়াও ডুমডুমাত বিদ্যমান।

ডুমডুমাৰ স'তে ওতপ্ৰোতভাৱে জড়িত আন এজন ব্যক্তি আছিল তৰিৎ বাবু।

উপাধি কি মই পাহৰিলো। বঙালী মানুহ। কিন্তু হাড়ে-হিমজুৱে অসমীয়া হৈ গৈছে। ডুমডুমাৰ বিখ্যাত 'ডুমডুমা ষ্টোৰ্ছ'ৰ স্বত্বাধিকাৰী তেওঁৱেই আছিল। ডুমডুমাৰ আশে-পাশে থকা বিভিন্ন বাগিচাৰ ইউৰোপিয়ান চাহাববোৰৰ সেই দোকান বৰ প্ৰিয় আছিল। যদিও আগতে উল্লেখ কৰা তেওঁলোকৰ বিভাগীয় দোকানখন 'প্ৰেণ্টাৰ্ছ ষ্টোৰ্ছ' আছিল। এই ডুমডুমা ষ্টোৰ্ছত খেলা ধূলাৰ বয়-বস্তুৰপৰা বিভিন্ন দৰৱ, সেই সময়ত ভাৰতৰ বিখ্যাত দৈনিক বাতৰিকাকতসমূহ, বিভিন্ন আলোচনী আদি পোৱা গৈছিল।

অসমৰ বাতৰিকাকত প্ৰচাৰ আৰু পৰিবেশন কৰাত ডুমডুমা ষ্টোৰ্ছে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

আৰু এজন ব্যক্তি আছিল ভগ দত্ত। মটৰ পাৰ্টছৰ দোকান আছিল তেওঁৰ। ব্যৱহাৰত বৰ নম্ৰ আৰু অমায়িক মানুহ আছিল। অত্যন্ত পৰিপাটী আৰু নিয়মত চলা মানুহ আছিল। ভগ দত্তৰ ল'ৰা কানাই বৰ ভাল ফুটবল খেলুৱৈ আছিল। আগতে উল্লেখ কৰা ফ্ৰেণ্ডছ ইউনিয়ন ক্লাবৰ তেওঁ নিয়মীয়া খেলুৱৈ আছিল। উক্ত ক্লাবৰে প্ৰতিষ্ঠাতা, ডুমডুমাৰ বিখ্যাত খ্যাতনামা ফুটবল খেলুৱৈ এম. ৰহমান, যাক আমি সৰু কাইটি বুলি মাতিছিলো, তেওঁৰ বৰ ভাল বন্ধু আছিল। মোৰ চকুত ডুমডুমাৰ এনে বহুত মানুহ জিলিকি আছে, যিসকলৰ ডুমডুমাৰ কোনো নহয় কোনো এটি ক্ষেত্ৰত অৱদান আছে। পাহৰিব নোৱাৰি ডুমডুমাৰ বিখ্যাত ফটো ষ্টুডিঅ', যাৰ নাম আছিল 'বীণা ষ্টুডিঅ'। স্বত্বাধিকাৰী নিবাৰণ শ্বাহৰ কথা। ডুমডুমাৰ বঙালী নাটকৰ অভিনয় আৰু প্ৰসাৰৰ ক্ষেত্ৰত তেওঁ আগভাগ লৈছিল। ডুমডুমাৰ অসমীয়া নাট্যমন্দিৰৰ কথা আগতে কোৱা হৈছে। কিন্তু বঙালী নাট অভিনয়ৰ বাবে তেওঁলোকৰ কোনো স্থায়ী মঞ্চ নাছিল। তেওঁলোকে নিয়মিতভাৱে চলি থকা অৰোৰা ছবিঘৰতে তেওঁলোকৰ অভিনয় মঞ্চ সজাই লৈছিল। উল্লেখযোগ্য কথা যে অসমীয়া নাট্য মন্দিৰত কেৱল বুৰঞ্জীমূলক আৰু পৌৰাণিক নাটৰ অভিনয়েহে খদমদমাই আছিল। যাৰ বিষয়ে নটসূৰ্য ফণী শৰ্মাই তেওঁৰ ৰং-বিৰং নামৰ গ্ৰন্থত ডুমডুমাৰ নাট্যমন্দিৰ তথা নাট অভিনয়ৰ প্ৰতি থকা উৎসাহ-উদ্দীপনাৰ কথা সুন্দৰভাৱে বৰ্ণনা কৰি গৈছে। উল্লেখ কৰিব পাৰি যে নটসূৰ্য ফণী শৰ্মাক কোনো সময়ত ডুমডুমা নাট্যমন্দিৰলৈ আমন্ত্ৰণ কৰি আনি নাট পৰিবেশন কৰাৰ দায়িত্বও দিয়া হৈছিল। সেইটো আছিল ডুমডুমাৰ তেতিয়াৰ নাটবলিয়া ৰাইজৰ বিচক্ষণতাৰ ফলশ্ৰুতি। বঙালী নাট্য সমাজৰদ্বাৰা সমসাময়িক কিছু সমস্যা থকা নাট মঞ্চস্থ কৰা হৈছিল। আৰু উপস্থাপনৰ ক্ষেত্ৰতো তেওঁলোকে কিছু নতুনত্বৰ ইংগিত দিবলৈ সক্ষম হৈছিল।

এই বিষয়ে নটসূৰ্যই এনেদৰে লিখি গৈছে : ডুমডুমা ষ্টেজে তেতিয়া নতুন ৰূপ লৈছে। ডিব্ৰুগড়ৰ সুবিখ্যাত শিল্পী স্বৰ্গীয় মুক্তা বৰদলৈয়ে নতুনকৈ দৃশ্যপট, ছিন আদি আঁকি ৰমক্-জমক কৰিছিল। মই গৈ পোৱাত উখল-মাখল লাগিল। পিছদিনাই ডাঙৰ মিটিং বহিল। মিটিঙৰ এমাহৰ ভিতৰত এখন নাটক মঞ্চস্থ কৰাৰ স্থিৰ হ'ল। দুৰ্গাপূজাত হাজাৰৰ ওপৰত টকা পূজা কমিটিয়ে খৰচ কৰি যাত্ৰা, নাচ, গান আদি অন্য ঠাইৰপৰা আনে। সেই বছৰ পূজাত স্থানীয় অভিনেতাসকলক লৈয়ে অভিনয় কৰাৰ থিৰাং হ'ল। নাটক বছাৰ, অভিনেতাসকলক পাকৈত কৰি তোলাৰ ভাৰ কমিটিয়ে মোক দিলে।

পুৱাই কামজাৰিলৈ যাব লাগে দেখি নমান বজাত তেখেতসকলৰ খাবৰ সময় হোৱাত দোকান-পোহাৰ বন্ধ কৰি কাৰবাৰী বেপাৰীসকল আহে। দ্বিতীয়চাম আহিলেই পাণ-চিগাৰেট-চাহ-মিঠাই আহে। এঘাৰমান বজাৰ পাছত আৰু কি যে আহে। আজি বোলে অমুক বাগিচাত মণিপুৰী নাচ...., কালি বোলে তমুক বাগিচাত কলিকতীয়া বাঈজী নাচ। .... কত যে আকাৰৰ খানা-পিনা গানা-বাজনা (অসমীয়া বোলছবিৰ ইতিহাস, নিঁ. চৌ. পৃষ্ঠা, ৫৭)।

সন্দেহ নাই যে সেইবোৰ নিশ্চয় তেতিয়াই কলিকতাত চাই অহা মঞ্চনাটৰ উপস্থাপন কৌশলৰ পোনপটীয়া প্ৰভাৱ আছিল। উল্লেখ কৰা স্বৰ্গীয় নিবাৰণ গুহ কিন্তু এই নাট নিবেদনৰ প্ৰধান গুৰি ধৰোতা আছিল। নিবাৰণ গুহৰ ল'ৰা, যাক আমি মান্নাদা বুলি মাতিছিলো, এসময়ত ডুমডুমাৰ বিখ্যাত প্ৰেণ্টাৰ্ছ ষ্টোৰ্ছখনৰ স্বত্বাধিকাৰীও হৈছিল। পৰিচিত আছিল সমগ্ৰ ডুমডুমাতে মদিন খা, চুলেমান খা, আব্দুল ছামেদ। এই ছামেদৰ লগতে গুৱাহাটীলৈ পঢ়িবলৈ বুলি মই প্ৰথম আহিছিলো। আব্দুল ছামেদৰ ল'ৰা আব্দুল তেতিয়াৰ ডুমডুমাৰ মধ্য ইংৰাজী স্কুলত পঢ়োতে মোৰ সহপাঠী আছিল। সদায় লুঙি পৰিহিত মদিন খাৰ দেখনিয়াৰ চেহেৰা সমগ্ৰ ডুমডুমা চহৰতে বিৰাজমান। ঠিক তেনেদৰে চুলেমান খানৰো নাম ডুমডুমাত খুবেই পৰিচিত।

ডুমডুমা অঞ্চল বহু মাৰোৱাৰী ব্যৱসায়ীৰ কৰ্মভূমি। ডুমডুমাত এনে বহু মাৰোৱাৰী লোকৰ গোলা আছিল, যিবোৰৰ নাম ডুমডুমাবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে।

যেনেদৰে পাহৰিব নোৱাৰে আসাৰাম শিউ' ভগৱানৰ কথা। তেওঁৰ দেখনিয়াৰ গোলা এতিয়াও ডুমডুমা চহৰত বিদ্যমান। বহু বছৰ আগতে সজা জাকজমকতা এতিয়াও চিৰ নতুন। আসাৰাম শিউ ভগৱানৰ গোলা বাগিচাৰ বেংকাৰ হিচাপে পৰিচিত আছিল। মই যেতিয়াৰ কথা কৈছো, তেতিয়া ডুমডুমাত বেংকব্যৱস্থা নাছিল।

ওচৰ-পাঁজৰৰ বিভিন্ন চাহবাগিচাৰ বিভিন্ন বেংক হিচাপে এই গোলাই কাম কৰিছিল। তাৰ বাহিৰেও অন্যান্য ব্যৱসায়েৰেও তেওঁলোক পৰিপুষ্ট আছিল।

এই আসাৰাম শিউ ভগৱানৰ ল'ৰা সত্যনাৰায়ণ বুধিয়া সমগ্ৰ ডুমডুমাতে পৰিচিত 'চেতিয়া' নামেৰে। অতি নম্ৰ, পৰোপকাৰী আৰু বিনয়ী চেতিয়াৰ গুণ নোগোৱা মানুহ খুব কমেই আছে। অসমীয়া সমাজৰ প্ৰতি তেওঁলোকৰ পিতৃৰ যি অৰিহণা সেইটোৰ ধাৰাবাহিকতা ৰাখিবলৈ যত্ন কৰিছিল চেতিয়াই। জীৱনত আনন্দ কৰিছে বহুতো। কিন্তু ক'তো ভাৰসাম্য হেৰুৱা নাছিল। য'লৈকে গৈছিল তাতে নিজকে ডুমডুমাৰ বুলি গৌৰৱ কৰিছিল। এবাৰ কলিকতাৰ বিখ্যাত 'ৰিটছ কণ্টিনেণ্টেল' হোটেলত চেতিয়া থকা বুলি গম পাই মই খবৰ কৰিবলৈ গৈছিলো। ৰিচেপচনিষ্টে টপৰাই সুধিছিল, ডুমডুমাৰ নেকি? মই মূৰ জোকাৰিছিলো।

আসাৰাম শিউ ভগৱানৰ গোলাৰ সম্মুখত প্ৰায় দুশ/ তিনিশ পাৰৰ জাকৰ গোটখোৱা দৃশ্য মই কেতিয়াও পাহৰিব নোৱাৰো। আজিও কোনোবা ডুমডুমালৈ গ'লে সেই দৃশ্য উপভোগ কৰিব পাৰিব। মন কৰিবলগীয়া কথা এয়ে যে সেই আটাইবোৰ পাৰই পোহনীয়া। তেনেদৰেই আছিল চিতাৰাম গোলা। আছিল হুনলালৰ গোলা। এই হুনলালে ডুমডুমা হাইস্কুলখন সজাই দিছিল। যাৰ নাম হুনলাল হাইস্কুল। হাইস্কুলৰ অভাৱত বহুবছৰ পিছপৰি থকা ডুমডুমাৰ এই স্কুল স্থাপনে বহুদিনীয়া অভাব এটি পূৰণ কৰিছিল।

মন কৰিবলগীয়া কথা যে ডুমডুমাত বসবাস কৰা এইসকল মাৰোৱাৰী ব্যৱসায়ী কিন্তু কোনোদিনে ৰাজস্থানক তেওঁলোকৰ নিজৰ ঘৰ বুলি ভবা নাছিল। ডুমডুমাই আছিল তেওঁলোকৰ ধ্যান-ধাৰণাৰ লক্ষ্য। সেয়েহে এইচাম ব্যৱসায়ী লোকৰ অৰিহণা ডুমডুমাই কেতিয়াও পাহৰিব নোৱাৰে আৰু এই কথাটো বোধহয় ডুমডুমাৰ ক্ষেত্ৰতে সম্ভৱ হৈছে।

উল্লিখিত ডুমডুমা হুনলাল হাইস্কুলৰ শিক্ষকৰ ধাৰাবাহিকতাও এটি লক্ষ্য কৰিবলগীয়া বিষয় আছিল। কাৰণ, সেই স্কুলত যিবোৰে শিক্ষক হিচাপে নিযুক্তি পাইছিল, সেইসকলেও ডুমডুমাৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক জীৱনত কিছু নিজস্ব অৱদান ৰাখি থৈ গৈছিল। অন্ততঃ কেইজনমান শিক্ষকৰ নাম নল'লে ডুমডুমাৰ ইতিহাসেই অসম্পূৰ্ণ হৈ ৰ'ব। তাৰ ভিতৰত কেইজনমান হ'ল স্বৰ্গীয় সঞ্জীৱ চন্দ্ৰ বৰুৱা, মানিক চন্দ্ৰ বৰ্মন, ভৈৰৱ চন্দ্ৰ বৰা আৰু বোধহয় কুমুদ চন্দ্ৰ মহন্ত। উল্লেখিত প্ৰথমজন আছিল ডুমডুমা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক। কিন্তু তেওঁৰ অধীনত পঢ়া ল'ৰা-ছোৱালীচামৰ বাবে তেওঁ আছিল অতি ভয়ংকৰ শিক্ষক।

তেওঁৰ অধীনত ময়ো পঢ়িছিলো। শিক্ষক হিচাপে তুলনাবিহীন।

মোক লৈ হয়তো দেউতাই দেখিছিল হেজাৰ স্বপ্ন। আৰু সেই সপোন দেখিয়ে তেওঁ হয়তো মোক উপযুক্তকৈ গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল নিজৰ সীমিত জ্ঞান আৰু উপলব্ধি থকা সত্ত্বেও। কিন্তু তেওঁৰ সেই সপোন সফল নহ'ল। তেওঁ এদিন দোকানৰ সাধাৰণ গাদীত বহি মোক প্ৰশ্ন কৰিছিল, মোৰ কি হ'বলৈ ইচ্ছা। গুৱাহাটীৰ কটন কলেজত পঢ়োতে মই টাই-কোট পিন্ধা দুই-এজন আমাক পঢ়ুওৱা অধ্যাপকক দেখি মুগ্ধ হৈছিলো। আমি পঢ়াৰ সময়ত কটন কলেজত আমাক পঢ়োৱা তেনে অধ্যাপক আছিল অৰ্থনীতিৰ অধ্যাপক ইক্ৰাম শইকীয়া, আশ্ৰফ আলী, ফিল'ছফিৰ অধ্যাপক, পিছলৈ কটনৰ অধ্যক্ষ আব্দুল জেলিল আদি। তেখেতসকলৰ পঢ়োৱা ৰীতি আৰু অংগীভংগী তথা বিষয়বস্তুৰ ওপৰত থকা তেওঁলোকৰ অসীম জ্ঞানৰ পৰিচয় পাই মোৰ ধাৰণা হৈছিল যে এনে অধ্যাপক হ'ব পাৰিলে বৰ ভাল লাগিব। সেইবাবেই হয়তো মই তেতিয়াই জীৱনক ভালদৰে উপলব্ধি নকৰাকৈ কৈ পেলাইছিলো যে মই অধ্যাপনা কৰিম। কিন্তু সেইটো ন'হ'ল। জীৱনৰ বোৱতী নদীয়ে কালক্ৰমত মোক অন্য সোঁতলৈ কটিয়াই নিলে। যদিও মোৰ জীৱনৰ প্ৰথম চাকৰিয়ে আছিল স্কুলৰ শিক্ষকতা। কথাটো এনে ধৰণৰ ঃ তেতিয়া বোধহয় মই কটন কলেজৰপৰা আই এ পৰীক্ষা দি ডুমডুমাৰ ঘৰলৈ গৈছিলো। ঘৰত এনেয়ে বহি আছিলো। বিভিন্ন বিষয়বস্তুৰ বিভিন্ন কিতাপ-পত্ৰ সংগ্ৰহ কৰি খুব পঢ়িছিলো। ডুমডুমাত তেতিয়া উপযুক্ত কিতাপৰ দোকান নথকাত তিনিচুকীয়ালৈ গৈ কিতাপ-পত্ৰ, আলোচনী আদি কিনি আনি পঢ়িছিলো। ডুমডুমাত তেতিয়া বাসুদেউ নামৰ বিহাৰী মানুহ এজনৰ সৰু কিতাপৰ দোকান এখন আছিল। তাত ইংৰাজী, অসমীয়া কিতাপ দূৰৈৰ কথা, কোনো ধৰণৰ কিতাপৰ সমাৰোহেই নাছিল। আছিল মাথোঁ দুই-এখন হিন্দী ভাষাৰ উপন্যাস, গল্প আৰু সৰহভাগেই আছিল তেতিয়াৰ বিখ্যাত হিন্দী চিনেমাসমূহৰ সস্তীয়া গীতৰ কিতাপৰ সংগ্ৰহ। সৰু দোকানখনৰ দৰেই বাসুদেউ মানুহজনো চুটি চাপৰ। তেতিয়া একমাত্ৰ এই কিতাপ দোকানত মই প্ৰতিদিনে দেখা দি প্ৰায় সদায় দেখা কিতাপকেইখনেই উৰাই-ঘূৰাই চোৱা বাবে বাসুদেৱে এদিন মই কি বিচাৰিছো সুধিছিল। মই কি বিচাৰিছো সেই কথা কোৱাত বাসুদেৱে তেনে কিতাপ-আলোচনী অনাৰ ক্ষেত্ৰত অসমৰ্থতা প্ৰকাশ কৰিলে, কাৰণ বিক্ৰী নহয়।

এই সময়তে মোৰ সম্পৰ্কীয় পেহাদেউ, আগতে উল্লেখ কৰি অহা ডুমডুমাৰ সেই বিশিষ্ট ব্যক্তি হৰিহৰ চৌধুৰীয়ে এদিন হঠাতে সুধি পেলাইছিল মই কি কৰি আছো বুলি। পেহাদেউ তেতিয়া ডুমডুমা হাইস্কুলৰ এজন বিশিষ্ট কৰ্মকৰ্তা আছিল।

দুদিনমান পাছতে তেওঁ মোক মাতি নি ক'লে যে মই এনেয়ে বহি থকাতকৈ দেখোন চাকৰি এটাই কৰিব পাৰো। কৰিব পাৰো নহয়, কৰিলোৱেই।

পেহাদেউ স্বৰ্গীয় হৰিহৰ চৌধুৰীয়ে মোক স্থানীয় হাইস্কুলৰ এটি শিক্ষকৰ পদত সুমুৱাই দিলে। তেতিয়ালৈ মই কিনো পঢ়ুৱাব লাগিব বা কেনেদৰে পঢ়ুৱাব লাগে, সেই বিষয়ে একেবাৰে অজ্ঞ আছিলো। কিন্তু হাইস্কুলত সোমাই সেই সময়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰপৰা প্ৰভূত সহায়-সহযোগ পাইছিলো। স্কুলৰ প্ৰধান শিক্ষক বোধহয় আছিল শিক্ষক হিচাপে অতি বিখ্যাত মাণিক চন্দ্ৰ বৰ্মন। মোৰ শিক্ষকতা জীৱনত পাঠদান কৰা প্ৰথম বিষয়বস্তুৱেই আছিল সাহিত্য নহয়, ভূগোল। অথচ ভূগোলৰ তেনে অৰ্হতা মোৰ নাছিল। প্ৰধান শিক্ষকৰ নিৰ্দেশত শ্ৰেণীলৈ গৈ পাঠদান আৰম্ভ কৰিছিলো। সেই সময়তে মই এটা বিষয় খৰচি মাৰি জানিছিলো যে চেৰাপুঞ্জীত পৃথিৱীৰ ভিতৰত আটাইতকৈ কিয় বেছি বৰষুণ হয়। আৰু শ্ৰেণীত সেই বিষয়ে প্ৰশ্ন সুধিলো। ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত উত্তৰ দিব নোৱৰাত মই সেই বিষয়ে পাঠদান আৰম্ভ কৰিছিলো। অকল মুখেৰে নকৈ মই ব্ৰেকবৰ্ডত চকমাটিৰে ভাৰতবৰ্ষৰ মানচিত্ৰ এখন আঁকি কিহৰ বাবে চেৰাপুঞ্জীত সৰহ বৰষুণ হয় সেই বিষয়ে বুজাইছিলো। ক'বলৈ সংকোচ নাই যে প্ৰথম পাঠদানতে মই ছাত্ৰ-ছাত্ৰীক সন্তুষ্ট কৰিব পাৰিছিলো। ততালিকে মোৰ নাম শিক্ষক হিচাপে সেই স্কুলৰ চাৰিবেৰৰ মাজত জনাজাত হৈ পৰিল। দুই-এক সহকৰ্মীয়ে টিচাৰ্চ কমনৰুমত সেই বিষয়ে আলোচনাও কৰিলে। মাহৰ শেষত মই ষাঠি টকা দৰমহা পালো। মোৰ জীৱনত সেয়া আছিল প্ৰথম উপাৰ্জন। কলেজৰ বন্ধৰ কালছোৱা উক্ত স্কুলৰ শিক্ষকতা কৰিয়েই মোৰ আহৰি সময়কণ অতিবাহিত কৰো। বন্ধ খোলাত আকৌ গুৱাহাটীলৈ গুচি আহোঁ।

আগতেই কৈছো যে মোৰ দেউতাৰ ডুমডুমাৰ বজাৰত এখন সাধাৰণ দোকান আছিল। কিন্তু ব্যৱসায়ী বুদ্ধিত তেওঁ নিজৰ ধৰণে কিছু দূৰদৃষ্টিসম্পন্ন ব্যক্তি আছিল। ডুমডুমাৰ দোকানৰ ওপৰতে নিৰ্ভৰ নকৰি তেওঁ এখন দোকান খুলিছিল ডুমডুমাৰ পৰা বাৰ মাইল আঁতৰত সদাশিৱ নামৰ সৰু এখন বাগিচাত। দেউতাৰ এই দোকানখন প্ৰকৃত অৰ্থত এখন গেলামালৰ দোকান আছিল। বাগিচাৰ মজদুৰসকলৰ নিত্য ব্যৱহাৰ্য বয়-বস্তুৰপৰা তাহাঁতৰ প্ৰয়োজনীয় বিবিধ বয়-বস্তু সংৰক্ষণ কৰা হৈছিল।

সদাশিৱ চাহ বাগিচাখন অতি সৰু চাহবাগিচা। ডিব্ৰু-শদিয়াৰ মিটাৰগজ ৰেলৰ সৰু এটা ষ্টেচন ডাঙৰী। এই ডাঙৰী ৰেল ষ্টেচনৰপৰা প্ৰায় এমাইলমান বাট খোজকাঢ়ি সোমাই গ'লেই সদাশিৱ বাগিচা পোৱা গৈছিল। এই সদাশিৱ বাগিচাৰ ওচৰতে আছিল আন এখন সৰু বাগিচা, নাম কৈলাশপুৰ। মই যদি ভুল কৰা নাই, পঞ্চাছৰ

বৰভূইকঁপত সেই বাগিচাৰ বৃহৎ ক্ষতি হৈছিল। এটা কথা কোৱা ভাল হ'ব যে এই বাগিচাৰ স্বত্বাধিকাৰী আছিল অসমীয়া। অকল স্বত্বাধিকাৰীয়েই নহয়, বাগিচা দুখনৰ মেনেজাৰো আছিল অসমীয়া। ডিব্ৰুগড়ৰ বিখ্যাত খেতিয়ক নন্দেশ্বৰ চক্ৰৱৰ্তী বোধহয় আছিল সদাশিৱ বাগিচাৰ স্বত্বাধিকাৰী। এতিয়াও চৌকিদিঙি বাছ আস্থানলৈ যোৱা ৰাষ্ট্ৰীয় পথৰ সোঁহাতে কোনোবা এঠাইত 'সদাশিৱ প্ৰেছ' নামৰ প্ৰেছ এটাৰ ছাইনবৰ্ড এখন ওলমি থকা চকুত পৰে। মোৰ দেউতাই যেতিয়া সদাশিৱ বাগিচাত উক্ত দোকান খুলিছিল, তেতিয়া চক্ৰৱৰ্তী পৰিয়ালৰ যথেষ্ট সহায়-সহযোগ পোৱা বুলি মই জানো। আৰু সদাশিৱ বাগিচাত মোৰ দেউতাই দোকান মুকলি কৰাৰ সময়ত মেনেজাৰজন আছিল উক্ত চাহ খেতিয়ক নন্দেশ্বৰ চক্ৰৱৰ্তী। অতি আড়ম্বৰহীন, সজ আৰু সৎ উক্ত মেনেজাৰ স্বৰ্গীয় চক্ৰৱৰ্তীৰ লগত মোৰ দেউতাৰ বৰ ঘনিষ্ঠ আত্মীয়তা আছিল। এই আত্মীয়তা কোনোমতে সহজভাৱে ল'ব নোৱাৰি। কাৰণ, বাগিচা এখনৰ মেনেজাৰ আৰু সাধাৰণ দোকানী এজনৰ সৎভাব থকা বুলি ক'লে অতিৰঞ্জিত যেন লাগে। কিন্তু মই দেখা আৰু বিভিন্ন ঘটনা-উপঘটনাই দেউতাৰ লগত মেনেজাৰৰ সম্পৰ্কক অন্য এক স্তৰলৈ উন্নীত কৰা যেন লাগে। স্বৰ্গীয় চক্ৰৱৰ্তীৰ মৃত্যুৰ আগলৈ মোৰ দেউতাই সেই সম্পৰ্কক কোনোপধ্যে ছিন্ন হ'বলৈ দিয়া নাছিল। পিছলৈ স্বৰ্গীয় নন্দেশ্বৰ চক্ৰৱৰ্তীয়ে সদাশিৱ বাগিচাৰপৰা আহি তিনিচুকীয়াতে ঘৰ-দুৱাৰ সাজি নিগাজিকৈ থাকিবলৈ লৈছিল। মই নিজে স্বৰ্গীয় চক্ৰৱৰ্তীৰ দেউতাৰ স'তে শেষলৈকে মধুৰ সম্পৰ্ক লক্ষ্য কৰিছিলো। তিনিচুকীয়ালৈ গ'লে মেনেজাৰৰ ঘৰলৈ এবাৰ যোৱাটো কৰ্তব্যৰ ভিতৰত পৰে বুলি ধৰি লৈছিলো। ঠিক তেনেদৰে তিনিচুকীয়াৰ আন এজন মানুহ, যাৰ এখন তেতিয়াৰ বিখ্যাত কবিৰাজী দৰবৰ দোকান আছিল, সেই ব্ৰহ্মানন্দ কবিৰাজ দেউতাৰ পৰম বন্ধু আছিল বুলি মই জানো। বোধহয় ৰংঘৰ চিনেমা হলৰ কাষত ব্ৰহ্মানন্দ কবিৰাজৰ দোকানখন এতিয়াও আছে। ঠিক তেনেদৰে অসমৰ বিখ্যাত প্ৰকাশন প্ৰতিষ্ঠান মিত্ৰ এজেন্সি এণ্ড কোম্পানীৰ স্বত্বাধিকাৰী নৰেন্দ্ৰনাথ দাসৰ সৈতে দেউতাৰ বৰ সদ্‌ভাব আছিল। সঁচা কথা ক'বলৈ গ'লে দেউতাৰ যোগেদিয়ে উক্ত প্ৰকাশন প্ৰতিষ্ঠানৰ মই ওচৰ চাপো আৰু পিছলৈ মোৰ একাধিক কিতাপ উক্ত প্ৰকাশন প্ৰতিষ্ঠানে প্ৰকাশ কৰে। প্ৰকাশক দাস কেৱল ব্যৱসায়ী বুদ্ধিৰ এজন দূৰদৃষ্টিসম্পন্ন গ্ৰন্থ প্ৰকাশক নহয়, তেওঁৰ সৌন্দৰ্যবোধ আৰু সুৰুচিৰ বহু পৰিচয় আৰু প্ৰমাণ মই পাই থৈছো। এই মিত্ৰ এজেন্সিৰ যোগেদিয়ে প্ৰকাশ পায় মোৰ গল্প সংকলন 'নিশিগন্ধা', যি সংকলনৰ মাজত মোৰ সেই মৰমৰ গল্প 'চামেলি মেমচা'বটো আছে। তাৰ পাছত 'দেহদেউল', 'দেবী' আৰু 'বুঢ়ী গংগাত

জুই' আদি গ্ৰন্থ প্ৰকাশ পায়। প্ৰকাশক দাসৰ সৌন্দৰ্যবোধ আৰু সুৰুচিৰ কথা এইখিনিতে উল্লেখ নকৰিলে মোৰ অন্যায় হ'ব। তেতিয়া নৱজাত বাংলাদেশ ভ্ৰমণ কৰি আহি প্ৰত্যক্ষ অভিজ্ঞতাৰে মই এখন উপন্যাস লিখিছিলো। নাম ঃ 'বুঢ়ী গংগাত জুই'। বোধহয় বাংলাদেশৰ পটভূমিত লিখা সেইখনেই প্ৰথম অসমীয়া উপন্যাস। উপন্যাসখন প্ৰথম ছপা হৈছিল 'আমাৰ প্ৰতিনিধি' আলোচনীৰ কোনোবা এটা বিহু বা পূজা সংখ্যাত। উপন্যাসখন মই টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ তেতিয়াৰ টি-টেষ্টাৰ মোৰ ভাতৃসম শ্ৰীঅজিত দাসৰ বঙলাত থাকি লিখিছিলো। গুৱাহাটীত শ্ৰীঅজিত দাসৰ ঘৰত মতা নাম আছিল চিতু। এওঁ মোক জীৱনত বহুভাৱে সহায় কৰি গৈছে। পিছলৈ সেই উপন্যাসখন মুখ্য কৰি বাংলাদেশৰ পটভূমিত লিখা বিভিন্ন আলোচনাক একত্ৰিত কৰি মই এইখন কিতাপ কৰিছিলো। মোৰ তেতিয়া খুব ইচ্ছা আছিল ভাৰতবৰ্ষৰ বিখ্যাত চিত্ৰশিল্পী পূৰ্ণেন্দু পত্ৰীৰ হতুৱাই কিতাপখনৰ বেটুপাত সজোৱাৰ। কামটো সহজ নাছিল। প্ৰথম কাৰণেই হ'ল যে কমাৰ্চিয়েল আৰ্টিষ্ট হলেও পূৰ্ণেন্দু পত্ৰী আছিল বৰ দামী শিল্পী। মোৰ শংকা আছিল প্ৰকাশক দাস। সন্মত হয়নে নহয়? কিন্তু মোৰ অভিপ্ৰায়ৰ কথা যেতিয়া দাসক জনাইছিলো, তেতিয়া দাসৰ উত্তৰ আছিল ঃ 'আপুনি পূৰ্ণেন্দু পত্ৰীৰ হতুৱাই কভাৰটো কৰাওক, পইচাৰ বাবে চিন্তা নকৰিব।'

পূৰ্ণেন্দু পত্ৰীৰ মই ওচৰ চাপিলো। মোৰ কিতাপৰ বিষয়বস্তু, মই কি বিচাৰিছো সেই বিষয়ে কওঁতে তেওঁ মোক সেই অপূৰ্ব বেটুপাত আঁকি দিলে। তেতিয়া পূৰ্ণেন্দু পত্ৰী শিল্পী হিচাপে 'আনন্দবাজাৰ পত্ৰিকা'ৰ লগত সংযুক্ত আছিল। স্বাভাৱিকতে চিত্ৰালোচনী 'আনন্দলোক' আদিৰো অংগসজ্জা পত্ৰীয়েই কৰিছিল। সেই সময়ত মোৰ কিতাপৰ ছপা কাম হোৱাই নাছিল। শিল্পী পূৰ্ণেন্দু পত্ৰীয়ে বেটুপাত মোৰ হাতত দি কৈছিল 'সেইটো যদি অফছেট প্ৰেছত ছপোৱা হয় তেতিয়াহলে তাৰ আকৰ্ষণ ধুনীয়াকৈ হ'ব'। এক কথাত, মই বোধহয় আকাশৰপৰা পৰিলো।

কিন্তু আচৰিতভাৱে মোক অবাক কৰি প্ৰকাশক নৰেন্দ্ৰনাথ দাসে ক'লে যে ঃ যি পৰে পৰিব, কভাৰটো কিন্তু মই অফ্ছেটত ছপামেই। ছপাইছিলো। ইয়াৰ বিখ্যাত আনন্দ পাব্লিছাৰ্ছ প্ৰেছত 'ছানডে', 'আনন্দলোক' আদি আলোচনী ছপা হয়। তাতেই 'বুঢ়ী গঙ্গাত জুই'ৰ বেটুপাত ছপা হৈছিল। এই কথাখিনি মই অহংকাৰ কৰি উল্লেখ কৰিছো এইবাবে যে 'বুঢ়ী গঙ্গাত জুই' উপন্যাসখনৰ ৰঙীন বেটুপাতখন অসমীয়া ভাষাৰ তেতিয়ালৈ বোধহয় একমাত্ৰ গ্ৰন্থ যাৰ বেটুপাত ছপা হৈছিল অফ্ছেটত।

শ্বেখ মজিবুৰ ৰহমান, কাদেৰ ছিদ্দিকী আদি সেই সময়ৰ জাকত জিলিকা

ব্যক্তিৰ স'তে মোৰ যোগাযোগ আৰু বাংলাদেশৰ তেতিয়াৰ ৰাজনৈতিক পৰিস্থিতিৰ বিভিন্ন আলোচনা আৰু আৱশ্যকীয় ঘটনাৰ মাজেদি জন্ম লোৱা বাংলাদেশৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিত্তিত ৰচিত মোৰ উপন্যাসো এক মৃদু আলোড়নৰ সৃষ্টি কৰিছিল। যিটো সাধাৰণ লেখক হিচাপে মোৰ বাবে অবিস্মৰণীয়।

ডাঙৰী ডিব্ৰু-শদিয়া মিটাৰগজ ৰেলআলিৰ এটি অতি সৰু ৰেল ষ্টেচন। বৃটিছৰ সতে সজা উক্ত ৰেলআলিৰ আজিলৈ হেনো উন্নতি ঘটা নাই। ডিব্ৰু-শদিয়াৰ নাম কিয় হ'ল সেইটো মই জানো। কাৰণ শদিয়া নামৰ ঠাইখন বৰলুইত, ব্ৰহ্মপুত্ৰ নৈৰ সিটো পাৰেহে অৱস্থিত। ইটো পাৰে নহয়। আৰু শদিয়ালৈ ৰেলো নচলে। কিন্তু মিটাৰগজ ৰেলআলিয়েদি চলা সেই ৰেলখন ডিব্ৰু-শদিয়া ৰেল নামে জনাজাত আছিল।

শদিয়া আন কিছু কাৰণতো বিখ্যাত আছিল। অসমীয়া জতুৱা ঠাঁচত শদিয়া বা ধুবুৰীৰ নাম প্ৰায়ে উল্লেখিত হোৱা দেখা যায়। অসমীয়া বিহুগীততো শদিয়াৰ উল্লেখ পোৱা যায়। বিখ্যাত তীৰ্থস্থান পৰশুৰাম কুণ্ড এই ঠাইতে অৱস্থিত। আচৰিতভাৱে ১৯৫০ চনৰ ত্ৰাহি ত্ৰাহি সুঁৱৰিবলগীয়া বৰভূইকঁপৰ সময়ত শদিয়াৰ এক নতুন গুৰুত্ব স্থাপিত হয়। বৰভূইকঁপে সেইবাৰ উজনি অসমৰ নানান ঠাইতে বিভীষিকাৰ সৃষ্টি কৰাৰ দৰে শদিয়াতো কৰিছিল। আচৰিতভাৱে বৰলুইতখন চকুৰে মনিব পৰা বহল সীমাৰেখাৰ দূৰত্বৰপৰা হঠাতে একে ৰাতিয়ে বহলৰপৰা সাগৰ যেন আৰু বহল হৈ পৰিছিল।

উল্লেখ কৰা ভাল হ'ব যে ডিব্ৰু-শদিয়া ৰেলৰ একেবাৰে মূৰৰ শেষ ষ্টেচনটো আছিল ছৈখোৱা, জনাজাত আছিল ছৈখোৱাঘাট নামেৰে। আচৰিত কথা যে উল্লিখিত পঞ্চাছৰ ভয়াবহ বৰভূইকঁপে সেই গোটেই ষ্টেচনটোকে গ্ৰাস কৰি পেলাইছিল আৰু কালক্ৰমত ছৈখোৱাঘাট ষ্টেচনৰ কোনো চিন- মোকামেই নাছিল। তেতিয়া ডাঙৰী হৈছিল শেষ ষ্টেচন। আৰু যাতায়াতৰ বাবে ৰাষ্ট্ৰীয় পথত থকা ধলা নামৰ ঠাইখন হৈছিল স্থল যোগাযোগৰ শেষ আস্থান। কিন্তু ডাঙৰীৰ তাত কোনো বিশেষত্ব নাছিল। স্বাভাৱিকতে ছৈখোৱাঘাট ষ্টেচনটো বিলীন হোৱাৰ পাছত মিটাৰগজ ৰেলৰ ডাঙৰী হৈ পৰে শেষ ষ্টেচন। কালক্ৰমত ৰেলৰ ষ্টেচন হিচাপে ডাঙৰীয়ে তাৰ নিজস্বতা হেৰুৱাই পেলাইছিল। আমি দেখাৰ সময়ত ছৈখোৱাঘাট ষ্টেচনটো নোহোৱা হোৱাত ডাঙৰীত যিহেতু ৰেলৰ ইঞ্জিনটো ঘূৰোৱাৰ সুবিধা নাই, গতিকে প্ৰায় কপলিং ছিগা ৰেলজাতীয় ডিব্ৰু-শদিয়া ৰেলখনে ইঞ্জিনটো ওলোটাকৈ চলাই নিয়া আমাৰ চকুত পৰিছিল। আমাৰ সময়ত এইখন ৰেলৰ যাত্ৰীৰ সংখ্যাও অতি নগণ্য আছিল আৰু

সৰহভাগেই বিনা টিকটে ভ্ৰমণ কৰিছিল। কেনেকৈ আৰু কাৰ উদ্যোগত ডুমডুমাতকৈ ডাঙৰীত প্ৰথম হাইস্কুল স্থাপিত হৈছিল, সেই বিষয়ে নিশ্চয় কিছু চমকপ্ৰদ ইতিহাস আছে। কাৰণ, ডাঙৰীতকৈ ডুমডুমা তেতিয়াই টকা-পইচা থকা মানুহেৰে গজগজীয়া আছিল। তাৰ উপৰি উৎসাহী মানুহৰো নিশ্চয় অভাৱ নাছিল। কিন্তু যিয়েই নহওক, উচ্চ শিক্ষাৰ বাটকটীয়া হিচাপে ডুমডুমাতকৈ ডাঙৰীয়ে প্ৰথম স্থান লাভ কৰে।

মই আগতেই কৈছো যে ডুমডুমাত হাইস্কুল নথকা বাবে আৰু ডাঙৰীৰ নিচেই ওচৰত সদাশিৱ বাগিচাত দেউতাৰ যিহেতু দোকানখন আছিল, গতিকে তেওঁ মোৰ উচ্চ শিক্ষাৰ প্ৰথম ঠাই হিচাপে ডাঙৰীকে নিশ্চয়কৈ নিৰ্বাচন কৰিছিল। এই নিৰ্বাচন কিন্তু তেওঁৰ একেবাৰে মনঃপূত নাছিল। মোৰ নিৰক্ষৰ মা-দেউতাই এটা কথা কোৱা মোৰ মনত আছে। তেওঁ কৈছিল ঃ 'এবছৰমান ডাঙৰীতে পঢ়ক, তাৰ পাছত গুৱাহাটীলৈ পঠিয়াব লাগিব।'

সেইটোৱে হৈছিল। এদিন মই সবিস্ময়ে আবিষ্কাৰ কৰিলো যে স্কুলৰ অচল এটা টিউবৱেলৰ কাষেদি বগৰী গছ এজোপাৰ তলেদি মই বেৰ নোহোৱা স্কুলৰ কোঠালি এটাত প্ৰবেশ কৰিছো। প্ৰথমদিনাই কিছু সোনকালে স্কুললৈ যোৱা মই ক্লাছ ছেভেনৰ নিৰ্দিষ্ট ক্লাছৰুমলৈ গৈ শ্ৰেণীত শুনিছিলো কেইটিমান ৰংচঙীয়া ছাগলীৰ বে-বেৰনী। ব্লেকবৰ্ডত চকমাটিৰে কোনোবা অপটু শিল্পীয়ে আঁকি থৈছিল এজন শকত মানুহৰ ৰেখাচিত্ৰ। তলত লিখা আছিল 'আমাৰ হেডমাষ্টৰ'।

সমগ্ৰ পৰিবেশটোৱেই মোৰ বাবে সহজ নাছিল। কিন্তু মই বুজিছিলো যে ইয়াৰ বাহিৰে মোৰ বাবে অন্য কোনো বিকল্প উপায় নাছিল।

হেডমাষ্টৰৰ কথা কোৱাৰ আগতে ডাঙৰীৰ কথা অলপ কৈ লওঁ। ডাঙৰী সেই অঞ্চলটোৰ ঘাইকৈ আহোম, কছাৰী, মটক, মৰাণ আদি জনগোষ্ঠীৰ লোকৰ বসতি আছিল। প্ৰায়ভাগ ল'ৰা-ছোৱালীৰে স্বাস্থ্যপাতি বৰ সুন্দৰ আছিল আৰু সতকাই তেনে চেহেৰাৰ ল'ৰা-ছোৱালী আমি বসবাস কৰা চহৰ অঞ্চলত চকুত নপৰিছিল। মানুহবোৰৰ সৰহভাগেই আছিল কৃষিজীৱী আৰু কিছু কিছু শিক্ষিত লোক আছিল চাকৰিয়াল। আৰু পিছলৈ বিভিন্ন সম্প্ৰদায়ৰ মানুহে ভিন ভিন ব্যৱসায়-বাণিজ্যতো মনোযোগ দিছিল।

এই ডাঙৰীতে আমি পঢ়াৰ সময়ত এজন সাহিত্যিক আছিল, যাৰ সাহিত্যিক অৱদানৰ প্ৰকৃত মূল্যায়ন হয়তো কোনোদিনে নহ'ল। নাম তেওঁৰ স্বৰ্গীয় দণ্ডধৰ ফাটোৱালী। মই মানুহজনক প্ৰত্যক্ষ কৰিছিলো। নিৰহ-নিপানীকৈ অনাড়ম্বৰ ফাটোৱালীয়ে কেইবাখনো উপন্যাস তেতিয়াই লিখি ছপা কৰি উলিয়াইছিল। কি কি উপন্যাস তেওঁ লিখিছিল,

মোৰ এতিয়া মনত নাই। কেৱল এখন উপন্যাসৰ নাম মনত আছে। নাম 'যুগলমূৰ্তি'। অলপ ৰোমিঅ'- জুলিয়েট কাহিনীৰ নিচিনা। নায়কৰ নাম যুগল আৰু মূৰ্তি আছিল নায়িকা। আজি কিছুদিন আগতে সুপ্ৰতিষ্ঠিত কথা-সাহিত্যিক যোগেশ দাসে অনাতাঁৰযোগে প্ৰচাৰ কৰা এটি কথিকাত কৈছিল যে এই দণ্ডধৰ ফাটোৱালী (শইকীয়া)ৰ গল্প এটা পঢ়ি তাৰদ্বাৰাই তেওঁ হেনো গল্প লিখিবলৈ অনুপ্ৰাণিত হৈছিল। এই দণ্ডধৰ ফাটোৱালীৰে এজন ল'ৰা, নাম গদা ফাটোৱালী, মোৰ লগত পঢ়িছিল। এওঁ বোধহয় এতিয়া ৰঙিয়া কলেজত অধ্যাপনা কৰে। লিখা-মেলাত সেই সময়ত কিছু উৎসাহী আছিল। মই তেতিয়া লিখা আৰম্ভ কৰাই নাই, গদাই কিন্তু ক্লাছ ছেভেনত পঢ়ি থাকোতেই উপন্যাস এখন লিখিছিল। নাম দিছিল 'এটা নাচপতি'। সেই উপন্যাসৰ কি হ'ল বা গদাই আকৌ সাহিত্য চৰ্চা কিয় নকৰিলে, তাৰ কাৰণ মই নেজানো।

ডাওৰী হাইস্কুলৰ প্ৰধান শিক্ষক আছিল ভুবন শইকীয়া। ক্লাছ ছেভেনৰ ক্লাছ ৰুমৰ ব্লেকবৰ্ডত আঁকি থোৱা ব্যঙ্গাত্মক সেই ছবিখন অকাৰ কাৰণো নোহোৱা নহয়। তাৰ ঘাই কাৰণেই হ'ল ভুবন শইকীয়া অত্যন্ত অনুশাসন নমনা ছাত্ৰ-ছাত্ৰীৰ বাবে বাঘৰ দৰে ভয়ৰ আছিল। চুটি-চাপৰ, গাঠলু চেহেৰাৰ শইকীয়াই বিয়া কৰাইছিল আমাৰ ডুমডুমাৰ ছোৱালী। ৰৱকৈ তামোল খোৱা শইকীয়াক আমিও কম ভয় কৰা নাছিলো। শিক্ষকে ক্লাছ লৈ থাকোতে তেওঁ প্ৰায়ে দুৱাৰ বা খিড়িকীৰ আঁৰত থিয় হৈ কোনে কি কৰে, সেইটো আঁৰৰপৰাই লক্ষ্য কৰিছিল। স্বাভাৱিকতে প্ৰধান শিক্ষকৰ এই চোকা দৃষ্টিৰ বাবেই প্ৰায়বোৰ শ্ৰেণীতে ল'ৰা-ছোৱালীয়ে যথেষ্ট সাৱধান হৈ শ্ৰেণীবোৰ অতিবাহিত কৰিছিল।

মই পঢ়া সময়ত ডাওৰী হাইস্কুলৰ আন কেইজনমান শিক্ষকৰো তেওঁলোকৰ নিজস্ব বৈশিষ্ট্যৰ বাবে মোৰ চকুত পৰিছিল। তাৰে এজন আছিল কীৰ্তি। উপাধি পাহৰিলো। এওঁ স্কুলৰ সহকাৰী শিক্ষক আছিল। এখেতে অংক পঢ়ুৱাইছিল। আন এজন উপেন সোনোৱাল। এওঁ আমাক ইংৰাজী পঢ়ুৱাইছিল। এখেতৰ হাতৰ আখৰ বৰ ধুনীয়া আছিল। পৰীক্ষাৰ বহীত নম্বৰ দিওঁতে তেখেতে নম্বৰৰ স'তে মিলাই নিজৰ চহীটো শিল্পীসুলভ ভংগীৰে দিয়া মোৰ মনত আছে। বুজৰবৰুৱা বুলি এজন শিক্ষকে আমাক অসমীয়া পঢ়ুৱাইছিল। কিন্তু এখেত দেউতাৰ বন্ধু মানুহ আছিল। বুজৰবৰুৱা ছাৰে জ্যোতিষ সম্পৰ্কেও অধ্যয়ন কৰিছিল আৰু সেই বিষয়ে জ্ঞানো আছিল প্ৰচুৰ। দেউতাৰ স'তে চা-চিনাকিৰ সূত্ৰতে হওক বা তেখেতৰ পাৰদৰ্শিতাৰ বাবেই হওক, মোৰ সোঁৱৰণীখন এই বুজৰবৰুৱা ছাৰেই কৰিছিল। অৱশ্যে সেই সোঁৱৰণীত কি আছে, মই কেতিয়াও পঢ়ি চোৱা নাই।

ডাঙৰী হাইস্কুলত বহুতো ছাত্ৰই ছাত্ৰাবাসত থাকি পঢ়া-শুনা কৰিছিল আৰু বহুতেই নিজেই বাঞ্ছি-বাঢ়ি খাই শিক্ষালাভ কৰিছিল। আমি পঢ়োতে লগ পোৱা আৰু বৰ কষ্টত শিক্ষালাভ কৰা ডুমডুমাৰ দুই-এজন ছাত্ৰ দেখিছিলো। তাৰে ভিতৰত মোৰ টপ্‌কৈ মনত পৰা নাম হ'ল শ্ৰীহৰেন ডেকা আৰু শ্ৰীকিৰণ ডেকা। হৰেন ডেকাই পিছলৈ গুৱাহাটীৰ বি. বৰুৱা কলেজত অধ্যাপনা কৰিছিল আৰু কিৰণ উচ্চতৰ মাধ্যমিক পৰিষদৰ উচ্চ বিষয়া আছিল। এওঁলোক দুয়োৰে দেউতাকে তেতিয়া ডুমডুমাত বন বিভাগত চাকৰি কৰিছিল। পিছৰ জীৱনত তেওঁলোকে প্ৰতিষ্ঠা লভাৰ গুৰিতে ডাঙৰী হাইস্কুলৰ অৱদান ভালেখিনি আছে বুলি নিশ্চয় স্বীকাৰ কৰিব লাগিব। স্কুলৰ সংস্কৃতৰ শিক্ষকগৰাকী নামনি অসমৰ মানুহ আছিল। নাম মই পাহৰিলো। দেউতাৰ লগত এখেতৰ ভাল সম্পৰ্ক আছিল। মাজে-সময়ে সদাশিৱ বাগিচালৈ আহি দেউতাৰ দোকানতে বহি তেখেতে কথা-বতৰা পাতিছিল। স্বাভাৱিকতে ভয়ত মই তেখেতৰ মুখামুখি নহৈছিলো। মোৰ পঢ়া-শুনাৰ আগ্ৰহৰ বিষয়ে এদিন দেউতাই প্ৰশ্ন কৰাত তেখেতে নেতিবাচক উত্তৰ দিছিল। কথাষাৰে দেউতাক কিছু চিন্তাত পেলাইছিল। মাৰ লগত সেই বিষয়ে আলোচনা কৰা মোৰ কাণত পৰিছিল।

মই ডাঙৰী হাইস্কুলত পঢ়ি থাকোঁতে মোৰ বৰদেউতাৰ ল'ৰা এজনেও আমাৰ সদাশিৱ বাগিচাৰ দোকানৰ ঘৰতে থাকি পঢ়িছিল। নাম শ্ৰীনৰেন চৌধুৰী। ডুমডুমাৰ ওচৰৰ য়ামপাৰা নামৰ বাগিচা এখনত চাকৰি কৰি এতিয়া অৱসৰ গ্ৰহণ কৰিছে। এওঁ আচলতে মোৰ মৃত্যু হোৱা ককাইদেউৰ সমনীয়া হ'ব বোধকৰো। সদাশিৱ বাগিচাত থাকি পঢ়া-শুনা কৰা সেই সময়তে তেওঁ আচৰিতভাৱে নিজাকৈ বাতৰিকাকতৰ এজেন্সি এটা চলাইছিল। কাকতখন আছিল ইংৰাজী দৈনিক ঃ 'দি আসাম ট্ৰিবিউন'। তেতিয়া দৈনিক অসম, অসমবাণী আদিৰ জন্মই হোৱা নাই। আন কথাত, মোৰ পৰৱৰ্তী জীৱনত কাৰ্য্যনিৰ্বাহ কৰা আসাম ট্ৰিবিউন কাকতৰ স'তে মোৰ চাক্ষুস পৰিচয় সেই ক্লাছ ছেভেনতে ঘটিছিল। মই তেতিয়া বাতৰিকাকতনো কি বা কিয় পঢ়িব লাগে, ঠিক নাজানিছিলো। কিন্তু বাতৰিকাকত বোলা বস্তুটো যে এক অতি প্ৰয়োজনীয় বস্তু, তাৰে ৰিণিকি ৰিণিকি আভাস দেউতাৰপৰাই পাইছিলো। কাৰণ, আমি ডুমডুমাত থকাৰ সময়ত দেউতাই নিয়মিতভাৱে তেওঁৰ খুৰাকৰ দোকানত লোৱা আনন্দবাজাৰ পত্ৰিকা নামৰ বঙালী দৈনিকখন নিতৌ পঢ়া দেখিছিলো। ডুমডুমাত থকা তেতিয়াৰ বিখ্যাত 'হৰকান্ত দৈব্যৰাম বৰুৱা এণ্ড ছন'ৰ বিভিন্ন বয়-বস্তুৰে ভৰপূৰ দোকানখনলৈ গৈ দেউতাই সেই কাকত একান্তমনে পঢ়ি অহা বা ঘৰলৈ

আনি পঢ়ি আকৌ ওভতাই দি অহা মই নিজে লক্ষ্য কৰিছিলো। কাৰণ, দেউতাৰ নিজাকৈ কাগজ ৰখাৰ তেতিয়া হয়তো সামৰ্থ্য নাছিল।

সেই কাৰণেই নেকি মই নেজানো, বাতৰিকাকতৰ প্ৰতি মোৰ এটা স্বাভাৱিক আগ্ৰহ আৰু আকৰ্ষণ তেতিয়াই উপজিছিল। সেই সময়ত গুৱাহাটীৰ নিউ প্ৰেছৰ পৰা এখন অসমীয়া দৈনিক কাকত ওলাইছিল। নামটো মই পাহৰিলোঁ। সম্পাদক কোন আছিল সেয়াও পাহৰিলোঁ। কিন্তু বাতৰিকাকতখনৰ মুদ্ৰকজনৰ নাম মনত আছে। তেখেত আছিল স্বৰ্গীয় সোণাৰাম বেজ। পাছত গুৱাহাটীলৈ আহি মই তেওঁক দেখিছিলোঁ। অসমৰ বাতৰিকাকতৰ ডেৰশ বছৰীয়া জয়ন্তীত এইবোৰ মানুহৰ অৱদানৰ কথা কোনোবাই সুঁৱৰি চাবনে? চোৱাৰ কিন্তু নিতান্তই প্ৰয়োজন আছে। যেনেদৰে প্ৰয়োজন আছে দি আসাম ট্ৰিবিউন কাকতৰ প্ৰথম মুদ্ৰক প্ৰয়াত কুঞ্জলাল থাপা আদিৰ দৰে মানুহক। কাৰণ, অসমৰ বাতৰিকাকত ছপাৰ ক্ষেত্ৰত এইবোৰ মানুহৰ অৰিহণাও নিঃসন্দেহে তাকৰ নহয়।

এই অসমীয়া কাকতখনতে মই কেইবাদিনো প্ৰকাশ পোৱা এটি বিজ্ঞাপন লক্ষ্য কৰিছিলোঁ। বিজ্ঞাপনটি কেইখনমান কিতাপৰ। চাৰিঅনা, আঠঅনা দামৰ সেই কিতাপবোৰৰ প্ৰাপ্তিস্থান আছিল গুৱাহাটিৰ 'দি নিউ প্ৰেছ', এতিয়া য'ত হেমকোষ প্ৰেছ প্ৰতিষ্ঠিত। বিজ্ঞাপনটিত লিখা আছিল যে অৰ্ডাৰ দিলে সেই কিতাপসমূহ ভি.পি. যোগে পঠোৱা হ'ব। কৌতূহলবশতঃ ভি. পি. বস্তুটো কি দেউতাৰপৰা জানি লৈ মই বোধকৰো কিতাপকেইখনৰ নাম পোষ্টকাৰ্ডত লিখি অৰ্ডাৰ এটা দিছিলোঁ। এদিন নিৰ্দিষ্ট সময়ত কিতাপৰ টোপোলাটো আহিছিল আৰু প্ৰয়োজনীয় পইচা দি দেউতাই সেইটো ৰাখিছিল। দেউতাই তেওঁৰ চকুৰ আগতে মোক টোপোলাটো খুলিবলৈ কৈছিল, ময়ো খুলিছিলোঁ। দেউতাই কথাটো ভাল পাইছিল।

কিতাপকেইখন কি আছিল আজি মোৰ মনত নাই। কিন্তু এখন কিতাপৰ নাম মোৰ মনত আছে। সৰু আকৃতিৰ, ত্ৰিশ পৃষ্ঠামানৰ সেই কিতাপৰ লেখকৰ নাম আছিল জয়প্ৰকাশ নাৰায়ণ। কিতাপৰ নাম 'সাম্যবাদ কি?' সাম্যবাদৰ লগত একীভূত হৈ পৰা সেইজনা স্মৰণীয় সাম্যবাদী নেতা জয়প্ৰকাশ নাৰায়ণ। ডাঙৰী হাইস্কুলৰ সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতে মোৰ দেউতাৰ সদাশিৱ বাগিচাৰ সৰু গেলামালৰ দোকানলৈ গুৱাহাটীৰপৰা ভি. পি. যোগে অনা কেইখনমান কিতাপৰ কথা মই উল্লেখ কৰিছোৱেই। সাম্যবাদ কি আৰু কিহৰ বাবে জয়প্ৰকাশ নাৰয়ণহঁতৰ দৰে মানুহে ইয়াৰ পোষকতা কৰিছিল, সেই বিষয়ে পাছতহে পঢ়ি-শুনি গম পাইছিলোঁ। স্বাধীন ভাৰতত কংগ্ৰেছৰ বিকল্প শক্তি হিচাপে তাহানিতে গঢ় লৈ উঠা সাম্যবাদী

আন্দোলনৰ হোতাস্বৰূপ জয়প্ৰকাশ নাৰায়ণৰ বিষয়েও ভালেখিনি পঢ়া-শুনা কৰি গম পাইছিলোঁ। অসমত এই ছ'ছিয়েলিষ্ট দলে এসময়ত কিছু ভিন্ন আদৰ্শ লৈ সজা ছ'ছিয়েলিষ্ট দল গঠন কৰিছিল। স্বনামধন্য সাহিত্যিক আৰু শিক্ষাবিদ স্বৰ্গীয় হেম বৰুৱা এই দলৰে অনুগামী আছিল। অসমৰ আন এজন সাম্যবাদী আন্দোলনৰ পোষকতা কৰা নেতা হ'ল স্বৰ্গীয় হৰেশ্বৰ গোস্বামী। এই দুয়োগৰাকী ৰাজনৈতিক নেতাক বিভিন্ন সময়ত ওচৰৰপৰা পোৱাৰ সৌভাগ্য মোৰ হৈছিল। তেওঁলোকৰ আদৰ্শ আৰু দলৰ প্ৰতি থকা আনুগত্য আৰু আত্মবিশ্বাসে মোক মুগ্ধ কৰিছিল।

ভাগুৰী বহুত দূৰৈতে থাকি গ'ল। এবছৰ ভাগুৰী হাইস্কুলত শিক্ষালাভ কৰি মই গুচি আহোঁ গুৱাহাটীলৈ। সেই বিষয়ে কোৱাৰ আগতে মই অকণমান থমকি ৰ'ব লাগিব।

আগতে উল্লেখ কৰিছো যে দ্বিতীয় মহাসমৰৰ জুয়ে উজনি অসমৰ ডুমডুমাক বাৰুকৈয়ে ছুই গৈছিল। বিশেষকৈ ডুমডুমাৰ ওচৰৰ চুকৰেটিং বিমানকোঠতসাময়িকভাৱে কাম কৰা যশস্বী কথা-সাহিত্যিক যোগেশ দাসে তেওঁৰ অভিজ্ঞতাৰপৰা 'ডাবৰ আৰু নাই' নামৰ উপন্যাসখন লিখিছিল। মই যদি ভুল কৰা নাই, যুদ্ধৰ পটভূমিত তেতিয়াৰ অৱক্ষয় সমাজব্যৱস্থাৰ ৰূপ চিত্ৰিত হোৱা সেইখনেই বোধহয় একমাত্ৰ অসমীয়া উপন্যাস। অথচ দ্বিতীয় মহাসমৰৰ পটভূমিত কিবা লিখাৰ তেতিয়াও বহু সমল নিশ্চয় আছিল। দ্বিতীয় মহাসমৰৰ লেলিহান শিখাই সমগ্ৰ অঞ্চলটোকে ছানি পেলোৱাত স্বাভাৱিকতে মানুহবোৰ ভীতিগ্ৰস্ত হৈ পৰিছিল। জীৱনৰ নিৰাপত্তা নোহোৱা হৈছিল। পুৱা-গধূলি মিলিটেৰি সৈন্যৰ দপ্‌দপনিৰে ৰাস্তা-ঘাট ভৰপূৰ আছিল। আমেৰিকান নিগ্ৰো সৈন্যৰ বীভৎসতা নানান ৰূপত প্ৰকাশ পাইছিল। বোধহয় মানুহ নিজৰ অস্তিত্বৰ ওপৰতো সন্দিহান হৈ পৰিছিল।

আমাৰ ডুমডুমাৰ ঘৰৰ পিছফালেই এতিয়াও অৱস্থিত ডুমডুমাৰ আটকধুনীয়া ইউৰোপিয়ান খেলপথাৰখন। যাৰ নাম এতিয়া ডুমডুমা টাউন স্কুল ফিল্ড। এই খেলপথাৰৰ দাঁতিতেই আছিল সেই চালে চকুৰোৱা কৃষ্ণচূড়া ফুলৰ গছেৰে পৰিবেষ্টিত ওখ-চাপৰ সেউজ, কেৱল সেউজ হৈ থকা ল'ন টেনিছ কৰ্টকেইখন। উইম্বলডন মই দেখা নাই, কিন্তু ডুমডুমাৰ সেই ল'ন টেনিছ কৰ্টৰ সৌন্দৰ্য মই উপভোগ কৰিছোঁ। সেইবোৰ এতিয়া নোহোৱা হ'ল। বোধহয় ছমুনিয়াহ কঢ়াৰ বাহিৰে এতিয়া উপায়ো নাই।

উল্লিখিত ইউৰোপিয়ান খেলপথাৰতে আমি প্ৰত্যক্ষ কৰিছিলোঁ বিয়াগোম

বিয়াগোম আকৃতিৰ এয়াৰক্ৰাফ্‌ট গানসমূহ। যেতিয়া সেইবোৰ সশব্দে ফুটোৱা হৈছিল, তাৰ ভয়াবহ শব্দ আৰু জোকাৰণিত আমাৰ প্ৰাণবায়ু ওলাই যোৱাৰ উপক্ৰম হৈছিল। ডুমডুমা অঞ্চলত সেইসময়ত প্ৰায় ঘৰতে ট্ৰেন্সৰ ব্যৱস্থা আছিল। যেতিয়াই বিপদসংকুল ছাইৰেণ বাজি উঠিছিল, আমি য'তেই নাথাকো, ট্ৰেন্সত সোমাই পৰিছিলোঁ। অল ক্লিয়েৰৰ ছাইৰেণৰ সংকেতধ্বনি নহালৈকে আমি ইংৰাজী জেদ আখৰৰ গঢ়েৰে সজোৱা ট্ৰেন্সৰপৰা ওলাই নাহিছিলোঁ। দিনটোত কেতিয়াবা তিনি-চাৰিবাৰলৈ ট্ৰেন্সত সোমোৱা আমাৰ মনত আছে।

এই হেন যুদ্ধৰ পৰিবেশে স্বাভাৱিকতে ডুমডুমা অঞ্চলৰ মানুহখিনিক ভীতিগ্ৰস্ত কৰি তুলিছিল। ফলস্বৰূপে ডুমডুমাৰ বহু স্থায়ী মানুহেও যুদ্ধৰ বিভীষিকাৰপৰা নিজকে আঁতৰাই ৰাখিবলৈ ঘৰ-বাৰী এৰি নিজৰ গাঁৱৰ ঘৰলৈ ঢাপলি মেলিছিল।

আমাৰ দেউতাও তাৰ ব্যতিক্ৰম নাছিল। যুদ্ধৰ অশান্তময় পৰিবেশৰপৰা আমাক শান্তি দিবলৈ গোটেই পৰিয়ালটোকে দেউতাই পঠিয়াই দিছিল আমাৰ গাঁৱৰ নিজা ঘৰলৈ। গাঁওখনৰ নাম সানেকুছি। গাঁৱৰ ঘৰত তেতিয়া মোৰ খুৰাদেউ স্বৰ্গীয় ডাঃ মানিক চৌধুৰী আৰু মাৰ বিধবা খুৰীদেউ এগৰাকীৰ বাহিৰে আন কোনো নাছিল।

কি হৈছে আৰু কি হ'ল বুজাৰ আগতে মই এদিন যেনেকৈ অচল টিউবৱেলৰ কাষেদি বগৰী গছৰ তলেদি ডাঙৰী হাইস্কুলৰ আৱিষ্কাৰ কৰিছিলো, ঠিক তেনেদৰে এদিন পথাৰৰ মাজে মাজে আহি এটা বৃহৎ পুখুৰীৰ কাষত থকা অতি সাধাৰণ স্কুলঘৰ এটাত প্ৰবেশ কৰিছিলোঁ। অতি সাধাৰণ, লেতেৰা সাজ-পাৰ পিন্ধা সেইবোৰ গাঁৱলীয়া ল'ৰা-ছোৱালীৰ মাজত থাকি মোৰ পঢ়া নিৰ্দিষ্ট হৈছিল। আন কথাত আমি গাঁৱত থকা সময়ছোৱাত মোৰ পঢ়া-শুনাৰ বাবে মোৰ খুৰাদেৱে সেইখন স্কুলতে মোক নাম লগাই দিছিল।

স্কুলৰ নাম মোৰ মনত নাই। শিক্ষকৰ নামো মনত নাই। কিন্তু চহৰত থকা ল'ৰা হিচাপে মই বোধহয় কিছু চাফ-চিকুণকৈ সাজ-পাৰ পিন্ধি শ্ৰেণীলৈ গৈছিলো। স্বাভাৱিকতে মোক ঘেৰি যিবোৰ ল'ৰা-ছোৱালী আছিল, প্ৰত্যেকৰে একোযোৰা ঘোপা চকু আছিল মোৰ ওপৰত। মই এই গাঁৱৰ স্কুলত প্ৰথম শ্ৰেণীত নাম লগাইছিলোঁ। কাৰণ, স্কুলত নাম লগোৱাৰ পাছতে মই সেই কথাটো দেউতাক চিঠি এখনেৰে জনাইছিলোঁ। দেউতাই মোৰ হাতৰ আখৰৰ সেইখিনি বহুদিনলৈ, সযত্নে ৰাখি থৈছিল।

এজন শিক্ষকে শ্ৰুতলিপি লিখিবলৈ দিয়া মোৰ মনত আছে। মই লিখোঁতে 'গগুণ' বানানটো ভুলকৈ লিখিছিলোঁ। তেতিয়া শিক্ষকগৰাকীয়ে খঙৰ ভমকত এই বুলি কৈছিল যে মই জীৱনত শগুণৰ বাহিৰে আন একো হ'ব নোৱাৰোঁ। আজি

ক'বলৈ দ্বিধা নাই, আন একো হ'ব নোৱাৰিলেও, শগুণ নিশ্চয় হোৱা নাই।

গাঁৱৰ প্ৰাইমাৰী স্কুলত বহিবলৈ ঢাৰি লৈ স্কুললৈ গৈছিলোঁ। মোৰ এজন পেহাদেউ আছিল। ঘৰ তেওঁৰ চমাৰকুছিত। বাঁহৰ কাম-কাজত তেওঁ বৰ পাৰ্গত আছিল। তেওঁ মোক মৰম কৰি বৰ ধুনীয়া ঢাৰি এখন সাজি দিছিল। আমাৰ ডুমডুমাৰ ঘৰত বহুদিনলৈ সেই ঢাৰিখন আছিল।

এটা কথা মই নিঃসংকোচভাবে ক'ব পাৰো যে গাঁৱৰ যিকণ মোৰ অভিজ্ঞতা, সেয়া এই সময়ছোৱাৰ অভিজ্ঞতাৰপৰাই সঞ্চিত হৈছে। আৰু মোৰ বিভিন্ন গল্প-উপন্যাসত সেই অভিজ্ঞতাৰে ব্যঞ্জনা হয়তো নানান ৰূপত প্ৰকাশ পাইছে। গতিকে গাঁৱৰ জীৱনভিত্তিত মোৰ লিখা কিয় বিস্তাৰিত নহয়, তাৰ সহজ উত্তৰ এইটোৱে।

এটা সময়ত গাঁৱৰপৰা আকৌ ডুমডুমালৈ উভতি আহিছিলোঁ। গাঁৱৰ জীৱনৰ সূক্ষ্ম দিশ মই তেতিয়াই অনুধাৱন কৰিছিলো। ডুমডুমালৈ উভতি আহি দেউতাই কিন্তু শান্তি পোৱা নাছিল। মোক লৈ তেওঁ গভীৰ চিন্তাত পৰিছিল। ডাঙৰীলৈ আকৌ মোক সমূলি পঠোৱাৰ ইচ্ছা নাছিল। সেই সময়ত ডুমডুমাত হাইস্কুল খোলাৰ উকমুকনি। দেউতাৰ বন্ধুসদৃশ দুই-এক লোকে কিছুদিন তেওঁক ধৈৰ্য ধৰিবলৈ উপদেশ দিছিল। ভাবটো এনেকুৱা, ডুমডুমাত যিহেতু হাইস্কুল হ'বই, চিন্তা কিহৰ?

দেউতাৰ কিন্তু চিন্তা হৈছিল।

আৰু বোধহয় সেই চিন্তাৰ আভাস তেওঁ কাকো দিয়া নাছিল। কোনেও নজনাকৈ দেউতাই ভিতৰি ভিতৰি এক আঁচনি পাঙিছিল।

কি সেই আঁচনি?

মোক গুৱাহাটীলৈ পঢ়িবলৈ পঠিওৱাৰ পৰিকল্পনা। সেই আঁচনি তেওঁ স্থিৰ কৰিছিল মোৰ এগৰাকী সৰু মামা অমৃত তালুকদাৰৰ লগত চিঠিৰে যোগাযোগ কৰি।

কেনেকৈ এইবোৰ ঘটনা সংঘটিত হ'ল মই ঠিক নেজানো, কিন্তু এদিন মই সবিস্ময়ে আবিষ্কাৰ কৰিলো যে এটা সাধাৰণ টিনৰ ছুটকেছসহ বিছনা-পত্ৰ লৈ মই আহি উপস্থিত হলোহি তিনিচুকীয়া ৰেল ষ্টেচনত। লগত মোৰ দেউতা আছিল. আৰু আছিল ডুমডুমাৰে ছামেদ নামৰ এগৰাকী ব্যবসায়ী। আন কথাত স্থিৰ হৈছিল, এই ছামেদৰ লগতে মোক পঠিওৱা হ'ব গুৱাহাটীলৈ।

ছামেদ তেওঁৰ নিজা কিবা কামত গুৱাহাটীলৈ আহিব আৰু দেউতাই মোক অকলশৰীয়াকৈ নপঠিয়াই তেওঁৰ লগতে পঠিয়াবলৈ সিদ্ধান্ত লৈছিল। এই ছামেদৰে ল'ৰা আব্দুল হক মোৰ ডুমডুমাৰ মধ্য ইংৰাজী স্কুলৰ সহপাঠী আছিল। আব্দুল

এতিয়া স্বয়ংসম্পূর্ণ ব্যৱসায়ী আৰু পিতৃৰ ব্যৱসায়িক কৌশলকে অৱলম্বন কৰি প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে।

মই নেজানিছিলো যে সেই যাত্ৰাই আছিল মোৰ ডুমডুমাৰ স'তে যোগাযোগ হেৰুৱাৰ শেষ-যাত্ৰা। কাৰণ, তাৰ পাছত স্কুল-কলেজৰ বন্ধৰ বাহিৰে তেনেদৰে আৰু ডুমডুমালৈ মোৰ যোৱা হোৱা নাছিল।

ডুমডুমা এৰি অহাৰ অকণমান আগৰ কথা নক'লে এই কাহিনী অসম্পূৰ্ণ হৈ ৰ'ব আৰু সেইটো হৈছে ডুমডুমাৰ তেতিয়াৰ বিখ্যাত মধ্য ইংৰাজী স্কুলৰ কথা। চমুকৈ যাক সংক্ষিপ্ত নামকৰণেৰে কোৱা হৈছিল মাইনৰ স্কুল বুলি। ডুমডুমাৰ এই মাইনৰ স্কুলখনৰ এক নিজস্ব ঐতিহ্য আছিল। মই আগতেই কৈছো যে ডুমডুমাত হাইস্কুলখনৰ প্ৰতিষ্ঠা হৈছিল বহু পাছত। কিন্তু উল্লিখিত মাইনৰ স্কুলখনৰ যথেষ্ট নাম আছিল। আমি যেতিয়া সেইখন স্কুলত পঢ়িছিলো, তেতিয়া সেই স্কুলৰ প্ৰধান শিক্ষক আছিল (স্বৰ্গীয়) সঞ্জীৱ বৰুৱা। এওঁৰ ঘৰ বিখ্যাত কমাৰকুছি গাঁৱত। শিক্ষক হিচাপে তেওঁৰ সুনাম সেই সময়ত জনাজাত আছিল। কামৰূপৰ উত্তৰাঞ্চলৰ বিখ্যাত গঙাপুখুৰী হাইস্কুলতো এওঁ প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। শিক্ষক হিচাপে জীৱনত দুগৰাকী শিক্ষকক মই বাঘৰ দৰে ভয় কৰিছিলো, তাৰে এগৰাকী হ'ল এই সঞ্জীৱ বৰুৱা আৰু আনগৰাকী হ'ল গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ স্বনামধন্য প্ৰধান শিক্ষক (প্ৰয়াত) অন্নৰাম বৰুৱা। এই অন্নৰাম বৰুৱাৰে দুহিতা শ্ৰীমতী ইৰা চৌধুৰী এতিয়াৰ ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ, কথা-সাহিত্যিক শ্ৰীৰবীন চৌধুৰীৰ পত্নী। ইৰাই ডুমডুমা মহাবিদ্যালয়ত প্ৰবক্তা হিচাপেও কাম কৰে।

ডুমডুমাৰ প্ৰাইমাৰী স্কুলত মই কেনেদৰে শিক্ষালাভ কৰিছিলো সেইটো খুব প্ৰয়োজনীয় কথা নহয়। কাৰণ ছাত্ৰ হিচাপে মই কোনোদিন মধ্যম স্তৰৰ ওপৰলৈ যাব পৰা নাছিলো। ডুমডুমাৰ মাইনৰ স্কুলত পঢ়োঁতে আমাৰ লগত এগৰাকী অতি চোকা ছাত্ৰী আছিল। নাম তেওঁৰ দীপালী বৰকাকতি। জনাজাত আছিল ঘৰুৱা নাম 'কুনু' বুলি। এই দীপালী বৰকাকতিয়েই এতিয়া সুপ্ৰতিষ্ঠিত মনস্তত্ত্ববিদ চিকিৎসক, গুৱাহাটী মেডিকেল কলেজৰ প্ৰাক্তন অধ্যক্ষা ডা° দীপালী দত্ত। জীৱনত মই 'পঢ়াত চোকা' এইষাৰ উক্তিৰ প্ৰথম উমান পাইছিলো কুনুৰ যোগেদি। কুনু যে চোকা, এই কথাষাৰৰ মই উমান পাইছিলো এদিন স্কুল পৰিদৰ্শন কৰিবলৈ অহা স্কুল পৰিদৰ্শকৰ প্ৰশ্ন এটাত। পৰিদৰ্শকে সুধিছিল : ছুগাৰ ইজ ছুইটছ বাট কুইনাইন ইজ ......। শ্ৰেণীত আমি কোনেও উত্তৰ দিব পৰা নাছিলো। কিন্তু কুনুৱে সাউৎকৰে থিয় হৈ উত্তৰ দিছিল : 'বিটাৰ' বুলি। সঁচাকৈয়ে কুনু চোকা ছোৱালী আছিল। তেওঁৰ পঢ়ুৱৈ

জীৱনতো সেই কৃতিত্ব ৰাখি গৈছিল। ক্লাছ ছিক্সৰ শেষ পৰীক্ষা ডিব্ৰুগড়ত দিবলৈ গৈ আমি যেতিয়া লিখাত ব্যস্ত আছিলো, কুনু তেতিয়া তাৰ বহু আগতে পৰীক্ষা হলৰ পৰা ওলাই অহা মোৰ স্পষ্ট মনত আছে।

দীপালীহঁতৰ ঘৰখন ডুমডুমাৰে এখন সুৰুচিসম্পন্ন আৰু সাংস্কৃতিক মনোভাবাপন্ন ঘৰ আছিল। পিছলৈ সেই ঘৰখনৰ নাম দিয়া হৈছিল 'ৰূপ কুটিৰ' বুলি। কিহৰ বাবে সেই নাম নেজানো। কিন্তু এইখন ঘৰৰপৰাই ওলাই আহিছিল অসমীয়া কাব্য-সাহিত্যৰ এটি জাকতজিলিকা নাম, শ্ৰীহৰি বৰকাকতি। কুনুৰ দেউতাক আছিল ডুমডুমাৰ ওচৰৰে বিছাকুপি নামৰ চাহ বাগিচাখনৰ বৰ কেৰাণী। নাম প্ৰয়াত হেম বৰকাকতি। এওঁৰে ভাতৃ সুৰেশ বৰকাকতি সেই বাগিচাৰে সৰু কেৰাণী আছিল। এওঁৰ ল'ৰা প্ৰফুল্ল বৰকাকতি মোৰ লগত মাইনৰ স্কুলত পঢ়িছিল। প্ৰফুল্লই পাছত কাকপথাৰ হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। কুনুৰ মাক এগৰাকী সমাজসেৱিকা আছিল। আমি দেখাত চুটি-চাপৰ মানুহগৰাকীয়ে ডুমডুমাৰ মহিলাসকলক লৈ সংগঠিত যিকোনো সভা-সমিতি বা সংগঠনমূলক কামত উৎসাহেৰে যোগ দিয়া দেখিছিলো। নাম আছিল অন্নপূৰ্ণা বৰকাকতি। কুনুৰ ককায়েক এজন গুৱাহাটীৰ দৈনিক ইংৰাজী কাকত দি আসাম ট্ৰিবিউনত বহুদিনৰ আগতে কিছুদিন কাম কৰিছিল বুলি শুনিছিলো। নাম আছিল তেওঁৰ প্ৰয়াত কৃষ্ণ বৰকাকতি। কুনুৰ আন এগৰাকী বায়েক, যাক আমি নিৰু বাইদেউ বুলি মাতিছিলো, তেৰোঁ কবিতা, গীত আদি ৰচনা কৰিছিল। নাম অঞ্জলি বৰুৱা। এগৰাকী ভনীয়েক মঞ্জুশ্ৰী শইকীয়া এতিয়াও সমাজসেৱী অনুষ্ঠান মন বিকাশ কেন্দ্ৰৰ লগত নিবিড়ভাৱে জড়িত। মই ডুমডুমালৈ গ'লে সমসাময়িক অসমীয়া সাহিত্যৰ বিষয়ে কুনুহঁতৰ ঘৰতে সম্যকভাৱে আলোচনা কৰিছিলো। বাবাইদা অৰ্থাৎ হৰি বৰকাকতিৰ মাধ্যমেদি কুনুহঁত তেতিয়া সমসাময়িক অসমীয়া সাহিত্যৰ স'তে বেছ পৰিচিত আছিল। সেইটোৱে কিছু কথা জনাত মোক নিশ্চয় তেতিয়া সহায় কৰিছিল।

ডুমডুমাৰ লগত অংগাংগী সম্পৰ্ক নথকা সত্ত্বেও কিছুমান মানুহ সৰু নগৰখনৰ যিকোনো সামাজিক-সাংস্কৃতিক কামৰ লগত জড়িত হৈ পৰা আমি বহুদিন লক্ষ্য কৰিছিলো। তেনে এজন মানুহ আছিল প্ৰয়াত আব্দুল হক চৌধুৰী। কিন্তু সমগ্ৰ ডুমডুমা অঞ্চলতে যি সুপৰিচিত আছিল ধন নামেৰে, ডুমডুমাৰপৰা এক কিল'মিটাৰমান আঁতৰত থকা ৰূপাই ছাইডিঙতে তেওঁৰ নিজা ঘৰ আছিল। কিন্তু দিনটোৰ সৰহভাগ সময় তেওঁ অতিবাহিত কৰিছিল ডুমডুমাতে। আমি মৰমতে মাতিছিলো 'ধন কাইটি' বুলি। এই ধন কাইটি আছিল ডুমডুমাৰ এগৰাকী অতি সুদক্ষ কৌতুক অভিনেতা।

ঐতিহ্যমণ্ডিত ডুমডুমা নাট্যমঞ্চত ধন কাইটিৰ বহু অভিনয়ে তেতিয়াৰ চাম দৰ্শকক যথেষ্ট আমোদ দিয়াৰ কথা শুনিছিলো। ধন কাইটিয়ে দুখন অসমীয়া বোলছবিত অভিনয়ো কৰিছিল। ছবি দুখনৰ নাম ড° ভূপেন হাজৰিকাৰ 'লটিঘটি' আৰু নলীন দুৱৰা পৰিচালিত 'ৰতনলাল'। ধন কাইটিৰ পত্নী ফানোৱাৰা বেগম এগৰাকী সুকবি আছিল। 'এল. চি. বাইটি' বুলি সম্বোধন কৰা এওঁৰ জীয়েক শৰীফা খাতুন চৌধুৰীয়েও কবিতা লিখিছিল। ডুমডুমালৈ গ'লে এল. চি. বাইটিৰ ঘৰত এসাজ পোলাও ভাত আৰু পদিনাৰ চাটনি খোৱা মোৰ এটা নিয়ম হৈ গৈছিল। এল. চি. বাইটিৰ কোনোবা এটা ল'ৰাৰ অন্নপ্ৰাসন মই কৰিছিলো। নাম মোৰ মনত নাই। ডুমডুমাৰ এনেবোৰ এৰাধৰা স্মৃতি মোৰ জীৱনৰ কিন্তু এটি এৰাব নোৱৰা অংগ। হ'ব পাৰে অতি সাধাৰণ। কিন্তু মোৰ জীৱন গঢ়াত সেইবোৰৰ অৱদান অলেখ।

জীৱন গঢ়িম বুলিয়েই বোধহয় নানান প্ৰতিকূল অৱস্থাৰ বিপৰীতে গুৱাহাটীলৈ আহিছিলো। গুৱাহাটী, নামটোতে কিবা এক অদ্ভুত যাদু যেন সোমাই আছিল। গুৱাহাটীৰ বিষয়ে তেতিয়া মই কিছু কিছু কথা পঢ়িছিলো, বিভিন্নজনৰ মুখত শুনিছিলো। সকলোবোৰ কথা কিবা সপোন যেন লাগিছিল। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ লগ লগোৱা দলং তেতিয়া হোৱাই নাছিল। দেউতাৰ লগত সৰুতে গাৱঁৰ ঘৰলৈ গুৱাহাটী হৈ পাৰ হৈছিলো ঠিকেই, কিন্তু সকলো ব্যৱস্থা আৰু পৰিবেশ সেই সময়ত আছুতীয়া আছিল। ফেৰীত উঠি পাণ্ডু, আমিনগাঁও কৰাৰ কথা মনত আছে। পিছলৈ পৰিত্যক্ত পাণ্ডু ষ্টেচন আৰু আমিনগাঁও জনহীন নিৰ্জন আবাসভূমিলৈ ৰূপান্তৰিত হোৱাও চকুত পৰিছিল।

আব্দুল ছামেদৰ লগত গুৱাহাটী মই সুকলমেই পাইছিলো। ছামেদ মানুহজন উদাৰ মনৰ মানুহ। ডুমডুমাৰপৰা আহোতে ট্ৰেইনত খাবলৈ তেওঁ প্ৰচুৰ খোৱা বস্তু লৈ আহিছিল। পৰঠা-মাংসৰপৰা আৰম্ভ কৰি আপেল-আঙুৰলৈ সকলো। যিহেতু মোৰ দায়িত্ব তেওঁ লৈ আহিছিল, গতিকে কোনো বিষয়তে মোৰ অসুবিধা হোৱাটো তেওঁ নিবিচাৰিছিল। তাতেই মই আব্দুলৰ সহপাঠী আছিলো। গতিকে সাৱধানতাও অলপ বেছি আছিল।

মনত আছিল এইকেইটা ষ্টেচনৰ নাম ঃ তিনিচুকীয়া, মাকুম, বৰহাপজান, হাঁহচৰা আৰু ডুমডুমা। এইবাৰ মোৰ মানসিক ভূগোলত অংকিত হ'ল ক্ষেত্ৰী, ডিগাৰু, পানবাৰী, পানীখাইটী আৰু গুৱাহাটী। গুৱাহাটী ষ্টেচনলৈ মোক আনিবলৈ [illegible] মোৰ বৰমামাৰ ল'ৰা শ্ৰীযোগেন্দ্ৰ নাথ তালুকদাৰ। যোগেনদাই ভাৰত চৰকাৰৰ

ৰাষ্ট্ৰীয় সঞ্চয় পুঁজিৰ সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰিছে। কলিকতা বিশ্ববিদ্যালয়ৰ ইতিহাস বিষয়ৰ স্নাতক আছিল তেওঁ। বিয়া কৰাইছিল 'ইলা ভনীটিলৈ মুকলি চিঠি'ৰ স্বানামধন্য লেখক তথা নগাঁৱৰ শংকৰ মিছনৰ জন্মদাতা ডাº ললিত কুমাৰ বৰুৱাৰ একমাত্ৰ দুহিতা শেৱালিক, যাক আমি মাতো 'ৰাণু' বৌ বুলি। ডাº বৰুৱা অসমীয়া কলা-সাহিত্যৰ একনিষ্ঠ সেৱক ডº বিৰিঞ্চি কুমাৰ বৰুৱাৰ ককায়েক আছিল। ভীমকৰ্মা নামে জনাজাত ডাº বৰুৱাক নগাঁৱত ঘড়ী নামেৰে চিহ্নিত কৰা হৈছিল, কাৰণ, ডাº বৰুৱা অতি সময়-সচেতন ব্যক্তি আছিল। বহুতে নেজানিব যে ডাº বৰুৱাই ছদ্মনামত নগাঁও অঞ্চলত সংঘটিত বিয়াল্লিছৰ স্বাধীনতা সংগ্ৰামৰ বিভিন্ন তথ্যপাতি সংগ্ৰহ কৰি সৰু সৰু কেইখনমান অতি মূল্যবান গ্ৰন্থ লিখি থৈ গৈছে। পাছত ইউৰোপৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি পোৱা অভিজ্ঞতা লৈও তেওঁ বৰ সুন্দৰ গ্ৰ- লিখি থৈ গৈছে। ক'বলৈ মোৰ সংকোচ নাই যে যেতিয়া স্কুলীয়া সময়ত বাত ৰি কাকতৰ আছুতীয়াকৈ ৰখা ল'ৰা-ছোৱালীৰ বাবে বিশেষ শিতানবোৰত লিখিছিলো, তেতিয়া বৰুৱাৰ বিয়াল্লিছৰ গণবিপ্লৱৰ পটভূমিত লিখা গ্ৰন্থকেইখনৰপৰাই সমল সংগ্ৰহ কৰিছিলো। কেৱল সেইবোৰকে সজাইছিলো গল্পৰ কথনভংগীৰে, যি আংগিকে পিছলৈ মোক গল্প-উপন্যাস লিখাত প্ৰভূত সহায় কৰিছে।

মই আজি মানুহ হৈছো গুৱাহাটীত থকা মোৰ দুই মামা প্ৰয়াত অভিৰাম তালুকদাৰ আৰু শ্ৰীঅমৃত তালুকদাৰৰ প্ৰত্যক্ষ সহায়-সহযোগত। মোৰ আন এগৰাকী মামা ৰঙিয়াত আছিল, নাম তেওঁৰ প্ৰয়াত ডাº উপেন্দ্ৰ মল্ল তালুকদাৰ। ৰঙিয়া অঞ্চলত অসমত তেওঁৰ জনপ্ৰিয়তা অপৰিসীম আছিল। মোৰ মামা প্ৰয়াত অভিৰাম তালুকদাৰ স্কুলসমূহৰ পৰিদৰ্শক আছিল। পঢ়া-শুনাত অতি চোকা আছিল, তদুপৰি সহজ-সৰল জীৱনবোধেৰে আদৰ্শ জীৱন গঢ়ি তোলাত চিৰদিন মনোনিবেশ কৰিছিল। মামাৰ পৰিয়ালটো বৃহৎ আছিল। ল'ৰা-ছোৱালীকেইটিক মামাই কিন্তু উপযুক্তকৈ গঢ়ি তুলিছিল। মামাৰ এগৰাকী ছোৱালী বঙাইগাঁৱৰ পেট্ৰো-ৰাসায়নিক গোটৰ উচ্চ পদবী বিষয়া কেপ্টেইন জে. এম. বুজৰবৰুৱাৰ মাতৃ। আন এগৰাকী অসমৰ বিশিষ্ট সাংবাদিক শ্ৰীসতীশ চন্দ্ৰ কাকতিৰ পত্নী ইত্যাদি।

মোৰ সৰু মামা শ্ৰীঅমৃত চন্দ্ৰ তালুকদাৰ এগৰাকী পুলিচ বিষয়া আছিল। কোনো আৰক্ষীয়ে গুৱাহাটীত যদিহে প্ৰথম মটৰ চাইকেল চলাইছিল সেইজন আছিল তেওঁ। তাৰ উপৰি মামাই সেই সময়ত ৰক্ষণ বিভাগৰ ফুটবল খেলুৱৈ হিচাপে সমগ্ৰ গুৱাহাটীতে প্ৰচুৰ নাম কৰিছিল। আৰক্ষী বিষয়া হিচাপেও সৰু মামাৰ বহু কৃতিত্বপূৰ্ণ কামৰ উদাহৰণ আছে। মামাৰ মুখতে সাধুকথাৰ দৰে আমি শুনিছিলো

কটন কলেজৰ পুৰণি কথা। সৌ সিদিনা কমলকুমাৰী বঁটা গ্ৰহণ কৰা কলা-সাংবাদিক শ্ৰীমতী অমিতা মালিকৰ স্বনামধন্য পিতৃ, ইংৰাজী সাহিত্যৰ সেই সময়ৰ প্ৰবক্তা পি. চি. ৰয়ৰ কথা। সৰু মামা কটন কলেজৰ সেই সময়ৰ 'কলেজ ব্লু' আছিল। গুৱাহাটীৰ সদৰ থানাৰ ও. চি. ইন্সপেক্টৰ হৈ থকাৰ সময়তেই মই বোধহয় সৰু মামাৰ লগত থাকি মোৰ গুৱাহাটীৰ স্কুলীয়া জীৱন আৰম্ভ কৰিছিলো।

গুৱাহাটীৰ স্কুলীয়া জীৱনৰ কথা ক'বলৈ ওলাওঁতে মই আকৌ অকণমান থমকি ৰৈ ডুমডুমা- ডাঙৰী-সদাশিৱ বাগিচাৰ কথা ক'ব বিচাৰিছো। সদাশিৱ বাগিচাখন আগতে উল্লেখ কৰিছো যে বিখ্যাত চাহখেতিয়ক নন্দেশ্বৰ চক্ৰৱৰ্তীৰ বাগিচা আছিল। মোৰ দেউতাই এই বাগিচাত দোকান চলাওঁতে বাগিচাখনৰ মেনেজাৰ হিচাপে আছিল প্ৰয়াত আনন্দেশ্বৰ চক্ৰৱৰ্তী। দেউতাৰ লগত এখেতৰ অতি সম্ভাৱ আছিল, যিটো আজিৰ দিনত কল্পনাই কৰিব নোৱাৰি এই কথাষাৰ। তেওঁৰ ৰৰপুত্ৰ শ্ৰীবিপিন চক্ৰৱৰ্তীয়ে সৌ সিদিনা পৰিয়ালসহ আহি মোৰ ঘৰত নিজে কৈ থৈ গৈছে। বাগিচাৰ মেনেজাৰ প্ৰয়াত চক্ৰৱৰ্তী সদায় আহি দেউতাৰ লগত বহি আড্ডা দিছিল। মেনেজাৰ বহিবৰ বাবে সেউজীয়া ৰং দিয়া বেতৰ চকী এখন দেউতাৰ দোকানত সুকীয়াকৈ আছিল। বহু দিনলৈ আমাৰ ডুমডুমাৰ ঘৰত সেইখন চকী আলফুলে সংৰক্ষিত হৈছিল। মেনেজাৰৰ বাবে তিনিচুকীয়াৰপৰা সুগন্ধি খাদ্যৰ যোগাৰ ৰখা হৈছিল। এই আনন্দেশ্বৰ চক্ৰৱৰ্তীৰে বৰ জীয়ৰী আছিল অমিয়া চক্ৰৱৰ্তী, আমি যাক অনিমা বাইদেউ বুলি সম্বোধন কৰিছিলো। এওঁ আছিল স্বনামধন্য ইতিহাসাচাৰ্য শ্ৰীহেৰম্বকান্ত বৰপূজাৰীৰ পত্নী। দেউতা গুৱাহাটীলৈ আহিলে অমিয়া বাইদেউৰ ঘৰলৈ যোৱা এটি নিয়মৰ নিচিনা আছিল। আব্দুল ছামেদৰ লগত গুৱাহাটীলৈ অহাৰ আগতে মই আৰু এবাৰ গুৱাহাটীলৈ আহিছিলো মোৰ অসুখ দেখুৱাবলৈ। সেই সময়ত ডুমডুমাত মোক মেলেৰিয়া জ্বৰে বাৰুকৈয়ে ধৰিছিল। উপায়হীন হৈ দেউতাই গুৱাহাটীলৈ লৈ আহিছিল। উদ্দেশ্য বিখ্যাত চিকিৎসক ডা° ভুৱনেশ্বৰ বৰুৱাৰ হতুৱাই চিকিৎসা কৰোৱা। কিন্তু মোৰ স্পষ্ট মনত আছে যে গুৱাহাটী আহি পোৱাৰ পিছদিনাই মোৰ কঁপি কঁপি এনে জ্বৰ উঠিছিল যে উপায়হীন হৈ ওচৰতে থকা চিকিৎসক প্ৰয়াত ডা° ঘনশ্যাম দাসক মাতি আনি দেখুৱাবলৈ বাধ্য হৈছিল। মই সেইবাৰ আহি অসুখ দেখুৱাবলৈ ডাঙৰ মামাৰ ঘৰতে আছিলো। মামাৰ তৎপৰতাতে সেইবাৰ চিকিৎসা হৈছিল।

দেউতাই ভয় খোৱাৰ আন এটি কাৰণো আছিল। কাৰণ, এই সদাশিৱ বাগিচাতে মোৰ একমাত্ৰ ককাইদেউৰ মৃত্যু হৈছিল। তেওঁৰ নাম আছিল প্ৰমোদ চৌধুৰী। মোৰ

দৰে তেৰোঁ ডাঙৰী হাইস্কুলত পঢ়িছিল। ফুটবল বৰ ভাল খেলিছিল। ছবিও ভাল আঁকিছিল। ভাৰতবৰ্ষৰ মানচিত্ৰখন বিভিন্ন ৰঙেৰে তেতিয়াই আঁকি পঢ়া টেবুলৰ সন্মুখত আঁৰি থৈছিল। এদিন ফুটবল খেলি স্কুলৰপৰা হঠাতে আহি ককাইদেউ বিছনাত পৰিছিল। ককাইদেউৰ মুখত বহু পাছত এলানি পৰুৱাৰ শোভাযাত্ৰা লক্ষ্য কৰিছিলো। মই যিমানে সেই পৰুৱাৰ লানিটো আঁতৰাবলৈ যত্ন কৰিছিলোঁ সিমানেই তাৰ সংখ্যা বাঢ়ি গৈছিল। পাছত জানিছিলো ককাইদেউৰ মৃত্যু হৈছে। ছেৰিব্ৰেল মেলেৰিয়া।

এজোপা ঔ গছৰ তলত ককাইদেউৰ মৃতদেহৰ সৎকাৰ কৰা হৈছিল। ডিব্ৰুগড়ৰ তেতিয়াৰ বিখ্যাত চিকিৎসক ডাঃ ফণী ঘোষকো দেউতাই আনিছিল। ককাইদেউৰ মৃত্যুৱে দেউতাক চৰম আঘাত দিছিল। এই আঘাতৰপৰা উদ্ধাৰ পাবলৈ দেউতাৰ বহুদিন লাগিছিল। বেছি কোৱা নহ'ব, যদি কওঁ যে দেউতাই এসময়ত সদাশিৱ বাগিচাৰ দোকানখনকে এৰি দিছিল, তাৰ একমাত্ৰ কাৰণ আছিল ডাঙৰী ষ্টেচনৰপৰা সদাশিৱ বাগিচাৰ দোকানলৈ আহ-যাহ কৰোঁতে তেওঁ সদায় সেই ঔগছজোপাৰ কাষেদি পাৰ হৈ আহিবলগীয়া হৈছিল। মোক বহুতে এতিয়াও সৰু সৰু কথাত 'ছেণ্টিমেণ্টেল' বুলি ক'ব খোজে, মোৰ দেউতা বোধহয় মোতকৈয়ো বেছি ছেণ্টিমেণ্টেল আছিল। আমি অতি সাধাৰণ লেখক। ছেণ্টিমেণ্টেই আমাৰ ঘাই উপজীৱ্য। কিন্তু এই কথা কাক কেনেকৈ বুজাম? যেনেদৰে হয়তো বুজাব নোৱাৰো সদায় প্ৰাতঃভ্ৰমণ কৰোঁতে ক'ৰবাত কাৰোবাৰ পদূলিমুখত থকা গুলঞ্চ ফুল এজোপাৰ মাত্ৰ এপাহ গুলঞ্চ ফুল মই কিয় আলফুলে বুটলি আনো! ....

অতি আচৰিতভাৱে, হয়তো আকস্মিক ঘটনা সংযোগৰ দৰে, মই গুৱাহাটীলৈ পঢ়িবলৈ আহি সৰু মামাৰ যিটো ঘৰত আছিলো, তাৰ সন্মুখতো এজোপা লহপহীয়া গুলঞ্চ ফুলৰ গছ আছিল। আমাৰ ডুমডুমাৰ ঘৰৰ সন্মুখত মাত্ৰ এজোপা হেলনীয়া গুলঞ্চ ফুলৰ গছ এসময়ত আছিল আৰু সেই গছৰ তলতে বহি মই এদিন আৱিষ্কাৰ কৰিছিলো মোৰ 'চামেলি মেমচাব' কাহিনীটোৰ নায়ক বাৰ্কলে চাহাবক, যাক ডুমডুমাত সকলোৱে 'পাগলা চাহাব' বুলি আখ্যা দিছিল। মোৰ কাহিনীটোত মই উল্লেখ কৰা পাগলা চাহাবক দেখি ওৰণি টানি ঘৰৰ ভিতৰ সোমাই যোৱা মানুহগৰাকী মোৰ মা। নক'লেও হ'ব যে বাৰ্কলে চাহাবক তেতিয়া সকলোৱে এটি অশুভ মানুহ হিচাপে গণ্য কৰিছিল। কাৰণ, গল্পৰ নায়িকা চামেলিয়ে আত্মহত্যা কৰিছিল আৰু তাৰ বাবে সৰ্বসাধাৰণে দোষী বুলি ভাবি লৈছিল বাৰ্কলে চাহাবক। কিন্তু সেইটো যে অমূলক, বৃথা ধাৰণা, সেই কথাটোকে মই কাহিনীটোত ফঁহিয়াবলৈ যত্ন কৰিছিলো।

গুৱাহাটীত সৰু মামা তেতিয়া পাণবজাৰ সদৰ থানাৰ অফিচাৰ ইনচাৰ্জ আছিল। স্বাভাৱিকতে মামা তেতিয়া পাণবজাৰৰ পুলিচ কোৱাৰ্টাৰত বাস কৰিছিল। কোৱাৰ্টাৰটো পাণবজাৰৰ ৰোমান কেথলিক গির্জাৰ সম্মুখতে আছিল। কোৱাৰ্টাৰটোত মোৰ লগত সেই সময়ত মোৰ বৰ মামাৰ এজন ল'ৰাও আছিল। নাম তেওঁৰ ড° অমৰেন্দ্ৰ নাথ তালুকদাৰ। এওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানৰ প্ৰবক্তা আছিল। আচলতে সৰু মামা মানুহজন এক সুকীয়া ব্যক্তিত্বৰ মানুহ। আগতেই কৈছো যে মামা মোৰ বৰ ভাল ফুটবল খেলুৱৈ আছিল। ফুটবলৰ নামত মামা বৰ আগ্ৰহী আছিল। ইংলেণ্ডৰ বিখ্যাত ক্ৰিকেট আৰু ফুটবল খেলুৱৈ ডেনিছ কম্পটন এবাৰ গুৱাহাটীলৈ আহোতে মামাই তেওঁৰ বিৰুদ্ধে খেলিছিল। মই যেতিয়া ডুমডুমাৰপৰা পঢ়িবলৈ আহিছিলো, তেতিয়া ক্ৰিকেট খেলৰ অ আ ক খ মই একেবাৰে নাজানো। কাৰণ ডুমডুমাত ক্ৰিকেট খেলৰ কোনো আয়োজনেই নাছিল। যদিও চাহ চাহবাগিচাবোৰত সাধাৰণতে ইউৰোপিয়ান চাহাবৰ পয়োভৰ আছিল। কিন্তু কিয় জানো তেওঁলোকে ক্ৰিকেট খেল নেখেলিছিল, সেইটো মই নাজানো। আগতে উল্লেখিত ডুমডুমাৰ আধুনিক আঁটকধুনীয়া ইউৰোপিয়ান ক্লাবৰ সম্মুখতে থকা খেল পথাৰখনত তেওঁলোকে ফুটবল খেলাহে মই দেখিছিলো। সেই ফুটবল খেল মই নিজেও উপভোগ কৰিছো। শনিবাৰে শনিবাৰে অনুষ্ঠিত হোৱা ক্লাব ডে'ৰ দিনা চাহাববোৰে সেউজীয়া সেউজীয়া বেতৰ চকীবোৰত ঘূৰণীয়াকৈ বহি খেল উপভোগ কৰা মই প্ৰত্যক্ষ কৰিছিলো। সুসজ্জিত ক্লাবৰ বিয়েৰাবোৰে ডাঙৰ ডাঙৰ ট্ৰেত আনি দিয়া বিয়েৰৰ গিলাচত চুমুক দি চাহাববোৰে উপভোগ কৰিছিল সেই খেল। আমাৰ তেতিয়া লক্ষ্য আছিল ফুটবল খেলতকৈয়ো চাহাবে মুখৰপৰা পেলিয়াই দিয়া বৰফৰ টুকুৰাবোৰলৈ। সেউজীয়া ঘাঁহনিত পৰি নিমিষতে গলি যোৱা বৰফৰ টুকুৰা আলফলে মুখলৈ নিয়াৰ স্মৃতি এতিয়াও সজীৱ হৈ আছে। সেই সময়ত ফ্ৰীজ আমি দেখাই নাছিলো। এই কথাও শুনিছিলো যে বৰফৰ ঝুঠা নাই। ডুমডুমা ক্লাবৰ লগত এটি ছবিঘৰো আছিল বুলি মই আগতেই উল্লেখ কৰিছো। ছবিঘৰত সাধাৰণতে ইংৰাজী ছবিয়ে প্ৰদৰ্শিত হৈছিল তেতিয়াই পোষ্টাৰত নাম দেখিছিলো গ্ৰেটা গাৰ্বোৰ, কেথৰীণ হেপবাৰ্ণৰ, মেৰীলিন মনৰ'ৰ, জেমছ ষ্টুৱাৰ্টৰ , গ্ৰেগৰী পেকৰ, জেমছ মেছন আদিৰ। সেইবোৰ যে অতি বিখ্যাত চিত্ৰতাৰকা সেইটো পাছতহে বুজি পাইছিলো।

ডুমডুমা ক্লাবৰ কথা কওঁতে মোৰ সৰু অভিজ্ঞতা এটিৰ কথা এতিয়াও মনত পৰি হাঁহি উঠে। ক্লাবৰ যিটো ছবিঘৰত ছবি প্ৰদৰ্শন হৈছিল, সেই ছবিঘৰটোৰ বৰ বৰ দৰজাবোৰত বতাহ অহা-যোৱা কৰিবৰ বাবে কিছুমান বৃত্তাকাৰৰ জালদিয়া

জাওৰ ফুটা আছিল। লুকাই-চুৰকৈ প্ৰদৰ্শিত ছবি চাবলৈ গৈ সেই ফুটাৰে ভিতৰলৈ জুমি চোৱা মোৰ মনত আছে। পৰ্দাৰ ছবি স্বাভাৱিকতে দেখা পোৱা নাছিলো। কিন্তু দেখিছিলো বহি থকা মেমবোৰৰ উদং বা স্কীন কালাৰৰ দীঘলীয়া মোজা পিন্ধি নচুৱাই থকা বগা ভৰিবোৰ। সেই সময়ত সেইটোকে চিনেমা বুলি ভাবিছিলো। এদিন হঠাতে তেনেদৰে জুমি চাই থাকোতে কোনোবা এজনে মোৰ কাণত ধৰা গম পালো। উভতি চাই দেখিলো দেউতা। একে লৰে ভয়ত ঘৰ পাইছিলো।

ক্ৰিকেট মই সৰু মামাৰপৰাই শিকিছিলো। মামা থকা কোৱাৰ্টাৰৰ ভিতৰ চোতালত এজোপা বেল গছ আছিল। সেই বেলগছৰ তলতে বাঁহৰ লাখুটিৰে ষ্টাম্প কৰি সাধাৰণ কাঠৰপৰা কাটি উলিওৱা বেটেৰে ক্ৰিকেট খেলিবলৈ শিকিছিলো। শিলগুটি কাগজেৰে মেৰিয়াই ওপৰত ফটা কাপোৰেৰে বান্ধি লৈ সাজি উলিয়াইছিল ক্ৰিকেট বল। মামাই মোক ক্ৰিকেটৰ বিভিন্ন পজিশ্যন বুজাই দিছিল। বুজি পাইছিলো কোনটো গালী, ফাইন লেগ, চিলী মিডন বা মিড অফ। পিছলৈ মই ক্ৰিকেট সম্পৰ্কে প্ৰচুৰ পঢ়া-শুনা কৰিলেও কোনোদিনে মই সঁচা ক্ৰিকেট বেট আৰু বল ছুই পোৱা নাই অথচ গুৱাহাটীলৈ যেতিয়া টেলিভিশ্যন অহাই নাছিল, তেতিয়াই মই অসমবাণী কাকতত বিল লৰীৰ অধিনায়কত্বত অহা অষ্ট্ৰেলিয়া ক্ৰিকেট দলৰ ভাৰতত খেলা খেলসমূহৰ পৰ্যালোচনা মাত্ৰ অনাতাঁৰ ধাৰা বিবৰণী শুনিয়েই লিখি পেলাইছিলো। শিৰোনামা দিছিলো ঃ 'বিল লৰী বনাম ভাৰত'। পাছত মই প্ৰত্যক্ষ কৰিছো ইডেন গাৰ্ডেনৰ ভাৰত-ৱেষ্ট ইণ্ডিজৰ টেষ্ট খেল। ব্যক্তিগতভাৱে লগ পাইছো ক্ৰিকেটৰ মহানায়ক সুনীল মনোহৰ গাভাস্কাৰক আৰু বহুত নামী-দামী ক্ৰিকেটাৰক।

মই আগতে উল্লেখ কৰিছো যে সৰু মামা মোৰ জীৱনৰ ফ্ৰেণ্ড, ফিলোছফাৰ আৰু গাইডৰ নিচিনা আছিল। মই তেতিয়া স্কুলত পঢ়ো। ঠিক সেই সময়ত ভাৰতলৈ গডাৰৰ অধিনায়কত্বত ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দল খেলিবলৈ আহিছিল। ভাৰতীয় দলৰ অধিনায়ক আছিল লালা অমৰনাথ। ৱেষ্ট ইণ্ডিজ দলত তেতিয়া আছিল সেই দুৰ্ধৰ্ষ বেটছমেন এভাৰটন উইকছ যি ভাৰতত খেলা প্ৰায় প্ৰতি খেলাত চেঞ্চুৰি কোবাবলৈ সক্ষম হৈছিল, ষ্টলী মেয়াৰ, এলান ৰে, ভেলেইটাইন, ক্লাইভ ৱালকৰ্ট আদি। যিহেতু মই নতুনকৈ ক্ৰিকেট খেলৰ প্ৰেমত পৰিছিলো, স্বাভাৱিকতে জানিবলৈ মোৰ আগ্ৰহ আছিল অত্যধিক। পাণবজাৰৰ তেতিয়াৰ কামাখ্যা হোটেলৰ তলত হিন লেদাৰ ৱৰ্কছ নামৰ এখন দোকান আছিল। সেই দোকানখনলৈ মই স্কুলৰপৰা আহিয়ে সদায় তেতিয়াৰ বিখ্যাত কলিকতীয়া দৈনিক ইংৰাজী কাকত 'দি হিন্দুস্থান

ষ্টেণ্ডার্ড'খন পঢ়িবলৈ গৈছিলো। মই লক্ষ্য কৰিছিলে যে সেইখন কাকতত ফটোসহ খেলৰ বাতৰি বৰ সুন্দৰভাৱে পৰিবেশন কৰিছিল। মামাই সদায় স্কুলৰপৰা আহি মোক ক'ৰবালৈ ওলাই যোৱা দেখি সাধাৰণ পুলিচী অনুসন্ধিৎসু উৎকণ্ঠাৰে মামীদেউক সুধিছিল মই সদায় ক'লৈ যাওঁ। মামীয়ে সঠিক উত্তৰ দিব পৰা নাছিল। কেৱল মোকহে সকীয়াই দিছিল যে মামাই মোৰ খবৰ কৰিছে। মই বুজি পোৱা নাছিলো। এনেতে এদিন একেধৰণে সেই দোকানখনত হিন্দুস্থান ষ্টেণ্ডার্ডখন চাই ঘৰলৈ উভতি আহোতে দেখিলো, মামা গেটৰ মুখত। গেটখন তেওঁ মোক নিজে খুলি দিছিল। কিছু সময় পাছত ভিতৰলৈ আহি মোক বহুৱাই লৈ প্ৰশ্ন কৰিছিল ঃ ক'লৈ গৈছিলা?' মই সঁচা কথাকে কৈছিলো। মামাৰ পৰৱৰ্তী প্ৰশ্ন আছিল, ঘৰত দেখোন আসাম ট্ৰিবিউন আছেই। তালৈ কিয় যাব লাগে।

ভয়ে ভয়ে মামাক মই কৈছিলো যে সেইখন কাগজত খেলৰ বাতৰিখিনি বৰ সুন্দৰভাৱে প্ৰকাশ পায়। গতিকেই কাগজখন পঢ়িবলৈ যাওঁ।

মামাই একো নক'লে।

পিছদিনাখনৰপৰা মই দেখিলো, মামাৰ ঘৰত হকাৰে হিন্দুস্থান ষ্টেণ্ডার্ড কাকতখন দি গৈছে। হকাৰটোক সুধি গম পালো যে চাহাবে দিবলৈ কৈছে।

মই হাততে সৰগ পোৱা যেন হ'ল। সেইদিনা সন্ধিয়া থানাৰপৰা আহি মামাই সুধিছিল ঃ 'কাগজখন দিছেনে?'

মই মূৰ জোকাৰিছিলো। পাছত দেখিলো, সেই কাগজ মামাৰো প্ৰিয় হৈ উঠিছিল। বিশেষকৈ আমাৰ 'কাহুদী' বা 'সময়ৰ শৰ'ৰ লেখীয়াকৈ লিখা 'হোমা' নামাংকিত এটি লঘু শিতান। পাছত গম পাইছিলো যে সেই শিতানটি তেতিয়া 'থমাছ বাৰ্লি' নামৰ এজন ইংৰাজ সাংবাদিকে লিখিছিল। ইংৰাজী থমাছ বানানটোৰ প্ৰথম 'টি'টো আৰু শেষৰ 'এছ'টো বাদ দিলে হৈ পৰেগৈ 'হোমা'। অকল সেইটোৱে নহয়। মামাই কিছুমান গানো বৰ ভাল পাইছিল। সদায় শুই পৰাৰ আগে আগে মামাৰ সৰু গ্ৰামোফোনটোত বজাইছিল ৭৮ এম এমৰ স্বৰ্গী জগন্ময় মিত্ৰৰ সেই গীতটি ঃ ঘুমাও ঘুমাও ....। সেই গীত শুনি মামা শুই পৰিছিল।।

জগন্ময় মিত্ৰৰ দৰদী কণ্ঠৰ ঘুমাও ঘুমাও গীত শুনি শুনি সৰু মামা টোপনিৰ আবেশত মগ্ন হৈছিল ঠিকেই, কিন্তু সচেতন, সন্ধানী মনেৰে মোক প্ৰশ্ন কৰিবলৈ পাহৰি যোৱা নাছিল। সেইদিনাৰ খেলত কি হ'ল? যদিহে ইণ্ডিয়াই ফিল্ডিং কৰে, পৰৱৰ্তী প্ৰশ্ন, উইকেট কোনে পাইছে? ফাডকাড় নে মানকাড়ে। যদিহে বেটিং কৰে, প্ৰশ্ন কৰে, ইব্ৰাহীমে অপেন কৰিছে নে মুস্তাক আলীয়ে। ৰুণী মোদীৰ কিমান ৰাণ

হৈছে? অর্থাৎ তেতিয়াৰ ভাৰত - ৱেষ্ট ইণ্ডিজৰ টেষ্ট ছিৰিজৰ সকলো কথাৰ মই তেওঁৰ সম্মুখত উত্তৰ দিব লাগিব।

সৰু মামা মানুহজনেই আছিল তেনেকুৱা, অৰ্থাৎ সকলো সময়তে সদায় সতৰ্ক শিক্ষকৰ দৰে সকলো দিশত সজাগ। মই যিহেতু ক্ৰিকেট খেলাত অত্যুৎসাহী হৈ দেখুৱাইছিলো, তাৰ উপযুক্ত প্ৰমাণ চাব খুজিছিল। মামাৰ সেই সৰু গ্ৰমোফোনটোত তেতিয়াৰ প্ৰচলিত ছেভেন্টি এইট স্পীডৰ আৰু বহু ৰেকৰ্ড শুনাৰ সৌভাগ্য মোৰ হৈছিল। মিঞা তানসেনৰ গীতৰপৰা আঙুৰবালা ঘোষ, কানন দেৱী, আমাৰ অসমৰ ভূপেন হাজৰিকা। পুৰণি গীতৰ চেনোলাত গোৱা ৰেকৰ্ড মই তেতিয়াই শুনিছিলো। শুনিছিলো গান্ধীজীৰ নাৰকীয় হত্যাকাণ্ডৰ পাছত মহম্মদ ৰফীয়ে গোৱা তেতিয়াৰ জনপ্ৰিয় গীত ‘শুনো শুনো এ দুনিয়া ৱালে বাপুজী কা অমৰ কাহিনী’ৰ পৰা আমাৰ কমলনাৰায়ণ চৌধুৰীয়ে গোৱা সেই একে পটভূমিত ৰচিত আৰু সুৰ সংযোজিত অপূৰ্ব গীত ‘দিল্লী নগৰী তেজেৰে ৰাঙলী শোকে বুকু দহি যায়’ আদি গীতলৈ। এটা কথা কোৱা ভাল হ’ব যে সৰু মামা যিহেতু সদৰ থানাৰ উচ্চ পদস্থবিষয়া আছিল, গতিকে তেওঁ এখন স্লিপ লিখি দিলেই গুৱাহাটীৰ ছবিঘৰত মোৰ প্ৰবেশত কোনো বাধা নাছিল। সেই সময়ত মামাই ঘাইকৈ কেলভিন ছবিঘৰৰ কোনোবা প্ৰতুল বাবুলৈ লিখি দিয়া মোৰ এতিয়াও মনত আছে। তেতিয়াই উপভোগ কৰিছো বহু দেশী-বিদেশী ছবি। সেই সময়ত ছবি মাত্ৰ চকুৰ তৃপ্তিৰ বাবেই চাইছিলো। ভবা নাছিলো, সেয়াও কেতিয়াবা মোৰ জীৱনধাৰণৰ বৃত্তিৰ এটি অংগস্বৰূপ হৈ পৰিব পাৰে। সেই কথাও পাছত ক’ম।

ডুমডুমা এৰি অহাৰ আগতেই মই ডুমডুমাৰ মাইনৰ স্কুলখনৰ কথা আৰু অকণমান ক’ব খুজিছো। মই আগতে কৈছো যে আমি পঢ়োতে সেই স্কুলখনৰ প্ৰধান শিক্ষক আছিল প্ৰয়াত সঞ্জীৱ বৰুৱা। গাঁৱৰ শিক্ষক হিচাপে তেওঁৰ তুলনা নাছিল। কিন্তু তেওঁ ইমান কঠোৰ আছিল যে সেয়াও কেতিয়াবা মাত্ৰাধিক যেন লাগিছিল। তেওঁৰ হাতত মই কোব খোৱাৰ কথাও মনত আছে। কোনোদিন তেওঁ মোৰ ভবিষ্যৎ উজ্জ্বল বুলি ভবা নাছিল। কিন্তু পাছলৈ যেতিয়া মই লিখি-মেলি যথেষ্ট নাম কৰি পেলাইছিলো আৰু সমগ্ৰ অসমে যেতিয়া মোক জানি উঠিছিল, তেতিয়া এই সঞ্জীৱ বৰুৱাই কমাৰকুছি গাঁৱৰ তেওঁৰ ঘৰৰপৰা মই ফুৰিবলৈ যোৱা মোৰ খুৰাদেউ এজনৰ ঘৰলৈ আহি কৈছিলহি ঃ তোলৈ এখন আসাম ট্ৰিবিউনৰ ঠিকনাত মই চিঠি দিম।

দিছিল। এদিন চিঠিখন পাইছিলো। সেই চিঠিত তেওঁ জনাইছিল যে শিক্ষক

হিচাপে তেওঁৰ অভিজ্ঞতাক তেওঁ লিপিবদ্ধ কৰিব খোজে। মই সহায় কৰি দিব লাগে। বোধহয় ইতিবাচক উত্তৰেই দিছিলো। কিন্তু সেই কল্পনা তেওঁৰ সফল হৈ নুঠিল।

মই ডুমডুমাৰ মাইনৰ স্কুলত অভিনয় কৰিছিলো। নাটকৰ নাম ঃ 'একলব্য'। উল্লেখ কৰিব পাৰো যে নাটকখনৰ দ্ৰোণাচাৰ্যৰ ভাওত অভিনয় কৰিছিল উক্ত সঞ্জীৱ বৰুৱাই। নাটকখন পৰিচালনাও কৰিছিল তেওঁ নিজে। মই বোধহয় ভাল অভিনয়ে কৰিছিলো। কাৰণ, মোৰ নামত কোনোবাই মেডেল এটা দিয়াৰ কথাও ঘোষণা কৰা হৈছিল। এই নাট অভিনয়ৰ সময়ৰে কথা ঃ .মোৰ দেউতা বোধহয় দৰ্শকৰ শাৰীত আছিল। বাধ্য ল'ৰা, যিহেতু মই একলব্য, গতিকে অভিনয় কৰোতে গাত কোনো চোলা নিপিন্ধি শুদা গাৰে ওলাইছিলো। কিন্তু দেউতাই বোধহয় লক্ষ্য কৰিছিল যে মই ঠাণ্ডাত কিছু কষ্ট পাইছো। সেই কথা তেওঁ আধৰা ঘৰৰ ভিতৰলৈ আহি হেডমাষ্টৰক জনাইছিল। পিছৰ দৃশ্যৰপৰা বাধ্য ল'ৰা একলব্যই বটলগ্ৰীণ ৰঙৰ হাফ ছুৱেটাৰ পিন্ধি ওলাইছিল।

এই মাইনৰ স্কুলৰ এগৰাকী শিক্ষকৰ কথা নক'লে ডুমডুমাৰ কাহিনীয়ে অসম্পূৰ্ণ হৈ ৰ'ব। নাম তেওঁৰ শ্ৰীকুমুদ চন্দ্ৰ মহন্ত। অতি সুন্দৰ শিল্পীসুলভ হাতৰ আখৰেৰে এওঁ প্ৰচুৰ পঢ়া-শুনাও কৰিছিল। পাছত এওঁ উত্তৰ-পূব ৰেলত টিকেট চেকাৰৰ কাম কৰি অবসৰ লৈছিল। ডুমডুমাৰপৰা কেতিয়াবা তিনিচুকীয়া অথবা ডিব্ৰুগড়লৈ ৰেলেৰে গ'লে কুমুদ মহন্ত ছাৰৰ লগত দেখাদেখি হৈছিল। আত্মবোধে তেওঁ আনি প্ৰথম শ্ৰেণীৰ ডবাত বহুৱাই দিছিল। সেইসময়তে তেওঁৰ দীঘলীয়া খাকী ইউনিফৰ্মৰ পকেটত মই যিকোনো গল্প, উপন্যাস বা ইংৰাজী থ্ৰীলাৰৰ কিতাপ দেখিছিলো। জীৱনত মই পকেট বুকো প্ৰথম তেওঁৰ হাততে দেখা পাওঁ। এই কুমুদ মহন্তই ডুমডুমাত প্ৰথম বিহু সন্মিলনী পতাৰো গুৰি ধৰোতা আছিল। কিন্তু কোনোদিন কেতিয়াও তেওঁ মোৰ ওপৰত ভাল ছাত্ৰ হিচাপে আস্থা ৰখা নাছিল। এই কথা তেওঁ দেউতাকো কৈছিল। এই ডুমডুমাৰ মধ্য ইংৰাজী স্কুলত এতিয়াৰ যশস্বী কবি শ্ৰীহৰি বৰকাকতিয়েও কিছুদিন কাম কৰিছিল। কোনো পৰীক্ষা দি উঠি অবসৰ সময়কণ কটোৱাৰ বাবে হয়তো তেওঁ তেনেদৰে কামত সোমাইছিল। পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা দৰ্শন শাস্ত্ৰত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উত্তীৰ্ণ হোৱা হৰি বৰকাকতি, যাক আমি 'বাৱাইদা' বুলি সম্বোধন কৰো, ডুমডুমাৰ সাংস্কৃতিক জীৱনতো কিছু অৱদান আছে। কবি হিচাপে নিঃসন্দেহে আধুনিক অসমীয়া কাব্য সাহিত্যৰ তেওঁ এগৰাকী অগ্ৰণী কবি। কোনে পাহৰিব পাৰে তেওঁৰ কবিতা 'কোনোবা শীতৰ এটি বগা সন্ধিয়াত'। এবাৰ অসমবাণীৰ বাবে মই কবিতা এটা বিচাৰোতে লিখিছিল ঃ

'জ্ঞানৰ ওঁৰাল যাৰ
বিস্ময়নে চহকী হওক
সময় নিগনিজাকে
কুটি কুটি খায় ....

ইয়াতকৈ সঁচা কথা আন কি হ'ব পাৰে! বাবাইদাই লিখিলে কবিতাৰ আংগিকৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষা কৰাও আমাৰ চকুত পৰে। ডুমডুমাৰ মাইনৰ স্কুলত পঢ়ি থাকোতে এবাৰ বিহগী কবি ৰঘুনাথ চৌধাৰী ডুমডুমালৈ গৈছিল। মই আগতেই কৈছো যে ডুমডুমাৰ সকলো সামাজিক তথা সাংস্কৃতিক কামত আগভাগ লৈছিল প্ৰয়াত হৰিহৰ চৌধুৰীয়ে। নিজস্ব ব্যক্তিত্ব তথা সম্মোহনী শক্তিৰে তেওঁ সকলোৰে ওপৰত এনে প্ৰভাৱ বিস্তাৰ কৰিছিল যিটো পাহৰি যোৱা কঠিন। সেই সময়ত অসমৰ এনে কোনো ৰাজনৈতিক নেতা, সাংস্কৃতিক কৰ্মী অথবা শিল্পী-সাহিত্যিক নাছিল যি পেহাদেউৰ ঘৰখন পৰিত্যাগ কৰি ডুমডুমালৈ কিবা কামত যাব পাৰে। কবি ৰঘুনাথ চৌধাৰীও হৰিহৰ চৌধুৰীৰ তালৈকে আহিছিল। পেহাদেৱে বোধহয় সেই সুযোগটোকে নেৰিলে আৰু তেতিয়াৰ আমাৰ মধ্য ইংৰাজী স্কুলখনত সেই সুবিধাটো দিছিল। মোৰ মনত আছে, এখন ট্ৰাকত উঠি এখন চকীত বহি অহা কবিগৰাকীক স্কুললৈ অনা হৈছিল। আমি বোধহয় স্কুলৰ জ্ঞানদায়িনী সভাৰ তৰফৰ পৰা কবিগৰাকীক সম্বৰ্দ্ধনা জনাইছিলো। কি হৈছিল সেয়া মোৰ মনত নেথাকিলেও কবিগৰাকীলৈ আগবঢ়োৱা প্ৰশস্তিপত্ৰখন মযে পঢ়িছিলো। কোনো কবি-সাহিত্যিকক স্বচক্ষে দেখা সেইটোৱে মোৰ প্ৰথম অভিজ্ঞতা আছিল। তাৰ বহু পাছত বুজি পাইছিলো 'দহিকতৰা'ৰ সৌন্দৰ্য, কেতেকীৰ উচ্চমানবিশিষ্ট কাব্যিক ব্যঞ্জনা বা 'গোলাপ'ৰ স্নিগ্ধ মধুৰ ছন্দোময় কাব্যিক প্ৰকাশ। নেজানিছিলো এদিন এইগৰাকী কবিৰ সান্নিধ্য লভাৰো সুযোগ ঘটিব। যেনেদৰে ঘটিছিল আন আৰু বহুগৰাকী অসমীয়া কবি-সাহিত্যিক তথা ঔপন্যাসিকক লগ ধৰাৰ সুযোগ।

এই সকলোবোৰ সম্ভৱ হৈছিল এই গুৱাহাটীতেই।

বহু মানুহৰে সান্নিধ্য মই এই জীৱনত পাইছো। মোৰ মৰমৰ সেউজ পাতেৰে ঘেৰা চামেলিৰ দেশ ডুমডুমা তেনেদৰে বহু নিলগতে এৰি থৈ আহি গুৱাহাটীত স্থিতি লৈ এনেদৰে যে এদিন সাধাৰণ এটি জীৱন গঢ়ি তুলিব পাৰিম কেতিয়াও ভবা নাছিলো। তাৰ মাজত আছে বহু বিখ্যাত শিল্পী-সাহিত্যিক-শিক্ষাবিদ, আছে বহু ৰাজনৈতিক নেতা, আছে বহু সমাজ-কৰ্মী, সাংবাদিক আৰু বহু বৃত্তিৰ ভমকাফুলীয়া ব্যক্তি। সেইবোৰৰ কথা মই ক'বলৈ যত্ন কৰিম। কাৰণ, এতিয়াও অনুচ্চাৰিত সেই

সকলো ব্যক্তিৰ নিজস্ব মহিমামণ্ডিত বৰঙণিৰেই আমাৰ ৰাজ্যখন সমৃদ্ধিশালী,আৰু মোৰ সৌভাগ্য যে সেইবোৰ ব্যক্তিৰ সান্নিধ্যই মোক অনুপ্ৰাণিত কৰিছিল বেলেগ ধৰণে।

দেউতাই এদিন সেই সদাশিৱ বাগিচাৰ সেই সৰু সাধাৰণ দোকানখনৰ মোহ এৰি ডুমডুমাতেই তেওঁ জীৱন গঢ়ি তোলাৰ চেষ্টা কৰিছিল। সেই চেষ্টা যে সুখৰ আছিল সেইটো নহয়। কন্টকময় জীৱনপথেদি আগবাঢ়োতে তেওঁ বাৰে বাৰে উজুটি খাইছিল। ব্যৱসায় হিচাপেও দেউতা যে চতুৰ মানুহ আছিল সেই কথা কব নোৱাৰি। গতিকেই স্বাভাৱিকতেই স্বচ্ছল জীৱন বুলিলে যিটো বুজায়, সেইটো নাছিল। কোনোবা এজোপা ঔ গছৰ তলত মোৰ কাকাইদেউৰ নশ্বৰ দেহা অকালতে এদিন জ্বলাই দি সেই পৰিপূৰ্ণ শোকৰ বোজা কোনোদিন পাহৰিব নোৱাৰি সদাশিৱ বাগিচাৰ সেই সৰু লক্ষ্মী দোকানখনকেই তেওঁ পৰিহাৰ কৰি আঁতৰি আহিছিল। ডুমডুমাৰ বজাৰ অঞ্চলতেই তেওঁ স্থায়ী দোকান এখন গঢ়ি তুলিছিল। স্বাভাৱিকতেই ডুমডুমা যিহেতু বাগিচাৰ মজদুৰসকলৰদ্বাৰা পৰিবেষ্টিত, গতিকে দোকানখনো তেওঁলোকৰ প্ৰয়োজনীয় বস্তু যোগান ধৰাৰ উদ্দেশ্যে গঢ়ি তোলা হৈছিল।

সদাশিৱ বাগিচাৰ স্মৃতি কিন্তু মোৰ মনত এক মচিব নোৱৰা স্মৃতি। আগতেই কৈছো যে সেই সৰু বাগিচাখনৰ এক নিজস্ব সৌন্দৰ্য্য আছিল। সদাশিৱ বাগিচাৰ নিচেই ওচৰতে আন এখন বাগিচা আছিল। নাম কৈলাশপুৰ। মোৰ যদি ভুল হোৱা নাই, উনৈশ শ পঞ্চাশৰ বিধ্বংসী বৰ ভুইকঁপৰ সময়ত বাগিচাখন মাটিৰ তললৈ গৈছিল। এতিয়া সেই বাগিচা আছেনে নাই মই নেজানো।

ডাঙৰী হাইস্কুলত পঢ়াৰ সময়ত আৰু সদাশিৱ বাগিচাত থকাৰ সময়তে মোৰ এটা দুৰ্ঘটনাও ঘটিছিল। ঘটনাটো এনে ধৰণৰ ঃ বাগিচাৰ দোকানলৈ অহা মোৰ এজন খুৰাদেৱে তিনিচুকীয়াৰপৰা কিনি অনা আপেল কাটি মোক দিবলৈ চিঞৰি আছিল। তেওঁ কিন্তু মোৰ সঁহাৰি পোৱা নাছিল। খুৰাদেৱে কিন্তু জানিছিল যে মই অলপ আগলৈ তাতেই আছিলো। খুৰাদেৱে কিছু আচৰিত হৈ মোৰ নাম ধৰি আৰু আপেল হাতত লৈ ইফালে-সিফালে বিচাৰিছিল। সদাশিৱৰ আমাৰ দোকানখনৰ পিছফালে এটা সৰু নিজৰা আছিল। বনৰীয়া তৰা গছেৰে আবৰা সেই নিজৰাটো কিন্তু খৰস্ৰোতা আছিল। মই হাতত খৰম এযোৰ লৈ তালৈকে ভৰি ধুবলৈ গৈছিলো। নিজৰাটোৰ পানী ইমান ফটফটীয়া আছিল যে কল্পনা কৰিব নোৱাৰি। মোৰ চকুত পৰিছিল, নিজৰাৰ তলৰ ফটফটীয়া বালি আৰু বালিচন্দাবোৰ। ৰূপালী ৰঙৰ সেই বালিচন্দাৰ মোহতে মই বোধহয় এখোজ দুখোজকৈ আগবাঢ়িছিলো। উদ্দেশ্য বালিচন্দা

সংগ্ৰহ। কিন্তু এটা সময়ত ভাৰসাম্য হেৰুৱাই মোৰ কি হ'ল মই ক'ব নোৱাৰো। পানীত কেৱল ওপঙি আছিল মোৰ নেভিব্লু ৰঙৰ হাফপেণ্ট। খুৰাদেউ জঁপিয়াই গৈ মোক তুলি আনিছিল। বহু পানী মই খাইছিলো। সেইবোৰ উলিওৱা হৈছিল। লৈ যোৱা হৈছিল ডুমডুমাৰ চৰকাৰী চিকিৎসালয়লৈ। আন কথাত, পানীত পৰা এই দুৰ্ঘটনাই মোৰ জীৱন বাৰুকৈয়ে জোকাৰি গৈছিল। আজিও পানীলৈ মোৰ বৰ ভয় লাগে। সৌৰৱণী মতে মোৰ মৃত্যু হেনো পানীতে আছে। অথচ 'পানী' নামেৰে ভয়াবহ বানপানীক লৈ মই এখন উপন্যাসো লিখিছো। সেই উপন্যাসৰ চিত্ৰৰূপো হৈ গৈছে। কোৱা বাহুল্য যে বানপানীৰে প্লাবিত ছবিৰ বাবে বিভিন্ন দৃশ্য গ্ৰহণ কৰোতে মই সযত্নে সেইবোৰত অংশগ্ৰহণ কৰাৰপৰা আঁতৰি আছিলো। পানীৰ প্ৰতি মোৰ এই অনীহা নিশ্চয় উক্ত ঘটনাৰে প্ৰতিফলন হ'ব পাৰে।

সদাশিৱ বাগিচাত থাকি মই ডাণ্ডৰী হাইস্কুলত পঢ়ি থাকোতে আমাৰ দোকানৰ সম্মুখেৰে এটি ট্ৰলী লাইন গৈছিল। ডাণ্ডৰী ষ্টেচনৰপৰা বাগিচালৈ উক্ত ট্ৰলী লাইন যোগাযোগৰ একমাত্ৰ মাধ্যম। সেই ট্ৰলী লাইনৰ হেণ্ডেল লগোৱা ট্ৰলীত উঠি বাগিচাৰ মেনেজাৰৰ ল'ৰা-ছোৱালী স্কুললৈ গৈছিল। মই এদিন দেউতাক কৈছিলো যে মইও ট্ৰলীত উঠি স্কুললৈ যাম। দেউতাই মোক এইবুলি বুজনি দিয়াইছিল যে ট্ৰলীত উঠি যোৱাবোৰ মেনেজাৰৰ ল'ৰা-ছোৱালী। আমি তেনেদৰে ট্ৰলীত উঠি যাব নোৱাৰো। কথাটো বুজি উঠিলেও পিছদিনা মই স্কুলৰ কিতাপ-পত্ৰ লৈ কোনো এঠাইত ট্ৰলী লাইনৰ ওপৰত থিয় হৈ আছিলো। মোক দেখি ট্ৰলীখন ৰৈ গৈছিল। তাত বহি থকা ল'ৰাকেইটাই মোক ট্ৰলীত উঠিবলৈ মাতিছিল। সেইকেইজন আছিল বাগিচাৰ মেনেজাৰৰ ল'ৰা-ছোৱালী। কোনোবাজন পোনাদা, কোনোবাজন খুকুনদা আৰু কেনোবাজন মণি। এই মণি অৰ্থাৎ মুনীন চক্ৰৱৰ্তী এসময়ত 'চাকনৈয়া' নামৰ অসমীয়া ছবিখনত চৰিত্ৰটি ৰূপদিবলৈ আমন্ত্ৰিত হৈছিল। প্ৰয়াত নাট্যতাৰ অভিনেতা দুৰ্গেশ্বৰ বৰঠাকুৰৰ টেক্সী ড্ৰাইভাৰ নাটকৰ চিত্ৰৰূপ আছিল সেইখন ছবি। ছবিখন পৰিচালনা কৰিছিল জনপ্ৰিয় অনাতাঁৰ নাট-অভিনেতা শৈল বৰুৱাই। কিয় আৰু কিহৰ বাবে মই নেজানো, কিন্তু পৰিচালক শৈল বৰুৱাই অৱশেষত নিজে উক্ত নায়কৰ চৰিত্ৰটি ৰূপ দিছিল। ছবিৰ সংগীত আছিল প্ৰয়াত মুকুল বৰুৱাৰ। মণিয়ে অভিনেতা হৈ জীৱনত আত্মপ্ৰতিষ্ঠা লভাৰ আন কোনো সুযোগেই আৰু নাপালে।

আমাৰ বাগিচাৰ দোকানৰ সম্মুখত এটা পানীকল আছিল। এজোপা লহপহীয়া কদম গছৰ তলত থকা পানীকলটোৰপৰা বাগিচাৰ বিভিন্ন লাইনৰ মজদুৰবোৰে খোৱা পানী সংগ্ৰহ কৰিছিল। দোকানৰ সম্মুখত ওলমাই ৰখা এযোৰ বিৰাটাকাৰৰ

পাল্লাত বহি মই সেই দৃশ্য বৰ আনন্দেৰে উপভোগ কৰিছিলো। পাল্লাখনৰ এমূৰে মই মানুহটোতকৈ বেছি ওজনৰ এমোনীয়া দগা দি পাল্লাত বহি ঝুলনাৰ দৰে দুলি থাকিছিলো। 'দোকানী বাবু'ৰ ল'ৰা হিচাপে মুখত থাকিছিল কেঁচা বাদাম বা মিঠা লজেন্স। বনুৱা গাভৰুবোৰেও মোক বৰ মৰম কৰিছিল।

এই সদাশিব চাহবাগিচাৰে দুটিমান অবিস্মৰণীয় চৰিত্ৰ আছিল গোপী মাউত, সাধু চকিদাৰ, ৰামু চৰ্দাৰ আৰু বহুতো। পিছলৈ এই গল্প কল্পনাৰে সজাইছিলো। কিন্তু কিছুমান ঘটনা অতি সঁচা আছিল আৰু সেয়ে গল্পবোৰত বাস্তৱ চৰিত্ৰৰ প্ৰতিফলনো অতি নিষ্ঠুৰভাৱে ঘটিছিল। প্ৰসঙ্গক্ৰমে এটা গল্পৰ কথা উল্লেখ কৰিব পাৰি। জন্মসূত্ৰত বাগিচাৰ মেনেজাৰৰ ল'ৰা-ছোৱালী হ'লেও পৰিত্যক্ত আৰু অনস্বীকাৰ্যভাৱে বসবাস কৰিব লগা হোৱা এগৰাকী বনুৱা মাতৃৰ মনোবেদনাক মই এটা গল্পত অতি বাস্তৱসম্মত ভাৱে তুলি ধৰিবলৈ চেষ্টা কৰিছিলো। গল্পটোৰ নাম আছিল ঃ 'ইত বহে গংগা'। এই গল্পটোকে স্বনামধন্য সংগীতজ্ঞ ড° ভূপেন হাজৰিকাই নেশ্যনেল প্ৰগ্ৰেমৰ বাবে নিৰ্মিত তেওঁৰ প্ৰথমখন টিভি ছিৰিয়েল 'লোহিত কিনাৰে'ত সন্নিবিষ্ট কৰিছিল। টি ভিৰ কাৰ্যসূচীত তেওঁ গল্পটোৰ নাম দিছিল নৌকাৰাণী। গল্পটোৰ প্ৰশংসাবাণী সৰ্বভাৰতীয় কাকতত বহুলভাৱে প্ৰচাৰিত হোৱা মোক চকুত পৰিছিল। মোৰ এগৰাকী ভক্তিক লৈ প্ৰত্যক্ষ কৰা বাস্তৱতাৰ এনে আবেদন যে হ'ব পাৰে, সেয়া মই কেতিয়াও কল্পনা কৰা নাছিলো।

কিন্তু কেতিয়াবা অজানিতে তেনে ঘটনা ঘটে। যেনেদৰে ঘটিছিল মোৰ।

অতি বিখ্যাত হৈ পৰা মোৰ চামেলি মেমচাব গল্পৰ যদিও পটভূমি সদাশিব নাছিল, তথাপি সেই বাগিচাত লাভ কৰা বিভিন্ন অভিজ্ঞতাই মোক উক্ত গল্পটি ৰচনা কৰাত ভালেখিনি সহায় আগবঢ়াইছিল। কাৰণ, বাগিচাৰ মজদুৰসকলৰ জীৱনক ওচৰৰপৰা প্ৰত্যক্ষ কৰাৰ এক বিপুল সুযোগ মই দেউতাৰ বাগিচাৰ সেই সৰু দোকানতে থাকি লাভ কৰিছিলো। দোকানী বাবুৰ ল'ৰা বুলি মোৰ প্ৰতি সেই সাধাৰণ শ্ৰমজীৱী মানুহসবৰ এক আছুতীয়া মৰমো আছিল। বিশেষকৈ দোকানৰ সন্মুখত থকা বস্ত্ৰ-বস্তু জোখা বিৰাট পাল্লাখনত বহি ঝুলনাৰ দৰে ঝুলি থকা আৰু সততে হাতত কোনো এখন কিতাপ-আলোচনী থকা মোক অযাচিতভাৱে মজদুৰবিলাকে বৰ মৰম কৰিছিল। দোকানৰ সন্মুখত থকা কদম গছৰ তলৰ পানীকলটোলৈ পানী নিবলৈ অহা বিভিন্ন বনুৱা গাভৰুৰ নিমজ স্নিগ্ধ মধুৰ মায়াময় সৌন্দৰ্যই মোক বাৰুকৈয়ে আকৰ্ষিত কৰিছিল আৰু বনুৱা গাভৰুৰ বিভিন্ন হাঁহি-খিকিন্দালি মই সযত্নে লক্ষ্য কৰিছিলো। সিহঁতৰ মাজৰে কোনোবা হয়তো মোৰ গল্পৰ চৰিত্ৰ হৈয়ো

দেখা দিছিল।

ডুমডুমা নামৰ সৰু চহৰখনৰ কিছুমান চৰিত্ৰই মোৰ ওপৰত এৰাব নোৱৰা প্ৰভাব পেলাই গৈছিল। তেনে এটি বিশেষ চৰিত্ৰ হ'ল আব্দুল হক চৌধুৰী। জনাজাত আছিল 'ধন' নামেৰে। আমি ধন কাইটি বুলি সম্বোধন কৰিছিলো। আচলতে তেওঁ প্ৰকৃত ডুমডুমাৰ নাছিল যদিও দিনটোৰ সৰহভাগ সময় তেওঁ চহৰখনতে অতিবাহিত কৰিছিল। ধন কাইটি ডুমডুমাৰপৰা কিছু আঁতৰৰ ৰূপাই নামৰ ঠাইৰ। ডিব্ৰু- শদিয়া ৰেলৰ যিখন ৰেল এতিয়া নোহোৱা হৈ গ'ল, তাৰে এটা সৰু ষ্টেচন আছিল ৰূপাই। জনাজাত আছিল ৰূপাই চাইডিং বুলি। তাৰ কাষেদিয়ে যাব পাৰি কাকপথাৰলৈ বা ডাঙৰীৰ ফালে। ধন কাইটিহঁত ৰূপাইৰ অতি পুৰণি বাসিন্দা। বহু মাটি-বাৰীৰ তেওঁ আছিল উত্তৰাধিকাৰী। এতিয়া ৰূপাইৰ কোনো এছোৱাৰ নাম 'ধন নগৰ'। আগতেই মই উল্লেখ কৰিছো যে ধন কাইটি আছিল বৰ আপোনভোলা, উদাৰ হৃদয়ৰ মানুহ। তেওঁৰ নামৰ স'তে জড়িত আছিল হাঁহি-ধেমালি আৰু লঘু সুৰৰ কথা-বতৰা। প্ৰকৃত কথা হ'ল যে ধন কাইটি ঐতিহাসিক ডুমডুমা নাট্যমঞ্চৰ এগৰাকী বৰ প্ৰতিভাবান কৌতুক শিল্পী আছিল। যিকোনো নাটকৰ অভিনয়াংশত ধন কাইটি থকা মানেই প্ৰচুৰ হাঁহিৰ খোৰাক থকাটোকে বুজাইছিল। বোলছবিৰ অভিনয়ৰ প্ৰতি তেওঁৰ বৰ আগ্ৰহ আছিল যদিও মাত্ৰ দুখন অসমীয়া ছবিতহে তেওঁ অভিনয় কৰিছিল। আগতেই উল্লেখ কৰাৰ দৰে ধন কাইটিয়ে অভিনয় কৰা ছবি দুখন হ'ল ভূপেন হাজৰিকা পৰিচালিত হাস্য-ব্যংগ ছবি 'লটি-ঘটি' আৰু অসম চাহ-মজদুৰ সংঘ প্ৰযোজিত, সুখ্যাত চিত্ৰগ্ৰহণকাৰী নলীন দুৱৰা পৰিচালিত 'ৰতনলাল'। এই ছবিৰ চিত্ৰনাট্য লিখিছিল অসম চাহ-মজদুৰ সংঘৰ সক্ৰিয় কৰ্মী আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এসময়ৰ ঘনিষ্ঠ সহযোগী ভৰত বৰপূজাৰীয়ে। ছবিৰ সংলাপাংশ ৰচনা কৰিছিলো মই। গল্প আছিল যশস্বী কথা-সাহিত্যিক যোগেশ দাসৰ। সংগীত আছিল প্ৰয়াত নিৰ্মল চক্ৰৱৰ্তীৰ। চাহ-মজদুৰ সংঘৰ নিৰ্মিত এইখন আছিল দ্বিতীয়খন অসমীয়া বোলছবি। মজদুৰ সংঘৰদ্বাৰা নিৰ্মিত প্ৰথমখন অসমীয়া বোলছবি আছিল নটসূৰ্য্য ফণী শৰ্মা পৰিচালিত 'কেঁচা সোণ'। তাৰ পাছত আৰু তেওঁলোকে ছবি প্ৰয়োজনা কৰা নাই।

ডুমডুমা অসমীয়া নাট্যমন্দিৰত ঘাইকৈ যিবোৰ নাট অভিনীত হৈছিল, সেইবোৰৰ সৰহ ভাগেই আছিল পৌৰাণিক অথবা ঐতিহাসিক নাটক। সৰহ ভাগ নাটকেই সেই সময়ৰ জনপ্ৰিয় কোনো বঙালী নাটকৰ ৰূপান্তৰিত ৰূপেহে মঞ্চযোগে প্ৰকাশৰ সুবিধা লৈছিল। আন কথাত অসমীয়া নাট্য সাহিত্যৰ উৎকৰ্ষ সাধনৰ প্ৰতি অকণো

মনোগ্ৰাহী নোহোৱাকৈ নাটবোৰ উপস্থাপন কৰাৰ চেষ্টা প্ৰত্যক্ষ কৰা গৈছিল। কোনো সন্দেহ নাই যে আমাৰ ওচৰ-চুবুৰীয়া ৰাজ্যখনৰ যাত্ৰাভিনয়েও ডুমডুমা মঞ্চত প্ৰভূত প্ৰভাৱ পেলাইছিল। এই নীতি-নিয়মক ভংগ কৰি মাজে-সময়ে নতুন পৰিকল্পনাও কৰাৰ চেষ্টা লক্ষ্য কৰা যায়। ঠিক তেনেদৰে এবাৰ ডুমডুমা নাট্যমন্দিৰৰ নাট নিবেদনৰ দায়িত্ব দিয়া হৈছিল নটসূৰ্য ফণী শৰ্মাক। সেই কথা নটসূৰ্য্যই তেওঁৰ লিখনিত বৰ সুন্দৰভাৱে বৰ্ণনা কৰি গৈছিল। নটসূৰ্যই স্পষ্টভাৱে লিখি গৈছে যে ডুমডুমাৰ নাট নিবেদনৰ সম্পূৰ্ণ দায়িত্ব সেইবাৰ তেওঁৰ ওপৰতে দিয়া হৈছিল, নাট নিৰ্বাচনৰপৰা ভাৱৰীয়া সকলক পটু কৰি তোলালৈকে। সেইবোৰৰ বৰ সৰস বৰ্ণনা নটসূৰ্যৰ লিখনিত আছে। সেই সময়ত ডুমডুমা নাট্য মন্দিৰৰ দৃশ্যপট আদি নতুনকৈ আঁকাই-মেলি সুসজ্জিত কৰা হৈচিল। নটসূৰ্যৰ বৰ্ণনাতে পোৱা যায় যে নতুন এই দৃশ্যপট আঁকাৰ দায়িত্ব লৈছিল ডিব্ৰুগড়ৰ প্ৰয়াত মুক্তিনাথ বৰদলৈয়ে।

অসমীয়া ছবিজগতৰ প্ৰথমগৰাকী কৌতুক অভিনেতা হিচাপে ভুমুকি মৰা আৰু মন জয় কৰা কৌতুক অভিনেতা হিচাপেও বোধহয় নাম ল'ব লাগিব মুক্তানাথ বৰদলৈৰ। মই জনাত মুক্তা বৰদলৈয়ে চতুৰ্থখন অসমীয়া বোলছবি 'মনোমতী'ত এটি কৌতুক চৰিত্ৰ ৰূপায়িত কৰিছিল। চৰিত্ৰটিৰ নাম আছিল 'কেহোৰাম'। 'মনোমতী' ছবিখন পৰিচালনা কৰিছিল ডিব্ৰুগড়ৰ প্ৰখ্যাত চাহ খেতিয়ক ৰোহিনী বৰুৱাই। ছবিৰ সংগীত আছিল প্ৰয়াত কমলনাৰায়ণ চৌধুৰীৰ। এই ছবিতে কমল চৌধুৰীয়ে পৰিবেশন কৰা 'হিয়া নাওখনি বায়ে যা তই' গীতটি অতি জনপ্ৰিয় হৈছিল। সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাইও এই ছবিত এটি চৰিত্ৰৰ ৰূপ দিছিল। প্ৰয়াত বৰুৱা অভিনীত চৰিত্ৰটি আছিল মান সেনাপতি মিহিমহা তিলোৱাৰ সহকাৰী সেনাপতি।

উল্লেখ কৰিব পাৰি যে ডুমডুমা নাট্যমন্দিৰৰ সৌ সিদিনালৈকে দৃশ্যপট আঁকি গৈছিল উল্লেখিত মুক্তা বৰদলৈয়ে। মুক্তা বৰদলৈয়ে মাথোন ডুমডুমা নাট্যমন্দিৰৰে নহয়, তেওঁ অংকন কৰিছিল গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰ, তেজপুৰ বাণ ৰংগ মঞ্চ, ডিব্ৰুগড় আমোলাপট্টি নাট্যমন্দিৰ আদি ৰংগমঞ্চৰ বিভিন্ন দৃশ্যপট। ডুমডুমা নাট্যমন্দিৰৰ একেবাৰে শেহতীয়া ড্ৰপছিনখন মুক্তা বৰদলৈয়ে আঁকি থৈ যোৱা মোৰ স্পষ্ট মনত আছে। দৃশ্যপটখনত অংকিত হৈছিল বৰলুইতৰ বুকুত তীৰ্থস্থান উমানন্দৰ দৃশ্য আৰু দৃশ্যখনি নাট্যমঞ্চক উপহাৰ দিছিল ডুমডুমাৰ ওচৰৰ তিপুকৰ এজন ব্যৱসায়ীয়ে, নাম যাৰ অমৃত ডেকা।

এই ডুমডুমা নাট্যমঞ্চৰ সবাতোকৈ উল্লেখযোগ্য অৱদান হ'ল এইটোৱেই যে আমাৰ প্ৰথম মঞ্চ সহ-অভিনয় ইয়াতে প্ৰৱৰ্তিত হয় আৰু তেতিয়াই এই দুঃসাহসিক

কার্যফেৰা কৰিছিল বিপ্লৱী সৈনিক-শিল্পী অসমৰ মঞ্চজগতৰ ভমকাফুলীয়া নাম প্ৰয়াত ব্ৰজনাথ শৰ্মাই।

চনটো লৈ মতভেদ আছে। কিছুমানে ক'ব খোজে যে ১৯৩৩ চনত, কিছুমানে'৪১ চনত, কিছুমানে'৪৩ চনত ইত্যাদি। কিন্তু প্ৰথম সহ-অভিনয় ডুমডুমা নাট্যমন্দিৰতে উপস্থাপিত হৈছিল আৰু সংগৃহীত তথ্যমতে নাটখনিৰ নাম আছিল 'মৰাণ জীয়ৰী'। কিহৰ বাবে বা কিয় শিল্পী ব্ৰজনাথ শৰ্মাই ডুমডুমাকে তেওঁৰ এই অভিনয় পৰীক্ষাৰ উপযুক্ত স্থান হিচাপে নিৰ্বাচন কৰি লৈছিল সেইটো জনা নাযায়। কিন্তু এটা কথা ঠিক যে ডুমডুমাৰ নাট নিবেদন শৈলীৰ ধাৰাবাহিকতা আৰু ঐতিহ্যক সন্মান কৰিয়ে তেওঁ এই সিদ্ধান্ত লৈছিল। ব্ৰজনাথ শৰ্মাৰ ভ্ৰাম্যমান কহিনুৰ অপেৰা পাৰ্টী সেই সময়ত সমগ্ৰ অসমতে জাকতজিলিকা আছিল। ডুমডুমাত মঞ্চস্থ কৰা নাটখনৰ নাম আছিল 'মৰাণ জীয়ৰী'। স্বাভাবিকতে প্ৰথম সহ- অভিনয়ে মঞ্চজগতত তুমুল আলোড়নৰ সৃষ্টি কৰিলেও তাৰ কুফলৰ প্ৰভাৱো অস্বীকাৰ কৰিব নোৱাৰি। জনা যায় যে ব্ৰজ শৰ্মাৰ দুঃসাহসিক পৰীক্ষা তেওঁৰ কহিনুৰ অপেৰা দলৰে বহুতে সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল। আৰু ইয়াৰ প্ৰতিবাদকল্পে তেওঁৰ দুগৰাকী আত্মীয়ই, যি সেই সময়ত নাট সম্ভাৰৰ ঘাই শিল্পী আছিল, দলকে পৰিত্যাগ কৰি ওলাই গৈছিল। সমাজৰ বিভিন্ন মহলত এই লৈ নানান কুৎসা ৰটনাও নোহোৱা নহয়। নটসূৰ্য ফণী শৰ্মাই নিজে লিখি থৈ গৈছে যে 'অভিনেত্ৰী নো কি চীজ সেয়া চাবলৈ মানুহৰ ভিৰ হৈছিল'। তথাপি ডুমডুমা সহ-অভিনয়ৰ ক্ষেত্ৰত শিলৰ ৰেখাৰ দৰে এতিয়াও জিলিকি আছে। আন কথাত ডুমডুমা নাট্যমঞ্চৰ ঐতিহ্য আৰু অৱদান থাওকতে উলাই কৰিব পৰা বিধৰ নহয় বুলি মোৰ ধাৰণা।

ডুমডুমা অসমীয়া নাট্যমন্দিৰৰ ঐতিহ্য লৈ মই নিজেই ডুমডুমীয়া বুলি আজিও গৌৰববোধ কৰো। এই গৌৰববোধৰ মূল কাৰণেই হ'ল যে বহু দশক জুৰি অসমীয়া ডুমডুমা নাট্যমন্দিৰে নাট উপস্থাপনৰ ক্ষেত্ৰত যে ধাৰাবাহিক নিৰৱচ্ছিন্নতা ৰাখিবলৈ সক্ষম হৈছিল আৰু বিধে বিধে নানান পৰীক্ষ-নিৰীক্ষা চলাই আহিছিল, সেই ঐতিহ্যৰ পটভূমিত (মই আগতেই উল্লেখ কৰিছো যে সেই সময়ত ডুমডুমা নাট্যমন্দিৰত যিবোৰ নাট মঞ্চস্থ হৈছিল তাৰ সৰহভাগেই আছিল বুৰঞ্জীমূলক অথবা পৌৰাণিক নাটক) সমসাময়িক কোনো সমস্যাৰ পটভূমিত কোনো সামাজিক নাটৰ অভিনয় প্ৰায় নিলগৰ তৰাৰ দৰে আছিল। মোৰ স্পষ্ট মনত আছে যে বুৰঞ্জীমূলক 'মেৱাৰ সন্ধ্যা' নাটক বা হিমুক কেন্দ্ৰীয় চৰিত্ৰ হিচাপে লৈ ৰচিত ঐতিহাসিক নাট 'হিন্দুবীৰ' ডুমডুমা মঞ্চত অসংখ্যবাৰ অভিনীত হৈছিল। উল্লেখিত এই দুয়োখন নাটকেই কিন্তু

মই জনাত বঙালী নাটকৰ আক্ষৰিক অনুবাদ আছিল, অথচ সেই নাটককে অতি আন্তৰিকতাৰে উপস্থাপন কৰাত ডুমডুমা নাট্যমন্দিৰ অভাবনীয়ভাৱ সফল হৈছিল।

ডুমডুমা নাট্যমঞ্চৰ লগত জড়িত বিভিন্ন ব্যক্তিৰ ভিতৰত এটি নাম উল্লেখ নকৰিলে বোধহয় মোক দোষে চুব। ব্যক্তিগৰাকী হ'ল উমা মেধি। জীৱিকাত এগৰাকী ব্যৱসায়ী আছিল। কিন্তু নাটকৰ উপস্থাপন তথা যিকোনো নাটকৰ অন্তর্নিহিত কেন্দ্রীয় ভাবনালৈ অনুপ্রবেশ কৰি মূল সত্যক সবিস্ময়ে আবিষ্কাৰ কৰা নাটবলিয়া ব্যক্তিগৰাকীয়ে আছিল উমা মেধি। নাটক পৰিচালনা, নাট নির্বাচন, তথা নাট অভিনয়ৰ ক্ষেত্ৰতো তেওঁ আছিল অতি গুণী ব্যক্তি। সততে তেওঁ নাটকৰ নাৰী চৰিত্ৰক ৰূপায়িত কৰিছিল। যেনে 'মেবাৰ সন্ধ্যা'ৰ মহাৰাণা প্রতাপ সিংহৰ পত্নী পদ্মিণীৰ চৰিত্ৰটো তেওঁ ৰূপ দিছিল বা 'বাজিৰাও' নাটকৰ মূল নাৰী চৰিত্ৰটি ৰূপ দিছিল উমা মেধিয়ে। সেই সময়ত ডুমডুমা নাট্যমন্দিৰত অভিনীত প্রায়বোৰ নাটক লিখিও উলিয়াইছিল তেওঁ। তাৰ উপৰি বিভিন্ন চৰিত্ৰ, পিছৰ মেক-আপকে আৰম্ভ কৰি কোন দৃশ্যত কি দৃশ্যপট ব্যৱহাৰ হ'ব বা কেনে চৰিত্ৰৰ ৰূপসজ্জা কেনে হ'ব লাগিব সেই বিষয়েও উপযুক্ত নির্দেশ তেওঁ দিছিল। তাৰ উপৰি প্ৰায় নাটকৰে প্রম্পটাৰ আছিল তেওঁ। মঞ্চস্থ নাটকত যদি উমা মেধিয়ে কোনো মহিলা চৰিত্ৰৰ ভাও ৰূপায়িত কৰে, তেন্তে মেক-আপ লোৱাৰ আগে আগে খৰখেদাকৈ শেষবাৰৰ বাবে এবাৰ ছেভ্ কৰি লোৱাটো আমি নিজে প্রত্যক্ষ কৰিছিলো। ডুমডুমা নাট্যমঞ্চত পুৰুষে নাৰীৰ চৰিত্ৰ ৰূপ দিয়া আন দুগৰাকী যশস্বী শিল্পী আছিল বিপিন মহন্ত আৰু বিদ্যা হাজৰিকা। অথচ এওঁলোকৰ অভিনয় ইমান প্রাণৱন্ত আছিল যে সেইকথা আজিও আমাৰ মনত পৰে। কেনেকৈ পাহৰিম চক্র পাটোৱাৰীয়ে অভিনয় কৰা হিন্দুবীৰ নাটৰ হিমুৰ অভিনয় বা 'মেবাৰ সন্ধ্যা'ত ৰাণা প্রতাপৰ চৰিত্ৰত অভিনয় কৰা ঘনশ্যাম হাজৰিকাক? এই নাট্যমন্দিৰৰ নিবেদনৰ সতে' মোৰ দুগৰাকী আপোন খুৰাদেউ বিশেষভাৱে জড়িত। তাৰে এগৰাকী হ'ল প্রয়াত যোগেন চৌধুৰী আৰু আনগৰাকী আছিল মোৰ সৰু খুৰাদেউ প্রয়াত কৃষ্ণ চৌধুৰী। এইগৰাকী খুৰাদেৱে মোৰ দেউতাৰ সদাশিব বাগিচাত থকা দোকানখনো কিছুদিন চলাই সেই বাগিচাতে নিজাকৈ এখন দোকান দি তাতেই স্থায়ীভাৱে থাকিবলৈ লৈছিল। ইজন মাজু খুৰাদেউ স্বর্গীয় যোগেন চৌধুৰীৰ অভিনয় মই দেখা নাই, কিন্তু তেওঁৰ অভিনয়কৃতী আৰু অভিনয় প্রীতিৰ বিষয়ে বহু কথাই শুনিছিলো। কৃষ্ণ চৌধুৰীৰ অভিনয় মই নিজেই প্রত্যক্ষ কৰিছিলো। এওঁৰ বিশেষত্বই আছিল যে নাটকত অভিনীত কোনো চৰিত্ৰৰ সকলো সাজ-পোছাক বা তৰোৱাল আদি সদায় নিজাকৈ ব্যৱহাৰ কৰিছিল। লগত সদায় থাকিছিল এটা সৰু

বাকচ। সেই বাকচটো সগৰ্বে মই কঢ়িয়াই লৈ ফুৰা মনত আছে।

এই ডুমডুমাৰে আৰু দুজন মানুহৰ কথা মই উল্লেখ কৰিব খুজিছো। তাৰে এজন হ'ল প্ৰয়াত ৰাজেন বৰুৱা আৰু আনজন প্ৰয়াত ধৰ্মকান্ত গোহাঁই। ৰাজেন বৰুৱা সেই সময়ত ইংৰাজী দৈনিক কাকত 'দি আসাম ট্ৰিবিউন'ৰ ডুমডুমাৰ সংবাদদাতা আছিল। আমি 'বৰুৱাদা' বুলি মাতিছিলো। মানুহজনে স্থায়ীভাৱে কাম কৰিছিল কোনোবা এটা পেট্ৰল পাম্পত। কিন্তু সাংবাদিকতা তেওঁৰ প্ৰথম প্ৰেম আছিল। তেনে কোনো বিশেষত্ব নেথাকিলেও সংবাদদাতা হিচাপে তেওঁৰ নিষ্ঠা আৰু ঐকান্তিকতা কোনো সময়তে পাহৰিব নোৱাৰি। মই ব্যক্তিগতভাৱে ট্ৰিবিউন কাকতৰ সতে জড়িত থকা সময়ত তেওঁৰ বিষয়ে প্ৰয়াত প্ৰবীণ সাংবাদিক লক্ষ্মীনাথ ফুকনে প্ৰশংসা কৰা শুনিছিলো। বিশেষকৈ ভয়াবহ বানপানীৰ সময়ত ছৈখোৱা, ডাঙৰী, শদিয়া অঞ্চলৰ বানপানীক লৈ তেওঁ পঠিওৱা বা-বাতৰি আৰু ছবিবোৰৰ বিষয়ে দোহাৰিছিল। বৰুৱাই নিজৰ কেমেৰাৰে সেইবোৰৰ দৃশ্যগ্ৰহণ কৰিছিল। শোকাবহভাৱে বৰুৱাদাৰ মৃত্যু ঘটিছিল গুৱাহাটীৰ পানবজাৰস্থ আনন্দ লজ হোটেলত।

প্ৰয়াত ধৰ্মকান্ত গোঁহাই আচলতে এজন কাঠৰ ব্যৱসায়ী আছিল, কিন্তু আচৰিত ভাৱে মানুহজনৰ অসমীয়া সাহিত্য আৰু অসম সাহিত্য সভাৰ প্ৰতি এক গভীৰ অনুৰাগ আছিল।

ডুমডুমাত অসম সাহিত্য সভাৰ শাখা সাহিত্য সভা এখন গঠন কৰা আৰু সেই শাখা সাহিত্য সভাক নিয়মিতভাৱে পৰিচালিত কৰাৰ মূলতে আছিল গোহাঁইদেউ। সাহিত্য সভাৰ বাবে তেওঁ কৰা কামসমূহৰ উপযুক্ত প্ৰমাণ আমি সবিস্ময়ে প্ৰত্যক্ষ কৰিছিলো। বৰ দুৰ্ভাগ্যৰ কথা যে ডুমডুমাত অনুষ্ঠিত হোৱা ৫৫ তম সাহিত্য সভাৰ মূল অধিবেশনখন গোহাঁইদেৱে নিজে চাই যাব নোৱাৰিলে। সেই সভাৰ সভাপতি আছিল কথা-সাহিত্যিক শ্ৰীমহিম বৰা। গোহাঁইদেৱে মিছিং পাঠ নামৰ এখন সৰু কিতাপ ৰচনা কৰিছিল। হাতে লিখা অৱস্থাত তেওঁৰদ্বাৰা ৰচিত দুই-এখন নাটকো মোক পঢ়িবলৈ দিয়া মনত আছে। মনত আছে ডুমডুমা সাহিত্য সভাত এবাৰ বাৰ্ষিক অধিবেশনলৈ তেওঁ গুৱাহাটীৰপৰা আমন্ত্ৰণ কৰি নিছিল প্ৰখ্যাত ৰাজনীতিবিদ, সাহিত্যিক হেম বৰুৱাদেৱক। আৰু সেইটো সম্ভৱ হৈ উঠিছিল গোহাঁইদেউৰ বাবে। মোক ব্যক্তিগতভাৱে তেওঁ বৰ ভাল পাইছিল। আৰু সেই সময়ৰেপৰা মোৰ লিখাৰ তেওঁ বৰ প্ৰশংসা কৰিছিল।

এইখিনিতে মই উনুকিয়াব খুজিছোঁ যে ডুমডুমা নাট্যমঞ্চত কেতিয়া কোনখন নাটেৰে সামাজিক নাটৰ পাতনি মেলা হৈছিল, সেই বিষয়ে মই সঠিককৈ ক'ব নোৱাৰিম। কিন্তু মই গুৱাহাটীত থকা সময়তে গুৱাহাটীৰ লতাশিল ফিল্ডত এখন

সামাজিক নাটক চাই বৰ মুগ্ধ হৈছিলো। নটকখনৰ নাম আছিল সাৰদা বৰদলৈ ৰচিত 'মগ্রীবৰ আজান'। এই নাটখন এতিয়া বোধহয় কলেজীয়া পাঠ্যক্রমৰ অসমীয়া দ্রুতপাঠ। মই প্রত্যক্ষ কৰা মগ্রীবৰ আজান নাটকখনত অভিনয় কৰিছিল প্রয়াত কমলনাৰায়ণ চৌধুৰী (কৰিম), ললিত বৰা (লথৌ) আৰু কৌতুক শিল্পী প্রয়াত মোবাজ্জিন আলিয়ে (বলোৰাম)। হিন্দু-মুছলমান সম্প্রীতিৰ ভিত্তিত ৰচিত সেই নাটকখনৰ বিষয়বস্তু, অভিনয় তথা উপস্থাপন ৰীতিয়ে মোক বাৰুকৈয়ে মুগ্ধ কৰিছিল আৰু ডুমডুমা নাট্য মন্দিৰত কোনোবা এবাৰ বন্ধত গুৱাহাটীৰপৰা ডুমডুমালৈ যাওঁতে মঞ্চস্থ কৰাৰ দুঃসাহস কৰিছিলো। ক'বলৈ সংকোচ নাই যে মই নিজে কমলদাৰ অংগী-ভংগী অনুকৰণ কৰি কৰিমৰ চৰিত্র ৰূপ দিছিলো। লথৌ হৈছিল নিৰঞ্জন ভূঞা লহকৰ। বলোৰামৰ চৰিত্রটি ৰূপ দিছিল ডুমডুমা কলেজৰ অধ্যক্ষ ৰবীন চৌধুৰীয়ে। বিষয়বস্তুৰ দিশৰপৰাই নহয়, উপস্থাপনৰ ক্ষেত্রতো কিছু নতুনত্ব আনিবলৈ চেষ্টা কৰিছিলো। যেনে মঞ্চৰ ওপৰত সঁচা বাঁহৰ বেৰ দি তাত ছাগলী বান্ধি দিছিলো বা পথাৰৰপৰা অহা লথৌক বোকা-পানীৰে লুতুৰি পুতুৰি কৰি মঞ্চত অভিনয় কৰাইছিলোঁ। মোবাজ্জিন আলিৰ দৰেই আমাৰ ৰবীনেও বৰ সুন্দৰ অভিনয় কৰিছিল। সদায় বুৰঞ্জীমূলক বা পৌৰাণিক নাটক অভিনয় কৰা ডুমডুমা নাট্যমন্দিৰত এয়া নিশ্চয় এক ব্যতিক্রম আছিল। ভাবি ভাল লাগে যে এনে প্রয়াস মোৰ ফালৰপৰা তেতিয়াই হৈছিল।

ডুমডুমা তেতিয়া বহু নিলগত। মই আহি পাইছো নতুন জীৱনৰ আশাত গুৱাহাটী। মোৰ মৰমৰ গুৱাহাটী। মোৰ সাধাৰণ জীৱনক চৌদিশে উত্তৰণ ঘটোৱা গুৱাহাটী।

তেতিয়া নাম আছিল গৌহাটী। পাছতহে নাম সলনি কৰি কৰা হৈছে : গুৱাহাটী। দেউতাই কৈছিল যে 'গুৱা' অর্থাৎ তামোল, বুজিছিলো তামোল গছেৰে আবৃত বাবেই হয়তো নামকৰণ কৰা হৈছিল গুৱাহাটী। তামোল গছ কিন্তু প্রথম দৃষ্টিত মোৰ চকুত পৰা নাছিল। পৰিছিল চৌকাষে ফুটন্ত গাভৰুৰ স্তনৰ দৰে সুউচ্চ সেউজীয়া জোঙা জোঙা পাহাৰবোৰ। চকু জুৰ পৰিছিল।

গুৱাহাটী ষ্টেচন যেতিয়া মই পাইছিলোহি তেতিয়া সকলো ষ্টেচনতে থকা ঠাইখনৰ নামেৰে নামাংকিত হালধীয়া পটভূমিত ক'লা ৰঙেৰে লিখা আখৰকেইটা চকুত পৰিছিল। সেইটো দেখি আকৌ ডুমডুমাৰ কথা মনত পৰিছিল। সৰু ডুমডুমা ষ্টেচনতো একেই ধৰণৰ এখন নামফলক আছিল। তাত কিন্তু লিখা আছিল 'ডুমডুমা টাউন' বুলি। কিহৰ বাবে সেইধৰণে লিখিবলগীয়া হৈছিল, সেইটো মই নাজানো।

টাউন বুলি কোৱাৰ দুঃসাহসেই বা কিয় হ'ল, সেয়াও মই নাজানো।

মনত পৰিছিল নিজামলৈ। নিজাম কোন? মই যেতিয়া ডুমডুমাত আছিলো, সেই সময়ত আমাৰ ঘৰৰপৰা কিছু আঁতৰত নিজাম নামৰ এজন ল'ৰা আছিল। নিজাম পেইণ্টাৰ আছিল। তেতিয়া ডিব্ৰু-শদিয়া ৰেলৰ আটাইবোৰ ষ্টেচনৰ নামফলক এই নিজামেই লিখিছিল। মোৰ মনত আছে, এবাৰ ডুমডুমা ষ্টেচনৰ নামফলক নতুনকৈ লিখোতে মই কৌতূহলী দৰ্শক হিচাপে নিজামৰ ওচৰতে থিয় হৈ আছিলো। উদ্দেশ্য? নিজামেনো কেনেকৈ লিখে, সেইটোকে পৰ্যবেক্ষণ কৰা। মই আগ্ৰহী বাবেই নিজামে আখৰকেইটাৰ চাৰিসীমা ক'লা ৰঙেৰে টানি দি আখৰৰ ঠাইখিনি পূৰাই পেলাবলৈ মোৰ হাতত এৰি দিছিল। ময়ো বৰ আনন্দেৰে সেই ঠাইখিনি পূৰাই দিছিলো। অৰ্থাৎ ময়ো হৈ উঠিছিলো পেইণ্টাৰ। এটা কথা উল্লেখ কৰিলে বোধহয় অপ্ৰাসংগিক নহ'ব, মই যেতিয়া গুৱাহাটীত থাকিবলৈ লৈছিলো, তেতিয়া গুৱাহাটীৰ বিভিন্ন ঠাইত বিভিন্ন দোকান-পোহাৰ বিভিন্ন ছাইনবোৰ্ডেৰে ভৰপূৰ আছিল। মই সেইবোৰ কৌতূহলেৰে লক্ষ্য কৰিছিলো আৰু এটা পৰীক্ষা মই নিজৰ মনৰ আনন্দতে চলাই গৈছিলো। পৰীক্ষা হ'ল ঃ প্ৰতিখন ছাইনবোৰ্ডৰ আখৰকেইটা চাই মই অনুমান কৰিবলৈ যত্ন কৰিছিলো যে সেই ছাইনবোৰ্ডখন কোন দোকানে লিখি উলিয়াইছে? ৰয় এণ্ড কোম্পানী, নে গোপাল চিত্ৰ কুটিৰ, নে চিত্ৰালয়? তাৰ পাছত ছাইনবোৰ্ডৰ কোণত লিখা দোকানখনৰ নামটো পঢ়ি সেইটো সঠিক হলে বৰ আনন্দ পাইছিলো। এয়া আছিল ইংৰাজীত যাক কোৱা হয় ছিম্পল প্লেজাৰ। কলেজত পঢ়া দিনলৈকে এইটো মোৰ এটা অভ্যাসত পৰিণত হৈছিল।

তেতিয়াৰ গুৱাহাটী ষ্টেচন আজিকালিৰ দৰে ইমান বৃহৎ আৰু আধুনিক নাছিল, কিন্তু মই সচৰাচৰ দেখা ডুমডুমা, তিনিচুকীয়া বা ডিব্ৰুগড়তকৈ ষ্টেচনটো যথেষ্ট ডাঙৰ আছিল। স্বাভাৱিকতে অতি সৰু ডুমডুমাৰপৰা আহি গুৱাহাটী ষ্টেচন দেখা পাই মোৰ চকু কপালত উঠিছিল।

দেউতা হিচাপী মানুহ আছিল। মই যে সেইদিনা গৈ পাম, সেই কথাষাৰ তেওঁ মোৰ বৰমামাৰ ল'ৰাটোলৈ চিঠিৰে আগতে জনাইছিল। ষ্টেচনলৈ মোক নিবলৈ তেওঁৰে আহিছিল। আগতে কৈছো, মোৰ বৰমামাৰ ডাঙৰটো ল'ৰা শ্ৰীযোগেন তালুকদাৰ বহু বছৰ ধৰি 'নেচনেল ছেভিংছ অৰ্গেনাইজেশ্যন'ৰ লগত জড়িত হৈ থাকি এতিয়া অৱসৰ লৈছে। যোগেনদাই মোক ঠিকেই বিচাৰি উলিয়াইছিল। সহযোগী আব্দুল ছামেদো নামিছিল। ছামেদে সকলো খা-খবৰ কৰিহে মোক এৰি দিছিল। তেওঁ কৈছিল ঃ 'মই লাখটকীয়াৰ তাজ হোটেলত দুদিন থাকিম। তই পাৰিলে আহিবি?'

মনটো ভাৰাক্ৰান্ত হৈ পৰিছিল। হওকনা অনাত্মীয়, তথাপি তেওঁ আছিল মোৰ মৰমৰ ডুমডুমাৰ।

গুৱাহাটী ষ্টেচনৰপৰা উজান বজাৰৰ গুৱাহাটী ক্লাবৰ ওচৰৰ ডাঙৰ মামাৰ ঘৰলৈ মই ঘোঁৰাগাড়ীত আহিছিলো। জীৱনত প্ৰথম প্ৰত্যক্ষ কৰিছিলো ঘোঁৰাগাড়ী। সেই সময়ত ৰিক্সা থাকিলেও অট'ৰিক্সাৰ চিন-মোকামেই নাছিল। ঘোঁৰাগাড়ীত বহি অহাৰ মজা বাৰুকৈয়ে লৈছিলো। ঘোঁৰাৰ ডিঙিৰ জুনুকাৰ শব্দ আৰু ভৰিৰ খট খট শব্দই মোক অন্য এক জগতলৈ লৈ গৈছিল। মোৰ যদি ভুল হোৱা নাছিল, ঘোঁৰাগাড়ীখনৰ ভিতৰত এগৰাকী চিত্ৰাভিনেত্ৰীৰ ছবিও মাৰি থোৱা আছিল। সেয়া বোধহয় আছিল ৰেহানা।

ষ্টেচনৰপৰা আহোতে যোগেনদাই দীঘলী পুখুৰীটো দেখুৱাই মোক চিনাকি কৰি দিছিল। জীৱনত এনে সুন্দৰ আৰু সুদীৰ্ঘ পুখুৰী তেতিয়ালৈ দেখা নাছিলো। দ্বিতীয় মহাসমৰৰ সময়ত দেউতাই আমাৰ পৰিয়ালটোক যেতিয়া কিছুদিনৰ বাবে যুদ্ধৰ বিভীষিকাৰপৰা আঁতৰত ৰাখিবলৈ বৰভাগ মৌজাৰ সানেকুছি গাঁৱত থৈ আহিছিল আৰু সেই সময়ত মই কিছুদিনৰ বাবে গাঁৱৰ স্কুলত পঢ়োতে যিটো স্কুলত পঢ়িছিলো, তাৰ সন্মুখত এটা পুখুৰী আছিল। কেইজোপামান খেজুৰী গছেৰে ঘেৰা সেইটো পুখুৰীৰ স্মৃতিয়ে আছিল মোৰ বাবে সদায় সেউজীয়া। কেবাটিও গল্পত পাকে-প্ৰকাৰে মই উক্ত পুখুৰী আৰু খেজুৰী গছৰ কথা উল্লেখ কৰিছো। পুখুৰীটো বোধহয় আছিল সানেকুছি গাঁৱৰ স্থায়ী বাসিন্দা, পিছলৈ গুৱাহাটীৰ বাসিন্দা, প্ৰয়াত ৰমেশ চৌধুৰীহঁতৰ। এওঁলোকৰ হাউলী যেন ঘৰত বহু পাৰ চৰাই দেখা মোৰ আজিও মনত পৰে। পাছত উত্তৰ কামৰূপৰ বানপানীৰ ভয়াবহতাক লৈ লিখা মোৰ উপন্যাস 'পানী'ৰ পৰিবেশ বৰ্ণনা কৰোতে আৰু উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ বলভদ্ৰ চৌধুৰীৰ চৰিত্ৰ অংকন কৰোতে এইবোৰৰ প্ৰভাৱ একেবাৰে নপৰা নহয়।

মই আগতে উল্লেখ কৰিছো যে মোৰ ডাঙৰ মামাৰ ল'ৰা-ছোৱালী বহুতো। প্ৰথম আহি মই তাতেই থাকিছিলো। মোৰ ডাঙৰ মামী আছিল মোৰ দ্বিতীয় মাতৃৰ নিচিনা। নাম আছিল ঃ গিৰিজা তালুকদাৰ। এওঁ গুৱাহাটীৰ তেতিয়াৰ খাজাঞ্চি বাপা চৌধুৰীৰ জীয়েক। বিখ্যাত আৱাহন যুগৰ গল্প লেখক ঈশ্বৰ প্ৰসাদ চৌধুৰীৰ ভনীয়েক। চৌধুৰীয়ে অসম চৰকাৰৰ জনসংযোগ বিভাগৰ উচ্চপদস্থ বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰি কিছুদিন কলিকতাস্থ আমেৰিকাৰ ৰাষ্ট্ৰদূতাবাসত ৰাজনৈতিক সমীক্ষকৰ কাৰ্যনিৰ্বাহো কৰিছিল। মোৰ মামীদেউৰ এগৰাকী বায়েক আছিল লাৱণ্য তালুকদাৰ। প্ৰয়াত গৌৰীকান্ত তালুকদাৰৰ পত্নী আৰু এতিয়াও অতি বিখ্যাত ছপাশাল 'লাৱণ্য প্ৰেছ' তেওঁৰ নামেৰেই নামাংকিত। কিছু বছৰ আগতেই মৃত্যু হোৱা মোৰ বৰমামীৰ

মোৰ প্ৰতি থকা অভাৱনীয় মৰমৰ কথা বোধহয় মই জীৱনত পাহৰিব নোৱাৰিম। আন কথাত, মাৰ অভাৱ মই কোনোদিনে কোনোসময়তে তেওঁ জীয়াই থকা কালত অনুভৱ কৰা নাছিলো।

আগতেই কৈছো যে মোৰ পঢ়া-শুনা সম্পৰ্কে সকলো বন্দবস্ত দেউতাই কৰিছিল মোৰ সৰু মামা শ্ৰীঅমৃত তালুকদাৰৰ যোগেদি আৰু গুৱাহাটীলৈ সৰু মামাৰ সাহসতে তেওঁ মোক পঠিয়াই দিছিল। সৰু মামাও সেই বিষয়ে সচেতন আছিল। কেইদিনমানৰ পাছতে তেওঁ মোক লৈ গৈছিল পাণবজাৰত থকা তেওঁৰ পুলিচ কোৱাৰ্টাৰলৈ। সৰু মামা তেতিয়া পাণবজাৰ সদৰ থানাৰ অ'চি ইন্সপেক্টৰ। পাণবজাৰত থকা গিৰ্জাটোৰ সম্মুখতে আছিল মামাৰ বাসস্থান। শাৰী শাৰী ঘৰবোৰত বিভিন্ন পুলিচ বিষয়াৰ বাসভূমি। মই তেতিয়াও জানি উঠা নাছিলো যে সেই বাসস্থানেই হ'ব গুৱাহাটীত জীৱন গঢ়াৰ মোৰ লাইখুটা। মামাৰ কোৱাৰ্টাৰটোৰ কিছু আঁতৰতে আছিল তেতিয়াৰ বিখ্যাত চিকিৎসক ডা° জ্যোতিষ দাস, ৰাজবালা দাসহঁতৰ বাসস্থান, ডা° হৰেকৃষ্ণ দাসৰ বাসস্থান, আছিল মুক্তিযুঁজাৰু প্ৰয়াত মহেন্দ্ৰ ডেকাৰ বাসস্থান আৰু অসমীয়া কলা-সংগীতৰ স্বনামধন্য শিল্পী স্বৰ্গীয় কমলনাৰায়ণ চৌধুৰীৰ ঘৰ। এই আটাইবোৰ মানুহৰ সংস্পৰ্শ মই লাভ কৰিবলৈ সমৰ্থ হৈছিলো। কিন্তু সেয়া আছিল মাত্ৰ অবাক হৈ চোৱাৰ সময়। বহুদিন পাছতহে বুজিব পাৰিছিলো উল্লেখিত প্ৰতিগৰাকী মানুহৰ নিজস্ব বৈশিষ্ট্য আৰু তেওঁলোকে আগবঢ়োৱা বিভিন্ন অৱদানৰ কথা। কাৰোবাৰ লগত হৈ পৰিছিলো অতি ঘনিষ্ঠ আৰু কোনোবা হয়তো স্বমহিমাৰে তেনেদৰেই আমাৰপৰা আঁতৰত থাকি গ'ল।

তথাপিও মোৰ স্কুলীয়া জীৱন আৰম্ভ হোৱাৰ প্ৰাক মুহূৰ্তত গুৱাহাটীৰ এই পৰিবেশ নিশ্চয় বৰ মোহনীয় আছিল। সেই সময়তে কাৰ এনে সৌভাগ্য হয়, যি প্ৰত্যক্ষ কৰে এড়ী কাপোৰৰ সুদীৰ্ঘ পঞ্জাবী-ধুতি পিন্ধা এজন মানুহক। কোন তেওঁ? ডা° জ্যোতিষ দাস। অতি অনাড়ম্বৰ কাপোৰ-কানিৰে এগৰাকী বৃদ্ধা। কোন তেওঁ? অমল প্ৰভা দাস। চশমা পৰিহিতা, মুৰত ওৰণি লৈ চুটি-চাপৰ এগৰাকী মানুহ। কোন তেওঁ? সন্দিকৈ ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰাজবালা দাস বা এমুখ ডাড়িৰে দেখিলেই ভক্তি ওপজা এগৰাকী মানুহ। কোন তেওঁ? মুক্তিযুঁজাৰু মহেন্দ্ৰ নাথ ডেকা। বেকব্ৰাছ চুলিৰে, সুতীব্ৰ জোঙা নাকেৰে, চালে চকুৰোৱা এজনা মানুহ। কোন তেওঁ? শিল্পী কমলনাৰায়ণ চৌধুৰী ইত্যাদি।

এইবোৰৰ মাজত থাকি উদ্ভাসিত হ'ব মোৰ সাধাৰণ জীৱন, কেতিয়াও ভবা নাছিলো। কিন্তু সেয়াই হ'ল।

দাদাই মোক সুধিলে ঃ ক'ত পঢ়িবি? মানে কোনখন স্কুলত? ডনবস্ক', নে কামৰূপ একাডেমী? নে কলেজিয়েট?

মিঠা লজেন্সৰ দৰেই জিভাত লুটি-বাগৰ খোৱা এটি পৰিচিত নাম কটন কলেজ। যিকোনো প্ৰচলিত অৰ্থত এখন কলেজ মাত্ৰ নহয়, যাৰ লগত নিশ্চয় নিহিত আছে অসমৰ শৈক্ষিক জগতৰ এৰাব নোৱৰা ঐতিহ্য আৰু বিস্তৃত ইতিহাস।

ডুমডুমাত থাকোতে কলেজখনৰ নাম শুনিছিলো। দেউতাই মাত্ৰ কৈছিল যে কটন নামৰ এজন চাহাবে সেই কলেজখন প্ৰতিষ্ঠা কৰিছিল। কলেজখনৰ প্ৰাচীনতম ইতিহাস তেওঁ একো নেজানিছিল। আমিও পাছতহে সেইবোৰ জানি উঠিছিলো।

মই পঢ়া কলেজিয়েট স্কুলৰ ইমান ওচৰতে কটন কলেজ যে অৱস্থিত, সেয়া মোৰ সপোনৰ অগোচৰ আছিল। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ আন বহুতেই হাবিয়াস কৰাৰ দৰেই ময়ো কটন কলেজত পঢ়িবলৈ উদ্বাউল হৈছিলো। স্বাভাৱিকতে সেইখন কলেজত নাম ভৰ্তি কৰিবলৈ তেতিয়াও ভালেখিনি হেঙাৰ আছিল। কিন্তু সেই সকলোবোৰ নেওচি মই কটন কলেজৰ কলা বিভাগত ভৰ্তি হৈছিলো।

কটন কলেজৰ এটি অপৰিহাৰ্য্য অংগ ইয়াৰ ছুডমাৰ্চন হলটো। এতিয়াও সেই একে ঠাইতে সেই সভাঘৰটো আছে যদিও পুৰণি চেহেৰাৰ কোনো ৰূপেই এতিয়া আৰু তাত নাই। আধুনিকতম কাৰুকাৰ্য্যেৰে সেইটো এতিযা হৈ পৰিছে আন যিকোনো আৰ চি চি ঘৰৰ লেখীয়া। আমি পঢ়োতে সেইটো কিন্তু আছিল এটি দীঘলীয়া আহল-বহল সভাঘৰ। পাছত জানি উঠিছিলো যে কলেজখনৰ প্ৰথমজনা অধ্যক্ষ ছুডমাৰ্চনৰ নামেৰেই সেইটো ঘৰৰ নামকৰণ কৰা হৈছিল। কোনো ঠাইত নামটো লিখা নাছিল, কিন্তু হলটোৰ একেবাৰে শেষৰ ফালে ছুডমাৰ্চনৰ এটা আবক্ষ মূৰ্তি আছিল। শুধ বগা মাৰ্বলেৰে গভীৰভাৱে আকৰ্ষণ কৰিছিল। তেতিয়ালৈ মই আন কোনো বিখ্যাত ব্যক্তিৰ তেনেধৰণৰ আবক্ষ মূৰ্তি প্ৰত্যক্ষ কৰা নাছিলো। ডুমডুমাৰ আলিবাটৰ কোণতো ক'ৰবাত এটা গান্ধী মূৰ্তি সৌ-সিদিনা স্থাপিত হৈছিল।

এই ছুডামাৰ্চন হলতে আমাৰ প্ৰৱেশ-পৰীক্ষা অনুষ্ঠিত হৈছিল। এতিয়াৰ দৰে সেই সময়ত ইমান জটিলতা অৱশ্যে নাছিল। সহজেই প্ৰৱেশ-পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত নাম ভৰ্তি কৰিবলৈ বোধহয় সাজু হৈছিলো। কোৱা ভাল হ'ব যে এই সময়তে কোনো এখন প্ৰতিষ্ঠিত সেই সময়ৰ মাহেকীয়া আলোচনীত মোৰ গল্প এটা ছপা হৈছিল। স্বাভাৱিকতে কলেজত পঢ়িবলৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰীৰ মাজত এটি মৃদু আলোড়নৰ সৃষ্টি হৈছিল। তেতিয়া জনা নাছিলো যে সেইটোৱে মোৰ এদিন ভৱিষ্যতৰ পৰিচয় হ'ব পাৰে।

মই যেতিয়া কটন কলেজত পঢ়িছিলো, সেই সময়ত আমাৰ অধ্যক্ষ আছিল ডঃ হিৰণ্য কুমাৰ ভূঞা। কটন কলেজৰ লগত সম্পৰ্ক থকা বহু অধ্যক্ষ তথা অধ্যাপিকাৰ নাম শুনিছিলো আৰু কিছুমানক প্ৰত্যক্ষ কৰিছিলো আৰু কিছুমানৰ বিভিন্ন কাৰ্য্যাৱলীৰ বিষয়ে কেৱল সাধুকথাৰ দৰে বিভিন্ন কাহিনী শুনিছিলো। ইয়াৰ ভিতৰত দুই-এটা এনে নাম আছিল, যিবোৰ বোধহয় কলেজখনৰ লগতে অংগাংগী হৈ পৰিছিল। নাম শুনিছিলো এসময়ৰ ইংৰাজী বিভাগৰ অধ্যাপক বিখ্যাত পি. চি. ৰয়ৰ। পি. চি. ৰয়ৰে জীয়েক হ'ল ভাৰতৰ সুখ্যাত কলা সমালোচিকা অমিতা মালিক। সৌ সিদিনা যিগৰাকী মহিলাই কমলকুমাৰী বঁটা গ্ৰহণ কৰি সোঁৱৰণ কৰি গৈছে তেওঁৰ গুৱাহাটীৰ শৈশৱৰ বহু মিঠা স্মৃতি। মই ব্যক্তিগতভাৱে কলিকতাত শ্ৰীমতী মালিকক লগ পাওঁতে এনেদৰে গুৱাহাটীৰ স্মৃতি ৰোমন্থন কৰিছিল। নাম লৈছিল অধ্যাপক লক্ষ্মী চেটাৰ্জীৰ।

প্ৰত্যক্ষ কৰিছিলো উদ্ভিদবিজ্ঞানৰ অধ্যাপক অতুল চন্দ্ৰ দত্তক। এওঁৰদ্বাৰা ৰচিত 'টেক্সট বুক অব বোটেনী' নামৰ পাঠ্যপুথিখন সেই সময়ত সমগ্ৰ ভাৰততে চলিছিল। প্ৰত্যক্ষ কৰিছিলো সেই একে বিভাগৰে অধ্যাপিকা কমলা ৰয়ক। প্ৰত্যক্ষ কৰিছিলো ৰসায়ন বিভাগৰ ফৰিংফুটা নাম যদু বাবুক। এনে বহু কৃতী শিক্ষকে কটন কলেজত এক মচিব নোৱৰা প্ৰভাৱ ৰাখি থৈ গৈছে।

আমাৰ সময়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ ভূঞা আছিল কিন্তু পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক। সেই সময়ৰ কটন কলেজৰ নতুন পদাৰ্থবিজ্ঞান বিভাগৰ ভৱন গঢ়ি উঠিছে মাত্ৰ। ড° ভূঞা আছিল অত্যন্ত শৃংখলাবোধ মানি চলা শিক্ষক। মোৰ যদি ভুল হোৱা নাই, ড° ভূঞাৰ দিনতে কটন কলেজৰ প্ৰশাসনীয় বিভাগৰ নানান নতুন নীতি-নিয়মৰ প্ৰচলন হৈছিল। এওঁৰ দিনতে স্থাপিত হৈছিল কটন কলেজৰ কেন্টিনখন। য'ত প্ৰথমতে 'ছেলফ্ হেল্প' প্ৰক্ৰিয়াৰে সকলো প্ৰচলিত হৈছিল। তেতিয়াৰ প্ৰশাসনীয় ভৱনত কলেজৰ গ্লাছ নটিচবোৰ্ডৰ প্ৰচলনো এওঁৰ দিনতে হয়। অধ্যক্ষক দেখা কৰাৰ নিৰ্দিষ্ট বিশেষ সময়ৰ তালিকাও এওঁৰ দিনতে প্ৰচলিত হয়। সমগ্ৰ কলেজখন চলি থকাৰ সময়ত অধ্যক্ষ ড° ভূঞাই তদাৰক কৰা আমি নিজে দেখিছো, নিউ আৰ্টছ বিল্ডিঙৰপৰা এডমিনিষ্ট্ৰেটিভ বিল্ডিঙলৈকে।

মোৰ বাবে কটন কলেজৰ প্ৰথম আকৰ্ষণ আছিল কিন্তু এজোপা গছ। পানবজাৰস্থ নিউ আৰ্টছ বিল্ডিঙৰ সমুখত থকা এজোপা ডাঙৰ ফুলবিহীন গছ মই বৰ ওচৰৰপৰা নিৰীক্ষণ কৰিছিলো। গছজোপাৰ নাম মই পাহৰিলো। কিন্তু এইজোপা গছক লৈয়ে প্ৰয়াত অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাই তেতিয়াৰ 'আৱাহন'ত এটি বৰ

সুন্দৰ কবিতা লিখিছিল। গছজোপাৰ দৰেই আকৰ্ষণ কৰিছিল অধ্যাপক হাজৰিকায়ো। 'নৰকাসুৰ', 'ছত্রপতি শিৱাজী', 'বণিজ কোঁৱৰ' আদি অসংখ্য নাটৰ লেখক অধ্যাপক হাজৰিকাই আমাক অসমীয়া পঢ়ুৱাইছিল। লেখকৰ প্ৰতি থকা মোৰ স্বাভাৱিক দুৰ্বলতাই সুকীয়াভাৱে এইবাৰো আকৰ্ষণ কৰিছিল। ক'বলৈ সংকোচ নাই যে কটন কলেজত তেতিয়া প্ৰচলিত বছৰেকীয়া সুকুমাৰ কলা প্ৰতিযোগিতাৰ প্ৰবন্ধ শাখাত মই বোধহয় অতুল হাজৰিকাৰ নাটকৰ ওপৰত এটি আলোচনা লিখি পুৰস্কৃত হৈছিলো। তেতিয়া মই তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। নিৰ্ভীকভাৱে সমালোচনা কৰা আলোচনাটি অধ্যাপক হাজৰিকাৰ উপস্থিতিত মই কলেজতে পাঠ কৰা মনত আছে। প্ৰত্যক্ষ কৰিছিলো ৰামায়ণী সাহিত্যৰ ওপৰত আলোচনা কৰা, প্ৰাক্-বৈষ্ণৱ যুগৰ 'কথা গুৰু চৰিত' আদি সম্পাদনা কৰা, অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুক। এৱোঁ আমাক অসমীয়া পঢ়ুৱাইছিল। আৰু অসমীয়া পঢ়ুৱাইছিল সৌ সিদিনা মৃত্যু হোৱা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ বিনয়ভূষণ চৌধুৰীয়ে। ইংৰাজী পঢ়ুৱাইছিল অধ্যাপক চন্দ্ৰ কলিতা, তাৰিণীকান্ত ভট্টাচাৰ্যই, যাক চমুকৈ 'টি. কে বি.' বুলি কোৱা হৈছিল। নাটকীয় ভংগীত এওঁৰ পাঠদান বৰ উপভোগ্য আছিল। এওঁ আমাক টমাচ হাৰ্ডি'ৰ দি মেয়ৰ অব কেষ্টাৰব্ৰীজ নামৰ উপন্যাসখন পঢ়ুৱাইছিল। অধ্যাপক ৰায়হান শ্বাহে পঢ়ুৱাইছিল 'গেলছ বৰ্থীৰ নাটক লয়েলিটিজ। চন্দ্ৰনাথ কলিতাই ছেক্সপীয়েৰ পঢ়ুৱাইছিল।

এইসকলৰ উপৰিও মোক গভীৰভাৱে আকৰ্ষণ কৰিছিল অৰ্থনীতি বিভাগৰ তেতিয়াৰ আধ্যাপক, পিছলৈ কটন কলেজৰ অধ্যক্ষ, প্ৰাক্তন ডি. পি. আই. আশ্ৰফ আলী, ইক্ৰাম শইকীয়া, দৰ্শন বিভাগৰ অধ্যাপক, পিছলৈ কটনৰ অধ্যক্ষ আব্দুল জেলিল আদি শিক্ষকসকলে।

উল্লেখ কৰি অহা এসময়ৰ কটন কলেজৰ বছৰেকীয়া সুকুমাৰ কলা প্ৰতিযোগিতাৰে এটি বৰ অৰ্থবহ প্ৰকাশ আছিল কলেজৰ আলোচনীখনৰ, নাম যাৰ 'কটনিয়ান'। এই কটনিয়ানত প্ৰকাশ পোৱা বহু লেখক-লেখিকাই এতিয়াৰ অসমীয়া সাহিত্যৰ একোগৰাকী বিশিষ্ট লেখক বা লেখিকা। মোৰ যদি ভুল হোৱা নাই, বিশিষ্ট লেখক হোমেন বৰগোহাঞিয়ে এই কটনিয়ানতে এটি গল্প লিখি আত্মপ্ৰকাশ কৰিছিল, ঠিক যেনেদৰে প্ৰয়াত ড° মহেন্দ্ৰ বৰাই এই 'কটনিয়ান'তে লিখিছিল তেওঁৰ বিখ্যাত কবিতা ল.সা.গু.। এনেদৰে বহু লেখক-লেখিকাই তেওঁলোকৰ জীৱনৰ সাহিত্য সাধনাৰ প্ৰথম বীজ ৰোপণ কৰিছিল এই 'কটনিয়ান'তে।

মোৰ কিন্তু কোনো লিখা 'কটনিয়ান'ত প্ৰকাশ পোৱা নাছিল। কোনোবা এটা বছৰত মই গল্প এটা প্ৰকাশৰ বাবে আলফুলে দিছিলো। সম্পাদকে কেৱল

লিখাটো থৈ যাবলৈ কৈছিল। নামোল্লেখ নকৰাকৈও মই ক'ব খুজিছো যে সেই সম্পাদকগৰাকীক এটা অনাতাঁৰ কাৰ্যসূচীত সৌ সিদিনা লগ পাই নিঃসংকোচে সেই কথাটো উনুকিয়াইছিলো। সলাজ হাঁহি এটাৰ বাহিৰে তেওঁৰ কোনো উত্তৰ নাছিল।

কটন কলেজৰ এক অপৰিহাৰ্য আৰু অবিস্মৰণীয় সম্পদ হ'ল ইয়াৰ পুথিভঁৰালটো। মই ভাবো, কটন কলেজত পঢ়িবলৈ অহা যিকোনো শিক্ষানুৰাগী ছাত্ৰ-ছাত্ৰীয়ে এই পুথিভঁৰালটো ভালদৰে যিকোনো বিষয়ত অধ্যয়ন কৰাৰ দেখাৰ সুযোগ-সুবিধা আছে আৰু সেইটোকে গ্ৰহণ কৰাৰ প্ৰাপ্ত সুবিধাখিনি ব্যৱহাৰ কৰিবলৈ কোনেও হেলা কৰা উচিত নহয়। কটন কলেজৰ লাইব্ৰেৰী নিঃসন্দেহে এক অনাবিষ্কৃত হীৰাৰ খনিৰ নিচিনা।

কটন কলেজৰ লাইব্ৰেৰী সঁচাকৈয়ে খনিস্বৰূপ, বিভিন্ন বিষয়ৰ বিভিন্ন কিতাপেৰে পুথিভঁৰালটি এনেদৰে ঠাহ খাই আছে, যিটো চুই নোপোৱালৈ ভাবিব নোৱাৰি। মই কটন কলেজত পঢ়োতে এবাৰ বাতৰিকাকতৰ আকৃতিৰ এখন বৃহৎ কিতাপ ওপৰৰপৰা টানি উলিয়াইছিলোঁ। পঢ়িবলৈ নহয়, কৌতূহলবশতঃ কিনো সেই গ্ৰন্থ চাবলৈ। তেতিয়াৰ লাইব্ৰেৰীয়ানজনে কৈছিল ঃ সেইখন কিতাপ কোনেও নপঢ়ে। মই লুটিয়াই চাইছিলোঁ। কিতাপখনৰ মাজত সৰু সৰু হাতৰ আখৰেৰে লিখা দুই-এখন কাগজো পাইছিলোঁ। লাইব্ৰেৰীয়ানজনে কৈছিল, সেইবোৰ ড° কাকতিৰ হাতৰ আখৰ (কাকতি, অৰ্থাৎ অসমীয়া ভাষা-সাহিত্যৰ ওজা ড° বাণীকান্ত কাকতি, পাছত গম পাইছিলোঁ যে সেই গ্ৰন্থখনিতে নিহিত আছিল আবেলাৰ্ড আৰু হেলেছাৰ প্ৰেমৰ কাহিনীটো, যিটো ড° কাকতিয়ে তেওঁৰ অবিস্মৰণীয় সাহিত্য আৰু প্ৰেম গ্ৰন্থত অতি সুন্দৰভাৱে লিপিবদ্ধ কৰিছে)। মই যিহেতু সাহিত্যৰ অনুৰাগী ছাত্ৰ আছিলো, গতিকে স্বাভাৱিকতে সাহিত্য বিষয়ক নানান গ্ৰন্থ চকুত পৰিছিল। বিশেষকৈ ইংৰাজী সাহিত্য সম্পৰ্কে ইমানবোৰ বহুমূলীয়া গ্ৰন্থ তাত আছে, যিটো ভাবিবই নোৱাৰি। বোধহয় তেনেদৰেই আছে আন বিষয়ৰো বহুবোৰ বহুমূলীয়া গ্ৰন্থ। কটন লাইব্ৰেৰীতে প্ৰত্যক্ষ কৰিছিলোঁ বহুবোৰ বিশ্বসাহিত্যৰ অবিস্মৰণীয় গ্ৰন্থ। তাতেই দেখিছিলোঁ চ'চাৰৰ 'কেন্টাৰবাৰী টেলছ' মিল্টনৰ 'পেৰেডাইজ লষ্ট', ভিক্টৰ হুগোৰ 'হাঞ্চ বেক অৱ নট্ৰেডাম' যি গ্ৰন্থৰ সুন্দৰ অসমীয়া অনুবাদ আগবঢ়াইছিল লীলা দেৱীয়ে, নাম আছিল 'দীন দুখী' ইত্যাদি। নাট্য সাহিত্যৰ প্ৰামাণ্য গ্ৰন্থ হিচাপে স্বীকৃত নিকলৰ 'থিঅৰি অৱ ড্ৰামা' গ্ৰন্থখন মই প্ৰথম তাতেই দেখিছিলোঁ আৰু সম্ভৱতঃ বহুবাৰ কিতাপখন আনি পঢ়ি নাট বিষয়ক জ্ঞান লাভ কৰিবলৈ যত্ন কৰিছিলোঁ। তেনেদৰেই উনৈশ শতিকাৰ

সাহিত্যৰ ৰোমাণ্টিছিজিম বা নৱন্যাস আন্দোলন সম্পৰ্কে বহুবোৰ আলোচনামূলক গ্ৰন্থৰ তাত সমাবেশ দেখিছিলোঁ।

আগতে মই উল্লেখ কৰি অহা কটন কলেজৰ বছৰেকীয়া সুকুমাৰ কলা প্ৰতিযোগিতা এসময়ত বৰ জনপ্ৰিয় আৰু উদ্দেশ্যধৰ্মী ফলপ্ৰসূ প্ৰতিযোগিতা আছিল। কাৰণ, উল্লিখিত সুকুমাৰ কলা প্ৰতিযোগিতাৰ যোগেদিয়ে কলেজত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক আৰু বৌদ্ধিক দিশৰ সুপ্ত প্ৰতিভা বিকাশৰ এটি বলিষ্ঠ পদক্ষেপ লাভ কৰিছিল। আৰু সেই প্ৰতিযোগিতাত পুৰস্কৃত বিভিন্ন ৰচনা আদি কলেজৰ নিজস্ব আলোচনী কটনিয়ানত সুন্দৰভাৱে প্ৰকাশ পাইছিল। এই পৰম্পৰা বহু বছৰলৈ প্ৰচলিত আছিল।

আমি কলেজত পঢ়ি থাকোতে কটন কলেজৰপৰা আৰু এটি মহৎ অনুষ্ঠানৰ জন্ম হৈছিল যদিও কিয় বা কিহৰ বাবে অনুষ্ঠানটোৰ মৃত্যু ঘটিল মই নেজানো। অনুষ্ঠানটি আছিল ঃ 'সদৌ অসম আন্তঃকলেজ সংগীত প্ৰতিযোগিতা'। অৰ্থাৎ অসমৰ সকলোবোৰ কলেজৰ মাজত বছৰি এটি সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানৰ জন্ম দিছিল কটন কলেজৰে প্ৰয়াত নিত্যা ভূএগ্ৰা নামৰ ছাত্ৰ এজনে। কেইবাবছৰো এই সংগীত প্ৰতিযোগিতা বৰ ধুমধামেৰে অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত হৈছিল। মোৰ যদি ভুল হোৱা নাই, সুখ্যাত গায়িকা দীপালী বৰঠাকুৰে যোৰহাটত অনুষ্ঠিত এই প্ৰতিযোগিতাতে এবাৰ শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰিছিল। উল্লেখ কৰিব পাৰি যে তেতিয়াৰ আন্তঃকলেজ প্ৰতিযোগিতাৰ সামৰণী অনুষ্ঠানটিলৈ সদায় স্বনামধন্য সংগীতশিল্পী ড° ভূপেন হাজৰিকা আমন্ত্ৰিত হৈছিল (এবাৰ যোৰহাটত বৰষুণৰ বাবে গীত গাব নোৱাৰি পিছদিনা আকৌ আয়োজিত অনুষ্ঠানত অংশ গ্ৰহণ কৰি লিখি উলিয়াইছিল তেওঁৰ সেই বিখ্যাত গীত ঃ 'ৰিম্ ঝিম্ ৰিম্ ঝিম্ বৰষুণে নূপুৰ বজায় ক'ত। গম গম গম গম ডাৱৰেনো মাদল বজায় ক'ত। অ' মোৰ অসম দেশত. . । এনে ধৰণৰ এৰা-ধৰা স্মৃতিৰে ভৰপূৰ আছিল কটন কলেজ। এই কলেজৰপৰা প্ৰকাশিত কটনিয়ান নামৰ আলোচনীখনৰ ঐতিহ্যৰ কথা মই আগতে উল্লেখ কৰিছোঁ। মই যদিও এই আলোচনীত একো লিখা নাছিলোঁ, আলোচনীখনৰ উত্তৰোত্তৰ বিকাশৰ ক্ৰমোন্নতি মই সচেষ্টভাৱে লক্ষ্য কৰিছিলোঁ। মই পঢ়ি থকা সময়ত এবাৰ কটনিয়ানৰ সম্পাদক নিৰ্বাচিত হৈছিল বসন্ত কুমাৰ শইকীয়া। বসন্ত শইকীয়াই নাটকো লিখিছিল। কলেজত পঢ়ি থকাৰ সময়ত তেওঁ 'মকৰাজাল' নামৰ বাস্তৱবাদী নাটক এখন লিখি উলিয়াই মঞ্চস্থও কৰিছিল। এই বসন্ত শইকীয়াৰদ্বাৰা সম্পাদিত কটনিয়ান আলোচনীখন

উলিয়াওঁতে মই নানান ধৰণৰ সহায় আগবঢ়াইছিলোঁ। আলোচনীখনৰ বেটুপাতৰপৰা আৰম্ভ কৰি বিভিন্ন প্ৰবন্ধ-পাতি নিৰ্বাচনলৈকে।

কটনিয়ানৰ লগত মোৰ প্ৰত্যক্ষ যোগাযোগ নাছিল, কিন্তু মোৰ যোগাযোগ ঘটিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ আলোচনীখনৰ লগত। মই তেতিয়া সাধাৰণভাৱে কটন কলেজৰপৰা স্নাতক হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত নাম ভৰ্তি কৰিছিলোঁ। মাথোন নাম ভৰ্তিয়ে নহয়, মই বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ পাঠ্যক্ৰম শেষো কৰিছিলোঁ। কিন্তু দুৰ্ভাগ্যবশতঃ মই স্নাতকোত্তৰ মহলাৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলো। এই খেদ মোৰ সদায় থাকি গ'ল। চূড়ান্ত পৰীক্ষাৰ ঠিক প্ৰাকমুহূৰ্তত মোৰ দেউতা কৰ্কটৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হৈছিল। দেউতাই অস্ত্ৰোপচাৰৰ ফলত চিৰদিন কথা কোৱাৰ শক্তি হেৰুৱাই পেলাইছিল। দেউতাক অস্ত্ৰোপচাৰ কৰিছিল তেতিয়াৰ বিখ্যাত ই. এন. টি. ছাৰ্জন সুৰেন শৰ্মাই। এওঁ পিছলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰায় সাত ঘন্টা সময় ধৰি অস্ত্ৰোপচাৰ কৰি উঠাৰ অন্তত যেতিয়া দেউতাক মুভিং বিছনা এখনত কৰিড'ৰেৰে নিৰ্দিষ্ট স্থানলৈ লৈ যোৱা হৈছিল, তেতিয়া মোৰ কাষতে থিয় হৈ থকা এগৰাকী সাধাৰণ বিহাৰী জামাদাৰণীয়ে মোক হিন্দীত প্ৰশ্ন কৰিছিল ঃ 'মানুহজন ঢুকাল নেকি?'

তেতিয়ালৈ দেউতা ঢুকোৱা নাছিল। অস্ত্ৰোপচাৰৰ পাছত দেউতা মোৰ ৰুদ্ধ কণ্ঠস্বৰেৰে আৰু এঘাৰ বছৰ জীয়াই আছিল।

মই কটন কলেজৰপৰা স্নাতক হৈ উঠাৰ পাছতে মোৰ জীৱনৰ এটা বৰ গুৰুত্বপূৰ্ণ ঘটনা আকস্মিকভাৱে ঘটে। আচৰিতভাৱে আৰু অযাচিতে আহি পৰা এই সুযোগে মোক পৃথিৱীখন নতুনকৈ চোৱাৰ সুযোগ কৰি দিলে। কাৰণ মই স্নাতক হোৱাৰ পাছতেই চাকৰিত সোমাইছিলোঁ। অসমৰ বিখ্যাত বাতৰিকাকত প্ৰকাশন প্ৰতিষ্ঠান 'দি আসাম ট্ৰিবিউন' প্ৰেছত। অৰ্থাৎ মই কোনোদিন সাংবাদিক নাছিলোঁ। সংবাদ সেৱাৰ অ আ ক খও মই নেজানো। তথাপি বহুত তিতা-মিঠা অভিজ্ঞতাই ছুই যোৱা জীৱন আছিল সেইটো। তাৰ বিষয়ে কোৱাৰ আগতে মই ক'ব লাগিব গুৱাহাটী বিশ্ববিদ্যালয়ত কটোৱা সময়খিনিৰ কথা। য'ত মই সান্নিধ্য পাইছিলোঁ অসমীয়া ভাষা-সাহিত্যৰ হোতাস্বৰূপ, প্ৰয়াত ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ, শংকৰী সাহিত্য তথা অসমীয়া ভাষা-সাহিত্যৰ গৱেষক প্ৰয়াত ড° মহেশ্বৰ নেওগৰ, সত্যেন্দ্ৰ নাথ শৰ্মাৰ আৰু বহুতৰ। সেইবোৰৰ সান্নিধ্যৰ স্মৃতিয়ে মোৰ সাধাৰণ জীৱন বহু দিশৰপৰা নিশ্চয় পল্লৱিত কৰি গৈছে।

কটন কলেজিয়েট স্কুলৰপৰা কটন কলেজ। তাৰ পাছত একেবাৰে সুদূৰ জালুকবাৰী। 'জিলিকাব লুইতৰ পাৰ'ৰ প্ৰতীক চিহ্ন গুৱাহাটী বিশ্ববিদ্যালয়।

এন্ধাৰৰ ভেটা ভাঙি / প্ৰাগজ্যোতিষত বয় / জেউতি নিজৰাৰে ধাৰ / শত শত বন্তিৰে / জ্ঞানৰ দীপালীৰে / জিলিকাব লুইতৰে পাৰ'। এয়া কোনো গীতিকাৰৰ অৰ্থবহ প্ৰকাশ আৰু এই গীতেৰে আৰম্ভ হৈছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠান। গুৱাহাটী বিশ্ববিদ্যালয় অসমৰ জাতীয় জীৱনৰ নিঃসন্দেহে এক ঐতিহ্যপূৰ্ণ তথা গৰিমামণ্ডিত শৈক্ষিক অনুষ্ঠান, যি অনুষ্ঠান গঢ়ি উঠাৰ আঁৰত নিহিত হৈ আছে এচাম দেশপ্ৰেমী মহান লোকৰ অশেষ ত্যাগ আৰু ঐকান্তিকতাৰ নিৰহ-নিপানী ৰূপ। বিশ্ববিদ্যালয় কেনেকৈ গঢ়ি উঠিল, সেয়া এক সুদীৰ্ঘ কাহিনী। কিন্তু যি সময়ত এই মহতী উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান গঢ়ি উঠিছিল, সেই সময়ত আমাৰ ৰাজ্যখনৰ শৈক্ষিক পৰিৱেশ একেবাৰে উজ্জ্বল আছিল বুলি ক'ব নোৱাৰি। তথাপিও অসমত বিশ্ববিদ্যালয়খন গঢ়ি উঠিছিল। আৰু এই বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী উপাচাৰ্য হিচাপে শোভাবৰ্দ্ধন কৰে এনে এগৰাকী ব্যক্তিয়ে যাৰ জ্ঞানৰ গভীৰতা আৰু ব্যক্তিত্বৰ সম্মোহিনী ৰূপৰ নিশ্চয় তুলনা নহয়। তাৰ পাছত লুইতৰ বুকুৰেদি বহু পানী বাগৰি গ'ল। গঢ়ি উঠিল আৰু কেইবাখনিও বিশ্ববিদ্যালয়। লক্ষ্য কিন্তু সকলোৰে একেই। গীতিকাৰৰ কথাৰে অজ্ঞান এন্ধাৰক এফলীয়া কৰি থৈ জীৱনৰ ডাঁৱ মাৰি যোৱাৰ অভীপ্সা।

গুৱাহাটী বিশ্ববিদ্যালয়ত মই পঢ়িবলৈ সোমাওঁতে মোৰ কিন্তু জীৱনৰ এটি নতুন অধ্যায়ৰ আৰম্ভ হৈছিল। আন কথাত, বিশ্ববিদ্যালয়ত মই যেতিয়া পঢ়িবলৈ লওঁ, সেই সময়ত মই দি আসাম ট্ৰিবিউন প্ৰেছৰ চাকৰিত সোমাওঁ। মই কেতিয়াও কোনোদিনে ভবা নাছিলোঁ যে মোৰ জীৱন ৰথৰ চকৰি কেতিয়াবা কোনোদিনে নভবা এটি বিপদসংকুল অথচ মোহনীয় পথেৰে আগবাঢ়িব। সেইটো কেনেকৈ সম্ভৱ হৈ উঠিল, সেই বিষয়ে মই পাছত ক'ম।

গুৱাহাটী বিশ্ববিদ্যালয়ত যেতিয়া মই, প্ৰথমদিনা বিশ্ববিদ্যালয়ৰ পৰিবহন বাছেৰে গৈ নামিছিলোঁ, তেতিয়ালৈ বিশ্ববিদ্যালয়খনৰ পৰিপূৰ্ণ চৌহদ মোৰ চকুত পৰা নাছিল। কিন্তু প্ৰথমদিনা নামিয়ে মই চৌদিশলৈ দৃষ্টি নিক্ষেপ কৰি মাথোঁ ভাবিছিলোঁ ক'ত সেয়া ৰূপকোঁৱৰৰদ্বাৰা কল্পিত বিশ্ববিদ্যালয়ৰ স্থাপত্যশিল্পৰ প্ৰতীকচিহ্ন? বোধহয় মই তেতিয়া কলেজীয়া ছাত্ৰ। সেই সময়ত ডিব্ৰুগড়ৰপৰা ৰৰ সুন্দৰ অসমীয়া আলোচনী এখন ওলাইছিল। নামটো মই পাহৰিলোঁ। ডিমাই আকৃতিৰ

আলোচনীখন সাধাৰণ আলোচনীৰ দৰেই প্ৰবন্ধ-কবিতা গল্প আদিৰে ভৰপূৰ হ'লেও কলা বিষয়ক কিছু আলোচনায়ো তাত ঠাই পাইছিল। আলোচনীখনৰ এজন পৰিচালক সম্পাদক বোধহয় আছিল ভৰত বৰপূজাৰী। বৰপূজাৰী এতিয়া ডিব্ৰুগড়ৰ চাহ-মজদুৰ সংঘৰ সংগঠনৰ স'তে ওতপ্ৰোতভাৱে জড়িত। বৰপূজাৰীৰ লগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ ঘনিষ্ঠ সম্বন্ধ থকাৰ কথা আমি শুনিছিলোঁ। কলাপ্ৰেমী বৰপূজাৰীৰ চেষ্টাতে অসম চাহ-মজদুৰ সংঘৰদ্বাৰা প্ৰযোজিত দ্বিতীয়খন অসমীয়া বোলছবি ৰতনলাল নিৰ্মাণ হৈছিল। ছবিখন পৰিচালনা আৰু চিত্ৰগ্ৰহণ কৰিছিল নলীন দুৱৰাই। উল্লেখযোগ্য যে চাহ-মজদুৰ সংঘৰদ্বাৰা প্ৰযোজিত প্ৰথমখন অসমীয়া বোলছবি আছিল নটসূৰ্য্য ফণী শৰ্মা পৰিচালিত 'কেঁচা সোণ'।

ডিব্ৰুগড়ৰ সেই সুন্দৰ আলোচনীখনতে মই প্ৰথম দেখিছিলোঁ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰদ্বাৰা পৰিকল্পিত ভৱিষ্যৎ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাস্কৰ্যশিল্পৰ অভিনৱ ৰেখাচিত্ৰ। আন কথাত, যদি গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হয়, তেতিয়া সেই বিশ্ববিদ্যালয়ৰ স্থাপত্যশিল্প কেনে হোৱা উচিত, সেই বিষয়ে ৰূপকোঁৱৰে তেতিয়াই আলোচনা কৰিছিল আৰু আলোচনীখনত ৰূপকোঁৱৰৰ সেই পৰিকল্পনাৰে ৰেখাচিত্ৰ দুখনমান সুন্দৰভাৱে 'লাইন ড্ৰয়িং' কৰি ছপা কৰা হৈছিল। ৰূপকোঁৱৰে স্বাভাৱিকতেই তেওঁৰ পৰিকল্পনাত অসমীয়া জাপি, শৰাই আৰু গামোচাৰ প্ৰতীক চিহ্ন ৰাখিবলৈ যত্ন কৰিছিল। সন্দেহ নাই, জ্যোতিপ্ৰসাদ হয়তো ফ্ৰাঙ্ক লয়েড ৰাইট নহয়, কিন্তু চিৰসুন্দৰৰ সাধক ৰূপকোঁৱৰে তেওঁৰ সকলো সৃষ্টিত চলনশক্তিস্বৰূপ নিভাঁজ অসমীয়া কলা-কৃষ্টিৰ চানেকি ৰখাৰ দৰে বিশ্ববিদ্যালয়ৰ পৰিকল্পিত স্থাপত্যশিল্পতো সেই প্ৰতীকচিহ্ন ৰখাৰ যত্ন কৰিছিল। সকলো ফুটুকাৰ ফেন। তাৰ ঠাইত গতানুগতিক কেইটিমান গুদামঘৰৰ লেথীয়া ঘৰ মোৰ চকুত পৰিছিল। হায় জ্যোতিপ্ৰসাদ।

বহুদিনলৈ সযত্নে ৰূপকোঁৱৰৰদ্বাৰা পৰিকল্পিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অভিনৱ স্থাপত্যশিল্পৰ নিদৰ্শন থকা সেই ৰেখাচিত্ৰকেইখন মই থৈ দিছিলোঁ। সময়ৰ সোঁতত সেয়া ক'লৈ গ'ল মই নেজানোঁ। আজিও কোনোবা ইচ্ছুক গৱেষকে সেই বিষয়ে বিচাৰ-বিবেচনা কৰি চাব পাৰে আৰু স্বাভাৱিকতে সেইবোৰৰ যোগেদি ৰূপকোঁৱৰৰ নব্য বাস্তৱবাদী চিন্তাধাৰাৰ উমান পোৱা যাব পাৰে।

বিশ্ববিদ্যালয়ৰ সঞ্চিত অভিজ্ঞতাৰ মোৰ বাবে সবাতোকৈ উল্লেখযোগ্য দিশ হ'ল কেইগৰাকীমান স্বনামধন্য অসমীয়া সাহিত্যৰ ওজা পুৰুষৰ সান্নিধ্য লাভ। তেওঁলোক হ'ল প্ৰয়াত বিৰিঞ্চিকুমাৰ বৰুৱা, প্ৰয়াত মহেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰ

নাথ শৰ্মা। উল্লেখিত তিনিওগৰাকী ব্যক্তি অসমীয়া ভাষা-সাহিত্যৰ একোগৰাকী ছাত্ৰ হিচাপে বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰিছিল। গতিকে স্বাভাৱিকতে উক্ত ব্যক্তিকেইগৰাকীৰ মই অসমীয়া ভাষা-সাহিত্যৰ শিক্ষক হিচাপে সান্নিধ্য লাভৰ সুযোগ-সুবিধা পাইছিলোঁ। যিহেতু মই সাহিত্যানুৰাগী ছাত্ৰ আছিলোঁ, গতিকে সদায় পঢ়ি অহা আৰু নাম শুনি থকা এইসকল ব্যক্তিক নিচেই ওচৰৰপৰা পোৱাৰ মোৰ পৰম সৌভাগ্য আছিল। উল্লেখিত প্ৰতিগৰাকী ব্যক্তিৰ শিক্ষাদান পদ্ধতিৰ তাৰতম্য নিশ্চয় আছে, কিন্তু প্ৰতিগৰাকী ব্যক্তিৰ তেওঁলোকৰ বিষয়বস্তুৰ ওপৰত থকা অফুৰন্ত জ্ঞান আৰু বিচাৰ-বিশ্লেষণ মোৰ বাবে পৰম বিস্ময় আছিল। বহু নজনা কথা তেখেতসকলৰপৰাই মই জানিছিলোঁ। বুজিছিলোঁ। বিশ্ববিদ্যালয়ত কটোৱা সেই চুটি সময়ছোৱা মোৰ বাবে এই দিশৰপৰাই তাৎপৰ্যপূৰ্ণ আছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ত থকা সময়ছোৱাত মোৰ বাবে সবাতোকৈ উল্লেখযোগ্য বিষয়টি আছিল মই পঢ়ি থকাৰ সময়ত সম্পাদনা কৰা স্নাতকোত্তৰ মহলাৰ আলোচনীখন। স্কুল, কলেজ এখনৰ আলোচনীৰ সম্পাদকৰ দায়িত্ব বহন কৰাৰ দৰেই বিশ্ববিদ্যালয়ৰ প্ৰকাশিত আলোচনী এখন সম্পাদনা কৰাত নতুনত্ব হয়তো একো নাই, কিন্তু তাৰ মাজেদিয়েই সীমিত জ্ঞান আৰু সুবিধাৰ যোগেদি প্ৰাপ্য সুযোগক যথাযথভাৱে ব্যৱহাৰ কৰাৰ দৃষ্টান্ত মই বোধহয় ৰাখিব পাৰিছিলোঁ। কেনেকৈ?

আলোচনীখনৰ দায়িত্ব বহন কৰি মই প্ৰথমেই অনুভৱ কৰিছিলোঁ যে কলা আৰু বিজ্ঞানবিষয়ক দুয়োবিধ বিষয়তে যিহেতু বিশ্ববিদ্যালয়ত পঢ়ুৱাৰ ব্যৱস্থা আছে, গতিকে আলোচনীখনত এটি সুকীয়া বিজ্ঞান বিভাগ থাকিব লাগে। সগৰ্বে মই ক'ব পাৰো যে মোৰদ্বাৰা সম্পাদিত স্নাতকোত্তৰ মহলাৰ সেই আলোচনীত মই এটি সুকীয়া বিজ্ঞান বিভাগৰ প্ৰবৰ্তন কৰিছিলোঁ। সেয়ে বোধহয় প্ৰথম আৰু শেষ আছিল। ভূতত্ত্ব বিজ্ঞান, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান আদি বিষয়ক নানা ছাত্ৰ-ছাত্ৰীৰ আলোচনা প্ৰকাশৰ উপৰিও সেই বছৰৰ নবেল পুৰস্কাৰ বিজয়ী পদাৰ্থবিজ্ঞানী, ৰসায়নবিজ্ঞানী আদিৰ আলোকচিত্ৰও সযত্নে সংগ্ৰহ কৰি প্ৰকাশ কৰিছিলোঁ। সেইবছৰ ভাৰতৰ বিখ্যাত বৈজ্ঞানিক ছাৰ জগদীশ বসুৰ শতবাৰ্ষিকী উপলক্ষে বিশেষ প্ৰবন্ধও প্ৰকাশ কৰিছিলোঁ। বিখ্যাত বিজ্ঞানী হোমী ভাবাৰ বিশেষ প্ৰবন্ধৰ বাহিৰেও তাত প্ৰকাশ কৰিছিলো বিজ্ঞানবিষয়ক শেহতীয়া বা-বাতৰি।

ভাৰতীয় কথা-সাহিত্যৰ জাকতজিলিকা ব্যক্তি ড° মূলকৰাজ আনন্দৰ এটি একেবাৰে অপ্ৰকাশিত গল্প মই ছপা কৰিবলৈ সক্ষম হৈছিলোঁ। ড° আনন্দে সম্পূৰ্ণ নতুন এটি গল্প পঠিয়াই মোক বাধিত কৰিছিল। ড° আনন্দে সেই সময়ত উক্ত

গল্পটো কছু ভাষাত প্ৰকাশ হ'বলগীয়া তেওঁৰ এখন গল্প সংগ্ৰহৰ বাবে লিখি থকা বুলি জনাইছিল। পিছলৈ ড° আনন্দৰ উক্ত গল্পটোক লৈয়ে এখন পকেটবুক ছপা হৈছিল। ছপাইছিল মুম্বাইৰ জেইকো কোম্পানীয়ে।

আলোচনীখনৰ বেটুপাত মই আঁকাইছিলোঁ সৌ সিদিনা শিল্পী পেলনেৰে বিভূষিত হোৱা বিখ্যাত চিত্ৰশিল্পী হেমন্ত মিশ্ৰৰদ্বাৰা। হেমন্ত মিশ্ৰই তেতিয়ালৈ কোনো অসমীয়া গ্ৰন্থ-আলোচনীৰ বেটুপাত আঁকা নাছিল। আলোচনীখনত গল্প লিখিছিল তেতিয়াৰ অসমীয়া বিভাগৰ ছাত্ৰ ইমৰান শ্বাহে। নাম আছিল 'বন্দী বিহঙ্গমে কান্দে'। পিছলৈ উক্ত নামেৰে শ্বাহৰ এখন গল্পগ্ৰন্থও প্ৰকাশ পায়। ঠিক তেনেদৰে কবিতা লিখিছিল অসমীয়া বিভাগৰে ছাত্ৰ, এতিয়াৰ বিখ্যাত কবি নীলমণি ফুকনে। কবিতাটিৰ নাম আছিল 'সুৰ্য হেনো নামি আহে এই নদীয়েদি'। কবি ফুকনৰ উক্ত নামেৰে এখনি কাব্যগ্ৰন্থও পিছলৈ প্ৰকাশ পাইছিল। স্বাভাৱিকতে মোৰ সম্পাদিত আলোচনীৰ এনে সুগন্ধই মোক উদ্বুদ্ধ কৰিছিল।

এতিয়াও কৰে। সৃষ্টিৰ আনন্দ নিঃশেষ হয় কেনেকৈ?

এনে সুবাসিত সৃষ্টিৰ সুগন্ধ নিশ্চয় শেষ হ'ব নোৱাৰে। মোৰদ্বাৰা সম্পাদিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ আলোচনীখনত যেনেদৰে আগতে উল্লেখ কৰি অহাৰ দৰে বিশিষ্ট ভাৰতীয় কথা-সাহিত্যিক ড° মুলকৰাজ আনন্দৰ গল্প বা তেতিয়াৰ বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰ হিচাপে থকা কবি নীলমণি ফুকন, গল্পকাৰ ইমৰান শ্বাহৰ গল্প-কবিতা প্ৰকাশৰ সুবিধা পাইছিলোঁ, ঠিক তেনেদৰে আৰু কেইগৰাকীমান কৃতী সাহিত্যিকৰ লিখা প্ৰকাশৰ সুবিধা মই গ্ৰহণ কৰিছিলোঁ। উক্ত আলোচনীতে মই প্ৰকাশ কৰিছিলোঁ কে ৰাঘবেন্দ্ৰ ৰাওৰ এটি দীঘলীয়া কবিতা। কবিতাটোৰ নাম ঃ 'কোনাৰক'। কোন এই ৰাঘবেন্দ্ৰ ৰাও? ৰাও তেতিয়া বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক আছিল। সেই সময়ৰ অতি জনপ্ৰিয়, অধুনামৃত সচিত্ৰ আলোচনী 'দি ইলাষ্ট্ৰেটেড উইকলী অব ইণ্ডিয়া'ৰ ৰাও এগৰাকী নিয়মিত লেখক আছিল। তেওঁৰ বহু কবিতা আলোচনীখনত প্ৰকাশ হৈছিল আৰু মই সেইবোৰ তেতিয়াই পঢ়াৰ সুযোগ লৈছিলোঁ। যেতিয়া মই ৰাওক কবিতা এটি লিখাৰ বাবে অনুৰোধ কৰিছিলোঁ, মানুহগৰাকীয়ে প্ৰথম প্ৰশ্নই মোক কৰিছিল, কেনেকৈ মই জানিলোঁ যে তেওঁ কবিতা লিখে? মোৰ উত্তৰ শুনি আৰু কবিতা পঢ়া বুলি গম পাই তেওঁ বৰ আনন্দিত হৈছিল। কে ৰাঘবেন্দ্ৰ ৰাওৰে কবিতাৰ উপৰিও আলেচনীখনত মাজে-সময়ে গ্ৰন্থ সমালোচনা কৰাও মোৰ চকুত পৰিছিল। সেই আলোচনীতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স'তে একীভূত হৈ যোৱা ৰাজনীতিবিজ্ঞানৰ

বিখ্যাত অধ্যাপক প্ৰয়াত ড° ভেংকটাৰাওৰ এটি বহমূলীয়া প্ৰবন্ধ ছপাইছিলোঁ। প্ৰবন্ধটিৰ নাম আছিল ঃ 'ফিলবাষ্টাৰিং'. আলোচনীখনৰ ইংৰাজী বিভাগৰ প্ৰথম প্ৰবন্ধটোৱে আছিল এইটো। ড° ৰাও পিছলৈ 'দি আসাম ট্ৰিবিউন' কাকতৰ 'ছানডে মেগেজীন ছেক্সন'ৰ এগৰাকী নিয়মিত লেখক হিচাপে প্ৰতিষ্ঠা লভিছিল। সেই সময়ত ইংৰাজী ট্ৰিবিউন কাকতৰ সম্পাদক প্ৰয়াত লক্ষ্মীনাথ ফুকনৰ 'দি আসাম ট্ৰিবিউন'ৰ আলোচনী শাখাত নিয়মিতভাৱে প্ৰকাশ পাইছিল দুগৰাকী লেখকৰ ৰচনা। তাৰে এগৰাকী হ'ল কে. এম. মুন্সী আৰু আনগৰাকী আছিল ড° ভেংকটাৰাও। কে. এম. মুন্সীয়ে সেই সময়ত ভাৰতীয় বিদ্যাভৱন নামৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানটিৰ 'কুলপতি' হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এই ভাৰতীয় বিদ্যাভৱনৰ যোগেদিয়ে ভাৰতীয় কলা-সংস্কৃতিৰ নানান উপযোগী আৰু আলোচনাত্মক গ্ৰন্থ প্ৰকাশ পাইছিল। কে. এম. মুন্সীয়ে সেই সময়ত বিদ্যাভৱনৰদ্বাৰা প্ৰকাশিত উচ্চ আধ্যাত্মিক বিষয়ক চিন্তামূলক আলোচনী ইংৰাজী 'ভৱানছ জাৰ্ণাল' সম্পাদনা কৰিছিল। সেই আলোচনী আমি পঢ়ি থকা সময়ত গুৱাহাটীৰ একমাত্ৰ গুৱাহাটী ডায়েৰী নামৰ চাহ-মিঠাইৰ দোকানখনৰ লগতে থকা নিৰ্বাচিত কিছুসংখ্যক কাকত-আলোচনীৰ লগত দেখাৰ সুযোগ ঘটিছিল।

গুৱাহাটী ডায়েৰী কিতাপৰ দোকান নাছিল যদিও নিৰ্বাচিত কিছু আলোচনী কাকত তেওঁলোকে ৰাখিছিল। এতিয়াও ৰাখে। উল্লেখিত 'ভৱানছ জাৰ্ণাল'ত নিয়মিতভাৱে প্ৰকাশিত কুলপতি মুন্সীয়ে লিখা সম্পাদকীয়টো 'কুলপতিজ লেটাৰ' নামেৰে ট্ৰিবিউন কাকতত প্ৰকাশ পাইছিল।

ড° ৰাওক যেতিয়া মই আলোচনীখনৰ বাবে কিবা এটা লিখিবলৈ অনুৰোধ জনাইছিলোঁ, পোনচাটে তেওঁৰ ব্যস্ততাৰ বাবে অক্ষমতা প্ৰকাশ কৰিছিল। মই অলপ হতাশ হৈছিলোঁ। ড° ৰাও তেতিয়া নিয়মিত আমাৰ আসাম ট্ৰিবিউন প্ৰেছলৈ আহিছিল। তেওঁ মোক ব্যক্তিগতভাৱে বৰ ভাল পাইছিল। বিশেষকৈ ফুকনক লগ পোৱাৰ উপৰিও ড° ৰাৱে প্ৰায়ে পুৰণি আসাম ট্ৰিবিউনৰ ফাইলবোৰৰ মাজত কিবা বিচাৰি চলাথ কৰিছিল। এই কামত মই তেওঁক পাৰ্যমানে সহায় কৰিছিলো। ড° ৰাও মানুহজন আছিল অতি অনাড়ম্বৰ। তেওঁ কাণেৰে কম শুনা পাইছিল। সেয়েহে কাণত সদায় এটা 'হিয়েৰিং এইড' যন্ত্ৰ থাকিছিল। মোক তেওঁ 'চৌধুৰী' বুলি মাতিছিল। যেতিয়া মোৰ আলোচনীৰ বাবে প্ৰবন্ধ লিখিব নোৱাৰে বুলি জনালে, স্বাভাৱিকতে মই ক্ষুণ্ণ হৈছিলোঁ। অথচ মোক অবাক কৰি দুদিন পাছতে তেওঁৰ সেই চিনাকি শিশুসুলভ হাঁহিৰে, সদায় পিন্ধা চকলেট ৰঙৰ সাধাৰণ কোটৰ পকেটৰপৰা প্ৰবন্ধটো দি কৈছিল ঃ 'ইফ ইউ ডু নট লাইক, ডোণ্ট পাবলিছ ইট'। ছপা নকৰাৰ

প্ৰশ্নই নুঠে। আগতে উল্লেখ কৰাৰ দৰে আলোচনীখনৰ প্ৰথম প্ৰবন্ধই আছিল সেইটো।

প্ৰয়াত ড° মহেশ্বৰ নেওগেও বৈষ্ণৱ সাহিত্যৰ ওপৰত বৰ সুন্দৰ এটি আলোচনামূলক প্ৰবন্ধ লিখিছিল। প্ৰবন্ধটি মই সুন্দৰভাৱে পুৰণিকলীয়া ছবি এখনেৰে সজাইছিলোঁ। ড° নেওগ ছাৰে সেইটো বৰ ভাল পাইছিল। তেওঁ কেৱল বেয়া পাইছিল আলোচনীখনত থকা বৰ্ণাশুদ্ধিৰ বাবে।

আলোচনীখনৰ প্ৰফেছৰ ইনচাৰ্জ আছিল ড° বিৰিঞ্চি কুমাৰ বৰুৱা। ড° বৰুৱা সেই সময়ত বিশ্ববিদ্যালয় শ্ৰেণীসমূহৰ সচিবৰো দায়িত্বত আছিল। স্বাভাৱিকতে আলোচনীখনৰ বিভিন্ন বিষয়ে দিহা-পৰামৰ্শ ল'বলৈ আৰু ইটো-সিটো কথা সুধিবলৈ মই তেওঁৰ ওচৰলৈ তাঁত-বাটি কাটিছিলোঁ। কিন্তু সদায় তেওঁ কামৰ ব্যস্ততাৰ বাবে মোৰ স'তে আলোচনা কৰাৰপৰা বিৰত আছিল। গতিকে আলোচনীখন সম্পূৰ্ণভাৱে মই পৰিকল্পনা কৰা মতেই সম্পূৰ্ণ কৰি পেলাইছিলোঁ। আনকি আলোচনীখন তেওঁৰ কোনো অনুমতি নোলোৱাকৈয়ে মই বিতৰণৰ ব্যৱস্থাও কৰিলোঁ। পাছত এই লৈ তেওঁ কিছু ক্ষুণ্ণ হয় বুলি মই শুনা পাইছিলোঁ। স্নাতকোত্তৰ মহলাৰ উক্ত আলোচনীখন সম্পাদনা কৰাৰ দায়িত্ব লোৱাৰ সময়ত আৰু এটি ঘটনাই মোক বিপদত পেলাইছিল। মই যেতিয়া আলোচনীখনৰ সম্পাদকৰ পদৰ বাবে বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাত উঠিব বিচাৰিছিলোঁ, সেই সময়ত ঘটনাৰ পাকচক্ৰত পৰি মই প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হ'বলগীয়া হয়। ইতিমধ্যে মই লেখা-মেলা কৰি অসমীয়া সাহিত্যৰ ক্ষেত্ৰত কিছু নাম কৰি পেলাইছোঁ। গতিকে মোক সকলোৱে আলোচনী সম্পাদকৰ পদৰ বাবে উপযুক্ত হ'ম বুলিয়ে ইতিবাচক সঁহাৰি জনাইছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সেই সময়ত ছাত্ৰসভাৰ অন্য এক ৰোগে দেখা দিলে। সেইটো হ'ল উজনি অসম আৰু নামনি অসম। একশ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজোৰে প্ৰচাৰ চলোৱা হ'ল যে মই নামনি অসমৰ। আন কথাত গুৱাহটীয়া। যদিও মই সৰ্বান্তঃকৰণে উজনি অসমৰ ডুমডুমীয়া। অকল প্ৰচাৰতেই নহয়, মই আকাশৰপৰা পৰিলোঁ, যেতিয়া সময়ৰ মূৰকত দেখা গ'ল যে ইংৰাজী বিভাগৰ এজন খাচী ল'ৰাক মোৰ বিৰুদ্ধে নিৰ্বাচনৰ বাবে উঠাই দিয়া হৈছে। খাচী ল'ৰাজনে অসমীয়া ভাষাৰ আটোও চিনি নাপায়। এই গোটেই কামটো কৰিছিল উজনি অসমৰ এগৰাকী বিশিষ্ট নেতাৰ ঠেক দৃষ্টিসম্পন্ন পুত্ৰই। আত্মসন্মানত লগা বাবেই মই প্ৰতিদ্বন্দ্বিতাৰপৰা বিৰত থাকিব খুজিছিলোঁ, কিন্তু মোৰ কেইগৰাকীমান শুভাকাংক্ষী বন্ধু-বান্ধৱীৰ অনুৰোধত সেইটো কৰা নহ'ল। যিজন খাচী ল'ৰাক ষড়যন্ত্ৰ কৰি মোৰ বিৰুদ্ধে উঠোৱা হৈছিল, তেওঁ নিজে মোক কৈছিলহি যে সেই বিষয়ে তেওঁ একোৱে নেজানে। ছাত্ৰাবাসত থকা ল'ৰাজনে

মোক এই কথাও কৈছিল যে আনৰ প্ৰৰোচনা আৰু বুদ্ধিমতেই তেওঁ মাথোঁ কাম কৰি গৈছে। অতি সাধাৰণ আৰু বিশেষত্বহীন কথা হ'লেও মই ঘটনাটোৰ কথা এইবাবেই উল্লেখ কৰিছোঁ যে আমি তেতিয়াও কেনে ঠেক দৃষ্টিভংগীৰ মাজত নিজকে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিলোঁ। ক'বলৈ মোৰ সংকোচ নাই যে যদিহে বিশ্ববিদ্যালয়ৰ ছাত্ৰীনিবাসৰ ভোটকেইটা মোৰ সমৰ্থনত নেপালোহেঁতেন, হয়তো পৰাজয়ৰ গ্লানিয়ে মোক ছুলেহেঁতেন।

পৰাজয়ৰ গ্লানিয়ে মোক ছুব নোৱাৰিলে ঠিকেই, কিন্তু অকৃতকাৰ্যতা আৰু অসমৰ্থতাই মোক নিষ্ঠুৰভাৱে ছুলে। কথাটো হ'ল যে বিশ্ববিদ্যালয়ৰ শ্ৰেণীত মই অসমীয়া বিষয়ৰ পাঠ্যক্ৰম শেষ কৰিলো ঠিকেই, কিন্তু মই করুণভাৱে স্নাতকোত্তৰ মহলাৰ চূড়ান্ত পৰীক্ষা দিয়াত অসমৰ্থ হলো।

পানবজাৰৰ লয়াৰ্ছ বুক ষ্টলৰপৰা সেইদিনা সন্ধিয়া মই দীঘলীয়া কেইটিমান বহি কিনি লৈ ঘৰ সোমাইছিলো। উদ্দেশ্য আছিল, আগন্তুক বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ বাবে মই সাজু 'হম' বুলি মনে মনে স্থিৰ কৰিছিলো। প্ৰয়াত শিক্ষাগুৰু ড নেওগ ছাৰ (ড মহেশ্বৰ নেওগ) আৰু শৰ্মা ছাৰে (ড' সত্যেন্দ্ৰনাথ শৰ্মা) মোক বাৰে বাৰে উৎসাহ দি সকীয়াই দিছিল ঃ 'ভালদৰে প্ৰিপাৰেশ্যন কৰিবা'। মই জানিছিলো, ড' নেওগ আৰু ড' শৰ্মাই মোৰপৰা ভাল ফলাফল আশা কৰিছে।

হয়তো মোৰেই দুৰ্ভাগ্য, সেইটো নহ'ল। বৰমামাৰ তৃতীয়টো ল'ৰা শ্ৰীমান নগেনে, যাক আমি ঘৰুৱাভাৱে সৰু বাপ বুলি মাতিছিলো, মোক ক'লেহি যে মোৰ এখন টেলিগ্ৰাম আছে। টেলিগ্ৰামখন মোক দিছিলহি। খুলি চাই মই বোধহয় কিছু সময় নীৰৱ হৈ চকুৰে ধুঁৱলী-কুঁৱলী দেখিছিলোঁ। টেলিগ্ৰামখন আহিছিল ডুমডুমাৰপৰা। কৰিছিল মোৰ ভাইসদৃশ বন্ধু শ্ৰীনিৰেন বৰুৱাই, যি এতিয়াও ডুমডুমা চাহ-মজদুৰ সংঘৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। নিৰেন বৰুৱাৰ ঘৰুৱা নাম বাপধন। নিজৰ ঐকান্তিক চেষ্টা আৰু আন্তৰিকতাৰে কাম কৰি বাপধন এতিয়া এগৰাকী বিশিষ্ট মজদুৰ নেতা। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে ডুমডুমাৰ চাহ-মজদুৰ সংঘটো আমাৰ ডুমডুমাৰ ঘৰৰ নিচেই ওচৰতে। আচলতে ডুমডুমাৰ মজদুৰ সংঘৰ কাৰ্যালয়টো যি ঠাইত গঢ়ি উঠিছে সেই ঠাইতে বাপধনহঁতৰ স্থায়ী ঘৰ আছিল। দেউতাকৰ নাম আছিল প্ৰসন্ন বৰুৱা। তেওঁৰ বেকাৰীৰ ব্যৱসায় আছিল। এসময়ত চাহবাগিচাৰে ঘেৰা ডুমডুমাৰ আশে-পাশে থকা বাগিচাবোৰৰ মেনেজাৰ ইউৰোপিয়ান চাহাববোৰৰ বাবে পাওৰুটীৰ যোগান তাৰেপৰা হৈছিল আৰু প্ৰয়াত বৰুৱাৰ বেকাৰীয়ে প্ৰচুৰ নাম কৰিছিল। এটা সময়ত ডুমডুমাৰ মাটি-ঘৰ বিক্ৰী কৰি

প্ৰসন্ন বৰুৱা তেওঁৰ নিজস্ব গাঁও কমাৰকুছিলৈ গুচি আহিছিল। দৈবদুৰ্বিপাকত নিৰেন বৰুৱা ডুমডুমাতে থাকি গৈছিল আৰু পিছলৈ উক্ত মজদুৰ সংঘৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল।

বাপধনে টেলিগ্ৰামখনত মাত্ৰ এই দুটা শব্দ লিখিছিল ঃ 'কাম ইমিডিয়েটলি'। মই একো বুজা নাছিলো।

গৈছিলো। গৈ মই এন্ধাৰ দেখিছিলো। যেতিয়া মই দেউতাক দেখা পোৱা নাছিলো। মোক দেখি মাই হাও হাওকৈ কান্দি উঠিছিল ঃ মাৰ মুখেৰে মাত্ৰ কেইটামান কথা ওলাইছিল ঃ বাচা, এতিয়া কি হ'ব?

ভণ্টিকেইজনীৰ মুখৰপৰা গম পাইছিলো যে দেউতাক ডিব্ৰুগড় মেডিকেল কলেজত ভৰ্তি কৰোৱা হৈছে আৰু এই সকলো কাম বাপধনেহে কৰিছে। পৰীক্ষাৰ আগে আগে তেওঁ মোক একো অসুবিধা দিব বিচৰা নাছিল। উপায়হীন হৈহে শেহতীয়া টেলিগ্ৰামখন কৰিছে।

সেয়াও কৰিছিল, কাৰণ দেউতাৰ অপাৰেশ্যন কৰিব লাগে। কিন্তু হৈছে কি?

কেন্সাৰ।

কণ্ঠনলীত কেন্সাৰ। অস্ত্ৰোপচাৰৰ বাহিৰে আন কোনো উপায় তেতিয়া আৰু নাই। গৈ পোৱাৰ দিনাই বোধহয় মই ডিব্ৰুগড মেডিকেল কলেজলৈ ৰাওনা হৈছিলো। দেউতা জেনেৰেল ৱাৰ্ডত আছিল। মোক দেখি তেওঁ কিছু সময় কৰুণ দৃষ্টিৰে চাই ৰৈছিল। তাৰ পাছত ভঙা উঁঙা মাতেৰে প্ৰশ্ন কৰিছিল? মই কিয় আহিলো? উত্তৰ মই দিয়া নাছিলো।

তেওঁৰ বেডখনতে বহি মই হাতখন ছুই চাইছিলো। মুখখন ছুইছিলো। দেউতাৰ বৰ সুন্দৰ একোছা গোঁফ আছিল। সৰু সৰু চকুৰ মণিকেটাৰ মাজত আগৰ উজ্জ্বলতা নাছিল। মূৰ শিতানৰ ফালে গাৰুৰ ওচৰত এখন কিতাপ আছিল। মই কিতাপখন চাইছিলো।

স্থিৰ কৰা হৈছিল যে দেউতাৰ অপাৰেশ্যন হ'ব। এই সিদ্ধান্ত লৈছিল দেউতাক চোৱা-মেলা কৰা বিখ্যাত ই. এন্. টি. বিশেষজ্ঞ ডা° সুৰেন্দ্ৰ নাথ শৰ্মাই। যি পিছলৈ গুৱাহাটী মেডিকেল কলেজৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

নিৰ্দিষ্ট দিনত নিৰ্দিষ্ট সময়ত দেউতাৰ অপাৰেশ্যন হৈ গৈছিল। কেইঘণ্টাও ধৰি অস্ত্ৰোপচাৰ কৰি দেউতাক অপাৰেশ্যন থিয়েটাৰৰপৰা ৰিভ'লভিং বেডত ৱাৰ্ডৰ নিৰ্দিষ্ট ঠাইলৈ ছিষ্টাৰে ঠেলি বিছনাখন ধীৰে ধীৰে লৈ যাওঁতে আগতে উল্লেখ কৰা

সেই বিহাৰী জমাদাৰণীজনীয়ে মোক হিন্দীতে সুধিছিল ঃ মানুহজন মৰিল নেকি?

মৰা নাছিল। তাৰ পাছতো দেউতা মোৰ কেইবাবছৰো জীয়াই আছিল। কেৱল স্বাভাৱিক কণ্ঠস্বৰ হেৰাই গৈছিল। সৰহভাগ কথাই তেওঁ কাগজত লিখি লিখি দিছিল। এইদৰে দেউতাই এদিন হঠাতে মই মেডিকেললৈ তেওঁৰ খবৰ কৰিবলৈ যাওঁতে এখন কাগজত লিখি দিছিল ঃ 'কালি ৰাধাগোবিন্দ বৰুৱা আহিছিল। মোলৈ আঙুৰ আৰু আপেল আনিছিল।' মোৰ বাবে কথাটো অস্বাভাৱিক যেন লাগিছিল। কাৰণ, ৰাধাগোবিন্দ বৰুৱাই মোৰ দেউতাৰ খবৰ কৰিবলৈ অহাৰ কোনো যুক্তি মই বিচাৰি পোৱা নাছিলো। কিন্তু সেই সময়ত মই আসাম ট্ৰিবিউন প্ৰেছত চাকৰি কৰিছিলো আৰু মোৰ দেউতা অসুস্থ হৈ ডিব্ৰুগড় মেডিকলত চিকিৎসাধীন হৈ পৰি আছে, সেই কথাও তেওঁ জানিছিল। কেনেদৰে, সেয়াও ক'ম। কিন্তু তাৰ আগতে মই ক'ব লাগিব দি আসাম ট্ৰিবিউন প্ৰেছৰ চাকৰিত সোমোৱাৰ কথাখিনি।

অতি সাধাৰণ কথা হয়তো। কিন্তু কেতিয়াবা সেই সাধাৰণ কথাই জীৱন ৰথৰ চকৰি অন্যবাটে পৰিচালনা কৰে। যেনেদৰে কৰিছিল মোৰ। কোনোদিনে নভবা আৰু সাঁজু নথকা অন্য এক পৰিবেশৰ মাজলৈ টানি লৈ গৈছিল মোক। কেনেকৈ?

সেয়াও ক'ব লাগিব। নহ'লে মোৰ এই ৰোমন্থনৰ হয়তো কোনো মূল্যই নাথাকিব।

দি আসাম ট্ৰিবিউন প্ৰেছ। দূৰৈৰপৰা মাথোন গুৱাহাটীৰ চানমাৰিৰ ফালে থকা সেই আটকধুনীয়া বাতৰিকাকতৰ অফিচটো কেৱল দেখিছিলো। কোনোদিনে ভবা নাছিলো যে মোৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়খিনি সেই ছিলভাৰ ওকেৰে ঘেৰা অপৰূপ চৌহদটোৰ মাজত অতিবাহিত হ'ব।

জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু জীৱনক সাধাৰণভাৱে হ'লেও সীমিত জ্ঞান, প্ৰাপ্ত সুযোগ-সুবিধা আৰু পৃথিৱীখন 'নতুন চকুৰে' চাবলৈ মোক শিকাইছিল এই মহান 'দি আসাম ট্ৰিবিউন' নামৰ প্ৰতিষ্ঠানটোৱে। উল্লেখিত এই প্ৰতিষ্ঠানটো কালক্ৰমত আজি আমাৰ ৰাজ্যখনৰে এটি জাতীয় অনুষ্ঠান হিচাপে নিশ্চয় গঢ় লৈ উঠিছে। আৰু যিগৰাকী মানুহৰ একলব্য লক্ষ্য, ঐকান্তিক চেষ্টা আৰু সীমাহীন ন ন উদ্ভাৱনী কৌশলৰদ্বাৰা এই প্ৰতিষ্ঠানটো গঢ লৈ উঠি আজিৰ ৰূপ পৰিগ্ৰহণ কৰিছে, তেওঁ হ'ল সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দ বৰুৱা। অসমৰ বাতৰিকাকত উদ্যোগৰ প্ৰকৃত অৰ্থত এগৰাকী দুঃসাহসিক হোতাস্বৰূপ প্ৰয়াত বৰুৱাৰ মানসপুত্ৰস্বৰূপ 'দি আসাম ট্ৰিবিউন' নামৰ এই অনুষ্ঠানটি আজি আৰু অসমৰ কাৰো বাবে অজ্ঞাত

হৈ থকা নাই। অসমত বাতৰিকাকতৰ জীৱন যেতিয়া 'কচু পাতৰ পানী'ৰ লেখীয়া আছিল, সেই সময়তে প্ৰয়াত বৰুৱাই ইংৰাজী ভাষাত বাতৰিকাকত এখন প্ৰকাশ কৰি নিৰৱচ্ছিন্ন বা ধাৰাবাহিকতা ৰক্ষা কৰি আমাৰ ৰাজ্যখনৰ বাবেই এক মহৎ কাম কৰা নাই, আমাৰ জাতীয় জীৱনৰ ক্ষেত্ৰতো তেওঁ আৰু বহু বাৰেৰহনীয়া অৱদান আগবঢ়াই গৈছে। গৌৰৱৰ কথা যে মই ব্যক্তিগতভাৱে প্ৰয়াত সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ সংস্পৰ্শলৈ আহিছো, তেওঁৰ প্ৰতিষ্ঠানৰ কাকতত কাম কৰিবলৈ সক্ষম হৈছো আৰু মোৰ নিজৰ ব্যক্তিগত জীৱনকো পল্লৱিত কৰাৰ সুযোগ লাভ কৰিছিলো। হ'ব পাৰে সেয়া অতি সাধাৰণ জীৱন।

মই আগতেই কৈছো যে 'আসাম ট্ৰিবিউন' প্ৰেছত মই চাকৰিত সোমোৱাৰ এক বিশেষ তাৎপৰ্য আছিল। অৰ্থাৎ আৰু দহজনৰ দৰে চাকৰি বিচাৰি মই চাকৰি পোৱা নাছিলো। ঘটনাটি এনে ধৰণৰ ঃ

মোৰ বৰমামা, প্ৰয়াত অভিৰাম তালুকদাৰৰ উজান বজাৰৰ মাণিক চন্দ্ৰ বৰুৱা পথত অৱস্থিত বাসভৱনৰপৰাই পিছলৈ মোৰ স্কুল-কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা জীৱন অতিবাহিত হৈছিল। মোৰ সৰু মামা শ্ৰীঅমৃত তালুকদাৰ যিহেতু আৰক্ষী বিভাগৰ লগত জড়িত আছিল, গতিকে তেওঁ বদলি হৈ বিভিন্ন ঠাইলৈ যাবলগীয়া হৈছিল। যদিও মোৰ গুৱাহাটীৰ স্কুলীয়া জীৱনৰ ফুলকলিটি মেল খাই উঠিছিল সৰু মামাৰেই ছত্ৰছায়াত। আন কথাত মোৰ ক'বলৈ আজি কোনো সংকোচ নাই যে মোৰ জীৱনৰ প্ৰকৃত 'ফ্ৰেণ্ড, ফিলোছ'ফাৰ আৰু গাইড' আছিল মোৰ সৰু মামা। এনে মৰমিয়াল আৰু পিতৃসুলভ মৰম তথা সকলো দিশত সততে দৃষ্টি ৰখা ব্যক্তি মই খুব কমেই দেখিছো। জীৱনত বহু কথা মই তেওঁৰপৰাই আহৰণ কৰিছো। তাৰ উদাহৰণ মই আগতেই দি আহিছো।

বৰমামাৰ কেইবাটিও ল'ৰা-ছোৱালী আছিল। ছটা ল'ৰা, ছজনী ছোৱালী। মামাৰ প্ৰতিটো ল'ৰা আৰু আটাইকেউজনী ছোৱালীয়ে নিজ নিজ ধৰণে প্ৰতিষ্ঠা লভিবলৈ সক্ষম হৈছিল। এই বৰমামাৰে পঞ্চমগৰাকী ছোৱালী আছিল শ্ৰীমতী হেমপ্ৰভা তালুকদাৰ। ঘৰত মতা নাম আছিল ৰাণী। এওঁ বিবাহপাশত আবদ্ধ হৈছে বন বিভাগৰ এগৰাকী অতি নিপুণ বিষয়া শ্ৰীযাদৱানন্দ তালুকদাৰৰ লগত। যাদৱ ভিনদেউ পোনপটীয়াভাৱে প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰ চৌধুৰীৰ আত্মীয় আছিল। মহেন্দ্ৰমোহন চৌধুৰীৰ বৰপুত্ৰ, অভিযন্তা শ্ৰীসৌৰীণ চৌধুৰীয়ে মোৰ মাজু ভিনদেউ প্ৰবীণ সাংবাদিক শ্ৰীসতীশ চন্দ্ৰ কাকতিৰ দ্বিতীয়গৰাকী ছোৱালীক বিয়া কৰাইছে। শ্ৰীকাকতিৰ বৰজীয়ৰী বিবাহপাশত আবদ্ধ হৈছে শিক্ষাবিদ, গুৱাহাটী কমাৰ্চ কলেজৰ

প্ৰতিষ্ঠাতা অধ্যক্ষ ড° ভগবান চন্দ্ৰ লহকৰৰ লগত। ভগবান মোৰ পিতৃভূমি সানেকুছি গাঁৱৰ আৰু আমাৰ গাঁৱৰ ঘৰৰ একেবাৰে ওচৰৰ ঘৰটোৱে আছিল তেওঁলোকৰ। বৰমামাৰ এগৰাকী ছোৱালী, যাক আমি চান বাইদেউ বুলি সম্বোধন কৰিছিলো, তেওঁৰ জীৱন কিছু সংঘাতময় পৰিবেশৰ মাজত অতিবাহিত হৈছিল। ভিনদেউ আছিল বৰপেটাৰ সুন্দৰীদিয়া নামৰ ঠাইৰ। নাম প্ৰয়াত লাৱণ্য চৌধুৰী। এওঁৰ নামটো এইবাবেই উল্লেখ কৰিছো, যিহেতু এই লাৱণ্য চৌধুৰীয়ে অসমীয়া ভাষাত প্ৰথম প্ৰেমৰ কবিতাৰ সংকলন এটি বহুবছৰ আগতে সম্পাদনা কৰি উলিয়াইছিল। সংকলিত কবিতা গ্ৰন্থখনিৰ নাম 'প্ৰেমৰ সুৰ'। গ্ৰন্থখনিত প্ৰেম, অনুৰাগ, মিলন, বিৰহ আদি ভাগ কৰি স্বনামধন্য কবিৰ কবিতাসমূহ প্ৰকাশ কৰা চকুত পৰিছিল। নিঃসন্দেহে তেতিয়াই এনে প্ৰচেষ্টা নিশ্চয় প্ৰশংসনীয় আছিল।

মই তেতিয়া বি. এ. পৰীক্ষা দি ঘৰতে আছিলো। মনে মনে থিৰাং কৰিছিলো যে ডুমডুমালৈকে যাম। জীৱন গঢ়াৰ কোনো নিৰ্দিষ্ট লক্ষ্য তেতিয়ালৈকে নাছিল। কেৱল কিতাপ পঢ়িছিলো আৰু সাধাৰণভাৱে লিখা-মেলা কৰিছিলোঁ। শ্ৰীসতীশ কাকতি ভিনদেউ তেতিয়া দৈনিক 'দি আসাম ট্ৰিবিউন' কাকতৰ সহকাৰী সম্পাদক আছিল। কাকতি ভিনদেউৰ কাৰ্য্যাৱলী মই সাৱধানে অনুধাবন কৰিছিলো। তেতিয়াই তেওঁ কলিকতাৰ বিখ্যাত ইংৰাজী দৈনিক কাকত 'দি হিন্দুস্থান ষ্টেণ্ডাৰ্ড'ৰ গুৱাহাটীৰ সংবাদদাতা আছিল। কথাবাৰ জানি উঠি মই কাকতখনত তেওঁ লিখা বা-বাতৰিবোৰ পঢ়িছিলো।

কাকতি ভিনদেউ দুই-এদিনৰ বাদে প্ৰায়ে বৰমামাহঁতৰ ঘৰলৈ আহিছিল। মামাৰ ঘৰখনত আটায়ে তেওঁক বেছ সমীহ কৰা মই লক্ষ্য কৰিছিলো। কাকতি ভিনদেউৱেও আটাইকে বৰ মৰম কৰা মই দেখিছিলো। ঘৰখনত সকলো ধৰণৰ দিহা-পৰামৰ্শ দিয়াত তেওঁ আগভাগ লৈছিল।

কিয় নেজানো, ৰাণী বাইদেৱে মোকো তেতিয়াই কৈছিল, 'তই কিবা এটা চাকৰি কৰ'। মোৰ বাবে চাকৰিৰ অৰ্থটো তেতিয়াও স্পষ্ট হোৱা নাছিল বা শব্দটোৰ কাৰ্যকৰী ব্যাপকতাও বুজি উঠা নাছিলোঁ। জীৱনটো সহজভাৱে লোৱাটোৱে বোধহয় মোৰ দৃষ্টি আছিল। সেই সময়তেই মই ভাবি উঠিছিলো যে জীৱনটো বৰ সহজ আৰু সৰল।

ৰাণী বাইদেউৰ কথাবাৰত সেইবাবে মই কোনো গুৰুত্ব দিয়া নাছিলো। মোক গুৱাহাটীত পঢ়ুৱাবলৈ যে মোৰ দেউতাৰ কষ্ট হৈছিল, সেইটো মই বুজি উঠিছিলো। থকা-মেলা বা অন্য ধৰণে মোৰ বাবে কোনো সমস্যা হৈ নুঠিলেও

দেউতাই মোৰ খোৱা খৰচৰ বাবে সামান্য টকা পঠিয়াবলৈ যত্ন কৰিছিল। এই ক্ষেত্ৰত কোনো ধৰণৰ দাবী নাছিল। কিন্তু সেইটো দেউতাৰ নিজস্ব সিদ্ধান্ত আছিল। এই বিষয়ে তেওঁ মাৰ লগত কথা হৈ সামান্যভাৱে কিবা এটি দিবলৈ যত্ন কৰিছিল। মই সেই কথাটো বুজি উঠিও ঠিক বুজা নাছিলো। ৰাণী বাইদেউৱে হয়তো বুজিছিল। তাই মোক মৰমেৰে কৈছিল ঃ 'পেহাদেউৰ কষ্ট হৈছে, তই কিবা এটা কৰ।'

কি কৰিম? চাকৰি? তেতিয়ালৈ মই বুজি উঠাই নাছিলোঁ। হয়তো ৰাণী বাইদেৱে বুজিছিল।

ৰাণী বাইদেৱে বুজাই নহয়, এই ক্ষেত্ৰত তাই আগভাগো লৈছিল। মই আগতে উল্লেখ কৰিছো যে আসাম ট্ৰিবিউন প্ৰেছত চাকৰি বিচাৰি মই কোনোদিন যোৱা নাছিলো। কিন্তু ঘটনাচক্ৰই গোটেই কথাটো অন্য ধৰণে পৰিচালিত কৰিলে আৰু মোৰ জীৱন ৰথৰ চকৰি কোনোদিনে নভবা পথেৰে আগবাঢ়িবলৈ সাজু হ'ল।

মোৰ বৰমামাৰ দ্বিতীয়গৰাকী ছোৱালী কনকলতা, যাক আমি সম্বোধন কৰিছিলো কণ বাইদেউ বুলি, তেওঁ প্ৰথিতযশা সাংবাদিক শ্ৰীসতীশ চন্দ্ৰ কাকতিৰ পত্নী। শ্ৰীসতীশ চন্দ্ৰ কাকতিক আমি আটায়ে কাকতি ভিনদেউ বুলি সম্বোধন কৰিছিলো। শ্ৰীকাকতিৰ ঘৰ উজান বজাৰ হিল ছাইড ৰোডত অৱস্থিত। কাকতি ভিনদেউ তেতিয়া দি আসাম ট্ৰিবিউন কাকতৰ সহকাৰী সম্পাদক। স্বাভাৱিকতে ঘৰ আৰু অফিচলৈ অহা-যোৱা কৰোঁতে ভিনদেউৰ বৰমামাৰ ঘৰখন মাজতে পৰিছিল। গতিকে পুৱা-গধূলি প্ৰায়ে সোমাই খা-খবৰ কৰি গৈছিল।

কাকতি ভিনদেউ বৰ নম্ৰ মানুহ। কথা খুব কম কয়। প্ৰয়োজনতকৈ বেছি কথা কেতিয়াও নকয়। সেইটো মই তেওঁক ঘৰুৱাভাৱে লগ পাওঁতে আৰু কাকতৰ সম্পাদক হিচাপেও তেওঁৰ অধীনত কাৰ্যনিৰ্বাহ কৰোঁতে গম পাইছিলো। তেনে অৱস্থাতে এদিন মৰসাহ কৰি, ৰাণী বাইদেৱে কাকতি ভিনদেউক মোৰ কথা কৈছিল। ৰাণী বাইদেউৰ বক্তব্য আছিল যে 'মোৰ পৰীক্ষা শেষ হৈছে, মই এনেয়ে বহি আছো, ডুমডুমালৈ যাব খুজিছো, সেইটো নকৰি 'নিৰোদ'ক প্ৰেছতে কিবা এটা চাকৰি-বাকৰি দিব নোৱাৰিনে?'

ৰাণী বাইদেৱে কথাখিনি উপস্থাপন কৰোঁতে মই আঁৰৰপৰা শুনিছিলো। কাকতি ভিনদেউৰ প্ৰথম প্ৰতিক্ৰিয়া একেবাৰে নেতিবাচক আছিল। ঠিক এনে ধৰণৰ এটি বক্তব্য তেওঁ ৰাখিছিল ঃ 'নিৰোদে কি চাকৰি কৰিব?'

অথচ তাৰ এদিন নে দুদিন পাছতে কাকতি ভিনদেউৱে সদায় অহাৰ দৰে আহি ৰাণী বাইদেউক বিচাৰি কথাষাৰ কৈছিল। কৈছিল যে নিৰোদক কাইলৈ দহ

বজাত ট্ৰিবিউন অফিচলৈ যাবলৈ কবি। কথাষাৰ মই শুনিছিলোঁ। মনে মনে কিছু শংকিত হ'লেও বোধহয় অন্য ফালৰপৰা মই সম্পূৰ্ণ সাজু হৈ উঠিছিলো।

ৰাণী বাইদেউ কাকতি ভিনদেউৰ কথাত উৎসাহিত হৈছিল আৰু কিছু কৃতিত্ব লভাৰ দৰে আহি কথাষাৰ মোক কৈছিল। পিছদিনা মই আসাম ট্ৰিবিউন প্ৰেছলৈ গৈছিলো। সেইটোৱে আছিল ট্ৰিবিছন প্ৰেছৰ চৌহদত মোৰ প্ৰথম প্ৰৱেশ। তেতিয়া নাজানিছিলো যে সেইটো চৌহদৰ সেই আহল-বহল লোৰ গেটেৰে মই বহুবাৰ সোমাব লাগিব। আন কথাত মোৰ কৰ্মময় জীবনবৃত্তৰ ট্ৰিবিউন প্ৰতিষ্ঠানেই হ'ব কেন্দ্ৰীয় বিন্দু। যেতিয়া মই আসাম ট্ৰিবিউন প্ৰেছলৈ গৈছিলো, সেই সময়ত কাকতখনৰ সম্পাদক লক্ষ্মীনাথ ফুকন জীয়াই আছিল । তেতিয়ালৈ মই মানুহগৰাকীক প্ৰত্যক্ষ কৰা নাছিলো। আসাম ট্ৰিবিউন প্ৰেছৰ চৌহদৰ ভিতৰত থাকিবলৈ লোৱাৰ আগতে প্ৰয়াত ফুকন দীঘলীপুখুৰী পাৰত এতিয়াও অৱস্থিত এটি আসাম টাইপৰ ভাৰাঘৰত আছিল। কোনোবাই এদিন মাত্ৰ মোক তেখেতক আঁতৰৰপৰা দেখুৱাই দিছিল। খীণ-মীন, শুভ্ৰ চেহেৰাৰ প্ৰয়াত ফুকনক মই ডাঙৰ ডাঙৰ চকুৰে নিৰীক্ষণ কৰিবলৈ যত্ন কৰিছিলো। সেই সময়ত প্ৰয়াত ফুকনে লিখা 'ওফাইদাং' নামৰ গল্প গ্ৰন্থখনি পঢ়িছিলো। সাংবাদিকনো কেনেকুৱা, সেই বিষয়ে মোৰ কোনো ধাৰণা তেতিয়ালৈ নাছিল।

বাহিৰত বহি থকা অফিচ পিয়নক সুধি, প্ৰেছৰ তেতিয়াৰ নিয়ম অনুযায়ী সৰু এখন শ্লিপত মই মোৰ নাম আৰু কামৰ বিষয়ে লিখি দিছিলো। পোন্ধৰ মিনিটমান বাট চোৱাৰ পাছত মোক মাতিছিল। শ্ৰীকাকতিয়ে মোক দেখি তেওঁৰ লগতে আনি এটা কোঠালি দেখুৱাই দিছিল আৰু কৈছিল যে 'সদায় ২ বজাত আহি ইয়াতে বহিবিহি।'

কি কাম, কি কথা, মই কিন্তু একো বুজা নাছিলো। আটাইতকৈ আচৰিত হৈছিলো এই কথাটো ভাবি যে ২ বজাৰপৰা আহি কাম কৰা এইটো কেনে ধৰণৰ অফিচ, মোৰ ধাৰণা আছিল, অফিচ হ'ব লাগে দহ বজাৰপৰা।

প্ৰথমদিনাই মোক দেখুৱাই দিয়া কোঠালিটোত কিছু মানুহ চকুত পৰিছিল। তাৰে ভিতৰত এজন আছিল বয়োবৃদ্ধ, ধুতি-ছাৰ্ট পৰিহিত চুটি-চাপৰ মানুহ। তেওঁ এটা পুৰণি টাইপ ৰাইটাৰত আপোনমনে টাইপ মাৰি গৈছিল। পাছত গম পাইছিলো, এই মানুহগৰাকীয়ে আছিল আসাম ট্ৰিবিউন কাকতৰ সহকাৰী সম্পাদক প্ৰয়াত ইন্দু ভূষণ চক্ৰৱৰ্তী। চক্ৰৱৰ্তীয়ে আসাম ট্ৰিবিউনৰ '(লিডাৰ) ৰাইটাৰ' হিচাপে বহুদিন কাৰ্যনিৰ্বাহ কৰিছিল। এওঁৰে ৰৰপুত্ৰ আছিল সাংবাদিক নিতীশ চক্ৰৱৰ্তী। এৰোঁ সেই

সময়ত কলিকতাৰপৰা প্ৰকাশিত ইংৰাজী দৈনিক কাকত 'দি হিন্দুস্থান ষ্টেণ্ডাৰ্ডৰ লগত জড়িত আছিল। প্ৰয়াত ইন্দুভূষণ চক্ৰবৰ্তী বৰ একধৰণৰ মানুহ আছিল। কোমল বয়সৰ ল'ৰা বাবেই হয়তো তেওঁ মোক প্ৰথমৰপৰা বৰ মৰম কৰিছিল। মই আচৰিত হৈছিলো যে কেনেকৈ তেওঁ কোনো কপি নকৰাকৈ একেবাৰতে টাইপ ৰাইটাৰত খট খট শব্দেৰে পিছদিনা প্ৰকাশ হোৱা প্ৰথম অথবা তৃতীয় 'সম্পাদকীয়'বোৰ লিখি গৈছিল। সকলো বাতৰিকাকততে থকাৰ দৰে আসাম ট্ৰিবিউন কাকতখো কেইগৰাকীমান বিশেষ ব্যক্তিয়ে সম্পাদকীয় নিয়মিত লিখিছিল। তাৰে ভিতৰত দুজনৰ নাম উল্লেখ কৰিবই লাগিব। এজন হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক সাৰংগপাণি আৰু আনজন হ'ল বি. বৰুৱা কলেজৰ তেতিয়াৰ অৰ্থনীতি বিভাগৰ অধ্যাপক পৰমেশ্বৰ শৰ্মা। ইয়াৰ উপৰিও শ্ৰীকাকতি আৰু পিছলৈ ট্ৰিবিউন কাকতৰ সম্পাদক হোৱা বয়োজ্যেষ্ঠ সাংবাদিক শ্ৰীৰবীন্দ্ৰ নাথ বৰুৱায়ো নিয়মিত লিখিছিল। নক'লে ভুল হ'ব যে এই সকলোবোৰ বিষয়ত বক্তব্য, বিষয়বস্তুৰ কি ৰাখিব কি নাৰখিব, তাৰ চূড়ান্ত সিদ্ধান্ত আছিল সম্পাদকৰ। উল্লেখিত প্ৰয়াত চক্ৰবৰ্তীয়ে সদায় তেওঁৰ পকেটত তানচেন গুটিৰ সৰু বটল এটা লৈ আহিছিল। প্ৰতিদিনাই কোঠালিটোত সোমায়ে মোক বটলটোৰপৰা তানচেন গুটি খাবলৈ দিয়াটো তেওঁৰ প্ৰথম কৰ্তব্য আছিল।

সেই কোঠালিতে আৰু এজন মানুহ মোৰ চকুত পৰিছিল। মানুহজনে বৰকৈ চিগাৰেট খাইছিল। চুটি-চাপৰ মানুহজনৰ নাম আছিল প্ৰয়াত চিন্তাভিৰাম বৰুৱা। বিখ্যাত আইনবিদ, 'অভিৰাম'নিবাসী প্ৰয়াত জ্ঞানদাভিৰাম বৰুৱাৰ কনিষ্ঠ পুত্ৰ। পাছত মই গম পাইছিলো যে তেৱেঁই আছিল বিখ্যাত চিত্ৰাভিনেত্ৰী শৰ্মিলা ঠাকুৰৰ মোমায়েক। এই জ্ঞানদাভিৰাম বৰুৱাৰ বৰপুত্ৰ, প্ৰয়াত মনোভিৰাম বৰুৱাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা নিৰ্মিত জয়মতীৰ পিছৰ দ্বিতীয়খন অসমীয়া ছবি 'ইন্দ্ৰমালতী'ৰ ইন্দ্ৰনাথৰ নাম ভূমিকাত অভিনয় কৰিছিল। মালতী হৈছিল বাসেশ্বৰী বৰুৱা। সংগৃহীত তথ্যমতে প্ৰয়াত জ্ঞানদাভিৰাম বৰুৱা, চমুকৈ যি 'জে. বৰুৱা' নামে পৰিচিত আছিল, তেখেঁ ছবিখনৰ এটি বিশেষ ভূমিকাত অৱতীৰ্ণ হৈছিল। জনা যায় যে জ্ঞানদাভিৰাম বৰুৱাই প্ৰথমখন অসমীয়া ছবি 'জয়মতী'ৰ এটি বিশেষ চৰিত্ৰতো অভিনয় কৰিছিল।

এই চিন্তাভিৰাম বৰুৱাৰ কথা এইবাবেই উল্লেখ কৰিছো, কাৰণ মই তেওঁৰ ঠাইতে নতুনকৈ সোমাইছিলো। পৰিচয় আছিল লাইব্ৰেৰীয়ান। কিতাপৰ কিন্তু নহয়। লাইব্ৰেৰী আছিল ব্লকৰ। সেই সময়ত অসমলৈ আজিকালিৰ দৰে অফছেট প্ৰিন্টিং পদ্ধতি অহাই নাছিল। স্বাভাৱিকতে কাকতৰ বাবে প্ৰয়োজনীয় ছবিসমূহৰ হাফটন

ব্লক কৰি শাৰী শাৰীকৈ ৰখা হৈছিল। আৰু প্ৰয়োজন অনুসৰি সেই ব্লকৰ ব্যৱহাৰ হৈছিল। সংগৃহীত হৈছিল দেশ-বিদেশৰ নানান বিখ্যাত ৰাজনৈতিক নেতাৰ ব্লকৰপৰা বিভিন্ন গুণী-জ্ঞানী ব্যক্তিৰ ব্লকসমূহ। তাৰে কিছুমান হয়তো মৃত, কিছুমান হয়তো জীৱিত। ছপা কৌশলৰ ন ন আৱিষ্কাৰৰ ফলত সেইবোৰৰ এতিয়া আৰু কোনো প্ৰয়োজন নাই। তাৰ উপৰি মফচলীয় সাংবাদিকসকলৰ বা-বাতৰি পৰিৱেশনৰ পৰিধি সম্পৰ্কেও হিচাপ ৰখাৰ দায়িত্ব আছিল লাইব্ৰেৰীয়ানজনৰ। তেনেদৰেই সেই সময়ৰ বহু মফচলীয় সাংবাদিকৰ সংবাদ পৰিৱেশনাৰ পদ্ধতি মই আয়ত্ত কৰিছিলো আৰু সংবাদমাধ্যমৰ প্ৰতি আকৰ্ষিত হৈছিলো। কোনে মনত ৰাখিছে যে অসমৰ ভূতপূৰ্ব প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰা এসময়ত ট্ৰিবিউন কাকতৰ তিনিচুকীয়াৰ সংবাদদাতা আছিল বা তেনেদৰেই সবাতোকৈ অধিক পৰিমাণত বাতৰি যোগাওঁতা যোৰহাটৰ বাতৰি যোগনিয়াৰ আছিল ইউচুফ আহমেদ?

মৃত তথা জীৱিত নিৰ্জীৱ মানুহবোৰৰ ব্লকসমূহ তথা ইন্দুভূষণ চক্ৰবৰ্তীৰ মিঠা তানচেন গুটিৰ মোহে মোৰ মন পখীক কিন্তু ৰুদ্ধ কৰিব পৰা নাছিল। মোৰ চকু আছিল অন্যত্ৰ। তেতিয়া অসম বাণী সাপ্তাহিক কাকতখনৰ প্ৰভূত জনপ্ৰিয়তা। মই সেই সুযোগ এৰিব নুখুজিলো।

এৰিব নুখুজিলোঁ নহয়, মই সেই সুবিধা ধৰিলোৱে। অসম বাণী কাকতখন সাপ্তাহিক কাকত হিচাপে সমগ্ৰ অসমতে তেতিয়া মৃদু চাঞ্চল্যৰ সৃষ্টি কৰিছিল। তাৰ প্ৰধান আৰু প্ৰথম কাৰণেই আছিল যে সেই সময়ত অসম বাণীৰ দৰে সকলো বিষয় সামৰি লোৱা, একান্তভাৱে পৰিয়ালৰ সৰ্বজনৰ বাবে গ্ৰহণযোগ্য কাকত অসমত নাছিল। সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাই আসাম ট্ৰিবিউন কাকতত সহকাৰী সম্পাদক হিচাপে দায়িত্ব দি সাংবাদিক শ্ৰীসতীশ চন্দ্ৰ কাকতিক বৰুৱাই দি সন্তুষ্টি লাভ কৰা নাছিল। মই জনাত শ্ৰীকাকতিক প্ৰয়াত বৰুৱাই তেওঁ যেতিয়া জনসংযোগ বিভাগৰ সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল, সেই সময়তে কাৰ্যৰত সম্পাদক প্ৰয়াত লক্ষ্মীনাথ ফুকনৰ অসুস্থতাৰ হেতুকে শ্ৰীকাকতিক আমন্ত্ৰণ কৰি আনিছিল। কিন্তু প্ৰয়াত ফুকনৰ শৰীৰ সুস্থ হৈ উঠাত তেওঁ বোধহয় কিছু থমকি ৰ'বলগীয়া হয় আৰু তেতিয়াই শ্ৰীকাকতিক লৈ সিংহপুৰুষ প্ৰয়াত বৰুৱাই পৰিকল্পনা কৰিছিল 'অসম বাণী' সাপ্তাহিক কাকতখনৰ। সম্পাদক শ্ৰীকাকতিয়েও কাগজখনক যথাৰীতি সামগ্ৰিকভাৱে সকলো শ্ৰেণীৰ বিষয়বস্তুৰে এখনি পাৰিবাৰিক কাকত কৰি তোলাত চেষ্টাৰ ত্ৰুটী কৰা নাছিল। সম্পাদক শ্ৰীকাকতিৰ নতুন নতুন পৰিকল্পনাৰে বিভিন্ন বিষয়ৰ শিতানসমূহ অৱতাৰণা কৰাত কাকতখনৰ জনপ্ৰিয়তাও ক্ৰমাগত বৃদ্ধি পোৱা

কাৰণেই কৈছো, শ্ৰীকাকতিয়ে কাকতখনক কোনো এটা পৰ্যায়তে পৰিয়ালৰ সকলোজনৰ বাবে উপযুক্ত কাগজ কৰি গঢ়ি তোলাৰ মানসিকতা, অৱজ্ঞা কৰা নাছিল। প্ৰথম অৱস্থাতে কাকতখনৰ যোগেদি প্ৰচাৰ কৰা 'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ', 'সপ্তাহটোৰ মানুহজন', 'প্ৰান্তৰ প্ৰহৰী', 'কথাৰ সাগৰ', 'মইনা পাৰিজাত চ'ৰা', 'আইদেউৰ ঝুলনি', 'বৈচিত্ৰ্যময় ভাৰত' আদি বিভিন্ন শিতানেৰে এনেভাৱে সজাই তুলিছিল যে স্বাভাৱিকতে কাকতখনৰ এটি শিক্ষামূলক দৃষ্টিভংগীও প্ৰতিবিম্বিত হৈছিল।

এই কাকতখনৰ লগত জড়িত বহুজন ব্যক্তিৰ মই সান্নিধ্য লভাৰ সুযোগ পাইছিলোঁ। তাৰে ভিতৰত উল্লেখযোগ্য আছিল চিত্ৰশিল্পী শশ ৰায়বৰুৱা, যি পিছলৈ উত্তৰ-পূব সীমান্তৰ কোনো উচ্চ পৰ্যায়ৰ চাকৰি লৈ অৱসৰ লৈছিল, সাংবাদিক শ্ৰীতিলক হাজৰিকা, পিছলৈ গুৱাহাটী শোধনাগাৰৰ জনসম্পৰ্কৰক্ষী বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰা হেম শৰ্মা, প্ৰয়াত শ্ৰীমতী মণিকা বৰুৱা ইত্যাদি। ইয়াৰে ভিতৰত শ্ৰীতিলক হাজৰিকাই পিছলৈ কাকতখনৰ সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰে। প্ৰয়াত শ্ৰীমতী মণিকা বৰুৱাই প্ৰথমৰেপৰা কাকতখন 'আইদেউৰ ঝুলনি' আৰু 'মইনা পাৰিজাত' শিতান দুটি পৰিচালনা কৰিছিল। ইচ্ছাকৃতভাৱে মই এইসকলৰ মাজৰপৰা এজনৰ নাম উল্লেখ কৰাৰপৰা বিৰত আছোঁ।

তেওঁৰ নাম প্ৰয়াত নীৰেন বৰুৱা। সাংবাদিক, পিছলৈ আসাম ট্ৰিবিউন কাকতৰ সম্পাদক হিচাপে অৱসৰ গ্ৰহণ কৰা শ্ৰীৰবীন্দ্ৰ নাথ বৰুৱাৰ কনিষ্ঠ ভাতৃ। আমি সম্বোধন কৰিছিলোঁ 'নীলমণিদা' বুলি। এনে প্ৰচাৰবিমুখ আৰু প্ৰকৃত অৰ্থৰ সাংবাদিক, সকলো গুণেৰে বৌজাল হৈ থকা ব্যক্তি মোৰ চকুত পৰা নাই। কি ৰাজনীতি, সাহিত্য, কলা-সংস্কৃতি, বোলছবি তথা খেলা-ধূলা, সকলো বিষয়ে তেওঁৰ জ্ঞান আছিল নখদৰ্পণত। বহুতে নেজানিব যে নীলমণিদা তেতিয়াই চেন্নাইৰপৰা প্ৰকাশিত ভাৰতৰ প্ৰথম বিশিষ্ট ক্ৰীড়া-আলোচনী 'স্পৰ্টচ্ এণ্ড পাষ্ট টাইমচ্'ৰ গুৱাহাটীৰ সংবাদদাতা আছিল। ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে নীলমণিদাই সলসলীয়াকৈ লিখিব পাৰিছিল। আখৰো বৰ ধুনীয়া আছিল। আচলতে যদুমণিদা আৰু নীলমণিদা আমাৰ বৰ চিনাকি আছিল। দুয়োগৰাকী ভাতৃ সমগুণৰ অধিকাৰী আৰু নিজ নিজ ক্ষেত্ৰত তেওঁলোকে তেওঁলোকৰ কৃতিত্বও প্ৰমাণ কৰিবলৈ সক্ষম হৈছিল।

মই যেতিয়া বৰমামাৰ ঘৰত থাকি পঢ়ি আছিলোঁ, সেই সময়ৰপৰাই দেখি আহিছোঁ যে মোৰ বৰমামাৰ ল'ৰা শ্ৰীযোগেন তালুকদাৰৰ লগত তেওঁলোকৰ বন্ধুত্ব

আছিল প্ৰগাঢ়। এনেকুৱা এটা ৰাতিপুৱা আমি দেখা নাছিলোঁ যেতিয়া বৰ ওখ দুই ভাতৃয়ে দুখন চাইকেল লৈ বৰমামাৰ ঘৰৰ সম্মুখৰ কামিনী কাঞ্চন ফুল গছজোপাৰ তলত আহি চাইকেলৰ বেল বজাইছিল। সেই বেল শুনি অন্য এখন চাইকেল লৈ যোগেনদা ওলাই গৈছিল। তেতিয়াই তিনিও ওলাই গৈছিল পানবজাৰৰ অজ্ঞাত কোনো ঠাইলৈ। উদ্দেশ্য আছিল 'আড্ডা' দিয়াৰ। পিছলৈ মই নিয়মিত পানবজাৰৰ ডিলাইট ৰেষ্টুৰেণ্টত আড্ডা দিয়াৰ অনুপ্ৰেৰণাও এইবোৰৰপৰা পাইছিলোঁ বুলি ক'লে ভুল কোৱা নহ'ব। কবলৈ সংকোচ নাই যে শ্বেইখ ব্ৰাদাৰ্ছৰ বেকাৰীৰ বিস্কুট, পেটিছৰ সোৱাদ তেতিয়াই পোৱা বা বাবুৰাও পেটেল সম্পাদিত তেতিয়াৰ বিখ্যাত চিত্ৰালোচনী 'ফিল্ম ইণ্ডিয়া' সেই সময়তে পঢ়াৰ সৌভাগ্য হৈছিল। 'ফিল্ম ইণ্ডিয়া'খন মোৰ দাদা যোগেনদাই বোম্বেৰপৰাই ভি. পি. যোগে অৰ্ডাৰ দি আনিছিল। ইমিটেশ্যন আৰ্ট পেপাৰত ছপোৱা সেই আলোচনীখন বৰ উচ্চমানৰ আছিল। বিশেষকৈ আলোচনীখনৰ সম্পাদক পৰিচালিত প্ৰশ্নোত্তৰ শিতানটি অতি জনপ্ৰিয় আছিল। সম্পাদক বাবুৰাও পেটেলৰ পত্নী সুশীলা পেটেল বোধহয় সেই সময়ত ৰাজ্যসভাৰ মনোনীত সদস্যা আছিল।

নীৰেন বৰুৱা সেই সময়ত অসম বাণী কাকতখনৰ সহকাৰী সম্পাদক আছিল। মই লাইব্ৰেৰীয়ান হিচাপে যেতিয়া কাৰ্যনিৰ্বাহ কৰিছিলোঁ, সেই সময়ত নীলমণিদাক প্ৰায়ে লগ পাইছিলোঁ। স্বাভাৱিকতে 'অসম বাণী' কাকতৰ বিভিন্ন লিখা লৈ আমি আলোচনা কৰিছিলোঁ। মই তেতিয়া গল্প লিখো যদিও ঠিক তেনেদৰে প্ৰতিষ্ঠা লভিবলৈ সুবিধা পোৱা নাছিলোঁ। কাৰণ, এটা কথা শুনিবলৈ বেয়া হ'লেও কোৱাটো ভাল হ'ব যে যিকোনো লেখক বা লেখিকাই প্ৰতিষ্ঠা লাভৰ ক্ষেত্ৰত আলোচনী বা কাকত এখনৰ বা সেই আলোচনী-কাকতৰ সম্পাদকৰ দায়িত্ব সুদূৰপ্ৰসাৰী। আমি যি সময়ত লিখিবলৈ কলম হাতত লৈছিলোঁ, সেই সময়তো এই কথাৰ প্ৰভাৱ বা গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। শুনিবলৈ কটু হ'লেও এই কথা ক'বই লাগিব যে অন্য সাহিত্যৰ দৰে আমাৰ সাহিত্যতো 'কোটেৰী' বা গোষ্ঠীৰ প্ৰভাৱ একেবাৰে নাছিল বুলি ক'ব নোৱাৰি। কোনো এখন . কাকত বা আলোচনীৰ প্ৰতিষ্ঠাবান লেখক-লেখিকাক ভেদ কৰি তাত প্ৰৱেশ কৰাটো সহজ কথা নাছিল। ব্যক্তিগতভাৱে মোক এই বিষয়ে তিক্ত অভিজ্ঞতাই বহুতো শিকাইছে আৰু এই শিকনি মোৰ বাবে হয়তো আশীৰ্বাদ হৈ দেখা দিছে।

জীৱিত আৰু মৃত মানুহৰ বিভিন্ন ব্লকেৰে পৰিবেষ্টিত আসাম ট্ৰিবিউন লাইব্ৰেৰীৰ সেই ইন্দুভূষণ চক্ৰৱৰ্তী বহা কোঠালিৰপৰা মোৰ পিছলৈ স্থানান্তৰ

ঘটিছিল অন্য এক কোঠালে। উল্লেখিত চিত্তাভিৰাম বৰুৱা শেষলৈ হৈছিল আসাম ট্ৰিবিউনৰ প্ৰুফ ৰীডাৰ। কিন্তু ট্ৰিবিউন প্ৰেছৰ সেই পুৰণি লাইব্ৰেৰী ৰুমৰ কিছু ৰোমন্থন মই পাহৰিব নোৱাৰোঁ। সেই সময়ত অৰ্থাৎ মই কাম কৰি থাকোতে তাতে আহি এজন মানুহে প্ৰায় 'আড্ডা' মাৰিছিল। পাছত জানিছিলোঁ, সেয়া আছিল চিত্ৰ পৰিচালক প্ৰয়াত নিপ বৰুৱা, যি শেহলৈ বোলছবিৰ পৰিচালক হিচাপে বিখ্যাত হৈ পৰিলেও তেওঁ আছিল এগৰাকী নিপুণ ফুটবল খেলুৱৈ। তেতিয়া পুৰণি ফ্ৰেণ্ডছ ইউনিয়ন ক্লাবৰ হৈ নিপ বৰুৱাৰ চেন্টাৰ ফৰোৱাৰ্ড হিচাপে যি আক্ৰমণাত্মক খেল আছিল, সেয়া কেতিয়াও পাহৰিব নোৱাৰি। মই ট্ৰিবিউন প্ৰেছত কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত নিপ বৰুৱা ব্লক ডিপাৰ্টমেন্টৰ স্থায়ী চিত্ৰশিল্পী আছিল আৰু তেতিয়াই তেওঁ আঁকিছিল আজিৰ প্ৰথম ব'হাগৰ ৰঙালী বিহুৰ সময়ত 'শ্ৰীময়ী অসমীৰ' গীতৰ লগত সমগ্ৰ অসমতে উত্তোলিত হোৱা বিহু পতাকাখনিৰ সেই অৰ্থপূৰ্ণ বিশেষ প্ৰতীক চিহ্নটি। যিটো সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাই প্ৰথম আঁকা অৱস্থাতে কাঢ়িয়াই আনি মোৰ অভিমতৰ বাবে দেখুৱাইছিল।

ঢোল-টকা-পেঁপাৰে সজোৱা বিহু পতাকাৰ বাবে অংকিত প্ৰয়াত নিপ বৰুৱাৰ সেই অৰ্থবহ প্ৰতীক চিহ্নটি মোক দেখুৱাৰ হয়তো সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ কোনো প্ৰয়োজন নাছিল। কিন্তু বিহু পতাকাৰ বাবে অংকিত সেই অৰ্থবহ প্ৰতীক চিহ্নটি কেনে হৈছে, সেই কথাটো জানিবলৈ তেওঁ মোকো ব্যৱহাৰ কৰি চাইছিল। চিত্ৰশিল্পী নিপদাৰদ্বাৰা অংকিত সেইটো প্ৰতীক চিহ্নই আজিও অসমৰ বিহু পতাকাত গৃহীত প্ৰতীক চিহ্ন। ফুলাম গামোচা এখনৰ ওপৰত উক্ত প্ৰতীক চিহ্ন সন্মিলিত অসমৰ প্ৰত্যেক বিহুতলীতে প্ৰথম ব'হাগৰ দিনা 'শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উছৱৰ মধু আলোড়ন' গীতটিৰ স'তে উত্তোলিত হয়।

নিপ বৰুৱা, যাৰ প্ৰকৃত নাম নৃপেন বৰুৱা, অসমৰ বাইজৰ ওচৰত যাইকৈ পৰিচিত এগৰাকী বোলছবি পৰিচালক হিচাপেহে। সম্ভৱতঃ অসমত আটাইতকৈ সৰহসংখ্যক আৰু কিছুদূৰ সফল ছবি নিৰ্মাণৰ কৃতিত্ব ৰখা নিপদা এগৰাকী বৰ সৃষ্টিশীল চিত্ৰশিল্পীও যে আছিল, সেই কথা বহুতে মনত নেৰাখে। 'স্মৃতিৰ পৰশ,' 'মাক আৰু মৰম,' 'বৰুৱাৰ সংসাৰ' 'সোণমা,' ককাদেউতা নাতি আৰু হাতী আদি একাধিক ছবিৰ পৰিচালক নিপদাৰ চিত্ৰশিল্পী হিচাপেও ভালেখিনি অৱিহণা আছে। এসময়ত গুৱাহাটীৰ লতাশিল খেলপথাৰত তেওঁলোকৰ নিজৰ ঘৰৰ সন্মুখত থকা গছ এজোপাৰ খোৰোং এটাত সজাই তোলা সৰস্বতীৰ প্ৰতিমাই সমগ্ৰ গুৱাহাটী চহৰতে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। তাৰ উপৰি নিপদাৰ শিল্পী হিচাপে অন্য এক

কৃতিত্ব আছে তেওঁৰদ্বাৰা পৰিকল্পিত তোৰণ সাজি উলিওৱাৰ ক্ষেত্ৰত। এই কথা প্ৰত্যক্ষ কৰাসকলে নিশ্চয় আজিও সুঁৱৰিব যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাবৰ্তন উৎসৱত সাজি উলিওৱা বগা কাপোৰৰ সেই আটকধুনীয়া বৃহৎ তোৰণখনৰ কথা। মই যি সময়ৰ কথা কৈছো, সেই সময়ত জালুকবাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিজস্ব ঘৰ-দুৱাৰ সাজি উলিওৱাই নাছিল। পুৰণি ল কলেজ, এতিয়াও য'ত কটন ছাত্ৰীনিবাস, সেই ঠাইতে বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহ বহিছিল। তাতেই বৃহৎ আকাৰৰ মূল তোৰণখন নিপদাই সাজি উলিয়াইছিল। তোৰণখনৰ সৌন্দৰ্য এনে চকু জুৰ পৰা আছিল যে তেতিয়ালৈ তেনেধৰণৰ পৰিকল্পনাৰে সুদৃশ্য তোৰণ যে হৈ উঠিব পাৰে সেই কথা ভাবিবই নোৱাৰি। এসময়ৰ জনপ্ৰিয় সাপ্তাহিক অসমীয়া বাতৰিকাকত 'অসম বাণী'ৰ আখৰকেইটি (ল'গ') নিপদাই লিখিছিল। অৱেশ্যে কালক্ৰমত মূল আখৰৰ চেহেৰা সলনি হৈছে, কিন্তু আসাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ ওপৰত থকা ৰঙা নিয়ন ছাইনখনৰ মূল আখৰৰ প্ৰতিবিম্ব এতিয়াও দেখা পোৱা যায়। প্ৰয়াত ড° মহেন্দ্ৰ বৰা সম্পাদিত, এসময়ৰ অতি জনপ্ৰিয় সাহিত্য-সংস্কৃতিমূলক আলোচনী অধুনামৃত 'মণিদীপ'ৰ প্ৰচ্ছদপটৰ পৰিকল্পনাও নিপদাৰে আছিল। নিপদা সম্পৰ্কে আৰু এটা কথা নক'লে অন্যায় হ'ব। তেওঁ আছিল এগৰাকী অতি সুন্দৰ আক্ৰমণ বিভাগৰ ফুটবল খেলুৱৈ। গুৱাহাটীত এসময়ত যিকেইটা ফুটবল দলে নিজস্ব খেলেৰে ফুটবলপ্ৰেমীৰ মন মুহিছিল, তাৰে এটি আছিল ফ্ৰেণ্ড্ছ ইউনিয়ন ক্লাব। আৰু এই ক্লাবৰে নিয়মিত খেলুৱৈ আছিল নিপ বৰুৱা। বহুতেই নেজানিব যে নিপ বৰুৱা এগৰাকী সুদক্ষ বাঁহীবাদকো আছিল। তেওঁৰ জ্যেষ্ঠ ভাতৃ, সংগীত পৰিচালক প্ৰয়াত ব্ৰজেন বৰুৱাৰ যেনেদৰে অসমীয়া ছবি জগতত অপৰিসীম অৱদান আছে, ঠিক তেনেদৰে কনিষ্ঠ ভাতৃ, জনপ্ৰিয় কণ্ঠশিল্পী দীপেন বৰুৱাৰো কথা উল্লেখ কৰিবই লাগিব।

স্বাভাৱিকতে এই নিপদাই ট্ৰিবিউন প্ৰতিষ্ঠানত কাম কৰি থকাৰ সময়ত মোৰ কোঠালিত বহি আড্ডা দিছিল। বয়সত আমাতকৈ বহু ডাঙৰ নিপদাৰ সৃষ্টিধৰ্মী মনটোৰ কথা জানি মই তেওঁৰ প্ৰতি আকৰ্ষিত হৈছিলো। এই সময়তে নিপদাই মোক কৈছিল যে তেওঁ এখন নাটক লিখিছে। নাটকখনৰ নাম ঃ 'স্মৃতিৰ পৰশ।' পিছলৈ এই নাটকৰে নিপদাই চিত্ৰৰূপ দিছিল। তেওঁ মোক নাটকখনৰ কথা কৈছিল যে অলপতে নাটকখন কুমাৰ ভাস্কৰ নাট্য মন্দিৰত মঞ্চস্থ কৰা হ'ব। কিন্তু তেওঁ বিচাৰিছিল এক অভিনৱ প্ৰচাৰ পৰিকল্পনা। গুৱাহাটীলৈ আহি সেই সময়ত মই আৱিষ্কাৰ কৰিছিলো যে গুৱাহাটীৰ ছবিঘৰত প্ৰদৰ্শিত হোৱা বিভিন্ন ছবিৰ ৰং-

বিৰঙৰ হেণ্ডবিল বিলি কৰা হয়। অ'টৰিক্সা নথকা তেতিয়াৰ গুৱাহাটীত সেইবোৰ ঘোঁৰাগাড়ীৰ যোগেদি বাটে-ঘাটে বিলাই ফুৰা হৈছিল। মই নিপদাক 'স্মৃতিৰ পৰশ' নাটকখনৰ তেনে ধৰণৰ ৰং-বিৰঙৰ হেণ্ডবিল ছপাই প্ৰচাৰ চলাবলৈ উপদেশ দিছিলো। নিপদাই কথাটো মানি লৈছিল আৰু সুন্দৰ এখন নাটকৰ ছবিৰে হেণ্ডবিলখন সজাই তুলিছিল। সেইখনেই বোধহয় গুৱাহাটীত নাটকৰ প্ৰথম হেণ্ডবিল আছিল। 'স্মৃতিৰ পৰশ' ছবিৰ নবাগত নায়িকা নিভা দাসেই শেষলৈ নিভা বৰুৱা হৈছিল।

মই আগতেই উল্লেখ কৰিছো যে লাইব্ৰেৰীয়ান হিচাপে কাৰ্যনিৰ্বাহ কৰি থাকোতে মোৰ দৃষ্টি কেন্দ্ৰীভূত হৈছিল অসম বাণী কাকতখনক লৈ। কিয় জানো, তেতিয়াই মোৰ এটা ধাৰণা হৈছিল যে আত্মপ্ৰকাশৰ বাবে কাকতখন এক উপযুক্ত বাহন হ'ব পাৰে। কিন্তু কি ধৰণে সেইটো হ'ব বা কেনেকৈ হ'ব, সেই বিষয়ে মই একো ভাবি উলিয়াব পৰা নাছিলো।

এই ক্ষেত্ৰত মোক প্ৰভূত সহায় কৰিলে আগতে উল্লেখ কৰি অহা অসম বাণী কাকতৰ সহ-সম্পাদক প্ৰয়াত নীৰেন বৰুৱাই। যাক আমি নীলমণিদা বুলি সম্বোধন কৰিছিলো। যিহেতু মোৰ বৰমামাৰ ল'ৰা শ্ৰীযোগেন তালুকদাৰৰ লগত তেওঁৰ বিশেষ ঘনিষ্ঠতা আছিল, গতিকে মোক অলপ মৰমৰ চকুৰে চাইছিল। সম্পৰ্কত মোৰ ভিনদেউ শ্ৰীসতীশ চন্দ্ৰ কাকতিৰদ্বাৰা সম্পাদিত অসম বাণী কাকতখনৰ তেতিয়া প্ৰচুৰ জনপ্ৰিয়তা। কাকতখনৰ বিভিন্ন বিষয়ক সামৰি লোৱা শিতানবোৰে স্বাভাৱিকতে বহুতকে আকৰ্ষণ কৰিছিল। তাৰে ভিতৰত এটি অতি জনপ্ৰিয় শিতান আছিল বোলছবি বা চিনেমা বিষয়ক পৃষ্ঠাটি। এই পৃষ্ঠাটি অসম বাণীৰ জন্মৰ সময়ত লিখিছিল অধিবক্তা শ্ৰীদিলীপ কুমাৰ হাজৰিকাই। এই দিলীপ কুমাৰ হাজৰিকাই প্ৰয়াত সৰ্বেশ্বৰ চক্ৰৱৰ্তী পৰিচালিত 'মণিৰাম দেৱান' নামৰ ছবিখনত অভিনয় কৰিছিল। অপ্ৰাসংগিক নহ'ব, যদি মই উল্লেখ কৰো যে ড° ভূপেন হাজৰিকাৰ অতি জনপ্ৰিয় আৰু সুমধুৰ 'বুকু হম হম কৰে' গীতটি দিলীপ কুমাৰ হাজৰিকাৰ মুখত ছবিত চিত্ৰায়িত হৈছিল। তেওঁ অভিনয় কৰা চৰিত্ৰটিৰ নাম মই পাহৰিলো। যিকোনো কাৰণতে নহওক, নীৰেন বৰুৱাই বোলছবি শিতানৰে দুই এটি বা-বাতৰি মোক লিখিবলৈ সুযোগ দিছিল। মই আগতেই কৈছো যে বৰুৱা ভাতৃদ্বয় যদুমণিদা আৰু নীলমণিদা দুয়ো বোলছবি বিষয়ক বা-বাতৰিত সমানে আগ্ৰহী আছিল। মোৰ বৰমামাৰ ল'ৰা তেওঁলোকৰ ঘনিষ্ঠ বন্ধু শ্ৰীযোগেন তালুকদাৰৰ লগত লগ লাগি সেই সময়তে অধুনামৃত বাবুৰাও পেটেল সম্পাদিত বিখ্যাত সুদৃশ্য ফিল্ম ইণ্ডিয়া আলোচনী ডাকযোগে মুম্বাইৰপৰা আনি পঢ়া আমি লক্ষ্য কৰিছিলো। অকল লক্ষ্য

বনাই নহয়, কাকতত পঢ়ি থাকোঁতেও সেইখন আলোচনী লুটিয়াই-বগৰাই চোৱাৰ কৌতূহলো মই ঢাকি ৰাখিব পৰা নাছিলোঁ। আন কথাত বোলছবি বিষয়ত আগ্ৰহ আৰু বা-ব্যাপাৰৰ জানি উঠাৰ স্পৃহা মোৰ মাজত সেই সময়ৰপৰা ধীৰে ধীৰে গঢ়ি উঠিছিল। তেতিয়া ভবা নাছিলোঁ যে সেই স্পৃহা কেতিয়াবা মোৰ বাবে অতীব প্ৰয়োজনীয় হৈ উঠিব পাৰে।

মই আগতেই কৈছোঁ যে অসম বাণী কাকতখনৰ যোগেদি আত্মপ্ৰকাশ কৰাৰ মোৰ এক অদম্য হেঁপাহ জীপথাই উঠিছিল।

ক'বলৈ মোৰ দ্বিধা নাই যে অসমীয়া আলোচনী-কাকতৰ ক্ষেত্ৰতো ইংৰাজীত যাক কোৱা হয় কোটেৰী বা গোষ্ঠীৰ প্ৰভাৱ কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি। অৰ্থাৎ কোনো বিশেষ কাকত বা আলোচনীয়ে তেওঁলোকৰদ্বাৰা নিৰ্বাচিত মাত্ৰ কেইগৰাকীমান বিশেষ লেখক বা লেখিকাক সা-সুবিধা দিবলৈ সদায় যত্নপৰ হয়। গতিকে তেনে এক 'গোষ্ঠীৰ মাজত' নতুন লেখক বা লেখিকাৰ, তেহেলৈ যিমানেই ভাল লিখক, মুখ দেখুৱাবলৈ যথেষ্ট অসুবিধা হয়, যিটো নতুন লেখক হিচাপে মোৰ ক্ষেত্ৰতো নোহোৱা নহয়। পৰিস্থিতি সেই সময়ৰ আলোচনী বা কাকতৰ সম্পাদকৰ লেখা চাপা কাকতলৈ দিয়া সত্ত্বেও বিমুখ হ'বলগীয়া হৈছিল। এই কথাই মনত কিছু নিৰাশাৰ ভাব জগাই নোতোলা নহয়। মই ইচ্ছা কৰি সেই সময়ৰ কোন আলোচনী (অৰ্থাৎ তাৰ নাম উল্লেখ নকৰি) বা সম্পাদকৰ নাম উহ্য ৰাখি এই কথা দোহাৰিব খুজিছোঁ যে সাহিত্যক্ষেত্ৰত প্ৰতিষ্ঠা লভিবলৈ আমিও কম কষ্ট কৰিবলগীয়া হোৱা নাই। এই ক্ষেত্ৰত তেতিয়াৰ সম্পাদকসকলো কিছু দোষী বুলি কোৱাৰ মোৰ সাহস আছে। তেওঁলোকে নতুনক আত্মপ্ৰকাশৰ কোনো সুযোগ সুবিধাকে তেওঁলোকে দিব নুখুজিছিল। বা পাকচক্ৰৰে নিজস্ব বিশ্বাসৰ বশৱৰ্তী হৈ যিকোনো লিখনিকে ৱেষ্টপেপাৰ বাস্কেটত ঠাই দিছিল। কিন্তু পেলনীয়া সেই লিখনিও কেতিয়াবা নতুন ৰূপত জিলিকি উঠিব পাৰে। সেইটো মাত্ৰ সময়ৰ কথা। আত্মবিশ্বাসৰ কথা।

বোধহয় মোৰ সেই অগাধ আত্মবিশ্বাস আছিল। মই ভাবিছিলোঁ যিটো, সেয়া মোৰ সৃষ্টিৰ কষটি শিলত ঘঁহনি খাই তাৰ নিজস্ব ৰূপত, বিভিন্ন আংগিকত, বিভিন্ন প্ৰকাশ মাধ্যমেৰে প্ৰতিভাত হৈ উঠিল আৰু এই ক্ষেত্ৰত মোৰ মাধ্যম হৈছিল উল্লেখিত 'অসম বাণী'।

মই আগতেই উল্লেখ কৰিছোঁ যে অসম বাণী কাকতখনৰ লগত মই প্ৰত্যক্ষভাৱে প্ৰথম অৱস্থাত কোনো ধৰণে জড়িত নাছিলোঁ। কিন্তু সময় যোৱাৰ লগে লগে আৰু মোৰ অত্যুৎসাহী মনৰ কিবা এটা কৰাৰ আগ্ৰহৰ হেতুকে পৰোক্ষভাৱে

মই কাকতখনৰ মাজত সোমাই পৰিবলৈ সক্ষম হৈছিলোঁ আৰু এই ক্ষেত্ৰত মোৰ প্ৰধান অনুপ্ৰেৰণা আছিল পূৰ্বে উল্লিখিত প্ৰয়াত সহ-সম্পাদক নীৰেন বৰুৱা বা নীলমণিদা। নীলমণিদা অসম বাণী কাকতলৈ অহাৰ আগতে তেতিয়াৰ পুৰণি দৈনিক 'নতুন অসমীয়া' কাকতৰ লগতো জড়িত আছিল। অল্পভাষী, সহজে মন আকৰ্ষণ কৰিব পৰা ব্যক্তিত্বৰে নীলমণিদা আৰু তেওঁৰ জ্যেষ্ঠ ভাতৃ পিছলৈ আসাম ট্ৰিবিউন কাকতৰ সম্পাদক ৰবীন বৰুৱা বা যদুমণিদা দুয়ো আছিল সাংবাদিকতাৰ বাবে সৰ্বগুণী ব্যক্তি। কি ৰাজনীতি, কলা-সংস্কৃতি, ক্ৰীড়া সকলো বিষয়তে দুয়োগৰাকী আছিল সৰ্বদিশত পাৰ্গত। দুয়োৰে হাতৰ আখৰ বৰ ভাল আছিল। আৰু অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে সলসলীয়াকৈ লিখিব পাৰিছিল। কিতাপ-আলোচনী দুয়োগৰাকীয়ে যথেষ্ট পঢ়া-শুনা কৰিছিল। ফলস্বৰূপে সমসাময়িক সকলো কথাৰ ব্যাপক জ্ঞান তেওঁলোকৰ মাজত দেখা গৈছিল।

'অসম বাণী' কাকতখনক মোৰ প্ৰকাশ মাধ্যমৰ আহিলা হিচাপে লোৱাৰ আগতে এই মোৰ মনৰ খালবলনা এটা কথাত সচেতন আছিলোঁ যে মই যিটোকে কোনো লিখোঁ তাৰ এটি নিটোল নিখুঁত ৰূপ নিশ্চয় উপস্থাপন কৰিব লাগিব। নীলমণিদা এই ক্ষেত্ৰত মোৰ শিক্ষকৰ নিচিনা আছিল। অসম বাণীৰ লগত জড়িত হোৱাৰ আগতে মই দুই এটা গল্প লিখিছিলো যদিও ঠিক বিচৰা ধৰণে কাৰো ওপৰতে প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিলোঁ। গল্প লিখা তেতিয়া যিহেতু মোৰ ভাব প্ৰকাশৰ প্ৰধান উপজীব্য আছিল, গতিকে সেইটো দিশত মই সজাগ হৈ কিবা এটা কৰাৰ চেষ্টা চলাইছিলোঁ আৰু সেই সময়তে মই সাপ্তাহিক অসম বাণীৰ বাবে কিছু গল্প লিখি পেলাইছিলোঁ। উল্লেখযোগ্য কথা যে তেতিয়া যিহেতু মোৰ বয়স কম আৰু জীৱনক ভালদৰে উপলব্ধি কৰাৰ চেষ্টাই কৰা নাছিলোঁ, গতিকে স্বাভাৱিকতে সৰহভাগ গল্পই শাশ্বত প্ৰেমৰ ওপৰত ভিত্তি কৰি লিখা হৈছিল। আন কথাত, গল্পসমূহৰ মাজেদি মই গভীৰভাৱে চেষ্টা কৰিছিলোঁ বিশেষকৈ নাৰীমনৰ মনস্তাত্ত্বিক দিশটো ফঁহিয়াই চাবলৈ। এই ক্ষেত্ৰত মোক অনুপ্ৰাণিত কৰিছিল মোপাঁচা, অ' হেনৰী, ছমাৰছেট মম, সুবোধ ঘোষ, তাৰাশংকৰ, বিমল কৰ, জ্যোতিৰিন্দ্ৰ নন্দী আদিৰ বিভিন্ন গল্পই।

এই ছেগতে মই অসম বাণীৰ যোগেদি কিছু গল্প লিখিছিলো যাৰ নামকৰণ কৰা হৈছিল গল্পৰ নায়িকাৰ নামেৰে। উদাহৰণ ঃ 'ময়ূৰী,' 'মধুমতী,' 'মিছ মিনাৰ্ভা,' 'আঙুৰলতা,' 'কাজল লতা,' ইত্যাদি। প্ৰত্যেকটো গল্পই তাৰ নিজস্ব ৰূপত হয়তো বিকশিত হৈ উঠিছিল, যাৰ বাবে সেই সময়ৰ পাঠক-পাঠিকাই সেইবোৰ গো-গ্ৰাসে

গিলিবলৈ যত্ন কৰিছিল বুলি মই জানিছিলোঁ - অকল জনাই নহয়, প্ৰত্যক্ষভাৱে সেই সময়তে মই বহুতৰেপৰা সাধুবাদ পাবলৈ সক্ষম হৈছিলোঁ। স্বাভাৱিকতে ইয়াৰদ্বাৰা মই প্ৰচুৰ উৎসাহিত হৈছিলোঁ।

মই আগতে কৈছিলোঁ যে আমাৰ দৰে তেতিয়া নতুন লেখকে সাহিত্য জগতত মূৰ সুমুৱাবলৈ চেষ্টা কৰাটো প্ৰায় বাতুলতা আছিল। নতুন কিবা এটা কৰিব খুজিলেও সেই সম্পাদকসকলে সেইবোৰ বিষয়ে বিশেষ মন-কাণ নিদিছিল। পাৰিলে বৰং নিৰুৎসাহহে কৰিছিল। এনে আলোচনীৰ সম্পাদকৰ কথাও মই ক'ব পাৰোঁ, যি ইচ্ছাকৃতভাৱে নিজকে ব্যস্ত ৰাখি তেওঁক সাক্ষাৎ কৰিবলৈ বহু সময় অতিবাহিত কৰাৰ পাছত নাটকীয় ভংগীত ওলাই আহি নিৰামিষ কণ্ঠেৰে প্ৰশ্ন কৰে, 'কি হ'ল?'

উত্তৰঃ 'গল্প এটা আনিছোঁ।'

গা ধুই উঠা সম্পাদকে লিখাটি নিজে গ্ৰহণ নকৰি সন্মুখত থকা মূঢ়াটো দেখুৱাই নিৰ্লিপ্ত ভংগীত কয়ঃ 'তাতেই থৈ যোৱা।'

থৈ আহো। মাহৰ পাছত মাহ পাৰ হৈ যায়। ছপা আখৰত সেই গল্প আৰু দেখা নাপাওঁ।

অসম বাণীৰ যোগেদি সেইটো সুযোগ মই নেৰিলোঁ। আগতে মই উল্লেখ কৰিছোঁ যে সেই সময়ত উক্ত কাকতৰ যোগেতি প্ৰকাশিত মোৰ গল্পই পাঠক-পাঠিকাৰ মাজত এক মৃদু আলোড়ন তুলিবলৈ সক্ষম হৈছিল।

অসম বাণীত লিখা সেইসমূহ গল্পৰ মাজত মই আগতেই উল্লেখ কৰিছোঁ যে শাশ্বত প্ৰেমৰ বিভিন্ন দিশৰ ওপৰত লিখিবলৈ মই যত্ন কৰিছিলোঁ আৰু সেইসমূহ গল্পৰ মাজেদি মই এচাম পাঠক-পাঠিকাৰ মনৰ মাজত সুকীয়া স্থান লাভ কৰা বুলি বহু প্ৰত্যাক্ষ প্ৰমাণো পাই লিখিবলৈ উৎসাহিত হৈছিলোঁ। যিকোনো এখন তেতিয়াৰ অসমীয়া আলোচনীৰ প্ৰচাৰ সংখ্যা যিহেতু 'অসম বাণী' কাকতখনতকৈ যথেষ্ট কম আছিল, গতিকে স্বাভাৱিকতে মই সোনকালে এক বহল সীমনালৈ আগবাঢ়িবলৈ সমৰ্থ হৈছিলোঁ। উল্লেখ কৰা ভাল হ'ব যে অসম বাণী কাকতত প্ৰকাশ হোৱা গল্পবোৰ মই নিজেই চিত্ৰিত কৰিবলৈ চেষ্টা কৰিছিলোঁ। যিটো প্ৰচলিত ৰেখাচিত্ৰতকৈ ভালিখিনি বেলেগ আছিল। আজি এই কথা কোৱাত মোৰ কোনো বাধা নাই যে মোৰ জীৱনৰ প্ৰথম ছপা গ্ৰন্থখনিয়ে আছিল অসম বাণীত প্ৰকাশ পোৱা উল্লিখিত গল্পসমূহৰ সংকলন।

ছপা আখৰত প্ৰকাশ পোৱা মোৰ জীৱনৰ প্ৰথম গ্ৰন্থখনিৰ নাম আছিল ঃ

'মোৰ গল্প'। ১৯৬২ চনত এই গল্প সংকলনটি প্ৰথম প্ৰকাশ পাইছিল। প্ৰকাশ কৰিছিল বিখ্যাত প্ৰকাশন প্ৰতিষ্ঠান গুৱাহাটীৰ 'লয়াৰ্ছ বুক ষ্টলে।' প্ৰথম ছপা গ্ৰন্থখনৰ মূল্য আছিল মাত্ৰ দুটকা। গ্ৰন্থখনিৰ প্ৰচ্ছদপট্ মই সজাইছিলোঁ আৰু গ্ৰন্থখনিৰ নামটো দিছিল কবি হীৰেন ভট্টাচাৰ্যই। ভট্টাচাৰ্যই মোৰ আৰু দুই-এটি গল্পৰ নামকৰণ কৰিছে। সেই বিষয়েও উল্লেখ কৰা উচিত হ'ব। মই সেই সময়ত পানবজাৰৰ ডিলাইট ৰেষ্টুৰেণ্টত নিয়মিত আড্ডা দিওঁ। ভট্টাচাৰ্যও সেই আড্ডালৈ কেতিয়াবা আহে। এদিন মই তেনেদৰে তেওঁ আহোঁতে কৈছিলোঁ 'গল্পৰ কিতাপ এখনৰ নাম এটা দিয়কচোন।'

কবি হীৰেন ভট্টাচাৰ্য, যাক আমি 'হীৰু বাবু' বুলি মাতিছিলোঁ, মোক সুধিছিল ঃ 'কাৰ গল্প?' উত্তৰ আছিল ঃ 'মোৰ গল্প'।

তেতিয়া বৰকৈ চিগাৰেট খোৱা হীৰু বাবুৱে আকৌ সুধিছিল ঃ 'কাৰ গল্প?

কৈছিলোঁ ঃ 'কাৰ হ'ব আৰু, মোৰ গল্প।' এইবাৰ চাৰমিনাৰ চিগাৰেটৰ পেকেটৰ বকলা এটাত লিখি দিলে ঃ 'মোৰ গল্প।'

নামটো মোৰ ভাল লাগিছিল, ভাল লাগিছিল হীৰু বাবুৰ আকস্মিক উদ্ভাবনী শক্তি আৰু প্ৰকাশ।

সেই নামটোকে মই মোৰ প্ৰথম ছপা হোৱা গল্প সংকলনৰ বাবে ৰাখিছিলো ঃ 'মোৰ গল্প'। আৰু এই গল্পগ্ৰন্থত সন্নিবিষ্ট হোৱা আটাইকেইটি গল্প ছপা হৈছিল অসম বাণী কাকতত। মই আগতেই কৈছো যে সেইবোৰ গল্পত জীৱন ঠিক বুজি উঠি তাৰ কোনো বিশ্লেষণ নাই, নীচক ৰোমাণ্টিক প্ৰেমৰ আবেগমধুৰ আক্ষৰিক প্ৰকাশ। নিহিত আছিল নাৰী মনৰ কিছু মনস্তাত্ত্বিক দিশ। কিন্তু মোৰ প্ৰথম গল্পগ্ৰন্থই পাঠক সমাজৰ মাজত এক মৃদু আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছিল, যিটো কথা আনন্দেৰে গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠান লয়াৰ্ছ বুক ষ্টলৰ স্বত্বাধিকাৰী প্ৰয়াত বিচিত্ৰনাৰায়ণ দত্তবৰুৱাই প্ৰকাশ কৰিছিল।

ক'বলৈ সংকোচ নাই যে আন আৰু দহজন নতুন লেখকৰ ক্ষেত্ৰত হোৱাৰ দৰে মোৰো বোধহয় জীৱনৰ প্ৰথম প্ৰকাশেই আছিল গল্প নহয়, কবিতা। যদিও মোৰ ভাব প্ৰকাশৰ মাধ্যম হিচাপে কবিতাক কেতিয়াও গ্ৰহণ কৰা নাছিলো বা সেই বিষয়ে চিন্তা-চৰ্চাও কৰা নাছিলো। কিন্তু, দেশ-বিদেশৰ বহু সৰু-বৰ কবিৰ কবিতা মই পঢ়িছো আৰু মাথোন পঢ়াই নহয়, সেইবোৰৰ মাজত অন্তৰ্নিহিত অৰ্থ বিচাৰি উলিয়াবলৈও চেষ্টা কৰিছিলো। অৰ্থৰ অভাৱৰ বাবে আগ্ৰহ থাকিলেও বহু ছপা গ্ৰন্থ কিনি পেলোৱাৰ সামৰ্থ্য তেতিয়া নাছিল। কিন্তু কিতাপ পঢ়াৰ বা বিভিন্ন লেখক-

লেখিকাৰ ভাৱ প্ৰকাশৰ মাধ্যমক বুজি উঠাৰ এক অতীব আগ্ৰহ আছিল। আৰু তেনেদৰেই বোধহয় যি পাৰো, যেনেকৈ পাৰো গো-গ্ৰাসে গিলিবলৈ যত্ন কৰিছিলোঁ। তেতিয়াৰ গুৱাহাটীৰ বিখ্যাত ধৰৰ কিতাপৰ দোকানৰপৰা মই বহু কাব্যগ্ৰন্থৰ সোৱাদ লৈছিলো, নৱকান্ত বৰুৱাৰ এটি দুটি এঘাৰটি তৰাৰ পৰা জীৱনানন্দ দাসৰ 'বনলতা সেন'লৈ'। ধৰৰ কিতাপৰ দোকানতে থিয় হৈ থিয় হৈ পঢ়িবলৈ লৈছিলো বিভিন্ন কবিৰ কাব্যগ্ৰন্থ। ভাল কবিতা ক'ব নোৱৰাকৈয়ে মনৰ মাজত থাকি গৈছিল। যেনেদৰে থাকিছিল বনলতা সেন বা বুদ্ধদেৱ বসুৰ কবিতা বা 'হে অৰণ্য মহানগৰ'ৰ অপূৰ্ব কবিতাৰাজি। কবিতাৰো যে এনে এক সম্মোহিনী গুণ আছে, সেয়া মই পাছত উপলব্ধি কৰিছিলো। আৰু বোধহয় কবিতা নিলিখিলেও কবিতা পঢ়ি আনন্দ লভা আৰু বুজি উঠাৰ চেষ্টা অব্যাহত আছিল। ভাল লাগিলে কোনো বিদেশী কবিতা অনুবাদ কৰি পেলোৱাৰ চেষ্টাও কৰিছিলো। ঠিক যেনেদৰে সাহিত্যত নোবেল বঁটা বিজয়ী কোৱাশ্মিমাডোৰ কবিতাৰ অসমীয়া অনুবাদ বোধহয় ময়ে প্ৰথম কৰিছিলো। তেনেদৰেই কৰিছিলো চেফাৰিচৰ কবিতা বা পেষ্টাৰনেকৰ কবিতাৰ অনুবাদ। এই কথাখিনি ক'বলগীয়া হৈছে, কাৰণ, মই আগতেই উল্লেখ কৰিছো যে ভাৱ প্ৰকাশৰ মাধ্যম হিচাপে কবিতাকে মই প্ৰথম নিৰ্বাচন কৰিছিলো। কোমল বয়সৰ ৰ'দ-কাচলিত বহি বোধহয় কিছু কবিতাও লিখি পেলাইছিলো। কোৱাত কোনো বাধা নাই যে সেইবোৰ কবিতা গণেশ গগৈৰ 'পাপৰি' বা 'স্বপ্নভংগ'ৰ অক্ষম অনুকৰণৰ বাহিৰে আন একো নাছিল। তেনেদৰেই লিখি কিছু কবিতাৰ সংকলন এটি নামকৰণ কৰিছিলো ঃ 'মৰমৰ পক্ষী'। হাতে লিখা সেইকেইটি কবিতাকে আলফুলে বুকুৰ মাজত লৈ ওচৰ চাপিছিলো তেতিয়াৰ বিখ্যাত গ্ৰন্থ বিপনি লয়াৰ্ছ বুক ষ্টলৰ স্বত্বাধিকাৰী প্ৰয়াত বিচিত্ৰ নাৰায়ণ দত্তবৰুৱাৰ। প্ৰকাশক দত্তবৰুৱা চতুৰ মানুহ। বিভিন্ন গ্ৰন্থ প্ৰকাশৰ অভিজ্ঞতাৰে পুষ্ট দত্তবৰুৱাই মোক পোনচাটে নিৰাশ নকৰি কেৱল কৈছিল প্ৰথমতে সেইবোৰ কবিতা কোনো কাগজ বা আলোচনীত প্ৰকাশ কৰাৰ কথা। মাথোন কথাৰেই নহয়, পাইপ লগোৱা হোকা-চিলিমৰপৰা ধোঁৱা উলিয়াই কাষতে সিঁচৰতি হৈ থকা টকা-পইচাৰ মাজৰপৰা এখন দহটকীয়া নোট মোৰ হাতত তুলি দি কৈছিল ঃ 'চাহ খাবা'।

চাহ খালো নে নাই সেই কথা পাহৰিলো। কিন্তু এটা কথা মনত আছে যে প্ৰথম গ্ৰন্থ প্ৰকাশৰ প্ৰচেষ্টাত বিফল হোৱাত মোৰ মনটো কিছু থমকি ৰৈছিল আৰু তেতিয়াই বোধহয় ভাবি লৈছিলো যে কবিতা মোৰ প্ৰকাশ মাধ্যম হোৱাৰ বাবে উপযুক্ত নহয়। দুই এটা অ'ত ত'ত গল্প লিখিলেও সেইবোৰ গল্পই কিন্তু

কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। যি লয়াৰ্ছ বুক ষ্টলৰদ্বাৰা মোৰ প্ৰথম ছপা প্ৰকাশৰ হাবিয়াস থানবান হৈছিল, সেই গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠানেই পিছলৈ মোৰ একাধিক গল্প-উপন্যাস ছপা কৰি মোক কৃতজ্ঞতাৰ বান্ধোনেৰে বান্ধি পেলাইছিল। এই লয়াৰ্ছ বুক ষ্টলে প্ৰকাশ কৰিছে মোৰ গল্প সংগ্ৰহ 'অংগে অংগে শোভা', 'হীৰাপান্না', উপন্যাস 'স্তব্ধ বৃন্দাবন', 'বনহংস', 'কুকুহা' আদি গ্ৰন্থ। এই ক্ষেত্ৰত মই বিখ্যাত অনুবাদক, সংস্কৃতিপ্ৰেমী, তৰুণ লেখক খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱাৰ নাম ল'বই লাগিব। মৰমতে আমি ঘৰুৱা নাম ভুতু বুলি সম্বোধন কৰো। তেওঁৰ উৎসাহ আৰু সু-সংস্কৃত মন এটাৰ সৃষ্টিশীল ছাঁত থাকিয়েই লিখিবলৈ মই ক্ৰমাগত উৎসাহিত হওঁ।

অসম বাণীৰ গল্পসমূহ পাঠক-পাঠিকাৰদ্বাৰা যথেষ্ট সমাদৃত হোৱাত ক্ৰমাগত লিখিবলৈ মই উৎসাহ পাওঁ। আৰু বোধহয় তদানীন্তন যি আলোচনী, কাকত আছিল সেইসমূহতো লিখি যাওঁ। লিখোঁ 'বিগউল হাজৰিকা, 'পছিমৰ বলিয়া বতাহজাক', 'মেঘালী চলিহা' আদিৰ দৰে তেতিয়াৰ অতিশয় জনপ্ৰিয় গল্প।

মই আগতেই কৈছো যে অসমত সেই সময়ত নিয়মিত মাহেকীয়া আলোচনী তেনেই শূন্য বুলি ক'ব পৰা যায়। একমাত্ৰ এখন আলোচনী আছিল 'ৰামধেনু'। কিন্তু সেইখন আলোচনীৰ চাৰিবেৰৰ মাজত আমাৰ দৰে অতি সাধাৰণ আৰু নতুন লেখকৰ প্ৰৱেশ যথেষ্ট কষ্টকৰ আছিল। তাৰ উপৰি এই ক্ষেত্ৰত অন্য বাধাও ডাঙৰ হৈ দেখা দিছিল।

মোৰ দৃষ্টি কিন্তু কেন্দ্ৰীভূত হৈছিল অসম বাণী কাকতত। ভাব প্ৰকাশৰ অথবা নিজকে প্ৰচাৰ কৰাৰ এক উপযুক্ত মাধ্যম হিচাপে এইখন কাকতকে নিৰ্বাচন কৰি লোৱাৰ কথা মই আগতেই কৈছো। গল্পৰ কথা বাদেই, লাহে লাহে মই কাকতখনৰ অন্য ক্ষেত্ৰতো প্ৰৱেশ কৰিবলৈ যত্ন অব্যাহত ৰাখিছিলো। এই ক্ষেত্ৰত মোৰ প্ৰধান সহায় হৈছিল নীলমণিদা বুলি মই আগতেই কৈছো। তেওঁৰ কিছু পৰিকল্পনা আৰু দূৰদৃষ্টিয়ে বাৰুকৈয়ে মোক মুগ্ধ কৰিছিল।

অসম বাণী কাকতৰ সেই সময়ত এটি অতি জনপ্ৰিয় পৃষ্ঠা আছিল বোলছবি বিষয়ক বা-বাতৰিৰ পৃষ্ঠাটো। যিটো সাধাৰণতে কোৱা হৈছিল ঃ 'চিনেমা পেজ' বুলি। মই আগতে উল্লেখ কৰিছো যে অসম বাণীৰ জন্মৰ সময়ৰেপৰাই এই পৃষ্ঠাটো লিখি আছিল অন্য এগৰাকী লেখকে। কিন্তু নীলমণিদাই যিকোনো কাৰণতে নহওক, সেই পৃষ্ঠাটোৰ কিছু বা-বাতৰি মোক লিখিবলৈ দিছিল। লিখিছিলো। আৰু মই লিখা বা-বাতৰি তথা ছবি আদি প্ৰচাৰৰ ব্যৱস্থা দেখি তেওঁ মুগ্ধ হৈছিল। আৰু

এদিন তেওঁ এই বিষয়ে চূড়ান্তভাৱে মোক জনালে যে পৃষ্ঠাটো সম্পূর্ণ ময়ে লিখিব লাগে।

এটা কথা কোৱা ভাল হ'ব যে আজিকালিৰ দৰে তেতিয়াও প্ৰতিখন দৈনিক, সাপ্তাহিক কাকত বা আলোচনীত বোলছবি বিষয়ক পৃষ্ঠা এটি অপৰিহাৰ্য আছিল। প্ৰতিখন কাকত বা আলোচনীয়ে গণসংযোগৰ এই শক্তিশালী মাধ্যমটিৰ প্ৰচাৰ কোনোপধ্যেই পৰিহাৰ কৰিব নোৱাৰিছিল। ফলত প্ৰতি কাকত, আলোচনীয়ে বোলছবিবিষয়ক কিছু লিখা আৰু ছবি প্ৰকাশ কৰাৰ দিহা কৰিছিল।

নীলমণিদাই যেতিয়া মোক সেই পৃষ্ঠাটো লিখিবলৈ কৈছিল, সেই সময়ত মই 'অসম বাণী'ৰ আৰু দুই-এটি শিতানত অৰিহণা যোগাইছিলো। অসম বাণীৰ প্ৰথমবেপৰা জনপ্ৰিয় 'মহা মহা পুৰুষৰ চানেকিৰে জীৱন'ৰ আলোচনাৰাজিৰ বহুবোৰ লিখাই মোৰ লিখনিৰদ্বাৰাই সমৃদ্ধ হৈছিল। এতিয়াৰ উত্তৰ-পূব পৰিষদৰ স'তে জড়িত অৰ্থনীতিবিদ ড° জয়ন্ত মাধব সেই সময়ত অসম বাণীৰ লগত জড়িত আছিল। ড° জয়ন্ত মাধব প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাৰ সম্পৰ্কীয় আছিল। আমি যাক 'গিনিদা' বুলি সম্বোধন কৰিছিলো। সদায় কাকতখনৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধিৰ বাবে কিবা এটা কৰাৰ হাবিয়াস লক্ষ্য কৰিছিলো। এই গিনিদাৰে পৰিকল্পনাত সৃষ্টি হৈছিল 'বৈচিত্ৰ্যময় ভাৰত'। ভাৰতৰ বিভিন্ন অঞ্চলৰ নানান ছবিৰে সুশোভিত এই শিতানটিৰ ছবিসমূহ চাই সেইবোৰৰ উপযুক্ত শিৰোনামা তেওঁ মোকেই লিখিবলৈ দিছিল।

ক'বলৈ সংকোচ নাই যে সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দৰ বিষয়ে যিখন একমাত্ৰ জীৱনীগ্ৰন্থ মই লিখিছো, সেই গ্ৰন্থৰ আঁৰৰ ঘাই অনুপ্ৰেৰণা আৰু পৰিকল্পনাকাৰী আছিল ড° জয়ন্ত মাধব। সিংহপুৰুষ ৰাধাগোবিন্দক 'পাপা' বুলি সম্বোধন কৰা গিনিদাই মোক কৈছিল যে ৰাধাগোবিন্দৰ বিষয়ে এখনি জীৱনীগ্ৰন্থ লিখিব লাগে। তেতিয়া বৰ ব্যস্ত কৰ্মযোগী ৰাধাগোবিন্দ। বৰুৱাই তেওঁৰ নিজৰ বিষয়ে কিবা কোৱাৰ সময়-সুবিধা ঠিকমতে দিব নোৱৰাত, মই অন্য ব্যৱস্থা কৰিছিলো। আৰু তেনেদৰেই বোধহয় মই সিংহপুৰুষৰ বিষয়ে জীৱনী গ্ৰন্থখনি লিখি উলিয়াইছিলো। তেনেদৰে কোনোবাই অসমত কাৰোবাৰ জীৱনী গ্ৰন্থ লিখিছেনে নাই মই নেজানো।

কিন্তু, মই সেইগৰাকী অসাধাৰণ কৰ্মযোগীৰ জীৱন কাহিনী ক'বলৈ যত্ন কৰিছিলো। সুদৃশ্য গ্ৰন্থখনি প্ৰকাশ কৰিছিল আসাম ট্ৰিবিউনৰে প্ৰকাশন প্ৰতিষ্ঠান 'সাহিত্য প্ৰকাশে'। সেই গ্ৰন্থৰ অভূতপূৰ্ব সাফল্য মোৰ সাহিত্য জীৱনৰ নিশ্চয় এক পাহৰিব নোৱৰা ঘটনা। তেনেদৰেই পাহৰিব নোৱৰা সিংহপুৰুষ ৰাধাগোবিন্দৰ অতি ওচৰ সান্নিধ্য, যিটো মোৰ বাবে অবিস্মৰণীয়। দেধাৰ গল্প-উপন্যাসেৰে মোৰ সাহিত্য

জীৱনবৃত্ত পৰিব্যাপ্ত হ'লেও এনে কিছুমান লিখনি মোৰ কলমৰ আগেদি প্ৰকাশ পাইছিল যিবোৰৰ নিৰ্মল আনন্দ মই নিজে কেতিয়াও পাহৰিব নোৱাৰো। তেনে এক অবিস্মৰণীয় অভিজ্ঞতাই আছিল সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ বিষয়ে লিখা একমাত্ৰ জীৱনী গ্ৰন্থখনি।

যি সময়ত সিংহপুৰুষৰ বিষয়ে লিখিবলৈ মই সাজু হৈছিলো, সেই সময়ত প্ৰয়াত ৰাধাগোবিন্দ সম্পূৰ্ণভাৱে সুস্থ আৰু সক্ৰিয় হৈ বিভিন্ন কামৰ লগত জড়িত আছিল। ৰাধাগোবিন্দ বৰুৱা মানুহজনেই আছিল এগৰাকী সম্পূৰ্ণ স্বতন্ত্ৰ ব্যক্তিত্বৰ মানুহ। তেওঁৰ কাৰ্যক্ৰমণিকা, মতাদৰ্শ, ব্যক্তিগত ৰেহৰূপ, বা যিকোনো আঁচনিৰ বিষয়ে গম পোৱা কাৰো বাবে সহজ নাছিল। তাৰ উপৰি সবাতোকৈ ডাঙৰ কথাটো আছিল তেওঁৰ অপৰিসীম ব্যস্ততামিহলি দিনবোৰ। এইগৰাকী কৰ্মযোগীৰ বিষয়ে ব্যক্তিগতভাৱে আলোকপাত কৰাৰ আগতে মই তেওঁৰ বিষয়ে লিখা জীৱনী গ্ৰন্থখনৰ কথা কৈ লওঁ।

আগতেই মই উল্লেখ কৰিছো যে সিংহপুৰুষৰ বিষয়ে জীৱনীগ্ৰন্থ এখন লিখাৰ কথাটো প্ৰথম উত্থাপন কৰে অৰ্থনীতিবিদ ড° জয়ন্ত মাধৱে। আমি যাক 'গিনিদা' বুলি সম্বোধন কৰিছিলো। গিনিদাই বিভিন্ন দায়িত্বপূৰ্ণ পদত বিদেশতো বহুদিন বসবাস কৰি প্ৰস্তুতি উত্তৰ-পূৰ্ব পৰিষদৰ অৰ্থনৈতিক পৰিষদৰ অৰ্থনৈতিক পৰিকল্পনাৰ উপদেষ্টা হিচাপে এতিয়া কাৰ্যনিৰ্বাহ কৰি আছে।

বহুতেই নাজানিব যে ড° জয়ন্ত মাধৱ হ'ল স্বনামধন্য শিক্ষাবিদ যোৰহাটৰ তুলসী নাৰায়ণ শৰ্মাৰ ল'ৰা। শ্ৰীসতীশ কাকতি সম্পাদিত অসম বাণী কাকতখনৰ লগত তেওঁ জড়িত হৈ পৰিছিল ঠিকেই, কিন্তু মই জনাত কোনোদিন সেই কাকতৰ নিয়মিত কৰ্মী হিচাপে কাৰ্য্যনিৰ্বাহ কৰা নাছিল। কিন্তু কাকতখনৰ শ্ৰীবৃদ্ধিৰ বাবে গিনিদাৰ চিন্তা-ভাবনা সদায় অব্যাহত আছিল। মোৰ আসাম ট্ৰিবিউনৰ সৰু কোঠালিটোলৈ আহি তেওঁ প্ৰায়ে নানান কথা আলোচনা কৰিছিল। আৰু তেনেদৰেই গিনিদাই এদিন মোক কৈছিল যে 'পাপা'ৰ বিষয়ে জীৱনী এখন মই লিখিব লাগে।

প্ৰস্তাৱটো মোৰ লোভনীয় যেন লাগিলেও তেতিয়ালৈ ঠিক 'অ' বুলি কোৱাৰ সাহস মই সঞ্চয় কৰিব পৰা নাছিলো। মোৰ বিভিন্ন লিখা-মেলা আৰু আলোচনাৰ মাজৰপৰা তেওঁ কি নতুনত্ব বিচাৰি পাইছিল সেইটো মই নেজানো, কিন্তু গিনিদাই একেৰাহে কেইবাদিনো ধৰি সেই একেটা কথাকে মোক শুনাই থাকে। এটা কথা কোৱা ভাল হ'ব যে ৰাধাগোবিন্দ বৰুৱা আমাৰ চকুত তেতিয়া এনে এগৰাকী মানুহ যাৰ ছাঁটো প্ৰত্যক্ষ কৰাৰ সাহসো যথাৰ্থভাৱে গোটাব পৰা

নাছিলো। কেৱল অনুধাবন কৰিছিলো তেওঁ কৰি যোৱা বিভিন্ন কাৰ্য্যাৱলীৰ।

এদিন গিনিদা মোৰ অফিচ কোঠালিটোলৈ আহি ক'লেহি যে পাপা সন্মত হৈছে, আপুনি —'। গিনিদাই সপ্তাহৰ কেইটিমান বিশেষ বাৰৰ নাম আৰু সময়ৰ উল্লেখ কৰি মোক কৈছিল যে সেইসময়তে আৰ. জি. য়ে মোৰ স'তে কথা পাতি যাব।

গিনিদাই জনোৱা আঁচনিমতে মই এদিন নিৰ্দিষ্ট দিনৰ নিৰ্দিষ্ট সময়ত আৰ. জি.ৰ চেম্বাৰত প্ৰৱেশ কৰিছিলো। কিবা কামত নিমজ্জিত হৈ থকা ৰাধাগোবিন্দই অবাক হৈ মোক প্ৰশ্ন কৰিছিল ঃ কি হ'ল?

কৈছিলো।

কৈছিলো যে গিনিদাই মোক কৈছে, প্ৰত্যেক সপ্তাহৰ এইকেইটা দিনৰ এই সময়ত আপোনাক লগ ধৰিবলৈ।

সামান্য হাঁহি ৰাধাগোবিন্দই চকুৰ চশমা মূৰলৈ তুলি 'কৈছিল ঃ 'বুজিছো। মোৰ কিন্তু এতিয়া একেবাৰে সময় নাই।'

ফেঁচাটোৰ দৰেই উভতি আহিছিলো। আকৌ এদিন নিৰ্দিষ্ট বাৰত নিৰ্দিষ্ট সময়ত মই গৈ আকৌ ওলাইছিলোঁ।

আকৌ পুৰণি কথাৰেই পুনৰাবৃত্তি, ৰাধাগোবিন্দৰ 'সময় নাই'। সেইদিনা জৰুৰী মিটিং এখন আছে।

এদিন-দুদিনকৈ কেইবাদিনো বিমুখ হৈ মই উভতি আহিছিলো। বুজিছিলো যে তেওঁৰ দৰে অতি ব্যস্ত মানুহ এগৰাকীয়ে সহজে মোক মই বিচৰা ধৰণে সময় দিব নোৱাৰিব।

টপৰাই কথাষাৰ মই গিনিদাক কোৱা নাছিলোঁ। মনে মনে কেৱল পৰিকল্পনা পাঙিছিলো কি ধৰণে ৰাধাগোবিন্দৰ ৰোমাঞ্চকৰ জীৱনগাঁথা আঁজুৰি লোৱা যায়।

আঁজুৰি মই বৰ সুন্দৰভাৱেই লৈছিলো। মই থিৰাং কৰিলো যে ৰাধাগোবিন্দ বৰুৱাৰ ৰোমাঞ্চকৰ জীৱনৰ খুটি-নাটি সকলো কথা তেওঁৰ মুখৰপৰা সংগ্ৰহ কৰাৰ একমাত্ৰ মাধ্যম হ'ব 'টেপ ৰেকৰ্ডাৰ'।

আন কথাত, মই যদি টেপৰ যোগেদি ৰাধাগোবিন্দৰ মুখৰপৰা তেওঁৰ জীৱন কথা বাণীবদ্ধ কৰি ল'ব পাৰো, সেইটোৱে হ'ব একমাত্ৰ সহজ পন্থা। কিন্তু এইখিনিতে মোৰ আকৌ আন এটা চিন্তাৰো উদয় নোহোৱা নহয়। সেইটো হ'ল ঃ কাৰ আগত বা কোনে সংগ্ৰহ কৰিব কৰ্মযোগীৰ সেই বহল অভিজ্ঞতালব্ধ ৰোমাঞ্চকৰ জীৱনগাঁথা? সকলো সময়তে দিন-বাৰ ঠিক কৰি কোনো এটা নিৰ্ধাৰিত সময়ত

ব্যস্ত মানুহ এগৰাকীৰপৰা কথা উলিওৱাটো সহজসাধ্য কাম নহ'ব। আৰু যি কথাবোৰ ক'ব, তেওঁৰো এটা প্ৰয়োজনীয় 'মুড'ৰ নিশ্চয় আৱশ্যক আছে। সাতে-পাঁচে ভাবি মই থিৰাং কৰিছিলো যে ৰাধাগোবিন্দৰ দৰে ব্যস্ত মানুহ এগৰাকীৰ লগত কথা পাতি কথা উলিওৱাৰ উপযুক্ত মানুহজন হ'ব এনে এগৰাকী মানুহ, যাক সকলো সময়তে তেওঁ ওচৰতে পাব পাৰে আৰু যিকোনো পৰিবেশত, যেতিয়াই মন যায় তেতিয়াই অনৰ্গল তেওঁ কথা ক'ব পাৰে।

আৰু এই কামটোৰ বাবে দায়িত্ব দিয়া হৈছিল বৰজনা নাতিয়েক বুলবুলক, যাৰ প্ৰকৃত নাম দেবজিত গোবিন্দ বৰুৱা। এওঁ সিংহপুৰুষৰ বৰজনা ল'ৰা শ্ৰীতুলসীগোবিন্দ বৰুৱাৰ ল'ৰা, লণ্ডনত থাকে।

বুলবুলে মোৰ আঁচনিমতে ৰাধাগোবিন্দক তেওঁৰ অৱসৰৰ যিকোনো মুহূৰ্ততে যিকোনো পৰিবেশত সেইবোৰ কথা টেপৰদ্বাৰা সংগ্ৰহ কৰি গৈছিল আৰু সেইবোৰ টেপৰ বাণীবদ্ধ ৰূপেই হৈছিল ৰাধাগোবিন্দৰ জীৱনীখন লিখাৰ মূল সমল। বুলবুলৰ সুবিধাৰ বাবে মই কিছু প্ৰশ্ন তেওঁক লিখি দিছিলো। সেই প্ৰশ্নবোৰ বুলবুলে কামত খটুৱাইছিল নে নাই সেইটো মই ক'ব নোৱাৰিম, কিন্তু বুলবুলে যি সুধিছিল সেইবোৰৰ ইতিবাচক দিশো উলাই কৰিব নোৱাৰি। কাৰণ তেওঁ সুন্দৰ আৰু অৰ্থপূৰ্ণভাৱে এনে কিছুমান প্ৰশ্ন কৰিছিল, যিবোৰৰ উত্তৰ ৰাধাগোবিন্দই দি যাওঁতে তেওঁৰ জীৱনৰ বিভিন্ন দিশ ওলাই পৰিছিল। আৰু মই সেইবোৰ কৌশলেৰে মোৰ জীৱনীগ্ৰন্থত সন্নিবিষ্ট কৰিছিলোঁ।

বুলবুলৰদ্বাৰা সংগৃহীত অসংখ্য টেপ শুনি শুনি প্ৰকৃততে মই ৰাধাগোবিন্দ বৰুৱাৰ জীৱনীখন লিখি উলিয়াইছিলো। অৱশ্যে ইয়াৰ মাজতে মই ৰাধাগোবিন্দক ব্যক্তিগতভাৱে লগ পায়ো কিছু কথা তেওঁৰ মুখৰপৰা সংগ্ৰহ কৰিছিলোঁ।

এটা কথা কোৱা ভাল হ'ব যে বিভিন্ন কামত ৰাধাগোবিন্দ যেনেদৰে অতি সচেতন আৰু নিখুঁত আছিল, ঠিক তেনেদৰে তেওঁৰ নিজৰ বিষয়ে কথা কৈ যাওঁতেও আছিল অতি সাৱলীল আৰু স্পষ্টবাদী। কোনো কথা ক'বলৈ তেওঁ বোধহয় সংকোচ কৰা নাছিল। সেয়া হ'ব পাৰে খুব সৰু কথা অথবা অতি ডাঙৰ কথা।

ৰাধাগোবিন্দ বৰুৱাৰ জীৱনীখন লিখোঁতে বুলবুলৰদ্বাৰা ৰাধাগোবিন্দই নিজে কৈ যোৱা কথাবোৰে মোক যেনেদৰে প্ৰভূত সহায় কৰিছিল, ঠিক তেনেদৰে আৰু বিশেষ বস্তুৱে ৰাধাগোবিন্দ বৰুৱা মানুহজনক পৰিপূৰ্ণভাৱে বুজি উঠাত মোক সহায় কৰিছিল। সেইটো হ'ল, ৰাধাগোবিন্দ বৰুৱাই বিভিন্ন সময়ত, বিভিন্ন কামত

বিভিন্নজনলৈ লিখা তেওঁৰ ব্যক্তিগত চিঠিৰ ফাইলসমূহ। আৰু ইয়াৰ বাবে সাধুবাদ পাব আসাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ তেতিয়াৰ ফাইলৰ হিচাপ ৰখা বিনয় নামৰ অফিচ বয়টোৱে।

বিনয় আছিল এটা নেপালী ল'ৰা। তেতিয়াৰ আসাম ট্ৰিবিউন কাৰ্য্যালয়ৰ বিধে বিধে থকা বিভিন্ন বিষয়ৰ ফাইলৰ সংৰক্ষণ তেওঁৱেই কৰিছিল। আৰু সেই সংৰক্ষণ এনে শৃঙ্খলাবদ্ধভাৱে ৰখা হৈছিল, যিটো অকল্পনীয়। আন কথাত, বুলবুলক নিজে কৈ যোৱা টেপসমূহ, ৰাধাগোবিন্দৰ ব্যক্তিগত যোগাযোগৰ ফাইলসমূহ আৰু মই প্ৰত্যক্ষ কৰা সিংহপুৰুষৰ সমাহাৰেই আছিল ৰাধাগোবিন্দ বৰুৱাৰ জীৱনী গ্ৰন্থৰ মূল উৎস।

নবীন বৰদলৈ সভাঘৰত আয়োজিত এক বৰ্ণাঢ্য অনুষ্ঠানত ৰাধাগোবিন্দ বৰুৱাৰ জীৱনী গ্ৰন্থখনি উন্মোচন কৰিছিল তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী গোলাপ বৰবৰাই।

এইখন জীৱনী গ্ৰন্থৰ উপৰিও মই আৰু এখন মাত্ৰ জীৱনী গ্ৰন্থ লিখিছো, নাম ঃ ইন্দিৰা গান্ধী।

ইন্দিৰা গান্ধীৰ বিষয়েও মই গ্ৰন্থ এখন লিখি উলিয়াইছিলো। নাম দিছিলো ঃ 'ইন্দিৰা গান্ধী'। ডম মোৰেছৰ সুন্দৰ জীৱনী গ্ৰন্থৰপৰা বিভিন্ন সমল গোটাই আগতে উল্লেখ কৰা অসম বাণী কাকতত শ্ৰীমতী গান্ধী সম্পৰ্কে মই লিখা কিছুমান আলোচনাৰ সম্পাদিত অংশ সন্নিবিষ্ট কৰি এই জীৱনী গ্ৰন্থখন সম্পূৰ্ণ কৰিছিলো।

জীৱনী গ্ৰন্থখনৰ আৰম্ভই হৈছিল এই শিৰোনামাৰে ঃ কাঁইটৰ মুকুট।' এই বাক্যটি বোধহয় ভাৰতীয় ৰাজনীতিৰ প্ৰবীণ ৰাজনীতিবিদ আৰু এসময়ৰ প্ৰাক্তন বিত্ত তথা প্ৰধান মন্ত্ৰী মোৰাৰজী দেশাইয়ে কৈছিল। এই কথা কাৰো অবিদিত নহয় যে প্ৰয়াত দেশাই আছিল শ্ৰীমতী গান্ধীৰ কঠোৰ সমালোচক। তেওঁ কোনো সময়তে শ্ৰীমতী গান্ধীৰ কাৰ্যকালৰ কোনো সিদ্ধান্তকে সহজভাৱে গ্ৰহণ কৰা নাছিল। আৰু যিকোনো প্ৰকাৰে সেইবোৰৰ মাজত কোনো নহয় কোনো এটি খুঁত উলিয়াই প্ৰচণ্ড সমালোচনাৰ সৃষ্টি কৰিছিল। আৰু শ্ৰীমতী গান্ধীক যেতিয়া ভাৰতৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী নিৰ্বাচন কৰা হৈছিল, সেই সময়ত প্ৰয়াত দেশাইয়ে উক্ত ব্যঞ্জনাৰে ভূষিত কৰিছিল শ্ৰীমতী গান্ধীক। ইয়াতকৈ যথাৰ্থ আৰু আখৰে আখৰে সঁচা ব্যঞ্জনা বোধহয় আন একোৱে হ'ব নোৱাৰে। তাৰ কাৰণেই হ'ল, শ্ৰীমতী গান্ধীৰ প্ৰধানমন্ত্ৰিত্বৰ কাৰ্যকাল এনে এটি সময়ত তেওঁৰ ওপৰত ন্যস্ত হৈছিল, যিটো এই বৃহৎ গণতান্ত্ৰিক দেশখনৰ বাবে দেখদেখকৈ আছিল এক প্ৰচণ্ড

প্ৰত্যাহ্বান। দেশৰ শাসনভাৰ তাৰ আগলৈকে বহন কৰিছিল এনে এগৰাকী ব্যক্তিয়ে যাৰ সতে আমাৰ দেশখনৰ বহু আকাংক্ষিত স্বাধীনতা আৰু দেশবাসীৰ সকলো দিশত ঈপ্সিত কামনাৰ এটি ইতিবাচক লাভৰ প্ৰতীক হিচাপে ভৰসা কৰা হৈছিল সেইগৰাকী মানুহক, যাৰ নাম আধুনিক নৱভাৰতৰ ৰূপ দিওঁতা জৱাহৰলাল নেহৰু। গতিকে কেৱল নেহৰু দুহিতা হিচাপেই প্ৰধান মন্ত্ৰিত্বৰ সন্মান ইন্দিৰা গান্ধীলৈ অহা নাছিল, আহিছিল তেওঁৰ অনমনীয় ব্যক্তিত্বৰ বিচ্ছুৰিত প্ৰতিভাৰ ইতিবাচক স্ফুৰণৰ মাধ্যমেৰে। দেশত আৰু বহু জ্যেষ্ঠ নেতা থকা সত্ত্বেও দেশখনৰ প্ৰধান মন্ত্ৰী হিচাপে সেই সময়ত শ্ৰীমতী গান্ধীৰ ওপৰত প্ৰধানমন্ত্ৰীত্বৰ দায়িত্বভাৰ ন্যস্ত কৰাটো নিশ্চয় এক বিস্ময়কৰ জটিল ৰাজনৈতিক অংক হিচাপেই গণ্য কৰা হৈছিল। কিন্তু সেই অংকৰ উত্তৰ কি হ'ব পাৰে, তাৰ প্ৰমাণ শ্ৰীমতী গান্ধীয়ে তেওঁৰ প্ৰধানমন্ত্ৰিত্বৰ চমু কালছোৱাত ৰাখিবলৈ সক্ষম হৈছিল।

শ্ৰীমতী ইন্দিৰা গান্ধীয়ে প্ৰমাণ কৰি দেখুৱাইছিল যে যি 'কাঁইটৰ মুকুট' তেওঁৰ মূৰত পিন্ধোৱা হৈছিল, সেই মুকুট এসময়ত ছন্দোময় গতিত তেওঁ নিজে কৰি তুলিছিল ফুলৰ মুকুট।'

মই আগতে উল্লেখ কৰিছো যে মই যেতিয়া ইন্দিৰা গান্ধীৰ জীৱনী গ্ৰন্থখনি লিখি উলিয়াইছিলো, সেই সময়ত শ্ৰীমতী গান্ধীৰ শাসনকালৰ নানান ঘটনা-উপঘটনা লৈ সমগ্ৰ দেশতে নানান প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। তাৰে ভিতৰত সবাতোকৈ উল্লেখযোগ্য আছিল শ্ৰীমতী গান্ধীৰ শাসনকালতে ১৯৭৫ চনত দেশত প্ৰবৰ্তিত হোৱা জৰুৰীকালীন অৱস্থা। এই জৰুৰীকালীন অৱস্থা প্ৰবৰ্তনৰ পটভূমি কি বা কিহৰ বাবে হৈছিল, সেইবোৰ সুকীয়া কথা, কিন্তু গোটেই দেশখনতে এক অযথা ভয় আৰু শংকাৰ ভাবে সমগ্ৰ দেশৰ পৰিবেশকে গোমা কৰি ৰাখিছিল। এই গোমা পৰিবেশৰপৰা আমাৰ ৰাজ্যখনো নিশ্চয় মুক্ত নাছিল।

উল্লেখ কৰিব পাৰি যে শ্ৰীমতী গান্ধীৰ প্ৰধানমন্ত্ৰিত্বৰ কালছোৱাত দেশত প্ৰবৰ্তিত হোৱা জৰুৰীকালীন অৱস্থাৰ পটভূমিত সেইসময়ত বহুকেইখন গ্ৰন্থই লিখা হৈছিল। সেই প্ৰতিবোৰ গ্ৰন্থৰ আলোচনা আৰু বক্তব্য যে সহজভাৱে গ্ৰহণযোগ্য আছিল সেইটো নহয়, কিন্তু পটভূমিৰ সুযোগ লৈ সেই সময়ত বিভিন্ন লেখকে নিজকে প্ৰতিষ্ঠা কৰাৰ সোণালী সুযোগ গ্ৰহণ কৰাৰ কথা কোনো সচেতন মানুহে অস্বীকাৰ কৰিব নোৱাৰে। প্ৰতিষ্ঠিত সাংবাদিকৰ কথা বাদেই, বহু অখ্যাত সাংবাদিকেও জৰুৰীকালীন অৱস্থাৰ বিষয়ে গ্ৰন্থ লিখি নাম কিনাৰ প্ৰবৃত্তিত লিপ্ত হৈ পৰা দেখা গৈছিল। আৰু এই ক্ষেত্ৰত সেই সময়ত এক তুমুল প্ৰতিযোগিতা চলাও সবিস্ময়ে

আৱিষ্কাৰ কৰা হৈছিল।

মোৰ ওপৰৰ এই বক্তব্যৰ মূল কাৰণেই হ'ল যে শ্ৰীমতী গান্ধীক সেইটো সময়ত যেনেদৰে শ্ৰদ্ধা আৰু সাহসৰ প্ৰতিমূৰ্তি হিচাপে গ্ৰহণ কৰা হৈছিল, ঠিক তেনেদৰে সমগ্ৰ দেশৰ জনসাধাৰণেই ভুগিছিল এক দোদুল্যমান অৱস্থাৰ মাজত। আন কথাত, আচৰিতভাৱে শ্ৰীমতী গান্ধীক দেশৰ জনসাধাৰণে মুকলিভাৱে গ্ৰহণ কৰিবলৈ কিছু দ্বিধাবোধ কৰিছিল। আমাৰ ৰাজ্যখনতো তেনে এক পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল বুলি ক'ব নোৱাৰি।

শ্ৰীমতী ইন্দিৰা গান্ধীৰ বিষয়ে লিখা মোৰ জীৱনী গ্ৰন্থখন যেতিয়া প্ৰকাশ হৈ ওলাইছিল, তেতিয়া আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ মাজতো তেওঁৰ প্ৰতি এক আচৰিত দ্বিধাগ্ৰস্ত মনোভাৱৰ উমান পোৱা গৈছিল। উল্লেখ কৰা ভাল হ'ব যে শ্ৰীমতী গান্ধীৰ বিষয়ে লিখি উলিওৱা জীৱনী গ্ৰন্থখনিৰ প্ৰকাশৰ সময়তে গুৱাহাটীত প্ৰকাশন পৰিষদৰদ্বাৰা বছৰি আয়োজিত গ্ৰন্থমেলা অনুষ্ঠিত হৈছিল। সেই গ্ৰন্থমেলাত ইন্দিৰা গান্ধী বিষয়ক জীৱনী গ্ৰন্থখনিৰ প্ৰচুৰ বিক্ৰী হৈছিল, কিন্তু কোনো গ্ৰাহকে সেই গ্ৰন্থ সহজভাৱে দেখদেখকৈ কিনা নাছিল। আন কথাত, ঠিক যিকোনো নিষিদ্ধ গ্ৰন্থৰ নিচিনাই ইন্দিৰা গান্ধীৰ জীৱনীগ্ৰন্থ ইন্দিৰাপ্ৰেমী সহৃদয় গ্ৰাহক-গ্ৰাহিকাই ক্ৰয় কৰিছিল। যাৰ বহু প্ৰমাণ মই নিজে পাইছিলো আৰু প্ৰকাশকেও মোক জনাইছিল।

তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াই মোক সেই গ্ৰন্থৰ বাবে ভূয়সী প্ৰশংসা কৰিছিল আৰু মোৰ নাটকীয় লিখনিক তেওঁ শলাগিছিল। প্ৰয়াত শইকীয়াৰ উদাহৰণ মই এইবাবেইহে টানি আনিলো, যিহেতু সেয়া আছিল কংগ্ৰেছী আৰু ইন্দিৰাৰ গুণমুগ্ধ এগৰাকী ৰাজনৈতিক নেতাৰ অনুভূতিৰ নিৰ্ভেজাল প্ৰকাশ। সেই প্ৰকাশক অন্যাই কিভাৱে গ্ৰহণ কৰে সেইটো মোৰ বিচাৰ্য নহয়, কিন্তু মই তেওঁক এগৰাকী সুচতুৰ, দূৰদৃষ্টিসম্পন্ন কংগ্ৰেছী মুখ্যমন্ত্ৰী হিচাপে সন্মান কৰো।

শ্ৰীমতী গান্ধীৰ বিষয়ে লিখা এই জীৱনী গ্ৰন্থৰ অচিৰেই হিন্দী অনুবাদ প্ৰকাশ হৈ ওলোৱাৰ পথত। পূব প্ৰান্তৰ এগৰাকী সাধাৰণ লেখকৰ আঞ্চলিক ভাষাৰ যোগেদি শ্ৰীমতী গান্ধীৰ দৰে বিশাল ব্যক্তিত্বসম্পন্না এগৰাকী ব্যক্তিক বুজিবলৈ চেষ্টা কৰাৰ প্ৰয়াস নিশ্চয় সমগ্ৰ দেশে বুজি পাব। হিন্দী অনুবাদ আগবঢ়াব সুখ্যাত লেখক শ্ৰীনৱাৰুণ বাৰ্মাই। হিন্দী গ্ৰন্থখনি প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰিছিল শ্ৰীসদা চৌধুৰীয়ে। প্ৰকাশকে আশা ৰাখিছে শ্ৰীমতী গান্ধীৰ জন্ম অথবা মৃত্যু দিৱসত হিন্দীত অনুবাদ কৰা এই গ্ৰন্থখনি নতুন দিল্লীত উন্মোচন কৰিব।

এনে এগৰাকী মানুহৰ বিষয়ে মই লিখিবলৈ কলম হাতত ল'লো, যিগৰাকী

মানুহক মই জীৱনত কেতিয়াও লগ পোৱা নাই, ব্যক্তিগতভাৱে কোনো সময়তে লগ পোৱাৰ সুযোগ-সুবিধা ঘটা নাই। যিগৰাকী মানুহে ভাৰতৰ ৰাজনৈতিক আকাশত সেই সময়ত দুপৰীয়াৰ প্ৰখৰ সূৰ্যৰ দৰে কেৱল পোহৰ বিলাইছিল। সমগ্ৰ বিশ্বই যাৰ ব্যক্তিত্ব আৰু কাৰ্য্যাৱলী লৈ কেৱল আলোচনা কৰিছিল আৰু যি আছিল সকলো সময়তে বিতৰ্কৰ বিষয়বস্তু।

ভমকাফুলীয়া সেই নামটি হ'ল ইন্দিৰা গান্ধী।

মোৰ সাংবাদিক জীৱনত মোৰ বাবে নানান গুৰুত্বপূৰ্ণ ঘটনাৰ মাজত নিঃসন্দেহে এইটোও আছিল এটি উল্লেখযোগ্য ঘটনা। মই কোনো ৰাজনৈতিক দলৰ অথবা ৰাজনৈতিক আদৰ্শৰদ্বাৰা পৰিচালিত মানুহ কোনোদিনে নাছিলো। মোৰ দেউতা আজীৱন সেইসময়ৰ আন বহুতৰে দৰে কংগ্ৰেছী আছিল। কংগ্ৰেছৰ ৰাজনৈতিক মতবাদ, সিদ্ধান্ত আৰু কৰ্মপন্থা তেওঁলোকে বৰ সহজভাৱে গ্ৰহণ কৰিছিল। সেইসময়ত কোনো অইন ৰাজনৈতিক দলৰ মতাদৰ্শ বা সিদ্ধান্তক তেওঁলোকে সহজভাৱে গ্ৰহণ কৰিব নোৱাৰিছিল আৰু স্বাভাৱিকতে কংগ্ৰেছকেন্দ্ৰিক এটি পৰিবেশৰ মাজতে আমি বোধহয় জীৱন কটাইছিলো। গান্ধী, নেহৰু, আজাদ বা ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদহঁতৰ নাম আমি তেতিয়াৰেপৰা দেউতাহঁতৰ মুখত সঘনে শুনিছিলো। মাথোন শুনাই নহয়, সেইসকল অসাধাৰণ ব্যক্তিৰ ব্যক্তিত্বৰ বিষয়েও বহু কথাৰ তেতিয়াই উমান পাইছিলো। পাছত যেতিয়া পঢ়া-শুনা কৰিব পৰা হ'লো, তেতিয়া ভাৰতৰ স্বাধীনতা সম্পৰ্কে ৰচিত কেইবাখনিও কিতাপ-পত্ৰ পঢ়ি সেইসকল ব্যক্তিৰ ব্যক্তিত্বৰ বিষয়ে জানি উঠাৰ উপৰিও ৰাজনৈতিক দল হিচাপে কংগ্ৰেছৰ সময়ৰ গুৰুত্ব আৰু প্ৰতিপত্তি সুন্দৰভাৱে বুজি উঠিছিলো।

কিয় জানো, মই আচৰিতভাৱে সদায় ইন্দিৰা গান্ধী সম্পৰ্কে বৰ সচেতন আছিলো। ইন্দিৰা গান্ধীৰ অনমনীয় মনোভাৱসম্পন্ন ব্যক্তিত্ব আৰু তেওঁৰ বিভিন্ন কাৰ্যকলাপে মোক সদায় আকৰ্ষণ কৰিছিল। তেওঁৰ বিষয়ে কাকত-পত্ৰ-আলোচনীত কিবা ওলালে সেইবোৰ মই বৰ আগ্ৰহেৰে পঢ়িছিলো। বিভিন্ন সময়ত শ্ৰীমতী গান্ধীয়ে দিয়া বিভিন্ন বিষয়ৰ বক্তৃতা আদি মই অনাতাঁৰ বা দূৰদৰ্শনযোগে সদায় শুনিছিলো আৰু নিজৰ ধৰণে সেইবোৰৰ ওপৰত এটি সিদ্ধান্তলৈ আহিবলৈ চেষ্টা কৰিছিলো। সেইটো শ্ৰীমতী গান্ধী কংগ্ৰেছ সভাপতি হিচাপেই হওক বা তথ্য আৰু অনাতাঁৰ মন্ত্ৰী হিচাপেই হওক অথবা প্ৰধানমন্ত্ৰী হিচাপেই হওক।

ভাৰতৰ ৰাজনৈতিক নেত্ৰী হিচাপে শ্ৰীমতী গান্ধীয়ে এনে কিছুমান নতুন আৰু বৈপ্লৱিক কাম কৰিছিল যিবোৰে তেওঁৰ নিজস্ব ভাৱমূৰ্তিকে উজলাই তুলিবলৈ

সক্ষম হৈছিল। বেংক জাতীয়কৰণ বা আমাৰ ওচৰ-চুবুৰীয়া বাংলাদেশক স্বাধীনতা লাভৰ পথ প্ৰশস্ত কৰি তোলাত শ্ৰীমতী গান্ধীৰ অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ঠিক তেনেদৰে দেশত হঠাতে জৰুৰীকালীন অৱস্থাৰ প্ৰবৰ্তনৰদ্বাৰা শ্ৰীমতী গান্ধীয়ে স্বাভাৱিকতে বিভিন্ন দিশৰপৰা কঠোৰ সমালোচনাৰ সম্মুখীন হ'বলগীয়া হৈছিল আৰু এই কাৰণতে শ্ৰীমতী গান্ধীৰ চুটি প্ৰধানমন্ত্ৰিত্বৰ কালছোৱা ভাৰতৰ ইতিহাসত গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ব। আৰু এদিন নিজৰ দেহৰক্ষীৰ হাতত শ্ৰীমতী গান্ধীয়ে তেওঁৰ প্ৰাণ বিসৰ্জন দিবলগীয়া হয়। সেয়াও এক অতিশয় মৰ্মন্তুদ কাহিনী। উৰিষ্যা ভ্ৰমণৰ পাছত দিল্লীলৈ উভতি আহি শ্ৰীমতী গান্ধীয়ে এটি বিদেশী টেলিভিশ্যন কাৰ্যসূচীৰ সাক্ষাৎকাৰ দিবলৈ সাজু হৈ সেই কামতে তেওঁৰ চৰকাৰী বাসভৱনৰ সংলগ্ন আন এটি ঘৰলৈ যাওঁতে দুৰ্ঘটনা ঘটে। সেয়াও অবিশ্বাস্য, অতি নাটকীয় কাহিনী।

যিদিনা শ্ৰীমতী গান্ধীৰ নিজৰ দেহৰক্ষীৰ হাতত গুলীবিদ্ধ হৈ মৃত্যু হৈছিল, ঠিক তাৰ পিছদিনাই মোৰ ওচৰ চাপিছিলহি দৈনিক বাতৰিকাকত 'নতুন দৈনিক'ৰ তথা সুখ্যাত গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠান 'বাণী মন্দিৰ'ৰ স্বত্বাধিকাৰী শ্ৰীসূৰ্য হাজৰিকা। শ্ৰীহাজৰিকা পোনচাটে বিমান কোঠৰপৰা মোৰ তালৈ আহিছিল। উদ্দেশ্য? শ্ৰীহাজৰিকাই মোক কৈছিলহি যে আপুনি শ্ৰীমতী গান্ধীৰ সম্পৰ্কত এখন কিতাপ লিখিব লাগে।

সন্দেহ নাই, প্ৰস্তাৱটো মোৰ বাবে অতি লোভনীয় আছিল। আৰু মই আগতেই উল্লেখ কৰিছো যে শ্ৰীমতী গান্ধীৰ জীৱন আৰু তেওঁ কৰি যোৱা বিভিন্ন কাৰ্য্যাৱলীৰ প্ৰতি মই অতি সচেতন আছিলো। আৰু ইতিমধ্যে তেতিয়া মই কাৰ্যনিৰ্বাহ কৰি থকা 'অসম বাণী' কাকতত বিভিন্ন সময়ত শ্ৰীমতী গান্ধীৰ বিষয়ে বিবিধ আলোচনা লিখিছিলো। সেই আলোচনাসমূহ শ্ৰীমতী গান্ধীৰ বিভিন্ন সময়ত কৰা কোনো কামৰ বা সিদ্ধান্তৰ পটভূমিত সাধাৰণতে লিখা হৈছিল। আৰু সেই সময়তে শ্ৰীমতী গান্ধীৰ সম্মোহনী ব্যক্তিত্বৰ এনে কোনো এটা দিশ নাছিল যিটো মই মোৰ ধৰণে উপস্থাপন কৰাৰপৰা বিৰত আছিলো। অসম বাণী কাকতৰ অতি জনপ্ৰিয় 'পেজ থ্ৰি'ৰ সেইবোৰ লিখনিয়ে তেতিয়া প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

শ্ৰীহাজৰিকাৰ প্ৰস্তাৱটোত মই স্বাভাৱিকতে বৰ আনন্দিত হৈছিলো। চতুৰ প্ৰকাশক শ্ৰীহাজৰিকাই আৰু এটা বৰ ডাঙৰ কাম কৰিছিল, তেওঁ মোক কৈছিল যে এইকেইদিনতে নিশ্চয় শ্ৰীমতী গান্ধীৰ বিষয়ে বিভিন্ন কিতাপ ওলাব। সেইবোৰ

কিতাপ কলিকতাৰপৰা অনাৰো মই সকলো বন্দোবস্ত কৰি আহিছো। শ্ৰীসূৰ্য হাজৰিকাই কেইদিনমান পাছতে সঁচাকৈয়ে শ্ৰীমতী গান্ধীৰ বিষয়ে লিখা কেইখনমান কিতাপ মোৰ হাতত তুলি দিছিল। ইংৰাজী আৰু বঙলা ভাষাত লিখা সেইবোৰ কিতাপে মোক শ্ৰীমতী গান্ধীৰ বিষয়ে লিখিবলৈ আৰু উৎসাহিত কৰিছিল। সেইবোৰ গ্ৰন্থৰ মাজত হঠাতে এখন ইংৰাজী গ্ৰন্থ মোৰ দৃষ্টিগোচৰ হৈছিল আৰু মই জানিছিলো যে সেইখন গ্ৰন্থৰ গ্ৰন্থকাৰে শ্ৰীমতী গান্ধীৰ লগত দীঘলীয়া সাক্ষাৎকাৰৰ ভিত্তিত সেই গ্ৰন্থ নিশ্চয় লিখি উলিয়াইছিল।

এইটো এটা স্বাভাৱিক কথা যে যাৰ বিষয়ে জীৱনচৰিত লিখা হয় সেইগৰাকী মানুহক ব্যক্তিগতভাৱে লগ পালে বা তেওঁৰ কাৰ্যকলাপ খুব ওচৰৰপৰা নিৰীক্ষণ কৰাৰ সুবিধা পালে জীৱনী লেখকৰ বাবে সেই বিষয়ে উপস্থাপন কৰাত ভালেখিনি সুবিধা হয়। তাতেই শ্ৰীমতী গান্ধীৰ দৰে বিভিন্ন কামত সদাব্যস্ত ৰাজনৈতিক নেত্ৰীক ওচৰৰপৰা পোৱা কম দুৰূহ কথা নহয়। সেই সুবিধাই মই নিৰ্বাচিত কিতাপখনত গ্ৰন্থাকাৰে পোৱাৰ সৌভাগ্য হৈছিল।

নাম তেওঁৰ ডম মোৰাছ। এওঁ সুবিখ্যাত সাংবাদিক ফ্ৰেংক মোৰাছৰ পুত্ৰ। ডম মোৰাছ এগৰাকী সু-প্ৰতিষ্ঠিত কবি। ভাৰতৰ বিভিন্ন ইংৰাজী আলোচনীৰ বাহিৰেও বিদেশী দুই-এখন আলোচনীতো তেওঁৰ কবিতা প্ৰকাশ হোৱা মই পঢ়িছিলো। ভাৰতীয় আলোচনী, তেতিয়াৰ ইণ্ডিয়ান এক্সপ্ৰেছ গ্ৰুপৰ সচিত্ৰ আটকধুনীয়া আলোচনী, অধুনামৃত 'দি ইলাষ্ট্ৰেটেড উইকলি অব ইণ্ডিয়া', দিল্লীৰপৰা প্ৰকাশিত 'থট' আদি আলোচনীত তেওঁৰ কবিতা মই দেখিছিলো। লণ্ডনৰপৰা তেতিয়া প্ৰকাশিত উচ্চ মানৰ সাহিত্যালোচনী 'এনকাউণ্টাৰ'ৰ পাততো ডম মোৰাছৰ কবিতা পঢ়া মোৰ মনত আছে। পিছলৈ মোৰাছৰ দুটিমান কাব্য সংকলনেও গ্ৰন্থাকাৰে প্ৰকাশৰ মুখ দেখিছিল। গতিকে মই কোনো ভুল নকৰাকৈ ডম মোৰাছৰ জীৱনীখনকে আলফুলে মোৰ ইন্দিৰা গান্ধী গ্ৰন্থৰ মূল হিচাপে নিৰ্বাচন কৰি লৈছিলো। আৰু প্ৰথমৰপৰা শেষলৈ মোৰাছৰ ইন্দিৰা গান্ধী সম্পৰ্কীয় জীৱনীগ্ৰন্থ পঢ়ি মই মুগ্ধ হৈছিলো। বিষয়বস্তুৰ গভীৰতালৈ গৈ সূক্ষ্মভাৱে তেওঁৰ নিজস্ব পদ্ধতিৰে প্ৰতিটো সৰু-বৰ কথাৰে বিচাৰ-বিশ্লেষণ কৰি এনে সুন্দৰভাৱে গ্ৰন্থখনি ৰচনা কৰা হৈছিল, যাৰ বোধহয় তুলনা নহয়।

সকলোৱে জানে যে সাধাৰণতে 'বায়োগ্ৰাফি' সদায় 'হেগিঅ'গ্ৰাফি' হোৱাৰ প্ৰচুৰ সম্ভাৱনা নিহিত থাকে। সেইটোৱে হোৱা নাছিল ডম মোৰাছৰ ইন্দিৰা গান্ধী সম্পৰ্কীয় জীৱনী গ্ৰন্থত। তাৰ উপৰিও সমগ্ৰ জীৱনকাহিনীয়ে উপস্থাপিত হৈছিল

মোবাহুৰ অনিন্দ্যসুন্দৰ কাব্যিক প্ৰকাশ আৰু ভাষাৰে। যিটো মোৰ বাবে উলাই কৰা কাঠন আছিল।

আৰু মই চূড়ান্ত সিদ্ধান্ত কৰি পেলাইছিলো যে ডম মোৰাহুৰ জীৱনী গ্ৰন্থৰ আধাৰতে মই লিখি উলিয়াম মোৰ 'ইন্দিৰা গান্ধী'।

ইন্দিৰা গান্ধীৰ বিষয়ে লিখা মোৰ জীৱনী গ্ৰন্থখনি নিশ্চয় কিছু দিশত ব্যতিক্ৰম আছিল। তাৰ প্ৰথম আৰু প্ৰধান কাৰণেই আছিল যে ঘটনাবহুল ইন্দিৰা গান্ধীৰ জীৱনক লৈ তেতিয়ালৈ আঞ্চলিক কোনো ভাষাতে এখনি জীৱনীগ্ৰন্থ লিখাৰ চেষ্টা চলা নাছিল। তামিল আৰু তেলুগু ভাষাত শ্ৰীমতী গান্ধী ঢুকোৱাৰ পাছতে দুখনকৈ জীৱনীগ্ৰন্থ প্ৰকাশ পাইছিল যদিও আমাৰ অসমীয়া ভাষাৰ উক্ত জীৱনীগ্ৰন্থই আছিল শ্ৰীমতী গান্ধীৰ কৰ্মময় জীৱনৰ প্ৰথমখন চমু ইতিবৃত্ত। গ্ৰন্থখনিত মই শ্ৰীমতী গান্ধীৰ কিছু দুষ্প্ৰাপ্য ফটোও প্ৰকাশ কৰিছিলো। মই যিহেতু সেই সময়ত 'দি আসাম ট্ৰিবিউন' কাকতৰ স'তে জড়িত আছিলো, গতিকে শ্ৰীমতী গান্ধীৰ বিভিন্ন ফটো সংগ্ৰহত তেনে অসুবিধা হোৱা নাছিল। শ্ৰীমতী গান্ধীৰ জীৱনী গ্ৰন্থখন লিখি উলিয়াই আৰু সময়মতে প্ৰকাশ কৰি কিছু শ'লঠেকত পৰাৰ কথা আগতেই উল্লেখ কৰিছো। তাৰ কাৰণ হ'ল যে শ্ৰীমতী গান্ধীক সমগ্ৰ দেশতে সেই সময়ত তেওঁৰদ্বাৰা আৰোপিত জৰুৰীকালীন অৱস্থাৰ পৰিপ্ৰেক্ষিতত দেশবাসীয়ে মুকলি মনেৰে সহজভাবে গ্ৰহণ কৰিব পৰাৰ মানসিকতা প্ৰায় হেৰুৱাই পেলাইছিল। যিকোনো এখন নিষিদ্ধ বিষয়বস্তুৰ গ্ৰন্থৰ দৰেই সেই গ্ৰন্থকো পাঠক সমাজে কিছু সংকোচেৰে আদৰি লৈছিল। মোৰ কিন্তু তাৰ বাবে কোনো আক্ষেপ নাছিল। তাৰ কাৰণ হ'ল যে মই সেই চমু জীৱনী গ্ৰন্থখনিত শ্ৰীমতী গান্ধীৰ শাসনকালৰ ভাল আৰু বেয়া দুয়োটা দিশকে উন্মোচন কৰিবলৈ যত্ন কৰিছিলো আৰু তাৰ বাবে মোৰ প্ৰধান সমল আছিল সেই সময়ত অসম বাণীৰ জনপ্ৰিয় তৃতীয় পৃষ্ঠাত মই নাম নোহোৱাকৈ লিখা শ্ৰীমতী গান্ধীৰ ঘটনাবহুল জীৱনৰ বাটেদি আগবাঢ়োতে ফুলৰ সুবাস আৰু কাঁইটৰ আঁচোৰ থকা দুয়োটা দিশৰ। প্ৰধানমন্ত্ৰিত্বৰ গাদীত বহা শ্ৰীমতী গান্ধীৰপৰা এলাহাবাদ আদালতৰ ঐতিহাসিক ৰায় তথা তিহাৰ জেললৈ নিশা শ্ৰীমতী গান্ধীক লৈ যাওঁতে জোনাক নিশা হঠাতে মাজবাটতে গাড়ী ৰখাই বাটৰ দাঁতিৰ কালভাৰ্ট এটাত বহি পৰা শ্ৰীমতী গান্ধীলৈ। তেনেদৰেই বৰ্ণনা কৰা হৈছিল ফুলৰ সুগন্ধ সুবাস থকা শ্ৰীমতী গান্ধীৰ জীৱনৰ ঘটনাৰাজিৰপৰা পৰিস্থিতিৰ কাঁইটৰ আঁচোৰ খাই তেজে তুমৰলি দিয়া বিষাক্ত জীৱনলৈ।

আৰু এখন সুকীয়া ধৰণৰ গ্ৰন্থ মই বৰ কষ্ট কৰি লিখি উলিয়াইছিলো।

কিতাপখনিৰ নাম হ'ল ঃ 'লতা, সুৰীয়া লতা'। নামেই ইংগিত দিয়াৰ দৰে বুজিবলৈ কাৰো বাকী নাই যে উক্ত গ্ৰন্থ বিশ্ববন্দিত, ভাৰতৰ কোকিলকণ্ঠী নেপথ্য গায়িকা লতা মংগেশকাৰৰ বিষয়ে লিখা। সমগ্ৰ ভাৰতৰে, সকলো ভাষা-ভাষী সংগীতপ্ৰেমী মানুহৰ বাবে অতি শ্ৰদ্ধা আৰু ভাবাবেগেৰে উচ্চাৰিত নাম হ'ল লতা মংগেশকাৰ, যিগৰাকী গায়িকাই কেইবাদশক জুৰি ভাৰতীয় নেপথ্য কণ্ঠসংগীতৰ সাম্ৰাজ্যত দপদপাই থাকিবলৈ সক্ষম হৈছে। অসমীয়া ভাষাকে ধৰি ভাৰতৰ এনে কোনো আঞ্চলিক ভাষা বোধহয় নাই, যি ভাষাত লতা মংগেশকাৰে কৃতিত্বেৰে গীত পৰিবেশন কৰা নাই। 'গিনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ড'ত স্থান পোৱা এইগৰাকী অনন্যসাধাৰণ গায়িকাই আজি যদিও নতুন গীতত কণ্ঠদান নকৰে, তথাপি সেই অনন্যসাধাৰণ মিঠা অবিস্মৰণীয় সুৰীয়া কণ্ঠ দিনে-নিশাই বিভিন্ন প্ৰচাৰমাধ্যমৰ যোগেদি সম্প্ৰচাৰিত হৈয়ো থাকে। উল্লেখ কৰা উচিত হ'ব যে যিটো সময়ত মই এগৰাকী অসাধাৰণ গায়িকাৰ এই গ্ৰন্থখনি লিখি উলিয়াইছিলো, সেইটো সময়ত মই ব্যক্তিগতভাৱে লতাক লগ পোৱা নাছিলো। মোৰ পৰম সৌভাগ্য যে তাৰ পাছত কিন্তু এবাৰ নহয়, তিনিবাৰকৈ মই এই অনন্যসাধাৰণ গায়িকাগৰাকীক ওচৰৰপৰা লগ পোৱাৰ সুযোগ ঘটে। প্ৰথমবাৰ মই তেওঁক লগ পাইছিলো মুম্বাইত। সেই সময়ত সংগীত গ্ৰহণ কৰিবলৈ যোৱা, মোৰ কাহিনী আধাৰিত ছবি 'চামেলি মেমচাব'ৰ গীতাংশৰ আখৰাৰ সময়ত। মোৰ লগত আছিল ছবিৰ সংগীত পৰিচালক, স্বনামধন্য ভূপেনদা অৰ্থাৎ ড° ভূপেন হাজৰিকা। সেইবাৰ মই তেওঁক লগ পাইছিলো সাগৰ পাৰত অৱস্থিত লতাৰ স্থায়ী বাসস্থান পেডাৰ ৰোডৰ বাসভৱনত। নাম যাৰ 'প্ৰভুকুঞ্জ'। মোৰ চামেলি মেমচাব ছবিৰ বাবে লতাই গীত গোৱা নাছিল, কিন্তু তেওঁৰ সৰু ভনীয়েক আৰু বহুবোৰ জনপ্ৰিয় অসমীয়া গীতৰ গায়িকা উষা মংগেশকাৰে ছবিৰ বাবে গীতসমূহ গাইছিল। অপ্ৰাসংগিক নহ'ব, যদি মই এইখিনিতে উল্লেখ কৰো যে উক্ত 'চামেলি মেমচাব' ছবিৰ সংগীত সৃষ্টিৰ বাবে ছবিখনে অসমীয়া ছবিৰ বাবে সৰ্বপ্ৰথম সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় সন্মান আঁজুৰি আনিবলৈ সক্ষম হৈছিল। বহু আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিত ভূপেনদাৰ বাবে এই ছবিৰ সংগীত সৃষ্টিও আছিল এক অন্য ধৰণৰ অভিজ্ঞতা। সেই কথা নক'লে মোৰ জীৱন-কথাই অসম্পূৰ্ণ হৈ ৰ'ব।

মঞ্চৰ পৰিচিত অভিনেতা-পৰিচালক আব্দুল মজিদে যেতিয়া মোৰ এই কাহিনীটো চিত্ৰৰূপ দিবলৈ আগ্ৰহী হয়, তেতিয়া স্বাভাৱিকতে মই উৎফুল্লিত হৈ পৰিছিলো। তাৰ প্ৰথম কাৰণ আছিল যে চাহবাগিচাক কেন্দ্ৰ কৰি সেই কাহিনীটো মই ৰচনা

কৰিছিলো। মোৰ মৰমৰ ডুমডুমাৰ আশে-পাশে থকা একাধিক চাহবাগিচা আৰু মোৰ ল'ৰাৰিকাল অতিবাহিত হোৱা দেউতাৰ গেলামালৰ সাধাৰণ দোকান থকা সদাশিৱ চাহবাগিচাত প্ৰত্যক্ষ কৰা বিভিন্ন মজদুৰ জীৱন লৈ স্বাভাৱিকতে মই আলোড়িত হৈছিলো। সদাশিৱ বাগিচাৰ হেৰাই যোৱা গোপী মাউত, ৰামু চৰদাৰ, বা সোনিয়া লচমীহঁতৰ জীৱনে যিদৰে মোক গভীৰভাৱে আকৰ্ষণ কৰিছিল, ঠিক তেনেদৰে প্ৰত্যক্ষ কৰা কিছু বাস্তৱ চৰিত্ৰয়ো মোৰ আবেগগধুৰ মনৰ জগত বোধহয় কঁপাই তুলিছিল আৰু তাৰেই ফলশ্ৰুতি আছিল 'চামেলি মেমচাব'।

এই কথা কোৱাৰ দুঃসাহস আছে যে চামেলি মেমচাবৰ কাহিনীটো এটি বাস্তৱ সঁচা চৰিত্ৰৰ পটভূমিত ৰচিত আৰু যি মই দেখিছিলো তাৰেই হয়তো প্ৰতিফলন আছিল। ছবিৰ নায়ক, যাক মই বাৰ্কলে চাহাব বুলি নামকৰণ কৰিছিলো, তেওঁ সেই সময়ত সমগ্ৰ ডুমডুমা অঞ্চলতে 'পাগলা চাহেব' বুলি জনাজাত আছিল। মূৰত টুপী, মুখত পাইপ লৈ দেখনিয়াৰ সেই পাগলা চাহাবকে লৈ নানা কাহিনী মই শুনিছিলো। ডুমডুমাৰ ওচৰৰ কোনো এখন বাগিচাৰ ৰঙা টিনপাতৰ এটি বঙলাত অকলশৰে থকা পাগলা চাহাবক লৈ নানা গল্প-গুজৱ প্ৰচলিত আছিল। সবাতোকৈ ডাঙৰ কথা যে মানুহজনক সকলোৱে অমংগলীয়া বুলি ঠাৱৰ কৰিছিল। অভিযোগ কৰা হৈছিল যে পাগলা চাহাবৰ বাবেই তেওঁৰ পত্নীয়ে আত্মহত্যা কৰিবলগীয়া হৈছিল।

কিন্তু প্ৰকৃততে সেইটো নাছিল। কি আছিল, সেইটোকে মই গল্পৰ ছলেৰে চামেলি মেমচাবত বৰ্ণনা কৰিবলৈ যত্ন কৰিছিলো। গল্পটি প্ৰথম ছপা হৈছিল অধুনামৃত সাহিত্য-সংস্কৃতিমূলক আলোচনী 'মণিদীপ'ত। সম্পাদক প্ৰয়াত ড° বৰাই সেই সময়ত গোৱালপাৰাৰপৰা চিঠি এখন লিখি মোক সাধুবাদ জনাইছিল। সেই সময়ত ড° বৰা গোৱালপাৰা কলেজৰ অধ্যক্ষ আছিল।

তাৰ পাছত আৰম্ভ হৈছিল 'চামেলি মেমচাব'ৰ অভূতপূৰ্ব জয়যাত্ৰা। এই ছবিয়ে যেনেদৰে অসমীয়া ছবিজগতলৈ আঁজুৰি আনিছিল প্ৰথম সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় সম্মান, যেনেদৰে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত প্ৰদৰ্শিত প্ৰথমখন অসমীয়া ছবিৰ গৌৰৱ অৰ্জন কৰিছিল, তেনেদৰেই এইটো আছিল প্ৰথম অসমীয়া কাহিনী যি কাহিনীৰ হিন্দী আৰু বঙালী চিত্ৰৰূপো হৈছে। সেইবোৰ কথাও মোৰ বাবে অবিস্মৰণীয়। সেই কথাও ক'ম।

কিন্তু তাৰ আগতে 'চামেলি মেমচাব' গল্পটি মই কেনে পৰিস্থিতিৰ মাজেৰে

আবিষ্কাৰ কৰিছিলো সেই কথাও ক'ব লাগিব। ক'ম।

'চামেলি মেমচাব'ৰ কাহিনীভাগ লৈ ব্যক্তিগতভাৱে মই নানান প্রশ্নৰ সম্মুখীন হৈছো। কিন্তু এটা কথা কোৱাৰ মোৰ সাহস আছে যে এই কাহিনীভাগৰ পটভূমি আছিল নির্ভেজাল বাস্তৱ চৰিত্র। গল্পৰ খাতিৰত মই কিছু কিছু কল্পনাৰ ৰহন সানিলেও চামেলি বা কাহিনীৰ মূল চৰিত্র বার্কলে চাহাব জীয়া চৰিত্র আছিল।

মোৰ বহু কাহিনীৰ পটভূমি মোৰ জন্মস্থান সৰু চহৰ ডুমডুমাকেন্দ্রিক হোৱাৰ দৰে এই গল্পটোৰো পটভূমি আছিল ডুমডুমা।

তেতিয়া বোধহয় মই গুৱাহাটীৰ কটন কলেজত পঢ়ো। এবাৰ কিহবাৰ দীঘলীয়া বন্ধত মই ডুমডুমালৈ গৈছিলো। কৈ থোৱা ভাল হ'ব যে চাৰিওফালে সেউজ চাহবাগিচাৰে ঘেৰা ডুমডুমা এখন অতি সৰু চহৰ। বহুদিন চহৰখনৰপৰা আঁতৰি থাকি স্বাভাৱিকতে সকলো পৰিস্থিতি আৰু চৰিত্র নতুন নতুন লাগিছিল। তেনেদৰে মোৰ চকুত অতি নতুন আৰু অস্বাভাৱিক লাগিছিল এই বিশেষ চৰিত্রটি।

যাৰ নাম গল্পত মই দিছিলো বার্ক'লৈ চাহাব। কোন এই বার্ক'লে চাহাব? কিয় এই চৰিত্রটিয়ে মোক আকর্ষণ কৰিলে?

ডুমডুমা চহৰৰ নির্দিষ্ট ৰাজপথেদি প্রায়েই খোজকাঢ়ি যোৱা এই চৰিত্রটিক বহুতে 'পাগলা চাহাব' বুলি কৈছিল।

সচাঁকৈয়ে তেওঁ পগলা আছিলনে? মই নাজানো। কিন্তু তেওঁৰ আচৰণ, অংগী-ভংগীৰ নির্বিকাৰ চালচলন, এই সকলোবোৰৰ মাজত বলিয়া হোৱাৰ কোনো লক্ষণেই দেখা যোৱা নাছিল। অথচ পাগলা চাহাব নামেৰেই তেওঁ জনাজাত হৈ পৰিছিল। মুখত পাইপ লৈ হেলনীয়াকৈ ফ্লেট হেট এটা পিন্ধি খোজ কাঢ়ি যোৱা বার্কলে চাহাবক লৈ বহুতে বহু কথা কৈছিল। সেইবোৰ কথাৰ সত্যতা মই নেজানিছিলো। কিন্তু অস্বাভাৱিক এই চৰিত্রটোৱে স্বাভাৱিকতে মোৰ অনুভূতিপ্রৱণ কৌতূহলী মনটোক জোকাৰি গৈছিল। বন্ধু-বান্ধৱৰপৰা আৰু বিভিন্ন সূত্রৰপৰা মই মানুহজনৰ বিষয়ে যিকণ গম পাইছিলো সেয়া এনেধৰণৰ ঃ উক্ত বার্কলে চাহাব ডুমডুমাৰ ওচৰৰ কোনো এখন বাগিচাৰ মেনেজাৰ হিচাপে অৱসৰ লোৱাৰ পাছতো সেই বাগিচা এৰি থৈ যোৱা নাই। বাগিচাৰে ৰঙা টিনপাতৰ এটা চাং-বঙলাত তেওঁ থাকে। শুনা গৈছিল, যে উক্ত বার্কলে চাহাবে এগৰাকী মজদুৰ ছোৱালীৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। শুনা গৈছিল বার্কলে চাহাবৰ চৰিত্রও সন্দেহজনক।

এইটো কিয় বা কিহৰ কাৰণে মই নেজানিছিলো। কিন্তু উক্ত বাৰ্কলে চাহাব যে এটি অশুভ প্ৰতীক তাৰ বহুতো ইংগিত মই পাইছিলো।

অইন নালাগে, আমাৰ ঘৰৰ আগফালৰ সৰু চোতালখনৰ একোণত থকা গুলঞ্চ ফুলজোপাৰ তলত চকী পাৰি বহা মাইতকো ৰাজপথেৰে বাৰ্কলে চাহাব নিঃশব্দে পাৰ হৈ যাওঁতে ওৰণি টানি ভিতৰ সোমোৱা দেখা পাইছিলো। কিহৰ বাবে? কিয় তেনে হৈছে? মাহনুহজন ইমান বেয়ানে? ইত্যাদি এশ এটা প্ৰশ্নই মোৰ মনত হেন্দোলনি তুলিছিল আৰু তেতিয়াই মই সিদ্ধান্ত লৈছিলো যে এই বিষয়ে সঁচা কথা জানি লমেই।

জানিছিলো। এদিন গতানুগতিকভাৱেই বাৰ্কলে চাহাব সদায় যোৱাৰ দৰে যাওঁতে মই তেওঁক অনুসৰণ কৰিছিলো। চাইকেলৰপৰা নামি মই চাহাবৰ পিছে পিছে খোজ দিছিলো। চহৰ এৰি চাহাবে শিলগুটি, কয়লা মিহলি বাগিচাৰ নিজস্ব আলিবাটেদি খোজ পেলাইছিল। বাগিচাৰ কেটেল ব্ৰীজ পাৰ হৈছিলো। বোধহয় চাইকেলখনৰ শব্দ হৈছিল। চাহাবে উভতি চাইছিল। মই অলপ ভয় খাইছিলো। কিন্তু থমকি ৰোৱা নাছিলো। নিৰ্জন চাহবাগিচাৰ নীৰৱ পৰিবেশত চাইকেলৰ শব্দ আৰু শিৰীষ গছৰপৰা মাজে মাজে ভাহি অহা অনামী চৰাইৰ মাতৰ বাহিৰে আন একো শব্দ নাছিল। মই তেতিয়াও নেজানিছিলো, কিহৰ বাবে বা কিয় তেওঁৰ পিছে পিছে গৈ আছো।

এটা সময়ত চাহাবৰ বাংলো পাইছিলো। সম্মুখৰ প্ৰকাণ্ড গেটখন বন্ধ আছিল। কোনোবা এজন দৌৰি আহি গেটখন খুলি দিছিল। চাহাব সোমাই গৈছিল।

মই বাহিৰত কিংকৰ্তব্যবিমূঢ় হৈ থমকি ৰৈছিলো। হঠাৎ দেখিছিলো, চাহাবে পিছলৈ উভতি চাই মোক ইংগিতেৰে মাতিছে। গেটখন এইবাৰ আকৌ বহলকৈ মেল খালে। মই সোমাই গৈছিলো। ইতস্ততঃ কৰা বাবে চাহাবে মোক মাতিছিল। মই গৈছিলো। বাহিৰত বহিবলৈ দি চাহাবে মোক কৈছিল যে মই যে তেওঁক অনুসৰণ কৰিছো, এই কথাটো তেওঁ লক্ষ্য কৰিছে।

কিন্তু কিয় আৰু কিহৰ বাবে? সেইটো চাহাবৰ পোনপটীয়া প্ৰশ্ন আছিল। মই কি উত্তৰ দিছিলো সেইটো এতিয়া মনত নাই। কিন্তু গল্প চামেলি মেমচাবক গল্প হিচাপে ৰূপ দিওঁতে মোৰ এই চৰিত্ৰটোকে স্কুল মাষ্টৰৰ চৰিত্ৰ কৰিছিলো। যিটো চৰিত্ৰৰ অসমীয়া চামেলি মেমচাব ছবিখনত ৰূপ দিছিল ডাঃ হাদী আলম বৰাই।

বাৰ্কলে চাহাবে মোক ভিতৰলৈ মাতি নি এটা শোৱা কোঠালিত সোমাই বহল বিছনা এখনত শুই থকা কেঁচুৱা এটিলৈ দেখুৱাই মোক কৈছিল যে উক্ত কেঁচুৱাটিৰ বাবেই সেই ঠাইখন, সেই বাংলোটো এৰি যাব পৰা নাই।

কিছু আবেগপ্ৰৱণ হৈ বাৰ্কলে চাহাবে কৈছিল ঃ 'ছি মাষ্ট ডাই। আই এম বেটিং ফৰ হাৰ দেথ।'

মই এচপৰা শিল হৈ গৈছিলো। এয়া কেনে কথা! এজন পিতৃয়ে অপেক্ষা কৰিছে তেওঁৰ সন্তানৰ মৃত্যুৰ বাবে।

কিয় আৰু কিহৰ বাবে এনে হ'বলৈ পালে, সেইটোৱেই আছিল চামেলি মেমচাবৰ মূল কাহিনী।

বাৰ্কলে চাহাব এসময়ত ইংলেণ্ডলৈ গুচি গৈছিল বুলি মই গম পাইছিলো আৰু বাৰ্কলে চাহাবৰ মৃত্যুও হৈছিল বুলি মই জানিছিলো। এই খবৰটো মোক দিছিল ডুমডুমা চাহ কোম্পানীৰ অতি জনপ্ৰিয় চৰিত্ৰ পিটাৰ জেমছে। চামদাং বাগিচাৰ ওচৰত থকা ক্লাবৰ গল্‌ফ ফিল্ডত গল্‌ফ খেলি থকা জেমছে এদিন মোক সেই কথা শুনাইছিল।

মই কেৱল শুনিছিলো। সমবেদনা জনোৱাৰ মোৰ কোনো বাট মুকলি নাছিল। কিন্তু তেওঁৰ আৰু তেওঁৰ অতি মৰমৰ বীৰবল চৰ্দাৰৰ জীয়েক চামেলি তেতিয়া নিজেই কাহিনী হৈ গৈছিল। যি কাহিনীৰ নাম মই দিছিলো ঃ 'চামেলি মেমচাব।'

এই চামেলি মেমচাব কাহিনীৰে চিত্ৰৰূপ আছিল সেই সময়ত আলোড়ন সৃষ্টিকাৰী, সফল বক্স-অফিচধন্য অসমীয়া ছবি চামেলি মেমচাব। শিৱসাগৰৰ সেউজ বোলছবি সংস্থাৰদ্বাৰা প্ৰযোজিত এই ছবিৰ পৰিচালক আছিল মঞ্চখ্যাত অভিনেতা যোৰহাটৰ আব্দুল মজিদ। আব্দুল মজিদৰদ্বাৰা পৰিচালিত ইয়াৰ আগৰখন ছবি আছিল 'মৰম তৃষ্ণা'। এই ছবিয়ে তেনে ধৰণে কোনো নতুনত্বৰ ইংগিত দিয়া নাছিল তথা পৰিচালক হিচাপে আব্দুল মজিদৰ সম্ভাৱনাৰ বিষয়েও কোনো ইতিবাচক ইংগিত বহন কৰা নাছিল। কিন্তু আচৰিতভাৱে চামেলি মেমচাব ছবিয়ে চিত্ৰ পৰিচালক হিচাপে তেওঁৰ প্ৰচুৰ সম্ভাৱনাৰ ইংগিত দিছিল। তাৰ পাছতেই চিত্ৰ পৰিচালক আব্দুল মজিদে আৰু কেইবাখনিও বোলছবি পৰিচালনা কৰে। কিন্তু কোনো ছবিৰ সাফল্য উল্লিখিত ছবিৰ দৰে তেওঁৰ ভাগ্যত নঘটিল।

উল্লেখ কৰিব পাৰি যে অসমীয়া চামেলি মেমচাব ছবিখনৰ চিত্ৰনাট্য আৰু,

সংলাপ পৰিচালক আব্দুল মজিদেই ৰচনা কৰিছিল। কিন্তু পৰিচালক মজিদ এই ছবি কৰাৰ সময়ত মোৰ স'তে এনে ঘনিষ্ঠ আছিল যে সকলো সময়তে তেওঁ ছবিখন কৰোতে মোৰ সহযোগিতা নিঃসঙ্কোচভাৱে বিচাৰিছিল আৰু ময়ো উৎসাহী হৈ তেওঁলৈ যি পাৰো দিহা-পৰামৰ্শেৰে সহায় আগবঢ়াইছিলো।

প্ৰথম কথাটোৱে হ'ল, ছবিৰ কাহিনীটো যিহেতু চাহবাগিচাৰ পটভূমিত আধাৰিত আছিল, গতিকে ছবিৰ সংলাপসমূহ, গীত-মাত তথা পৰিৱেশ পৰিপূৰ্ণভাৱে চাহবাগিচাৰ হ'ব লাগিব। আন কথাত মজদুৰ সম্প্ৰদায়ে যেনে ধৰণে কথা-বতৰা কয়, তাৰ হুবহু প্ৰতিফলন ঘটিব লাগিব। এই ক্ষেত্ৰত মোক প্ৰভূত সহায় কৰিছিল এগৰাকী মজদুৰ লেখক নাৰায়ণ ঘাটোৱাৰে। শ্ৰীঘাটোৱাৰ নিজে মজদুৰ সম্প্ৰদায়ৰ লোক হোৱাৰ উপৰিও মজদুৰ সমাজৰ জীৱনধাৰা তথা লোক-সংস্কৃতিৰ বিষয়ে নানান প্ৰবন্ধ-পাতি অসমীয়াতে লিখি চিনাকি হৈ পৰিছিল। সেই সময়ত শ্ৰীঘাটোৱাৰ কোনোবা এখন বাগিচাত অৱস্থিত চাহ-মজদুৰ সংঘৰ লগত জড়িত আছিল। মই নিজে সেই বাগিচালৈ গৈ তেওঁক বিচাৰি উলিয়াইছিলো আৰু শ্ৰীঘাটোৱাৰক লগত লৈ মজিদ চাহাবে লিখা ছবিৰ বিভিন্ন সংলাপৰ চূড়ান্ত ৰূপ দিছিলো। ছবিৰ পৰিচয়লিপিত শ্ৰীঘাটোৱাৰৰ নাম কৃতজ্ঞতাৰে প্ৰচাৰ কৰা হৈছিল।

শ্ৰীনাৰায়ণ ঘাটোৱাৰে আন এটা ক্ষেত্ৰতো আমাক ভাবিব নোৱৰা সহায় আগবঢ়াইছিল। সেইটো হ'ল, শ্ৰীঘাটোৱাৰে মোক তেওঁ সংগ্ৰহ কৰা কিছু মজদুৰ গীত-মাত চাবলৈ দি দিছিল আৰু মই যদি ভুল কৰা নাই, শ্ৰীঘাটোৱাৰৰদ্বাৰা সংকলিত সেই গীত-মাতসমূহ আলফুলে বুকুত সাবটি লৈ আহিছিলো আৰু ছবিৰ সংগীত পৰিচালক স্বনামধন্য ভূপেনদাক (ড° ভূপেন হাজৰিকা) দি দিছিলো। সেইবোৰ গীত-মাতে মৌলিক প্ৰতিভাৰ অধিকাৰী ভূপেনদাক কিবা সহায় কৰিছিল নে নাই মই নেজানো, কিন্তু মোৰ কাহিনীআধাৰিত ছবিখন সৰ্বাংগসুন্দৰ কৰি তোলাত তেওঁৰ চেষ্টাৰ কোনো ত্ৰুটি নাছিল।

আজি মই এই আত্ম-ৰোমন্থনত সগৌৰৱে ক'ব পাৰো যে 'চামেলি মেমচাবে'ই প্ৰথম অসমীয়া ছবি যি ছবিয়ে অপূৰ্ব সংগীতৰ মাধ্যমেদি আঁজুৰি আনিছিল সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় পুৰস্কাৰ আৰু এই পুৰস্কাৰ সম্ভৱতঃ বহু অবিস্মৰণীয় পুৰস্কাৰৰ মাজত ভূপেনদালৈ এক অনন্যসাধাৰণ পুৰস্কাৰ।

কোনে পাহৰিব সেই মিঠা মিঠা গীত 'চম্পা নহয় মোৰ নাম চামেলি' বা 'অ'

বিদেশী বন্ধু দুৰ্ভগীয়া' আৰু বহুতো অৰ্থবহ, অবিস্মৰণীয় গীত!

তাৰো এক ইতিহাস আছে। সেই কথাও ক'ব লাগিব। 'চামেলি মেমচাব'ৰ সংগীত গ্ৰহণো এক অবিস্মৰণীয় অধ্যায়।

'চামেলি মেমচাব'ৰ সংগীতৰ ওপৰত মই বিশেষ গুৰুত্ব দিছো এইবাবেই, যিহেতু এই ছবিৰ সংগীতে আগতে উল্লেখ কৰি অহাৰ দৰে অসমীয়া ছবিৰ ক্ষেত্ৰত পোন প্ৰথমবাৰৰ বাবে সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় পুৰস্কাৰ আঁজুৰি আনিবলৈ সক্ষম হৈছিল। স্বনামধন্য ভূপেন হাজৰিকাই এই ছবিৰ সংগীতৰ বাবেই লাভ কৰিছিল ভাৰতৰ শ্ৰেষ্ঠ সংগীত পৰিচালকৰ সন্মান। মন কৰিবলগীয়া কথা যে যি বছৰ ভূপেনদাই এই সন্মান লাভ কৰিছিল, সেই বছৰ ভাৰতৰ বিভিন্ন ভাষাৰ আন কেইবাগৰাকীও বিশিষ্ট সংগীত পৰিচালকৰ সংগীত পৰিচালিত ছবি কিন্তু আছিল। তাৰে ভিতৰত দুগৰাকীৰ নাম উল্লেখ কৰিলেও বোধহয় যথেষ্ট হ'ব। তেওঁলোক হ'ল বিখ্যাত হিন্দী ছবি জগতৰ বিশিষ্ট সংগীত পৰিচালকদ্বয় লক্ষ্মীকান্ত আৰু প্যাৰেলাল। এই সকলোবোৰকে হেলাৰঙে নেওচি ভূপেন হাজৰিকাই অসমলৈ বাগিচাৰ ছোৱালী চামেলিৰ যোগেদি আঁজুৰি আনিছিল এই সৰ্বভাৰতীয় সন্মান।

'চামেলি মেমচাব'ৰ সংগীত গ্ৰহণ কৰা হৈছিল মুম্বাইত। অসংখ্য হিন্দী ছবিৰ সংগীত গ্ৰহণকাৰী, প্ৰবীণ শব্দযন্ত্ৰী ডি. ও. বানচালী আছিল ছবিৰ সংগীত গ্ৰহণকাৰী। এই ডি. ও বানচালীৰ তাৰদেউত অৱস্থিত অতি পুৰণি ফেমাছ চিনে লেবৰেটৰীত এই সংগীত গ্ৰহণ কাৰ্য সম্পন্ন কৰা হৈছিল। মন কৰিবলগীয়া কথা যে এই সকলোবোৰ যোগাযোগ ভূপেনদাই নিজাববীয়াকৈ কৰিছিল। অৱশ্যে যোগাযোগৰ ক্ষেত্ৰত তেওঁক সহায় কৰি দিছিল 'এক পল', 'ৰুদালী', 'দৰমিয়া' আদি ছবিৰ চিত্ৰপৰিচালিকা কল্পনা লাজমীয়ে। কল্পনা সেই সময়ত এতিয়াৰ স্বৰূপত আত্মপ্ৰকাশ কৰাই নাছিল। তথাপি ভূপেনদাৰ সংগীত আৰু অসমীয়া ছবি বাবেই তেওঁ সেইকণ সহায় আগবঢ়াইছিল।

কিন্তু সমস্যাটো হৈছিল অন্য এক ক্ষেত্ৰত। মোৰ স'তে তেতিয়া সততে যোগাযোগ ৰখা ভূপেনদাই জনাইছিল যে যদিও তেওঁ মুম্বাইতে সংগীত গ্ৰহণৰ সিদ্ধান্ত কৰি পেলাইছিল, সেইটো কিন্তু সম্ভৱ নহবগেও পাৰে।

কিহৰ বাবে? ভূপেনদাই মোক ফোনযোগে জনাইছিল যে মুম্বাইৰ যন্ত্ৰশিল্পীসকলে অৰ্থাৎ ছবিৰ গীতৰ লগত যিসকলে বিভিন্ন বাদ্যযন্ত্ৰ বজায়, সেইসকলৰ এছ'ছিয়েশ্যনে তেওঁলোকৰ কিছু দাবীৰ পৰিপ্ৰেক্ষিতত ধৰ্মঘট কৰিছে। ফলস্বৰূপে সেই সময়ত

মুম্বাইত কোনো ছবিৰ সংগীত গ্ৰহণ সম্ভৱ হৈ উঠা নাছিল। এটা উদাহৰণ দিলেই যথেষ্ট হ'ব।

সেই সময়ৰ অতি জনপ্ৰিয় হিন্দী ছবিৰ নিৰ্মাতা শক্তি সামন্তে তেওঁৰ হিন্দী-বঙালী দ্বিভাষিক ছবি 'অমানুষ'ৰ বাবে নিৰ্দিষ্ট কৰা সংগীত পৰিচালক শ্যামল মিত্ৰও মুম্বাইলৈ সঙ্গীত গ্ৰহণৰ বাবে গৈ হাত সাবটি বহি থাকিবলগীয়া হৈছিল। তাৰ কাৰণো আছিল উল্লেখিত সংগীত যন্ত্ৰশিল্পীসকলৰ ধৰ্মঘট। কিন্তু হঠাতে এদিন মুম্বাইৰপৰা মই ভূপেনদাৰ এখন টেলিগ্ৰাম পাইছিলো, য'ত তেওঁ জনাইছিল যে ধৰ্মঘটকাৰী বাদ্যযন্ত্ৰ শিল্পীসকলে বজাবলৈ সন্মত হৈছে একমাত্ৰ আঞ্চলিক ভাষাৰ ছবি বাবেহে। যদিও টেলিগ্ৰামত সেই কথাটোৰ উল্লেখ আছিল, বুজিবলৈ মোৰ অকণো বাকী নাছিল যে সেইটো নিশ্চয় সম্ভৱ হৈ উঠিছিল ভূপেনদাৰ ব্যক্তিগত চেষ্টাৰ বাবেহে। ভূপেনদাৰ টেলিগ্ৰাম পাই মই বোধহয় সেই ৰাতিয়ে ৰাওনা হৈছিলো শিৱসাগৰলৈ, ছবিৰ পৰিচালক আব্দুল মজিদক কথাটো জনাবলৈ।

জনাইছিলো। কিন্তু সমস্যাই তেতিয়াও এৰা নাছিল। এটা কথা কোৱা ভাল হ'ব যে 'চামেলি মেমচাব'ৰ পৰিচালক আব্দুল মজিদে ছবিখন অশেষ কষ্টৰ মাজেৰে নিৰ্মাণ কৰি উলিয়াইছিল। প্ৰথম আৰু প্ৰধান সমস্যাই হৈছিল যে ছবিখনৰ বাবে কোনো নিৰ্দিষ্ট এগৰাকী প্ৰযোজক নাছিল। পৰিচালক মজিদ চাহাবে তেওঁৰ চিনাকি বন্ধু-বান্ধৱ আৰু নানান ঠাইৰপৰা অৰ্থ সংগ্ৰহ কৰি স্তৰে স্তৰে ছবিৰ কাম কৰি গৈছিল। ইয়াৰ ফলত পিছলৈ তেওঁ কিছু অসুবিধাৰো সন্মুখীন হৈছিল। অৱশ্যে ছবিৰ সাফল্যৰ পাছত সেইবোৰ কথা তুচ্ছ হৈ দেখা দিছিল আৰু বহুতেই সাফল্যৰ অজুহাত লৈ ব্যৱসায় কৰিবলৈও হয়তো সক্ষম হৈছিল।

ভূপেনদাৰ টেলিগ্ৰাম পোৱাৰ পাছত পৰিচালক আব্দুল মজিদ মুম্বাইলৈ ওলাইছিল। কিন্তু মই আগতে উল্লেখ কৰা সংগীত গ্ৰহণৰ বাবে যি অৰ্থৰ প্ৰয়োজন, সেয়া তেতিয়াও গোট খোৱা নাছিল। ভূপেনদাৰ টেলিগ্ৰামত সংগীত গ্ৰহণৰ বাবে নিৰ্দিষ্ট হোৱা তাৰিখটোৰো কথা উল্লেখ আছিল। আমাৰ শুভাকাংক্ষী বহুতেই কৈছিল যে ভূপেনদাই যিহেতু ৰেকৰ্ডিঙৰ বাবে সকলো ঠিক কৰি পেলাইছে, সেই সুযোগটো আমি হেৰুৱাটো উচিত নহ'ব।

আগতেই উল্লেখ কৰিছো যে মজিদ চাহাবৰ বাবে অৰ্থ সংগ্ৰহ আছিল মূল সমস্যা। এনে অৱস্থাৰ পটভূমিত মজিদ চাহাবে গুৱাহাটীত কাৰোবাৰপৰা টকা-পইচা

যোগাৰ কৰিব পাৰি নেকি, সেই কথাটো উনুকিয়াইছিল। দুই-এক মোৰ চিনাকি বন্ধু-বান্ধৱৰ ওচৰ চাপি সেই বিষয়ে জনাওঁতে তেনেদৰে উপযুক্ত সঁহাৰি পোৱা নাছিলো। তথাপি যি পাৰিছিলো, সেইটো সংগ্ৰহ কৰাত পিছ হোঁহকা নাছিলো আৰু তেনে সময়তে বোলছবি জগতৰ বিখ্যাত চিত্ৰ পৰিবেশক, অলপতে মৃত্যু হোৱা ৰমণভাই মেহতাৰ কথা মনত পৰি, তেওঁৰ ওচৰ চাপিছিলো। এই কথাটোত মই এইবাবেই বিশেষ গুৰুত্ব দিছো, যিহেতু অসমত তেতিয়াও বহু চিত্ৰ পৰিবেশক আছিল যদিও সেইসকলে কোনোদিনে উল্লেখিত মেহতাজীৰ দৰে অসমীয়া ছবিৰ প্ৰতি বিশেষ কৃপাৰ দৃষ্টি দিয়া নাছিল।

মই এদিন আবেলি ভৰলুমুখত অবস্থিত মেহতাজীৰ কাৰ্যালয়লৈ গৈছিলো। সেই সময়ত মেহতাজী অফিচত নাছিল। অফিচৰপৰা ওলাই পাণ ভালপোৱা মেহতাজীয়ে ভৰলুমুখৰে পাণদোকান এখনৰ সম্মুখত পাণ খাই আছিল। তাতেই মই লগ ধৰি মেহতাজীক কৈছিলো যে বিশেষ এটি কথাৰ বাবে আহিছো। হাতত মোৰ ভূপেনদাৰ টেলিগ্ৰামখন আছিল। আজীৱন ব্ৰহ্মপুত্ৰক ভাল পোৱা আৰু তেওঁৰ অসম প্ৰীতিৰ কথা ক'বলৈ যাওঁতে পাকে-প্ৰকাৰে সদায় ব্ৰহ্মপুত্ৰৰ কথা উল্লেখ কৰা মেহতাজীয়ে টপৰাই হিন্দীতে কৈছিল ঃ ব'লা নিৰোদ, ইয়াত নহয়, ব্ৰহ্মপুত্ৰৰ পাৰলৈ যাওঁ।

গৈছিলো। মোৰ স্পষ্ট মনত আছে, তৰুণৰাম ফুকন পাৰ্কৰ ওচৰৰ কালভাৰ্ট এটাৰ ওপৰত আমি গৈ বহিছিলো।

ৰমণভাই মেহতাক মই কিয় আহিছো কথাটো জনাইছিলো। ভূপেনদাৰ মুম্বাইৰপৰা অহা টেলিগ্ৰামখনো দেখুৱাইছিলো। স্বাভাৱিকতে লাইনৰ মানুহ বাবে তেওঁ পলকতে কথাটো বুজি উঠিছিল। মেহতাজীৰো প্ৰথম কথা আছিল ঃ 'নিৰোদ, এই সুযোগটো নেহেৰুৱাবা।'

ভূপেনদাৰ গুণমুগ্ধ ৰমণভাই মেহতাই কিছু চিন্তা কৰি তেওঁৰ নিজৰ কিছু আৰ্থিক সমস্যাৰ কথাও উনুকিয়াইছিল। মূল বক্তব্যই আছিল যে ঠিক সেই সময়ত আৰ. বি. ফিল্মছৰ অংশীদাৰৰ মাজত কিছু মতানৈক্য হোৱাত আৰ্থিক সংকটৰ সমস্যাত ভুগিছে। তথাপি মেহতাজীৰ বক্তব্য আছিল ঃ কাৰোবাক কৈ যোৱা, মই কেইদিনমান পাছত যি পাৰো পঠিয়াই দিম।

উল্লেখ কৰা ভাল হ'ব যে এই প্ৰয়াত ৰমণভাই মেহতায়ে ভূপেনদাৰদ্বাৰা দ্বিতীয়বাৰৰ বাবে পুনৰনিৰ্মিত নতুন 'ছিৰাজ' ছবিখন প্ৰযোজনা কৰিছিল। যি ছিৰাজৰ

মূল চৰিত্ৰত অভিনয় কৰিছিল নিপন গোস্বামীয়ে। নটসূৰ্য ফণী শৰ্মাৰ চিত্ৰনাট্যৰ আধাৰত পুনৰনিৰ্মিত ছিৰাজ সম্পূৰ্ণ হৈ উঠিছিল। অসমীয়া বোলছবি জগতত চিৰদিনৰ বাবে প্ৰয়াত নটসূৰ্য ফণী শৰ্মাৰ অভিনয়ৰ বাবে মাইলৰ খুটি হৈ যোৱা প্ৰথমখন 'ছিৰাজ'ৰ স'তে নতুন ছিৰাজৰ তুলনা নিৰৰ্থক। কিন্তু ছবিখনৰ প্ৰযোজক ৰমন মেহতাই এখন সৰ্বাংগ সুন্দৰ ছবি কৰি তুলিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল। কোকিলকণ্ঠী স্বনামধন্য লতা মংগেশকাৰে নতুনখন ছিৰাজৰ বাবে ভূপেনদাৰ লগত এটি গীতত কণ্ঠদানো কৰিছিল। 'কঁপি উঠে কিয় তাজমহল - - -।' প্ৰথমখন ছিৰাজৰ বাবে এই গীতটি বিশেষভাৱে ৰচিছিল, কণ্ঠদান আৰু অভিনয়ো কৰিছিল ভূপেনদাই নিজে।

মেহতাজীয়ে আকৌ দোহাৰিছিল ঃ 'এই সুযোগ নেহেৰুবাবা'। কথাষাৰে মোকেই নহয়, আমাৰ সকলোৰে তেতিয়া মূৰৰ মাজত ক্ৰিয়া কৰিছিল।

সঁচাকৈয়ে এই সুযোগ হেৰুৱাব নোৱাৰি। নোৱাৰি। আমাৰ তেতিয়া লক্ষ্যস্থান আছিল মুম্বাইৰ আন্ধেৰীত থকা হোটেল ইম্পেৰিয়েল। কাৰণ এই হোটেলতে তেতিয়া আছিল ভূপেনদা (ড° ভূপেন হাজৰিকা)।

ভূপেনদাই আন্ধেৰীত থকা এই হোটেলখন থকাৰ বাবে নিৰ্বাচন কৰি লোৱাৰ এটি মুখ্য কাৰণ নিশ্চয় আছিল, ইম্পেৰিয়েল হোটেলৰপৰা আত্মাৰামৰ নটৰাজ ষ্টুডিঅ'ৰ দূৰত্ব খুব বেছি নহয় আৰু ভূপেনদাৰ যিহেতু তেতিয়াৰ সকলো কৰ্মক্ষেত্ৰৰ কেন্দ্ৰবিন্দু আছিল আত্মাৰামৰ নটৰাজ ষ্টুডিঅ', গতিকে সেই একে কাৰণতে নিশ্চয় সেই হোটেলখন তেওঁ নিৰ্বাচন কৰি লৈছিল।

আমি যেতিয়া খুব ৰাতিপুৱাই হোটেলত গৈ উপস্থিত হৈছিলো, তেতিয়া হোটেল মেনেজাৰে মূৰ জোকাৰি কৈছিল যে ভূপেনদা নাই। স্বাভাৱিকতে আমি নিৰাশ হৈছিলোঁ।

হোটেল মেনেজাৰে ক্ষন্তেক অপেক্ষা কৰি সুধিছিল ঃ আপোনালোক অসমৰ পৰা আহিছে নেকি? আমি ইতিবাচক সঁহাৰি দিছিলো।

পৰবৰ্তী প্ৰশ্নটোৱে আছিল ঃ 'নিৰোদ চৌধুৰী আহিছে নেকি?'

এখোজত দুখোজ দি মই আগবাঢ়ি গৈছিলোঁ। মেনেজাৰে মোক উদ্দেশ্য কৰি কৈছিল ঃ 'আপোনালোকক ভূপেনদাই বহিবলৈ কৈছে।'

হোটেল লবীতে আমি ব হিছিলো। তেতিয়াও মুম্বাইৰ ভালদৰে আওভাও নোপোৱা হোটেলখনকে অবাক চকুৰে চাইছিলোঁ।

হোটেলৰ মেনেজাৰজনে নম্ৰভংগীৰে নিজৰ চিনাকি দিছিল। জানিছিলো তেওঁ মি. সিন্‌হা। বঙালী মানুহ। কিন্তু ব্যৱহাৰত অতি নম্ৰ আছিল। আৰু অলপ সময় কথা পাতিয়ে গম পাই উঠিছিলো যে মানুহজনে ভূপেন হাজৰিকাক অতি আদৰেৰে ভাল পায়। আনকথাত আৰু বহুতৰে দৰে মি. সিন্‌হা আছিল ভূপেনদাৰ 'ফেন'। স্বাভাৱিকতে মানুহজনে আমি কিয় বা কিহৰ কাৰণে তালৈ গৈছো সেইবোৰ কথা আগতেই জানিছিল। কাৰণ আমাক চাহ-বিস্কুট নোকোৱাকৈয়ে খাবলৈ দি মি. সিন্‌হাই মোক উদ্দেশ্য কৰি কৈছিল ঃ 'মি. চৌধুৰী, আপোনাৰ ছবিৰ বাবে ভূপেনদাই 'দাৰুণ' গান লিখিছে'। চকু মোৰ কপালত উঠিছিল, যেতিয়া মি. সিন্‌হাই বঙালীতে আৰু কৈ উঠিছিল যে ঃ 'মশাই, আপনি মজাৰ গল্প লিখেছেন।'

স্বাভাৱিকতে উৎফুল্লিত হৈ উঠিলেও সেয়া আছিল অবাক হোৱাৰ পাল। আচৰিতভাৱে আমাৰ আগমনৰ উদ্দেশ্য জানি উঠাৰ লগতে ছবিৰ কাহিনীক লৈ তেতিয়াই তেনে আগতীয়া মন্তব্য কৰাত বিস্মৃত নহৈ উপায় নাছিল।

মই পৰিচালক মজিদক চিনাকি কৰি দিছিলো। আৰু আমাৰ লগত যোৱা দুই-এজনক। মি. সিন্‌হাৰ সকলো কথাৰ আৰু আক্ৰমণৰ লক্ষ্য আছিলো মই।

মি. সিন্‌হাই বঙালীতে কৈছিল ঃ 'এই দুদিন ভূপেনদা ৰুমতে সোমাই আছে। মোক কৈছে, কোনোবা মানুহ আহি বিচাৰিলে 'নাই' বুলি ক'বলৈ।' আৰু কৈছিল ঃ 'হাৰমনিয়াম লৈ কেৱল কাগজ লৈ লিখিছে আৰু ফালিছে।'

স্বাভাৱিকতে সকলো কথা জানিবলৈ আগ্ৰহ তেতিয়া তুংগত উঠিছিল। মই কোনো প্ৰয়োজন নাথাকিলেও মি. সিন্‌হাক প্ৰশ্ন কৰিছিলোঁ, 'ভূপেনদা কেই নম্বৰ ৰুমত আছে?'

মি. সিন্‌হাই ৰুম নাম্বাৰ কৈছিল। মোৰ উৎকণ্ঠাৰ উমান পায়েই মি. সিন্‌হাই মোক সান্ত্বনা দিবলৈকে কৈছিল ঃ 'একটু অপেক্ষা কৰুণ।'

অপেক্ষাৰ সকলো প্ৰস্তুতি মনৰ ফালৰপৰা কৰি পেলাইছিলো। বুজি উঠিছিলো যে মোৰ দৰে মজিদ বা আন সকলোৰে তেতিয়া একেই অৱস্থা।

হোটেল মেনেজাৰ মি. সিন্‌হাই নিজৰ কিবা কাম কৰি উঠি বৰ ডাঙৰ বহী এটা সজোৰে মোৰ সম্মুখত বন্ধ কৰি হোটেল কী ব'ৰ্ডৰপৰা এটা বিশেষ ৰুমৰ চাবি এপাট লৈ মোলৈ চাই কৈছিল ঃ মি. চৌধুৰী, আপনি আমাৰ সংগে আসুন।' মই মিষ্টাৰ সিন্‌হাক অনুসৰণ কৰিছিলোঁ। তিনি মহলাৰ এটা বিশেষ ৰুমৰ সম্মুখত থিয় হৈ তেওঁ ৰুম এটা খুলিছিল। মোক ইংগিতেৰে ৰুমটোৰ ভিতৰলৈ মাতিছিল। মই

সোমাই গৈছিলো।

এয়া কি? দেখিছিলো, ৰুমটোৰ অ'ত ত'ত সিঁচৰতি হৈ আছে বিভিন্ন কাগজৰ ফালি পেলোৱা টোপোলা। বিছনাৰ ওপৰত মোৰ বাবে ভূপেনদাৰ পৰিচিত হাৰমনিয়ামটো আছিল। তাৰে ওপৰত আছিল এটা অসংখ্য চিগাৰেটৰ টুকুৰাৰে পৰিপূৰ্ণ এছট্রে। এযোৰ আধাখোৱা কফি পিয়লা।

হোটেল মেনেজাৰ মিষ্টাৰ সিন্‌হাই সামান্য হাঁহি কৌতূহলেৰে মোৰ মুখলৈ প্ৰশ্নবোধক চাৱনিৰে চাইছিল। মই একো কোৱা নাছিলোঁ। ফালি পেলোৱা কাগজৰ টুকুৰাবোৰ খুলি খুলি চাইছিলোঁ।

চকুত পৰিছিল, কোনোবাটোত লিখা আছে 'অসম দেশৰ বাগিচাৰ ছোৱালী, আমি নাচি-বাগি কৰো ধেমালি - - ।' তাৰ পাছত আকৌ কাটি পেলোৱা হৈছে। কোনোবাটোত আছে, 'অ' পৰদেশী বন্ধু - -' আকৌ কাটি পেলোৱা হৈছে। এইবাৰ লিখা হৈছে, 'অ' বিদেশী বন্ধু, দুৰ্ভগীয়া' ইত্যাদি ইত্যাদি। মোৰ ছবিৰ পৰিচালক আব্দুল মজিদক সেই টুকুৰা পেলনীয়া কাগজবোৰকে মই তুলি তুলি দেখুৱাইছিলোঁ।

বোধহয় কৌতূহল আৰু উত্তেজনা চৰমসীমা পাইছিলগৈ। জানিছিলো, ভূপেনদাই মিষ্টাৰ সিন্‌হাই কোৱাৰ দৰে কেৱল লিখিছে আৰু ফালিছে - - -। কিন্তু আৰু কিমান সময়? অপেক্ষাৰো এটা সীমা থাকে।

অৱশেষত আমাৰ অধীৰ অপেক্ষাৰ নাটকীয় পৰিসমাপ্তি ঘটিল, যেতিয়া হোটেলৰ সম্মুখতে টেক্সি এখন সশব্দে ৰৈছিলহি আৰু তাৰপৰা সবেগে নামি আহিছিল ভূপেনদা। আমি হোটেল লবীৰ বহল খিড়িকীৰ মাজেৰে সেয়া লক্ষ্য কৰিছিলো। অইন কোনো অপৰিচিত ব্যক্তিৰ সঙ্গত আমি তেতিয়াও নীৰৱে বহি আছিলো। মূল দৰ্জাৰে প্ৰচণ্ড গতিবেগত ভূপেনদা সোমাই আহিয়ে প্ৰশ্ন কৰিছিল মি. সিনহাক বঙালীতে ঃ 'মোৰ বাবে অসমৰপৰা কোনোবা আহিছে নেকি'?

আমি বোধহয় বহাৰপৰা থিয় হৈছিলো। মিষ্টাৰ সিন্‌হাই আঙুলিয়াই দিছিল আমালৈ। ভূপেনদাই ঘূৰি চাইছিল। আনন্দত তেওঁৰ চকু-মুখ উজ্জ্বল হৈ পৰিছিল। কৈছিল, 'নিৰোদ, মজিদ, আহি গ'লা?'

সৰগৰ তৰা যেন হাততে ঢুকি পালো। অধীৰ অপেক্ষাৰ পৰিসমাপ্তি বোধহয় ঘটিছিল। ভূপেনদাৰ পাছৰ কথাখিনি আছিল ঃ 'লতাৰ তাৰপৰা আহিলো'।

লতা, অৰ্থাৎ লতা মংগেশকাৰ। যি নাম তেতিয়াও আমাৰ বাবে মাথোন এটি ছন্দোময় সুৰীয়া শিহৰণহে আছিল।

তাতকৈ বেছি আন আৰু একো নহয়।

প্ৰস্তাৱিত নামটো আছিল লতা, সুৰীয়া লতা। আন কথাত বহু গানেৰে ইতিমধ্যে জনপ্ৰিয় হৈ পৰা আৰু সকলোৰে আশা-আকাংক্ষাৰ সুৰীয়া নাম লতা মংগেশকাৰ। আমাৰ তেতিয়া পেডাৰ ৰোডৰ ভিতৰত এক অভূতপূৰ্ব অৱস্থা। গান, কেৱল লতাৰ গানেৰে পৰিপূৰ্ণ সেই ক্ষণটি সেই মুহূৰ্তটি। স্বাভাৱিকতে ভূপেনদাৰ মুখত সেই নাম শুনি থমকি পৰিছিলো।

লতা মংগেশকাৰৰ নামৰ স'তে মোৰ সম্পৰ্ক বহুদিনৰ আছিল। পাছত হয়তো মোৰ জীৱনৰ চৌপাশ এনেদৰে মিঠা সুগন্ধৰে ভৰি পৰিব পাৰে, সেয়া কল্পনাই কৰিব পৰা নাছিলো। লতাক ভাৱগধুৰ সন্মান জনাবলৈ পাই মন মোৰ আনন্দত শিহৰিত হৈছিল ঠিকেই, কিন্তু তাৰ লগে লগে ভয়ৰ কাৰণো হৈ দেখা দিব পাৰে বুলি মোৰ এক আজন্ম বিশ্বাস জন্মিছিল। লতাক লৈ নানানজনে নানান কথা কৈছিল বা তেওঁৰ বিষয়ে বিস্তৃত বিৱৰণ মই তেওঁৰ গানৰ জীৱনৰ বিলুপ্ত অধ্যয়ন আৱিষ্কাৰ কৰিছিলো ঠিকেই ; কিন্তু পৰিপূৰ্ণভাৱে কেনেদৰে তেওঁক সন্মান জনাম ভাবি পোৱা নাছিলো। লতা এটি বহু আলোচিত সুৰীয়া নাম। যি নামৰ স'তে সংগীতৰ ওত-প্ৰোত সম্পৰ্ক আছে।

কিন্তু কেনেকৈ? কি উপায়েৰে লতাক লগ পোৱাৰ সেই নিবিড় মুহূৰ্তটি আহিব পাৰে, সেই লৈ কিছু চিন্তা হৈছিল।

টেক্সিখন ভূপেনদাই ৰখাইছিল। সেই টেক্সিখনতে আমি উঠি পৰিছিলো। সম্মুখত বোধহয় মজিদ চাহাব, পিছৰ ছিটত মই ভূপেনদা। টেক্সিত উঠি ভূপেনদাই খুব চিনাকি অৰ্থবহ সুৰেৰে শব্দকেইটা উচ্চাৰণ কৰিছিল। ভূপেনদাই টেক্সি ড্ৰাইভাৰটোক সাধাৰণভাৱে কৈছিল। 'পেডাৰ ৰোড, লতা মংগেশকাৰকে পাছ লে চলিয়ে।'

ড্ৰাইভাৰটোৱে কিছু সন্ত্ৰস্ত হৈ কৈছিল ঃ 'লতা মংগেশকাৰ?'

যেন টেক্সি ড্ৰাইভাৰে সেই কথা অনুমান কৰিয়ে সেই প্ৰশ্ন কৰিছিল। ভূপেনদাই স্বাভাৱিকতে নিৰ্বিকাৰভাৱে মনোমোহা ভংগীত এই প্ৰশ্নৰ উত্তৰ দিছিল। টেক্সিখন নিৰুত্তাপভাৱে চাইছিল। টেক্সিখন চলিছিল।

জনবহুল মুম্বাইৰ বিভিন্ন ৰাজপথ এৰি টেক্সি তেতিয়া গতি কৰিছিল এক সীমাহীন পৰিতৃপ্তিৰ ক্ষেত্ৰলৈ। ভূপেনদাই টেক্সিত মোক কৈছিল ঃ"উষা মংগেশকাৰক গান গোৱাম।' তুমি ভাবিব নোৱাৰিবা, উষা কি অনুমান কৰিব নোৱৰা গায়িকা, মোৰ গীতৰ প্ৰতিটো শব্দ বুজি তাই বিনাদ্বিধাই গীত পৰিবেশন কৰিছে —। শুনিবা।"

এতিয়াহে আচল কথাৰ উমান পালোঁ। লতা মংগেশকাৰ সম্পৰ্কে থকা মোৰ ভ্ৰান্তিময় ধাৰণা তেতিয়া দৃঢ়তা দেখা সাগৰৰ নীলা ৰঙৰ দৰে অস্পষ্ট হৈ পৰিছিল।

স্বাভাৱিকতে উষা মংগেশকাৰ, উষাৰ ছবি চকুৰ আগত উদ্ভাসিত হৈ উঠিছিল।

উষা মংগেশকাৰ লতাৰ বহু ছবিৰ সহশিল্পী তথা কুমাৰী উষাৰ গীত উপলব্ধ জীৱনৰ এচেৰেঙা স্মৃতি।

টেক্সি আগবাঢ়িছিল। এনেতে সেই অঘটনটো ঘটিল। ছন্দোময় সুৰৰ পৰিবেশত অকালতে যৱনিকা পৰিল।

টেক্সিখনৰ চকা ফুটিছিল। এটা জোকাৰণি দি টেক্সিখন ৰাস্তাৰ একাষে স্থিৰ হৈ পৰিল। সমগ্ৰ মুখমণ্ডলত ক্লান্তি আৰু দুৰ্ভাৱনাৰ বীজ সানি লৈ আমি আটাইকেইটা স্থিৰ হৈ বৈছিলো। ভাবিছিলো, সুৰীয়া লতাক লগ পাবলৈ যাওঁতেই এই বিঘিনি। ড্ৰাইভাৰে স্পেয়াৰ চকা উলিয়াই লৈ সাজু হৈছিল। ভূপেনদা একে ধৰণেই নিৰ্বিকাৰ হৈয়ে আছিল। আমি ভাবিছিলো, লতাৰ ঘৰলৈ বুলি যাওঁতে এই আপদবোৰ কিয় ঘটিব লাগে? স্বাভাৱিকতে মনটোৰ মাজত নানান ভাবৰ খেলিমেলি। কোনো সময়তে পাহৰি যোৱা নাছিলো যে এটি শুভ কামৰ আৰম্ভণিতে ইমানবোৰ বিপদে আমাক খেদি ফুৰিব লাগে কিয়?

এটা সময়ত চকা ঠিক হৈছিল। আকৌ আমি উঠি পৰিছিলো। টেক্সিখন গৈ পেডাৰ ৰোডৰ এঠাইত ৰ'লগৈ। কোনফালে ঘৰটো সেয়া বুজিবলৈ টান হৈছিল। স্বাভাৱিকতে ভূপেনদাৰ মুখলৈ চাইছিলো। আপোন ভাৱনাত ডুবি আছিল ভূপেনদা। টেক্সিখন লৈ এটা নিৰ্দিষ্ট বিন্দুত ৰ'লগৈ। স্বাভাৱিকতে টেক্সিৰপৰা আমি আটাইবোৰ নামি পৰিছিলো।

চকুত পৰিছিল সেই সুন্দৰ সুৰীয়া ঘৰটিলৈ। সম্মুখৰ সোমোৱা গেটৰ তলীতে লিখা আছিল ঘৰটোৰ নাম।

প্ৰভুকুঞ্জ। প্ৰভুকুঞ্জ।

ভূপেনদা উদ্বাউল হৈ পৰিছিল। খৰখেদাকৈ নামি তেওঁ আগবাঢ়িছিল। সোমাই যোৱাৰ বাটত থমকি ৰব'লগীয়া হৈছিল।

অদৃশ্য জোৱানে ভূপেনদাক প্ৰশ্ন কৰিছে। ভূপেনদায়ো যৎসামান্য হাঁহি উত্তৰ দিছিল। লগত নিয়া, কান্ধত ওলোমাই লোৱা বেগটো দেখুৱাই হিন্দীতে কৈছিল: 'একো নাই, বন্দুক নাই, কেৱল গান আছে।' ততালিকে জোৱানে বুজিব নোৱাৰি ভ্ৰূ কোঁচ খুৱাই আকৌ সেই একে প্ৰশ্নকে কৰিছিল।

এইবাৰ ভিতৰৰপৰা কোনোবা এজনী দৌৰি আহিছিল। বুজিবলৈ বাকী নেথাকিল যে সমগ্ৰ পৰিবেশটোৱে আমাৰ বাবে একেবাৰে অজ্ঞাত।

দৌৰি আহি বাধা দি কিবা কথা কোৱা মানুহজনী নিশ্চয় লতাৰ ঘৰৰ। আমাৰ

দুৰ্গতি দেখিয়ে বোধহয় লতাই সেইগৰাকী মানুহক পঠিয়াই দিছিল। মানুহজনীক দেখি জোৱানকেইটা থমকি ৰৈছিল। হাঁহি কৈছিল ঃ আপোনালোক য'ক। আমি গৈছিলোঁ। নিস্তব্ধ নিতাল প্ৰভুকুঞ্জৰ সমগ্ৰ পৰিবেশ।

অতি চিনাকি এটি ঘৰৰ চৌহদত সোমোৱাৰ দৰে সোমাইছিল ভূপেনদা।

পেডাৰ ৰোডৰ 'প্ৰভুকুঞ্জ'ৰ সেই বাঙ্ময় পৰিবেশত আমাৰ বাবে মূৰ্ত হৈ উঠিছিল লতা মংগেশকাৰ।

ভূপেনদাই প্ৰতিটো কোঠালি পাৰ হওঁতে মুখেৰে কিবা কৈ গৈছিল। আমাৰ সেইবোৰলৈ মন-কাণ একেবাৰে নাছিল। কেৱল অপেক্ষা কৰিছিলো দেৱী দৰ্শনৰ আকৃতিৰে লতা মংগেশকাৰৰ দৰ্শন।

যি সময়ত আমি লতাজীক লগ পাবলৈ গৈছিলোঁ, সেই সময়ত লতাৰ মাতৃ শ্ৰীমতী সুধামতী মংগেশকাৰ জীয়াই আছিল।

ভূপেনদাই সোণালী প্লেটত লিখা প্ৰতিটো নাম পঢ়ি কৈছিল ঃ — সেই কথা থাওক। আমি আটাইবোৰ লতাৰ ভিতৰ কোঠালিত বহিছিলোঁগৈ।

লতাৰ ড্ৰয়িং ৰুম সুবিশাল নীলা কাৰ্পেটেৰে আবৰি থকা। লতাৰ ড্ৰয়িং ৰুম কোনো অভাৰতীয় সাহিত্য-সংস্কৃতিৰ আধাৰ নাছিল। আধাৰ আছিল ভাৰতীয় সংস্কৃতিৰ জ্ঞান-গৰিমাৰে আলোকিত।

সেই ৰংচঙীয়া ড্ৰয়িংৰুমত মই আবিষ্কাৰ কৰিছিলো ভাৰতীয় সাহিত্য-সংস্কৃতিৰ নানান জ্ঞান-গৰিমাৰ দীপ্ত প্ৰকাশ। কাষৰ কিতাপ থোৱা ঠাইত সযত্নে উদ্ভাসিত হৈছিল সাধাৰণভাৱে খাকী কাগজেৰে জীল লগোৱা বহুবোৰ গ্ৰন্থ। সেই গ্ৰন্থবোৰৰ ওপৰত নাম লিখা আছিল।

কোনোবাখন হিন্দী ভাষাৰ শ্ৰীমৎভাগৱত গীতা, কোনোবাখন তুলসী দাসৰ ৰামায়ণ, কোনোবাখন কোনোবা অদৃশ্য নামধাৰী লেখক বা লেখিকাৰ গ্ৰন্থাৱলী।

ভূপেনদা স্বাভাৱিকতেই সেইবোৰৰ মাজত সোমাই পৰি ক্ষন্তেক বিমুগ্ধ নয়নেৰে সেইবোৰলৈ চাই ৰৈছিল। তাৰ পাছত আত্মতৃপ্তিৰ হাঁহি এটাৰে আমালৈ চাই কৈছিল, 'ভিতৰলৈ আহাঁ'।

উচ্ছ্বাসতে মুখৰ ভিতৰতে কেইবাবাৰো উচ্চাৰিলো সেইটো নাম 'প্ৰভুকুঞ্জ'। কুঞ্জৰ দৰে পৰিবেশত সেইটো বিল্ডিঙত থাকে সেই শতিকাৰ সুৰসম্ৰাজ্ঞী লতা মংগেশকাৰ। নামেই যাৰ ইংগিত দিয়ে, তাৰেই ৰাণী সেইটো বিল্ডিঙত থাকে। জীৱনৰ কেইবাটিও দশক নিৰুত্তাপভাৱে, নিৰুদ্বেগচিত্তে অতিবাহিত কৰিছে এটি

সুৰময় জীৱন। নিশ্চয় সেই জীৱনৰ সমাপ্তি ঘটা নাই। তাৰে ৰূপ।

এতিয়াও আছে।

মনৰ উচ্ছ্বাসত ভূপেনদাৰ স'তে ক'ব নোৱাৰাকৈয়ে আগবাঢ়ি গৈছিলো। মই সম্ভৱতঃ অধিক আগ্ৰহী হৈ পৰিছিলো।

প্ৰভুকুঞ্জৰ শান্ত শীতল পৰিবেশত আমাৰ প্ৰবেশ ঘটিল। আমাৰ চকু তেতিয়াও নিৰ্বিকাৰ সোণালী ফলিলৈ। য'ত লিখা আছে সোণালী আখৰেৰে ইংৰাজীতে, বিল্ডিংৰ নামটো এনেদৰে 'Prabhukunj'। তাৰ পাছত আৰু একো নাই।

নাই নহয়, নাছিল। মনে মনে সেই নামটোকে মই উচ্চাৰিছিলো 'প্ৰভুকুঞ্জ'।

আমি ভিতৰত সোমাইছিলো। বিস্ময়-বিমুগ্ধ নয়নেৰে চকু বুলাইছিলো।

খন্তেক জিৰণি। তাৰ পাছত ভূপেনদাৰ কণ্ঠস্বৰ, 'আঁহা বহাহি।'

আমি আগতেই গৈ সোমাইছিলো। সম্মুখত দেখিছিলো এগৰাকী বয়োবৃদ্ধা মাতৃস্থানীয় মানুহ। স্বাভাৱিকতে আমাৰ বিস্ময়ত চকু কপালত উঠিছিল। ভূপেনদাই হাতযোৰ কৰি মানুহগৰাকীলৈ সন্মান জনালে।

মানুহগৰাকীয়েও এখোজত দুখোজ দি আগবাঢ়ি আহি সেই প্ৰতিনমস্কাৰ গ্ৰহণ কৰিলে। তাৰ পাছত?

মানুহগৰাকীয়ে নিৰ্বিকাৰভাৱে প্ৰতিনমস্কাৰ জনাই মুখৰ ভিতৰতে কৈ আপোনমনে কিবা গুণগুণালে।

ভূপেনদাই ক'লে ঃ 'লতাৰ মাক।'

লতা মংগেশকাৰৰ মাতৃ। মোৰ চকু বিস্ময়ত বিমুগ্ধ হৈ পৰিল। স্বাভাৱিকতে ক'ব পৰা নাছিলো এই যাত্ৰাৰ পৰিণতি কি হয়গৈ।

চুটি-চাপৰ মানুহগৰাকীয়ে আমাক বহিবলৈ ক'লে। আমি স্বাভাৱিকভাৱে বহিছিলো। তাৰ পাছত মানুহগৰাকী আপোনমনে একোণত বহি ৰ'ল। অলপ পাছত চেণ্ডেলৰ শব্দ শুনি আমি গভীৰ আৱেগেৰে দুৱাৰলৈ উভতি চাইছিলো। ভূপেনদাই এইবাৰ ক'লে লতাৰ মাক। তাৰ পিছত ইংগিত দি এটা কথা বুজাই দিলে যে মানুহগৰাকীৰ সেই বিষয়ে কোনো জ্ঞানেই নাই। মই সবিস্ময়ে আকৌ এবাৰ মানুহজনীলৈ চাইছিলো।

চুটি-চাপৰ শাৰী পিন্ধা মানুহজনীয়ে তেতিয়ালৈ পুনৰবাৰ আমাৰ দিশলৈ চাই হঠাৎ হাঁহি আকৌ কৈছিল। কৈছিল শব্দহীন মনৰ ভাষাৰে। আকৌ এবাৰ হাতযোৰ কৰিছিল। স্বাভাৱিকতে আমিও তেওঁৰ সতে হাতযোৰ কৰিছিলো। তাৰ পাছত ভূপেনদালৈ চাই লতাৰ মাতৃৰ বহুত প্ৰশ্ন। সেইবোৰ প্ৰশ্নৰ উত্তৰ স্বাভাৱিকভাৱেই ভূপেনদাই দি গৈছিল। প্ৰশ্ন নাছিল কি প্ৰশ্ন কৰিছে। কিন্তু উত্তৰ চতুৰভাৱে ভূপেনদাই

ৰাখিছিল। আমি স্বাভাৱিকতে অসংখ্য সীমাহীন প্ৰশ্নৰ সন্মুখীন হৈছিলো।

ঠিক এনে সময়তে সোমাই আহিছিল লতা। মই উচ্ছ্বসিত হৈ উঠিছিলো। ভূপেনদা স্বাভাৱিকভাৱে বৰ বিনয়ী আছিল। লতাৰ মুখত সেই প্ৰশ্ন ঃ ভূপেনদা, আপুনি কেতিয়া আহিল?

ভূপেনদাৰ সৰস উত্তৰ “আভি”। তাৰ পাছত স্বাভাৱিকভাৱে আমাৰ সম্যক পৰিচয়। লতাই বিমুগ্ধ নয়নে ভূপেনদাৰ সকলো কথাৰ আঁত ধৰি গ'ল। তাৰ পাছত দুই-এপদ ইটো সিটো কথা। তাৰ মাজতে লতাই আকৌ গুণগুণালে।

ঠিক এনেতে লতা-ভগ্নী মীনাই (মংগেশকাৰ) চাহ লৈ সোমাই আহিছিল। সুন্দৰকৈ কাপত চাহ বাকি প্ৰত্যেকৰে সন্মুখত চাহৰ কাপ দিলে। চাহৰ সুগন্ধি পৰিবেশে চৌপাশে মৃদু গুঞ্জনৰ সৃষ্টি কৰিলে। ভূপেনদালৈ চাহৰ কাপটো দি লতাই ক'লে ঃ 'এই চাহ অসমৰ চাহ। মুকুট নে এ টোফা দিয়ে থে।' ভূপেনদাক কথাষাৰ লতাজীয়ে উদ্দেশ্য কৰি কৈছিল।

ঃ ভূপেনদা স্পষ্টভাষাত সদা হাস্যৰূপ। স্বাভাৱিকতে লতাক উদ্দেশ্য কৰি ভূপেনদাই কৈছিল ঃ সদায় সুগন্ধি চাহপাতৰ কথা মোক কয়, কিন্তু মনত থাকে ক'ত? এইটো পেকেট বোধহয় নৰ্থ লক্ষীমপুৰৰ মুকুট হাজৰিকাই দিছিল।' 'মুকুট হাজৰিকাক চিনি পাইছা নহয়?' আমি চিনি পোৱা বুলি কোৱাত মানুহজনে শান্তি পালে। তাৰ পাছত লতাৰ সন্মুখৰপৰা খন্তেক বিৰতি বিচাৰি দুই-এষাৰ ইটো সিটো কথা। লতা স্বাভাৱিকতে উচ্ছ্বসিত হৈ পৰিছিল।

বাহিৰৰ আকাশত তেতিয়া মুম্বাইৰ নিছিদ্ৰ আকাশৰ বিলম্বিত ছাঁয়া। ড্ৰয়িং ৰুমৰ নীলা কাৰ্পেট বাগৰি বাহিৰতনো কি আছে চোৱাৰ মন। কিন্তু কোনো সুযোগ নেপালো।

বাৰাণ্ডাত সেই নীৰব পৰিবেশে নিশ্চয় কিহবাৰ ইংগিতকে দিছিল।

লতা মংগেশকাৰ তেতিয়াও ভূপেনদাৰ লগত নানান কথাত ব্যস্ত। আমি মাত্ৰ ক্ষণিক আলোকসন্ধানী পক্ষীৰ দৰে উন্মুখ আকৃতিৰে বৈ আছো।

এনেতে হঠাতে উষা মংগেশকাৰ সোমাই·আহিছিল। সেই একেই অভিনৱ ৰূপ। লতাৰ সৰু ভগ্নী যেন লাগে। ঠিকেই, হুবহু লতা।

উষা মংগেশকাৰ। মই বোধহয় গুৱাহাটীলৈ অহাৰ আগতে যোৰহাটৰপৰা প্ৰকাশিত কোনো এখন কাকতত উষা মংগেশকাৰ সম্পৰ্কে কোনো এটা প্ৰবন্ধ লিখিবলগীয়া হৈছিল। কাৰণটো মই পাহৰিলো। নাম দিছিলো ঃ 'উষা ঃ ৰাতিপুৱাৰ

আন এটি নাম উষা'।

সেই সময়ত প্ৰবন্ধটোৱে যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। উষা মংগেশকাৰ সম্পৰ্কে অসমীয়া ভাষাত লিখা সেইটোৱেই প্ৰথম পাণ্ডুলিপি আছিল। উষাৰ বিষয়ে লিখোতে বিভিন্ন লেখকে কোৱা বিভিন্ন উক্তিৰ যথাৰ্থতা মই তাৰ যোগেদি প্ৰমাণ কৰি গৈছিলো। সেই সময়ত বিংশ শতিকাৰ মাজভাগত থিয় হৈয়ো উষা-ভগ্নী লতাৰ নিজস্ব তেজৰ দপদপনি মই কায়মনোবাক্যে তেওঁৰ বিভিন্ন উক্তিৰ দ্বাৰা প্ৰচাৰিত কথাসমূহলৈ সতৰ্ক দৃষ্টি ৰাখি বিচাৰ কৰিছিলো। তেতিয়া এক মুহূৰ্তৰ বাবেও পাহৰি যোৱা নাছিলো যে উষা মংগেশকাৰ লতাৰ দ্বিতীয়া ভগ্নী। গানত যি হয়তো লতা নহ'ব পাৰে, কিন্তু গান বুলিলে যি প্ৰতিযোগিতাৰ ভাব আহি পৰে, তাৰ মাজত উষা আছিল নিঃসন্দেহে অশেষ ৰক্তদানেৰে সজীৱ কৰি তোলা প্ৰচলিত জীৱনগাঁথাৰপৰা ব্যতিক্ৰম, ভিন্নমুখী এক অগতানুগতিক ঘটনাপ্ৰৱাহে জীপ দি তোলা সেইগৰাকী ভনীয়েকৰ ভাবমূৰ্তি। ৰাতিপুৱাই ঘৰৰ কাৰোবাৰ স'তে গা ধুবলৈ যাওঁতে জহি-খহি যোৱা সেইজনী ভনীয়েকে প্ৰত্যক্ষ কৰা লতাৰ প্ৰকৃত ৰূপ। যি নিঃসংকোচভাৱে সেই কথাও তেওঁৰ 'ডক্তৰ বাইদেউ' প্ৰবন্ধত সবিশেষ লিখি গৈছে। মহাৰাষ্ট্ৰৰ কলাপুৰ বিশ্ববিদ্যালযে প্ৰদান কৰা 'ড" বাইদেউ' উপাধিৰ সুযোগ লৈ সেই বায়েকৰ অনন্যসাধাৰণ গুণ বৰ্ণনা কৰোতে লতা প্ৰকৃত লতাৰ দৰে ৰূপায়িত হৈ আমাৰ চকুৰ আগলৈ উভতি আহে। সেই ৰূপৰ হয়তো কাহানিও কেতিয়াও ইতি পৰা নাই। স্বাভাৱিকতে ইতি নপৰেওঁ।

সময়ৰ সোঁতত বহুদিন পাৰ হৈ গ'ল। আমাৰ লিখা ইমান বৰ্তমানক আঁকোৱালি লোৱা যে অতীতৰ যিকোনো কথা স্বাভাৱিকতে আমাৰ মনত 'আজি'ৰ কথাৰ দৰে বিস্মৃতিৰ অটল গহ্বৰত তোলপাৰ লগায়, যেনেদৰে লগাইছে অতীতৰ লতা মংগেশকাৰ বা অতীত ইতিহাসৰ পূৰ্ণাঙ্গ ছবিখনে।

আগতেই কৈছো, মই ড্ৰয়িং ৰূমত বহি আছিলো। ক্ষন্তেক পাছতে ভূপেনদাই আহি মোক মাতিলে। তেওঁক অনুসৰণ কৰিলো। বাটতে ক'লে, 'উষাই কি সুন্দৰ গাইছে শুনাহি'। এটা কোঠালিৰ পৰ্দা টানি ভিতৰ সোমোৱাৰ আগতে ভূপেনদাই ক'লে যে 'এয়া লতাৰ ৰিহাৰ্চেল ৰুম। কোনো সংগীত পৰিচালককে লতাই ইয়াত সোমাব নিদিয়ে। মোক দিছে।'

দেখিছিলো, হাউছ কোট পৰিহিতা উষাই নিখুঁত উচ্চাৰণেৰে চেষ্টা কৰিছে গীতাংশৰ সুৰ অনুধাৱন কৰিবলৈ। মই চাৰিওফালে চকু বুলাইছিলো। বিভিন্ন যন্ত্ৰ পাতিৰে সজোৱা সেই কোঠালিত এখন সুবৃহৎ ফটো আছিল। লতাৰ পিতৃ, বিখ্যাত

মাৰাঠী অভিনেতা দীননাথ মংগেশকাৰ। মই ইতিমধ্যে দীননাথ মংগেশকাৰ সম্বন্ধে ভালেখিনি পঢ়িছিলো। মানুহজনৰ সংগ্ৰামী জীৱনৰ কথা জানি অভিভূত হৈছিলো।

এটা সময়ত আমি প্ৰভুকুঞ্জৰপৰা ওলাই আহিছিলো। অভাৱনীয় ব্যক্তিত্বৰ হাঁহিৰে লতাই আমাক বিদায় দিছিল। প্ৰয়োজন নহ'লেও মই পিছলৈ উভতি চাইছিলো। লতাক দেখা নাছিলো। বহু সময় ধৰি চাই থকা এখন সুৰীয়া ছবি যেন হঠাৎ নোহোৱা হ'ল, এনে লাগিছিল।

সেইবাৰেই মোৰ লতাৰ লগত প্ৰথম দেখা আছিল, কিন্তু শেষ নহয়। তাৰ বহু বছৰ পাছত মই লতাক দ্বিতীয়বাৰৰ বাবেও পাওঁ।

ইয়াৰ মাজতে লতা মংগেশকাৰে অসমৰ গুৱাহাটীলৈ অহা বিভিন্ন অনুষ্ঠানৰ সময়তো মই লতাক পাইছো। কিন্তু ঘনিষ্ঠভাৱে বা একান্তভাৱে লগ পোৱাৰ সুযোগ হোৱা নাছিল। কাৰণ, লতা আহিছিল অইন অনুষ্ঠানৰ ছত্ৰছায়াত, তাত আমাৰ প্ৰৱেশো আছিল সীমিত।

কিন্তু লতাক দ্বিতীয়বাৰৰ বাবে লগ পোৱাৰ ঘটনা মোৰ বাবে এক অতি সুখদায়ক ৰোমন্থন। মই লগ পাইছিলো মোৰ নিৰ্মীয়মান পূৰ্ণাঙ্গ ছবি 'পানী'ৰ সংগীত গ্ৰহণৰ সময়ত। ছবিৰ পৰিচালনা প্ৰফুল্ল শইকীয়াৰ। সংগীত ড° ভূপেন হাজৰিকাৰ।

পানীৰ সংগীতৰ বাবে পৰিচালক প্ৰফুল্ল শইকীয়া আৰু মই যেতিয়া তেওঁৰ নিজৰাপাৰৰ বাসভৱনত দেখা কৰিছিলো, সেই সময়ত আমি ছবিৰ এটি গীত লতাৰ হতুৱাই গোৱাৰ ইচ্ছা প্ৰকাশ কৰিছিলো।

ভূপেনদাই কিছু সময় চিন্তা কৰি কৈছিল, পৰা যাব। কিন্তু খৰচ যে বহুত পৰিব?

পৰিচালক প্ৰফুল্ল শইকীয়াই আমাৰ আগ্ৰহত পানী ঢালিবলৈ ইচ্ছা নকৰিলে। তেওঁ যেনেকৈ নহওক, যি প্ৰকাৰেই নহওক, গীতৰ ৰেকৰ্ডিঙৰ বাবে প্ৰয়োজনীয় অৰ্থ সংগ্ৰহ কৰিব বুলি ভূপেনদাক সেউজ সংকেত দিলে।

মন কৰিছিলো, ভূপেনদা আমাৰ প্ৰস্তাৱটোত বৰ আনন্দিত হোৱাৰ লক্ষণ। কাৰণ, 'এৰাবাটৰ সুৰ'ৰ সেই বিখ্যাত গীত 'জোনাকৰে ৰাতি অসমীৰে মাটি'ৰ পাছত এইটোৱে লতাৰ দ্বিতীয় অসমীয়া গীত।

লতা মংগেশকাৰে দ্বিতীয়টো অসমীয়া গীতত এককভাৱে কণ্ঠদান কৰিলে। গীতটিৰ প্ৰথম কলিটি হ'ল :

'মই অথাই জলধিৰ মাজলৈ
আহিলো সাঁতুৰি

দূৰ-দূৰণিৰ দুপাৰ এৰি
খাইছো হাবাথুৰি' – বানপানীৰ পটভূমিত মোৰ 'পানী' নামৰ উপন্যাখনৰ চিত্ৰৰূপ দিয়াৰ বাবে সাজু হৈছিল তৰুণ পৰিচালক প্ৰফুল্ল শইকীয়া। প্ৰফুল্ল শইকীয়াই কাৰ্বি আৰু ডিমাচা ভাষাত দুই-এখন উদ্দেশ্যধৰ্মী চুটি ছবি নিৰ্মাণ কৰি প্ৰশংসা বুটলিছিল। কিন্তু তেওঁ পূৰ্ণদৈৰ্ঘ্য ছবি নিৰ্মাণত তেতিয়ালৈ হাত দিয়া নাছিল। 'পানী'য়েই শইকীয়াৰ পূৰ্ণদৈৰ্ঘ্যৰ ছবি। ইয়াৰ আগতে শইকীয়া ভাৰতৰ জাতীয় চলচিত্ৰ প্ৰতিযোগিতাত এবাৰ অসমৰপৰা বিচাৰক মণ্ডলীৰ সদস্যৰূপে নিৰ্বাচিত হৈছিল।

'পানী' ছবিৰ সংগীতৰ বাবে আমি দায়িত্ব দিছিলো ড° ভূপেন হাজৰিকাক। প্ৰফুল্ল আৰু মই আলোচনা কৰি এটা সিদ্ধান্তলৈ আহিলো যে লতা মংগেশকাৰৰ হতুৱাই এটি অসমীয়া গীত গোৱাব পাৰিলে এক অসাধ্য সাধন হ'ব। আমি জানিছিলো, সকলো নিৰ্ভৰ কৰিব ভূপেনদাৰ সম্মতিৰ ওপৰত।

ইতিমধ্যে ভূপেনদাই বোম্বেৰ স'তে যোগাযোগ আৰম্ভ কৰি দিলে। সৌভাগ্যবশতঃ গম পালো যে লতা মংগেশকাৰে সম্মতি জনাইছে আৰু ৰেকৰ্ডিঙৰ বাবে তেওঁৰ বাবে মুকলি হৈ থকা কেইটিমান তাৰিখৰ কথাও জনাইছে। আমি স্বাভাৱিকতে বৰ উৎসাহিত হ'লো।

পানীৰ চিত্ৰনাট্য ময়ে লিখিছিলো। গতিকে কাহিনী অনুযায়ী তেনেধৰণৰ গীতৰ প্ৰয়োজন থকা এটি বিশেষ ছিচুৱেশ্বন উলিয়াই গোৱা হ'ল। সংগীত পৰিচালক ভূপেনদাক সেই বিষয়ে জনোৱা হ'ল।

ভূপেনদাই 'পানী' ছবিৰ আটাইকেইটা গীত লিখি উলিয়ালে। কোনোবাটো চেৰাপুঞ্জীত কোনোবাটো নিজৰাপাৰত, কোনোবাটো নৃত্যশিল্পী ইন্দিৰা পি পি বৰাৰ বাসভৱনত।

আমি থিৰাং কৰিছিলো যে ছবিৰ বাবে লতাৰ গীতটি কেৱল বোম্বেত্ত গ্ৰহণ কৰা হ'ব, বাকীকেইটি গ্ৰহণ কৰিম কলিকতাত। আৰু এদিন আমি বোম্বেলৈ ৰাওনা হ'লো। এই কথা স্পষ্টকৈ কোৱা ভাল হ'ব যে বোম্বেত আমাৰ সংগীত গ্ৰহণৰ সকলো যোগাযোগৰ মাধ্যম আছিল 'একপল' ছবিৰ চিত্ৰ পৰিচালিকা কল্পনা লাজমী। আমি কোনো দিশতে চিন্তা কৰিব নলগাকৈ সকলো তেওঁ ঠিক কৰি গৈছিলে। ভূপেনদায়ো সততে কল্পনাৰ স'তে এই সন্দৰ্ভত যোগাযোগ ৰাখিছিল। বোম্বে আমি যেতিয়া গৈ পাইছিলো, তাৰ আন কিছু প্ৰাৰম্ভিক প্ৰয়োজনো আছিল। আমি সিদ্ধান্ত কৰিছিলো যে প্ৰথমতে কলিকতাৰ ৰেকৰ্ডিংখিনি শেষ কৰি লতাৰ গীত গ্ৰহণৰ বাবে যাম।

ইতিমধ্যে ভূপেনদাই গীতকেইটি লিখি উলিয়াইছিল। অকল লিখাই নহয়, গীতকেইটিত সুৰ সংযোজনাও কৰিছিল। কলিকতাস্থ তেওঁৰ টালীগঞ্জস্থ বাসভৱনত যেতিয়া গীতৰ সুৰ আমাক শুনাইছিল, আমি মুগ্ধ হৈছিলো। দুই-এদিন সময় লৈ ঘঁহি-পিহি সেই সুৰকে তেওঁ মিহি কৰি ল'লে। ভূপেনদাৰ নিয়ম অনুযায়ী তেওঁ লতাই গাবলগীয়া গীতটি কেৱল গীটাৰৰ সহায়ত কেছেটত তুলি লতালৈ পঠিয়াই দিছিল। সেই কেছেটৰ স'তে লতাই গাবলগীয়া গীতৰ অসমীয়া কথাখিনিৰ হুবহু হিন্দী অনুবাদ পঠাইছিল। এইটো কৰাৰ উদ্দেশ্য আছিল, লতাই আগতীয়াকৈ সাজু হ'ব। বোম্বেৰ প্ৰবীণ শব্দযন্ত্ৰী ডি. অ.' বানচালী তাৰদেউত অৱস্থিত ফেমাছ চিনে লেবত আমাৰ সংগীত গ্ৰহণৰ আয়োজন কৰা হৈছিল। বানচালী আৰু সেই ষ্টুডিঅ'টো মোৰ আগৰে চিনাকি। কাৰণ, অসমীয়া 'চামেলি মেমচাব'ৰ সংগীত গ্ৰহণ আমি তাতেই কৰিছিলো। সেই সংগীত, যি অসমীয়া ছবিৰ বাবে প্ৰথমবাৰৰ বাবে সৰ্বভাৰতীয় জাতীয় পুৰস্কাৰ কঢ়িয়াই আনিছিল।

আমি যেতিয়া বোম্বে গৈ পাইছিলো, তেতিয়া লতাই ইতিমধ্যে গীতটি শিকি উঠা বুলি গম পাইছিলো। বিখ্যাত সংগীত পৰিচালক অনিল মুহলেৰ পৰা। এই অনিল মুহলে নোহোৱাকৈ লতাই বাহিৰৰ কোনো সংগীতানুষ্ঠানতে অংশগ্ৰহণ নকৰে। সেয়া লণ্ডনৰ এলবাৰ্ট হলতে হওক বা গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামতে হওক। অনিল মুহলে বোম্বেত গৃহীত ভূপেনদাৰ আটাইবোৰ সংগীতৰে এৰেঞ্জাৰ। জুইৰ দৰে প্ৰতিভাসম্পন্ন সংগীতজ্ঞ অনিলৰ ওচৰ নাচাপিলে·ধৰিবই নোৱাৰি।

দুই-এটা শব্দ সম্পৰ্কে যি বিভ্ৰান্তি আছিল বা সুৰ সম্পৰ্কে যি সন্দেহ আছিল, সেইটো অনিলে ভূপেনদাৰপৰা সুধি লৈছিল আৰু সেইমতেই 'দিদি' অৰ্থাৎ লতাক কৈছিল।

আমি বোধহয় বোম্বেলৈ ৰেলেৰে গৈছিলো। তেতিয়া বোম্বেত ধাৰাসাৰ বৰষুণ। যিখন ট্ৰেইনত আমি গৈছিলো. সেই ট্ৰেইনখন ৰেলআলিত পানী জমা হোৱা বাবে কোনোবা এটা ষ্টেচনৰপৰা আগনবঢ়া হৈছিল। উপায়হীন হৈ বয়বস্তু লৈ আমি লোকেল ট্ৰেইনত ভি টিলৈ বুলি ৰাওনা হৈছিলো। আমাৰ লগত আছিল সহকাৰী পৰিচালক প্ৰবীণ হাজৰিকা আৰু স্থিৰ চিত্ৰগ্ৰহণকাৰী শিৱানন বৰুৱা। তিতি-বুৰি জলৌ-জপৌ আমি বোধহয় শান্তিদূত হোটেলত উঠিছিলো।

সেই সময়ত বোম্বেৰ বতৰ বৰ বেয়া আছিল। বৰষুণ আৰু বৰষুণ। বোম্বেৰ বৰষুণ সম্পৰ্কে যাৰ অভিজ্ঞতা আছে, এই কথা সহজে বুজিব পাৰিব। আমাৰ যিদিনা লতাৰ গীতৰ সংগীত গ্ৰহণ আছিল সেইদিনাও পুৱাৰেপৰা নেৰানেপেৰা

বৰষুণ। আমি অলপ চিন্তাত পৰিছিলো। বোম্বেৰ যন্ত্ৰশিল্পীসকলৰ সময়জ্ঞান মন কৰিবলগীয়া। নিৰ্দিষ্ট সময়তে আঠাইবোৰ যন্ত্ৰশিল্পী আহি ষ্টুডিঅ' ওলাইছিল। আহিছিল এৰেঞ্জাৰ অনিল মুহলে। তেওঁ আহিয়েই ষ্টুডিঅ'ৰপৰা লতালৈ ফোন কৰিছিল। মই ওচৰতে আছিলো। ক'লে যে দিদি ৰেডি আছে।

বাহিৰত ধাৰাসাৰ বৰষুণ। বৰষুণৰ বাবে ভূপেনদা অহাত কিছু বাধাপ্ৰাপ্ত হৈছিল। এটা সময়ত তেওঁ আহি ওলাইছিল। ষ্টুডিঅ'ৰ বাৰাণ্ডাত অসীম উৎকণ্ঠাৰে অপেক্ষা কৰা মোক টেক্সিৰপৰা নামিয়ে প্ৰশ্ন কৰিছিল, লতা আহিছে নেকি?

তেতিয়ালৈ লতা অহা নাছিল। কিন্তু কিছু সময় পাছত লতা মংগেশকাৰ আহি ওলাইছিল। কিন কিন বৰষুণৰ মাজেদি লতাজীক আগবঢ়াই আনিছিলো মই আৰু পৰিচালক প্ৰফুল্ল শইকীয়াই।

শুধ বগা ৰঙৰ নীলা ফুল থকা এখন সাধাৰণ চাদৰ লৈ লতা আহিছিল। ডিঙিত ওলমি আছিল সোণৰ চেইন লগোৱা চছমাযোৰ। মুখত সেই অনবদ্য হাঁহি তেতিয়াও বিৰাজমান। অকল লতা নহয়, তেওঁৰ সতে আহিছিল তেওঁৰ কনিষ্ঠা ভগ্নী উষা মংগেশকাৰ।

লতা পোনচাটেই ৰেকৰ্ডিং ৰুমত সোমাইছিল। হাৰমনিয়াম লৈ চোফা এখনত বহি থকা ভূপেনদাৰ ওচৰ চাপিছিল। অপূৰ্ব সুধাকণ্ঠেৰে চাদৰৰ আঁচল টানি টানি লতাই গাবলগীয়া গীতটি গাই গৈছিল। যি যি ঠাইত তেওঁৰ সন্দেহ আছে, সেইবোৰ শুধৰাই লৈছিল। নিয়ম মানিয়ে মই বাহিৰলৈ আহিছিলো। পৰিচালক প্ৰফুল্ল তাতেই আছিল। ভূপেনদাই মোক মাতি পঠিয়াইছিল। চকুৱে-মুখে ভূপেনদাৰ আনন্দৰ জিলিঙনি। আমি কেনে পাইছো, সেই সম্পৰ্কে তেওঁৰ গভীৰ উৎকণ্ঠা।

এবাৰ নহয়, লতাই কেইবাবাৰো গাবলগীয়া গীতটিৰ আখৰা কৰিলে। এৰেঞ্জাৰ অনিল মুহলে লতাৰ ওচৰত বহিলহি। ভূপেনদা উঠি আহিছিল। ৰৈ থকা মোক গভীৰ উৎকণ্ঠাৰে সুধিছিল : 'কেনে'? বোধহয় মই কৈছিলো : 'জবাব নেই'।

ভূপেনদাই যন্ত্ৰশিল্পীসকলৰ ওচৰ চাপি মনোযোগেৰে বিভিন্ন যন্ত্ৰ শুনিবলৈ আৰম্ভ কৰিছিল। য'ত যি তেওঁ বিচাৰিছে, সেই কথা কৈ গ'ল। ভূপেনদাৰ আকৌ প্ৰশ্ন - 'উচ্চাৰণ ঠিক আছেতো?' লতাই একান্ত বাধ্য ছাত্ৰীৰ দৰে গভীৰ মনোযোগেৰে গীতটিৰ সুৰত গাই গৈছিল।

এটা সময়ত গীতটি গ্ৰহণৰ বাবে সাজু হ'ল ভূপেনদা। লতাক মাতিলে। অতি আত্মবিশ্বাসেৰে লতা গৈ মাইক্ৰ'ফোনৰ ওচৰত থিয় হ'ল। সমুখত হিন্দী আৰু মাৰাঠী ভাষাত লিখা গীতটি। কোনোফালে নোচোৱাকৈ গভীৰ মনোযোগেৰে লতাজী

মাইক্ৰ'ফোনৰ ওচৰত আপোনমনে গুণগুণাই থাকিল।

শব্দযন্ত্ৰী বানচালীয়ে সোমাই আহি মাইক্ৰ'ফোনটো এডজাষ্ট কৰি দিলে। ভূপেনদাই চিঞৰি উঠিল - 'উই আৰ ৰেডি, টেক ইট'।

পৰিচালিকা কল্পনা লাজমীয়ে তেওঁৰ ভেনিটি বেগত সুমুৱাই অনা নাৰিকল এটা উলিয়াই আনিলে। সেইটো ভঙা হ'ল। যিকণ পানী ৰ'ল, তাৰে অকণমান লতাজীয়ে খালে। ভূপেনদাই খালে।

আৰম্ভ হ'ল গীত গ্ৰহণৰ প্ৰস্তুতি। জীৱনত যেন প্ৰথম গীতহে গাব, এনে এক ভংগীত লতাজী এজনী সৰু স্কুলীয়া ছোৱালীৰ দৰে থিয় হৈ ৰ'ল। গীতৰ কথাৰ ওপৰত তেওঁৰ তীক্ষ্ণ চকু। ভূপেনদা চিঞৰি উঠিছিল। - 'ৰেডি, ৱান, টু, থ্ৰি'।

বহু বছৰৰ মূৰত সেই অবিস্মৰণীয় 'জোনাকৰে ৰাতি'ৰ পাছত লতা মংগেশকাৰে গাই গ'ল ঃ

'অথাই জলধিৰ মাজলৈ
আহিলো সাঁতুৰি
দূৰ-দূৰণিৰ দুপাৰ এৰি
খাইছো হাবাথুৰি'

দুবাৰ নে তিনিবাৰৰ মূৰত গীতটিৰ টেকিং ও.কে. হ'ল। লতাজীৰ অপূৰ্ব কণ্ঠ মাধুৰ্যই আমাক সকলোকে মোহিত কৰিলে। পৰিচালক প্ৰফুল্ল শইকীয়াক বৰ আনন্দিত দেখা গ'ল আৰু অতি নিখুঁতভাৱে আমাৰ সংগীতগ্ৰহণ অনুষ্ঠান কোনো বাধা নোহোৱাকৈ সমাপ্ত হৈছিল।

লতা মংগেশকাৰ নিজেও বৰ আনন্দিত হৈছিল। বাণীবদ্ধ হোৱাৰ পাছত তেওঁ বাৰে বাৰে সুধিছিল, উচ্চাৰণ ঠিক আছেনে নাই। ভনীয়েক উষা মংগেশকাৰ, যি কেইবাটিও অসমীয়া গীতত সুন্দৰভাৱে নেপথ্য কণ্ঠদান কৰিছে, অসমীয়া ভাষাৰ বিষয়ে অলপ বেছি অভিজ্ঞতা থকাৰ দৰে বায়েকক কিবা নিৰ্দেশ দিয়াও দেখা গৈছিল।

আমাৰ এখন কঠিন যুদ্ধ জয় কৰা যেন অনুমান হৈছিল। তাৰ পাছত আমি লতাজীৰ স'তে ভালেমান ফটো তুলিছিলো। লতাজীয়ে বৰ আনন্দেৰে আমাৰ স'তে সহযোগ কৰিছিল।

গীতটি শুনিবলৈ যেতিয়া শব্দযন্ত্ৰী বানচালীৰ বিভিন্ন যন্ত্ৰপাতিৰে ভৰা কোঠালিলৈ সোমাইছিলো, তেতিয়া মোৰ কাণত পৰিছিল, লতাজীয়ে গোৱা গীতটি বানচালীয়েও গুণগুণাইছে।

লতা মংগেশকাৰে আমাৰপৰা বিদায় লৈ বিজুলীৰ দৰে খন্তেকতে নোহোৱা হ'ল। ভাব হৈছিল, এটা ধুনীয়া সপোন যেন হঠাতে ভাঙি গ'ল। তাৰ পাছত আমি ওচৰৰে 'পুৰোহিত' নামৰ নিৰামিষ ৰেষ্টুৰেন্টখনত খাবলৈ বহিছিলোঁ। যি আমিষ পৰিবেশৰপৰা ওলাই আহিছিলো, তাৰ পাছত নিৰামিষেই ভাল বুলি ভাবিছিলোঁ।

'পানী' ছবিৰ উক্ত গীত অসমৰ সমূহ সুৰীয়া শ্ৰোতালৈ নিঃসন্দেহে এক ব্যতিক্ৰম। গীতৰ কথা তথা সুৰমাধুৰ্যৰ চানেকিৰে উক্ত গীত আমি আলফুলে লৈ আহিছিলো। উক্ত গীতৰ পুনৰ প্ৰচাৰ অসমীয়া সঙ্গীতৰ ক্ষেত্ৰত এক ব্যতিক্ৰম হ'ব বুলি আমাৰ ধাৰণা হ'ল।

লতা মংগেশকাৰে পৰিবেশন কৰা উক্ত গীতৰ পাছত আমাৰ ক'বলৈ একো নাই। গীতটি বাণীবদ্ধ কৰাৰ অন্তত আমি পুলকিত হৈ স্বাভাৱিকতে নিৰামিষ আহাৰ গ্ৰহণ কৰি আমিষ আহাৰৰ সোৱাদ অনুভৱ কৰিছিলো।

লতাৰ কণ্ঠৰদ্বাৰা অসমীয়া দ্বিতীয় গীত 'পানী' ছবিৰ বাবে উক্ত গীত পৰিবেশন কৰা লতাৰ সুকীয়া সুৰমাধুৰ্য নিহিত আছে। গীতটি নিশ্চয় যি শুনিছে, সেয়া স্বাভাৱিকতে হৃদয়ংগম কৰিব পাৰিব বুলি আমাৰ ধাৰণা।

ছবিত লতাৰদ্বাৰা পৰিবেশিত উক্ত গীত আমি অতি সাধাৰণভাৱে তুলি ধৰিছো। ফুলনিৰ মাজেদি শাৰীৰ আঁচলৰ তলত নিগৰি উঠা অখ্যাত শিল্পীৰ হাতবুলনিৰে সজীৱ সেই ফুলৰ সৌন্দৰ্য মায়াৰ প্ৰচণ্ডতাত স্বাভাৱিকতে আমিও বন্দী হৈ পৰিছিলো।

তেনেদৰেই আৰম্ভ হৈছিল 'পানী' ছবিৰ দৃশ্যগ্ৰহণ, তেনেদৰেই সমাপ্তি ঘটিছিল এটি মোহনীয় স্বপ্নৰ তাৎক্ষণিক সামৰণি।

হয়তো গীতৰ পৰিবেশ সঁচাকৈয়ে বৰ মিঠা আছিল। পৰিবেশ বৰ উষ্ণ আছিল।

ভয়াবহ বানপানীৰ শীতল পৰিবেশত মই বোধহয় তাৎপৰ্যপূৰ্ণভাৱে হেৰাই গৈছিলো। 'পানী' ছবিৰ দৃশ্যগ্ৰহণ আৰু শ্বুটিং চলি থাকোঁতে কন্ধ হৈ যোৱা মোৰ ভাবানুভূতি যেন কাৰোবাৰ সঁহাৰি পাই আকৌ মূৰ্তমান হৈ উঠিছিল। 'পানী'ৰ শ্বুটিঙৰ অৱসৰত মই বাৰে বাৰে আকৰ্ষিত হৈছিলোঁ মোৰ সৃষ্ট চৰিত্ৰ ক্ৰমাগত ধৰণী মৌজাদাৰ, আন্নুনা, বলভদ্ৰ চৌধুৰী আৰু ছবিৰ নায়ক বিজয়শংকৰে ৰূপ দিয়া চৰিত্ৰসমূহৰ মাজত। এই প্ৰতিটো চৰিত্ৰ সুকীয়া বৈশিষ্ট্য লৈ ছবিৰ মাজত বিৰাজ কৰিছিল। প্ৰচলিত অৰ্থত কোনো চৰিত্ৰৰে সুকীয়া বৈশিষ্ট্য লৈ আবিৰ্ভাব নঘটে, কিন্তু পানী ছবিৰ শ্বুটিঙৰ অৱসৰত মই মোৰ সৃষ্ট চৰিত্ৰসমূহৰ মাজত আন্তৰিকভাৱে সোমাই আহ-যাহ কৰিবলৈ যত্ন কৰিছিলোঁ আৰু বোধহয় সফলো হৈছিলোঁ। মই পানী ছবিৰ শ্বুটিং চলি থকোঁতে ইমান সহজভাৱে একাত্মবোধ কৰা খুব কমেই দেখা

শোৱা যায়।

'চামেলি মেমচাব' সাংগীতিকভাৱে অভুতপূৰ্ব সাফল্য লভা এখন বৈশিষ্ট্যপূৰ্ণ ছবি। এই ছবিৰ সাফল্যই মোক তেজপুৰৰপৰা ডুমডুমালৈ নানান তৰহৰ জাগৃত অৱদানেৰে উপকৃত কৰা মনত আছে। 'চামেলি মেমচাব' অকল অসমীয়া ভাষাতে নিৰ্মাণ হোৱা এখন সফল ছবি নাছিল, বাধাহীনভাৱে পোৱা মানুহৰ অপৰ্যাপ্ত মৰম চেনেহেৰে বিগলিত হোৱা এটি কৰুণ কাহিনী, যি কাহিনীৰ পূৰ্ণ ৰূপ বিভিন্ন ভাষাৰ ছবিৰ মাধ্যমেদি নানানজন শিল্পীৰ অভিব্যক্তি আৰু প্ৰতিচ্ছায়াৰ এক জ্বলন্ত ৰূপ। চামেলি মেমচাব সাৰ্থকভাৱে অসমীয়া ছবি হিচাপে বাইজৰ শুভাশিস বিচাৰি ইমূৰ সিমূৰ ঘূৰিছে। আৰু তাৰ জ্বলন্ত ছবি হিচাপে নিগাজি ৰূপ মানুহৰ মাজত থিতাপি ল'বলৈ সক্ষম হৈছে। 'চামেলি মেমচাব'ৰ কাহিনী হিচাপে বিশেষত্ব একো নাছিল, কিন্তু চিত্ৰিক চৰিত্ৰ আৰু কাৰ্য্যাৱলীৰ মাজত দৰ্শকে নানান ধৰণে খেলা কৰিবলৈ সুযোগ পাইছিল।

'চামেলি মেমচাব'ৰ সাংগীতিক সাফল্যই দেশজোৰা খ্যাতি লভিছিল। বঢ়াই কোৱা নহ'ব, যদি মই কওঁ, এইখন ছবিৰ সাংগীতিক সাফল্যই এক অনন্যসাধাৰণ ক্ৰিয়া কৰিবলৈ সক্ষম হৈছিল। যাৰ জ্বলন্ত ৰূপ আমি দেখিছিলোঁ অসমৰ বিভিন্ন ঠাইত, এই ছবিয়ে সমাদৰ পোৱা আৰু জনসাধাৰণৰ অকৃপণভাৱে ঢালি দিয়া মৰমৰ মূৰ্ত প্ৰকাশত।

'চামেলি মেমচাব' হিন্দী কেনেকৈ হ'ল? তাৰো এটি মজাৰ কাহিনী আছে। সেই কাহিনী নক'লে মোৰ নিস্তাৰ নাই।

ছবিখন তেতিয়া কলিকতাত নিৰ্মাণ হৈ আছে। দুই-এক কলিকতীয়া নিৰ্মাতাই ছবিখন চাইছিল আৰু ছবিৰ অব্যৱহৃত পটভূমিৰ ৰূপত মুগ্ধ হৈছিল। সেই মুগ্ধতা সেইসকল নিৰ্মাতাই নিজৰ ভিতৰতে লুকাই ৰাখিছিল।

এদিনৰ কথা। মই বোধহয় আব্দুল মজিদৰ স'তে ফিল্ম ছাৰ্ভিচেজ লেবৰেটৰীলৈ গৈছিলোঁ। তাতেই এজন মানুহ বহি আছিল। শকত-আৱত মানুহজনে কিতাপ এখন বৰ মনোযোগেৰে চাই আছিল। মজিদ চাহাব গহীন মানুহ। অৱথা উত্তেজনাত তেওঁ কেতিয়াও চঞ্চল নহয়। সেইদিনাও নিৰ্বিকাৰভাৱে তেওঁ মোৰ স'তে ফিল্ম ছাৰ্ভিচেজ লেবৰেটৰীলৈ সোমাইছে। বহি থকা মানুহজনে টপৰাই বহা ঠাইৰপৰা মজিদ চাহাবলৈ লক্ষ্য কৰি হঠাতে কৈ উঠিছিল ঃ 'মই ফিল্ম ডাইৰেক্টৰীৰ বহু পাত লুটিয়ালোঁ, কিন্তু নিৰোদ চৌধুৰীৰ ঠিকনা নাপালোঁ। আপোনাৰ কাষত আছে জানো চৌধুৰীৰ ঠিকনা

আৰু ফোন নম্বৰ?' সোমাবলৈ ব্যগ্ৰ হোৱা মোৰ ভবি থমকি ৰৈছিল। উক্ত মানুহজন আছিল অজিত লাহিড়ী। যাৰ সৌ সিদিনা হোৱা মৃত্যুৱে বহু ভোকাতুৰ মানুহৰ অন্তৰ দহিব বা দহিছিল। এটি অদ্ভুত চৰিত্ৰৰ মানুহ আছিল এই অজিত লাহিড়ী।

বিয়া-বাৰু কৰোৱা নাই। দিনটো অলৰ-অচৰভাবে টেকনিচিয়ান ষ্টুডিঅ'ত সময় কটায়। বিভিন্ন ছবিৰ খা-খবৰ লয় আৰু যথাসম্ভৱ কিবা পাৰিলে সহায় আগবঢ়ায়। আৰ্থিক স্বচ্ছলতাত মানুহজন কেতিয়াও ভোগা নাছিল। সদায় সহায় আগবঢ়াবলৈ সচেষ্ট আছিল।

ফিল্ম ছাৰ্ভিচেজ লেবৰেটৰীত সেইদিনা সোমাওঁতে মজিদ চাহাবক সোধা সেই প্ৰশ্নত ময়ো আচৰিত হৈছিলোঁ। মজিদ চাহাবে সাধাৰণভাৱে কথাযাৰত উত্তৰ দি কৈছিল ঃ 'আপুনি নিৰোদ চৌধুৰীৰ লগত কথা পাতিবই নেকি?' মানুহজনৰ মুখত অলেখ প্ৰশ্ন। মজিদ চাহাবৰ উত্তৰ শুনি ময়ো খন্তেক থমকি ৰৈছিলোঁ। তাৰ পাছত মজিদ চাহাবে উত্তৰ দিছিল এনেদৰে ঃ'মোৰ ওচৰত নিৰোদ চৌধুৰীৰ ঠিকনা নাই আৰু চৌধুৰীৰ ঠিকনাৰ প্ৰয়োজনো নাই। আপুনি নিৰোদ চৌধুৰীক লগ পাব খুজিলে এয়া নিৰোদ চৌধুৰী।'

মানুহজনে অবাক এক দৃষ্টিত মোৰ মুখলৈ চাই ৰ'ল। তাৰ পাছত নম্ৰভাৱে ক'লে ঃ 'আপোনাক বহুত ধন্যবাদ।' মানুহজনে মোক অবাক কৰি লগে লগে কৈছিলঃ 'আপোনাক বিচাৰি গোটেই ফিল্ম ডাইৰেক্টৰী, ফোন গাইড লুটিয়ালো, কিন্তু ক'তো আপোনাৰ ঠিকনা বা ফোন নম্বৰ নাপালো।'

মানুহজনৰ উত্তৰত মই সচেষ্ট হৈ উঠিলোঁ। যোৰাদীঘিৰ চৌধুৰী পৰিবাৰ, আৰণ্যক, গড় নাচিমপুৰ আদি ছবিৰ চলচ্চিত্ৰকাৰ অজিত লাহিড়ী এইজনেই। মই সুতীব্ৰ চাৱনিৰে তেওঁৰ মুখলৈ লক্ষ্য কৰিলোঁ।

মানুহজন সচেষ্ট হৈ আৰু আথেবেথে ক'লে ঃ আহক চৌধুৰী, মই অজিত লাহিড়ী। তাৰ পাছত নমস্কাৰ বিনিময়। অভিন্ন এক অন্তৰখোলা মানুহ এই অজিত লাহিড়ী। মানুহজন অবাক হৈ কিছুসময় থিয় হৈ থাকি আকৌ এবাৰ টেলিফোন গাইডৰ ওচৰলৈ গৈ এটা নম্বৰত ফোন কৰিলে। ফোনত সেই ফালৰপৰা উত্তৰ আহিল ঃ আপুনি নেপাল বাবুক বিচাৰিছে। অকণমান ধৰক।

নেপাল বাবুৰ ফোনত মাত শুনা গ'ল। মই সতৃষ্ণ নয়নে সেই দৃশ্য পৰ্যবেক্ষণ কৰিছিলোঁ।

অজিত লাহিড়ীৰ শেষ কথা তেতিয়াই বুজা গ'ল। কিছু সময় তেওঁলোকৰ মাজত যুক্তি-তৰ্কৰ অৱতাৰণা হ'ল, অৱশেষত কিবা এটা বোধহয় মীমাংসালৈ নামি

আছিল।

এইবাৰ অজিত লাহিড়ীৰ শেষ কথা। আপুনি টকা ভেৰশ যোগাৰ কৰি থ'ব, মই মানুহজনক লৈ যাম।

চকুৰ পলকতে ৩৭ বি গ'লফ ক্লাব ৰোডৰপৰা এখন টেক্সিত আমি মদন ষ্ট্ৰীট পালোঁগৈ।

চৌদিশে কেৱল ডিষ্ট্ৰিবিউটৰহ অফিচ। তাৰ মাজত এখন ছাইনবোৰ্ড থকা ঘৰলৈ আমি নিঃসংকোচমনে উঠি গ'লোঁ।

মোৰ আগে আগে অজিত লাহিড়ী, পিছত মই।

মই তেতিয়ালৈ ভবা নাছিলোঁ যে সেয়াই মোৰ জীৱনৰ কৰ্মভূমি হ'বগৈ। যি কৰ্মভূমিৰ প্ৰেৰণা বিচাৰি বহু মানুহে নিঃসংকোচমনে নিজকে আত্মসমৰ্পণ কৰে।

হিন্দী 'চামেলি মেমচাব'খনৰ আৰম্ভ কেনেকৈ হৈছিল, এই বিষয়ে মই ক'ব খুজিছো। ছবিখনৰ 'ৰাশ্বপ্ৰিণ্ট' চায়েই বহুতে তাইৰ প্ৰেমত পৰিছে। তাৰে ভিতৰত অন্যতম আছিল অজিত লাহিড়ী।

অজিত লাহিড়ী তেতিয়া মোৰ বাবে একেবাৰে অচিনাকি আছিল। মানুহজনৰ কীৰ্তি-কলাপ শুনিছিলো। প্ৰত্যক্ষভাৱে মানুহজনৰ লগত যোগাযোগ হোৱা নাছিল। আচৰিতভাৱে বম্বে অফিচত ছবিখনে সঠিক মূল্যায়ন নৌকৰোঁতেই ছবিখনৰ বিষয়ে বিভিন্ন বিষয়ত মই কলিকতীয়া কাকতত মন্তব্য অনুধাবন কৰিছিলো। সেই মন্তব্যসমূহৰ কিছুমান অত্যন্ত আশাব্যঞ্জক, কিছুমান নিৰ্ভেজাল নিৰাশজনক, তথাপি মই বৰ আশাৰে ছবিখন চাইছিলো। মদনষ্ট্ৰীটৰ দীঘলীয়া চিৰি বগাই আমি উঠি গৈছিলো। অজিত লাহিড়ী আগে আগে, মই কিছু পিছত তেওঁক অনুকৰণ কৰিছিলোঁ।

সোমাই যাওঁতে মন কৰিছিলো যে কেইবাজনো মানুহে অজিত লাহিড়ীক নমস্কাৰ দিছে। তেওঁ কাৰোবাক নাম কাঢ়ি মাতিছিল, কাৰোবাক চমু উত্তৰ দিছিল। সমুখত মোৰ তেতিয়া নানান ভাৱৰ খেলিমেলি।

বহল এটা কোঠালিত আমি সোমাই পৰিছিলোঁ। কোঠালিটোৰ মাজমজিয়াত নিবিষ্টমনে এজন মানুহে কিবা লিখি আছিল। অজিতে বাবুৱে কোনোফালে মন নকৰাকৈ মানুহজনৰ সম্মুখত থিয় হৈ কৈ উঠিছিল ঃ 'এই যে নেপাল বাবু'। তাৰ পাছত মোলৈ উভতি চাই অজিত বাবুৱে টপৰাই কৈছিল ঃ 'নমস্কাৰ দেবেন।'

মই চমকিত হৈ উঠিলেও একো কোৱা নাছিলোঁ। মই বুজি পালো, এইজনেই নেপাল বাবু, যাৰ বিষয়ে মই পূৰ্বে অকণমান আভাস দিছো।

চিনাকি হৈছিল। ওখ-খীণ মানুহজন মোৰ বাবে সাধাৰণ এজন বঙালী মানুহ

যেনেই লাগিছিল। মানুহজনে অজিত লাহিড়ীক দেখি আকৌ সুধিলে ঃ ‘ক’তা, আপুনি ‘চামেলি মেমচাব’ৰ লেখকক মোৰ লগত পৰিচয় কৰাই দিব খুজিছিল।’ এইবাৰ অজিত লাহিড়ীৰ পাল। স্বাভাৱিকতে মোৰ বাবে অস্বস্তিকৰ সেই পৰিৱেশৰপৰা উদ্ধাৰ পোৱাৰ কোনো আশা নাছিল।

মই মানুহজনক নমস্কাৰ দিছিলোঁ। প্ৰতিনমস্কাৰ জনাই মানুহজনে কিছুসময় মৌনে চাই থাকি অলপ পাছত কৈছিল ঃ ‘একো মন নকৰিব।’

ইয়াৰ আগতে মই এটা কথা ক’বই লাগিব যে ছবিখন তেতিয়া যিয়েই চাইছে তাৰে মনৰ কিছু কথা মই গম পাইছিলোঁ। উদাহৰণস্বৰূপে ভূপেনদা (ড° ভূপেন হাজৰিকা)।

তেওঁ ছবিখন চাই উঠি মৌলে এখন চিঠি লিখিছিল। সেই চিঠি মোৰ পুৰণি। কৰ’বাত সোমাই আছে। তেওঁ চিঠিখন লিখিছিল এনেদৰে। চিঠিখনৰ অংশবিশেষ ঃ ‘কালি মই ৰাতি ভালদৰে শুব নোৱাৰিলো। এতিয়া দোকমোকালি। কালি আব্দুল মজিদ পৰিচালিত ‘চামেলি মেমচাব’ ছবিখন চালোঁ। এই ছবিখন চাই মোৰ সিদ্ধান্ত হ’ল যে ছবিখনে কিবা এটা যদি পুৰস্কাৰ নেপায়, তেনে মোৰ নাম ওলোটাই থ’বা।’

নাম ‘ওলোটাই’ থ’বলগীয়া নহ’ল। ভূপেনদাৰ কথাই সঁচা অৰ্থত সমগ্ৰ অসমে আদৰণি জনালে। যাৰ প্ৰত্যক্ষ ফল আমি উপলব্ধি কৰিছিলো তেজপুৰৰ ‘হেম বৰুৱা ভৱনত’। আমাৰ ‘চামেলি মেমচাব’ক প্ৰথম আদৰণি জনাইছিল তেজপুৰৰ কোনোবা এটা অনুষ্ঠানে। তাৰ পাছত গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, ডুমডুমা ইত্যাদিত। প্ৰতি সভাত প্ৰথমে অলপ কথা কৈছিল মজিদ চাহাবে, তাৰ পাছত মই আৰু একেবাৰে শেষত ভূপেনদাই। ভূপেনদাই নিজৰ বিনম্ৰ সৃষ্টিক অতি সাধাৰণভাৱে বৰ্ণাইছিল। সেই বৰ্ণনাত কোনো অতিৰঞ্জিত ব্যাখ্যা নাছিল, কেৱল সেয়া যে তেওঁৰ একাণপতীয়া চেষ্টাৰ ফলশ্ৰুতি, সেই কথা দোহাৰিছিল।

ভূপেনদাই ছবিৰ আবহসংগীত ৰচনা কৰিছিল। ভূপেনদাই অন্য ছবিত ব্যৱহাৰ কৰাৰ দৰে এই ছবিৰো সংগীতাংশত থূলমূলভাৱে আবহসংগীত ৰচনা কৰিছিল। একেটা দৃশ্যতে পৃথক পৃথক সংগীত ৰচনাৰ উদাহৰণ তেওঁ ‘চামেলি মেমচাব’ৰ যোগেদি ৰাখিব পাৰিছিল। চিঠিত ছবিৰ মিউজিক সম্বন্ধে তেওঁ লিখিছিল ঃ ‘ছবিৰ গীতসমূহ অৰ্থপূৰ্ণভাৱে খাপ খাই পৰা যেন লাগিছে। ছবিৰ আবহসংগীত মই প্ৰচণ্ডভাৱে বিষয়বস্তুৰ মাজত সোমাই পৰি ৰচনা কৰিবলৈ চেষ্টা কৰিছো। তোমালোকে বোধহয় বেয়া নাপাবা।’ ভূপেনদাই ছবিৰ আবহসংগীত ভাগ ভাগকৈ ৰচনা কৰিছে।

সমগ্ৰ ছবিখনতে ছবিৰ সংগীতাংশই এক বৈশিষ্ট্যপূৰ্ণ ভূমিকা লৈ অৱতীৰ্ণ হোৱা লক্ষ্য কৰা হৈছিল। উদাহৰণস্বৰূপে, ছবিৰ এনে সংগীত ৰচনাৰ উদাহৰণ আছে। চামেলি মেমচাব বেডৰুমত মদ খাই পৰি আছে। সমগ্ৰ ছবিতে দৃশ্যটোৱে এক অভিনৱত্ব আনিছিল। ছবিত মদৰ বটল হাতত লৈ পৰি থকা চামেলিৰ দৃশ্য প্ৰদৰ্শিত হৈছিল। চামেলিৰ স্বামী বাৰ্কলে চাহাবে চামেলিৰ ওচৰলৈ গৈ চামেলিক ওচৰৰপৰা নিৰীক্ষণ কৰি আঁতৰি আহিছিল। এইখিনিলৈ এটা মিউজিক। তাৰ পাছত বাৰ্কলে চাহাবে চামেলিক ডাংকোলাকৈ লৈ আনি বিছনাত পেলাই দিয়ে। সেইখিনিতে এটা মিউজিক। আৰু গভীৰ শান্তিত শুই থকা চামেলিৰ দৃশ্যটোত বাজি উঠে আন এটা মিউজিক। প্ৰতিটো মিউজিকৰে ভিন্ন ভিন্ন তাল আছে। চামেলি মেমচাব সমগ্ৰ ছবিখনতে সংগীতৰ এক এৰাব নোৱৰা সম্পৰ্ক আছে।

ইতিমধ্যে যোৰহাটৰপৰা মোৰ নামত একাধিক চিঠি পাইছো। তাৰে এখন চিঠি অতি প্ৰয়োজনীয়ভাৱে মই উল্লেখ কৰিব খুজিছো। চিঠিৰ লেখক শ্ৰীমান জিতেন্দ্ৰ পাঠক। এওঁ যোৰহাটৰ তেতিয়াৰ তৰাজান চাৰিআলিতে এখন দোকান দি আছিল। চিঠিখন বিশেষ গুৰুত্বপূৰ্ণ হোৱা হেতুকে মই চিঠিখন হুবহু তুলি দিছো ঃ 'সত্তৰ দশকৰ কথা, মই সেই সময়ত যোৰহাটৰ (তৰাজান) গ্ৰন্থালয় নামৰ কিতাপ দোকান এখন পৰিচালনা কৰি আছিলো। ইতিমধ্যে পশ্চিম যোৰহাট বিহু সম্মিলনৰ স'তে ওতপ্ৰোতভাৱে জড়িত আছিলো। সভাপতি আৰু সম্পাদক ক্ৰমে কলাপ্ৰেমী চাহ-খেতিয়ক শ্ৰীবিভূচৰণ বৰুৱা (লনী) আৰু অৰবিন্দ দত্ত। বিহু সম্মিলনৰ ফালৰ পৰা 'জেতুকা' নামৰ এখন মুখপত্ৰও প্ৰকাশ কৰি উলিওৱা হৈছিল। 'জেতুকা'ৰ সম্পাদনাৰ সতে আমিও জড়িত আছিলো। উক্ত 'জেতুকা' আলোচনীৰ বাবে গল্পকাৰ নিৰোদ চৌধুৰীৰ গল্প এটা প্ৰকাশৰ বাবে বিচৰা হৈছিল। যিহেতুকে কিতাপৰ ব্যৱসায় সম্পৰ্কত মই গুৱাহাটীলৈ প্ৰায়ে অহা-যোৱা কৰিব লগা হৈছিল, ঠিক বিহু সম্মিলনৰ আগে আগে অৰ্থাৎ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত গুৱাহাটীলৈ যাব লগা হৈছিল। সেই সময়তে জেতুকাৰ ছপাৰ কাম পূৰ্ণগতিত চলি আছিল। শ্ৰীবৰুৱা আৰু দত্তৰ এখন চিঠি লৈ মই গুৱাহাটীত নিৰোদ চৌধুৰীক 'অসম বাণী'ৰ কাৰ্য্যালয়ত সাক্ষাৎ কৰিছিলো, সেয়েই মোৰ নিৰোদ চৌধুৰীৰ স'তে প্ৰথম সান্নিধ্য। তেখেতে জেতুকাৰ বাবে গল্প এটা দিয়াৰ প্ৰতিশ্ৰুতি দিলে। লগতে পশ্চিম যোৰহাটৰ বিহু সম্মিলনৰ তৰাজানত অজিত লাহিড়ীয়ে হিন্দী চিত্ৰৰূপ দিবলৈ ওলোৱা 'চামেলি মেমচাব'ৰ মহৰত অনুষ্ঠানত যিকোনো প্ৰকাৰে ব্যৱস্থা কৰি দিবৰ বাবে আমাক দায়িত্ব দি শ্ৰীবৰুৱা আৰু শ্ৰীদত্তলৈ আমাৰ মাধ্যমেদি এখন চিঠি প্ৰেৰণ কৰিলে। সেইমতে তৰাজান বিহুতলীতে অজিত

লাহিড়ীয়ে তেখেতৰ 'চামেলি মেমচাব'ৰ হিন্দী সংস্কৰণৰ মহৰত অনুষ্ঠান সম্পন্ন কৰিছিল। ড০ ভূপেন হাজৰিকা উক্ত মহৰত অনুষ্ঠানত উপস্থিত আছিল। নলীন দুৱৰা, নিৰোদ চৌধুৰী আদিও আছিল।

এবাৰ যোৰহাটৰ কাকজানৰ ওচৰত হোৱা ভয়াবহ মটৰ দুৰ্ঘটনাত পতিত হোৱাসকলক যোৰহাটৰ চিভিল হাস্পতালত আহত-নিহতসকলক দেখা কৰিবলৈ নিৰোদদাৰ লগত ময়ো গৈছিলো। সেই মৰ্মান্তিক বেদনাৰ ছবিখন আজিও পাহৰা নাই।

ইতি

গেলাপুখুৰী পথ, শ্ৰীজিতেন্দ্ৰ পাঠক
তিনিচুকীয়া, ৰুদ্ৰকুটীৰ
১২/১/৯৯

অজিত লাহিড়ী, কেমেৰামেন নলীন দুৱৰা আৰু ছবিৰ নায়ক জৰ্জ বেকাৰ উক্ত মহৰত অনুষ্ঠানত উপস্থিত আছিল। মহৰত অনুষ্ঠান নামমাত্ৰ আয়োজনেৰে সম্পন্ন কৰা হৈছিল। পৰিচালক অজিত লাহিড়ীৰ সুদৃঢ় মনোবল আৰু কঠিন অৱয়বৰ মাজত নিহিত থকা কোমল হৃদয়ৰ কথাৰ মই তেতিয়াই উমান পাইছিলো। এই অজিত লাহিড়ী, যি মোক নেপালবাবুৰ লগত পৰিচয় কৰাই দিছিল আৰু তাৰ পাছত সযত্নে সেই যোগসূত্ৰ ধৰি ৰাখিছিল, সেই কথা মই কেতিয়াও পাহৰিব নোৱাৰো।

অজিত লাহিড়ী সেইদিনাৰপৰাই মোৰ লগত একাত্মবোধ হৈছিল। পাছত তেওঁ বিভিন্ন চিঠিৰ মাধ্যমেদি সেই প্ৰকাশ অব্যাহত ৰাখিছিল। সেই চিঠি মোৰ বাবে অতি নিবিড় সম্পৰ্কৰ প্ৰকাশ। হিন্দী চামেলি মেমচাবৰ সকলো কৃতকাৰ্যতা আৰু বিভিন্ন সময়ত দেখা দিয়া ভাবানুভূতি মোৰ বাবে যেনেদৰে আছিল অত্যন্ত গোপন আৰু প্ৰাসংগিক, ঠিক তেনেদৰে স্বাভাৱিকতে উক্ত ছবি লৈ ৰুচিশীল দৰ্শকে প্ৰকাশ কৰা বিভিন্ন চিন্তাশীল মন্তব্য আৰু সমালোচনা ছবিখনৰ বাবে অতি অৰ্থবহ হৈ উঠিছিল।

ডুমডুমাৰ স্মৃতি মোৰ বাবে সদায় চাহপাতৰ কুঁহিপাতৰ দৰে সেউজীয়া হয়, কিন্তু কিছুমান ঘটনা-উপঘটনা মোৰ বাবে অত্যন্ত মৰ্মান্তিক আছিল। শ্ৰীজিতেন পাঠকে চিঠিখনত উল্লেখ কৰা যোৰহাট চিভিল হাস্পতালৰ সেই কৰুণ ভয়াবহ দৃশ্য মোৰ বাবে অবিস্মৰণীয়। কোনে ভাবিব পাৰে, মই সেই কাকজানত সংঘটিত ভয়াবহ দুৰ্ঘটনাত পতিত সেই গাড়ীচালক আৰু মোৰ জোঁৱাই শ্ৰীহৰেণ শইকীয়া তথা মোৰ

মৰমৰ ভাগিন তিনিজনীক দেখা কৰি বিদায় লৈছিলোঁ।

মৃত্যু যে কি করুণ হ'ব পাৰে, তাৰ উপযুক্ত প্ৰমাণ উক্ত ঘটনা।

যোৰহাট চিভিল হাস্পতালৰ এটি সুকীয়া কোঠালিত আবদ্ধ হৈ থকা মোৰ ভণ্টি তেতিয়া জীৱন-মৰণৰ সন্ধিক্ষণত। ডিব্ৰুগড়ৰপৰা মোৰ মৰমৰ কেইজনমান বন্ধুৱে এজন চিকিৎসকক আনিছিল আৰু নিৰ্দিষ্ট সময়ত মই চিভিল হাস্পতালৰ গেটৰ সম্মুখত ৰৈ আছিলো।

গাড়ীৰ কনভয় আহিল। সদাব্যস্ত হাস্পতালৰ চাৰিওফালে পৰিৱেশ উখল-মাখল। সকলোবোৰ নিজ নিজ কামত ব্যস্ত। তেতিয়াৰ চিভিল ছাৰ্জন ভঁৰালীও ব্যস্ত আছিল। ড° ভঁৰালীক মই নিৰ্দিষ্ট চিকিৎসজন আহিব বুলি কওঁতে সদিচ্ছামূলক সৌজন্যৰ হাঁহি এটা মাৰিলে। মই নিৰ্দিষ্ট মানুহজনলৈ অসীম আগ্ৰহেৰে বাট চাই ৰ'লো।

আধাঘন্টামান পাছত চুটি-চাপৰ মানুহ এজন সোমাই আহিল। তেওঁৰ লগে লগে আৰু কেইবাজনো মানুহ। সকলোবোৰ কিবা কামত আপোন-ভোলা। মানুহজনে ব্যস্ত হৈ হঠাতে প্ৰশ্ন কৰিলে ঃ 'নিৰোদ চৌধুৰীৰ ছিষ্টাৰ ক'ত'? লগত অহা মানুহজাকে বিভ্ৰান্ত হৈ একো উত্তৰ নাপাই মোক দেখি প্ৰশ্ন কৰিলে। মোৰ উত্তৰ শুনি মানুহ জন সবেগে মই কোৱা নিৰ্দিষ্ট কোঠাত শব্দ কৰিলে।

তাৰ আগতে চুটি-চাপৰ মানুহজনে যোৰহাটৰ অন্যতম চিকিৎসক এজনৰ লগত অপাৰেচন সম্পৰ্কেও কিছু কথা পাতি মানুহখিনিক সান্ত্বনা দিলে যে তেওঁ সেই মানুহজনৰ সকলো খবৰ পাইছে আৰু ৰাখিছে। মানুহজন লগে লগে আঁতৰি যোৰহাটৰ চিকিৎসকজনৰ কোঠালিত সোমাই তেওঁ অপাৰেচন কৰিবলগীয়া ঠাইখিনি চাই আহি তাৰ পাছত নিৰ্দিষ্ট ঠাইত ক'লেহি যে তেওঁ অপাৰেচন কৰিব। সেইটো ৰোগীজনৰ প্ৰতি বিশেষ দয়া আছিল।

চুটি-চাপৰ সেই মানুহজন আছিল ডা° মাহমুদ আলী চৌধুৰী, যি ডিব্ৰুগড়ৰ 'কছাই ডাক্তৰ' বুলি জনাজাত।

ডা° চৌধুৰীয়ে মোৰ ভন্টিক চোৱাৰ আগতে ওপৰঞ্চিভাৱে যোৰহাটৰ সেই ডাক্তৰজনৰ চিকিৎসাৰ ব্যৱস্থা কৰিব বুলি গম পাইছিলো। লগে লগে অপাৰেচন কৰিবলৈ সাজু কৰিছিল।

ডা° চৌধুৰীৰ লগত মোৰ সেয়া প্ৰথম পৰিচয়। তেখেতে মোৰ ভণ্টি বুলি গম পাই সমব্যথী হৈ ভালেমান সান্ত্বনাসূচক কথা কৈছিল। সেই কথা মোৰ বাবে সাঁথৰ যেন অনুমান হৈছিল। মোৰ মুখত কোনো সদুত্তৰ নাপাই তেওঁ বোধহয়

হতাশ হৈছিল। চকুৰ পলকতে ডা° চৌধুৰীয়ে মোক সুধিছিল - 'চামেলি মেমচাব' চালেনে নাই। Super Music and ....

মানুহজনৰ মুখত জৰ্জ বেকাৰৰ প্ৰশংসাই প্ৰশংসা।

শ্ৰীমান জিতেন পাঠকে চিঠিত উল্লেখ কৰাৰ দৰে তৰাজান বিহুতলীত মহৰত শ্বট গৃহীত হৈছিল। তাৰ আগতে কলিকতাৰপৰা কেমেৰামেন আহিব বুলি মই বৰ আশাৰে বাট চোৱাৰ পাছত অজিত লাহিড়ীয়ে ফোনযোগে মোক জনাইছিল যে স্থানীয় কোনো কেমেৰামেনক মই যেন যোগাৰ কৰো আৰু সেইমৰ্মে মই স্থিৰ কৰিছিলো নলীন দুৱৰাক।

মহৰত শ্বট গৃহীত হ'ল। সেইদিনা গৃহীত হোৱা শ্বটটি ছবিত থাকিলনে নাই সেইটো সাধাৰণ কথা। কিন্তু ছবিখনৰ শুভাশিস আৰু মানুহৰ সৎ চিন্তাৰ পৰিচায়ক সেই ছবিত বহুতো উদাহৰণ আছে।

মহৰত শ্বট গৃহীত হৈছিল জৰ্জ বেকাৰক কেন্দ্ৰ কৰি। বেকাৰ কি যে অনুভূতিশীল ব্যক্তি তাৰ প্ৰমাণ ছবিৰ বিভিন্ন দৃশ্যৰাজিয়ে ৰাখে। তাৰ আগতে মই 'চামেলি মেমচাব'ৰ বাবে এটি সুন্দৰ নৃত্য সমাৰোহ সংগ্ৰহ কৰিছিলো। শ্ৰীহেমন্ত বৰদলৈৰ দ্বাৰা প্ৰযোজিত সেই নৃত্যটি আছিল এটি পূৰ্ণাংগ সমবেত নৃত্যৰ আংশিক ৰূপ, যিটিৰ দৃশ্যগ্ৰহণ কৰা হৈছিল যোৰহাট চিলড্ৰেন্স পাৰ্কৰ মজিয়াত। নৃত্যটি ছবিৰ বেলেগ ঠাইত ব্যৱহাৰ হৈছিল।

জৰ্জ বেকাৰ অনুভূতিশীল ব্যক্তি। তেওঁ অভিনয়ৰ নামত সকলো কৰিব পাৰে। ভাল বা বেয়া, তেওঁৰ ইচ্ছা থাওক বা নেথাওক, সেই দৃশ্যত অংশগ্ৰহণ কৰিবলৈ সদা ইচ্ছুক। এই ঔৎসুক্যতাৰ সীমা বোধহয় জৰ্জ বেকাৰ অভিনয় জীৱনত নাই বা নাছিল। তাৰ পৰিচয় জৰ্জ বেকাৰৰ ব্যক্তিগত জীৱনত সদা উদ্ভাসিত।

চামেলি মেমচাবৰ সংগীত গ্ৰহণ নানান বিপৰ্য্যয়ৰ মাজত গৃহীত হৈছিল। প্ৰথম যিদিনা ফেমাছ চিনে লেবৰেটৰীৰ ছাউণ্ড বুথত গৈ আমি সোমাইছিলো, সেইদিনা অহৰহ নানান ঘটনাৰ পাছত ঘটনা ঘটি গৈছিল। তাৰে ভিতৰত মই আগতে উল্লেখ কৰা বোম্বেৰ সংগীত যন্ত্ৰশিল্পীসকলে সহযোগ আগবঢ়োৱাটো এটি মূল কথা। বোম্বেৰ যন্ত্ৰশিল্পীসকলে তেওঁলোকৰ দাবীত প্ৰায় সপ্তাহ জুৰি ধৰ্মঘট কৰিছিল আৰু এই বিপদসংকুল অৱস্থাত ভূপেনদা কিন্তু আছিল একেবাৰে নিৰ্বিকাৰ। বহু পৰিস্থিতি, বিভিন্ন পৰিবেশত ব্যক্তিগতভাৱে মই ভূপেনদাক পাইছোঁ — কিন্তু ইমান সহজ-সৰল আৰু অনুকম্পাহীন সময় অতিবাহিত কৰিও কেনেদৰে মানুহ নিৰ্বিকাৰ হ'ব পাৰে, তাৰ স্পষ্ট প্ৰমাণ আছিল ভূপেনদা। ফেমাছ চিনে লেবত

সোমাই দেখিছিলো, ৰেকৰ্ডিষ্ট ডি. অ'. বানচালী, সহযোগী ৰামনাথনে কাপোৰ এখন লৈ ছাউণ্ড ষ্টুডিঅ'ত বিভিন্ন মাইক্ৰ'ফোন মচি আছিল। মচা কাপোৰখন সজোৰে জোকাৰি তেওঁ আমাক দেখুৱাইছিল। চাইছিলো। মলি, কেৱল মলি। সেই মলি আঁতৰাই নিকা কৰাৰ দায়িত্ব তেওঁ লৈছিল।

এটা কমৰপৰা অনিল মুহলেই কাৰোবালৈ ফোন কৰিলে। কোন এই অনিল মুহলে? তেওঁৰ বিষয়ে নক'লে কথাটো অসম্পূৰ্ণ হৈ ৰ'ব।

অনিল মুহলে হ'ল লতাৰ প্ৰায়বোৰ বিদেশযাত্ৰাৰ কাৰ্যসূচী স্থিৰ কৰোতা আৰু অনিল মুহলেৰ সলনি অইন কোনোবাই সেই কাম সম্পূৰ্ণ কৰিব নোৱাৰে। লতাই বিদেশত যিমান প্ৰগ্ৰেম কৰিছে বা দেশৰ ভিতৰতে যি বৃহৎ ফাংচন আদি কৰিছে, এই সকলোবোৰ অনিল মুহলে কৃতিত্বেৰে সম্পাদন কৰে। লণ্ডনৰ এলবাৰ্ট হলৰপৰা গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামলৈকে। এই সকলোবোৰ দায়িত্বৰ আঁৰত থকা মানুহজন অনিল মুহলে। এওঁ সম্প্ৰতি ভূপেন হাজৰিকাৰ লগত 'একেটি সুৰত বন্ধা'। ভূপেন হাজৰিকাই বোম্বেত গ্ৰহণ কৰা আটাইবোৰ সংগীতৰ এওঁ হ'ল 'এৰেঞ্জাৰ'। ইমান সজ-সৎ মানুহ মই খুব কমেই দেখিছো। প্ৰত্যেকটো গীতৰ সুৰ শুনি সেই সুৰৰ ওপৰত ভিত্তি কৰি কি কি ইন্সট্ৰুমেণ্ট লাগিব, তাৰ খতিয়ান অনিল মুহলেই উলিয়াই দিয়ে। অৰ্থাৎ আমাৰ মানুহৰ যিটো ধাৰণা, তাৰ সম্পূৰ্ণ বিপৰীত। অনিল মুহলে লতা মংগেশকাৰলৈ ফোন কৰিছিল। তাৰ পাছত কৈছিল - 'দিদি ৰেডি হ্যায়'।

আন কথাত লতাজী সাজু আছে। সাজু আছে লতাজী।

মই অনিল মুহলেৰ মনটো অনুধাৱন কৰিবলৈ তেওঁক পুনৰাই প্ৰশ্ন কৰিলো : আপ দিদি কা চাথ বজায়গা না?

অনিল মুহলে অবাধ্য চুলিখিনি কপালৰপৰা পিছলৈ ঠেলি দিলে আৰু তাৰ পাছত সম্প্ৰতিভ হাঁহিৰে ক'লে - হ্যাঁ, ইচিলিয়েতো য়ে ফোন। লতাৰ গানৰ আখৰা আগতে হৈ গৈছিল। এইবাৰ যন্ত্ৰ-সংগীতৰ দল।

মই মন কৰিছিলোঁ যে বোম্বেত যন্ত্ৰশিল্পীসকল একেবাৰে নিখুঁত টাইমিঙত উপস্থিত হয়। তেওঁলোকে কেতিয়াও অযথা আমনি নকৰে। মই গম পাইছিলোঁ, এজন মানুহ আহিছে, নাম যাৰ পণ্ডিত হৰিপ্ৰসাদ চৌৰাচিয়া। দুৰ্দান্ত বাঁহীবাদক। মই শকত-আৱত মানুহজনক লক্ষ্য কৰিছিলোঁ। বাঁহীৰ বাকচটো নিজৰ হাতৰপৰা এৰা নেদেখিলো। হৰিপ্ৰসাদ চৌৰাচিয়াৰ নাম শুনিছিলো। দেখাৰ সৌভাগ্য হোৱা নাছিল। হৰিপ্ৰসাদ আৰু শিৱকুমাৰ শৰ্মাই যুটীয়াভাৱে এখন হিন্দী ছবিৰ কমাৰ্চিয়েল ৰেকৰ্ড কৰিছে। ছবিখন চিলচিলা। এই ছবিৰ গান তেতিয়া অসম্ভৱ জনপ্ৰিয় হৈ পৰিছিল।

'চিলচিলা' ছবিৰ গান নতুন সুৰৰ আমেজ দি হৰিপ্ৰসাদ আৰু শিবকুমাৰে নতুনত্বৰ বহন সানিবলৈ চেষ্টা কৰিছিল। যদিও এইখনেই তেওঁলোকৰ শেষ ছবি হ'ল। শিব-হৰি নামেৰে সংগীতৰ নতুন বীজ সনা এই ছবিৰ গীতসমূহ অসম্ভৱ জনপ্ৰিয় হয়।

আৰু আছিল ভালেমান সুখ্যাত যন্ত্ৰশিল্পী। তাৰ ভিতৰত এজনৰ নাম বিশেষভাৱে মই উল্লেখ কৰিব খোজো। মানুহজনে নিজৰ কাপোৰ-কানি ঠিকভাৱে সংযত কৰি চৰ্কীত বহি পৰিছিল। কুঁজা মানুহজন এটা ভায়োলিন লৈ বহি পৰিছে। আৰু স্বকীয়ভাৱে বজাই গৈছে। মই মন কৰিছিলোঁ যে গানৰ মাজত যি 'শূন্যতা' থাকে, সেইবোৰ পৰিপূৰ্ণ কৰি তোলাত তেওঁৰ ভায়োলিনে যথেষ্ট কাম দিছিল। পাছত জানিছিলোঁ যে মানুহজন বিখ্যাত ভায়োলিনবাদক নোবেৰেকোৰ। লতাই যাৰ ভায়োলিন নহ'লে গানৰ আৰম্ভই নকৰে।

লতা সেই সময়ত বিদেশত। বিদেশপৰা লতা উভতি আহি গম পাইছিল যে নোবেৰেকোৰৰ মৃত্যু হৈছিল। শোকাবহ এই মৃত্যু বাতৰি 'স্ক্ৰীন' কাকতত বৰ সুন্দৰকৈ প্ৰকাশ হৈছিল। মই আগতে কৈছোঁ যে শক্তিসামন্তৰ 'আমানুষ' ছবিৰ সংগীতাংশ শ্যামল মিত্ৰই পৰিচালনা কৰিবলৈ সন্মত হৈছিল। শ্যামল মিত্ৰ হাত সাবটি বহি থাকিবলগীয়া হৈছিল বোম্বেৰ যন্ত্ৰশিল্পীসকলৰ মাৰাত্মক ধৰ্মঘটৰ বাবে। আমাৰ অসমীয়া ছবিৰ সংগীত গ্ৰহণ কেনে ধৰণে আৰু কিভাৱে সম্ভৱ হ'ল, সেই কথাটোৰ বুজ ল'বলৈকে টাৰদেউললৈ নিজে আহিছিল। ভূপেনদাই স্বাভাৱিকভাৱে তেওঁক কৈছিল যে অসমীয়া আৰু উত্তৰ-পূব ভাৰতৰ ছবি বাবেই এইকণ কৃপা বোম্বেৰ যন্ত্ৰশিল্পীসকলে কৰিছে। পাছত এই ৰেকৰ্ডিং লৈ আত্মাৰামেও যথেষ্ট খাটিছিল। ভূপেনদাই কোৱা মতে আত্মাজীয়ে পুৰণি স্মৃতিৰ পাত লুটিয়াই সকলো ধৰণৰ সহায় নিঃসংকোচভাৱে আগবঢ়াইছিল। গতিকে শ্যামল মিত্ৰ, আত্মাৰাম আৰু সলিল চৌধুৰীৰ এই ৰেকৰ্ডিঙত ভালেখিনি অৰিহণা আছে। সলিল চৌধুৰী সেই সময়ত অল ইণ্ডিয়া চিনে ফিল্ম এছ'ছিয়েশ্যনৰ সাধাৰণ সম্পাদক আছিল। আগ্ৰহেৰে সকলো কথা শুনি যন্ত্ৰশিল্পীসবৰ স'তে দুই-এটা কথা পাতি আকৌ পৰ্য্যায়ক্ৰমে কামত আগবাঢ়ি গৈছিল। সলিল চৌধুৰী বৰ সুন্দৰ মানুহ। ধুতি-পাঞ্জাবী পিন্ধা মানুহজনে সেইটো ধৰণেই বোম্বেত নিজৰ নিকপকপীয়া স্থান কৰি লৈছিল। মই তেওঁলৈ সশ্ৰদ্ধ নয়নেৰে চাই আছিলো। অলপ পাছত তেওঁ মোৰ কান্ধত হাত দি কৈছিল : 'কেমন লাগছে'? মই উত্তৰত হাঁহিছিলো।

কেমন লাগছে? অৰ্থাৎ কেনে লাগিছে। কথাষাৰ সলিল চৌধুৰীয়ে মোক সুধিছিল। মোৰ তেতিয়া অবাক হোৱাৰ পাল। সমগ্ৰ পৰিবেশটোৱে এনে মোহাচ্ছন্ন

ধৰি ৰাখিছিল যে তাৰপৰা মুক্তিৰ বাট নাছিল। তেতিয়া মোৰ বাবে সকলো নতুন আছিল। তাতেই বোম্বেত ৰেকৰ্ডিং অভাৱনীয় কথা। আজিলৈ কোনো অসমীয়া ছবিৰ তেনেদৰে বোম্বেত ৰেকৰ্ডিং হৈছে বুলি মই নাজানো। অন্ততঃ তেতিয়া যিটো পৰিবেশ আছিল, সেই পৰিবেশত।

বোম্বেত যন্ত্ৰশিল্পীৰ কথা মই আগতে কৈছোঁ। পণ্ডিত হৰিপ্ৰসাদ চৌৰাচিয়া, নোবেৰেকাৰ তথা আন যন্ত্ৰশিল্পীসকল তাৰ মাজত মোৰ চকুত জিলিকি আছে। প্ৰত্যেকজন যন্ত্ৰশিল্পীয়ে তেওঁলোকৰ স্বকীয় প্ৰতিভা উদঘাটনৰ বাট বিচাৰি লৈছিল। তাৰ মাজতে এজন আছিল বোধহয় অনিল ঘোষ। মই স্পষ্ট মনত পেলাব পৰা নাই। কিন্তু বাদ্যযন্ত্ৰত তেওঁ অতি নিপুণ আছিল।

মই প্ৰথমৰপৰাই মানুহজনক লক্ষ্য কৰিছিলোঁ। সাধাৰণ ধুতি-পাঞ্জাবী পিন্ধা মানুহ। ঠিক তেতিয়া মই তেওঁৰ পিন্ধি অহা পাঞ্জাবীটোৰ প্ৰতি আকৰ্ষিত হৈছিলো। সাধাৰণ খাদী সূতাৰ পাঞ্জাবী। কিন্তু তাৰ মাজতে এনে আকৰ্ষণীয় ভাব আছিল, যিটো সহজে উলাই কৰিব নোৱাৰি। মই প্ৰথমৰপৰাই মানুহজনক লক্ষ্য কৰিছিলোঁ।

অনিল বাবুৰ পাঞ্জাবীটো মই ওচৰৰপৰা লক্ষ্য কৰিছিলোঁ। মানুহজনে পাঞ্জাবীটো কেইবাবাৰো চোৱা বাবে হঠাতে সুধিছিল ঃ 'পচন্দ হয়েছে বুজি ?' মই সপ্ৰতিভভাৱে সন্মতি জনালোঁ। অনিল বাবুই থমকি ৰৈ অলপ সন্তুষ্টভাৱে ক'লে- 'আপোনাক মই কিনি দিম। খাদী মিলছেৰ বহুত কাপোৰ আছে।'

মই কৃতজ্ঞতাৱে তেওঁৰ শলাগ ল'লো আৰু মিউজিক টেকৰ পাছত তেওঁক লৈ মই খাদী ভাণ্ডাৰলৈ গ'লোঁগৈ।

সেই সময়ত মোৰ পায়জামা-পাঞ্জাবীৰ প্ৰতি ভীষণ আগ্ৰহ আছিল। এসময়ত মই পাঞ্জাবী কেৱল বগা ৰঙৰ পিন্ধিছিলো। তাৰ পাছত সলনি হ'ল। মই কালক্ৰমত ভিন ভিন ৰঙৰ পাঞ্জাবী পৰিধান কৰিছিলোঁ। মোৰ পাঞ্জাবী অস্বাভাৱিকভাৱে মাৰ্জিত আছিল। মিউজিক টেকৰ পাছত মই অনিল বাবুৰ লগত ওলাই গৈছিলোঁ। লক্ষ্যস্থান আছিল ঃ বোম্বেৰ খাদী ভাণ্ডাৰ। টেক্সি এখনত দাম-দৰ ঠিক কৰি আমি উঠি পৰিলোঁ। অচিনাকি চকুৰ আগত তেতিয়া নানান বিস্ময়ৰ ভাব।

অনিল বাবু সচেতন মানুহ। তেওঁ দোকানখনত কিছু সময় অতিবাহিত কৰি মোলৈ লক্ষ্য কৰি - ক'লে

এখানে নয়। আসুন।

মই তেওঁক অনুসৰণ কৰিছিলোঁ।

অনিল বাবুই পাকৈত জহুৰীৰ দৰে বিধে বিধে কাপোৰ চালে। তাৰে কোনোবাটো

আমি বিচৰা কাপোৰৰ অইন এটা। মূল বিষয়বস্তুৰপৰা আঁতৰত। কিন্তু যিটো কাপোৰ বিচাৰিছিলোঁ, সেইটো তেতিয়াও চকুত পৰা নাছিল। দোকানীজনে আমাক সহায় কৰি দিলে। তেওঁ অসংযতভাৱে আমাৰ ঔৎসুক্য আৰু আগ্ৰহ দেখি তৰধ মানিলে।

অৱশেষত বিচৰা কাপোৰটো পালোঁ। সাধাৰণ এটি কাপোৰ। ঠিক তেনে ধৰণৰ সংমিশ্ৰণ আমাৰ তাত কাপোৰ নাছিল। মই চাৰে তিনিমিটাৰ কাপোৰ লৈ ওলাই আহিছিলোঁ। অনিল বাবুৱে সদিচ্ছা প্ৰকাশ কৰি ক'লে ঃ 'আপনাকে খুব মানবে।' মই স্বস্তিৰ নিশ্বাস পেলাইছিলোঁ। তাৰ পাছত কাপোৰখিনি সযত্নে লৈ মই নিৰ্দিষ্ট ঠাইত থৈছিলোঁ।

ভূপেনদা স্বাভাৱিকতে কি কাপোৰ, সেই বিষয়ে আগ্ৰহী আছিল। কিন্তু তেওঁ মোক বিব্ৰত নকৰিবলৈকে একো সোধা নাছিল।

কথাটো সিমানতে তল পৰিছিল।

চামেলি মেমচাবৰ সংগীত গ্ৰহণ আৰম্ভ হ'ল। উষা মংগেশকাৰে সৰু ছোৱালীৰ দৰে আহি গীত গালে। এই সংগীত গ্ৰহণৰো বেলেগ এটা মজা আছিল। বিশেষকৈ হৰিপ্ৰসাদ চৌৰাচিয়াৰ লগত ভূপেনদাৰ সাংগীতিক তাল-মিল অব্যাহত আছিল। ভূপেনদাই চামেলি মেমচাবৰ কোনোবা এটা গীতত বাঁহীটো ঠিক তেওঁ বিচৰা ধৰণে পোৱা নাছিল। বাৰে বাৰে চৌৰাচিয়াক সেই বিষয়ে বুজাই দিছিল।

কিন্তু কোনো ফল ধৰা নাছিল।

ভূপেনদা বৰ জেদী মানুহ। তেওঁ স্বাভাৱিকতে ৰেকৰ্ডিং ৰুমৰপৰা বাহিৰলৈ ওলাই গৈছিল।

গোটেই সমস্যাটো হৈছিল গীতৰ কথাংশৰপৰা। ভূপেনদাই মোক কৈছিল ঃ 'চামেলিয়ে সুন্দৰ গীত গায়; কিন্তু তাই অসমীয়া গীত পৰিবেশন কৰিব।' গীতাংশ আছিল - 'বাপ দাদা আছিলে কোনোবা মুলুকত/ পিছে আমি বিহু গাব জানো।

তাৰ পাছতে তাই আপোনমনে গাই যায় আমাৰ ঐতিহ্যবাহী বিহুসুৰীয়া গীতৰ প্ৰকাশ। সেই গীতটো ঠিক ভূপেনদাই যেনে ধৰণে বিচাৰিছিল ঠিক সেই ধৰণে হৰিপ্ৰসাদ চৌৰাচিয়াই তুলি ধৰাত ব্যৰ্থ হৈছিল। ভূপেনদাই হৰিপ্ৰসাদ চৌৰাচিয়াক ডাবি দিছিল। মই সেইবিলাক বিতৰ্কমূলক কথালৈ যাব খোজা নাই। ভূপেনদাই যি বিচাৰিছিল সেয়া হয়তো হৰিপ্ৰসাদ চৌৰাচিয়াই ঠিক দিব পৰা নাছিল। তাৰ পিছৰে পৰা ভূপেনদা অস্বাভাৱিক অৱস্থাত উপনীত হৈছিল। তাৰ পিছৰপৰাই গীতৰ কথা সুৰ, লয়, অন্য ধৰণে গতিপ্ৰবাহ কৰিছিল। ভূপেনদাই বাহিৰলৈ ওলাই গৈ চিগাৰেট খাইছিল। মই কথাটো লক্ষ্য কৰিছিলোঁ। হৰিপ্ৰসাদ চৌৰাচিয়াৰ দৰে বাঁহীবাদকক

আঁকোৰালি ল'বলৈ বহু সময় লাগিব। অলপ পাছতে কথাটো সহজ হৈ পৰিছিল। ভূপেনদা উভতি আহি হৰিপ্ৰসাদ চৌৰাচিয়াৰ লগত ফুচফুচাই কথা পাতি দুয়ো দুয়োকে সাবটি ললে। তাৰ পাছত হৰিপ্ৰসাদ চৌৰাচিয়াই সকলো বুজি উঠাৰ দৰে সন্মতি জনালে। মই দুয়োজনৰ মাজত সাংগীতিক লয়ৰ ৰকমভেদ নেজানো, কিন্তু দুয়োৰে মাজত অদ্ভুত মিল দেখা গৈছিল। তাৰ পিছৰেপৰা 'চামেলি মেমচাব'ৰ সংগীত হৰিপ্ৰসাদৰ বাঁহীৰ ওপৰতে নিৰ্ভৰ কৰিছিল। যিসকলে চামেলি মেমচাবৰ সেই সংগীতাংশ অনুধাবন কৰিছে, সেইসকলে নিশ্চয় জানে, সংগীতৰ ব্যাপকতা বা সীমাহীনতা। এইটোৱে আছিল চামেলি মেমচাবৰ সংগীত সৃষ্টিৰ মূল উৎস।

তাৰ পাছত অহৰহ নানান কথাৰেই পৰ্ব। যেমাছ চিনে লেবলেটৰীৰপৰা এখন চিঠি লিখিছিলোঁ। তাত তেতিয়া সম্পূৰ্ণ নোহোৱা গীতৰ কথাংশ লিখিছিলোঁ। লক্ষ্ণৌৰ ঠিকনাত এই চিঠি পোষ্ট কৰিছিলোঁ। সময়ৰ অজুহাতত বহু সৃষ্টি হেৰাই গ'ল- যেনে ধৰণে হয়তো হেৰাই গ'ল চামেলি মেমচাবৰ সেই অতীত সোঁৱৰণ। যি সোঁৱৰণ মোৰ বাবে সঁচাকৈয়ে অতিশয় তাৎপৰ্যপূৰ্ণ আৰু প্ৰেৰণাদায়ক। কাৰণ, ছবিৰ গীতাংশ মাত্ৰ কোনো ছবিৰ গীতাংশয়ে নাছিল, সেই ছবিৰস'তে জড়িত হৈ পৰিছিল এটি সৰ্বসন্মত কলাসুলভ ৰূপ। নাম যাৰ চামেলি মেমচাব।

কলিকতাৰপৰা ইংলেণ্ড লেটাৰৰ এখন চিঠি পাই মই আচৰিত হৈছিলো। চিঠিৰ বক্তব্য আছিল ঠিক এনে ধৰণৰ ঃ 'কালি গোটেই ৰাতি মই ভালদৰে শুব নোৱাৰিলো। কালি 'চামেলি মেমচাব' ছবিখনৰ ট্ৰেড শ্বো আছিল। ছবিখন মই চাই অতি আচৰিত হ'লো। সৰ্বভাৰতীয় পৰ্য্যায়লৈ যাবলৈ কিছু উন্নত মানদণ্ডৰ প্ৰয়োজন হ'ব, কিন্তু তথাপিও।'

চিঠিখন লিখিছিল ভূপেনদাই। সাধাৰণতে তেওঁ মোলৈ এনে চিঠি নিলিখে আৰু এনে স্পষ্ট মতামত দি চিঠি লিখা দুৰূহতা। চিঠিখনত তেওঁ আৰু লিখিছিল যে ছবিখনৰ বহু দৃশ্য কাটি পেলাব লাগিব আৰু কাটি পেলালে ছবিখন সৰ্বাংগসুন্দৰ হ'ব। তাৰ উপৰি তেওঁ আব্দুল মজিদৰ বিষয়ে কিছু ব্যক্তিগত মতামত জনাইছিল। যি কথা মই মজিদ চাহাবক পাছত দেখুৱাইছিলোঁ।

মই ভাবিছিলোঁ, ছবিখনৰ যিহেতু বঙালী, হিন্দী ভাৰছন হৈ আছে, অসমীয়াখনৰ খুটি-নাটি উল্লেখ কৰি ভূপেনদাই কৰা সমালোচনা অৰ্থহীন। কেৱল কথাবোৰ মনত ৰাখিলেই হ'বগৈ।

ভূপেনদাৰ চিঠিখনে মোক আচৰিতভাৱে উদগ্ৰীৱ কৰি তুলিলে। সেই সময়ত মজিদ চাহাব কলিকতাতে আছিল। বেগ বাগানৰ কোনো এটা ফ্লেটত, কোনোবা

ৰহমানৰ সমীপত। কলিকতালৈ মই গৈছিলোঁ। উদ্দেশ্য, ছবিখন প্ৰত্যক্ষ কৰা। ভূপেনদা আৰু মই মজিদক লগ ধৰি ছবিখন চোৱাৰ ব্যৱস্থা কৰিছিলোঁ।

অতি সাধাৰণ ছবি। তাত ইমান উত্তেজিত হ'ব লগা কোনো কাৰণ মই দেখা নাপাওঁ। ছবিখন ভাল হৈছে, কোনো সন্দেহ নাই, কিন্তু মাজে মাজে কিছুমান কথাই মোক আমনি দিছিল। জৰ্জ বেকাৰ আৰু স্নিগ্ধা গোঁহাইয়ে অপূৰ্ব অভিনয় কৰিছিল। দুয়োটাৰে অভিনয় এই ছবিৰ এক অমূল্য সম্পদ বুলি মোৰ ধাৰণা।

কলিকতাত ছবিখন চাই ভূপেনদাই নানান মন্তব্য কৰিছিল। তেওঁ নিজে কোৱা মতে গানবোৰ ছবিৰ কাহিনী অনুযায়ী খাপ খাই পৰা যেন লাগিছে। সবাতোকৈ ডাঙৰ কথা, ছবিৰ আবহসংগীত এক নতুন ধাৰাত ৰচিত হৈছে। যিটো হয়তো এই ছবিৰ ক্ষেত্ৰতে নহয়, পৰবৰ্তী ছবিবিলাকৰ কাৰণেও অনুপ্ৰেৰণাৰ থল হ'ব।

ভূপেনদা হেৰাই গৈছিল, মই বিচৰা নাছিলোঁ।

চামেলি মেমচাবে এনেদৰেই জয়যাত্ৰা আৰম্ভ কৰিছিল। মই কলিকতাৰ চিত্ৰ ৰসিকৰ মাজত মেমচাবৰ 'ৰাইটাৰ' হিচাপে খুবেই পৰিচিত হৈ পৰিছিলোঁ। মানুহে মোক 'চামেলি'ৰ কাহিনীকাৰ হিচাপে সন্মান দিছে, যিটো কথাত মই প্ৰত্যক্ষভাৱে অভিভূত হৈছিলোঁ।

সেই সময়ত এটা সৰু ঘটনা মই কোনোমতে পাহৰিব নোৱাৰো। এদিন শুটিঙৰ অৱসৰত মই হঠাতে বেকাৰক প্ৰস্তাব দিলো যে সত্যজিৎ ৰায়ৰ ছবি এখনৰ কাম চলি আছে, চাই আহোঁগৈ ব'লক। আমি দুয়ো ওলালোঁ। তেতিয়া ঠিক লাঞ্চ ব্ৰেকৰ সময়। আমি দুয়ো সদৰ্পে ইন্দ্ৰপুৰী ষ্টুডিঅ'ৰ চৌসীমাত প্ৰৱেশ কৰিলো।

মই বেকাৰক লৈ যথেষ্ট আনন্দিত আছিলোঁ। কাৰণ, জৰ্জ বেকাৰ এনে এজন মানুহ, যাৰ খা-খবৰ লওঁতা মানুহৰ অভাৱ নহয়। আমি সোমাই গৈছিলো। অলপ দূৰত এখন জৰীৰে গুঠা বিছনাৰ আৰ্হিত দীঘল বিছনা আছিল। মই লক্ষ্য কৰিছিলো, সত্যজিৎ বাবুৱে সেই বিছনাখনতে শুটিঙৰ অন্তত বিশ্ৰাম কৰিছে। লগত আছে তেওঁৰ তেতিয়াৰ সহচৰ ভানু বাবু। ওখ-পাখ মানুহজন এক আচৰিত চিন্তাত বুৰ গৈ থাকে। এই ভানু বাবুৱেই সত্যজিতৰ আটাইবোৰ ছবিৰ প্ৰডাকচন-ইন-চীফ। সত্যজিৎ বাবুৰ আটাইবোৰ ছবিৰে তেওঁ প্ৰডাকচনৰ কাম কৰিছিল। অন্ততঃ মই জনাত।

বেকাৰ আৰু মই শুটিং কেতিয়া হ'ব, সেই বিষয়ে খা-খবৰ ল'লো। আমি অতি সৰু এখন ছবিৰ মানুহ হিচাপে এই মহান নিৰ্মাতাৰ নিৰ্মাণপদ্ধতি আৰু কাৰ্য্য কাৰণৰ যথাযথ যুক্তি বিচাৰি পালো। মূল্যায়ন কৰিবলৈ সমৰ্থ হ'লো। মই সেইবাৰেই সত্যজিৎ বাবুক কোনো ছবিৰ শুটিঙত লগ পাইছোঁ।

ছবিত তেওঁ জাগ্রত প্রহৰীৰ নিচিনা। মন কৰা উচিত হ'ব যে শুটিঙৰ হাজাৰ 'জামেলা'ৰ মাজতো তেওঁৰ দৃষ্টি ঠিকেই থাকে। কোন আহিছে বা কোন গৈছে, এইবিলাক খবৰ ঠিকেই ৰাখে। জৰ্জ বেকাৰ সোমাই যোৱা আৰু তেওঁৰ ইউনিটৰ মানুহৰ স'তে কথা পতা তেওঁ নিশ্চয় লক্ষ্য কৰিছিল। অলপ পাছতে তেওঁ ভানু বাবুক পঠিয়াই দি জৰ্জ বেকাৰ সম্পৰ্কত চমু বিৱৰণী সংগ্ৰহ কৰিছিল। আমি সত্যজিত বাবুৰ শুটিং কৰাৰ সময়ত সেই স্থানতে আছিলোঁ যদিও যোগাযোগ কৰাৰ সুবিধা পোৱা নাছিলো। সেই চিনাকি মহানুভৱতা আৰু ব্যক্তিগত প্ৰভাৱৰ স্মৃতি আমাৰ দুয়োৰো মাজত অকল্পিত হৈ থাকিল।

বহু পৰিচালক তথা চিত্ৰ-নিৰ্মাতাক মই পাইছো, যিসকলৰ দাম্ভিক উক্তি তথা কথা-বতৰাত নিজকে কোনোবা স্থানত থৈ কোনো দূৰ সীমনালৈ গতি কৰে, পাছত দেখিব, তেনে কথা বা তেনে কাম একপ্ৰকাৰ ৰসজ্ঞানহীন মানুহৰদ্বাৰা পৰিচালিত।

সত্যজিৎ, অন্যৰ কথা হয়তো ক'লো, কিন্তু মোৰ কোৱা যে নহ'ল বহু অলিখিত কাহিনী। এই কাহিনীৰে সূত্ৰপাত এটি ধুনীয়া নামেৰে। শিৱসাগৰৰ টুৰিষ্ট ল'জ এসময়ত মোৰ বাবে ঘৰুৱা স্থানৰ নিচিনা হৈ গৈছিল। ক'ৰবালৈ গ'লেও মই মোৰ নিৰ্দিষ্ট ৰুম বিচাৰি উন্মুখ হৈ ৰওঁ। মি. দত্ত আহি আলফুলে সোধেহি : 'ক'ৰপৰা'। নিজৰ প্ৰকৃত স্থান গোপন কৰি মই সহজভাৱে উত্তৰ দিওঁ। তাৰ পাছত গোটেই ল'জ মোৰ সামগ্ৰী আৰু বয়-বস্তুৰে আপোন-আপুনি ভৰ খাই পৰে। এক আচৰিত আত্মীয়তা আৰু সংযোগ গঢ়ি উঠিছিল এই টুৰিষ্ট ল'জৰ সহায়ত মোৰ জীৱনৰ পৰিপূৰ্ণতাত। মোৰ কামেই আছিল টুৰিষ্ট ল'জত এৰাইভিং ডেট জনোৱাৰ আৰু তাৰ পাছত অপেক্ষা কৰাৰ।

টুৰিষ্ট ল'জ হয়তো এটা অতি সাধাৰণ কোঠালিযুক্ত ঘৰ। কিন্তু কিছুমান ৰুম বা কিছুমান ব্যক্তিক বিসৰ্জন দি সেই ঘৰত বা সেই ঘৰৰ মানুহখিনি আপোন হৈ উঠিব নোৱাৰে। সেই ব্যক্তিত্বৰ প্ৰভাৱ আৰু গভীৰ হৈ পৰে, যেতিয়া গম পোৱা যায় তাৰ অন্তৰ নীতিৰে ভিত্তি।

অতি সাধাৰণ এটি মজদুৰ ল'ৰাই সেই টুৰিষ্ট ল'জতে কাম-বন কৰিছিল। অথচ এদিন ল'ৰাজনে হঠাতে ৰুমৰপৰা গুচি যোৱাত মানুহজনে এনভেলাপ এটা পালে। খুলি চাই দেখে কেবাশও টকা। মানুহজনে টকাখিনি সুমুৱাই গোটেই এনভেলাপটোৰে সতে দত্ত বাবুক দিয়ে।

এনভেলাপটোত যি টকা আছিল, সেইখিনি পৰম কৃতজ্ঞতাৰে থৈ অপেক্ষা কৰিলে মানুহজনৰ বাবে।

বেছিভাগ পেছেঞ্জাৰে তাত অসমীয়া, কোম্পানীৰ এডভাৰটাইজিং মেনেজাৰ। বিভিন্ন অসমীয়া প্ৰডাক্টছৰ মিনি এডভাৰটাইজিং ছৰ্টছ আদিৰে এইবোৰ কোম্পানী দপ্‌দপাই থাকে। তেওঁলোকৰ নিজস্ব প্ৰচাৰ আৰু প্ৰসাৰৰদ্বাৰা অতি সহজে ক্ৰেতাসৱৰ ওচৰ চাপিবলৈ সক্ষম হয়।

টুৰিষ্ট ল'জ মোৰ বাবে এক আকৰ্ষণ আছিল। মই মোৰ জীৱনত কেবাখনো উপন্যাস তাতে বহি শেষ কৰিছোঁ। উল্লেখ কৰিব পাৰো 'জটায়ু', 'কাঁচঘৰ', 'মন প্ৰজাপতি' আদি উপন্যাস মই তাতে পৰিকল্পনা কৰি ৰচনা কৰিছিলো। নেজানো কোন চনত বা কেতিয়া সেইবোৰ প্ৰকাশ হৈছিল। কিন্তু প্ৰতিখন উপন্যাস এক আচহুৱা ভেটিত গঢ় লোৱা সত্ত্বেও উপন্যাসকেইখনত মই গুৰুত্ব দিব খোজা ভাব ৰাশি যথাযথভাৱে ৰূপায়িত হৈছিল।

মই টুৰিষ্ট ল'জতে লগ পাইছো বহুকেইজন অসমীয়া লেখক, কিন্তু মোৰ ধৰণে কোনো লেখকে বছৰৰ পিছত বছৰ, মাহৰ পিছত মাহ কটাই ৰচনা কৰা নাই কোনো এখন উপন্যাস। মই জনাত তেনেবোৰ লেখকৰ মনৰ ওচৰ চাপিবলৈ হয়তো বেলেগ পটভূমিৰ প্ৰয়োজন হৈ পৰে আৰু সেই পটভূমি বিচাৰ কৰি থিৰাংভাৱে উলিওৱাটো এই লেখকৰ অনুসন্ধিৎসুমূলক লেখনিৰ প্ৰয়োজন বোধহয় আছে।

চকুৰ আগৰপৰা হঠাতে অতীত মূৰ্তমান হৈ উঠে। যি দেখি উঠে এখন ঠাই - নাম যাৰ শিৱসাগৰ। শিৱসাগৰ চহৰৰ সেই ঠাইখিনিৰ মানুহে তেতিয়াই কৈছিল অলংকাৰপট্টী। অৰ্থাৎ অলংকাৰৰ বয়-বস্তুৰ পোহাৰ সেই পথতে বহিছিল। যাক কোৱা হয় সহজ ভাষাত সোণাৰী। মই প্ৰথম মানুহগৰাকীৰ প্ৰেমত পৰিলেও, একো বস্তু কিন্তু বিচৰা নাছিলোঁ।

অতি সাধাৰণ এজনী ছোৱালীয়ে ৰাতিপুৱাই আহি টুৰিষ্ট ল'জত মোক বিচাৰিছিল। মই একো নোকোৱাকৈয়ে মোৰ স'তে কথা হ'বলৈ সন্মান যাচিছিলো। মানুহজনীয়ে ইমান সুন্দৰভাৱে মোক মই লিখা গল্পৰ কথা কৈ গ'ল যে তেতিয়া মই কেৱল অবাক হোৱাৰ পাল। বহু সময় আমি আমাৰ একান্ত ঘৰুৱা কথাৰে সেই পৰিবেশ সজীৱ কৰি ৰাখিছিলোঁ। কোনো কথা নাছিল যে সেই পৰিবেশক আৰু গভীৰ কৰি তুলিব পাৰোঁ। কেৱল বাংময় দৃষ্টি। লগে লগে সমাদৃত হৈছিল চৌদিশৰ মধুৰ পৰিবেশ। যিজনী ছোৱালীৰ বিষয়ে এই কথাখিনি মোৰ জীৱনৰ আদি অধ্যায়ত ক'ব খুজিছো, সেয়া কোন বুলি সুধিলে মোৰ ক'বলৈ এটি মাত্ৰ নামেই থাকে, যাৰ নাম হ'ল ডাº ইন্দিৰা বৰা। মোৰ ওৰেটি জীৱনৰ সুখে-দুখে সংগী।

টুৰিষ্ট ল'জ সেই সময়ত অতি ব্যস্ত। কিছুমান ক্ষণিক চিনাকি, কিছুমান একেবাৰে অচিনাকি।

মই টুৰিষ্ট ল'জক কেন্দ্ৰ কৰি কিবা এটা লিখাৰ মানসেৰে তাত মূৰ সুমুৱাইছোঁ। কি লিখিম সেয়া মোৰ সপোনৰ অগোচৰ। কেৱল লিখিব যে লাগিব সেইটোৱে ডাঙৰ কথা হৈ দেখা দিয়ে। নিৰ্দিষ্ট সময়ত মই সাজু হৈছিলোঁ।

লিখা কাগজ, আচবাব-পত্ৰ আদি মেলি লৈছিলোঁ। তাৰ পাছত নিঃসংকোচভাৱে লেখিবলৈ অনুপ্ৰাণিত হৈছিলো সৰ্বান্তঃকৰণে, সজীৱভাৱে। এই টুৰিষ্ট ল'জ বহু সময়ত মোৰ বাবে অকথ্য কাহিনীৰ অনিৰ্দিষ্ট অনুপ্ৰেৰণাৰ উৎস। মই এবাৰ টুৰিষ্ট ল'জত থাকিবলৈ ঠাই নাপাই চিৰাচৰিত হতাশ আৰু ব্যঞ্জনামিহলি মনোভাৱেৰে ভাবিছিলো মই ক'ত লিখিম। তেতিয়া হঠাতে ওলাইছিলহি ভিনদেউ। ভিনদেউ সেই সময়ত এল. ডি. এছিষ্টেণ্ট। কাম কৰে সোণাৰি ডিভিজনত। মোৰ আক্ষেপ ভৰা মিনতি শুনি ভিনদেৱে কৈছিল, সোণাৰিলৈকে বলক। পৰিবেশটো অৱশ্যে সিমান মোহনীয় নহয়, তথাপি বোধহয় দুই-এদিনত আপুনি ভালেখিনি আগবাঢ়িব পাৰিব।

কিয় জানো, ভিনদেৱে আগবঢোৱা প্ৰস্তাৱটো মই একেমুখে গ্ৰহণ কৰিলো। মই জানো যে এওঁৰ বায়েকৰ পৰিয়ালটো যিহেতু তাত আছে, মোৰ বিশেষ কোনো অসুবিধা নহ'ব। আচৰিতভাৱে মই প্ৰস্তাৱটোত ৰাজি হৈছিলো। তেতিয়া ভিনদেৱে ক'লে, 'ওলাওক হেৰি, মই টপৰাই পাব লাগে।' মই নেজানিছিলো যে ভিনদেউ ট্ৰেজাৰিৰপৰা কিছু টকা নিবলৈ আহিছে আৰু বাটতে সেইকণ আঁৰকাপোৰ। মই খৰখেদাকৈ ওলাইছিলো আৰু আশ্বস্ত হৈ ভাবিছিলো - পাৰিম জানো লিখিবলৈ।

পিছদিনা মই সদলবলে ওলালো। মোক তেনেদৰে যাবলৈ দি টুৰিষ্ট ল'জে যথেষ্ট বেয়া পাইছিল। কিন্তু মই উপায়হীন। মোৰ কাম-কাজৰ কোনো এটা নিৰ্দিষ্ট পদ্ধতি নাছিল। সাধাৰণতে মই কৰা কামৰ খতিয়ান ৰাখি যোৱা সহজ নহয়। মই ওলালোগৈ সোণাৰি ডাকবাংলো। অৱশ্যে কোৱাত কোনো বাধা নাই যে সেইটো ডাকবাংলো সেই সময়তে অতি সুন্দৰ ডাকবাংলো হিচাপে খ্যাতি অৰ্জন কৰিছিল। মই নিৰ্দিষ্ট সময়ত ভিনদেউৱে দেখুৱাই দিয়া মতে নিৰ্দিষ্ট কমত সোমাই পৰিছিলো। প্ৰকাণ্ড খুটা থকা সেই ডাকবাংলোটো যথেষ্ট পুৰণি। বিভিন্ন ঠাইত বিভিন্ন মানুহৰ অহা -যোৱাৰ ইংগিত। যেন বিনামূলীয়া প্ৰদৰ্শন, কোন আহিছে, কোন আছে, কোন গৈছে তাৰ খতিয়ান ল'বলৈ কাৰো সময় নাই। মই নিৰ্দিষ্ট কমত সোমাই বয় -বস্তু খুলি সাজু হৈছিলো। ইতিমধ্যে মোৰ অহাৰ ইংগিত পাই দুই-এক মানুহে কৌতূহলবশতঃ

সেইফাললৈ সতৃষ্ণ নয়নে চাইছিল। চোৱাৰ মাজত কোনো বিশেষ ইংগিত কিন্তু নাছিল। এনেয়ে কৌতূহলবশতঃ চাইছিল। পিছদিনা ৰাতিপুৱা শুই উঠি মোৰ এক আচৰিত দৃশ্য চকুত পৰিছিল। মই নেজানিছিলো যে মোৰ উপন্যাসৰ পটভূমি হয়তো তাতেই আছে।

পুৰণি ডাকবাংলোটোৰ নিচেই ওচৰত আন এটা দেখনিয়াৰ খেৰী ঘৰ আছিল। ঘৰটো কাৰ মই নেজানিছিলো। কাৰোবাৰপৰা গম পালো যে এই ঘৰটো প্ৰখ্যাত কামাখ্যাৰাম বৰুৱাৰ 'মেৰবিল পাম'। পিছদিনা নামটো স্পষ্টভাৱে মই পঢ়িবলৈ পালো। মই কোঠালিত সোমাই এবাৰ লিখাৰ মুডটো আনিবলৈ যত্ন কৰিলো। কিন্তু কোনোমতে সেই দৃশ্যই মোক আনমনা কৰিব নোৱাৰিলে।

কাষৰ ঘৰটোৰ বাৰাণ্ডালৈ এজন সুদৃশ্য বৃটিছ মানুহ ওলাই আহিছে আৰু সেই ছোৱালীজনীৰ পৰিচালনাত নাচ শিকিছে। নাচো কি নাচ? ভাৰত নাট্যমৰ সকলো অংগী-ভংগী আয়ত্ত কৰি সুন্দৰভাৱে সেই নৃত্য শিকাৰ দুৰূহ চেষ্টা। পিছত মই গম পাইছিলো যে সেইগৰাকী নৃত্যশিল্পী সু-প্ৰতিষ্ঠিত ইন্দিৰা পি পি বৰা আৰু লগৰ চাহাবজন কোনোবা এক ইংৰাজ কোম্পানীৰ চাহাব। সিমানেই। একো জনাৰ আৰু প্ৰয়োজন নাছিল।

বিস্ময়ত মোৰ চকু কপালত উঠিল। যেতিয়া গম পাইছিলো যে সেই নৃত্য শিল্পীগৰাকী ভাৰত নাট্যমৰ কিছু আংগিক মুদ্ৰা শিকিবলৈকে তালৈ আহিছে আৰু ইন্দিৰা পি পি বৰাই সযত্নভাৱে সেইখিনি শিকাই দিবলৈ সচেষ্ট হৈছে। যোগাযোগ সিমানেই। মই ডাকবাংলোৰ সেই দিশত থিয় হৈ থাকিলো। সেইটো মোৰ এটা অভ্যাসত পৰিণত হৈছিল। মই সচেষ্টভাৱে সেই দৃশ্য পৰিহাৰ কৰিব নোৱাৰিলো। নোৱাৰিলো নহয়, সময়ৰ সোঁতে সেই দৃশ্যই মোক অভিভূত কৰিলে। নৃত্যৰ এনে যে বাংময় প্ৰকাশ থাকে, সেই কথাটো সেইদিনাই মই নতুনকৈ উপলব্ধি কৰিছিলো।

এয়া এক আচৰিত যোগাযোগ। 'কাঁচঘৰ' উপন্যাস সেই সময়ত বোলছবিলৈ ৰূপান্তৰিত হোৱাৰ চেষ্টা চলিছিল। ছবিখন প্ৰযোজনা কৰিছে এটি প্ৰাইভেট কোম্পানীয়ে নাম যাৰ 'দেৱান এণ্ড শ্ৰীমতী বৰা প্ৰাইভেট লিমিটেড'। ছবিখন প্ৰযোজনা কৰাৰ কথা দেৱান আৰু তেওঁৰ সহযোগীসকলে। কিন্তু এই বিষয়ত দেৱান চাহাব বৰ নিয়মত চলা মানুহ আৰু সকলো কাম তেওঁ আইনৰ চাৰিবেৰৰ মাজত থাকি কৰিব খোজে। ছবিৰ পৰিচালক জ্যোতি চিত্ৰবনৰ শ্ৰেষ্ঠ শব্দগ্ৰহণকাৰী স্বৰ্গীয় পীযুষ কান্তি ৰয় আৰু তেওঁৰ বোম্বেৰ সহযোগী, শক্তিসামন্ত ফিল্মছৰ চীফ এডিটৰ ক্ৰমে বিজয় চৌধুৰী।

এই কাঁচঘৰ উপন্যাসৰ এটি মূল গল্প আছে। মই তেতিয়া এই গল্পটো কেনেকৈ লিখিছিলো, সেই বিষয়ে জনোৱাৰ আগ্ৰহ আছে। কাৰণ, তেতিয়া আংগিকৰ দিশৰপৰা যথেষ্ট দুৰ্বলতা সত্ত্বেও সেই উপন্যাসে দৰ্শকৰ মাজত যথেষ্ট উত্তেজনা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল আৰু কাঁচঘৰ উপন্যাসৰ সাফল্যও তাতেই।

সমগ্ৰ উপন্যাসখন এটা টি.বি. ছেনাটোৰিয়ামৰ পটভূমিত গঢ়ি উঠা বাস্তৱ পটভূমিৰ গল্প। এই গল্পৰ নায়ক হিচাপে মই অকুৰ (বিজয় শংকৰ দাস) বাহিৰে কাৰো কথা ভাবিবই নোৱাৰো। গোটেই গল্পটো আৰম্ভ হৈছে বৰ সুন্দৰ পৰিবেশত। গল্পৰ পটভূমি হিচাপে পৰিচালক পীযুষ আৰু বিজয়ে নিৰ্বাচন কৰি লৈছিল ষ্টুডিঅ', বিভিন্ন ছেটৰ দৃশ্যাৱলী। ছবিৰ সংগীতৰ বাবে তেওঁলোকে স্থিৰ কৰিছিল তেতিয়াৰ বোম্বেৰ অতি জনপ্ৰিয় গায়ক তথা কণ্ঠশিল্পী হিচাপে সমাদৃত জিতু আৰু তপনক। জিতু আৰু তপন বৰ মৰমলগা শিল্পী। দুয়োজনে আত্মঅহংকাৰেৰে বিভিন্ন ছবিত সংগীত দি জনপ্ৰিয়তা অৰ্জন কৰাত সফল হয়। ছবিৰ বাবে তেওঁলোকে বৰ যত্ন কৰি দুটি গীত লিখাইছিল। গীতদুটি জনপ্ৰিয় গীতিকাৰ ভূপেন হাজৰিকাই লিখা। গীত দুটি হ'ল ঃ *'অ' ঠুনুকা কাঁচঘৰ/তই বান্ধিবি কিমান?/ মোৰ মন পখীক/সীমাৰ পৰিধি টানি/ সেই অসীম আকাশ/ মোৰে বাবেই বাট চাই আছে/ কামনাৰ ৰহণ সানি'।*

আৰু আনটো গীত আছিল জিতু-তপনৰ সুৰৰ আধাৰত -

জীৱন ঘড়ীৰ প্ৰতিটো পল / যেন গলি গলি গ'ল / নিঃসঙ্গতাৰ পৰুৱা এটি/ মাথোঁ তাতে পৰি ৰ'ল/ তেজৰ আজি ৰক্ত কণিকা/ কিয় জানো কমি গ'ল। দংশনৰত বীজাণু এদল/ মোৰ যে লগৰী হ'ল।

ছবিৰ উক্ত চৰিত্ৰৰ বাবে মই স্বাভাৱিকতে স্থিৰ কৰিছিলো যে ইন্দিৰা পি পি বৰাকে নায়িকা কৰিম, কিন্তু তেওঁৰ পিতৃয়ে সেই কথাষাৰকে পোনপটীয়াকৈ নকৈ আকাৰে-ইংগিতে আমাক কথাষাৰ বুজাই দি সোণাৰিৰপৰা বিদায় দিছিল। মোৰ স্বঅভিমানত যথেষ্ট আঘাত পাইছিলো আৰু মই তেতিয়াই স্থিৰ কৰিছিলো যে মই এজনী নায়িকা বিচাৰি উলিয়ামেই আৰু সেইবাবেই মই সুদূৰ কলিকতালৈ দৌৰিছিলো। হয়তো মনঃপুত নহ'ব পাৰে, কিন্তু সেই নায়িকাগৰাকীৰ অসামান্য শিল্প-সুষমামণ্ডিত ৰূপে সকলোকে বিস্ময়-বিমুগ্ধ কৰিছিল। ছবিৰ নায়িকা আছিল জয়শ্ৰী ৰায়। পিছলৈ যিগৰাকী মানুহক বিবাহপাশত আবদ্ধ হৈ বিয়া কৰাইছিল, এগৰাকী বাংলাদেশৰ আগশাৰীৰ চিত্ৰ প্ৰয়োজকে। জয়শ্ৰী ৰায় ক্ষণিকৰ বাবে কাঁচঘৰ ছবিত দেখা দি তেওঁৰ অসামান্য অভিনয়েৰে নিজৰ পৰিচয় ৰাখিবলৈ সক্ষম হৈছিল। কাঁচঘৰ তেওঁৰ

প্ৰথম আৰু শেষ অভিনীত অসমীয়া ছবি হিচাপে চিহ্নিত হৈ ৰ'ব। কাঁচঘৰৰ স্মৃতি মোৰ বাবে সেয়েহে ন-পুৰণি অভিজ্ঞতাৰ থলী। তাৰ পাছত আৰু কত যে কথা এৰাই যোৱা, পাহৰি যোৱা অথচ অভিজ্ঞতাৰ সফল জয়ে সজীৱতাৰ নতুন ইংগিত বহন কৰা বিস্তৃত ইতিহাস। সেই ইতিহাস অবিস্মৰণীয়। কেৱল মনত পেলাব পাৰি।

সেই ইতিহাস নিশ্চয় মনত পেলাবলগীয়া। অভিজ্ঞতাৰ জুয়ে পোৰা সেই স্মৃতি মোৰ বাবে বৰ মিঠা। সেই স্মৃতি মই পাহৰি যাব খুজিলেও পুনৰবাৰ উভতি আহে।

থাওকতে মোৰ শহুৰ -শাহুৰ পৰিচয়টো লিখি যাওঁ। মোৰ শহুৰ শিৱসাগৰৰ প্ৰখ্যাত প্ৰাকৃতিক চিকিৎসক স্বৰ্গীয় মোহন বৰা, শাহু আই স্বৰ্গীয়া মনোমতী বৰা। তেওঁলোক, মই শুনামতে আগতে ভজোত আছিল। প্ৰকাণ্ড বাৰীৰে সজোৱা ভজো ঠাইখন সেই সময়ত একেবাৰে অস্পৃশ্য আছিল। কিন্তু মোৰ শহুৰৰ যত্নত সেই ঠাই ক্ৰমাগত উন্নতিৰ দিশত গতি কৰে। আনকি ভজো ষ্টেচনত, ৰেলআলিত পানী দিয়াৰ ব্যৱস্থাও মোৰ শহুৰেই কৰে। সেই স্মৃতি বহুতেই সুঁৱৰি চায়। ভজো ষ্টেচন শিমলুগুৰি শাখাৰ এটা সৰু ষ্টেচন। বিশেষ কোনো জাকজমকতা তাৰ মাজত বিচাৰি পোৱা কঠিন। কিন্তু সৰু ঠাইখনৰ অস্তিত্ব ৰক্ষাৰ শেষ সংগ্ৰামত বহু কথাই চিহ্নিত হৈ আছে। যিবোৰ তেওঁৰ ছোৱালীয়ে মনত পেলাই মোক কৈছে বা আন কাৰোবাক কোৱাৰ আগ্ৰহ কৰিছে। আমি কেৱল সেইবোৰ কথা মূৰ দুপিয়াই শুনি যাওঁ- প্ৰতিবাদ কৰাৰ প্ৰশ্নই নুঠে। কোনোবাই কৈছে, আৰু কোনোবাই হয়তো শুনি গৈছে। তাৰ মাজত নিৰবচ্ছিন্ন গতিপ্ৰবাহ, কোনোবাটো মিঠা, কোনোবাটো ক্ষণভংগুৰ। মোৰ স্বৰ্গীয় শহুৰ-শাহুৰ দুটি ল'ৰা আৰু তিনিগৰাকী দুহিতা। তাৰে প্ৰথমটো ল'ৰা ভবেন বৰাই ইতিমধ্যে ইহলীলা সম্বৰণ কৰিছে। দ্বিতীয়টো ল'ৰা অসম ক'ল বৰ্ডৰ চেয়াৰমেন। নাম জ্যোতিপ্ৰকাশ বৰা। মই বৰ কষ্ট কৰি তেওঁক ৰাণীগঞ্জৰপৰা বদলি কৰি আনি এই ভৱিষ্যতৰ বাট মুকলি কৰি দিওঁ। এতিয়া তেওঁলোক স্বকীয় শক্তি-সামৰ্থ্যৰে নিশ্চয় গজগজীয়া। জ্যোতিপ্ৰকাশ, যাক আমি পুনদা বুলি সম্বোধন কৰোঁ, তেওঁ সাংবাদিক তিলক হাজৰিকাৰ দুহিতাক বিয়া কৰাইছে। এটি ল'ৰা, দুজনী ছোৱালীৰে তেওঁলোকে সুখৰ সংসাৰ গঢ়িছে।

মই আগতে উল্লেখ কৰিছো, ছোৱালী তিনিগৰাকী। তাৰে প্ৰথম গৰাকী হিমা বাইদেউ, বৰ সুন্দৰ, সক্ৰিয় সামাজিক কৰ্মী।

আটিলাচুকৰ সৰবৰহী ঘৰত আদৰ-আপ্যায়নৰ তুলনা নহয়। সেই ঘৰত যিয়ে যায় তেৱেঁই হিমা বাইদেউৰ মৰমৰদ্বাৰা আপ্লুত হৈ অভিভূত হয়।

গুৱাহাটী বহু দূৰত থাকি গ'ল। গুৱাহাটীখন পৰিহাৰ কৰি মোৰ অস্তিত্বই বা ক'ত? সেই গুৱাহাটী বাছ ষ্টপেজ, গুৱাহাটী ক্লাবৰ ওচৰত এজন মানুহে ছাতি এটা লৈ থিয় হৈ আছিল। মই অফিচলৈ যাবলৈ ওলাইছিলো। তেতিয়া মোৰ নানান কাম। বাছত উঠি মানুহজনে বাৰে বাৰে মোলৈ চাইছিল আৰু কিবা এটা যেন ক'ব খুজিছে, এনে লাগিল। মই সামান্য হাঁহি মানুহজনলৈ সম্ভ্ৰমেৰে নিজৰ বহা ঠাইকণ এৰি তেওঁক দিবলৈ সাজু হৈছিলো। মানুহজনে মোক অলপ বৈ অকস্মাৎ সুধিছিলঃ আপুনি অফিচলৈ যায় নেকি? মোৰ উত্তৰ কি আছিল সেয়া সহজেই অনুমেয়। মানুহজনে মোলৈ চাই ক'লেঃ 'ময়ো ট্ৰিবিউনলৈ যাওঁ। তাত শশী শৰ্মাক পাম নহয়'? শশী শৰ্মা সেই সময়ত আসাম ট্ৰিবিউনৰ চাৰ্কুলেচন মেনেজাৰ। মই বিনীতভাৱে কৈছিলো যে 'বোধহয় পাব'। ঠিক সেই সময়তে মানুহজনে কিবা কথাত বাধা পাই থমকি ৰৈছিল। কথাৰ আঁত আমি সেইখিনিতে হেৰুৱাইছিলো। নিৰ্দিষ্ট সময়ত ট্ৰিবিউন প্ৰেছ পাই মই খৰধৰকৈ নামি গৈছিলো। মোৰ তেতিয়া সময় নাছিল, কোন আহিছে বা কোন কেনি গতি কৰিছে তাৰ খতিয়ান ল'বলৈ। মই স্বাভাৱিকভাৱে ট্ৰিবিউন প্ৰেছৰ সেই ষ্টপেজত নামি গৈছিলো। মানুহজন মোৰ পিছে পিছে আহিছিল। মই তেওঁলৈ সাধাৰণভাৱে চকু বুলাই কৈছিলো - আপুনি এইফালে যাওক। শ্ৰীশৰ্মাক তাতে পাব। মানুহজনে পৰম কৃতজ্ঞতাৰে সেইটো গ্ৰহণ কৰিলে। মানুহজন তাৰ পাছত নোহোৱা হৈ গৈছিল।

পাছত মই গম পাইছিলো যে সেই মানুহজন যতীন্দ্ৰমোহন চৌধুৰী। আন কথাত মোৰ ভাবী জোঁৱাই আৰু জিন্টু, গোপাইতৰ দেউতাক।

মোৰ পৰিচয় ঠিক তেনেদৰে হ'ব পাৰে, মই কল্পনা কৰা নাছিলো। যতীন চৌধুৰী বৰ সজ, সৎ আৰু সাধু মানুহ আছিল। তেওঁৰ দেউতাক স্বৰ্গীয় সিদ্ধিনাথ কলিতা অসমৰ প্ৰথম উদ্যোগ প্ৰতিষ্ঠাৰ বাটকটীয়া আছিল বুলি ক'ব পৰা যায়। তেতিয়াৰ সকলো চৰকাৰী অফিচত প্ৰচাৰিত হৈছিল আসাম কেমিকেল ৱৰ্কছৰদ্বাৰা নিৰ্মিত চিয়াহী 'শংকা ইংক বা চিয়াহী'। আৰু সকলোবোৰ অফিচতে তাৰ যথেষ্ট প্ৰমাণ পোৱা গৈছিল। এই 'শংকা ইংক' আৰু ডেটলৰ সলনি থলুৱাভাৱে নিৰ্মাণ কৰা 'কিতল' তেতিয়া অসম্ভৱ জনপ্ৰিয় হৈ উঠিছিল। মই নিজে এই 'শংকা' আৰু

কিতাপ আদিৰ বস্তুৰ নমুনা নতুন আকৃতিত সজাই দিছিলো। যিটো বহুদিন ধৰি তেওঁলোকৰ প্ৰচাৰ ব্যৱস্থাত সংগোপনে ৰাখিছিল। কিন্তু আঁৰৰ মানুহজন কোন আছিল, কোনেও গম পোৱা নাছিল।

মোৰ ডাঙৰজনী ভণ্টি, যিগৰাকী ভণ্টিক মই দুৰাৰোগ্য কেন্সাৰ ৰোগত হেৰুৱাইছো, বৰ লক্ষ্মী ছোৱালী আছিল। পাঁচজনী ভণ্টিৰ মই স্থিৰ কৰা বিয়াখন পাছত হৈছিল। সেয়া হ'ল মোৰ দ্বিতীয় ভণ্টি। আৰু এগৰাকী ভণ্টি মোৰ মাজৰপৰা হেৰাই গৈছিল। তাই সম্প্ৰতি ধুনীয়াকৈ থাকে আৰু জীৱনৰ দুৰ্বিসহ বোজা বহন কৰিও হাঁহিমুখে থাকিবলৈ যত্ন কৰে। নাম তাইৰ ৰুমা শইকীয়া। যোৰহাটৰ কাকজানৰ ওচৰত ভয়াবহ মটৰ দুৰ্ঘটনাত প্ৰাণ হেৰুৱা সেই স্মৃতি মোৰ বাবে বৰ কৰুণ। মোৰ জোঁৱাই আৰু পাঁচজন মানুহৰ চিতা জুই মোৰ চকুৰ আগত দপদপাই জ্বলি নিঃশেষ হৈছে। হেৰাই গৈছিল এটি কৰুণ অধ্যায়, হেৰাই গৈছিল জীৱনৰ পাহৰিব নোৱৰা অভিজ্ঞতাৰাজি।

মোৰ বেদনালব্ধ কৰুণ ইতিহাসৰ এটি অবিস্মৰণীয় পৰ্য্যায়, য'ত হয়তো মাথোন চকুপানীহে থাকিব, আন একো আৰু নাথাকে।

এই দুৰ্ঘটনাটো কেনেকৈ ঘটিল, সেই বিষয়ে বহু কথাই শুনা যায়, কিন্তু প্ৰকৃত কথাটো হ'ল, যিখন গাড়ীক এখন ট্ৰাকে খুন্দা মাৰিছিল, সেই গাড়ীখনৰ ড্ৰাইভাৰ নিজে বৰ সচেষ্ট মানুহ আছিল। ডিব্ৰুগড়ৰপৰা শিৱসাগৰলৈ এজন বন্ধুৰ বিয়া খাবলৈ অহা মোৰ জোঁৱাই তেতিয়া নৰ্থ লক্ষীমপুৰ কৰ্টৰ এজন সক্ৰিয় সদস্য। সেই সময়ত ঘটা আৰু আয়োজন কৰা সকলো সমাবেশ আদিৰ আয়োজন স্থানীয় কৰ্টৰ মানুহে লগ লাগি কৰি দিছিল। ইমান সুন্দৰ আৰু ইমান নিখুঁত আয়োজন যে মই নিজে অবাক হৈছিলো। মোৰ তেতিয়া বাহ্যিক কোনো মূল্যই বিচাৰি পোৱা সহজ নাছিল। সাধাৰণ মই এজন মানুহ, সেয়ে পৰিচয়।

মোৰ বোধহয় বাহ্যিক ভাব বা আচৰণে তাত কোনো প্ৰতিক্ৰিয়া নকৰিছিল। কেৱল শূন্যতা ভৰা উপলব্ধি আৰু উপলব্ধি।

ছখন চিতা দপদপকৈ মোৰ চকুৰ আগত জ্বলি নিঃশেষ হৈ গৈছিল। কোনো আত্মীয় মানুহৰ মৃত্যুত এনেদৰে ছখন চিতা একেলগে জ্বলাই তাৰ উদ্ভাসিত পোহৰত নিজুম হৈ বহি থকা, সিয়ো এক নতুন অভিজ্ঞতা' চকুপানী বোধহয় মোৰ বাবে শিল হৈ গৈছিল।

ছখন চিতা অৰ্থাৎ মোৰ জোঁৱাই শ্ৰীশইকীয়া, তেওঁৰ একমাত্ৰ ল'ৰা, কাম কৰা ছোৱালীজনী ইত্যাদি।

এই দাহ পৰ্ব শেষ হোৱাৰ পাছত মোক ক'ৰ্টৰ আটাইখিনি মানুহে ক'লে যে

আপুনি আজি আহিব। অলপ নাম- কীৰ্তন কৰিম। মুখত মোৰ কথা নাছিল। ক'টৰ মানুহখিনি ইমান সুন্দৰ যে তেওঁলোকৰ অনুভূতিক মই শ্ৰদ্ধা কৰিছিলো।

তাৰ পাছত গতানুগতিকতা। মানুহৰ জীৱনত এইবোৰ অনুভূতিৰ মূল্যইবা আছে ক'ত? মাথোন স্মৃতিৰ অনুৰণন। মৃত্যুৰ এই নিষ্ঠুৰ পৰিহাস মোৰ বাবে একো নতুন কথা নহয়। সকলো কথা সহজভাবে ল'ব পাৰিলে আমি জীৱনত বোধহয় আৰু বহুত অভিজ্ঞতাৰে পুষ্ট হ'ব পাৰিম। যিদৰে হৈছো মই।

মোৰ জীৱনবৃত্তৰ কোনোবা এটা দুৰ্পাকত হয়তো এইবোৰ কন্তেকীয়া স্মৃতি। তথাপি তাৰ আনুভূতিক মৃত্যু নাই। চৌপাশে আমি পৃথিৱীখন আৰু বহু উজ্জ্বল দেখা পাওঁ। সেই উজ্জ্বলতা জীৱনে শিকাই যায়। সেই পোহৰত চৌদিশে আমি কেৱল পৃথিৱীৰ নতুন ৰূপ দৰ্শন কৰোঁ।

মোৰ জীৱনৰ উক্ত করুণ অধ্যায়টি এটি শোকাবহ ঘটনা। এফালে মোৰ কীৰ্ত্তি-কলাপ আৰু বিভিন্ন দিশত আহৰণ কৰা প্ৰতিপত্তিয়ে মোক বহু দূৰলৈ চাবলৈ শিকাইছিল। য'ত কেৱল সীমাহীন পোৱাৰ আনন্দ আছে। সেই আনন্দ কি বা ক'ত পায় মই হয়তো নেজানো। কিন্তু উপযুক্ত সময়ত মই ঠিক তাতেই নিজকে নিমগ্ন কৰি সাঁতুৰি যাবলৈ সক্ষম হওঁ।

চতুৰ্থ ভণ্টি ৰুমা শইকীয়াৰ দুৰ্ঘটনাই মোক এক গভীৰ আত্মোপলব্ধিৰ সুযোগ দিলে। মই নিজকে সকলো বাহ্যিক দিশৰপৰা পৰিহাৰ কৰি আত্ম সচেষ্ট হ'বলৈ যত্ন কৰিলো আৰু ইয়াত মোক অদ্ভুতভাৱে সহায় কৰিলে মোৰ বিধবা সেই নিমাখিত ভণ্টি ৰুমাই।

ৰুমা ভণ্টি এদিন ভাল হ'ল। যোৰহাট চিকিৎসালয়ৰপৰা ওলাই আহিল। তাতেই মোৰ ককায়েক হিচাপে দায়িত্বৰ শেষ নিশ্চয় নহয়। যোৰহাটত থাকোতে মই মোৰ বন্ধু এজনৰ সহায়ত ডিব্ৰুগড়ৰপৰা ডা০ মাহমুদ আলী চৌধুৰীক অনাইছিলো। ডা০ চৌধুৰী বৰ নিপুণ ছাৰ্জন আছিল, তেওঁৰ সুতীক্ষ্ণ নিপুণতাৰ পৰিচয় মই পাইছো। ৰুমা ভণ্টিক তেওঁ প্ৰথম চায়েই যেতিয়া কোলাত উঠাই লৈ ওপৰৰপৰা বিছনাত পেলাই দিছিল, তেতিয়া মোৰ ভাব হৈছিল, কি কৰিব খুজিছে এওঁ। তেতিয়া ৰুমা প্ৰায় ডেৰমাহ হাস্পতালত আছে। তেওঁ মোক হঠাৎ এটি বিশেষ স্প্ৰিণ্টৰ কথা ক'লে। গুৱাহাটীত আহি মই প্ৰতিখন দোকানতে 'স্প্ৰিণ্ট'টো দেখুৱাই খবৰ ল'লো। কোনো দোকানে কিন্তু স্পষ্টভাৱে একো ক'ব নোৱাৰিলে। তেতিয়া মই আকৌ দৌৰিলো ডিব্ৰুগড়লৈ। ডা° চৌধুৰীয়ে মোলৈ চাই হাঁহি ক'লে ঃ বস্তুটো একো নাই- মাছৰ আকৃতিৰ এটা স্প্ৰিণ্ট। কেৱল আপুনি এই বস্তুটো যোগাৰ কৰক।

বোধহয় মই উপায়হীন হৈ ভূপেনদাক কথাটো জনালো। পিছৰ ডাকত মই চিঠি এখন পালো, 'বস্তুটো পঠিওৱা হৈছে'। মানুহ আকৃতিৰ এটা স্প্রিন্ট, তাকে ভৰিত লগাই দি ক্রমাগত অলপ অলপকৈ মেলি দিব লাগে। সেইটোৰে কমাক কৰা হৈছিল। বহুদিন নীৰৱ-নিথৰ হৈ বিছনাত পৰি থকা কমাৰ ক্রমাগত জ্ঞান উভতি আহিছিল।

যোৰহাট অসামৰিক চিকিৎসালয়ত সেই সময়ৰ ছুপাৰিণটেণ্ডেণ্ট ডা° ভঁৰালীৰ প্রতি মোৰ কৃতজ্ঞতাৰে মন ভৰি পৰে। তাৰ কাৰণ ডা° ভঁৰালীয়ে সেই সময়ত মোৰ ভণ্টিক চোৱাই নহয়, সকলো যত্নৰ ত্রুটি কৰা নাছিল। ইমান সুন্দৰ পৰিবেশ যে মই জীৱনত বোধ হয় কেতিয়াও পাহৰিব নোৱাৰিম। ডা° ভঁৰালী এতিয়া ক'ত আছে মই নাজানো। কিন্তু য'তেই নাথাকক, তেওঁলৈ মোৰ অশেষ কৃতজ্ঞতাৰ প্রণিপাত।

মোৰ ডাঙৰ ভণ্টি শ্রীমতী কনকলতাক মোৰ দেউতাই বিয়া দিছিল। ঠিক তেনেদৰে দেউতাই সীমিত আয় আৰু পুঁজিৰে আঠাইকেইজনী জীয়েকলৈ নিজৰ যত্নত সকলোবোৰ যা-যোগাৰ কৰিছিল। মোৰ দ্বিতীয়জনী ভণ্টি শ্রীমতী সৰোজিনী, যি এতিয়া মালিগাঁওৰ নীলাচল বিদ্যাপীঠৰ শিক্ষয়ত্রী। তেওঁৰ বিয়া ঠিক কৰিছিল এজন আত্মীয়ই। শ্রীভূপেন মহন্ত, যি দৈনিক অসম কাকতৰ লগত জড়িত আছিল, তেওঁ নির্বিচাৰে এই দ্বিতীয় বিয়াখনত আগভাগ লৈছিল। তেতিয়া প্রায় অসম্ভৱ কথা যেন লাগিলেও সেই সময়ত ভূপেন মামাই সকলো দায়িত্ব নিজে মূৰ পাতি লৈ এই বিয়াখন ডুমডুমাৰপৰাই পাতিছিল। কথা প্রসঙ্গত উল্লেখ কৰিব পাৰি যে ভূপেন মহন্তহত তেতিয়া ডুমডুমাত আছিল আৰু সকলো যা-যোগাৰ কৰাত একো অসুবিধা নাছিল।

তেতিয়াৰ দিনত সুদূৰ কামৰূপৰ মৰোৱাৰপৰা গৈ উজনি অসমৰ ডুমডুমাত বিয়া-বাৰু পতাটো সহজ কথা নাছিল। কিন্তু মোৰ মামাই অত্যন্ত কষ্টেৰে সেইখন বিয়া ডুমডুমাৰপৰাই পাতিছিল। বিয়াত মই নীৰৱ প্রত্যক্ষদর্শী আছিলো। কোনো এখন বিয়াতে মই সক্রিয়ভাবে জড়িত নাছিলো, কিন্তু প্রত্যেকৰে বিয়াত মোৰ আচুতীয়া অবদান নিশ্চয় আছে।

মই মোৰ একেবাৰে সৰু ভণ্টি লীনা বৰুৱাৰ বিয়াখনৰ কথা ক'ব বিচাৰিছো। কাৰণ, এইখন বিয়া মই মোৰ নিজৰ ধৰণে পাতিছিলো।

সেই সময়ত গুৱাহাটীৰ বিভিন্ন ঠাইত মই বহুকাল অতিবাহিত কৰিছো। প্রত্যেকটো সময়ে মোৰ বাবে এক প্রত্যাহ্বান হৈ দেখা দিছে আৰু সেইবোৰ সময়ৰ সোঁতত হেৰাই গৈয়ো তাৰ প্রতিছাপ এতিয়াও কিছু কিছু আছে। যেনেদৰে আছে

মোৰ সৰু ভণ্টিৰ বিয়াৰ স্মৃতি।

লীনাৰ বিয়াখন ঠিক কৰিছিলো শ্ৰীঅতুল বৰুৱাৰ স'তে। অতুল বৰুৱা মানুহজনে অতি কম কথা কয় আৰু কিবা এক ইন্‌ট্ৰ' ভাৰ্ট মানুহ। এতিয়া মোৰ ভণ্টি বেলতলাৰ সৌৰভ নগৰত সুন্দৰভাৱে নিজাকৈ সৰু আটোমটোকাৰি ঘৰ এটা সাজি লৈ বসবাস কৰে। অতুল বৰুৱা আৰ্টিষ্ট মানুহ। কথা-বতৰা সকলোতে আৰ্টিষ্টিক প্ৰলেপ এটা আছে। লীনা অতুলৰ ল'ৰা মাত্ৰ এটা। নাম কিংকু।

লীনাৰ বিয়া মই কেনে ধৰণে পাতিছো, সেয়া মোৰ নিজৰ কথা। কিছুমান কাম আছে, য'ত মাথোঁ কৰাৰ আনন্দ চৌদিশে জিলিকি থাকে। তাক কোনোবাই অন্তৰ খুলি সহজভাৱে গ্ৰহণ কৰিব পাৰে আৰু কোনোবাই হেলাৰঙে নেওচি পাৰ হৈ যায়, কিন্তু সঁচা জীৱনত সেইবোৰ কামৰ প্ৰতিক্ৰিয়াই অহৰহ দংশন কৰি থাকে।

মই অযাচিতভাৱে মোৰ নিজৰ বিয়াখনৰ কথা ক'ব খুজিও বাৰে বাৰে কিবা এক বান্ধোনত বান্ধ খাই আছো।

মোৰ বিয়া হৈছিল সুদৃশ্য, সকলোৰে মৰমৰ কামাখ্যাধামত। আন কথাত কামাখ্যাত।

কিয় জানো মোৰ এটা ধাৰণা হৈছিল যে মোৰ যিটো বয়স, সেই বয়সত দৰা সাজি বিয়া কৰাবলৈ যোৱা বা বিয়া কৰোৱাটো বৰ অস্বাভাৱিক কথা। তেতিয়াৰ বিশিষ্ট বন্ধু, লয়াৰ্ছ বুক ষ্টলৰ খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱাৰ স'তে আলচ কৰি মই বিয়াখন কামাখ্যাৰপৰা পতাটো স্থিৰ কৰিছিলো। ভাগ্য ভাল, ঠিক সেই সময়তে কামাখ্যাৰ এজন চিকিৎসক ক'ৰবালৈ বদলি হৈ যাব। কথাষাৰ মোক কৈছিল খগেন্দ্ৰ দত্তবৰুৱাই। তেৱে মোক উপদেশ দিলে যে আপুনি প্ৰয়োজন হ'লে সেই ঘৰটোকে ল'ব পাৰে। মই কথাষাৰ আপোনাক কাইলৈ জনাম।

কথা মতেই কাম। পিছদিনা দত্তবৰুৱাই হাঁহিমুখে মোক ক'লেহি যে আপোনাৰ কামটো হ'ব। মই আনন্দত হাঁহিম নে কান্দিম একো ঠিক কৰিব নোৱাৰিলো।

হ'ব বুলি আশ্বাস পোৱাৰ পাছত মই সিদ্ধান্ত ল'লো যে সেইটো ঘৰ কইনা ঘৰ কৰিম। তাৰ আগতে মই ঘৰটো ওচৰৰপৰা চাই আহিলো আৰু চিকিৎসক এজনৰ বাবে যি যি সুবিধা লাগে সেই সকলোবোৰেৰে ঘৰটো সুসজ্জিত আছিল। ক'বলৈ পাহৰিছো যে ডা° মেধিৰ ভায়েক মোৰ সৰু কালৰ বন্ধু, তেওঁৰ ককায়েক আছিল অতি স্থিৰ প্ৰকৃতিৰ আৰু সকলো গুণেৰে বিভূষিত। যেতিয়া মই সেইটো কথা ক'লো, তেওঁ উৎসাহেৰে হ'ব বুলি ক'লে। পিছদিনাখন মই খুব ওচৰৰপৰা

ঘৰটো নিৰীক্ষণ কৰিছিলো। কামাখ্যাহেন ঠাইত এনেদৰে অযাচিতভাৱে এটা ঘৰ পোৱা সহজ কথা নাছিল। পিছদিনাখন মই লয়াৰ্ছ বুক ষ্টলৰ ভুতুক (বিশিষ্ট অনুবাদক খগেন্দ্রনাৰায়ণ দত্তবৰুৱা) লগত লৈ এনেয়ে ঘূৰি আহিছো। মোৰ সান্নিধ্যৰপৰা কোনোদিন বিচ্ছিন্ন নোহোৱা এইকণ ভুতুৰ বৰ ডাঙৰ সহৃদয়তা।

আমি গুৱাহাটীৰপৰা গাড়ী এখনত গৈছিলো, লগত আছিল ভুতুৰ বন্ধু, বিশিষ্ট ক্রীড়া-সাংবাদিক, সমালোচক পুলক লাহিড়ী। ভুতু আৰু পুলক দুয়োজন বৰ নলে গলে লগা বন্ধু। পুলক লাহিড়ী সন্দিকৈ মহাবিদ্যালয়ৰ অধ্যাপক। পুলক লাহিড়ীয়ে ভুতুৰ লগত মোৰ বিয়াখনত একান্ত সহযোগ আগবঢ়াইছিল। কামাখ্যাত বিয়া? সেয়া মোৰ বাবে অভাৱনীয় আছিল।

কামাখ্যাত বিয়া বুলি ক'লে সাধাৰণতে 'মালা বদল' বিয়াই হয়। সামাজিক নীতি-নিয়ম-আস্থা সকলো তাতেই নিহিত থাকে। মই স্বাভাৱিকতে কথা-বতৰা পাতি সকলো ঠিক কৰিছিলো। হোম জ্বলাবলৈ এটি আছুতীয়া ঘৰ আছে। হোমৰ জুই সেই পৰিবেশত বৰ পবিত্র লাগে।

কইনা ঘৰ নিৰ্দিষ্ট আঁচনিমতে ডা° মেধিৰ ঘৰতে পাতিছিলো। মই কোনোবা এজন পাণ্ডাৰ ঘৰৰপৰা সাজি-কাচি ওলাই আহিছিলো।

দিনটো আছিল নবেম্বৰ মাহৰ কোনো এটা দিন। বোধহয় সেই দিনটোত গুৰু নানকৰ জন্ম দিন। আকাশত জোনবাই বৰ ডাঙৰকৈ ওলায়। গোটেই পৃথিৱীখন জোনাকে আৱৰি ৰাখে।

মোৰ বিয়াৰ সময়ত কামাখ্যাৰ এজাক ল'ৰা আহি মোৰ ওচৰ চাঁপিল। তেওঁলোকে সেই বিয়াখন কাৰ বিয়া, সেইটো গম পাই মোৰ ওচৰ চাপিল। ল'ৰাজাকে মোৰ ওচৰত একান্তভাৱে এটা অনুৰোধ জনাইছিল, মই লিখা কিছু কিতাপ তেওঁলোকক দিব লাগে। মই ল'ৰাখিনিক আশ্বাস দিছিলো যে মই লিখা কিছু কিতাপ নিশ্চয় দিম। আৰু সেই কিতাপ তেওঁলোকে সুন্দৰভাৱে ব্যৱহাৰ কৰি চলিব পাৰিব। লয়াৰ্ছ বুক ষ্টলৰ ঠিকনাটো মই লিখি দিছিলো। বিয়াৰ পাছত ল'ৰাজাকে লয়াৰ্ছলৈ আহি মোক বিচাৰি কিতাপখিনি সংগ্ৰহ কৰিছিল। প্ৰতিখন কিতাপ মই বৰ মৰমেৰে দিছিলো। সেই কিতাপখিনি, মই যদি ভুল কৰা নাই, কামাখ্যাৰ লাইব্ৰেৰীত সম্ভৱতঃ এতিয়াও আছে।

কামাখ্যাৰ চৌহদ জোনাকে বুৰাই ৰাখিছিল। মোৰ বিয়াৰ সেইটো দিনত জোনাক যেন অকৃপণভাৱে মোৰ বাবে সৰি পৰিছিল।

জোনাকত গোটেইখন কামাখ্যা অপৰূপ হৈছিল।

বিয়া নির্দিষ্ট দিনৰ নির্দিষ্ট সময়ত অনুষ্ঠিত হৈছিল। মোৰ আত্মীয়-স্বজনৰ সৰু-সুৰা ব্যৱহাৰৰ বিসংগতিৰ বাহিৰে ক'তো একো বিঘিনি ঘটা নাছিল।

হোমৰ পবিত্ৰ জুইৰ পোহৰত মই মনলৈ চাইছিলো। তেওঁ একেথৰে বহি আছে।

মোৰ সকলো আয়োজন হৈয়ে আছিল। চিৰাচৰিত নিয়ম অনুযায়ী মই এটা সময়ত কামাখ্যাৰপৰা গুচি আহিছিলো। পিছত কেবাখনো গাড়ী। কোন আহিছিল, সেইবোৰ মই নাজানো। কেৱল লানি-নিছিগা গাড়ী আৰু গাড়ী। কামাখ্যাৰ দুই-এঠাইত মোক হেঙাৰেৰে আগুৰিছিল। তাত সোধা প্ৰশ্নবোৰো বৰ কৌতূহলপূৰ্ণ আছিল। মই মানুহটোক ল'ৰাথিনিয়ে সেইদিনাই হয়তো আৱিষ্কাৰ কৰিছিল। ময়ো যথাৰীতি প্ৰশ্নবোৰৰ উত্তৰ দি গৈছিলো।

বিয়াৰ পিছদিনা মোৰ অভ্যৰ্থনা আছিল। মানুহবোৰক মই ব্যক্তিগতভাৱে লগ ধৰি, অহাৰ বাবে ধন্যবাদ দিছিলো। যিবোৰ মানুহক মই সন্মানসহকাৰে আমন্ত্ৰণ কৰিছিলো, সকলোবোৰেই আহিছিল।

ড° ভূপেন হাজৰিকাও কলিকতাৰপৰা উৰি আহিছিল। মোক এটা ফাউন্টেন পেন দিছিল, বাকচটোত লিখা আছিল 'লিখি যোৱা।' ভূপেনদাৰ সেই কথা মই বোধহয় আজিও মানি চলিছো।

মোৰ জীৱনৰ আটাইতকৈ মোহনীয় সপোনৰ বোধহয় পৰিণতি ঘটিল। অৱশেষত বিয়া মোৰ হৈ গ'ল। বিয়াৰ পাছতেই মোৰ জীৱনলৈ এটা ডাঙৰ পৰিবৰ্তন আহিছিল। সেই কথা পাছত হ'ব।

বিয়াৰ পাছতেই মনৰ পোষ্টিং হয় তিনিচুকীয়া চিভিল হাস্পতালত। লক্ষ্ণৌ কিং জৰ্জেছ কলেজৰপৰা উত্তীৰ্ণ হৈ তেওঁ আহিছিল।

লক্ষ্ণৌ। গোমতি য'ত নিৰবে বয়।

সেই পুৰণি ঐতিহ্যময় চহৰ লক্ষ্ণৌ। হজৰতগঞ্জ, আমিনাবাদ চ'ক আদিৰে পৰিবেষ্টিত পুৰণি চহৰ লক্ষ্ণৌ। মই যেতিয়া প্ৰথম লক্ষ্ণৌলৈ যাওঁ, তেতিয়া মই কেতিয়াও ভবা নাছিলো যে মোৰ জীৱনৰ শেষ পৰিণতি এনে হ'ব। কিন্তু সময়ৰ সোঁতে কৰি পেলায়, তাৰ জীৱন্ত সাক্ষী মই।

দীঘলীয়া গাড়ীৰ শোভাযাত্ৰা এটা সময়ত আহি বৈ গৈছিল। মোৰ লগত আৰু বহুজনৰ স্মৃতি বিজড়িত মোৰ বিয়া স্মৰণীয়, হৈ ৰ'ল।

কামাখ্যাধাম সঁচাকে বৰ অপূৰ্ব। প্ৰতি খোজতে তাৰ ভাহি আহে বহু স্মৃতি। এইখন বিয়াত মোৰ বাবে কিছু নঘটা ঘটনা ঘটিছিল। তাৰে ভিতৰত মুখ্য আছিল

কোনোবা এজন মোৰ অনুৰক্ত 'ফেন'ৰ প্ৰবল উচ্ছ্বাসমিহলি চামেলি মেমচাবৰ প্ৰশংসা। মই এই কথা কেতিয়াও পাহৰিব নোৱাৰো।

নাম আছিল বোধকৰো মনোমোহন শৰ্মা। চুটি-চাপৰ ল'ৰাজন। কিন্তু কথাত ইমান পটু যে তাৰ কথাই মোক আচ্ছন্ন কৰি ৰাখিছিল। ল'ৰাজন সঁচাকৈ অতি চিনেমাৰ ভক্ত। সাধাৰণতে এনেকুৱা ল'ৰা আজিকালি খুব কম পোৱা যায়।

মনোমোহন শৰ্মা তেতিয়াৰ কামাখ্যা হাইস্কুলত পঢ়িছিল। কিন্তু কথাবোৰ এনে লাগিব, যেন তেওঁ ক'ৰবাৰ গুৱাহাটীৰ স্কুলত পঢ়ি উত্তীৰ্ণ হৈ আহিছিল। কামাখ্যাৰ বিয়া, মোৰ কৰিবলগীয়া একো নাছিল বাবে মই কথাকে পাতিছিলো। সেই কথাৰ আদি-অন্ত নাই। কথা প্ৰসংগত মনোমোহনৰ মুখতে শুনিছিলো চামেলি মেমচাবৰ কথা। মনোমোহনে ইতিমধ্যে তিনিওটা ভাষাৰ ছবি চাই হজম কৰি থৈছে। নিজৰ তুলুঙা যুক্তি আৰু ব্যাখ্যাৰে তেওঁ মোক কিছু প্ৰশ্নও কৰিছিল। সেই কথাবোৰ মোৰ বাবে বৰ আচহুৱা যেন লাগিলেও মই সহি লৈ উত্তৰ দি গৈছিলো। মনোমোহন শৰ্মা আৰু লগৰ কেইবাজনো উৎসাহী ল'ৰাই প্ৰশ্ন কৰি গৈছিল আৰু মই উত্তৰ দি গৈছিলো। আকাশৰ জোনটো খিড়িকীয়েদি বৰ ডাঙৰ হৈ দেখা দিছিল।

কথা প্ৰসংগতে মনোমোহন শৰ্মাই বঙালী চামেলিখনৰ কথা উলিয়াইছিল। কথাত মই বুজিলো যে ল'ৰাজনে বোধহয় খুব বেছি বঙালী চিনেমা চায়। তেওঁ মোক সুধিছিল কিহৰ বাবে বা কিয় মই কাহিনীটো বঙালী ভাষাত কৰিবলৈ দিলো। বঙালী ভাষাত ছবিখন কৰিবলৈ দিয়াৰো কথা আছে। মই কথাটো বুজাইছিলো।

যি সময়ত অজিত লাহিড়ীয়ে চামেলিৰ কাহিনীটো বঙালী ভাষাৰ ছবিৰ বাবে নিৰ্বাচন কৰিছিল, ঠিক সেই মুহূৰ্ত্তে বহুবোৰ ঘটনাই চামেলিজনীক মুৰ আচন্দ্ৰাই কৰি ধৰিছিল। মই সেই কথা লেখক হিচাপে অনুভৱ কৰিছিলো।

কলিকতাৰ এন. আৰ. ফিল্মছ অৰ্থাৎ নেপাল ৰায়চৌধুৰীয়ে যেতিয়া চামেলি মেমচাবৰ কাহিনীটো হিন্দীত চিত্ৰৰূপ দিবলৈ স্থিৰ কৰিছিল, সেই সময়ৰ কথা।

চামেলি মেমচাবজনী তেতিয়া চৌদিশে জনপ্ৰিয় হৈ পৰিছে। প্ৰথম কথা, চামেলি মেমচাব গল্পটোৰ পটভূমি একেবাৰে সুকীয়া আছিল। দ্বিতীয়তে, ছবিত চিত্ৰায়িত বাৰ্কলে চাহাবৰ চৰিত্ৰটো। তৃতীয়তে, ছবিৰ বহুতো খুটি-নাটি অবশ্যে লক্ষ্যণীয়।

এই তিনিওটা বস্তুৰ সমন্বয়েৰে গঢ়ি উঠা চামেলি মেমচাবৰ কাহিনীভাগ দৰ্শকৰ বাবে আচহুৱা যেন লাগিছিল।

ইতিমধ্যে চামেলি মেমচাবৰ কাম অজিত লাহিড়ীৰ পৰিচালনাত ভালেখিনি আগবাঢ়িছে। সেই সময়ৰ কথা।

হঠাতে নেপাল ৰায়চৌধুৰীয়ে মোক মাতি নি এটা কথা ক'লে। মই কথাষাৰ শুনি কি উত্তৰ দিম বুজা নাছিলো। নেপাল ৰায়চৌধুৰীয়ে মনে মনে কথাষাৰ হয়তো ভাবিছিল। তেওঁ মোক অকণমান নিৰিবিলিভাৱে লগ পাবৰ আগ্রহ প্রকাশ কৰিছিল।

নেপাল ৰায়চৌধুৰী মানুহজন অত্যন্ত চোকা বুদ্ধিৰ মানুহ আছিল। সততে তেওঁ কথাবোৰ তেতিয়াৰ সহকাৰী যোগীন দে'ৰ লগত পাতিছিল। তেতিয়া যোগীন দে' এন. আৰ. ফিল্মছৰ সৰ্বেসৰ্বা।

নেপাল ৰায়চৌধুৰীয়ে কোৱা মতে মই পিছদিনা তেওঁক লগ ধৰিছিলো। অফিছৰে ৰুম এটাত দৰ্জা বন্ধ কৰি দি তেওঁ মোৰ স'তে কথা পাতিছিল।

তেওঁ মোক স্বাভাৱিকতে কোনো ভণিতা নকৰাকৈ কথাষাৰ কৈছিল। কথাটো হ'ল, যদি মই চামেলিখন বঙালীত চিত্ৰৰূপ দিব খোজো, কিমান পইচা মোক লাগিব? মই উত্তৰ নিদি কথাষাৰ আচহুৱা যেন পালো। মই ক'লো, কিয় বঙালীতে দেখোন অজিত লাহিড়ীয়ে কৰিব খুজিছে।

তেওঁ তৎক্ষণাত ক'লে ঃ 'অজিত লাহিড়ীৰ কথা বাদ দিন'।

মই কথাষাৰ নুবুজিলো। তেওঁ মোক কিছু উত্তেজিত হৈ কথাবোৰ কোৱা যেন লাগিল।

বন্ধ দৰজাত কোনোবাই শব্দ কৰিছে। নেপাল ৰায়াচৌধুৰীয়ে নিজে উঠি গৈ দৰজাখন খুলিছিল। দুকাপ চাহ লৈ অফিচ বয়টো সোমাই আহিছিল। চাহৰ গিলাচ দুটা টেবুলতে থৈ ল'ৰাজনে মোৰ মুখলৈ দুবাৰমান চাই কিবা ভাবি খন্তেক বৈ বাহিৰলৈ গৈ দুখন প্লেট আনিছিল। মই দেখিছিলো, কাটলেট আৰু দুটা বিভিন্ন ধৰণৰ মিঠাই।

দৰ্জাখন আকৌ বন্ধ কৰিছিল।

নেপাল ৰায়চৌধুৰীয়ে এইবাৰ নিজে উঠি গৈ দৰ্জাখন বন্ধ কৰিছিল। মোক খাবলৈ নিৰ্দেশ দিছিল। নিজেও খাইছিল।

তেওঁ মোক সুধিছিল— 'ইন্দৰ সেনৰ নাম মই শুনিছো নে নাই।'

মই ক'লো - 'নাম শুনাটো সুকীয়া কথা। ইন্দৰ সেনৰ হতুৱাই ছবিখন কৰাব খুজিছে নেকি?'

এইবাৰ মানুহজনে চমকি উঠি মোৰ মুখলৈ চাই ক'লে — 'আজি ইন্দৰ সেন ইয়ালৈ অহাৰ কথা, হয়তো আপোনালোক দুয়োৰে দেখাদেখি হৈ যাব পাৰে'।

নহ'ল। ইন্দৰ সেনৰ লগত মোৰ পৰিচয় সেইদিনা সংঘটিত নহ'ল। বহু পিছত মই তেওঁক লগ পাওঁ।

ইতিমধ্যে মই বহুবোৰ কথাই গম পাইছিলো। অজিত লাহিড়ীৰ লগত তেওঁৰ মনৰ দূৰত্ব ক্ৰমাগত বাঢ়ি গৈছিল।

মই আগতে কৈছো যে এই বিপদৰ সময়ত কলিকতাত অকণমান দিহা-পৰামৰ্শ দি মোক সহায় কৰা মানুহ কোনো নাছিল। সকলোবোৰ নিজ ধৰণে ব্যস্ত। ভূপেনদা এজন মানুহ, যি মোক এই বিষয়ে অকণমান সহায় কৰিছে। মই সেই কথা সগৰ্বে আজিও স্বীকাৰ কৰোঁ।

টালিগঞ্জত থাকোঁতে মই হঠাৎ চিনেমা হল এটাত এখন পোষ্টাৰ দেখিছিলো। পোষ্টাৰখন আছিল ইন্দৰ সেনৰ ছবি এখনৰ বিজ্ঞাপন। তেতিয়া তেওঁ বিমল কৰৰ 'অসাধাৰণ' গল্পটোৰ চিত্ৰৰূপ দিছিল। সেই ছবিখন সেইটো ছবিঘৰত চলি আছিল। ইন্দৰ সেনৰ ছবি তেতিয়ালৈ মই চোৱা নাছিলো। পাছত জানিছিলো, ইন্দৰ সেনৰ প্ৰথম ছবিখন আছিল 'প্ৰথম কদম ফুল'। কাব্যিক নামাংকিত গল্পটো মই পাছত চোৱাৰ সৌভাগ্য হৈছিল।

ইন্দৰ সেনৰ প্ৰথম ছবিখনৰ নাম আছিল প্ৰথম কদম ফুল। যশস্বী কথা-সাহিত্যিক প্ৰবীণ লেখক অচিন্ত্য কুমাৰ সেনগুপ্তৰদ্বাৰা ৰচিত এই উপন্যাসৰ জনপ্ৰিয়তা তেতিয়াই তুংগত আছিল। উপন্যাসৰ মূল চৰিত্ৰকেইটি ৰূপায়িত কৰিছিল বঙালী বোলছবিৰ আগশাৰীৰ চিত্ৰতাৰকাই। ছবিখন বৰ সুন্দৰ হৈছিল, কিন্তু অতি দীঘলীয়া হোৱা বাবে ছবিখনে প্ৰকৃত মৰ্য্যাদা হয়তো নাপালে।

ইন্দৰ সেনৰদ্বাৰা পৰিচালিত তেওঁৰ দ্বিতীয় ছবি আগতে উল্লেখ কৰাৰ দৰে বিমল কৰৰ 'অসাধাৰণ' গল্পটো। সাধাৰণতে বিমল কৰে মনস্তাত্ত্বিক গল্প বেছি লিখে আৰু তেওঁৰ গল্পত থকা খুটি-নাটি বৰ্ণনাই পাঠক সমাজক অভিভূত কৰে। উল্লেখিত গল্পটোৰ সেইকণ গুণ পাহৰিব নোৱাৰি।

ছবিখন মই কলিকতাত নাইট শ্ব' চাইছিলোঁ, লগত আছিল ভূপেনদা। আগদিনাখন বাটেদি আহি থাকোতে দেখিলোঁ 'অসাধাৰণ'ৰ কিছু বিজ্ঞাপন। কথাযাৰ মই ভূপেনদাক এনেয়ে কাণ চোৱাইছিলোঁ, তেওঁ তৎক্ষণাৎ মোৰ মনৰ ভাব বুজি উঠি কৈছিল — ব'লা নাইট শ্ব' চাওঁগৈ।

ছবিখন আমি দুয়ো চাইছিলোঁ, নাইট শ্ব'ত এনেয়ে মানুহ কম, কিন্তু প্ৰদৰ্শিত ছবিখন প্ৰথম সপ্তাহ চলা বাবে মানুহ বেছ হৈছিল, আমি টিকট দুটা কাটি সোমাইছিলোঁ।

ছবিখন চালোঁ। চাই উঠি মই একো মন্তব্য কৰা নাছিলোঁ, কিন্তু ভূপেনদাই

তীব্ৰ ভাবাত পৰিচালকৰ সমালোচনা কৰিছিল, মোৰ মুখৰ উত্তৰ নাছিল। বুজিছিলোঁ যে ছবিখন তেওঁ মনে বিচৰাৰ দৰে হোৱা নাই।

মোৰ কিন্তু অন্য এক চিন্তাই ক্ৰিয়া কৰিছিল, মনে-মনে ভাবিছিলোঁ যে 'চামেলি মেমচাব' সেই একেজন মানুহে চিত্ৰৰূপ দিব।

কামাখ্যাৰ মনোমোহন দেৱশৰ্মাৰ প্ৰশ্নৰ উত্তৰত মই এই কথাখিনিয়ে কৈছিলোঁ, ইন্দৰ সেন বোলছবি জগতত খুব নতুন মানুহ নহয়। কিন্তু তেওঁৰ অসাধাৰণ গল্প নিৰ্বাচন আৰু চিত্ৰায়িত চৰিত্ৰৰ ক্ৰিয়া-কলাপে দৰ্শকক সততে মুগ্ধ কৰে।

ইন্দৰ সেনে বঙালী ছবিখন ভাল নে বেয়া কৰিছে, সেইটো সুকীয়া কথা। কিন্তু তেওঁ প্ৰকৃত পৰিচালকৰ দৰে যত্নসহকাৰে ছবিখন সজাই তুলিবলৈ চেষ্টা কৰিছিল।

ছবিখনৰ প্ৰথম মূৰৰ বিষ হৈছিল 'চামেলি'ক বিচাৰি। ইন্দৰ সেনে বহু চিত্ৰ তাৰকাক নিৰ্বাচন কৰিছিল কিন্তু তেওঁৰ কোনো এজনীয়ে মনঃপূত নহ'লগৈ।

ইয়াৰে মাজত চিত্ৰ পৰিচালকে শতাব্দী ৰায়কো চাইছিল, চৌৰংগীৰ কোনো এখন ৰেষ্টোৰাত বহি মই শতাব্দী ৰায়ৰ লগত কথাও পাতিছিলোঁ। বৰ ধুনীয়া ছোৱালী শতাব্দী, ইন্দৰ সেনে মোক তেওঁৰ লগত পৰিচয় কৰাই দি মোক কথা পাতিবলৈ সুবিধা কৰি দিছিল।

তাৰ পাছত সময় অতিবাহিত হ'ল, অৱশেষত ইন্দৰ সেনে চামেলি মেমচাবজনী বিচাৰি উলিয়ালে।

সেই সময়ত হিন্দী ছবি জগতত নতুনকৈ অভিনয় কৰিবলৈ লোৱা বহুবোৰ চিত্ৰতাৰকাই খদমদমাই আছিল, ইন্দৰ সেনে অৱশেষত ৰাখীক চামেলিৰ চৰিত্ৰত নিৰ্বাচন কৰিলে। ৰাখী তেতিয়া হিন্দী ছবিজগতত প্ৰায় নবাগতা। ইন্দৰ সেনৰ কথা হ'ল যে ৰাখীয়ে সহজে চামেলিৰ চৰিত্ৰটো বুজি পাব। ৰাখী তেতিয়া লেখক, চিত্ৰনাট্যকাৰ, সংলাপ লেখক, গীতিকাৰ গুলজাৰৰ বিবাহিতা পত্নী। মোৰ নিৰ্বাচন সম্পৰ্কে কোনো কথা নাই, কিন্তু অভিনীত চৰিত্ৰই দৰ্শকৰ মন চুই যাব পাৰিব লাগিব। ৰাখী সেই সময়ত দাৰ্জিলিঙত কোনো হিন্দী ছবিৰ শ্বুটিং কৰি আছিল। ইন্দৰ সেনে গৈ তাতে কথা-বতৰা পাতি আৰু ছবিৰ চৰিত্ৰটো কৈ-মেলি গুচি আহিছিল। ইন্দৰ সেনে ৰাখীক চামেলি মেমচাবৰূপে ভাবিছিল। তেওঁৰ নিৰ্বাচন সম্পৰ্কে মোৰ কোনো অভিমত নাই। কিন্তু অইন এটা সমস্যাই মোক খুলি খুলি খাইছিল।

সমস্যাটো জৰ্জ বেকাৰক লৈ।

জৰ্জ বেকাৰ প্ৰথম দৃষ্টিত মোহনীয় ব্যক্তিত্বৰ মানুহ। যিয়েই তেওঁক দেখে,

নিশ্চয় তেওঁৰ মনত থাকিব।

এনে এক ব্যক্তিত্বৰ অধিকাৰী আছিল জৰ্জ বেকাৰ। এই জৰ্জ বেকাৰক লৈ সমস্যাটোৰ উত্তৰ হৈছিল, কথাটো এনে ধৰণৰ ঃ

অসমীয়া ভাষাৰ ছবিখন চাই ইন্দৰ সেনে মোটামুটি গল্পটোৰ কাহিনীভাগ লৈ বঙালী ভাষাত চিত্ৰনাট্য লিখি পেলাইছিল। সেই চিত্ৰনাট্য তেওঁ মোক শুনাইছিল। টালিগঞ্জৰ ভূপেনদাৰ ঘৰত তেওঁ মোক সেই চিত্ৰনাট্য শুনাইছিল। চিত্ৰনাট্য শুনি মোৰ চকু কপালত উঠিছিল, ছবিৰ নায়ক জৰ্জ বেকাৰ খ্ৰিষ্টিয়ান পাদুৰী চাহাবৰ ভাওত।

ইন্দৰ সেন বৰ বুধিয়ক মানুহ। তেওঁ প্ৰথমে মোক কৈছিল যে জৰ্জ বেকাৰক এজন খ্ৰিষ্টিয়ান পাদুৰীৰ চৰিত্ৰত অভিনয় কৰাব, তাৰ বাহিৰে গল্পটোৰ একো সালসলনি কৰা নহয়।

ছবিৰ চিত্ৰনাট্য শুনি মই বিস্ময়ত হতবাক হ'লো, দুখন-তিনিখনকৈ ছবি কৰিলেও, চিত্ৰনাট্যৰ মোটামুটি ধাৰণা থাকিলেও, এই ছবিৰ চিত্ৰনাট্যত মই কোনোমতেই হয়ভৰ দিব নোৱাৰিলোঁ।

প্ৰথম কথাই হ'ল যে তেওঁ কি যুক্তিত বাৰ্কলে চাহাবক পাদুৰীৰ চৰিত্ৰত অংকন কৰিব? আৰু তেওঁ যিটো ধৰণে চামেলি আৰু বাৰ্কলেৰ প্ৰণয়, সদভাব বা আকৃষ্ট হোৱা দেখুৱাইছে সেইটো বৰ 'চিনেমেটিক' হৈছে। মই ছবিৰ চিত্ৰনাট্য শুনি দুৰ্ঘোৰ প্ৰতিবাদ কৰিলোঁ। মোৰ কথা হৈছে, বাগিচাৰ চাহাব এজনে মজদুৰ ছোৱালী এজনীক ভাল পায়, বিয়া সোমায়, তাৰ মাজত একো অস্বাভাৱিকতা নাছিল। বাৰ্কলেৰ সেইটো ৰূপ স্বভাৱসিদ্ধ ৰূপ, কোনো অভিলাষে তেওঁক তেওঁৰ নিৰ্দিষ্ট লক্ষ্য চামেলিৰপৰা বিচ্যুত কৰিব পৰা নাছিল। জীৱনৰ বাকী থকা কালছোৱা তেওঁ স্বাভাৱিকতে চামেলিক লৈ সুখী হ'ব নোৱাৰিলেও জীৱনৰ কোনো স্তৰতে তেওঁ পৰাজয় স্বীকাৰ কৰা নাছিল। এইটোৱে আছিল মোৰ গল্পৰ মূল কাৰ্যক্ৰমণিকা। তাৰেই পৰিণতি বাৰ্কলে চাহাব, তাৰেই পৰিণতি চামেলি মেমচাব।

চামেলি মেমচাব গল্পটি ছেলুলয়ডলৈ ৰূপান্তৰ হৈ বহু মানুহৰ মন মুগ্ধ কৰিছে। সেই মুগ্ধতা চামেলিৰ নিজস্ব মহিমাৰে মহিমামণ্ডিত। তাৰ লগে লগে চামেলিৰ মূল চৰিত্ৰ বাৰ্কলে চাহাবৰ কাৰ্যকৰণ আৰু তেওঁৰ বিভিন্ন কৰ্মপদ্ধতিৰ মাজত আৱিষ্কাৰ কৰা যায়।

গল্পৰ এই দুটি প্ৰধান চৰিত্ৰ ইন্দৰ সেনৰ ছবিত প্ৰায় একে আছে। কিন্তু তেওঁ অতি কৌশলেৰে বাৰ্কলে চাহাবৰ চৰিত্ৰটো খ্ৰিষ্টিয়ান পাদুৰী চাহাবলৈ ৰূপান্তৰিত

কৰোতে তেওঁ অযথা স্বাধীনতা লৈছে।

মই চিত্ৰনাট্য শুনি অবাক হ'লোঁ। তৎক্ষণাত মই বাৰ্কলে চাহাবৰ চৰিত্ৰৰ তেনে পৰিবৰ্তন নিবিচাৰিলোঁ আৰু মোৰ উচিত অভিমানৰ কাৰণ বুজি উঠি তেওঁ মনে মনে থাকিল।

মোৰ মনৰ মাজত ভেতিয়া দুটা ভাবে দোলা দিছিল। প্ৰথমটো হ'ল যে বঙালীতে চিত্ৰৰূপ দিব খোজা ছবিখনৰ সুযোগ মই কৰুণভাবে হেৰুৱাম। দ্বিতীয়তে মোৰ মনৰ মাজত ইন্দৰ সেন সম্পৰ্কে কেনে ধাৰণা হ'ব পাৰে, সেইটো বিচাৰ নকৰাকৈয়ে ঘটনা হয়তো ইতি পৰিব। দুয়োটা কথাই মোৰ সমানে তাৎপৰ্যপূৰ্ণ।

জৰ্জ বেকাৰৰ চৰিত্ৰটো তেওঁ খ্ৰিষ্টিয়ান পাদুৰী চাহাবলৈ ৰূপান্তৰিত কৰিছিল। তেওঁ বাগিচাৰ পটভূমিত বাগিচাৰ নিজস্ব মহিমামণ্ডিত প্ৰকৃত ৰূপৰ হয়তো অনুধাৱন কৰিব পৰা নাছিল, যিটো গল্পটোৰ খুবেই আৱশ্যকীয় কথা। এই কথাটোৱে চামেলি মেমচাব ছবিখনত জীৱন্ত হৈ প্ৰস্ফুটিত হৈছে, সেইবাবেই গল্পটোৰ এনে আকৰ্ষণ।

মই ইন্দৰ সেনৰ লগত বহু সময় তৰ্ক-বিতৰ্ক কৰিলোঁ। অৱশেষত তেওঁ মোৰ কথাত মান্তি হ'ল। গল্পৰ বাৰ্কলে চাহাবক একে ধৰণে ৰখাৰ প্ৰস্তুতি আৰম্ভ হ'ল। ছবিখন যিয়ে চাইছে সেই মানুহৰ মনত এই কথাটোৱে স্বাভাৱিকতে দোলা দি যায়। বাৰ্কলে চাহাবৰ ব্যক্তিত্ব গল্পটোৰ নিজস্ব বক্তব্য। তাৰ বাহিৰত আন আৰু একো নাই।

গল্পটোত নতুন চৰিত্ৰ একো সুমোৱা নাছিল। অসমীয়াখন যিয়ে চাইছে তেওঁৰ বাবে গল্পৰ মূল সুঁতি অনুধাৱন কৰা অতি সহজ কথা। ছবিত মগলুৰ চৰিত্ৰ এটি অপৰিহাৰ্য্য চৰিত্ৰ হৈ দেখা দিছে। এই চৰিত্ৰটো আব্দুল মজিদৰ অসমীয়া ছবিখনৰ এটি অভিনৱ চৰিত্ৰ আছিল। কিন্তু বঙালীখনত সেই চৰিত্ৰটো সেই সময়ৰ জনপ্ৰিয় কৌতুক অভিনেতা চিন্ময় ৰায়ৰ হতুৱাই চিত্ৰৰূপ দিয়াইছিল। চিন্ময় ৰায় হয়তো খুব ভাল অভিনেতা, কিন্তু ছবিখনত তেওঁ চৰিত্ৰটো যথাযথ ৰূপায়িত কৰিব নোৱাৰিলে। ফলত ছবিখনত চৰিত্ৰটো আলংকাৰিক হৈয়ে বৈ গ'ল।

অসমীয়াখনত আব্দুল মজিদৰ ভাৱটো আছিল এনেকুৱা ঃ চামেলি এজনী বাগিচাৰ ছোৱালী। সেই ছোৱালীজনী ইমান ধুনীয়া যে বাগিচাৰ চাহাবো তেওঁৰ প্ৰেমত পৰিছিল। অথচ তেওঁৰ লগত থকা আনবোৰ মজদুৰ তাইৰ প্ৰতি সম্পূৰ্ণ নিৰ্বিকাৰ আছিল। এইটো কেনেকৈ হ'ব পাৰে। ফলস্বৰূপে আব্দুল মজিদে মোৰ স'তে আলোচনা কৰি সেই চৰিত্ৰটো উপযুক্তভাৱে বিবেচনা কৰিয়ে মজিদে চিত্ৰৰূপ দিছিল।

কিন্তু বঙালী ছবিখনত চৰিত্ৰটো এটি বহুবাৰ চৰিত্ৰ যেন অনুমান হ'ল। চামেলিৰ লগত চিন্ময় ৰায়ৰ ভাব-ভংগী আৰু কাৰ্যকাৰণত কোনো যথাৰ্থ স্থিতি পোৱা নাযায়। হয়তো চিন্ময় ৰায়ক ব্যৱহাৰ কৰা বাবে সেই ধৰণে চিত্ৰৰূপ দিছিল।

কিন্তু মজিদ আছিল সম্পূৰ্ণ সুকীয়া। আনকি হিন্দীখনতো চৰিত্ৰতো যথাযথভাৱে ৰূপায়িত কৰিছিল আগশাৰীৰ অভিনেতা মিঠুন চক্ৰবৰ্তীয়ে।

এনে এটা পৰিস্থিতিৰ মাজত মই চামেলি মেমচাবৰ বঙালী সংস্কৰণ বিকিকলগীয়া হৈছে। মোৰ উদ্দেশ্য আছিল যে অসমীয়াত যিখন ছবিয়ে ইমান হুলস্থূল সৃষ্টি কৰিলে, সেই ছবিৰ বঙালী চিত্ৰৰূপো যদি দিয়া হয়, তেন্তে আপত্তিৰ থল ক'ত? ছবিৰ নায়িকা ৰাখী গুলজাৰে সেই সময়ত দাৰ্জিলিঙত শুটিং কৰি আছিল বুলি মই আগতে কৈছোঁ। গতিকে চামেলি মেমচাবৰ শুটিং নিৰ্দিষ্ট সময়ত দাৰ্জিলিঙত অনুষ্ঠিত কৰা হয়। ইন্দৰ সেন অসমৰ চাহবাগিচা সম্পৰ্কে খুবেই সচেতন আছিল। তেওঁ মোক লগত লৈ অসমৰ চাহবাগিচা কিছু চাইছিল। সেই সময়ত চাহবাগিচা চাই উঠি ইন্দৰ সেনে হঠাতে মোক কৈছিল যে এইবোৰ বাগিচা বৰ সুন্দৰ, কিন্তু ছবিৰ চিত্ৰগ্ৰহণৰ বাবে বাগিচাবোৰ কিছু 'হিলী' হলে ভাল হয়। সমৰ্থনত তেওঁ মোৰ মুখলৈ চাইছিল। কিছু সময় বৈ মই উত্তৰ দিছিলোঁ-আপুনি দাৰ্জিলিঙলৈ যাওক, তেনে ধৰণৰ পাহাৰে ঘেৰা বাগিচা দাৰ্জিলিঙত পাব, ইয়াত নহয়।

দাৰ্জিলিং। অতি সুন্দৰ ঠাই। তাৰ দৃশ্যৰাজি সহজে কল্পনা কৰিব নোৱাৰি। ইন্দৰ সেন সঁচাকৈ দাৰ্জিলিঙলৈ গৈছিল। তাৰ পাছত তাৰেপৰা মোলৈ চামেলিৰ বাগিচাৰ দৃশ্যসহ কিছু ফটো পঠিয়াইছিল। সেইবোৰ ফটো চাই মই মুগ্ধ হৈছিলো।

সকলো স্থিৰ হৈ গ'ল।

ঠিক হ'ল, চামেলি মেমচাবৰ বহিঃদৃশ্য দাৰ্জিলিঙত গ্ৰহণ কৰা হ'ব। মোক কিছু তেওঁ দায়িত্ব দিছিল। সেই দায়িত্ব মই নিয়াৰিকৈ পালন কৰিছিলোঁ। বহিঃদৃশ্যৰ কিছু আৰ্টিষ্ট দাৰ্জিলিঙলৈ যথাসময়ত পঠিয়াব লাগে। বিশেষকৈ জৰ্জ বেকাৰ।

সকলোবোৰ যা-যোগাৰ কৰি চামেলি মেমচাবৰ দৃশ্যগ্ৰহণ আৰম্ভ হয়। ছবিত কোনে কি চৰিত্ৰ ৰূপ দিছে, সেইটো খুব ডাঙৰ কথা নহয়, কিন্তু ডাঙৰ কথা হ'ল যে ছবিখনৰ নিমজ ৰূপ এটা যথাযথভাৱে ফুটি ওলোৱাটো। আৰু এই ক্ষেত্ৰত প্ৰধান ভাও ল'ব লাগিব ইন্দৰ সেনে।

এদিন চামেলি মেমচাব সম্পূৰ্ণ হ'ল। চাৰিওফালে সকলোৰে মুখত নানান কথা। কিছুমানে জৰ্জ বেকাৰক বৰ ভাল পালে আৰু কিছুমানে ৰাখীৰ প্ৰশংসাত পঞ্চমুখ হ'ল। ছবিৰ সংগীত আছিল ভূপেন হাজৰিকাৰ। বিশেষকৈ অ' বিদেশী বন্ধু'

গীতটো খুবেই জনপ্ৰিয় হৈ পৰিছিল। গীতটো বঙালীত গাইছিল হেমন্ত মুখোপাধ্যায়ে। গীতটোৰ কথা আৰু সুৰ প্ৰায় একেই আছিল, কিন্তু হেমন্তৰ নিজস্ব ভংগীত তাৰ সৌন্দৰ্য বিকশিত হৈ উঠিছিল।

বঙালী ছবিখনৰ গীতাংশ সম্পূৰ্ণ হোৱাৰ পাছত মই কলিকতাত শুনিছিলো। হেমন্ত মুখোপাধ্যায়ৰ বাহিৰেও তাত কণ্ঠদান কৰা আন আন শিল্পীসকলে বৰ নিষ্ঠা আৰু ঐকান্তিকতাৰে গীতবোৰ পৰিবেশন কৰিছিল।

মই বোধহয় ধৰা পৰি গ'লো। কাৰণ, মই মোৰ স'তে মোৰ ভাবী পত্নী মঞ্জুক লৈ নিউমাৰ্কেটত বজাৰ কৰিবলৈ সোমাইছিলো। ঠিক সেই সময়তে টেক্সি এখনৰ পৰা মোৰ নাম ধৰি চিএৰা শুনিলো। খন্তেক থমকি ৰলো। দেখো টেক্সিখনত ভূপেনদা। অলপ পাছত আমি তিনিওজনে আগবাঢ়িলো ওচৰৰ হোটেল কাৰ্লটনলৈ। মই সেই সময়ত কাৰ্লটন হোটেলত আছিলো। আৰ্মেনিয়ান হোটেল। হোটেলৰ নিৰহ-নিপানী ৰূপে মোক সদায়ে মুগ্ধ কৰিছিল। এতিয়া কাৰ্লটন হোটেলৰ সমুখখিনি পাৰ্কিংপ্লেচ। ৰশ্মি চিনেমা হলৰ ওচৰত থকা কাৰ্লটন হোটেল মোৰ বাবে বহু স্মৃতিভৰা। বহু মানুহ আৰু বিভিন্ন বৃত্তিৰ মানুহৰ সংগমস্থলী আছিল কাৰ্লটন হোটেল। এই হোটেলতে ভূপেনদাই বঙালী চামেলিখনৰ গানবোৰ শুনাইছিল।

'হে বিদেশী বন্ধু দুৰ্ভাগা', অ' বিদেশী বন্ধু দুৰ্ভগীয়া, আজি কিয়নো অকলশৰীয়া—' অসমীয়া এই গীতটি প্ৰাণস্পৰ্শী। ৰূপ প্ৰতিফলিত হৈছে হেমন্ত মুখোপাধ্যায়ে কণ্ঠদান কৰা বঙালী গীতটিত। হেমন্তৰ ভিঙিৰ সুকীয়া এক বৈশিষ্ট্য আছে, শুনিলে শুনি থাকিবৰ মন যায়। আমাৰো সেয়ে হৈছিল। এটা এটাকৈ আটাইকেউটি গীত শুনা হৈছিল। সংগীত পৰিচালক ভূপেন হাজৰিকা ততাতিয়া ক্লান্ত। বিছনাখনত গাৰুটো বুকুত লৈ তেওঁ উদাসভাৱে ওপৰলৈ চাই কিবা চিন্তা কৰিছিল। মই অলপ থমকি ৰৈ তেওঁক হঠাতে সুধিলো-'কিবা খাব ভূপেনদা'।

হঠাৎ সাৰ পোৱা মানুহৰ দৰে তেওঁ সুধিলে — খাম, কিন্তু কি খাম।

মই অলপ থমকি ৰৈ তেওঁক সুধিলো - চুপ এটা খাব। তেওঁ নিজে টপৰাই ক'লে - 'চুপ এটা খাওঁ দিয়া'।

মই ৰুম বয় এটা বিচাৰি বেলটো বজালো। খন্তেক সময়ৰ নিৰৱতা। পাঁচ মিনিটমান পাছত ল'ৰাটো আহিল। ল'ৰা মানে মানুহ। ধুতি পিন্ধা, কাৰ্লটন হোটেলৰ ৰুম বয়বোৰ প্ৰায়ে উড়িয়া। অৰ্ডাৰটো মই তাক দিলো। বয়টো গুচি গ'ল। মঞ্জুলৈ চাই ভূপেনদাই সুধিলে 'গীত কেনে লাগিছে?' মঞ্জুৰ মুখত প্ৰশংসাৰ ফুলজাৰি

ফুটিল।

'চামেলি মেমচাব' ছবিত সেইবোৰ গীত নতুন ধৰণে উপস্থাপন কৰা হৈছিল।। সেই গীতৰ আদি-অন্ত নাই। 'লিবিকি-বিদাবি সুগন্ধি লওঁতে চামেলি হ'লগে পৰ। 'পৰ' হৈ যোৱা চামেলিৰ কৰুণ কাহিনী ছবিখনত মূৰ্ত হৈ উঠিছে।

মাথোন এইটো কাহিনীয়েই নহয়, মই লিখা পাঁচোটা কাহিনী চিত্ৰৰূপ হৈছে - (১) চামেলি মেমচাব (২) বনহংস (৩) কাঁচঘৰ (৪) মন প্ৰজাপতি আৰু (৫) পান্নী। আটাইকেউখন ছবিৰে সুকীয়া একোটা ৰূপ আছে। চামেলি মেমচাবৰ পিছতে চিত্ৰৰূপ দিবলৈ ওলোৱা সেউজ বোলছবি সম্ভাৰ বনহংসৰ কাহিনীও মোৰ। দাৰ্জিলিঙৰ কনভেন্ট এডুকেটেড এজনী ছোৱালীৰ বিক্ত সিক্ত মনক ভৰাই তোলা এহাল ওচৰতে থকা দুখীয়া মানুহৰ এটি মৰ্মবেদনা কাহিনীটোত চিত্ৰায়িত হৈছে। আব্দুল মজিদে, যি 'চামেলি মেমচাব' পৰিচালনা কৰিছিল, তেওঁ কিহৰ বাবে মোৰ প্ৰেমত পৰিছিল মই নেজানো। 'বনহংস' গল্পটো আব্দুল মজিদে তেওঁৰ দ্বিতীয় ছবি হিচাপে নিৰ্বাচন কৰোতে স্বাভাবিকতে মই বিপদত পৰিছিলো। মোৰ কথা হৈছে, কনভেন্ট এডুকেটেড ছোৱালী এজনী বাছি লোৱাটো বৰ কঠিন কাম হ'ব। অবশেষত ছোৱালীও পোৱা হ'ল। যাক মই মোৰ কল্পনাৰ দেবাহূতি বুলি ধৰি লৈছিলো। বাকীবোৰ চৰিত্ৰ তাত ৰূপ দিছিল আব্দুল মজিদৰ পৰিকল্পনা অনুযায়ী।

বনহংসৰ চিত্ৰৰূপ দিওঁতে মোৰ ভালেখিনি অভিজ্ঞতা সঞ্চয় হৈছিল। ছবিখনৰ প্ৰযোজনা আছিল সেউজ বোলছবি সম্ভাৰ হৈ স্বৰ্গীয় আশ্ৰফ শইকীয়াৰ, যাক সাধাৰণতে সকলোৱে জানিছিল 'মতি' বুলি। আমি মাতিছিলো মতি বাবু বুলি। চুটি-চাপৰ মানুহজন, অসম্ভৱ ধৰণে শকত আছিল। মতিবাবুৰ এই অৱস্থাত উৎসাহ-উদ্দীপনা মই কেতিয়াও পাহৰিব নোৱাৰো। ছবিখনৰ সৰহভাগ দৃশ্যই শিৱসাগৰতে গ্ৰহণ কৰা হৈছিল। মজিদে নানান কৌশলেৰে সেইবোৰ গ্ৰহণ কৰিছিল। গল্পটো অনুযায়ী পটভূমি নিৰ্বাচন কৰি লৈছিল। মজিদৰ এই ছবিয়ে তেনেধৰণৰ সাফল্য লাভ নকৰিলেও গল্পটোত এটা কৰুণ কাহিনী মূৰ্ত উঠিছিল।

বনহংস ছবিখন কেইবাটিও দিশৰপৰা নতুন আছিল। বিশেষকৈ ছবিৰ গীতাংশ বৰ সুৰীয়া হৈছিল। ছবিৰ নায়িকা দেবাহূতিয়ে হঠাৎ এদিন বাথৰুমত আবিষ্কাৰ কৰিলে যে তাই 'ডাঙৰ' হৈছে। সেই সময়ত তাইৰ মুখত ভূপেনদাৰ লিখা এই গীতটি দিয়া হৈছিল।

'এই কিয়? কিয় বাৰু? নিজকে দেখি আজি-কালি বেলেগ ভাব জাগে। দাপোণখনিৰ, মইজনীক সপোন সপোন লাগে। সিদিনালৈকে আছিলো দেখোন

পুতলা ঘৰ সাজি পুতলাৰ কইনা-দৰা নেখেলো যে আজি। পুতলাবোৰ মানুহ মানুহ লগা হ'ল যে কিয়, মৰমী চাবনিৰে মোক জোকাই কিয়?'

মৰমী চাবনিৰে জোকোৱাজন আছিল দেৱাহূতিৰ মনৰ মানুহজন। এই প্ৰকাশ আৰু বনহংসৰ আটাইকেউটি গীতৰ সংযমী প্ৰকাশে মোক মুগ্ধ কৰিছিল। গীতবোৰৰ প্ৰয়োগো অভিনৱ আছিল আৰু পৰিচালক মজিদে কৌশলেৰে সেইবোৰ গীতক তুলি ধৰিছিল।

তাৰ পাছতে মোৰ কাহিনী মন প্ৰজাপতি, পানী আদিৰো চিত্ৰৰূপ হয়। ভাবিলে আচৰিত লাগে যে সুখ্যাত বঙালী পৰিচালক মৃণাল সেনে এসময়ত মোৰ মন প্ৰজাপতিৰ গল্পটোত ইমান মুগ্ধ হৈছিল যে তেওঁ ভূপেনদালৈ বাৰে বাৰে বায়াৰ কৰি মোৰ লগতে যোগাযোগৰ চেষ্টা চলাইছিল। ভূপেনদাৰ মুখত গল্পটো শুনি তেওঁ মুগ্ধ হৈছিল আৰু সেই গল্পটো মোৰপৰা বিচাৰিছিল। প্ৰকৃততে মৃণাল সেনৰ অনুৰোধতে ভূপেনদাই আহি এবাৰ মোক কৈছিল এনেদৰে: 'ব'লা সোণাৰিলৈ যাওঁ, তাত চন্দ্ৰ ফুকন আছে, মাটিকঠাল খাই খাই তুমি লিখিব পাৰিবা।' মাঠিকঠাল খাই গল্প লিখা নহ'ল, কিন্তু ঘটনাক্ৰমত গল্পটোৰ স্বয়ং পৰিচালক ভূপেন হাজৰিকা প্ৰেমত পৰিল। মন প্ৰজাপতি নিৰ্মাণ হ'ল ভূপেন হাজৰিকাৰদ্বাৰা। সেয়া এক অন্য কাহিনী। সেই কাহিনীও ক'ম। নহ'লে অসমীয়া বোলছবিৰ ইতিহাসেই যে অসম্পূৰ্ণ হৈ ৰ'ব।

মৃণাল সেন। মই যিসময়ৰ কথা কৈছো, সেইসময়ত ভাৰতীয় বোলছবিৰ এগৰাকী সুপ্ৰতিষ্ঠ চিত্ৰনিৰ্মাতা। মৃণাল সেনে ইতিমধ্যে তেওঁৰ শেষ নোহোৱা ছবি শেষৰখন ছবি নিৰ্মাণ কৰিবলৈ হাতত লৈছিল - ছবিৰ নাম? 'এক দিন প্ৰতিদিন'। বয়োবৃদ্ধ মানুহ এজন হঠাৎ ৰাতিপুৱা ঘৰৰপৰা নোহোৱা হ'ল - তাৰেই মনস্তাত্বিক বিশ্লেষণ। বৰ সুন্দৰ ছবি।

ইয়াৰ আগতে মৃণাল সেন এবাৰ গুৱাহাটীলৈ আহিছিল। ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনোৱা হৈছিল। মোৰ পৰম সৌভাগ্য যে মৃণাল সেনে গুৱাহাটীলৈ আহি প্ৰথমে বিচাৰিছিল মোক। স্থানীয় কিছু মৃণালপ্ৰেমী যুৱক-যুৱতীৰ উৎসাহত এই আয়োজন কৰা হৈছিল জজ ফিল্ডত। এই সম্বৰ্দ্ধনা সভাৰ কোনোবা এজনে মোক আহি কথাটো কৈছিল।

একো চিন্তা-ভাৱনা নোহোৱাকৈ মই বৰ নিৰামিষভাৱে মৃণাল সেনক লগ ধৰিছিলো। একো বাহিক্য প্ৰকাশ নোহোৱাকৈ মৃণাল সেন মানুহজন আছিল অতি গহীন আৰু ইন্ট্ৰভাৰ্ট। মোক দেখি তেওঁ আনন্দতে উৎফুল্ল হৈ পৰিছিল। প্ৰথম কথাই হ'ল যে তেওঁ বাৰে-বাৰে কৈছিল, গুৱাহাটীত আহি আপোনাক মই প্ৰথম

বিচাৰিছো। মই বিনম্ৰভাৱে তেওঁক কথাত সঁহাৰি জনালো।

মৃণাল সেনৰ পৰৱৰ্তী প্ৰশ্নই হ'ল - 'কোথায় মন প্ৰজাপতি, গল্পেৰ কোনো খবৰ নেই? বোধহয় প্ৰজাপতি হয়েই উড়ে চলে গেলো।'

মই লাজ পালেও কথাবাৰ নিৰৱে হজম কৰিলো।

মন প্ৰজাপতি গল্পটো প্ৰকৃততে উপন্যাস আকাৰে লিখিছিলো আৰু তেতিয়াই নাম দিছিলো মন প্ৰজাপতি। গল্প হিচাপে লিখোতে নাম দিছিলো 'সুৰুয কপালী।' সুৰুয কপালী গল্পটো বৰ সুন্দৰ গল্প আছিল। ছাৰ্কাছৰ পটভূমিত অসমীয়া ভাষাত লিখা সেইটো তেতিয়ালৈ প্ৰথম গল্প আছিল। ছাৰ্কাছৰ জগত আমাৰ স্বাভাৱিক জীৱনৰ সম্পৰ্ক ক'ত বা সম্পৰ্ক ৰখাৰ যথাৰ্থতা ক'ত?

গোটেই গল্পটো মই লিখিবলৈ অনুপ্ৰাণিত হৈছিলো এটা সঁচা ঘটনাৰ পটভূমিত। সেই সময়ত মই নাইট ছুপাৰ বাছত গুৱাহাটীলৈ আহি আছিলো। শিৱসাগৰ বাছষ্টেণ্ড পাবলৈ বেছ কিছুদূৰ বাকী আছে। তেতিয়াই সশব্দে বাছখন বৈ গ'ল। স্প্ৰীং ভাগিল। সিফালৰপৰা অহা কোনো বাছত হাত দাঙি ড্ৰাইভাৰজনে বাছৰ কণ্ডাক্টৰজন পঠিয়াই দিলে। মই বুজিলো যে গোটেই ঘটনাটো সম্পূৰ্ণ হ'বলৈ দুই-আঢ়ৈ ঘণ্টাৰ প্ৰয়োজন হ'বগৈ।

জোনাক নিশা। অকৃপণভাৱে জোনাকে তাৰ নিজস্ব পোহৰ ঢালি দিছে। মানুহবোৰে নানান কথা কৈ পৰিবেশটো সহজ কৰিবলৈ বিচাৰিলে আৰু দুই-এজন মানুহে খোজ কাঢ়িবলৈ আৰম্ভ কৰিলে। ময়ো।

অলপ আঁতৰত বোধহয় কিবা ভাঙিছিল। মই গম পালো যে এটি ঘৰুৱা ছাৰ্কাছদলে তাত নিয়মীয়াকৈ ছাৰ্কাছ দেখুৱাৰ আয়োজন কৰিছিল। সেই ছাৰ্কাছৰে প্ৰথম শ্ব' শেষ হৈছে। দ্বিতীয় শ্ব'ৰ বাবে আয়োজন চলিছে।

মোৰ একো কাম নথকাত লাহে লাহে খোজ কাঢ়ি সেই ছাৰ্কাছৰ 'হাবু'ৰ ওচৰ পালেগৈ। দেখিলো-সাধাৰণভাৱে লিখিত 'ষ্টাৰ ছাৰ্কাছ' নামৰ এখন ছাইনব'ৰ্ড। তাৰ পাছত কোনো অপটু শিল্পীৰ হতুৱাই অঁকা ছাৰ্কাছৰ ছবিসহ পোষ্টাৰবোৰ। মই ছাৰ্কাছ চোৱাৰ বাবে নহয়, গোটেই পৰিবেশটোৰ বাবে মুগ্ধ হ'লো। মই কাৰোবাৰ মুখৰ পৰা গম পালো যে সেই ছাৰ্কাছখন অসমীয়া ছাৰ্কাছ।

অসমীয়া ছাৰ্কাছ মানে— অৰ্থটো কি? কোনোবা এজনে ক'লে যে ছাৰ্কাছখন প্ৰায়ভাগ অসমীয়া শিল্পীৰদ্বাৰা গঠিত আৰু অসমীয়া নায়িকাগৰাকীৰ নাম মীনা ৰাজখোৱা। মই একো নেভাবিলো।

অসমীয়া ছাৰ্কাছ? মই দেখিছিলো দক্ষিণৰ বৰ বৰ কোম্পানীবোৰৰ সজোৰে

চলোবা ছাৰ্কাছৰ প্ৰচাৰ আৰু প্ৰত্যক্ষ অৱদানেৰে চলা কোম্পানীৰ ছাৰ্কাছ। তাত অসমীয়া-বঙালী বুলি কোনো কথা নাই। মই গম পালো যে সেই ছাৰ্কাছখন ৰাজখোৱা নামৰ এজন মানুহে চলাইছে আৰু উপযুক্ত সঁহাৰিও পাইছে। সমগ্ৰ অসমতে বিভিন্ন ঠাইত ছাৰ্কাছ পাতিছে।

মই কৌতূহলবশতঃ ভিতৰ সোমাইছিলো। ছাৰ্কাছৰ তাবু পোৱাৰ পাছত মই মোৰ টিকটসহ ছাৰ্কাছৰ কোনোবা একোণত বহিলোগৈ। ঠাইখিনি ছাৰ্কাছৰ যিটো ডাইনামো থাকে, সেইটোৰ একেবাৰে ওচৰতে।

সুন্দৰ লাইট জ্বলাই তেওঁলোকে ছাৰ্কাছ পাতিছে।

মোৰ আচৰিত লাগিল যে গোটেই ছাৰ্কাছখনৰ মানুহবোৰে কিবা এক অনুপ্ৰেৰণাত নিজৰ কামত লাগি-মেলি ফুৰিছে। মোৰ ওচৰত থকা ডাইনামাটো মই লক্ষ্য কৰিছিলো। কোনোবা এজন মানুহে মোক সকীয়াই দিছিল, অলপ পিছুৱাই বহিবলৈ অনুৰোধ কৰিছিল। মই স্বাভাৱিকতে সেই আদেশ অনুকৰণ কৰিছিলো।

এটা সময়ত ছাৰ্কাছ চলি থাকোতে ছাৰ্কাছৰ সকলোবোৰ লাইট নুমাই গ'ল। চাৰিওফালে ঘিটমিটিয়া আন্ধাৰ। অশ্ৰাব্য চিএৰ-বাখৰ আৰু মানুহৰ বিভিন্ন উক্তিৰে ছাৰ্কাছথলী মুখৰিত হৈ পৰিল। মই কাৰোবাক সুধি গম পালো যে ছাৰ্কাছৰ হেড মেকানিকজন ওচৰৰে ক'ৰবালৈ গৈছে। তেওঁ আহিলে বস্তুটো ভাল হৈ উঠিব। বিৰক্ত আৰু বিতৃষ্ণাৰে মই ছাৰ্কাছথলীৰপৰা গুচি আহিছিলো। পাছত মই গম পাইছিলো যে ছাৰ্কাছৰ সেইজন হেড-মেকানিকে আধাঘণ্টামান পিছত বস্তুটো ভাল কৰি তুলিছিল। ছাৰ্কাছ আকৌ চলিছিল। পোহৰে চৌদিশৰ ঠাইখিনি জিলমিলাই তুলিছিল।

ঘটনাটো ইমানেই। মই হঠাতে তাৰ পটভূমিত এটা গল্পৰ আঁত বিচাৰি পালো। মই ভাবিলো, ছাৰ্কাছৰ ছোৱালীজনী আৰু হেড মেকানিকজনৰ এটা সম্পৰ্ক ৰাখি মই যদি গল্প এটা সজাওঁ- তেন্তে কেনে হ'ব। সেই পটভূমিতে মই লিখিছিলো মোৰ গল্প 'সুকয় কপালী'। গল্পটোৰ আৰম্ভণি মোৰ আজিও মনত আছেঃ 'সাইলাখ অপেচ্ৰাৰ দৰে, মোক খা মোক খা চেহেৰাৰ আঁঠুলৈকে দীঘল চোলা পিন্ধা সেইজনী ছোৱালীয়ে যেতিয়া নয়নপুৰৰ ৰাজপথেদি খোজ কাঢ়িছিল, সেই সময়ত ০০০। মই বুজাব খুজিছিলো যে ছাৰ্কাছ পাৰ্টিৰ প্ৰচাৰ সচিবে নয়নপুৰ গাঁৱৰ ৰাজপথেদি প্ৰচাৰ কাৰ্য চলাইছিল। ঘটনাটো ইমানেই।

কিন্তু গল্পটো প্ৰকাশ হওঁতে মই বিভিন্ন মতামত পালো। আৰু সেইবাবে গল্পটো পাছত ডাঙৰকৈ মই সজাইছিলো। নাম দিছিলো 'মন প্ৰজাপতি'। এই গল্পটো

উপন্যাস আকাৰত প্ৰকাশ পাইছিল পূজা সংখ্যাৰ 'আমাৰ প্ৰতিনিধি' আলোচনীত। গল্পটো সেই সময়ত বেছ জনপ্ৰিয় হৈ পৰিছিল। মই ছাৰ্কাছৰ প্ৰত্যক্ষ চৰিত্ৰ আৰু ছাৰ্কাছৰ নায়িকাগৰাকীক, যি নায়িকাগৰাকীৰ নাম দিছিলো নৱমী, সুন্দৰভাৱে সজাইছিলো। আন কথাত ভগীৰথ নামৰ ডেকা ল'ৰা এজনে এদিন ছাৰ্কাছ চাবলৈ গৈ দৈব দুৰ্বিপাকত ছাৰ্কাছৰ স'তে জড়িত হৈ স্বৰূপত আত্মপ্ৰকাশ কৰে। বিবাহিত ভগীৰথ ক্ষণিক সময়ৰ বাবে হৈ পৰিছিল প্ৰজাপতি অথবা সেয়াই আছিল মন প্ৰজাপতি।

মোৰ গল্পৰ সূত্ৰ ধৰিয়েই ভূপেনদাই গল্পটো অসম্ভৱ ভাল পাইছিল। ভাল পোৱাই নহয়, ভূপেনদাৰ যিটো স্বভাৱ, সেই অনুযায়ী তেওঁ বোধহয় মৃণাল বাবুক শুনাইছিল। তেওঁ মোটামুটিভাৱে মোৰ পৰিচয় দাঙি ধৰিছিল। তাৰ পাছতে মই গল্পটোৰ বাবে মৃণাল বাবুৰ বিভিন্ন 'ৰায়াৰ' পাওঁ। প্ৰতিখন 'ৰায়াৰ'তে তেওঁ মোৰ গল্পৰ কথা উল্লেখ কৰিছিল। একেবাৰে শেষৰখন আছিল, তেওঁৰ যিখন ৰায়াৰ পাই আমি সোণাৰিলৈ বুলি যাত্ৰা কৰিছিলো। মৃণাল বাবুক মোৰ গল্পটোৱে সঁচাকৈয়ে অভিভূত কৰিছিল। গল্পটো এটা টেপ ৰেকৰ্ডত ৰেকৰ্ডিং কৰি আমি তেওঁলৈ পঠিয়াইছিলো। সেই সময়ত মৃণাল বাবু কিবা কামত গুৱাহাটীলৈ আহিছিল। ভূপেনদাই মোক ক'লে যে গল্পটো দিব পাৰা নেকি? সেই মতেই কাম। এটা টেপ ৰেকৰ্ডাৰত আমি গল্পটো টেপ কৰি দিছিলো। পানবজাৰৰ বিখ্যাত মিৰিৰ হোটেল ৰিগেলত আমি ৰেকৰ্ডিং কৰি গল্পটো দিছিলোগৈ। কাৰণ, সেইদিনাই তেওঁ আবেলিৰ ফ্লাইটত কলিকতালৈ যাব। গল্পটো ভূপেনদাই বঙালী ভাষাতে কৈছিল। টেপত কওঁতে মাজে মাজে ইংৰাজীও সুমুৱাই দিছিল।

মোৰ এই গল্পটোৰ কোনো পইচা পোৱা নাছিলো। কিন্তু মৃণাল বাবুই এষাৰ কথা কোৱা মোৰ মনত আছে।

কলিকতাৰ ফেমাছ চিনে ৰেষ্টুৰেণ্টত মৃণাল বাবুৰ লগত মোৰ হঠাৎ দেখাদেখি। টপৰাই তেওঁ মোক কৈছিল— 'আপনাৰ গল্পটা কিছুতে কৰা গেলো না। কাৰণ ঐ গল্পেৰ জন্য উপযুক্ত ফাইনেন্সাৰেৰ অভাব।' লগতে আত্মঅহংকাৰী মৃণাল বাবুৱে কৈছিল : 'আপনাকে আমাৰ কিছু পাওনা দেবাৰ আছে।'

মই বুজিছিলো, তেওঁ টেপটোৰ পইচাৰ কথা কৈছে। মই তেওঁৰ মন ঘূৰাবলৈকে কৈছিলো : আপোনাৰ নতুন ছবিৰ নাম কি থ'লে?

মৃণাল বাবুৱে লাল চাহৰ গিলাচটোত চুমুক মাৰি ক'লে- 'এক দিন প্ৰতিদিন।' 'কেমন হয়েচে নামতা?' মোৰ মুখত কথা নাছিল।

মই জানো, অতি সুন্দৰ। তাৰ পাছত মৃণাল বাবুৱে 'আসুন বসুন' কৰি মোক লেখকৰটৰীৰ বেঞ্চ এখনত নিজে বহি মোকো বহুৱালে। গম পাইছিলো যে সেই দিনাই বাতিপুৱাই তেওঁ নামটো ভাবি উলিয়াইছে। মোক বাৰে বাৰে কৈছিল ঃ 'আপোনাক প্ৰথম শুনাইছো - এক দিন প্ৰতিদিন.....

মৃণাল বাবু অতি সংযমী মানুহ। যি কৰে, তাৰ কিবা এটা চিন ৰাখি যায়। সেই ক্ষেত্ৰতো সেইটোৱে হৈছিল।

সোণাৰিলৈ বুলি আমি যাত্ৰা কৰি মাজতে কুঠৰীত ৰৈ গৈছিলো। ভূপেনদাৰ যিটো স্বভাৱ, সেই স্বভাৱে ইয়াতো ক্ৰিয়া কৰিছিল। বাটত গৈ থাকোতে হঠাৎ তেওঁ ক'লে যে 'আমাৰ ই বা কেনে আছে?' মই কথাষাৰ নুবুজি তেওঁৰ মুখলৈ চালো।

দেখিলো, যিটো ঘৰৰ ফালে চাই তেওঁ কথাষাৰ কৈছিল, মই ঘৰটো চিনি নাপাওঁ। ঘৰটোৰ সন্মুখত এখন জীপ ৰৈ আছে; আৰু অলপ আঁতৰত এটা হাতী বান্ধি থোৱা আছে। হাতীটো ঘৰুৱা হাতী বোধকৰো। মুখেৰে কিবা খাই আছে।

আমি যেতিয়া নামি গ'লো, ভূপেনদাৰ চিএৰ শুনি ঘৰটোৰ মানুহজন আথেবেথে ওলাই আহি ভূপেনদালৈ চাই নিৰ্বিকাৰভাৱে হাঁহিলে। মানুহজন মই কোন চিনি পোৱা নাছিলো। উপাধিটো কিবা ফুকন আছিল বোধকৰো। কুঠৰীৰ একমা প্ৰতিপত্তিশালী মানুহ। জীপখন আৰু হাতীটোৱে সেইটোৱে ইংগিত দিয়ে।

মানুহজন ভূপেনদাৰ ভীষণ অনুৰক্ত। এই কথাৰ উমান মই পাইছিলো তেওঁৰ কথা-বতৰাৰপৰা, ভূপেনদালৈ চাই মানুহজনে ক'লেঃ 'আপোনাৰ কথা মই কালিৰেপৰা ভাবিছো। আপুনি আজি যাব নোৱাৰে।' তাৰ পাছত আমি আমাৰ বস্তুখিনি নমাই থ'লো। ভূপেনদাই টপৰাই মানুহজনক সুধিলে - মোৰ বিছনাখন ঠিক আছেনে? মানুহজনে আত্মবিভোৰ হৈ আছে বুলি কৈ সন্মতি জনালে। ভূপেনদা দপদপাই ভিতৰ সোমাই গ'ল। মই বাৰাণ্ডাতে ব'লো।

ঠিক হ'ল, আমি তাতেই থাকিম। ভূপেনদাই দৌৰ মাৰি ঘৰটোৰ ইকোঠা সিকোঠা কৰি এনে এটি ভাবৰ সৃষ্টি কৰিলে, যেন তেওঁ সেইটো ঘৰত বহুদিন ধৰি আছে। পিছফাললৈ গৈ অকণমান কিবা চাই সুধিলে ঃ মই উঠা নাওখোৰ আছেনে? মানুহজনে আছে আছে ভাৱত মূৰ জোকাৰিলে। মানুহজন অকলে থাকে যদিও ঘৰটো অতি পৰিপাটী। লগে লগে একজন ল'ৰাই বয়-বস্তুবোৰ ভিতৰলৈ আনিলে।

আমাৰ লক্ষ্যস্থান আছিল সোণাৰি। কিন্তু মাজতে সেইকণ খেলিমেলি। মোৰ একো নাছিল। ভূপেনদাই ক'লে- 'নিৰোদ, গল্পটো ইয়াতে লিখি পেলাব পাৰিম,'

আজি বাতি। ঠাইখিনি কেনে লাগিছে?'

ঠিক হ'ল, বাতি আমি ভাত-পানী খাই লিখিম। সেইমতে বহি লিখিবলৈ ল'লো। ঠিক ক'বপৰা কেনেকৈ আৰম্ভ কৰিম ভাবি চোৱা নাছিলো। ভূপেনদাই সাহস দিলে, তুমি তোমাৰ ধৰণে লিখি যোৱাচোন।

আমি বাহিৰত বহিছিলো। ভিতৰৰ বাৰাণ্ডাৰ সেইকণ ঠাই মুকলি আছিল। সুন্দৰকৈ এখন টেবুল, মাজত এটা হাতলেম্প, তাতে আনি বহিছিলো। মই ভূপেনদাৰ কথামতে লিখিবলৈ আৰম্ভ কৰিছিলো। ভূপেনদাই মাজে মাজে উঠি গৈ ঘৰৰ গিৰিহঁতৰ লগত কথা পাতিছিল। পৰিবেশটো ভালেই লাগিছিল। ভূপেনদা গৈ মানুহজনৰ লগত বাহিৰৰ বাৰাণ্ডাত কথা পাতিছিল।

এটা সময়ত মোৰ লিখা শেষ হৈছিল। মোটামুটি মোৰ গল্পটোৰ আক্ষৰিক ৰূপ তাতেই। কেৱল যোগ-বিয়োগ কৰাৰ সুযোগ ভূপেনদালৈ এৰিলো। ভূপেনদাই লিখাটো পঢ়িবলৈ লৈ শেষৰফালে কৈ উঠিল- 'বাঃ, বঢ়িয়া হৈছে।' ভূপেনদাই ইতিমধ্যে গল্পটো যোগ-বিয়োগ কৰিবলৈ সাজু হ'ল। এটা সময়ত লিখা শেষ কৰি মই ভূপেনদালৈ চালো। ভূপেনদাই ক'লে- 'আহা, বাহিৰত অকমান জোনাক দিছে।' আমি নেচনেল হাইৱেদি দীঘলীয়া খোজ পেলালো। ভূপেনদাই দীঘল হাতৰ ছুৰেটাৰটো ইতিমধ্যে বুকুৰেদি সোমাই লৈছিল। মোৰো অকণ অকণ ঠাণ্ডা লাগিলেও ছুৰেটাৰ মই পিন্ধা নাছিলো। কেৱল ভূপেনদাৰ কথা শুনি গৈছিলো। তেওঁ মোক হঠাৎ এবাৰ সুধিলে- 'তুমি পখিলাৰ ফুলনি দেখিছানে?' মই মূৰ জোকাৰিলো নাই দেখা বুলি।

ভূপেনদাই অকণমান বৈ ক'লে- ইয়াৰপৰা আঁতৰত আমলখি বুলি এডোখৰ ঠাই আছে। সেই ঠাইখনতু তুমি পখিলা দেখিলে আচৰিত হ'বা।

পখিলা চোৱা নহ'ল। মনত পৰিল মোৰ পখিলাজনীলৈ। ভূপেনদাই গল্পটোৰ ঠায়ে ঠায়ে যিখিনি সলাব খুজিছে, সেইখিনিৰ কথা মোক ক'লে। মই ভাবিলো, ছবিৰ কাৰণে গল্প এটাক যেনে ধৰণে ৰূপ দিব খোজে তেনে ধৰণে পোনাই নিয়ক - একেবাৰে শেষত তাৰ পৰিণতি নিশ্চয় ওলাব।

বৰ কষ্ট কৰি গল্পটো লিখি উলিয়াইছিলো মৃণাল বাবুৰ বাবে। কিন্তু গুৱাহাটী আহি পাই হঠাতে বিদিনা গম পালো যে মৃণাল বাবু অসমতে আছে আৰু তেওঁ পৰহিলৈ যাবগৈ, ভূপেনদাই মোক ক'লে, মৃণাল বাবুক গল্পটো ইয়াতে দিব পাৰো দেখোন। ঠিক হ'ল, পিছদিনাখন গল্পটো এটা টেপত ক'ব লাগিব আৰু সেই টেপটোকে মৃণাল বাবুক দিব লাগিব। ভূপেনদা সাজু হ'ল। পিছদিনাখন মই টেপটো আৰু কেছেট এটা লৈ গৈছিলো। ভূপেনদাৰ কথামতে আমি পানবজাৰৰ মিৰিদাৰ বিগেল

হোটেলতে বহি গল্পটো ক'বলৈ ঠিক কৰিলো।

আগতেই কৈছো, গল্পটো টেপত যেতিয়া ক'বলৈ আৰম্ভ কৰিলো, তেতিয়া ভূপেনদাই হঠাতে কৈ উঠিল এনে ধৰণে, 'আমি বাংলাতে বলে যাই'। তেওঁ বঙালীতে গোটেইটো গল্প ক'লে। তাতেই আমি গল্পটো শুনিলো।

মৃণাল সেনৰ বাবে মন প্ৰজাপতি মোটামুটি সাজু। এতিয়া মাত্ৰ অপেক্ষা। এই গল্পটোকে মই বৰ আশাৰে নি মৃণাল বাবুৰ হাতত তুলি দিছিলোগৈ। মই নেজানিছিলো যে টকা-পইচাৰ অভাৱ- মৃণাল সেন বা সত্যজিৎ ৰায়ৰ নিচিনা মানুহৰ বাবেও হ'ব পাৰে। সেই কথাবাৰ মই মৃণাল বাবুৰপৰা গম পালো।

আমি গুৱাহাটীৰ বৰঝাৰ (গোপীনাথ বৰদলৈ) এয়াৰপোৰ্টলৈ গৈ মৃণাল বাবুৰ হাতত গল্পৰ কেছেটটো দিছিলোগৈ। তেওঁ খুব আগ্ৰহেৰে লৈ টেপটোত চুমা এটা খাই হঠাতে কৈছিল। 'এটা কি শুনা যাবেনা'? স্বাভাৱিকতে এয়াৰপোৰ্টত টেপ বজোৱাৰ তেনে সুবিধা নাছিল, তথাপি ভূপেনদাই ওপৰলৈ গৈ কিবাকে মেনেজ কৰি উভতি আহি সেই কথা কৈছিল। ভূপেনদাক দেখি স্বাভাৱিকতে এয়াৰপোৰ্টৰ মানুহখিনি খুব উৎসাহিত হৈছিল আৰু টেপ বজাই শুনিব বুলি জানি খুব উৎসাহিত হৈছিল। ভাবিছিল, হয়তো গানৰ টুকুৰা বাজিব। কিন্তু তাৰ সলনি 'কথা' শুনি ভিৰ হোৱা মানুহখিনিৰ উৎসাহত চেঁচা পানী পৰিল।

মন প্ৰজাপতিক নি মৃণাল বাবুৰ হাতত দিছিলোগৈ। কিন্তু জনা নাছিলো, ইমান বাধা-বিঘিনি আছে বুলি। মৃণাল বাবুৰ প্ৰায়ভাগ ছবিৰে তেতিয়া ডাঙৰ ডাঙৰ আখৰেৰে বিজ্ঞাপন ট্ৰাম-বাছত। কলিকতাত থকা আৰু বাহিৰৰপৰা কলিকতালৈ যোৱা মানুহৰ চকুত সেইবোৰ অবাক বিস্ময় হৈ ধৰা দিছিল। মোৰ দৰে সাধাৰণ মানুহৰ চকুতো সেইবোৰ বিজ্ঞাপন অতীৱ বিস্ময়ৰ কাৰণ হৈছিল।

কিন্তু! 'আপনাৰ গল্পৰ জন্য ফাইনেনচিয়াৰ পেলাম না'- সেই কথা কোনে বিশ্বাস কৰিব?

আপনাৰ গল্পেৰ জন্য ফাইনেনচিয়াৰ পেলাম না। মৃণালবাবুৱে কৈছিল। বিখ্যাত চলচিত্ৰনিৰ্মাতা মৃণাল সেনে।

মৃণালবাবুৰ কথা শুনি মই আচৰিত হৈছিলো। অবাক হৈ গৈছিলো।

অবাক হৈছিলো এটা কথা ভাবি : মৃণালবাবুৰ দৰে চলচ্চিত্ৰ পৰিচালককেও চলচ্চিত্ৰ নিৰ্মাণৰ বাবে ফাইনেনচিয়াৰ বিচাৰি নাপায়। তেনেস্থলত, আমাৰ দৰে সাধাৰণ লেখকৰ গল্পৰ বাবে কোন আগবাঢ়ি আহিব।

তথাপি আহিছিল।

'মন প্ৰজাপতি' এদিন অসমীয়া ভাষাতেই নিৰ্মাণ হৈ ওলাইছিল ভূপেনদাৰ পৰম আগ্ৰহত।

সেইয়া বাদ অন্য প্ৰসংগ

সেইয়া এক অন্য কাহিনী।

কিন্তু মৃণালবাবুৰ দৰে চলচ্চিত্ৰ নিৰ্মাতায়ো চলচ্চিত্ৰ নিৰ্মাণৰ বাবে কাহিনেনটিয়াৰ বিচাৰি নোপোৱা কথাটোৱে মোক অবাক কৰি তুলিছিল।

ডুমডুমা।

মিঠা লজেন্সৰ দৰে মোৰ জিভাত লুটি-বাগৰ খাই উচ্চাৰিত সৰু-চহৰ এখনৰ নাম ডুমডুমা। মোৰ জন্ম ঠাই, মোৰ মৰমৰ ডুমডুমা।

সেউজীয়া শাৰী শাৰী চাহ বাগিচাৰে পৰিবেষ্টিত, মোৰ মখাৰি, মোৰ শৈশৱৰ বহু সৰু-বৰ ৰোমাঞ্চকৰ স্মৃতিৰে ভৰপূৰ ডুমডুমা।

মোৰ মৰমৰ চামেলিৰ দেশ ডুমডুমা। মোৰ মানসকন্যা চামেলিৰ ডুমডুমা। জীৱন গঢ়াৰ তাগিদাত এদিন অনিচ্ছাসত্বেও মই ডুমডুমাকপৰা আঁতৰি আহি গুৱাহাটী পাইছিলোহি। সেই তাহানিতে। তাৰ পাছত গুৱাহাটীয়েই হৈ পৰিল মোৰ জীৱন নিৰ্বাহৰ কেন্দ্ৰবিন্দু। ডুমডুমা হৈ গ'ল মোৰপৰা বহু দূৰৈত।

তথাপি। তথাপিও।

তথাপিও ডুমডুমা মোৰ আজিও আপোন। ডুমডুমা মোৰ দেহ-মন জুৰি সৰ্বাংগত বিলীন হৈ আছে আজিও, এতিয়াও; মোৰ সিৰা-উপসিৰাত প্ৰবাহিত তেজৰ লগত একাকাৰ হৈ আছে মোৰ মৰমৰো মৰমৰ, মোৰ প্ৰাণৰো প্ৰাণৰ ডুমডুমা।

এই ডুমডুমাতেই এদিন মোৰ জন্ম; এই ডুমডুমাতেই এদিন মোৰ সাহিত্যিক জীৱনৰ আৰম্ভণি, এই ডুমডুমাই মোৰ বহু গল্প-উপন্যাসৰ কাহিনীৰ পটভূমি। সেই ডুমডুমাক মই পাহৰো কেনেকৈ। সেয়েহে মোৰ জীৱনবৃত্ত ৰোমন্থন কৰিবলৈ বহিলেই মোৰ মনৰ চকুৰ আগত চিনেমাৰ ৰীলৰ দৰে ইখনৰ পাছত সিখনকৈ ভাহি উঠেহি অলেখ সৰু-বৰ ঘটনাৰ লানি নিছিগা চিত্ৰ। সৌৰৱণী সমলয়। মিঠা লজেন্সৰ দৰে মোৰ জিভাত লুটি-বাগৰ খাই বাৰে বাৰে উচ্চাৰিত হয় মাথোন সেই একেটা শব্দ, ডুমডুমা ডুমডুমা।

□□□□□□□